অৱমানিতৰ আত্মকথা

আদান-প্ৰদান

অৱমানিতৰ আত্মকথা

ৰমেশচন্দ্ৰ শ্বাহ

অনুবাদ

ড° হেমেশ্বৰ দিহিঙ্গীয়া

নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া

বেটুপাত ঃ তপতী সৰকাৰ

ISBN 81-237-3453-0

2001 (শক 1922)

মূল © ৰমেশচন্দ্ৰ শ্বাহ, 1995

অসমীয়া অনুবাদ নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, 2001

Original Title : Kissa Gulam (Hindi)
Asamiya translation : Avamanitor Atmakatha

মূল্য ঃ 70.00 টকা

সঞ্চালক, নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া, এ-5 গ্ৰীণ পাৰ্ক,
নতুন দিল্লী-110016 **ৰদ্বাৰা** প্ৰকাশিত

সূচী

ভূমিকা vii

প্ৰথম পৰ্ব ঃ অজ্ঞাতবাস 1

ডাঙৰীয়াৰ জয় হওক 3
আৰ্থাৰ ঃ এটা কিংবদন্তি 9
আৰ্থাৰ, গ্ৰীটা আৰু এলিচ 20
এটা অসম্পূৰ্ণ আলোচনা 30
সহানুভূতিশীল ঋক্ষৰ কাৰণে 37

দ্বিতীয় পৰ্ব ঃ সত্যনাৰায়ণৰ কথা 43

টাম্‌টাৰ অৰ্থ 45
চিন্তা নকৰিবা ৰামী 49
কংগ্ৰেছ অফিচ 51
আৰু এজন চিৰঞ্জীলাল 55
মৃত্যু নগৰী 59
বাঃ কি যে বাওনা বুদ্ধি 64
ভাগীৰথী ওৰফে ৰাম খুৰাৰ ঘৰ 70
অকলে ৰণ জিনিব নোৱাৰি 77
দেউ আপুনি ডুবিলে 86
গান্ধীৰ উত্তৰাধিকাৰী 94
ঘৰলৈ লক্ষ্মী আহিল 103

শুনহ হনুমান 116
সকলো মাটি হ'ল 127
শোক কৰা ৰামী 129
তোমাৰ নাৰায়ণ 132
ইতিহাস পুৰাণ 137
নিচুকনি পুৰস্কাৰ 142
অনাথ আশ্ৰম 144
লিট্‌ল কমৰেড আৰু ভিনীহিদেউ 149
অন্তৰৰ কথা 157
পাঁচ বছৰৰ পিছত 160
পুনৰ ভাগীৰথী 162
বন্ধু লাভ আৰু নিষিদ্ধ ফল 174

তৃতীয় পৰ্ব ঃ সন্ধিয়াৰ সূৰ্য 179

জামু গছ 181
এজন মানুহৰ ৰাজ্য 188
কুন্দন-জোচেফ সংবাদ 192
এলিচৰ বিষয়ে 201
পিতা আৰু পুত্ৰ 207
সপোন 217
অন্যমনস্ক ধূলি 225

ভূমিকা

প্ৰত্যেক সমাজৰেই আখ্যান-পৰম্পৰাৰ নিজস্ব ঐতিহ্য আছে। কিন্তু প্ৰতিখন সমাজতেই আধুনিক উপন্যাসৰ সূচনাৰ বেলিকা পশ্চিমীয়া প্ৰভাৱ পৰিলক্ষিত হয়। এইটো কথা বেলেগ যে, স্বকীয় বিকাশক্ৰমত প্ৰতিটো ভাষাতেই নিজস্ব আখ্যান-পৰম্পৰাৰ সৈতে এক সৃজনশীল সম্পৰ্কৰ অন্বেষণৰ প্ৰচেষ্টাও একে সময়তে অব্যাহত আছে। হিন্দী উপন্যাস সাহিত্যৰ বিকাশো ইয়াৰ ব্যতিক্ৰম নহয়। বৰং ইয়াৰ উৎপত্তিয়েই হৈছে পশ্চিমীয়া সংস্কৃতিৰ সৈতে এটা সৃজনীশীল সংঘাতৰ পটভূমিত। সাধাৰণভাৱে, ১৮৮২ চনত প্ৰকাশিত লালা শ্ৰীনিবাসদাসৰ 'পৰীক্ষাগুৰু'কে হিন্দী ভাষাৰ প্ৰথম উপন্যাস হিচাপে চিহ্নিত কৰা হয়, যাৰ বিষয়বস্তু আছিল ভাৰতীয় আৰু পশ্চিমীয়া সংস্কৃতিৰ সংঘাত। কিন্তু এই সমুচিত আৰম্ভণি সত্ত্বেও হিন্দী উপন্যাসৰ গতিধাৰা দৈৱকীনন্দন খত্ৰীৰ পাঠকক মোহাচ্ছন্ন কৰিব পৰা কল্পনা কাহিনী আৰু কিশোৰীলাল গোস্বামীৰ ঐতিহাসিক-সামাজিক উপন্যাসৰ পিনে ঢাল খায়। খত্ৰীজীৰ উপন্যাসসমূহ এহাতেদি বাস্তৱৰ সৈতে সম্পৰ্কৰহিত। আনহাতে গোস্বামীজীৰ উপন্যাসত বাস্তৱৰ নামত 'প্ৰাকৃতবাদ'ৰ উৎকট প্ৰৱণতা পৰিলক্ষিত হয়। ঠিক এইটো কাৰণতেই এই সময়ত হিন্দী সাহিত্যত উপন্যাস ধাৰাৰ বাঞ্ছনীয়তাক লৈয়েই তীব্ৰ বিতৰ্কৰ সূচনা হৈছিল। এই বিতৰ্ক যথেষ্ট আমোদজনক আছিল যদিও এইটো কথা স্বীকাৰ কৰিবই লাগিব যে যি সাংস্কৃতিক সংঘাতৰ ফলশ্ৰুতিত হিন্দী উপন্যাসৰ শুভাৰম্ভ হৈছিল তাৰপৰা যৎকিঞ্চিৎ কক্ষচ্যুতি অৱশ্যেই ঘটিছিল।

সেয়েহে হিন্দী উপন্যাসৰ প্ৰথম যথাৰ্থ আৰু পৈণত সৃজনীমূলক বিস্ফোৰণ ঘটিছিল প্ৰেমচন্দত আৰু ঠিক এই কাৰণেই ১৯১৮ চনত 'সেৱাসদন' প্ৰকাশৰপৰা আৰম্ভ কৰি ১৯৩৬ চনত 'গোদান' প্ৰকাশ হোৱা পৰ্যন্ত এই কালছোৱাক প্ৰেমচন্দ যুগ নামেৰে অভিহিত কৰা হয়। প্ৰেমচন্দৰ আদৰ্শমুখী বাস্তৱবাদ একেধাৰে খত্ৰীজীৰ বাস্তৱবিমুখতা আৰু কিশোৰীলাল গোস্বামীৰ প্ৰাকৃতবাদৰ বিৰুদ্ধে এক বলিষ্ঠ সৃজনাত্মক বিদ্ৰোহ আছিল। 'গোদান' প্ৰকাশ হোৱালৈকে প্ৰেমচন্দৰ আদৰ্শবাদ আৰু বেছি সৃষ্টিধৰ্মী হৈ উঠে আৰু তেওঁৰ মন কোনো ঘোষিত উদ্দেশ্যৰ প্ৰতি নহয় বৰং কৃতিৰ লক্ষ্য

অভিমুখেহে ধাৱিত হ'বলৈ আৰম্ভ কৰে। এইখন উপন্যাসত এক ধৰণৰ ক্লাচিকেল দৃষ্টিৰ বিকাশৰ সম্ভাৱনা পৰিলক্ষিত হৈছিল। ক'ব পাৰি যে, প্ৰায় কুৰি বছৰৰ এই নাতিদীৰ্ঘ সময়ছোৱাতেই হিন্দী উপন্যাস-সাহিত্যই এটা শতাব্দীৰ বিকাশ-যাত্ৰা সম্পূৰ্ণ কৰিছিল। এইটো যুগৰ দ্বিতীয়জন গুৰুত্বপূৰ্ণ ঔপন্যাসিক হ'ল জয়শংকৰ প্ৰসাদ। তেওঁ মূলতঃ এজন ছায়াবাদী কবি আৰু সাংস্কৃতিক দৃষ্টিৰ মূৰ্তৰূপ প্ৰদানকাৰী নাট্যকাৰ হ'লেও তেওঁৰ উপন্যাসসমূহত বিশেষকৈ 'কঙ্কাল'ত তেওঁৰ সমগ্ৰ দৃষ্টি সামাজিক যথাৰ্থতাত নিবদ্ধ হয়।

হিন্দী কথাসাহিত্যৰ প্ৰেমচন্দোত্তৰ যুগটো চিহ্নিত হৈছে জৈনেন্দ্ৰ-অজ্ঞেয় যুগ নামেৰে। জৈনেন্দ্ৰৰ 'ত্যাগপত্ৰ' আৰু অজ্ঞেয়ৰ 'শেখৰ এক জীৱনী'ৰ দৰে উপন্যাসসমূহৰ বিশিষ্টতা কেৱল ইয়াৰ ৰচনাশৈলীয়েই নহয় বৰং ইয়াত সামাজিক অৱস্থানৰ পৰিৱৰ্তে প্ৰতিভাত হৈ উঠিছিল মানৱমনৰ অন্তৰ্বিৰোধ, জটিলতা আৰু চিত্তবৃত্তি। কাজেই হিন্দী ভাষাৰ এটা নতুন সৃজনীশীল ৰূপে এই দুজন কথাশিল্পীৰ ৰচনাত প্ৰাণ পাই উঠিছিল। কিয়নো ইয়াৰ আগেয়ে মনস্তাত্ত্বিক জটিলতা আৰু সূক্ষ্ম অন্তৰ্দ্বন্দ্বৰ অভিব্যক্তিৰ বাবে হিন্দী সাহিত্যত সেই ধৰণৰ ভাষাৰ প্ৰয়োজন অনুভৱ কৰা হোৱা নাছিল। খুব সম্ভৱ, ছায়াবাদী কবিতাত সূক্ষ্মভাব ব্যক্ত কৰিবলৈ সমৰ্থ যিটো ভাষাৰ বিকাশ ঘটিছিল, সেইটো ভাষাকেই আধাৰ হিচাপে লৈ এই ঔপন্যাসিক দুজনে এটা নতুন কথাশৈলী আৱিষ্কাৰ কৰিছিল, যিটো শৈলীৰ আন এটা ৰূপ কিছুদিন পাছত হাজাৰীপ্ৰসাদ দ্বিবেদীৰ 'বাণভট্টৰ আত্মকথা'ৰ দৰে আখ্যানসমূহত দৃষ্টিগোচৰ হয়। এইখন উপন্যাসো 'শেখৰ ঃ এক জীৱনী'ৰ দৰে এটা গাঁথনিক পৰীক্ষা, য'ত ভাৰতীয় আখ্যান-পৰম্পৰাৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ এটা সাৰ্থক প্ৰয়াস পৰিলক্ষিত হয়। প্ৰেমচন্দৰ ধাৰাও এই যুগত সক্ৰিয় আছিল আৰু এই যুগৰ ঔপন্যাসিকসকলৰ ভিতৰত প্ৰধানকৈ যশপালৰ কৃতিত্ব উল্লেখ কৰাটো প্ৰয়োজনীয় যিজনৰ 'ঝুঠা ঔৰ চছ' শীৰ্ষক উপন্যাসে সমকালীন ৰাজনৈতিক যথাৰ্থতাক এক বহল কেনভাচত দাঙি ধৰিছিল। তেওঁৰ সমসাময়িক লেখকসকলৰ ভিতৰত ভগৱতীচৰণ বৰ্মা আৰু অমৃতলাল নাগৰৰ কৃতিত্বও বিশেষভাৱে উল্লেখযোগ্য। বিশেষকৈ ভগৱতীচৰণ বৰ্মাৰ 'ভুলে-বিচৰে চিত্ৰ' আৰু নাগৰজীৰ 'বুন্দ ঔৰ সমুদ্ৰ' হিন্দী কথাসাহিত্যলৈ দুটা অনবদ্য অৱদান।

জৈনেন্দ্ৰ-অজ্ঞেয় যুগৰ পাছত হিন্দী উপন্যাসৰ সৰ্বাধিক উল্লেখযোগ্য নাম হ'ল ফণীশ্বৰনাথ ৰেণু যাৰ 'মৈলা আঁচল' আৰু 'পৰতী পৰিকথা'ই হিন্দী কথাসাহিত্যৰ আঞ্চলিক প্ৰামাণিকতাক এটা নতুন স্বৰূপ আৰু আয়তন প্ৰদান কৰিছিল এই যুগৰ ঔপন্যাসিকসকলৰ ভিতৰত নৰেশ মেহতা (য়হ পথ বন্ধু থা), কৃষ্ণবলদেৱ বৈদ (উচকা বচপন), শিৱপ্ৰসাদ সিংহ (অলগ-অলগ বৈতৰণী), নিৰ্মল বাৰ্মা (ওয়ে দিন), লক্ষ্মীকান্ত বৰ্মা (খালী কুৰ্চী কী আত্মা), শ্ৰীলাল শুক্ল (ৰাগ দৰবাৰী), ৰাহী মাচুম ৰাজা (আধা গাঁও), শানী (কালাজল) আৰু অন্য কেইজনমানৰ নাম প্ৰণিধানযোগ্য।

বিগত কালছোৱাত শ্ৰীবেন্দ্ৰকুমাৰ জৈন, গিৰিৰাজ কিশোৰ, কৃষ্ণা চোৱতী, ৰমেশচন্দ্ৰ শ্বাহ, মনোহৰশ্যাম যোশী, অমৃতলাল নাগৰ, পঙ্কজ বিষ্ট, সুৰেন্দ্ৰ বৰ্মা, মহেন্দ্ৰ ভাল্লা, কৃষ্ণবলদেৱ বৈদ, শিৱপ্ৰসাদ সিংহ, নিৰ্মল বৰ্মা, মঞ্জুৰ এহতেশ্যাম, ৰাজী শেঠ, জোৎস্না মিলন প্ৰমুখ্যে বেছ কিছু নৱীন-প্ৰৱীণ কথাসাহিত্যিকৰ কৃতিত্বই হিন্দী পাঠকসকলৰ মনোযোগ স্বাভিমুখে আকৃষ্ট কৰিবলৈ সক্ষম হৈছে।

* * *

এই ঔপন্যাসিকসকলৰ ভিতৰত ৰমেশচন্দ্ৰ শ্বাহ আৰু বিশেষকৈ তেওঁৰ উপন্যাস 'কিচ্ছা গুলাম'ৰ মহত্ত্ব আনবোৰ কথাৰ লগতে এইটো কথাতো যে এই উপন্যাসৰ মাধ্যমেদি লেখকে নিজকে সেই মূল সমস্যাটিৰ সৈতে সংলগ্ন কৰিছে যিটোৱেই হিন্দী উপন্যাসৰ আৰম্ভণি সম্ভৱ কৰিছিল। উপন্যাসত ভাৰতীয় আৰু পশ্চিমীয়া সংস্কৃতিৰ সংঘাতৰ প্ৰথম প্ৰতিফলন ঘটিছিল 'পৰীক্ষাগুৰু'ত। পৰৱৰ্তীকালৰ উপন্যাসতো এই সংঘাতৰ প্ৰতিফলন ঘটিছিল ঠিকেই কিন্তু অজ্ঞেয়ৰ 'অপনে অপনে অজনবী'ৰ বাহিৰে আন কোনোখন উপন্যাসৰেই ই প্ৰধান উপজীৱ্য নাছিল। কিন্তু ৰমেশচন্দ্ৰ শ্বাহৰ 'কিচ্ছা গুলাম'ত আজিকালিৰ ভাৰতীয়ৰ এই সাংস্কৃতিক সংঘৰ্ষক এক সংবেদনশীল আত্ম-সংঘৰ্ষৰ স্তৰলৈ উঠাই নিয়া হৈছিল। এইটো প্ৰয়াসৰ এটা সাৰ্থকতা হ'ল এয়ে যে শ্বাহে দুটা জীৱন দৃষ্টিৰ এই সংঘাতক বা নিজৰ অৱস্থানক কোনো সৰলীকৃত স্থিতি বা সমাধানৰ পথত প্ৰতিস্থাপিত কৰিব খোজা নাছিল। অধিকসংখ্যক হিন্দী ঔপন্যাসিকেই প্ৰেমচন্দৰ পৰম্পৰাৰ নাম লৈ ভাৰতীয় সমাজৰ বেদনা আৰু অন্তৰ্দ্বন্দ্বক কেৱল আৰ্থিক দৃষ্টিকোণৰপৰাহে চাবলৈ প্ৰয়াস কৰে। শ্বাহৰ উপন্যাসৰ প্ৰতি আমি এই কাৰণেই এটা দুৰ্বাৰ আকৰ্ষণ অনুভৱ কৰোঁ যে তেওঁ ভাৰতীয় সমাজৰ বৌদ্ধিক তথা ভাৱাত্মক অন্তৰ্দ্বন্দ্বক ইয়াৰ জটিলতাসহ চোৱাৰ প্ৰয়াস কৰিছে, কিন্তু নিজস্ব পৰম্পৰা আৰু তাত প্ৰৱিষ্ট ঐতিহাসিক বিকাৰৰ লগে লগে পশ্চিমৰ সৰ্বগ্ৰাসী প্ৰত্যাহ্বানৰপৰা উদ্ভূত বিপৰ্যয়ৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছে।

সেয়েহে 'কিচ্ছা গুলাম' কোনো ৰাজনৈতিক-আৰ্থিক দাসত্বৰ কাহিনী নহয়, বৰং ই আমাৰ মানসিক দাসত্বৰ সেইটো প্ৰবৃত্তিকহে উদঙাই ধৰে যাৰ প্ৰভাৱত আমাৰ সমাজে এহাতেদি নিজস্ব পৰম্পৰাত প্ৰৱিষ্ট হোৱা ঐতিহাসিক বিকৃতিসমূহৰ ওচৰত দাসত্ব স্বীকাৰ কৰে আৰু আনহাতে সেইবোৰৰপৰা মুক্ত হোৱাৰ ভ্ৰমত পশ্চিমীয়া অৱধাৰণাবোৰ স্বীকাৰ কৰি লয় যাৰ ফলত নিজৰ সমাজখনৰ বিকৃতিসমূহৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ বাবে অনুপ্ৰেৰণাতো পোৱাই নাযায় বৰং সেইবোৰৰপৰা বিচ্ছিন্ন হৈ অন্য এক ধৰণৰ দাসত্বহে স্বীকাৰ কৰি লোৱাৰ দৰে হয়। উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ কুন্দনৰ এজন দলিত জাতিৰ ছাত্ৰৰপৰা আন্তৰ্জাতিক খ্যাতিসম্পন্ন নৃতত্ত্ববিদলৈ হোৱা উত্তৰণ, বাস্তৱিকতে এটা দাসত্বৰপৰা মুক্ত হোৱাৰ ভ্ৰান্তিত আন এটা দাসত্বৰ নাগপাশত

বন্দী হোৱাৰ কাহিনী। বাল্যকালৰ শোকাৱহ দুৰ্গতিয়ে কুন্দনক সমাজৰ প্ৰতি বিদ্ৰোহী কৰি তোলে। নিজৰ পিতাকৰ বিৰুদ্ধে কৰা বিদ্ৰোহো সমাজৰ বিৰুদ্ধে কৰা বিদ্ৰোহৰেই দ্বিতীয় স্তৰ কিয়নো তেওঁৰ পিতাক আমাৰ সমাজৰ সেইটো বুনিয়াদী দৃষ্টি আৰু ওজস্বিতাৰ প্ৰতীক যিজনে নিজৰ সমাজক নিজস্ব দৃষ্টিভংগীৰে বুজিবলৈ আৰু সংশোধিত কৰিবলৈ প্ৰয়াস কৰে। এই বিদ্ৰোহৰ চৰম পৰিণতি ঘটিছে তেওঁৰ জাৰ্মান গুৰুৰ কন্যা এলিচৰ সৈতে হোৱা তেওঁৰ বিবাহত যি বিবাহৰ বিৰোধিতা কেৱল তেওঁৰ পিতাক নাৰায়ণৰামেই কৰা নাছিল, বৰং স্বয়ং এলিচৰ পিতাকেও তেওঁক সতৰ্ক কৰি দিছিল। ধৰ্মৰ প্ৰতি এলিচৰ কোনো বিশ্বাস নাছিল, কিন্তু ভাৰতলৈ অহাৰ পাছত এলিচৰ মন লাহে লাহে ধৰ্মৰ প্ৰতি ঢাল খালে আৰু জনৈক খ্ৰীষ্টান পাদ্ৰিৰ প্ৰভাৱত তেওঁ কেৱল এগৰাকী পাৰম্পৰিক খ্ৰীষ্টানৰ দৰেই ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰাই নহয়, বৰং শেহত এদিন কুন্দনক এৰি থৈ এলিচ নিজৰ দেশলৈ ঘূৰি যায়গৈ। এই ঘটনাত কুন্দনৰ মোহভংগ ঘটে আৰু ফলত তেওঁ আকৌ এবাৰ নিজৰ সমাজখনৰ পিনেই ঘূৰি চাবলৈ বাধ্য হয়। প্ৰায় একে সময়তে সংঘটিত তেওঁৰ পিতাকৰ মৃত্যুৱেও তেওঁক আত্মসমালোচনাৰ বাবে উদ্বুদ্ধ কৰে। গোটেই উপন্যাসখন তেওঁৰ এই আত্মসমীক্ষা প্ৰক্ৰিয়াৰেই এক অসাধাৰণ দস্তাৱেজ যাৰ পৰিসমাপ্তি ঘটাৰ আগেয়েই কুন্দনৰ মাধ্যমত ভাৰতীয় দৃষ্টিৰ প্ৰাসঙ্গিকতা ধৰা পৰাৰ কিছু কিছু লক্ষণ ফুটি উঠিছে।

আপাতদৃষ্টিত উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ কুন্দনেই, কিন্তু বাস্তৱিকতে লেখকৰ সৈদ্ধান্তিক বক্তব্য পৰিস্ফুট হৈছে তেওঁৰ পিতাক নাৰায়ণৰাম টামটাৰ মাধ্যমেদি। কিয়নো উপন্যাসখনৰ শেহৰ ফালে দেখা গৈছে কুন্দনে তেওঁৰ পিতাকৰ দৃষ্টিভংগীকেই স্বীকৃতি দিছে। নাৰায়ণৰাম নিজেই তেওঁৰ দেশ আৰু সমাজৰ প্ৰতি সমৰ্পিত এজন জনসেৱক। সমকালীন ভাৰতীয় সমাজত দলিত হোৱাৰ যন্ত্ৰণাৰ লগত তেওঁও খুব ভালকৈ পৰিচিত। কিন্তু তেওঁৰ মতে সমাজৰপৰা বিচ্ছিন্ন হৈ বা ধৰ্ম পৰিৱৰ্তন কৰি এই ৰোগৰ চিকিৎসা কৰিব নোৱাৰি। বৰং সমাজত বাস কৰি সেই সমাজৰ বুনিয়াদী মূল্যবোধৰ সৈতে পৰিচিত হৈ সেই বিকাৰসমূহৰ বিৰুদ্ধে যুঁজ দিব পৰাটোহে তেওঁ প্ৰকৃত সাহসৰ পৰিচায়ক বুলি ভাবে। তেওঁ 'অনুসূচীত জাতি'ৰ দৰে নহয় বৰং এইখন সমাজৰ এজন সমান অধিকাৰপ্ৰাপ্ত সদস্য হৈ থাকিব খোজে। সেই কাৰণেই সম্পূৰ্ণ বিপৰীত মনোভাবাপন্ন তেওঁৰ আধুনিকতাবাদী শহুৰৰ ঘৰৰ লগত তেওঁ একমত হ'ব নোৱাৰে আৰু নিৰ্বাচনত জয়লাভ কৰাৰ পূৰ্ণ সম্ভাৱনা থকা সত্ত্বেও 'অনুসূচীত' প্ৰাৰ্থীৰ দৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ তেওঁ অস্বীকাৰ কৰে।

কুন্দন তেওঁৰ ব্ৰাহ্মণ মিত্ৰ ৰমদাৰ কন্যা ভাগীৰথীৰ প্ৰতি আকৰ্ষিত হয় আৰু তেওঁ পিতাকৰ সমুখত ভাগীৰথীক বিবাহ কৰোৱাৰ প্ৰস্তাৱ দিয়ে। কিন্তু নাৰায়ণৰামে এই প্ৰস্তাৱত সন্মতি দিবলৈ অস্বীকাৰ কৰে কিয়নো পাৰম্পৰিক দৃষ্টিত ভাগীৰথী কুন্দনৰ ভগ্নীস্বৰূপ। কিন্তু কুন্দনে ভাবে পিতাকৰ এই অসন্মতিৰ কাৰণ জাতিহে আৰু নিজৰ

পিতাকৰ প্ৰতি তেওঁ বিদ্ৰোহী হৈ পৰে। কিন্তু বাস্তৱিকতে নাৰায়ণৰামে জাতিভেদ প্ৰথাৰ বন্ধনক স্বীকাৰ কৰিব খোজা নাছিল, বৰং তেওঁৰ জাতিৰ এজন যুৱকে এগৰাকী ব্ৰাহ্মণ কন্যাক বিবাহ কৰাত যি গণবিক্ষোভে দেখা দিয়ে তেওঁ তাৰহে বিৰোধিতা কৰে আৰু এই বিয়াই যাতে আইনী আৰু সামাজিক স্বীকৃতি লাভ কৰে তেওঁ তাৰেই বাবে চেষ্টা চলায়।

যদিও উপন্যাসখনৰ সমাপ্তি ঘটিছে ভাৰতীয় দৃষ্টিভংগীক দিয়া স্বীকৃতিৰে, তথাপি লেখকৰ এই সচেতনতাক প্ৰশংসা নকৰি নোৱাৰি যে তেওঁ পৰম্পৰাক লৈ সেই আত্মশ্লাঘাৰ চিকাৰ হোৱা নাই যি সচৰাচৰ পৰম্পৰাবাদী লেখকসকলৰ মাজত দেখা যায়। উপন্যাসৰ শেহৰ ফালে লেখক আত্মনিন্দাৰ প্ৰবৃত্তিৰ উৰ্ধ্বলৈ উঠি প্ৰবৃত্ত হৈছে আত্ম অৱলোকনত। এটা সুস্থ আৰু সন্তুলিত আত্মসমালোচনা প্ৰবৃত্তিৰ বিকাশ ঘটিছে উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ কুন্দনত যিটো গুণ তেওঁৰ পিতাকৰ প্ৰথমৰেপৰা আছিল আৰু সেই কাৰণেই কুন্দনৰ আত্মবিশ্বাসহীন চৰিত্ৰত স্বাভাৱিক আত্মবিশ্বাসে লাহে লাহে গা কৰি উঠিছে আৰু সম্ভৱ হৈছে সমাজৰ লগত তেওঁ তেওঁৰ অৱস্থিতি খাপ খুৱাই লোৱাৰদ্বাৰা।

লেখকে এই মৌলিক অন্তৰ্দ্বন্দ্বক কেৱল সামাজিক কাঠামোৰ সৈতে যুক্ত কৰিয়েই ক্ষান্ত থকা নাই, বৰং তেওঁ এই অন্তৰ্বিৰোধক ভাষা, শিল্প প্ৰভৃতি বিভিন্ন প্ৰশ্নৰ সৈতে যুক্ত কৰি প্ৰত্যক্ষ কৰিছে। ফলত তেওঁৰ এইখন উপন্যাস কেৱল জাত-পাতৰ তুচ্ছ সমস্যাতেই সীমাবদ্ধ নাথাকি এক বহুমুখী জীৱন দৃষ্টিৰ পৰিচায়ক হৈ উঠিছে। কুন্দনৰ কৈশোৰ আৰু তাৰুণ্যৰ বৰ্ণনা কৰা হৈছে গল্পৰ আকাৰত, কিন্তু তেওঁৰ মৌলিক অন্তৰ্দ্বন্দ্বৰ বিশ্লেষণ কৰা হৈছে প্ৰধান শৈলীত। সেয়েহে, কুন্দনৰ প্ৰাৰম্ভিক জীৱনৰ বৰ্ণনাত আছে এক ধৰণৰ সংবেদনশীল প্ৰামাণিকতা যিয়ে পৰৱৰ্তী বৌদ্ধিক বিশ্লেষণ আৰু যুক্তিতৰ্ককো প্ৰদান কৰিছে এক সংবেদনশীল আধাৰ আৰু আৱেগ। ইয়াৰ ফলত উপন্যাসখনৰ বৌদ্ধিক বিতৰ্কসমূহেও এক বিশেষ ধৰণৰ ভাবাবেগ লাভ কৰিছে। ৰমেশচন্দ্ৰ শ্বাহে বৌদ্ধিক প্ৰশ্নসমূহৰো বিশ্লেষণ কৰিছে গভীৰ অনুভূতিৰ উপাদানেৰে। লগতে উপন্যাসৰ জীৱন্ত চৰিত্ৰৰ ৰূপায়ণতো তেওঁৰ দক্ষতা দেখিলে আচৰিত মানিব লাগে। সেয়েহে এইখন উপন্যাসৰ ভাষাত বৌদ্ধিক আৰু ভাবাত্মক তত্ত্বৰ বাঞ্ছনীয় সমন্বয় ঘটিছে যি উপন্যাসখনক এক গৰিমা প্ৰদান কৰাৰ লগতে ইয়াক এক অদ্ভুত পঠনীয়তাও দিছে। সামাজিক উদ্বেগৰ প্ৰায়বোৰ নিৰ্জীৱ বস্তুৰ বৰ্ণনাৰ মাজতো 'কিচ্ছা গুলাম'ৰ মহত্ত্ব এইখিনিতেই যে তেওঁ এই আসক্তিসমূহক এটা বুদ্ধিদীপ্ত প্ৰত্যাহ্বানৰ ৰূপত দাঙি ধৰিছে আৰু তেওঁ তেওঁৰ ভাবপ্ৰৱণ ভাষাৰ মাধ্যমেদি পাঠকৰ চিন্তা-ভাবনাক এনেদৰে উদ্বেলিত কৰি তোলে যে নিজৰ অস্তিত্বৰ ওপৰতেই পাঠকৰ মনত সংশয় ওপজে।

- নন্দকিশোৰ আচাৰ্য

প্রথম পর্ব

অজ্ঞাতবাস

ডাঙৰীয়াৰ জয় হওক

ডাঙৰীয়া, আপোনাৰ জয় হওক ... দুৱাৰখন খোলাৰ বাবে আপোনাক অশেষ ধন্যবাদ। আপোনাৰ লগত মোৰ কথা আছে। কিন্তু আপোনাৰ কি হ'ল? গা বেয়া নহয়তো? আপুনি শুই আছেনে বা সাৰ পাই আছে মই একো ধৰিব পৰা নাই। মইতো কোঠাটোত পোহৰ দেখিয়েই সোমাই পৰিলোঁ। আপোনাৰ টোপনিত খোজ কঢ়াৰ অভ্যাস নাইতো? অন্ততঃ এবাৰ মোলৈ চাওকচোন ... এনে হোৱা নাইতো মই আপোনাৰ টোপনিৰ ভিতৰত কেনেবাকৈ সোমাই পৰিছোঁ? ডাঙৰীয়া, আপুনি আকৌ শুই পৰক, শুলে মোৰ কোনো লাভ বা লোকচান নহ'ব। মই আপোনাক টোপনিতো সহযোগিতা কৰিম। ইমান ৰাতি এজন অচিনাকি মানুহক আপোনাৰ কোঠাত সোমাবলৈ অনুমতি দিয়াটো কম দয়ানে? এঃ দুৱাৰখন আকৌ কোনে খুলিলে? আপুনি খোলা নাইতো? বাৰু, যাবলৈ দিয়ক, মইযে কি অপৰাধ কৰিলোঁ নিজেই নাজানো। আচলতে তাকে জানিবলৈ মই আপোনাৰ ওচৰলৈ আহিছোঁ। কিন্তু আপুনি সঁচাকৈয়ে টোপনি গ'ল যেন লাগিছে। এৰা, ইয়াতকৈ সুলক্ষণ আৰু সৌভাগ্যৰ কথা কি হ'ব পাৰে? আপোনাৰ দেৱদূতৰ নিৰ্দোষ মুখখনৰ নিচিনা মুখখন সকলোৱে দেখিবলৈ নাপায় ... আৰু কি ভাল কথা যে বিমোৰত নপৰাকৈয়ে মই সেই মুখখনলৈ একেৰাহে চাই থাকিব পাৰিছোঁ। আপোনাৰ চকু আৰু মুখত এতিয়াও মই বিস্ময় দেখা পাইছোঁ আৰু সেই মুখখনে মোক প্ৰশ্ন কৰিছে, "তুমি কোন?" "ইয়ালৈ কিয় আহিছা?" ... ক'ম ডাঙৰীয়া, মই আপোনাক সকলো কথা ক'ম। অৱশ্যে সকলো কথা ক'বলৈ কওঁতাৰ মনত আত্মবিশ্বাস থাকিব লাগিব আৰু লগতে শুনোতাজনৰো।

ডাঙৰীয়া, আপোনাৰ কথা বেলেগ। কিন্তু মোৰ অভিপ্ৰায় এইটো নহয় যে আপোনাৰ ভদ্ৰ আৰু সৎ স্বভাৱৰ সুবিধা লৈ মোৰ সকলো অপৰাধৰপৰা নিজকে মুক্ত কৰিবলৈ মই চেষ্টা কৰিম। অপৰাধীতো মই নিজেই নহ'লেনো আপুনিয়েই কওক যোৱা কেইবছৰমানৰপৰা সেই অসৎ পাদুৰীটোৱে আমাৰ ব্যক্তিগত বিষয়ত হস্তক্ষেপ নকৰাহেঁতেন মোৰ পত্নীয়ে হঠাৎ মোক তেনেভাৱে এৰি গ'লহেঁতেননে? জহন্নামে যাওক সেই পাদুৰীটো! আপুনি বিশ্বাস কৰিবনে জগতৰ আটাইতকৈ ডাঙৰ পাদুৰী-সৰ্বশক্তিমান পোপেও এজনী নাৰীৰ নাৰীত্ব তেনেভাৱে কাঢ়ি নিব পাৰে? ডাঙৰীয়া,

আপুনি যিয়েই নকওক, সেই পাদুৰীটোক কোনেও সমৰ্থন নকৰিব। সেইটো এটা ভূমিকম্প আছিল ডাঙৰীয়া, ভূমিকম্প। এটা নহয়, দুটা নহয় তিনিটা জোকাৰ মৰা ভূমিকম্প! কিন্তু সেই সকলো ঘটনাৰ বাবে অকল পাদুৰীটোৱেই জগৰীয়া আছিলনে? মই নিজেই পাদুৰীটোতকৈও কম জগৰীয়া নাছিলোঁ জানো? পূৰ্বজন্মত ভাগীৰথী আৰু মোৰ মাজত কোনো পাদুৰী আছিল জানো? ডাঙৰীয়া, মোৰ কপালখনলৈ চাওক। কালি-পৰহিৰ কথাবোৰ এতিয়া পূৰ্বজন্মৰ কথা যেন লাগিছে। ভূমিকম্প আৰু কাক ক'ব? বুইছে ডাঙৰীয়া, সৰু সৰু জোকাৰ প্ৰত্যেক মানুহৰ জীৱনলৈ আহে ...। কিন্তু মোৰ উদ্দেশ্য সেইটো নাছিল।

পত্নীতো তো পত্নীয়েই, মোৰ সেই বন্ধুজনেও সেই সময়তে মোক চিৰদিনৰ কাৰণে এৰি থৈ জগতৰপৰা আঁতৰি গৈছিল। ডাঙৰীয়া, আপুনিয়েই কওক তেওঁৰ যোৱাটো নিশ্চিত বুলি জানিও তেওঁ মোক মাতি পঠাইছিল কিয়? ছিগা শিকলিডাল অনেক বছৰ ধৰি যেনেকৈ পৰি আছিল তাক তেওঁ তেনেভাৱেই পৰি থাকিবলৈ নিদিলে কিয়? তেওঁৰ যে চিঠি লিখাৰ অভ্যাস নাছিল সেইটো মই আগৰেপৰাই জানো। আপুনিয়েই কওকচোন জগতত এনে মানুহ নাই জানো যি লিখিবলৈ ভয় কৰে আৰু যাৰ সদায় ব্যৱহাৰ কৰি থকা শব্দবোৰো অস্বাভাৱিক যেন লাগে? কিন্তু আচৰিত কথা তেনে ধৰণৰ মানুহৰ হাতলৈ কোনো এটা কাম আহিলে তেওঁলোকে সেই কামটো তৎক্ষণাৎ কৰি পেলায়, আৰু কৰাৰ আগতে ভাবি-চিন্তি সময় নষ্ট নকৰে। প্ৰশ্ন উঠে সেই গুণতো মোৰ বন্ধুৰ নাছিল জানো? ডাঙৰীয়া, আপোনাৰ মনতো প্ৰশ্নটো নেখেলায় জানো যে মোৰ ওপৰত প্ৰতিশোধ ল'বৰ কাৰণেই মোৰ বন্ধুৱে মৃত্যুৰ সেই সময়টো বাছি লৈছিল? বুইছে ডাঙৰীয়া, আগতে বা পিছত সকলো মানুহ মৰিব লাগিব কিন্তু বিপদ মাত্ৰ মোৰ নিচিনা মানুহৰ—যি মৰিবও নোৱাৰে আৰু জীয়াই থাকিবও নোৱাৰে। মোৰ দেউতায়ো যোৱা বছৰৰ এই দিনটোতেই মোক ফাকি দিয়া নাছিল জানো? তেওঁ মোৰ ভালৰ কাৰণে আৰু কেইটামান দিন অপেক্ষা কৰিব নোৱাৰিলেহেঁতেন জানো? গোটেই জীৱনটো তেওঁৰ লগত কাজিয়া কৰি আহি শেহত যেতিয়া দুয়োৰে মাজত প্ৰীতিপূৰ্ণ সম্বন্ধ গঢ়ি উঠিবলৈ আৰম্ভ কৰিছিল ঠিক সেই সময়তে তেওঁ মোৰপৰা চিৰদিনৰ কাৰণে আঁতৰি গৈছিল। তেওঁ আৰু কেইটামান দিন অপেক্ষা কৰিব নোৱাৰিলেহেঁতেন জানো? আমাৰ মাজত জানো এনে কিবা মাৰাত্মক বাজী আছিল যে তেওঁ মোৰ বিৰুদ্ধে শেষ কৌশল প্ৰয়োগ কৰিলে যাৰ ফলত মই চিৰদিনৰ কাৰণে ধ্বংস হৈ গ'লোঁ?

যদি সঁচা-সঁচিকৈ সেইটোৱেই কথা আছিল, তেন্তে কালি সন্ধিয়া তেওঁ মোক স্বপ্নত কিয় দেখা দিছিল? স্বপ্নত দেখা দিবলৈ তেওঁক কোনোবাই বাধ্য কৰাইছিল জানো? ডাঙৰীয়া, আপুনিয়েই মোৰ সাক্ষী, আপুনিয়েই মোৰ সমস্যাটোৰ সমাধান কৰকচোন। স্বপ্নত যদি তেওঁ মোক সেই অৱস্থাত দেখিলেহেঁতেন ভয়ত চিঞৰি উঠিলহেঁতেন, ঘৃণাত নাক কোঁচালেহেঁতেন। কিন্তু মই একো নকৰিলোঁ যেতিয়া মই তেওঁক এটা কাম কৰা কুলীৰ বেশত দেখিছিলোঁ। সেই কুলীৰ বেশত তেওঁ মোক কিয় দেখা দিছিল? তেওঁ মোৰ লগত

কথা পাতিছিল অৰ্থাৎ কথা পতা মানে নিজে কৈ গৈছিল কিন্তু মোক ক'বলৈ সুযোগ দিয়া নাছিল আৰু যেতিয়া মই ক'বলৈ আৰম্ভ কৰিছিলোঁ তেতিয়াই তেওঁ অদৃশ্য হৈছিল। মোৰ মনে নধৰে যে তেওঁক দ্বিতীয়বাৰ আকৌ মই স্বপ্নত দেখা পাম। কিন্তু মই কাকনো কি ক'ম? তেওঁৰ লগত মই অতি কম দিনেই আছিলোঁ অৰ্থাৎ যেতিয়া সৰু হৈ আছিলোঁ তেতিয়াহে। ডাঙৰীয়া, মই কিবা বকি আছোঁনেকি বা কওক মই আন কোনোবানেকি? মোৰ আৰু মোৰেই মাজত এনে এটা খাল খনা হ'লনে কি যাৰ ওপৰত কোনো কাঠৰ পাট পাতিব নোৱাৰি?

ডাঙৰীয়া, মোৰ সৌভাগ্য বুলি কওক যে মোৰ গৃহস্থীখন ধ্বংস হোৱাৰ আগতেই দেউতাৰ মৃত্যু হৈছিল। আপোনাৰ যি ইচ্ছা তাকে কওক, মই কোনোমতেই স্বীকাৰ নকৰোঁ যে মোৰ পত্নীয়ে আমাৰ মনোমালিন্যৰ কথা আনৰ আগত প্ৰচাৰ কৰা নাছিল। কিন্তু সেই মনোমালিন্য থকা সত্ত্বেও তেওঁ মোৰ ওপৰত ভাৰসা কৰিছিল আৰু ময়ো তেওঁক মাজে-সময়ে ভৃত্যৰ নিচিনা নহয় স্বামীৰ নিচিনাকৈ তিৰস্কাৰ কৰিছিলোঁ। কিন্তু সেই তিৰস্কাৰত তিক্ততা নাছিল আৰু মই তেওঁক ক'বলৈ বিচাৰিছিলোঁ যে মই তেওঁৰ সকলো অভাৱ, সকলো আৱশ্যকতা দূৰ কৰিম আৰু এনে কোনো কাম নকৰিম যাৰদ্বাৰা তেওঁ পৰজন্মতো কোনো অশান্তি নাপাব। ... ডাঙৰীয়া, আপুনি দেখোন মিচিকিয়ালে! মোৰ কথাবোৰ আপুনি বিশ্বাস কৰিবলৈ টান পাইছেনেকি? ... কিন্তু ঈশ্বৰৰ কৃপাত সকলো কথা সহজ হৈ পৰিছে যেন লগা নাই জানো? যেনেকৈ মই তেওঁক শ শ বাৰ ভুল বুজিছিলোঁ, তেঁৱো মোক শ শ বাৰ ভুল বুজিছিল, নহয় জানো? কিন্তু এনে ধৰণৰ ভুল বুজা-বুজি কিয় হয়? আপুনি হয়তো ক'ব সকলো সম্বন্ধ বাধ্যতামূলক সংযোগৰ যোগেদি গঢ়ি উঠে।

কিছুমান মানুহে কোনো দায়িত্ব ল'ব নোখোজে আৰু যিকোনো কামৰপৰা আঁতৰি থাকিবলৈ ভাল পায়। কিন্তু তাৰ অৰ্থ এইটো নহয় যে মই কিবা ভাল কাম কৰিলে তেওঁলোকে মোক প্ৰশংসা নকৰে। এটা কথা আপুনি স্বীকাৰ কৰিব লাগিব যে যি মানুহে আপোনাৰ ওপৰত ভাৰসা কৰে, তেওঁক বঞ্চনা কৰা যিমান সহজ সিমান মাৰাত্মকো। কাৰণ মানুহক ভাৰসা দিব বুলি আপুনি এবাৰ আশ্বাস দি তাক দিব নোৱাৰিলে আপোনাৰ ওচৰত মানুহ ক্ষুণ্ণ হোৱাটো স্বাভাৱিক আৰু পিছত তাৰ পৰিণাম বেয়া হোৱাটোও স্বাভাৱিক। তদুপৰি গোটেই জীৱনটো মানুহক ভাৰসা দি নিজকে নিঃশেষ কৰিও আপুনি তাৰ বাবে নিজকে যোগ্য নহয় বুলি অনুভৱ কৰিব পাৰে। সি যি কি নহওক, মানুহক ভাৰসা দিয়াৰ দহ বছৰীয়া বা কুৰি বছৰীয়া আনন্দোৎসৱ এতিয়া পালন কৰক। সেই উৎসৱ পালন কৰিবলৈ আপোনাৰ সম্পূৰ্ণ স্বাধীনতা আছে। কিন্তু যেতিয়া সেই স্বাধীনতাৰ জৰীডাল ডিঙিত লাগিব তেতিয়াহে সেই স্বাধীনতাৰ মানে কি জানিব পাৰিব। তেতিয়া আপুনি নিজৰ কপালৰ ওপৰত এৰি দিব, তেতিয়া আপুনি যিবোৰ মানুহক গোলামতকৈও হীন বুলি গণ্য কৰিছিল, সেইবোৰ মানহক ঈৰ্ষা কৰিব। ডাঙৰীয়া, লিখা-পঢ়া জনা যে এটা ঈশ্বৰে দিয়া আশীৰ্বাদ তাত অলপো সন্দেহ নাই। বিশেষকৈ যেতিয়া আপোনাক মূৰ্খবোৰে চাৰিওপিনৰপৰা ঘেৰি ধৰিব। কিন্তু মূৰ্খবোৰৰ মাজত বুদ্ধিমান হোৱা কিমান এটা শাস্তি

আপুনি বুজিব নোৱাৰে। মূৰ্খক ভালপোৱা সহজ নহয় আৰু মূৰ্খই আপোনাক ঘৃণা কৰোঁতে কৰোঁতে এদিন আপুনি উপলব্ধি কৰিব আপোনাৰ বুদ্ধিও ভোটা আৰু ঘৃণনীয় হৈ পৰিছে। তেতিয়া আপুনি কি কৰিব? আকৌ নতুনকৈ বুদ্ধিমান আৰু নতুনকৈ মূৰ্খ হ'বলৈ তেতিয়ালৈকে পলম হৈ নাযাব জানো? ... ডাঙৰীয়া, আপোনাৰ মুখখন দেখি মই অনৰ্থক কথা কৈ আছোঁ বুলি আপোনাৰ মনত ধৰিছে যেন লাগিছে। কিন্তু আপোনাৰ ঠাইত মোৰ সেই বন্ধুজন হোৱাহেঁতেন মই ইমান স্পষ্ট আৰু সঁচা কথা কেনেকৈ ক'ব পাৰিলোঁ জানি তেওঁ আশ্চৰ্য হ'লহেঁতেন। সিমানেই নহয়, আপোনাৰ ঠাইত সেই বুঢ়াজন অৰ্থাৎ মোৰ দেউতা হোৱাহেঁতেন তেৱোঁ সেই কথা বুজিলেহেঁতেন। কিন্তু তেওঁৰ ভাষা মোৰ ভাষাৰ নিচিনা সৰল নাছিল আৰু বুজিবলৈ বৰ টান পাইছিলোঁ। অৱশ্যে পিছত সেই ভাষাৰ অৰ্থ বুজিছিলোঁ বুলি ক'ম কিন্তু লাভ কি? ... কিন্তু আপুনি এইটো ধৰি ল'লে ভুল হ'ব যে তেওঁৰ লগত এলিচৰ বিশেষ ঘনিষ্ঠতা আছিল। তেওঁ দেউতাৰ লগত অতি বেছি এসপ্তাহমান আছিল। কিন্তু মোৰ খং তোলাবলৈ এলিচে কৈছিল, "তোমাৰ দেউতা তোমাতকৈ মানুহক বেচি আনন্দ দিব পৰা আৰু বেছি শক্তিশালী মানুহ।" এলিচৰ কথা শুনি সঁচাকৈয়ে মোৰ খং উঠিছিল। কিন্তু তেওঁক এলিচে কিয় ভাল পাইছিল এতিয়া মই বুজিব পাৰিছোঁ। সি যি কি নহওক, মোৰ ওচৰত দুয়ো অপৰাধী আছিল আৰু এতিয়াও মই সেই মনোভাব পোষণ কৰোঁ।

... ডাঙৰীয়া, আপুনি ঠিক বুজিছে। আপুনি বৰ সংবেদনশীল আৰু ভাল শ্ৰোতা। শুই থাকোঁতেই যদি আপোনাৰ এই অৱস্থা, সাৰ পাই থাকিলে কি হ'ব? অৱশ্যে এনেয়ে মই আপোনাৰ ওপৰত ভাৰসা কৰিছিলোঁ আৰু অনেক ভাবি-গুণিহে আপোনাৰ আশ্ৰয় ল'বলৈ আহিছিলোঁ। আপোনাৰ যেতিয়া এই উত্তৰ—আপুনি ইয়াক আশ্ৰয় বুলিয়েই ধৰি লওক বা নিৰ্বাচন বুলি ধৰি লওক মোৰ ওচৰত কোনো পাৰ্থক্য নাই। অৱশ্যে, এইটো এটা সম্বন্ধ যাৰ ওপৰত কোনো সন্দেহ কৰিব নোৱাৰি, যাৰ ওপৰত স্বাৰ্থৰ ছাঁ পৰ্যন্ত পৰিব নোৱাৰে। ... আপুনি কি কৈছে—সংযোগ? মই কিন্তু আপোনাৰ কথা মানি নলওঁ। সংযোগৰদ্বাৰা বন্ধুত্ব গঢ়ি উঠিব পাৰে। আই-বোপাই, ককাই-ভাই, বাই-ভনী, পত্নী আৰু প্ৰেমিকাৰ লগত সম্বন্ধ কিবা নহয় কিবা এটা সংযোগৰদ্বাৰাই গঢ়ি উঠে ; কিন্তু ডাঙৰীয়া, এইটো ঠিক—আপোনাৰ লগত মোৰ সম্বন্ধ তেনেভাৱে গঢ়ি উঠা নাই। আপুনি মানি লয়নে নলয় ক'ব নোৱাৰোঁ—আপোনাৰ লগত গঢ়ি উঠা মোৰ সম্বন্ধ একেবাৰে স্বাধীন সম্বন্ধ যাক আন কোনো সম্বন্ধৰ লগত তুলনা কৰিব নোৱাৰি। অৱশ্যে, যদি সম্বন্ধটো গাঢ় হ'লহেঁতেন মই ইমান বেচিকৈ অৰ্থহীন কথা ক'বলগীয়া নহ'লহেঁতেন। ... অ' মই আপোনাক কি কৈছিলোঁ?

এৰা, মনত পৰিছে—দেউতা মাৰ নিচিনা বিনা কাৰণত জিদ কৰা মানুহ নাছিল। তেওঁৰ প্ৰতিশোধ লোৱাৰ এটা সূক্ষ্ম উপায় আছিল আৰু সেই উপায়টো তেওঁ কৌশলেৰে প্ৰয়োগ কৰিছিল। গালি-শপনি পৰা, চিঞৰ-বাখৰ কৰা মূৰ্খৰ কাম। অৱশ্যে, যিবোৰ বুদ্ধিমান মানুহে নিজকে বেছি বুদ্ধিমান বুলি জাহিৰ কৰিবলৈ বিচাৰে তেওঁলোকেও মূৰ্খৰ নিচিনা কাম কৰে। ডাঙৰীয়া, মই আপোনাক আগতেই কৈছোঁ—

তেওঁৰ নিজকে পছন্দ আৰু অপছন্দৰ বস্তুবোৰৰপৰা দূৰত ৰখাৰ এটা উপায় আছিল। এসময়ত তেওঁৰ লগত মোৰ আটাইতকৈ নিকট সম্বন্ধ আছিল—যাক তেওঁৰ আত্মাৰ শেষ অংশ বুলি ক'ব পাৰি। কিন্তু এতিয়া তেওঁৰ সেই উপায়ৰ লগত মোৰ কোনো সম্বন্ধ নাই। ... ডাঙৰীয়া, আপুনি হাঁহিছে? অৱশ্যে মই হাঁহি উঠাৰ কথাই কৈছোঁ। মই আপোনাক অলপো বেয়া পোৱা নাই। সেই সম্বন্ধে আপুনি নিশ্চিন্ত থাকক। ডাঙৰীয়া, যেতিয়া মই দেউতাৰ মৃত্যুৰ সংবাদটো পাওঁ তেতিয়া মই কি কৰা উচিত আছিল ক'বনে? তেওঁৰ আটাইতকৈ ডাঙৰ ল'ৰা হিচাপে শ্মশানত নিজ হাতেৰে তেওঁৰ মুখাগ্নি কৰা মোৰ পক্ষে উচিত নাছিল জানো? কিন্তু মই নগ'লোঁ। নগ'লোঁ যেতিয়া নগ'লোঁ। আপুনি নিশ্চয় প্ৰশ্ন কৰিব পাৰে—"কিয় নগ'লা?" তাৰ উত্তৰত ক'ম, "কিয় যাম, ডাঙৰীয়া? যি স্থলত জীয়াই থাকোঁতে তেওঁৰ লগত কেতিয়াও মই একেলগে নাছিলোঁ, তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ কাষ চাপি অভিনয় কৰিম কিয়? যেতিয়া তেওঁ মোৰপৰা কেতিয়াও একো আশা কৰা নাছিল, মোৰ নিজৰ পিনৰপৰা মই এটা মিছাৰ আশ্ৰয় লওঁ কেনেকৈ? যদি মই মুখাগ্নি কৰাৰ কাৰণে তেওঁৰ পৰলোক-যাত্ৰা সহজ হয় তাকে কৰিলে মোৰ কি ক্ষতি হ'লহেঁতেন? আৰু এতিয়া মোৰ মনলৈ অনুশোচনা আহিছে কিয়? তেওঁৰ মৰণৰ পিছত মুখাগ্নি নকৰাৰ কাৰণে? নাইবা জীয়াই থাকোতে তেওঁক স্পষ্ট কথা নোকোৱাৰ কাৰণে?

অৱশ্যে, সেই দিনবোৰৰ লগত এতিয়াৰ দিনবোৰৰ কোনো সামঞ্জস্য নাই। মাত্ৰ ঈশ্বৰে জানে আৰু মই জানো মোৰ অন্তৰত জ্বলি থকা তুঁহ জুইকুৰা কিমান ডাঙৰ। ইফালে, মোৰ পত্নীয়ে মোৰ লগত কোনো সম্বন্ধ নাৰাখিছিল। সিমানেই নহয়, মোৰ লগত সম্বন্ধ ৰখাৰ সময়তো তেওঁ মোৰ দুঃখ-কষ্ট একো নুবুজিছিল আৰু বুজিবলৈকো চেষ্টা নকৰিছিল বৰঞ্চ সিমান গুৰুতৰ নহ'লেও মোৰ সৰু-সুৰা দোষবোৰক অতিৰঞ্জিত কৰি কথাৰে গাৰ খহুৰ নিচিনাকৈ মোক পীড়া দিছিল। যদি তেওঁ বাতুলৰ নিচিনাকৈ মোৰ প্ৰতি তেনে ব্যৱহাৰ নকৰিলেহেঁতেন মোৰ খং উঠাৰ কোনো কাৰণ নাথাকিলহেঁতেন আৰু মই লাহে লাহে নিজকে চম্ভালি ল'লোঁহেঁতেন। কিন্তু মোৰ নিচিনা এটা মানুহৰ তেনে ধৰণৰ সমস্যাৰ সমাধান কৰিবৰ অৱসৰেই বা ক'ত আছিল! ডাঙৰীয়া, মোৰ শান্ত মেজাজৰ কাৰণে মই কেতিয়াও অহংকাৰ কৰা নাছিলোঁ আৰু এতিয়াও নকৰোঁ ... আপুনি দেখোন আকৌ মিচিকিয়ালে। আপোনাৰ সেই হাঁহিয়ে মোক খেলি-মেলি লগাই দিয়ে। আপুনি মোক নাজানে আৰু ময়ো আপানাক নাজানো। গতিকে মোৰ হাতৰপৰা লাগামডাল কেনেকৈ এৰি গ'ল আৰু কেনেকৈ মই এই গাঁতটোত পৰিলোঁ তাৰ কাৰণ আপোনাক কেনেকৈ কওঁ? মাত্ৰ ইমানেই ক'ব পাৰোঁ যে এলিচে শেহত মোৰ এই দুৰ্বলতাৰ সুবিধা লৈছিল। তেওঁৰ কাৰণেইতো মই মোৰ বন্ধুক হেৰুৱাইছিলোঁ। কিছুমান কথাত আমাৰ দুয়োৰে মিল আছিল আৰু সেই কাৰণে মোৰ চাবিটো তেওঁৰ হাতলৈ গৈছিল। মোক কেনেকৈ জব্দ কৰিব পাৰে তেওঁ ভালদৰে জানিছিল। সেই কাৰণে যেতিয়া মই আধামৰা হৈ আছিলোঁ ঠিক সেই সময়তে তেওঁ নিজৰ অসুবিধাবোৰ মোৰ আগত থিয় কৰাইছিল। ... ডাঙৰীয়া, যি হৈছিল তাকেই আপোনাক কৈছোঁ। অৱশ্যে এতিয়া

সকলো শেষ হ'ল। তথাপি আপোনাক সুধিছোঁ মোৰ যিমান মহত্বপূৰ্ণ লাগিছিল এলিচৰ ভূমিকা সিমান মহত্বপূৰ্ণ আছিলনে? এনে নহয়তো দেউতাই আৰম্ভ কৰা ষড়যন্ত্ৰৰ তেওঁ এটা অংশ আছিল আৰু মোৰ বন্ধুৱে তাৰ বাবে আহুতি দিছিল?

... নীৰৱতাৰ এটা শেষ সীমা আছে! মোৰ বোধেৰে আপোনাৰ নিজৰ ঘৰখনক কেতিয়াও ভূতৰ ঘৰ যেন লগা নাই। মোৰো লগা নাছিল কিন্তু যেতিয়া ঘৰখন নিমাওমাও হৈছিল তেতিয়া নিশ্চয় লাগিছিল। ... চাওকচোন ঘড়ীটো কিমান শান্ত! ক'তো অকণো শব্দ নাই। সূৰ্যয়ো নিজৰ ঠাইডোখৰক ভালদৰে চিনি পায়। অলপ পিছতে ই নিজৰ ঠাইত উদয় হ'ব। তৰাবোৰেও নিজ নিজ ঠাইবোৰ কিমান ভালকৈ চিনি পায়? এতিয়া সিহঁতৰ বিদায় ল'বৰ সময় হ'ল। ডাঙৰীয়া, আপুনি নিশ্চয় লক্ষ্য কৰিছে সূৰ্যোদয় হোৱাৰ অলপ আগতে গাঢ় অন্ধকাৰ পাতল হৈ আহে। ... মই ল'ৰাকালৰপৰা এই ঘটনাটো লক্ষ্য কৰি আহিছোঁ। ... হয় ডাঙৰীয়া, ল'ৰাকালত সূৰ্য্যোদয়ৰ অনেক আগতে মোৰ শুই উঠাৰ অভ্যাস আছিল। সূৰ্যোদয়ৰ ঠিক আগতে দোকমোকালিত প্ৰকৃতিৰ ৰূপ চাই মই বৰ আনন্দ পাইছিলোঁ। কিন্তু হোষ্টেললৈ যোৱাৰ লগে লগে প্ৰত্যূষতে উঠি প্ৰকৃতিৰ সেই সুন্দৰ ৰূপ চোৱাৰ সুযোগ চিৰদিনলৈ হেৰুৱাইছিলোঁ। হঠাতে মোৰ মনত পৰিছে এজন ফৰাচী লেখকে ভাৰতৰ 'মৰ্ণিং উইজডম' অৰ্থাৎ 'প্ৰভাত জ্ঞান'ৰ কথা উল্লেখ কৰিছিল। এজন জাৰ্মান কবিৰ এষাৰ কথা মোৰ মনত পৰিছে। তেওঁ আমাৰ দেশখনক এটা নুমাই যোৱা চাকিৰ লগত তুলনা কৰিছে। ডাঙৰীয়া, কিতাপৰ প্ৰতি মোৰ আসক্তিৰ কাৰণে মোক ক্ষমা কৰিব। কিন্তু মোৰ নিচিনা এজন শিক্ষকক আপুনি আৰু কিমান দিন ইয়াৰপৰা বচাই ৰাখিব? তদুপৰি আপোনাৰ পপীয়া পেটটোৰ কাৰণেওতো আপুনি কিবা এটা কৰিব লাগিব। কিন্তু আচল কথা—আপুনিনো কোন মই এতিয়াও নাজানো। আপোনাক আগতে কেতিয়াও মই লগ পোৱা নাই। তথাপিও, যিবিলাক মানুহৰ লগত মই দিনে-ৰাতিয়ে উঠোঁ-বহোঁ, আৰু যিবিলাক মানুহে মোক দিনে-ৰাতিয়ে ঘেৰি থাকে, মোৰ এনে লাগিছে—যেন সেইবিলাক মানুহতকৈ মই আপোনাক বেচিকৈ চিনি পাওঁ। কিন্তু ডাঙৰীয়া, ভাল-বেয়া, বলী-নিৰ্বলী, শত্ৰু-বিত্ৰ আদি বিভিন্ন ধৰণৰ মানুহবোৰ কেৱল মানুহহে তাতকৈ বেছি একো নহয়। তেওঁলোকে মোৰ চাকৰিহীন জীৱনৰ সমস্যাৰো সমাধান কৰিব নোৱাৰে। ডাঙৰীয়া, আপুনি মোক ভুল নুবুজিব—মই তেওঁলোকৰ ওপৰত দোষাৰোপ নকৰোঁ। সকলো দোষ-ত্ৰুটি যে কেৱল মোৰ সেই কথাটো আপুনি নিশ্চয় ইতিপূৰ্বেই জানি গৈছে। মোৰ বয়স পঞ্চল্লিশৰ ওচৰা-উচৰি। অলপতে মোৰ বন্ধু এজনৰ মৃত্যু হৈছে। তেওঁৰ লগত মোৰ অনেক কিছু গুচি যোৱা নাইনে? তেওঁক মোৰ ওচৰলৈ কোনে আকৌ ঘূৰাই আনিব? ... ভাল মানুহবিলাক কেনেকৈ গুচি যায়? আৰু মই আৰু আপুনি কেনেকৈ থাকি যাওঁ? ডাঙৰীয়া, মই মানি লওঁ মৃত্যুক বাধা দিব নোৱাৰি আৰু এদিন নহয় এদিন সকলো মৰিব লাগিব। কিন্তু এজন প্ৰকৃত বন্ধু, নিস্বাৰ্থ আৰু সৎ লোকৰ মৃত্যু সাধাৰণ কথা নহয়। কেতিয়াবা কেতিয়াবা মোৰ মনত ভাব হয় যে আমাৰ অৰ্থাৎ ভাৰতীয়ৰ কাৰণে মৃত্যু এটা চিৰস্থায়ী জিৰণি।

আমি যে মৃত্যুক গুৰুতৰভাৱে নধৰোঁ সেইটো আপুনি স্বীকাৰ নকৰেনে? নিশ্চয় কৰিব আৰু সেই কাৰণেই আমি জীৱনটোকো গুৰুতৰভাৱে ধৰি নলওঁ। ডাঙৰীয়া, এটা কথা আপুনি মানিবই লাগিব যে যি মানুহ জীৱনৰ ক্ষণভঙ্গুৰতাৰদ্বাৰা আতঙ্কিত নহয়, সেই মানুহ আন কাৰোদ্বাৰা আতঙ্কিত নহয় আৰু সেই মানুহে কালৈকে ভয় নকৰে। তাৰ কাৰণ—আমি কোনো বস্তুৰ আচল ৰূপটো চিনি নাপাওঁ। সিমানেই নহয়, যিটো কাম জৰুৰী আৰু অতি সোনকালে কৰা উচিত সেই কামটো আমি পিছলৈ পেলাই থওঁ। মোৰ ভুল হোৱা নাইতো? যদি ভুল হৈছে শুধৰাই দিব।

ডাঙৰীয়া, মই ইমান পৰে আপোনাক কিছুমান লাগবান্ধ নোহোৱা কথা কৈ আপোনাৰ সময় নষ্ট কৰিলোঁ, নহয় জানো? ... মই মাত্ৰ ইমানেই জানো যে আপোনাৰ লগত মোৰ যি চৰ্ত আছিল তাকেই পালন কৰিছোঁ। মই যে নিবনুৱা আৰু আপোনাৰ ওচৰলৈ চাকৰিৰ কাৰণে আহিছোঁ সেই কথাটো জানো আপোনাক কোৱা নাছিলোঁ? বোধকৰোঁ আপুনি পাহৰি গৈছে। সি যি কি নহওক, আপুনি মোক সহায় কৰিবই লাগিব। চাওক মোৰ বয়স এতিয়া পঞ্চল্লিশৰ ওচৰা-উচৰি। এই পঞ্চল্লিশ বছৰটো বৰ বিপজ্জনক সময় কাৰণ পঞ্চল্লিশ বছৰ বয়সৰ পিছত মানুহ প্ৰায়েই মৰে আৰু যিসকল জীয়াই থাকে তেওঁলোকে এৰাঘৰত ভূতৰ নিচিনাকৈ বাস কৰিবলৈ লয়।

আপুনি অসঙ্গত কথাবোৰৰ বিষয়ে কৈছিল। কিন্তু আমাৰ গোটেই জীৱনটোৱেই মূল বিষয়-বস্তুৰপৰা পলাই নাথাকে জানো? আৰু সেই বিষয়-বস্তুটো কি আপুনি নাজানে আৰু ময়ো নাজানো। কিন্তু ইমানখিনি আমি দেখিব পাৰোঁ যে যিবোৰ আমি লাভ কৰিছোঁ সেইবোৰ এই মূল বিষয়-বস্তুৰপৰা আঁতৰি যোৱা একো একোটা ৰূপ মাথোন। নহয় ডাঙৰীয়া, নহয়, যিদিনা মই মোৰ বন্ধুৰ মৃত্যুৰ বাতৰিটো পালোঁ সেইদিনাই যে মোৰ জীৱনৰ বিষয়ে এই নতুন কথাটো জানিলোঁ সেইটো মই স্বীকাৰ নকৰোঁ। অৱশ্যে স্বীকাৰ কৰোঁ—সেই ৰাতিটো মোৰ জীৱনৰ এটা অসাধাৰণ ৰাতি আছিল কিয়নো গোটেই ৰাতিটো উজাগৰে থাকিলে কেনেকুৱা লাগে আৰু গোটেই ৰাতিটো চকু টিপ্ নমৰাকৈ থাকি পুৱা সূৰ্যোদয় দেখিলে কেনে লাগে মই প্ৰথমবাৰ অনুভৱ কৰিছিলোঁ।

আৰ্থাৰ ঃ এটা কিংবদন্তি

মাজতে আপোনাৰ ওচৰৰপৰা উঠি যোৱাৰ কাৰণে মই লজ্জিত। মোৰ দুদিনৰ অনুপস্থিতিক মঞ্জুৰ কৰক। মই জোচেফক মাস্তি কৰাম আৰু যথাসময়ত অফিচত

উপস্থিত হ'ম। ইচ্ছা কৰিলে আপুনি তেওঁক লগ পাব পাৰে—তেওঁ ভাল মানুহ। তেওঁ মোৰ সহকৰ্মী আৰু মোৰ বিভাগত কাম কৰে আৰু মোৰ লগত প্ৰতিযোগিতা কৰা মানুহ। ব্যৱসায়িক প্ৰতিদ্বন্দ্বী কাক কয় জানে নহয়, তেৱেঁই। এতিয়া চাওক, তেওঁৰ ঠাইত যদি আন কোনো হ'লহেঁতেন মই ইয়াত থকাৰ কথা তেওঁ জানিলেহেঁতেন জানো? ছুটীৰ কাৰণে এতিয়াও পোন্ধৰ দিন বাকী আছে, চুবুৰীটো একেবাৰে নীৰৱ। নাজানো কেনেকৈ তেওঁ গম পালে। মইতো নিজৰ বুদ্ধিৰে পাতালত সোমাই আছিলোঁ। কিন্তু জোচেফে মোক তাৰপৰা বাহিৰ কৰিলে। নিজকে এইকণ সান্ত্বনা দিব পাৰোঁ যে তেওঁ তিনি দিনমানৰ পিছত ইয়াৰপৰা গুচি যাব। তেওঁ কাশ্মীৰৰপৰা আহিছিল আৰু গোৱালৈ যাব। মাত্ৰ তিনি দিন অপেক্ষা কৰিব লাগিব। তাৰ পিছত মই আপোনাক আমনি কৰি থাকিম।

আজি খুব ৰাতিপুৱাই হঠাতে তেওঁৰ মাতটো শুনি প্ৰথমতে মই নিজৰ কাণ দুখনকে বিশ্বাস কৰা নাছিলোঁ। ... সেই সময়ত মই আপোনাৰ লগত নাছিলোঁ জানো? তেওঁৰ চিঞৰত মইতো চক্ খাই উঠিছিলোঁ। প্ৰথমতে তেওঁ মোৰ নাম ধৰি তলৰপৰা চিঞৰিছিল। তাৰ পিছত ওপৰলৈ আহি বন্ধ দুৱাৰখন ভাঙিবলগীয়া কৰিলে। আপুনিয়েই কওক—আধা কিলো ওজনৰ তলা আৰু দুখন দুখনকৈ খিড়িকীয়েও যাক ফাকি দিব নোৱাৰে তেওঁক চম্ভলোঁ কেনেকৈ?

'তোমাক একেবাৰে ইজিপ্টৰ এটা ঔষধ দি থোৱা শুকান মৰাশৰ নিচিনা লাগিছে' বুলি কৈ তেওঁ মোক ডিঙিত সাবটি ধৰি লগতে আকৌ ক'লে। "তোমাৰ ঘৰটোও পিৰামিডতকৈ কম নহয়।" তেওঁৰ কথা শুনি সহজ হ'বলৈ মোৰ অলপ সময় ল'বলগীয়া হৈছিল আৰু লৈছিলোঁও। কিন্তু আপুনি জোচেফৰ ওচৰত নিৰপেক্ষ দৰ্শক হৈ থাকিব নোৱাৰে। তেওঁ আপোনাক টানি বাহিৰলৈ আনিহে উশাহ ল'ব। সেই সময়ত তেওঁৰপৰা মই কোনোমতে ৰক্ষা পৰিলোঁ কিন্তু গধূলি আকৌ তেওঁ পত্নীৰে সৈতে আহি হঠাতে দেখা দিলেহি আৰু মোক তেওঁৰ ঘৰলৈ টানি লৈ গ'ল। তেওঁৰ ঘৰত কিছু সময় থাকি কোনোমতে মই তেওঁৰ ঘৰৰপৰা ওলাই আহি নিজৰ ঘৰ পালোঁহি। কিন্তু পালোহিয়েই বা ক'ত? তেওঁৰ প্ৰভাৱ এতিয়াও মোৰ ওপৰত আছে। এনে লাগিছে যেন খ্ৰীষ্টিয়ানৰ লগত পূৰ্বজন্মত মোৰ আত্মীয়তা আছিল। পাতালত থাকিলেও তেওঁ মোক বাহিৰ কৰে। কেনেকৈ আৰু কিয়—মই তাৰ একো উৱাদিহ নাপাওঁ। ... ডাঙৰীয়া, আজি আপুনি মোক ক্ষমা কৰিব কাৰণ আজি মই অলপ বেছিকৈ পান কৰিছোঁ। আপুনি হয়তো নাজানে যোৱা ডেৰমাহৰ ভিতৰত মই এটোপা মদো স্পৰ্শ কৰা নাই। যিবোৰ মানুহৰ এক পেগ খালেই নিচা হয় ময়ো তেওঁলোকৰ লগৰে বুলি ধৰি ল'ব। মই কিন্তু আনৰ নিচিনা মদপী নহওঁ আৰু মদ খাই বলিয়ালিও নকৰোঁ। কিন্তু জোচেফে মোক ইমান বেছি মদ খুৱায় আৰু মাৰ্গাৰেটে ইমান বেছি বস্তু খাবলৈ দিয়ে যে পৰিস্থিতি একেবাৰে বদলি যায়। নাযাব কিয়? বন্ধুৰ দৰে ইমান মৰম আৰু হেঁপাহেৰে খুৱালে আপুনি কি কৰিব পাৰে?

বেচেৰা জোচেফে জানিব কেনেকৈ! তেওঁ মাত্ৰ খবৰ দিছিল আৰ্থাৰ এতিয়া

নাই। সেই খবৰটো যে পুৰণি তেওঁ জানিব কেনেকৈ! তেওঁ কেনেকৈ জানিব যে সেই খবৰটো মোৰ ওচৰত একেবাৰে পৃথক খবৰ? সঁচাকৈয়ে জগতখন বৰ সৰু। অনেক দূৰৰপৰা অহা মানুহ কেনেকৈ মিলা-প্ৰীতিৰে বাস কৰে—যাক কল্পনাও কৰিব নোৱাৰি। কিন্তু সত্য সদায় কল্পনাৰো অধিক হয়।

"তুমি নিজকে যথেষ্ট সন্মান নকৰা', আৰ্থাৰে মোক প্ৰায়েই কৈছিল। আমি দুয়ো একেখন কলেজতে পঢ়াইছিলোঁ। মাত্ৰ দহ বছৰমানৰ আগতে কৈছিল যদিও কথাযাৰ পূৰ্বজন্মত কোৱা যেন লাগে। মই নতুন নতুন চাকৰিত সোমাইছিলোঁ কিন্তু আৰ্থাৰ তাতেই আছিল। অতি বেছি এটা বছৰ আমি দুয়ো একেলগে আছিলোঁ। তেওঁ ইংৰাজীৰ অধ্যাপক আছিল। ডঃ লৰেঞ্চৰ ওপৰত গৱেষণা কৰিবলৈ অধ্যয়ন ছুটী লৈ তেওঁ বিলাতলৈ গৈছিল আৰু তিনি বছৰৰ পিছত ডক্টৰেট ডিগ্ৰীৰ সলনি এগৰাকী মেম লৈ ঘূৰি আহিছিল। ষ্টাফ ৰুমত তেওঁ আৰু তেওঁৰ পত্নীক লৈ নানা ধৰণৰ কথা-বতৰা হৈছিল। ঘৰত আৰ্থাৰে দিনে-ৰাতিয়ে ঘৈণীয়েকৰ বকনি খোৱাৰ কাৰণে কলেজত নিৰ্ধাৰিত সময়তকৈ অধিক সময় পঢ়াইছিল কাৰণ ঘৈণীয়েকৰপৰা আঁতৰি থকাৰ সেইটোৱেই সহজ উপায় আছিল। ... আৰ্থাৰে ঘৈণীয়েকক নিজৰ চাকৰি আৰু বেতনৰ কথা অতিৰঞ্জিত কৰি ফাকি দিছিলনেকি যে এতিয়া সেই ফাকি ধৰা পৰাত তেওঁ আৰ্থাৰক এৰি থৈ যাবলৈ ওলাইছে? ... তেওঁ বিলাতত ভাল বেতন পোৱা এগৰাকী নাৰ্চ আছিল আৰু আৰ্থাৰে তেওঁক ইয়াত ভাল চাকৰি দিব বুলি প্ৰতিশ্ৰুতি দিছিলনেকি? ... ঘৈণীয়েকে আৰ্থাৰক 'ইউ লায়াৰ, ইউ স্কাউণ্ড্ৰেল' বুলি দিয়া গালিবোৰ ওচৰ-চুবুৰীয়া মানুহৰ কাণত দিনে-ৰাতিয়ে নপৰেনে? ৰাতি কেতিয়াবা দুয়োৰে কাজিয়া লাগিলে কাঁহী-বাতি দলিওৱাৰ শব্দ ওচৰ-চুবুৰীয়াৰ কাণত নপৰেনে? আৰ্থাৰৰ ঘৈণীয়েকে ওচৰ-ঘৰীয়াৰপৰা মাজে-সময়ে চাউল, আটা-চেনি আদি বস্তুবোৰ ধাৰে নি পিছত ঘূৰাই নিদিয়া নহয়নে? এই কথাবোৰ কেতিয়াবা কোনোবাই ষ্টাফ ৰুমত উলিয়ায়।

মই আৰ্থাৰৰ ওচৰঘৰীয়া নাছিলোঁ আৰু এই গুজববোৰ সঁচানে মিছা নিশ্চয় কৰিবলৈ উত্ৰাৱল হোৱা নাছিলোঁ। অৱশ্যে আৰ্থাৰৰ যে ধাৰ লোৱাৰ অভ্যাস আছিল সেইটো মই ভালদৰে জানো। মোৰ পুৰণি ডায়েৰীত আৰ্থাৰে মোৰপৰা টকা ধাৰে লোৱা সংখ্যাটো কেবাঠাইতো লিখা আছে। সেই টকা তেওঁ কেতিয়াবা ঘূৰাই দিছিল আৰু কেতিয়াবা দিয়া নাছিল। মোৰ মনত পৰে পৰিচয় হোৱাৰ কেইদিনমানৰ পিছতে আৰ্থাৰৰ ঘৈণীয়েকে মোক এদিন অকলে গিৰিয়েকৰ ধাৰে লোৱা অভ্যাসৰ বিষয়ে সুধিছিল। মই যেতিয়া সঁচা কথাটো কৈ দিছিলোঁ তেওঁ তলমূৰ কৰিছিল আৰু কৈছিল, "আচলতে, মোৰ স্বামী কিছুমান বিষয়ত একেবাৰে সৰু ল'ৰা হৈ আছে। এনে নহয় যে তেওঁৰ টকা-পইচাৰ অভাৱ আছিল কিন্তু তেওঁৰ ধাৰ কৰা অভ্যাসটো আহি গৈছিল। মই তেওঁক অনেকবাৰ বুজাই দিলোঁ, 'চোৱা আৰ্থাৰ, এইটো কাম নকৰিবা কাৰণ এনে কাম কৰিলে বদনাম হয়।' কিন্তু এনেকৈ দুই-এটকা ধাৰ কৰি তেওঁ কি আনন্দ পায় মই নাজানো। তোমাক কি ক'ম—তেওঁৰ এই বেয়া অভ্যাসটোৰ কাৰণে আমাৰ

মাজত প্ৰায়েই কাজিয়া লাগে। ধাৰ কৰাৰ কাৰণে তেওঁ প্ৰত্যেকবাৰেই সেই কামটো নকৰিম বুলি শপত খায় কিন্তু শপত ৰাখিব নোৱাৰি মানুহৰপৰা টকা ধাৰে লৈ 'আজি মই অমুকৰপৰা ইমান টকা ধাৰে ল'লোঁ' বুলি কৈ দিয়েহি। মই তোমাক কি ক'ম, আৰ্থাৰৰ এনে কুঅভ্যাসৰ কাৰণে মোৰ লাজ লাগে। কেতিয়াবা মই নিজেই গৈ টকা দিয়া মানুহক শোধ কৰোঁ আৰু তেওঁলোকে আমোদ পায়।"

তেনে ধৰণৰ কথা কওঁতে গ্ৰীটাৰ চকু দুটা তিৰবিৰাই উঠিছিল। তেওঁ কথা কওঁতে মোৰ চকু দুটালৈ তীক্ষ্ণভাৱে লক্ষ্য কৰিছিল আৰু মাজতে কথা বন্ধ কৰি কিবা এটা কামৰ অজুহাত দেখুৱাই ভিতৰলৈ গুচি গৈছিল। তাৰ পিছত যেতিয়া ঘূৰি আহিছিল তেতিয়া তেওঁৰ মুখত এটা মিচিকিয়া হাঁহি বিৰিঙি উঠিছিল। আৰ্থাৰে কেবাবাৰো অনুৰোধ কৰাৰ পিছত যিদিনা মই প্ৰথমবাৰ তেওঁৰ ঘৰলৈ গৈছিলো সেই সময়ত সঁচাকৈয়ে দুয়োৰে মাজত কাজিয়া লাগিছিল আৰু মই যোৱাৰ পিছতো সেই কাজিয়া চলি আছিল। কাজিয়াৰ কি কাৰণ আছিল এতিয়া মোৰ মনত নাই কিন্তু কাজিয়া কৰাৰ সময়ত দুয়োৰে মুখৰ চেহেৰা, বিনিময় হোৱা কথা আৰু মুখৰ আৰু হাতৰ অঙ্গিভঙ্গিবোৰ এতিয়াও মোৰ স্পষ্ট মনত আছে। আৰ্থাৰে তেওঁৰ পত্নীৰ লগত মোক পৰিচয় কৰাই দিয়াৰ পিছতে যে তেনেভাৱে কাজিয়া আৰম্ভ কৰিব মই কেতিয়াও ভৱা নাছিলোঁ আৰু কোনো দম্পতিয়ে তেনেভাৱে কাজিয়া কৰা মই আগতে কেতিয়াও দেখা নাছিলোঁ পাঁচ মিনিট তেনেকৈয়ে পাৰ হ'ল। তাৰ পিছত দুয়ো শান্ত হৈ মোৰ ওচৰলৈ আহি মোৰ কাষত বহিল আৰু নিজৰ নিজৰ অভিযোগ মোৰ ওচৰত ব্যক্ত কৰিলে আৰু মই তেওঁলোকৰ বিচাৰক হ'লোঁ। মই বিপাঙত পৰিলোঁ। তেতিয়া মোৰ বয়স কম আছিল আৰু মই লাজকুৰীয়া আছিলোঁ। তদুপৰি আৰ্থাৰৰ ঘৈণীয়েকৰ সকলো কথা মই ভালদৰে বুজি পোৱা নাছিলোঁ কিয়নো তেওঁ ইংৰাজীত খৰকৈ কৈছিল। সি যি কি নহওক দুয়োৰে সকলো কথা শুনি কোন বেছি জগৰীয়া তাকে ঘোষণা কৰিলোঁ, "আৰ্থাৰ, মই তোমাৰ পক্ষ ল'ব নোৱাৰিলোঁ। গ্ৰীটাৰ কোনো দোষ নাই।" কোৱাৰ লগে লগে দুয়ো আকৌ নাটক আৰম্ভ কৰিলে। আৰ্থাৰে প্ৰায় চিঞৰি ক'লে, "তোমাৰ সিদ্ধান্ত ভুল। গ্ৰীটা কেতিয়াও নিৰ্দোষ হ'ব নোৱাৰে।" তাকে শুনি আনন্দত হাত-তালি দি গ্ৰীটাই মোক উদ্দেশ্য কৰি ক'লে, "হি ইজ এ ডাৰ্লিং, হি ইজ এ ডাৰ্লিং।" কৈয়েই তেওঁ কোঠাটোত ঘূৰি ঘূৰি নাচিবলৈ ধৰিলে। এগৰাকী অনাত্মীয়া মহিলাৰ মুখত 'ডাৰ্লিং' শব্দটো শুনি লাজত মোৰ মুখখন ৰঙা পৰিল। আৰ্থাৰে নৃত্যৰত গ্ৰীটাক থমাবলৈ তেওঁৰ বাহুত ধৰাত গ্ৰীটাই ক'লে, "নধৰিবা, এৰি দিয়া। তোমাৰ কাণ্ড দেখি আমাৰ প্ৰিয় আলহীয়ে কিমান অশান্তি পাইছে তুমি দেখা নাইনে? তেওঁৰ এনে লাগিছে যেন তেওঁ কোনো পগলা ফাটেকতহে সোমালহি।"

"নহয়, নহয়, মই একো অশান্তি পোৱা নাই," মই লৰালৰিকৈ ক'লোঁ। মোৰ কথা শুনি দুয়ো হাঁহিবলৈ ধৰিলে আৰু ইমান হাঁহিলে যে হাঁহি ৰখাব নোৱাৰি দুয়ো মোৰ গাত ঢলি পৰিল। ইমানকৈ হঁহাৰ কাৰণ কি মই বুজিব নোৱাৰি ভেবা লাগি দুয়োৰে মুখলৈ চাই থাকিলোঁ।

"গ্ৰীটা, তুমি যে কালি 'কেক'টো বনাইছিলা, মোৰ বন্ধুক খাবলৈ দিয়া। কি খুৱাইছিলা তেওঁৰ মনত থাকিব," আৰ্থাৰে ক'লে।

"কি কেক? কেনেকুৱা কেক? তুমি সপোন দেখা নাইতো?" গ্ৰীটাই খিল্‌খিলাই হাঁহিলে আৰু মোৰ কাণত ফুচফুচাই ক'লে, "আৰ্থাৰে কেক মুঠেই ভাল নাপায়। মই বিস্কুটহে বনাইছিলোঁ, খাবানে?"

চাহ-জলপান খাই মই তেওঁলোকৰপৰা বিদায় লৈ আহোঁতে গ্ৰীটাই মোক আগ বঢ়াই দিবলৈ মোৰ লগে লগে আহিল আৰু ক'লে, "এই ঘৰখন তোমাৰ কাৰণে সদায় খোলা থাকিব। যেতিয়াই তোমাৰ মন যায় তেতিয়াই তুমি আহিবা। তুমিতো অকলে থাকা নহয় জানো। বৰ আমনি লাগে চাগৈ। আৰ্থাৰে তোমাক ইমান ভাল পায় যে সদায় তোমাৰ গুণ-কীৰ্তন কৰি থাকে। ইমান প্ৰশংসা তেওঁ আজিলৈকে কাকো কৰা নাই। ... কিন্তু তুমি আমাৰ ঘৰলৈ পুৱাতে বা আগবেলা আহিলে আমাৰ অনুকূল নহ'ব; গতিকে তুমি সন্ধিয়া আহিবা। সন্ধিয়া সময়টো আমাৰ কাৰণে আটাইতকৈ বেছি সুবিধাজনক।"

মই আচৰিত হ'লোঁ। "আৰ্থাৰে মোকতো ৰাতিপুৱা আহিবলৈ কৈছিল, সেই সময়টো তেওঁৰ কাৰণে বোলে বৰ সুবিধাজনক," মই ক'লোঁ। "তেওঁ এটা অপদাৰ্থ, তেওঁৰ অকণো সাধাৰণ জ্ঞান নাই। কিন্তু তুমিতো বুদ্ধিমান। ৰাতিপুৱা আহিবলৈ মানা কৰাত তুমি বেয়া পোৱা নাইতো?" গ্ৰীটাই সুধিলে।

"নাই, নাই ইয়াত বেয়া পোৱাৰ কি আছে," মই ক'লোঁ। গ্ৰীটাৰ ওচৰত মই নিজকে এটা হাস্যাস্পদ জীৱৰ নিচিনা অনুভৱ কৰিলোঁ—যেন তাতোকৈ বেছি একো নহওঁ। মই এসপ্তাহ নিজকে থমালোঁ। তাৰ পিছত সন্ধিয়া লগাৰ আগে আগে মই দৈনিক আৰ্থাৰৰ ঘৰলৈ যাবলৈ ধৰিলোঁ। এদিন কিবা এটা কাৰণত মোৰ যোৱা নহ'ল আৰু লগে লগে আৰ্থাৰ আৰু গ্ৰীটা মোৰ ঘৰত উপস্থিত হৈ নোযোৱাৰ কাৰণে মোক তিৰস্কাৰ কৰি প্ৰায় মোক টানি নিজৰ ঘৰলৈ লৈ গ'ল। তাৰ পিছত মই কেতিয়াবা নগ'লেও, যেতিয়া তেওঁলোক মোৰ ঘৰলৈ অহা নাছিল সেইদিনা মই অকলেই সন্ধিয়াটো কটাই দিছিলোঁ। আচলতে, সেই কালত মোৰ অৱস্থা আচৰিত ধৰণৰ আছিল। মোৰ এটা অংশই আকাশৰপৰা তৰাও ছিঙি আনিব পাৰিছিল আৰু আনটো অংশ শামুকৰ নিচিনা ঘিণ লগা যেন লাগিছিল। ইচ্ছা কৰাহেঁতেন সেই অংশটোক মই ভাঙি চূৰমাৰ কৰিব পাৰিলোঁহেঁতেন কাৰণ তাক দেখিলেই মোৰ ঘিণ লাগিছিল আৰু ছুবলৈকো ঘিণ লাগিছিল। কোৱা বাহুল্য যে যেতিয়ালৈকে আৰ্থাৰ আৰু গ্ৰীটাই মোক তেওঁলোকৰ আশ্ৰয়লৈ লৈ যোৱা নাছিল, তেতিয়ালৈকে মই সেই দুটা ভাগৰ মাজত ওলমি আছিলোঁ।

মই এতিয়া নিজৰ আত্মাৰ গঠনটোৰ বিষয়ে অলপ অলপ বুজিব পাৰিছোঁ। কিন্তু মানুহৰ আত্মবিশ্বাসৰ আচল সোঁত কি কেতিয়াবা আমি চিন্তা কৰিছোঁনে? দেউতাই প্ৰায়েই কৈছিল, "মানুহে নিজৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰিব লাগে?" কথাষাৰৰ অৰ্থ কি? আমাৰ ক্ষমতাক আমি জানিম কেনেকৈ? ডাঙৰীয়া, কথাটো সঁচা নহয়

জানো আমাৰ ক্ষমতাৰ বিষয়ে কোৱা মানুহজন সদায় আন কোনোবাহে আৰু সেই কোনোবাজন আমাৰ আত্মাৰ সহোদৰ নহয় আৰু কেতিয়াও হ'বও নোৱাৰে। তেওঁৰ লগত আমাৰ আত্মাৰ লেন-দেন কি? কথাষাৰ কিমান ভয়ানক! মোৰ দেউতা পকা গান্ধীবাদী আছিল। মোৰ এটা ঘটনা মাজে মাজে মনত পৰে আৰু যেতিয়াই মনত পৰে তেতিয়াই গাটো বেজীয়ে বিন্ধাদি বিন্ধে। ঘটনাটো বহু বছৰৰ আগতে কাশী বিশ্বনাথ মন্দিৰত হৰিজনৰ প্ৰৱেশ সম্বন্ধীয় আন্দোলনৰ সময়ত ঘটিছিল যেতিয়া কৰপাত্ৰী নামৰ এজন ধৰ্মপৰায়ণ নেতাই কৈছিল, "মন্দিৰত প্ৰৱেশ কৰিলে এই হৰিজনবিলাকে কি পাব? শাস্ত্ৰত লিখা আছে এজন উচ্চ জাতৰ মানুহৰ মন্দিৰত থকা দেৱতাক দৰ্শন কৰিলে যিমান পুণ্য হয়, এটা শূদ্ৰই দূৰৰপৰা মন্দিৰৰ কলহটো দেখিয়েই সেইখিনি পুণ্য অৰ্জন কৰিব পাৰে। গান্ধীজীয়ে এই সাধাৰণ কথাটোও নাজানেনে? তেন্তে তেওঁ এই আন্দোলন আৰু হুলস্থূল আৰম্ভ কৰিছে কিয়?"

ডাঙৰীয়া, মোৰ গান্ধীবাদী দেউতাই সেই কথাষাৰৰ ওপৰত কি মন্তব্য কৰিছিল অলপ শুনকচোন। তেওঁৰ মুখৰপৰা যে সেই কথাষাৰ ওলাইছিল মোৰ বিশ্বাস হোৱা নাছিল আৰু এতিয়াও মোৰ বিশ্বাস হোৱা নাই। জানে তেওঁ কি কৈছিল? তেওঁ কৈছিল, "সেইটোতো নিজৰ চিন্তা আৰু বিৱেকৰ কথা। কৰপাত্ৰী মহাশয়ৰ মনত হয়তো সেই চিন্তা উদয় হৈছিল আৰু সেইপিনৰপৰা তেওঁ সঁচা কথাই কৈছে।" কওকচোন তেওঁৰ এই কথাষাৰৰ অৰ্থ কি? যদি গান্ধীজীৰ ভুল নাছিল আৰু কৰপাত্ৰী মহাশয়ৰো ভুল নাছিল তেন্তে ভুল কাৰ আছিল? মোৰ মাৰ দেউতাক বিধান পৰিষদৰ প্ৰাক্তন সদস্য আছিল আৰু গোটেই জিলাখনৰ হৰিজনসকলৰ নেতা আছিল। তেওঁৰ লগত দেউতাৰ একেবাৰে মিল নাছিল। দেউতা তেওঁৰ ঘৰলৈ নগৈছিল আৰু আমাকো যাবলৈ নিদিছিল। এপিনে তেওঁ দৃঢ়নিয়মী আৰু আত্ম-অভিমানী আছিল আৰু আনপিনে গান্ধীজী আৰু কৰপাত্ৰী দুয়ো ভুল নাছিল বুলি কৈছিল। তেওঁ কৈছিল মানুহে নিজৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰিব লাগে আৰু সেই ক্ষমতা সন্তানক জন্মৰ আগতেই গৰ্ভত থাকোঁতেই দিয়া হয়। ডাঙৰীয়া, মই আপোনাক সোধোঁ "আমাৰ দেশত বৰ্তমান যি দহ কোটি মুছলমান আছে আৰু খ্ৰীষ্টিয়ানৰ সংখ্যাও বৃদ্ধি হৈ দহ কোটি হ'লে চিন্তাৰ কাৰণ কি? আৰু এই শূদ্ৰ নামৰ বস্তুটোও একেবাৰে নিঃশেষ হৈ নাযায় কিয়?" মই কওঁ হৰিজনৰ ওপৰত যি অন্যায় অত্যাচাৰ, বলাৎকাৰ, নাৰী ধৰ্ষণ, লুট-পাত আদি চলিছে সেইবোৰ তেতিয়াই শেষ হৈ যাব যেতিয়া উচ্চ আৰু নীচ জাতৰ সকলো মানুহে একেলগে খ্ৰীষ্টিয়ান ধৰ্ম গ্ৰহণ কৰিব। তেতিয়া কোনো জাত আৰু গোত্ৰ নাথাকিব—থাকিব মাত্ৰ তিনিটা সম্প্ৰদায়—হিন্দু, মুছলমান আৰু খ্ৰীষ্টিয়ান।

দেশত এতিয়া হাবি-জঙ্ঘল নাই বুলিলেই হয়। কিন্তু লাজ লগা, ঘৃণনীয় আৰু জলহুৱা আচল জঙ্ঘল য'তে ত'তে চকুত পৰে। ডাঙৰীয়া, এয়া নিজৰ ক্ষমতা আৰু মৰ্যাদা ৰক্ষা কৰি থকাৰ পৰিণাম। মই বৰ জোৰেৰে চিঞৰি ক'ব খোজোঁ যেন স্বৰ্গতেই থাকক বা নৰকতেই থাকক মোৰ দেউতাই মোৰ সেই চিঞৰ শুনিবলৈ পায়—'এই সকলো জহন্নামে যাওক', 'দেশখন জহন্নামে যাওক!' ... ডাঙৰীয়া, আপোনাৰ

কি অনুমান হয়— হয়তো ভাবিছে মই আজি বেছিকৈয়ে পান কৰিলোঁ। আপুনিতো জানেই মই যোৱা ডেৰমাহত এটোপালো মুখত দিয়া নাই। আজি জোচেফে মোৰ কাৰণে ঘৰলৈকে লৈ আহিছে।

কেই পেগ খালোঁ মোৰ মনত নাই। জোচেফে জয়পুৰৰ আচল বস্তুটো আনিছে— কি নাম তাৰ—কেশৰ কস্তুৰী! কাৰ কস্তুৰী আৰু কাৰ কেশৰ! সকলো শুনা আৰু কোৱা কথাহে। আজি সেই মানুহবোৰৰ আগত মোৰ আচল ৰংটো ওলাই পৰিল। ... মাৰ্গাৰেটে বাৰে বাৰে দুৱাৰত টক্‌টকাইছে ... কিন্তু জোচেফ! বেচেৰা জোচেফ ...। তেওঁ আচল নাটকখন দেখিবলৈ পালে। আৰ্থাৰৰ বিষয়ে মই কি বকি গ'লোঁ ক'ব নোৱাৰোঁ। সঁচাকৈয়ে মই বহুত খালোঁ। এতিয়া মোৰ সকলো মনত পৰিছে। ডাঙৰীয়া, নিচাত ঢাকোন খুলি যায়। এখন পৰ্দাও পোৱা যায় ফচহু কথা ক'বলৈ। এনেয়ে আমি যিমান কথা ক'বলৈ বিচাৰোঁ সিমান নোৱাৰোঁ। মোতকৈ অনেক হাৰামী মানুহ আৰু অনেক ফচহু কথা কোৱা মানুহ আছে—যি গাত আৱৰণ লৈ ঘূৰি ফুৰে। এতিয়া মই জোচেফ আৰু মাৰ্গাৰেটৰ সম্মুখত বাৰু কেনেকৈ মুখখন উলিয়াওঁ? মদৰ জালত মাৰ্গাৰেটৰ মুখখন মোৰ সাইলাখ গ্ৰীটাৰ মুখৰ নিচিনা লাগিছিল। ... হয়, এতিয়া মোৰ ভালদৰে মনত পৰিছে—দুবাৰ মানতো মই তেওঁক গ্ৰীটা বুলিয়েই সম্বোধন কৰিছিলোঁ। তেওঁ চাগৈ কি ভাবিছিল। মাৰ্গাৰেট, মই জোচেফৰ কাৰণে নহয় তোমাৰ কাৰণেই কৈছিলোঁ ; তোমাক ক'বৰ সুযোগেই বা পাইছিলোঁ ক'ত? তুমি কেশৰৰ নিচিনাকৈ মোক আৱৰি ধৰি থকা গ্ৰীটাৰ নিচিনা নোহোৱা আৰু কস্তুৰীৰ নিচিনাকৈ মোক বিভ্ৰান্ত কৰা এলিচ নোহোৱা। তুমিতো মাৰ্গাৰেট, কেৱল মাৰ্গাৰেট। মাৰ্গাৰেট, কোৱাচোন, তোমাৰ কোনো এখন জগত নাই নে কি যাক কাকো—আনকি জোচেফকো জুমি চাবলৈ নিদিয়া? মই জোচেফক ৰাগীয়াল অৱস্থাতো দেখিছিলোঁ— তেওঁ মোৰ আগত একো লুকুওৱা নাছিল। মাৰ্গাৰেট, তুমিতো এজনী দয়ালু নাৰী। তুমি আনৰ সম্বন্ধে যিমান জানা তাতকৈ বেছি জানিবলৈ অকণো কৌতূহল প্ৰকাশ নকৰা। জানা, তেনে ধৰণৰ মাইকী মানুহৰ ওচৰত বহিবলৈ কোনেও ভাল নাপায়। মানুহে বিচাৰে তেনে ধৰণৰ নাৰী যি সুখ দিব পাৰে। অৱশ্যে তেনে ধৰণৰ নাৰী বৰ কম।

আৰু জোচেফ! মোৰ মৰমৰ জোচেফ! তুমি ঘূৰি-পকি মোৰ ঘৰলৈ তেনেকুৱা অৱস্থাত কিয় আহিছিলা বন্ধু? যদি মই নিজে তোমাৰ ঘৰৰ ড্ৰইংৰুমলৈকে গ'লোঁহেঁতেন কিনো কেলেঙ্কাৰী হ'লহেঁতেন? ... কিয় কেবা বছৰো ধৰি মই তোমাৰ সহকৰ্মী আৰু ওচৰঘৰীয়া নহওঁ জানো? কিয় কেবাবাৰো আমি দুয়ো আদিবাসীসকলৰ এলেকালৈ যোৱা নাছিলোঁ জানো? মাত্ৰ এটা ৰাতি যদি মই তোমাৰ ঘৰত থাকিলোঁহেঁতেন তোমাৰ কি অসুবিধা হ'লহেঁতেন জোচেফ? মই যিমান মাতাল আছিলোঁ আৰু যিমান বলিয়ালি কৰোঁ বুলি তুমি ভাবা সেইটো সঁচা নহয়। তুমি সদায় সতৰ্ক থাকিবা আৰু আনক বিপদত পেলাই আনন্দ পাবা—সেইটো তোমাৰ অভ্যাস নহয় জানো? মই তোমাক ভালদৰে জানো আৰু এইটোও জানো যে তোমাৰ প্ৰতি মাৰ্গাৰেটৰ ভুল

ধাৰণা আছে। কিন্তু তেওঁ তোমাৰ পত্নী। অৱশ্যে জানি ল'বা তোমাৰ সম্বন্ধে মোৰ ভুল ধাৰণা কেতিয়াও নাছিল আৰু ভৱিষ্যতে কেতিয়াও মনলৈ নাহিবও। তোমাৰ মস্তিষ্কৰ দৌৰ কিমান মই ভালকৈ জানো আৰু অন্তৰখনৰ গভীৰতা কিমান তাকো মোৰ জনা আছে। জোচেফ, তোমাৰ মগজু আৰু মন দুয়োটা একে। তুমি ইমান থিৰ যে কোনেও তোমাক ঠগিব নোৱাৰে ; কিন্তু এই ভুল ধাৰণা মনৰপৰা বাদ দিবা যে মোক তেজেৰে ৰাঙলী হোৱা অৱস্থাত এৰি থৈ পলাই যাবা আৰু মই অজ্ঞান হৈ পৰি ৰ'ম। তুমি মোক যিমান শোধ কৰিব লাগে মই ভালকৈ জানো। তোমাৰ আগত মই যিমানবোৰ বকিলোঁ সেইবোৰ মোৰ ক'বলগীয়া কথা আছিল। তুমি আৰু মাৰ্গাৰেটে মোৰ কথাবোৰ মনপূতি শুনিছিলা। মাৰ্গাৰেটে মোৰ কথাবোৰ হৃদয়ঙ্গম কৰিছিল। কিন্তু তুমি? তুমি কি বুজিবা মোৰ মনৰ কথা? তুমি মোক মদৰ সাগৰত ডুবাই থ'লেও মোৰ একো হানি কৰিব নোৱাৰা কাৰণ মোৰ নাম কুন্দন।- মনত ৰাখিবা। কুন্দনৰ তুমি একো ক্ষতি কৰিব নোৱাৰিবা। তুমি মোক সাময়িকভাৱে কথাবোৰ কৈছিলা যেন মোক বাতৰি কাকত এখনহে পঢ়ি শুনাইছিলা। আৰ্থাৰ আগতেই গুচি গৈছিল আৰু তুমি কেনেকৈ ধৰি লৈছিলা যে মই সেই কথাটো নাজানিম? অৱশ্যে তোমাৰেই বা দোষ কি? লক্ষ্ণৌ বিশ্ববিদ্যালয়ত তোমালোক দুয়ো দুবছৰ সহপাঠী আছিলা। তেওঁৰ লগত তোমাৰ গাঢ় বন্ধুত্ব নাছিল। যোৱা বছৰ মই তেওঁক খাজুৰাহোত হঠাৎ লগ পোৱাৰ পিছত সেই কথা তোমাক কোৱাত তুমি কৈছিলা, "অ' সেই আৰ্থাৰৰ কথা কৈছা? তেওঁতো মোৰ সহপাঠী আছিল।" তাৰ আগতে কেতিয়াও মই তোমাৰ মুখত আৰ্থাৰৰ নামটো শুনা নাছিলোঁ। গতিকে আৰ্থাৰৰ লগত তোমাৰ ভাল বন্ধুত্ব আছিল বুলি শুনি মই আচৰিত হৈছিলোঁ। জোচেফ, জগতখন কিমান সৰু মন কৰিছানে? যদি দকৈ চিন্তা কৰা দেখিবা স্থান আৰু কাল মনৰ কেৱল ভ্ৰান্তি। আচল কথা দূৰত্বৰ কথা বাদ দি আমি ইজনে সিজনক লগ পাই কথা পাতোঁ, বন্ধুত্ব স্থাপন কৰোঁ আৰু সময়ৰ সোঁতত উটি গৈ থাকোঁ। কিন্তু মই বিশ্বাস কৰিবলৈ টান পাওঁ আৰ্থাৰৰ আকস্মিক মৃত্যুত তোমাৰ মনত তাৰ একো প্ৰতিক্ৰিয়া নহ'ল কিয়? জোচেফ, তুমি মানুহনে আন কিবাহে? মই যেতিয়া তেওঁৰ কথা তোমাক কৈছিলোঁ তুমি—এটা কথাও উচ্চাৰণ কৰা নাছিলা আৰু আৰ্থাৰৰ বিষয়ে একো কোৱা নাছিলা। মই তোমাৰপৰা তেতিয়া আৰ্থাৰ কেনেকুৱা আছিল, তেওঁৰ চাল-চলন আৰু ব্যৱহাৰ কেনে আছিল আৰু তেওঁ বন্ধু-বান্ধৱৰপৰা টকা ধাৰে লোৱা অভ্যাসটো কেতিয়াৰপৰা আৰম্ভ কৰিছিল সেই বিষয়ে জানিবলৈ বিচাৰিছিলোঁ। আৰ্থাৰে গল্প লিখিবলৈ বাৰু কেতিয়াৰপৰা আৰম্ভ কৰিছিল? তেওঁ কাৰোবাৰ লগত প্ৰেম কৰিছিলনে? আৰু যদি কৰিছিল প্ৰেমিকা কোন আছিল? ... তেওঁ পঢ়া-শুনাত কেনে আছিল? ... ক্লাচলৈ নিয়মিতভাৱে গৈছিলনে? এইবোৰ কথা তোমাৰ বাহিৰে আন কোনেনো বাৰু মোক ক'ব? কিন্তু তুমি বোবাৰ নিচিনা নীৰৱ। তুমি এটা যন্ত্ৰৰ নিচিনা, তোমাৰ মূৰটো যদি ডিঙিৰপৰা আঁতৰ কৰি দিয়া যায়, যন্ত্ৰটোৰ বাকী অংশবোৰ ঘূৰি থাকিব। কাৰণ কাৰো লগত তোমাৰ কোনো সম্পৰ্ক নাই, তুমি মানুহ কিন্তু আচলতে মানুহ নোহোৱা, ... তোমাৰ মূৰৰ ঠাইত

যদি কান্ধখন আৰু কান্ধখনৰ ঠাইত মূৰটো লগাই দিয়া যায়—একো তফাৎ নহ'ব। যদি তুমি সকলো স্মৃতিক একেবাৰে বাদ দিব পাৰা, তোমাক তেনেভাৱে বৰ্ণনা নকৰি আনভাৱে কৰিমনে কোৱা? কেতিয়াবা মনলৈ আহে যদি তোমাৰ মস্তিষ্কৰ ঠাইত এটা কম্পিউটাৰ আৰু অন্তৰখনৰ ঠাইত এটা কেলকুলেটৰ লগাই দিওঁ কেনে হ'ব? মই এইবোৰ কি বকিছোঁ জোচেফ? ইমান ভাল আহাৰ তুমি মোক খাবলৈ দিলা, ইমান ভাল আৰু দামী মদ পান কৰিবলৈ দিলা আৰু মই কেনেকৈ তাৰ প্ৰতিশোধ লৈছোঁ চোৱা। মই কৃতঘ্ন নহওঁ জোচেফ। তুমি ভাল মানুহ, বেয়া খবৰটো আনিলেও তুমি ভাল মানুহ। মোৰ যে তোমাৰ আৱশ্যক নাই সেই কথাটো মই কেনেকৈ কওঁ? ক'লে সেইটো কিমান মিছা কথা হ'ব। তুমি এই সময়ত এজন জৰুৰী সহযোগীৰ নিচিনাকৈ আহিছা আৰু পৰহিলৈ তেনে এজন জৰুৰী সহযোগীৰ নিচিনাকৈ গুচি যাবা—ইয়াতকৈ ডাঙৰ উপকাৰ আৰু কি হ'ব পাৰে জোচেফ! ... আৰু তুমি মাৰ্গাৰেটৰ নিচিনা এগৰাকী নাৰীৰ স্বামী। এই সময়ত মোৰ তোমাৰ নিচিনা এজন মানুহৰ অত্যন্ত প্ৰয়োজন। প্ৰখৰ ৰ'দ আৰু গৰম বতাহ বোৱাৰ সময়ত বৰযুণৰ নিচিনা বস্তু ঈশ্বৰে পঠোৱাৰ দৰে তোমাক নপঠোৱাহেঁতেন তোমাৰ লগত মোৰ ইমান নিকট সম্বন্ধ স্থাপন নহ'লহেঁতেন। নহয় জোচেফ, তুমি সঁচাকৈয়ে এজন বৰ ভাল মানুহ তোমাৰ ফালৰপৰা। মোক তুমি ক্ষমা কৰিবা, তুমি ভাল মানুহ নোহোৱাহেঁতেন মোৰ লগত তোমাৰ ইমান প্ৰীতিৰ সম্বন্ধ গঢ়ি নুঠিলহেঁতেন। যোৱা ডেৰমাহ ধৰি মই তোমাৰ লগত বহি পান কৰিছোঁ—তাৰ আগতে কেতিয়াবা মই তোমাৰ আগতে তেনেভাৱে বিবস্ত্ৰ হৈছিলোঁ জানো?"

"জোচেফ, তুমি মোক আকৌ এবাৰ কোৱা 'ইউ ডউণ্ট ৰেচপেক্ট ইয়ৰচে'ল্ফ এনাফ' (তুমি নিজকে যিমান লাগে সিমান সন্মান নকৰা)। নাজানো কি কথাৰ কাৰণে এই কথাযাৰ তোমাৰ মুখৰপৰা ওলাইছিল। তেতিয়াবপৰা কথাযাৰ মোৰ মগজত চকৰি ঘূৰাদি ঘূৰি আছে। ... এই কথাযাৰ আৰ্থাৰৰ কথা—তেওঁ মোক কেতিয়াবা কৈছিল। যি সুৰত, যি ঠাইত আৰু যি পৰিস্থিতিত তেওঁ মোক কৈছিল—সকলো মোৰ ভালদৰে মনত আছে। তুমিতো আৰ্থাৰ নোহোৱা জোচেফ—আনকি আৰ্থাৰৰ ছাঁটো পৰ্যন্ত নোহোৱা তুমি—তথাপি ...! সেই কথাষাৰ তুমি কেনেকৈ কৈছিলা? সেইটো মোৰ ওচৰত ৰহস্য আছিল, কিন্তু তুমি কেনেকৈ জানিলা? আৰ্থাৰৰ নিচিনাকৈ তুমিও মোৰ আত্মাটো ভেদ কৰিছানেকি? এনে ধৰণৰ মৌলিক কথা তোমাৰ মুখৰপৰা শুনাৰ অভ্যাস মোৰ একেবাৰে নাই।

'তুমি নিজকে যিমান সন্মান কৰিব লাগে সিমান নকৰা' কথাষাৰ প্ৰথমতে মই ক'ত আৰু কেতিয়া শুনিছিলোঁ? অ', এতিয়া মনত পৰিছে—কলেজৰ সেই ষ্টাফ ৰুমত। গণিতৰ অধ্যাপক শৰ্মাই মোক বেয়া ধৰণে তিৰস্কাৰ কৰিছিল। ... কাম প্ৰবৃত্তি সম্বন্ধে আলোচনা চলিছিল আৰু আলোচনা বৰ ৰসাল আছিল। সেই সময়ত মই বন্ধনমুক্ত হোৱাৰ আলোচনাত সক্ৰিয় অংশ গ্ৰহণ কৰিছিলোঁ আৰু ছাত্ৰক সতৰ্কতামূলক উপদেশ দি ফুৰিছিলোঁ। আৰ্থাৰ মোৰ সহকাৰী আছিল। সেইদিনা মই মোৰ ক্লাচত

নিৰ্ধাৰিত পাঠ্যক্ৰমৰ বাহিৰেও মানুহ বন্ধনমুক্ত হোৱা সম্বন্ধে ছাত্ৰসকলক উপেদশ দি আছিলোঁ। সেই সময়তে অধ্যাপক শৰ্মা মোৰ ওচৰলৈ আহিল। তেওঁ জ্যেষ্ঠ অধ্যাপক আছিল আৰু মোৰ ওচৰত থিয় হোৱাত মই বক্তৃতা বন্ধ কৰিলোঁ। মই নীৰৱ হোৱাত তেওঁ মাত লগালে, "ৰ'লা কিয় শ্ৰীমান? তোমাৰ বক্তৃতা চলি থাওক না।" মই একো নোকোৱাত তেওঁ আকৌ মুখ খুলিলে, "জানো তোমাৰ চিনিয়ৰৰ আগত এনেদৰে বক্তৃতা দিবৰ সাহস তোমাৰ নাই। তোমাৰ এই গেলা জাবৰবোৰ আনক দেখুৱাবলৈ তুমি লাজ পোৱা উচিত। তুমি নিজকে কি বুলি ভাবা? সকলোকে তো- , দৰে বুলি ভাবানে কি?" মই অবাক হৈ শৰ্মাৰ মুখলৈ চাই ৰ'লোঁ। শৰ্মাৰ কথা শুনি তুমি সোমাই আহিলা। তাৰ পিছত শৰ্মালৈ খঙাল চকুৰে চাই ক'লা, "ষ্টপ ইট, শৰ্মা। মই কুন্দনক তোমাতকৈ অনেক বেছি জানো। তুমি তেওঁৰ জোতাৰ ফিটা খুলিবলৈকো উপযুক্ত নোহোৱা।" এইবুলি কৈয়েই তুমি মোৰ হাতত ধৰি বাহিৰলৈ লৈ গ'লা আৰু ক'লা, "শৰ্মাই তোমাক তেনেভাৱে ক'বলৈ সাহ পালে কেনেকৈ? তুমি মনে মনে আছিলা কিয় আৰু লগে লগে প্ৰতিবাদ কৰি তেওঁৰ কথা ওফৰাই নিদিলা কিয়? তুমি নিজকে ৰক্ষা নকৰিলে আন কোনে কৰিব? কুন্দন, তোমাৰ এটা ডাঙৰ দুৰ্বলতা যে তুমি নিজকে যিমান সন্মান কৰিব লাগে সিমান নকৰা।" হয় আৰ্থাৰ, সেই কথাবোৰ এতিয়া মোৰ স্পষ্টকৈ মনত পৰিছে। তেতিয়াৰপৰা তোমাক মই নিজৰ ককাইদেউ হিচাপে মানি আহিছোঁ আৰু অনুভৱ কৰি আহিছোঁ মোতকৈ তুমি মোৰ অতি বেছি প্ৰয়োজনীয়। মোৰ পৰীক্ষাৰ ওপৰত তোমাৰ অধিক বিশ্বাস আছিল যেতিয়া তুমি গল্প লেখক হ'বলৈ ইচ্ছা প্ৰকাশ কৰিছিলা। নহয় জানো? তুমিয়েই নহয় তোমাৰ গ্ৰীটাৰো মোৰ ওপৰত অটল বিশ্বাস আছিল। মই জানো তোমালোকৰ লগত মোৰ পৰিচয় হোৱাৰ কাৰণেই সেই চহৰত মোৰ চাকৰি হৈছিল। মোৰ জীৱনত কেতিয়াবা যদি পিছলৈ পিঠি দি ঘূৰি আহিছিলোঁ ল'ৰাকালৰ বাহিৰে তোমালোক দুয়োকে লগ পোৱাত তেনে কৰোঁতে তোমালোকে বাধা দিছিলা। আৰ্থাৰ, তোমাৰ লগত যে মই দহ বছৰ কটালোঁ সেইটো কেনেকৈ সম্ভৱ হৈছিল? কিন্তু পিছত কিয় ইমান সহজে তোমাক পাহৰি গ'লোঁ? তাকেই নিজকে সোধোঁ দুখৰ দিনত যি উপকাৰ কৰে সেই উপকাৰী মানুহক মানুহে কিয় ইমান সহজে পাহৰি যায়?

দহ বছৰৰ পিছত হঠাতে তোমালোকৰ লগত আকৌ যে দেখা হ'ল সেইটো কেনেকৈ সম্ভৱ হ'ল মই ভাবি আশ্চৰ্য হওঁ কাৰণ তোমালোকক যে নিৰ্দিষ্ট এই ঠাইডোখৰত লগ পাম সেইটো মোৰ কল্পনাৰো বাহিৰত আছিল। মই এলিচক লগত লৈ বাহিৰত ফুৰিবলৈ গৈছিলোঁ। ভ্ৰমণ কৰি কৰি আমি খাজুৰাহোত উপস্থিত হৈছিলোঁ। মহাদেৱৰ মূৰ্তিটোৰ চাৰিও পিনে ঘূৰি থাকোঁতে তোমালোকক দেখা পালোঁ। তুমি মোক প্ৰথমতে চিনি পোৱা নাছিলা যেন লাগিছিল কিন্তু মই তোমাক চিনি পাই মিচিকিয়া হাঁহি এটা মাৰিছিলোঁ। তুমি এবাৰ মোলৈ আৰু এবাৰ এলিচলৈ চাইছিলা। তাৰ পিছত চকু দুটা মোহাৰিছিলা। কিন্তু তোমাতকৈ কম কৃত্ৰিম গ্ৰীটাই নিজকে ৰখাব নোৱাৰি দৌৰি আহি মোক সাবট মাৰি ধৰি কৈছিল, "প্ৰিয় কুন্দন, মই নিজৰ চকুকে বিশ্বাস

কৰিব পৰা নাই যে তুমিয়েই কুন্দন।” গ্ৰীটাই মোক তেনেভাৱে সাবটমাৰি ধৰা দেখি এলিচে কি ভাবিছিল মোৰ সঠিক ধাৰণা নাছিল। তাৰ পিছত আমি শিল এচটাৰ ওপৰত বহিলোঁ আৰু গ্ৰীটাই আগৰ নিচিনাকৈ মোৰ আগত তোমাৰ বিৰুদ্ধে অভিযোগ কৰিবলৈ ধৰিলে আৰু তুমি নিজকে বচাবৰ কাৰণে ইটোৰ পিছত সিটো কথা ক'বলৈ ধৰিলা। ... আৰ্থাৰ, তোমাৰ কাৰণে সময় এডোখৰ ঠাইতে ৰৈ গৈছিলনে আৰু তোমাক আৰু গ্ৰীটাক জোৰা লগাবলৈ ঠিক সেইটোৱেই আছিলনে? ক'ব নোৱাৰোঁ কিয় মই নিজকে অপৰাধী বোধ কৰি ভয় কৰিছিলোঁ হয়তো তুমিও মোক অপৰাধীক চোৱাৰ দৃষ্টিৰে চাবা। অৱশ্যে লগতে মোৰ বিৰুদ্ধে যে তোমাৰ কোনো অভিযোগ থাকিব নোৱাৰে সেই বিষয়েও মই নিচিন্ত আছিলোঁ। মই প্ৰত্যক্ষ দেখিবলৈ পাইছিলোঁ যে তোমালোকে মোক পাহৰা নাই আৰু দহ বছৰৰ আগৰ ঘটনা আৰু কথাবোৰ দুই মিনিটৰ ভিতৰতে আমাৰ আগত থিয় হৈছিল যেন একোৱেই বদলি হোৱা নাছিল। মোৰ ভিতৰত অনেকখিনি বদলি হ'ল বুলি অনুভৱ কৰিছিলোঁ যদিও তোমালোকৰ একোৱেই পৰিৱৰ্তন হোৱা নাই যেন অনুভৱ কৰিছিলোঁ। কাৰণ তোমালোকে এতিয়াও আগৰ দৰে কাজিয়া কৰা, মোৰ ওপৰত তোমালোকৰ এতিয়াও সেই আগৰ দৰে অধিকাৰ আছে আৰু তোমালোকে এতিয়াও মোক মৰমেৰে শাসন কৰা। মোৰ প্ৰতি তোমালোকৰ ব্যৱহাৰ দেখি নাজানো এলিচে মনত কি ভাবিছিল। তুমি প্ৰস্তাৱ কৰিছিলা আমি যেন আৰু এদিন তাত ৰৈ যাওঁ আৰু লগে লগে ময়ো মান্তি হৈছিলোঁ। এলিচে কিন্তু খাজুৰাহো একেবাৰে ভাল নাপাইছিল আৰু তেওঁৰ থাকিবলৈ ইচ্ছা নাছিল। তুমি ঠাট্টা কৰি এলিচক কৈছিলা, “আপোনাৰ স্বামীয়ে আপোনাক বৰ ভাল ঠাইলৈ লৈ আহিছে আৰু ময়ো বিয়াৰ পিছত পত্নীক লৈ পোনে পোনে ইয়ালৈ আহিছিলোঁ। শুনি সুখী হ'ব যে বিয়াৰ ঠিক পিছতে ইয়ালৈ অহাটো আমাৰ দাম্পত্য জীৱনৰ কাৰণে শুভ বুলি পিছত প্ৰমাণিত হৈছিল। আশাকৰোঁ আপোনালোকৰো একে হ'ব। শুনিছোঁ, বিয়াৰ পিছতে যিসকল দম্পতি ইয়ালৈ আহে তেওঁলোকৰ দাম্পত্য জীৱন সুখী হয়।”

“আৰ্থাৰ, ক'ব নোৱাৰোঁ কিয় এলিচে তোমাৰ সেই কথাবোৰ সমূলি ভাল পোৱা নাছিল। তেওঁ তাত মোক একো কোৱা নাছিল। কিন্তু পিছত তোমাৰ কথা আৰু ব্যক্তিত্বক 'অভদ্ৰ' বুলি মন্তব্য কৰিছিল। আচৰিত কথা যে মোৰ সকলো বন্ধু-বান্ধৱক তেওঁ 'অভদ্ৰ'ৰ তালিকাত অন্তৰ্ভুক্ত কৰিছিল। তোমাতকৈ বেছি বুদ্ধিমতী গ্ৰীটাই নিশ্চয় সেইটো অনুমান কৰিছিল কাৰণ মাইকী মানুহক মাইকী মানুহেই পৰীক্ষা কৰিব পাৰে।”

এলিচৰ অনিচ্ছা সত্ত্বেও আমি একেলগে এদিন থাকি গ'লোঁ। পিছদিনা আমি আগ্ৰাৰ আৰু তোমালোকে বেনাৰচৰ গাড়ীত উঠিলা। তুমি মোৰ পৰা লিখি লৈছিলা যে ভৱিষ্যতে আমি তোমালোকৰ লগত সম্পৰ্ক ৰাখিম আৰু তাৰ পিছৰ দীপাৱলীৰ ছুটীত আমি তোমালোকৰ ঘৰলৈ গৈ তাতে ছুটীটো কটাম। কিন্তু ঈশ্বৰে সেইটো হ'বলৈ নিদিলে, পিছৰ দীপাৱলীৰ আগতেই তুমি পৰলোকলৈ গমন কৰিলা আৰু মই ইহলোকক এক পৰলোক কৰি এতিয়াও জীয়াই আছোঁ। মোৰ ভাব হয় এতিয়া আমাৰ চিঠি-পত্ৰৰ আদান-প্ৰদান ভালদৰে চলি থাকিব। ক'ব নোৱাৰোঁ বেচেৰী গ্ৰীটা এতিয়া

ক'ত আছে! তুমিতো গুচি গ'লা—কিন্তু তেওঁক ক'ত পেলাই থৈ গ'লা? তুমি তেওঁক চাকৰি কৰিবলৈকো নিদিছিলা। তুমিও মোৰ নিচিনা এটা অপদাৰ্থ স্বামী হোৱাহেঁতেন কিমান ভাল হ'লহেঁতেন! তেতিয়া হ'লে গ্ৰীটাই তোমাক এৰি থৈ ডাবলিনলৈ ঘূৰি গ'লহেঁতেন আৰু য'ত আছিল তাত নাৰ্চৰ চাকৰি কৰিলেহেঁতেন। তুমি মোক কৈছিলা তোমালোকৰ ৰোমান্স ডাবলিনৰ এখন হস্পিতালত আৰম্ভ হৈছিল। মৰিলেও তুমি ক'লৈ যাবা! শুনিছোঁ ল'ৰাবোৰে পৰীক্ষাত নকল কৰোঁতে তুমি ধৰাৰ কাৰণে সিহঁতে তোমাক বৰকৈ পিটিছিল। কথাটো সঁচানে যে তাৰ কাৰণেই তুমি মৃত্যুবৰণ কৰিবলগীয়া হৈছিল? এই দেশৰ বৰ্তমান ইতিহাসত তাতকৈ গৌৰৱময় মৃত্যু আৰু কি হ'ব পাৰে? তুমি বীৰৰ দৰে প্ৰাণ দিলা বন্ধু, তোমাৰ নাম ছহিদসকলৰ নামৰ লগত উজ্জ্বল হৈ থাকিব। মানুহে তোমাক সিদ্ধপুৰুষসকলৰে এজন বুলি স্মৰণ আৰু শ্ৰদ্ধা কৰিব। বিদায় বন্ধু, মোৰ অতি মৰমৰ আৰ্থাৰ, তুমি এটা কিংবদন্তিৰ নিচিনাকৈ মোক লগ পাইছিলা, এটা কিংবদন্তিৰ নিচিনাকৈ জীয়াই আছিলা আৰু এটা কিংবদন্তিৰ নিচিনাকৈ মৃত্যু বৰণ কৰিলা। বিদায়!

আৰ্থাৰ, গ্ৰীটা আৰু এলিচ

জোচেফ যদি আৰু কিছুমান দিনৰ পিছত আহিলহেঁতেন তেওঁৰ কি ক্ষতি হ'লহেঁতেন? মাত্ৰ কেইটামান দিনৰ কথাহে! মোলৈ যে কিমান বাধা-বিঘিনি আহিছে তেওঁনো কি জানে! মই পুৱা-সন্ধিয়া তেওঁৰ ঘৰতেই ভাত খাম বুলি ভাবিছোঁ। মোক মানাও কৰিব নোৱাৰে। নাজানো মোৰ কি হ'ল। তেওঁৰেই বা কি হ'ল মই তাকো নাজানো। আগেয়েতো কেতিয়াও এনে অধিকাৰ মোক দিয়া নাছিল। হঠাতে তেওঁলোক দুজনৰ এয়া কি হ'ল? মোক গোৱালৈ লৈ যাবলৈ তেওঁলোক দৃঢ়প্ৰতিজ্ঞ হৈছে। তেওঁ গুচি যোৱাৰ পিছত মই কি কৰি পেলাওঁ তাকে চিন্তা কৰি বোধকৰোঁ মাৰ্গাৰেটৰ ভয় লাগিছে। জোচেফৰ মনলৈকো হয়তো তেনে ধৰণৰ চিন্তা আহিছে। মোক জানো সঁচাকৈয়ে ইমান নিৰাশাগ্ৰস্ত আৰু বিপজ্জনক যেন লাগিছে? যি জোচেফ নিজৰ উগ্ৰ আত্মপ্ৰীতিৰ কাৰণে কুখ্যাত আৰু যাৰ লগত মোৰ ভাল নাই, সেই জোচেফে এনেকুৱা স্নায়ৱিক দুৰ্বলতাৰে ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰা দেখি মোৰ হাঁহি উঠিছে। কিন্তু মোৰ যিমানেই হাঁহি উঠক, তেওঁক ইহঁত উচিত নহয়। মই যিমানেই নিজকে সহজ দেখুৱাবলৈ চেষ্টা কৰোঁ তেওঁলোক সিমানেই গম্ভীৰ হ'বলৈ ধৰে। আচৰিত সমস্যা। ... কিন্তু

মই নিজৰ ওপৰতেই অতিষ্ঠ হৈছোঁ। তেওঁলোকে এনেয়ে মোৰ অভিভাৱক হোৱাৰ কাৰণে মই আমোদ পাইছোঁ। ... যেনেকৈ জোচেফ নহে আৰ্থাৰ আৰু মাৰ্গাৰেট নহে গ্ৰীটা ঠিক তেনেকৈ! এয়া যে কি ভাগ ভাগ হোৱাৰ লক্ষণ? ইয়াকে ছেদেলি-ভেদেলি হোৱা নকয় জানো?

গৰমৰ বন্ধখিনি কটাবলৈ মই এই মৰিশালিখন কিয় বাছি ল'লোঁ জোচেফৰ পক্ষে বুজা টান। তেওঁ মোক কেবাবাৰো সুধিছিল আৰু মই যে তাত ডেৰমাহ পৰি আছোঁ প্ৰথমতে তেওঁৰ বিশ্বাসেই হোৱা নাছিল। তেওঁ সন্দেহ কৰিছিল যে মই কোনোবা এঠাইত মনে মনে বহি কিবা-কিবি লিখি এনেয়ে সময়বোৰ কটাই দিছিলোঁ।

জোচেফ কাইলৈ যাব। আজি সন্ধিয়া তেওঁৰ ঘৰত মোৰ সময়খিনি সুন্দৰভাৱে কটালোঁ। ল'ৰা-ছোৱালীবোৰ নোশোৱালৈকে মই তেওঁৰ লগত তাচ খেলি আছিলোঁ আৰু সময়খিনি আনন্দেৰে কাটিছিল। তেওঁলোক দুয়ো আশ্বস্ত হৈছিল—ছুটীৰ পিছত যেতিয়া তালৈ উভতি আহিব, মই তেওঁলোকক জীৱিত অৱস্থাতেই লগ পাম। ঈশ্বৰে কৰক যেন সেয়েই হয়।

উগ্ৰ আত্মপৰায়ণ হ'লেও জোচেফ যথেষ্ট বিচক্ষণ। তেওঁ আৰু তেওঁৰ পত্নীয়ে সদায় সাৱধানতা অৱলম্বন কৰিছিল—যেন আমাৰ কথোপকথনত কেতিয়াও এলিচৰ নামটো উল্লেখ কৰা নহয়। এই সাৱধানতা অৱলম্বন কৰা দেখি কেতিয়াবা কেতিয়াবা মোৰ হাঁহি উঠিছিল। মই বুজিব পাৰিছিলোঁ এলিচৰ প্ৰতি তেওঁলোকৰ সহানুভূতি আছিল কিন্তু মোৰ প্ৰতি নাছিল। তথাপিও তেওঁলোকে এই ক্ষেত্ৰত বিধি পথালি দিবলৈ কেতিয়াও চেষ্টা কৰা নাছিল আৰু মোকো প্ৰশ্ন কৰা নাছিল। তেওঁলোকৰ মনত যিমানেই কৌতূহল থাকক তাক তেওঁলোকে বাহিৰত প্ৰকাশ নকৰিছিল। তাকেই কওঁ আনৰ প্ৰতি ইমান সাৱধানতা আজিকালি কোনে বাৰু অৱলম্বন কৰে? মোৰ মতে, এই বিষয়ত খ্ৰীষ্টিয়ানসকল আমাৰ হিন্দুতকৈ বেছি সতৰ্ক। উদাহৰণস্বৰূপে, আহুজাই একো নক'লেও তেওঁৰ মনৰ ভাব মুখত বিৰিঙি উঠিছিল। এলিচ থকা সত্ত্বেও আহুজাৰ পত্নীৰ ব্যৱহাৰ মোৰ প্ৰতি এনে আছিল যে আমাৰ এলেকাত মাইকী মানুহে কোৱা-মেলা কৰিছিল। তেওঁৰ 'ভাইটি' সম্বোধনটো কিমান কোমল আৰু মৰমসনা আছিল মই তাৰ গুৰুত্ব অনুভৱ কৰিব পাৰিছিলোঁ। প্ৰথমছোৱাত তেওঁৰ লগত এলিচৰ বন্ধুত্ব বৰ বেছি আছিল কিন্তু পিছত লাহে লাহে হ্ৰাস হৈছিল। মই জানো যে মাইকী মানুহৰ শত্ৰুতা মতা মানুহৰ শত্ৰুতাতকৈ বেছি স্থায়ী হয়। সেই শত্ৰুতা ভাব শেহলৈকে আছিল আৰু এদিন বৰফ ভাঙিবৰ কাৰণে হাতুৰি এটা বিচাৰি 'ভাইটি' হাতুৰিটো দিবানে বুলি আমাৰ ঘৰলৈ আহি সোধাত এলিচে আহুজাৰ ঘৈণীয়েকলৈ পোন্দোৱাকৈ চাইছিল যেন কোনো অবাঞ্ছিত মানুহহে ঘৰত প্ৰৱেশ কৰিছে। আৰু মাৰ্গাৰেট? এলিচৰ প্ৰতি মাৰ্গাৰেটৰ কি ধাৰণা আছে আৰু মোৰ বিষয়ে তেওঁ চাগৈ কি ভাবিছে জানিবলৈ মোৰ কৌতূহল হয়। সেই কৌতূহল আগতে নাছিল। কিন্তু এতিয়া জন্মিছে। কিন্তু কিয়? শ্ৰীমতী আহুজাৰ সহানুভূতিয়েই মোৰ কাৰণে পৰ্যাপ্ত নহয় জানো?

ক'ব নোৱাৰোঁ কিয় এলিচে এই মানুহবোৰৰ লগত অনেক কম ঘনিষ্ঠতা ৰাখিছিল। ঘনিষ্ঠতা ৰাখিবৰ কাৰণে হয়তো তেওঁ খ্ৰীষ্টিয়ান হোৱাটো প্ৰধান কাৰণ নাছিল। হয়তো প্ৰধান কাৰণ আছিল জোচেফৰ সৰল পত্নীৰ যি গুণ আছিল সেই গুণ এলিচৰ নাছিল। প্ৰথমছোৱাত জোচেফ তেওঁৰ পত্নীৰ সৈতে আমাৰ ঘৰলৈ আহিছিল আৰু আমিও তেওঁলোকৰ ঘৰলৈ গৈছিলোঁ। কেতিয়াবা মই অকলেই গৈছিলোঁ আৰু জোচেফো আমাৰ ঘৰলৈ অকলে আহিছিল। গতিকে কিছুদিনৰ ভিতৰত দুয়োটা পৰিয়ালৰ মাজত এটা সহজ আৰু প্ৰীতিপূৰ্ণ সম্বন্ধ গঢ়ি উঠিছিল। কিন্তু মই লক্ষ্য কৰিছিলোঁ এলিচ যেন আমাৰ নিচিনা সহজ হ'ব পৰা নাছিল। সেইটো জোচেফেও নিশ্চয় লক্ষ্য কৰিছিল। কিন্তু তাৰ ওপৰত কোনো গুৰুত্ব নিদি জোচেফে এলিচৰ পক্ষ লৈছিল আৰু মোক কৈছিল, "এলিচ সংবেদনশীল আৰু সংস্কাৰক আৰু সেই কাৰণে তেওঁ এই পৰিৱেশত আমাৰ নিচিনা আনন্দ পাব নোৱাৰে। তুমিও এনে নাভাবানে?" মই কোনো উত্তৰ নিদি মনে মনে আছিলোঁ। তেওঁৰ কথাত মোৰ প্ৰতি তেওঁৰ ঈৰ্ষা হৈছে বুলি ভাব হৈছিল। এলিচৰ ওচৰত বহি তেওঁ বৰ আনন্দ পাইছিল আৰু তেওঁৰ লগত কথা পাতিবলৈ লালায়িত হৈছিল। অৱশ্যে সেই সুযোগটো নোপোৱাটো বেলেগ কথা আছিল। কল্পনাপ্ৰিয় নোহোৱাটো কিমান এটা ডাঙৰ গুণ। জোচেফে আনকি স্বপ্নতো ভবা নাছিল যে এলিচে তেওঁক শিষ্টাচাৰ নজনা 'অভদ্ৰ' বুলি ভাবে। তেওঁ এলিচৰ ওচৰত যিমান সময় বহিছিল সিমান সময় একেৰাহে তেওঁলৈ চাই আছিল। প্ৰথমতে সেইটো মোৰো আশ্চৰ্য লাগিছিল কিন্তু পিছত লাহে লাহে অভ্যস্ত হোৱাত মই তাৰ ওপৰত গুৰুত্ব দিবলৈ এৰি দিছিলোঁ।

জোচেফৰ ঘৰৰ খাদ্য মোৰ বৰ ভাল লাগে। তেওঁৰ পত্নী এগৰাকী ভাল গৃহিণী আৰু অতি কম কথা কোৱা মহিলা। পুৰুষক আকৰ্ষণ কৰা গুণ এলিচৰ নাছিল। তথাপিও নাজানো কিয় জোচেফৰ প্ৰতি মোৰ ঈৰ্ষা হৈছিল। বোধকৰোঁ মই তেনে এজনী পত্নীৰ লগত সুখী হ'লোঁহেঁতেন—যি মোৰ বোজা নহয়, যাৰ মোৰ ওপৰত বিশ্বাস থাকে আৰু যি নিজকে বৰ বেছি বুলি নাভাবে। মাৰ্গাৰেটৰ মনলৈ হয়তো এনে ভাব কেতিয়াও অহা নাছিল যে জোচেফে তেওঁক যিমান মৰম দিব পাৰিলেহেঁতেন তাৰ আধাও দিয়া নাই আৰু সেই কাৰণে তেওঁ সেই আধাকে লৈ সন্তুষ্ট আছিল। তেওঁক দেখিলে তেওঁৰ মনত যে কিবা অসন্তোষ, ঈৰ্ষা আৰু অভিযোগ থাকিব পাৰে ভাবিবই নোৱাৰি। জগতত এনেকুৱা মানুহ আছে যাক দেখিলে বিশ্বাস হয় তেওঁ সকলো অৱস্থা আৰু পৰিস্থিতিতে সুখী আৰু ওচৰ-চুবুৰীয়া সকলোকে সুখী ৰাখিব পাৰে। মাৰ্গাৰেট শান্ত, ধীৰ আৰু সহজ। জোচেফেও তেওঁক সেই বুলিয়েই জানে আৰু সেই বাবে কুণ্ঠা বোধ কৰে। কিন্তু এলিচক লগ পোৱাৰ পিছত তেওঁৰ সকলো ওলট-পালট হৈ গ'ল। তেওঁৰ নিশ্চয় ভাব হৈছিল তেওঁৰ নিচিনা দুৰ্ভগীয়া আন কোনো নাই। তেওঁৰ দৃষ্টিত মাৰ্গাৰেট এলিচৰ ভৰিৰ ধূলিও নহয়; কিন্তু মোৰ দৃষ্টিত মাৰ্গাৰেটৰ সম্বন্ধে তেনে ধাৰণা ভুল আৰু সম্পূৰ্ণ অমূলক আছিল। মাৰ্গাৰেটক হেয় জ্ঞান কৰিলেও তেওঁক মোৰ ভাল লাগিছিল। নাৰী হোৱাৰ অৰ্থ হ'ল—তেওঁ শান্ত, ধীৰ, দৃঢ়, স্পষ্ট আৰু

ৰোমাণ্টিক প্ৰেমৰ কীটাণুৰপৰা মুক্ত হোৱা উচিত। মই ভালদৰে জানো মাৰ্গাৰেটৰ জোচেফৰপৰা কোনো বিপদৰ সম্ভাৱনা নাই আৰু সেইটো মাৰ্গাৰেটেও ভালদৰে জানে। তাৰ কাৰণ হ'ল—জোচেফ সেই শান্তি আৰু সুৰক্ষাত অভ্যস্ত হৈ গৈছে— যি শান্তি আৰু সুৰক্ষা তেওঁক কেৱল মাৰ্গাৰেটেহে দিব পাৰে। মাৰ্গাৰেট জোচেফৰ জীৱনত কিমান মহত্বপূৰ্ণ সেই কথাও জোচেফে নিশ্চয় জানিছে। আচলতে মানুহে যি বস্তু পাইছে সেইটো যে তেওঁৰেই বস্তু সেইটো স্বীকাৰ কৰা উচিত। এনেয়ে, জোচেফে স্ত্ৰীক সিমান গুৰুতৰভাৱে গ্ৰহণ নকৰে। নকৰিনো কি বেয়া কাম কৰিলে! এই প্ৰসঙ্গত মোৰ কথা ক'বলৈ গ'লে, মই জোচেফৰ নিচিনা নকৰি কিনো পুণ্য কৰিলোঁ?

মই যেতিয়া জোচেফৰ ঘৰলৈ যাওঁ এটা কথা মোৰ মনলৈ বাৰে বাৰে আহে— মাৰ্গাৰেটৰ নিচিনা পত্নী মোৰহে হোৱা উচিত, জোচেফৰ নহয়। লগে লগে এবাৰ আৰ্থাৰে মোক কোৱা কথাকেইটা মনত পৰে। আৰ্থাৰে কৈছিল, "তোমাৰ সদায় আনৰ বস্তু ভাল লাগে। তাৰ কাৰণ এইটো নহয় যে সেইটো ভাল বস্তু আৰু তাৰ মূল্যও বেছি। আচল কাৰণ সেই বস্তুটো তোমাৰ নহয়, আনৰ। আনৰ বস্তু ভাল লগা এটা অতি হীন মনোভাব। তোমাৰ মনত নেখেলায়নে যিটো বস্তু তোমাৰ লগত আছে সেইটো আনৰ নহয়, তোমাৰহে? যদি সেইটো তুমি স্বীকাৰ নকৰা মই ক'ম তোমাৰ আত্মসন্মান একেবাৰে নাই বা তোমাৰ মনৰ অনেক খেলি-মেলি আৰু বিশৃঙ্খলতা আছে।" ...

আৰ্থাৰৰ সেই কথাবোৰত কিবা যুক্তি আছিলনে? এযাৰতো সেই আগৰ— 'তুমি তোমাক যিমান সন্মান কৰিব লাগে সিমান নকৰা' আৰু আনষাৰ 'তোমাৰ মৌলিক কিবা গন্দগোল আছে।' মোৰ মতে, প্ৰথম আত্মসন্মানহীনতা সম্বন্ধীয় কথাযাৰ এতিয়া মোৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। আৰ্থাৰে কেৱল ৰোগটোৰ ঔষধৰ নামটোৱেই কোৱা নাছিল তেওঁ আৰু গ্ৰীটাই তাৰ চিকিৎসাও কৰিছিল। আজি ৰাতিপুৱাৰেপৰা মই আৰ্থাৰৰ চিঠিবোৰ পঢ়ি আছোঁ। বিদেশলৈ যোৱাৰ পিছত তেওঁৰ লগত মোৰ ডেৰবছৰমান চিঠিৰ আদান-প্ৰদান আছিল। তাৰ পিছত আপোনা-আপুনি বন্ধ হৈ গৈছিল। আমি যেনেকৈ ঘটনা আৰু মনৰ স্থিতিৰপৰা মুক্ত হওঁ, তেনেকৈ বাটৰ বন্ধু-বান্ধৱৰ পৰাও মুক্ত এইটো এটা সহজ আৰু স্বাভাৱিক কথা আৰু ইয়াত ভাবুক হোৱাৰ কোনো প্ৰয়োজন নাই। যদি তেওঁৰ লগত খাজুৰাহোত অকস্মাৎ আৰু অপ্ৰত্যাশিতভাৱে মোৰ দেখা নহ'লহেঁতেন আমি দুয়ো দূৰে দূৰেই থাকিলোঁহেঁতেন। কিন্তু ঈশ্বৰৰ ইচ্ছা বেলেগ আছিল আৰু হঠাৎ দুয়োৰে দেখা হৈ গ'ল ঃ নোহোৱাহেঁতেনেই ভাল আছিল নেকি! অৱশ্যে এনেকৈ ভবাটোও অৰ্থহীন। তদুপৰি নিয়তিয়ে যদি আমাৰ সুবিধা মতে কাম কৰিলেহেঁতেন তাক নিয়তি বুলি কোৱাৰ কোনো অৰ্থ নাথাকিলহেঁতেন। ৰাতিপুৱাৰপৰা মই তেওঁৰ চিঠিকেইখন পঢ়ি আছোঁ। বেছি চিঠি নহয়, সাত-আঠখনমান হ'ব। আগৰ দুই-এবছৰৰ ভিতৰত লিখা চিঠি। দহ বছৰৰ পিছত তেওঁক লগ পোৱাত এনে লাগিল যেন মোৰ প্ৰতি তেওঁৰ মনোভাব চিঠিবোৰত প্ৰকাশ কৰাতকৈ সম্পূৰ্ণ বেলেগ। তেওঁৰ

নিজৰ বিষয়ে তেওঁৰ শব্দত তেওঁ এজন 'চিৰন্তন কিশোৰ' আৰু চিৰদিন সেই 'চিৰন্তন কিশোৰ' হৈ থাকিব। মোৰ বিষয়ে তেওঁৰ মতে মই এতিয়া আগতকৈ বেছি টেঙৰ আৰু বুজিব পৰা মানুহ হ'লোঁ। যদি আৰ্থাৰে মোৰ বিষয়ে এই কথা তেওঁৰ আগৰ চিঠিবোৰত লিখিলেহেঁতেন, মই বৰ ভাল পালোঁহেঁতেন। সি যি কি নহওক মোৰ বিষয়ে তেওঁৰ সেই মূল্যাংকন মই গ্ৰহণ কৰিবলৈ বাধ্য হ'লোঁ। নিজৰ ভাব প্ৰৱণতা আৰু উদাৰতাৰ কাৰণেই তেওঁ এখন চিঠিত লিখিছিল, "সেই দিনবোৰ এনেকুৱা আছিল যেতিয়া তোমাক মই প্ৰত্যেকটো ক্ষেত্ৰতে ৰক্ষা কৰিবলগীয়া হৈছিল ; কিন্তু এতিয়া আমাৰ ভূমিকা বদলি হ'বলৈ ধৰিছে আৰু তুমিহে মোৰ অভিভাৱকৰ ভূমিকা গ্ৰহণ কৰিবলগীয়া হৈছে। মই স্বীকাৰ কৰিবলৈ অলপো দ্বিধাবোধ নকৰোঁ যে এতিয়া মোৰ হে তোমাৰ সাহায্যৰ আৱশ্যক হৈছে, তোমাৰ হোৱা নাই।"

সেইবোৰ সকলো ঠিক কথা কিন্তু সেইটো হ'ল—'তুমি নিজকে যিমান সন্মান কৰিব লাগে সিমান নকৰা' জাতীয় কথা। অৱশ্যে মই স্বীকাৰ কৰোঁ আৰ্থাৰে মোক আত্ম-অভিমান শিকালে, নিজৰ অধিকাৰৰ কাৰণে দৃঢ়তাৰে যুঁজিবলৈ শিকালে আৰু মোৰ উচ্চাকাংক্ষাক তীক্ষ্ণ কৰিলে। কিন্তু সেই মৌলিক খেলি-মেলি আৰু বিশৃঙ্খলতা কি আৰু ক'ত—সেইটো ইমান বছৰেও তেওঁ ধৰিব নোৱাৰিলে আৰু ময়ো নোৱাৰিলোঁ। গতিকে ক'ব লাগিব সেই খেলি-মেলি আৰু বিশৃঙ্খলতাবোৰৰপৰা নিজকে মুক্ত কৰিবলৈ গৈ মই তাৰ অস্তিত্বকে পাহৰি গ'লোঁ। কিন্তু পাহৰি গ'লেও কোনো ৰোগৰ চিকিৎসা হ'ব পাৰেনে? ... যদি পাৰে, মই উলটি আহিলোঁ কিয়?

মই নিজকে সোধোঁ—আনৰ বস্তুক বেছিকৈ ভাল পাওঁ বুলিয়েইনে মই মাৰ্গাৰেটৰদ্বাৰা প্ৰভাৱিত হ'লোঁ? ... ইয়াতকৈ ডাঙৰ মিছা আৰু অন্যায় কি হ'ব পাৰে! কিন্তু মাৰ্গাৰেট মাত্ৰ এটা বস্তুনে? আনৰ বস্তুনে? ... নহয়, আৰ্থাৰ নহয়। তোমাক মই কেনেকৈ কওঁ যে মাৰ্গাৰেট মোৰ কাৰণে জীয়াই থকাৰ এটা পথ অৰ্থাৎ জীয়াই থকাৰ দৰ্শন। হয়, আৰ্থাৰ, কথাটো সম্পূৰ্ণ সঁচা।

মই এলিচৰ বিষয়ে—মোৰ আৰু এলিচৰ মাজত লাহে লাহে বহল হোৱা খাৱৈটোৰ বিষয়ে আৰ্থাৰলৈ লিখা নাই। কিয় লিখা নাই? মই গ্ৰীটালৈকো লিখা নাই। কিয়? গ্ৰীটাই মোৰ প্ৰতি যথেষ্ট সহানুভূতি দেখুৱাইছিল—যি সহানুভূতিৰ কাৰণে মই ল'ৰাকালৰেপৰা আকলুৱা হৈ আছিলোঁ। গ্ৰীটা আৰু আৰ্থাৰক যেতিয়া আকস্মিকভাৱে খাজুৰাহোত লগ পাওঁ তেতিয়া মই মনত কিমান আনন্দ পাইছিলোঁ। তাৰ পিছত কিছুদিন ধৰি বৰ উৎসাহেৰে আমাৰ মাজত চিঠি-পত্ৰৰ আদান-প্ৰদান চলিছিল আৰু সঁচাকৈয়ে পুৰণি দিনবোৰ ঘূৰি আহিছিল বুলি আমি দুয়ো অনুভৱ কৰিছিলোঁ। কিন্তু পুৰণি দিনবোৰ কেতিয়াবা ঘূৰি আহে জানো? বাস্তৱিকতে পুৰণি দিন কেতিয়াও ঘূৰি নাহে। এইটো নহয় জানো—জাৰ্মানীলৈ যোৱাৰ পিছত আৰ্থাৰৰ লগত মোৰ সম্পৰ্ক লাহে লাহে আপোনা-আপুনি শিথিল হৈছিল? কিয়? অৱশ্যে এইটো সঁচা যে যেতিয়া আমি দহ বছৰৰ পিছত একেলগ হওঁ তেতিয়া আগৰ সম্বন্ধ গঢ়ি তুলিব পৰা নাছিলোঁ। নিজৰ পিনৰপৰা দুয়ো চেষ্টাও কৰিছিলোঁ। কিন্তু কৃতকাৰ্য হোৱা নাছিলোঁ। যেতিয়া

আমি দুয়ো একেখন কলেজতে পঢ়াইছিলোঁ, সেই দিনবোৰ বেলেগ আছিল। যেতিয়াই ইচ্ছা হৈছিল তেতিয়াই এজন আনজনৰ ঘৰলৈ গৈছিল। তেতিয়া মই এটা নিৰ্দোষ আৰু সৰল যুৱক আছিলোঁ আৰু আৰ্থাৰ এজন জগতখন দেখা আদবয়সীয়া প্ৰৱীণ ডেকা আছিল। তেতিয়া মোৰ মনৰ অৱস্থা আৰু আৱশ্যকতাবোৰৰ ধৰণো বেলেগ আছিল। এতিয়া আমাৰ মাজত কেৱল ভূগোলৰ দৃষ্টিৰপৰাই নহয় মানসিক ৰূপৰপৰাও কেবাহাজাৰো মাইলৰ ব্যৱধান যাক মাত্ৰ স্মৰণৰদ্বাৰা হ্ৰাস কৰা সম্ভৱ নহয়। তাক পুৰণি সম্বন্ধও বুলি কেনেকৈ ক'ব পাৰি? আচলতে, যাৰ মাজত ব্যৱধান থাকি যায় তাক পুৰণি সম্বন্ধ বুলি ক'ব নোৱাৰি। নিজকে আনক দি থাকিলে আৰু নিজৰ অনুভৱবোৰ বিলাই থাকিলে হয়তো সেই ব্যৱধান নাথাকিব পাৰে। নহ'লে চলিব কেনেকৈ? তদুপৰি, এবাৰ ক্ৰম ছিগি গ'লে তাক জোৰা লগোৱা বৰ মস্কিল হয় ; তেতিয়া—দুজনৰ ভিতৰত এজন য'তে থাকে তাতে ৰৈ যায় আৰু আনজন একেবাহে বদলি হৈ থাকে। যদি আমি নিজেই নিজৰ ভিতৰলৈ আহোঁ। সেই পৰিৱৰ্তনক সম্পূৰ্ণৰূপে বুজি নাপাওঁ আৰু স্বীকাৰো কৰিব নোৱাৰোঁ। গতিকে আমি নুবুজাৰ কাৰণে আৰু সদায় অস্বীকাৰ কৰাৰ কাৰণে আচল সত্যটো জানিব নোৱাৰোঁ।

মোৰ স্বভাৱত যি তৰলতা আছে আৰ্থাৰৰ স্বভাৱত সেই তৰলতা নাই। মোৰ মনত পৰে—তেওঁৰ প্ৰথম চিঠিখন পঢ়ি মোৰ মনলৈ যিমান উত্তেজনা আহিছিল তাৰ পিছৰ চিঠিবোৰ পঢ়ি মই সিমান উত্তেজিত হোৱা নাছিলোঁ। লাহে লাহে মই এইটো উপলব্ধি কৰিছিলোঁ যে আৰ্থাৰ এতিয়াও একে আছে কিন্তু মই কুন্দন সেই আগৰ কুন্দন নহওঁ—যাৰ প্ৰভাৱ আৰ্থাৰৰ মনৰ ওপৰত নিশ্চয় পৰিছে। আমি একেখন চহৰতে থকাহেঁতেন হয়তো আমাৰ দুয়োৰে মাজত থকা ব্যৱধানটো কম হ'লহেঁতেন। মাত্ৰ চিঠিৰ যোগেদি এই মানসিক দূৰত্ব হ্ৰাস কৰা দুৰাশা আছিল আৰু মই আৰ্থাৰক মোৰ দিবলগীয়া একো নাছিল বুলি অনুভৱ কৰিছিলোঁ।

মোৰ যেনেকুৱা সমস্যা আছিল তাত তেওঁ কৰিব পৰা কিয়েই বা আছিল? কিন্তু যিমানেই বেয়া হওক পুৰণি অভ্যাস ইমান সহজে নাযায়। পুৰণি সম্বন্ধ কম হৈ গ'লেও বিপদৰ সময়ত আমি ওচৰ চাপোঁ। মোৰ মনত পৰিছে এবাৰ মই তেওঁলৈ মোৰ দাম্পত্য জীৱনৰ বিষয়ে লিখিছিলোঁ। এইটোও মোৰ মনত আছে যে চিঠিখন ডাকত দিয়াৰ পিছত মোৰ মনলৈ গ্লানি আহিছিল। অতি কষ্টত পৰিলে মানুহ অন্ধ হৈ যায়। সেই সময়ত তেওঁ অলপ সহায় আৰু সহানুভূতি পাবলৈ উত্ৰাৱল হয়। যাতে তেওঁৰ বোজা আনে লৈ অলপ পাতল কৰে। তাৰ পিছত যিজন আন মানুহৰ ওপৰত তেওঁ ভাৰসা কৰে, সেইজন 'আন মানুহৰ' তেওঁৰ পৰিস্থিতিৰ পূৰা জ্ঞান আৰু মন আৰু মস্তিষ্কৰ জটিলতা হৃদয়ঙ্গম কৰিব পৰা ক্ষমতা নাথাকে—যি কাৰণত সেই কষ্ট দূৰ কৰিবলৈ তেওঁ কোনো উপায় উলিয়াব নোৱাৰে। সেই সময়ত আৰ্থাৰৰ জীৱনৰ পৰিস্থিতি কেনেকুৱা মোৰ বিশেষ ধাৰণা নাছিল। মই কিছুদিনৰ আগতে আৰ্থাৰলৈ এখন চিঠি লিখিছিলোঁ। সেই চিঠিখনৰ উত্তৰ অনেক দিনৰ পিছত আহিল। দীঘল চিঠি। লগতে এলিচৰ নামত লিখা আন এখন চিঠিও আছিল। সেই চিঠিখন

মই এলিচক নিদিলোঁ। দিয়াহেঁতেন তাৰ পৰিণাম ভাল নহ'লহেঁতেন। কিন্তু আৰ্থাৰলৈ সেই চিঠিখনৰ বিষয়ে কি লিখোঁ মই ভাবি উলিয়াব নোৱাৰি দোধোৰ-মোধৰত পৰিলোঁ। এখনৰ পিছত এখনকৈ আৰ্থাৰৰ কেবাখনো চিঠি পালোঁ কিন্তু উত্তৰ নিদিয়াৰ কাৰণে মই তেওঁলৈ চিঠি লিখা একেবাৰে বন্ধ কৰি দিলোঁ বুলি তেওঁ ভাবিছে বুলি অনুমান কৰি মনত বৰ অশান্তি পালোঁ। কিন্তু একেবাৰে নীৰৱ থকা সম্ভৱ নহয় বুলি মই শেহত আৰ্থাৰলৈ এখন চিঠি লিখিলোঁ। চিঠিত তেওঁৰ আগৰ তিনিখন চিঠি পোৱা নাই বুলি এটা মিছা কথা লিখিলোঁ। ইচ্ছা কৰিয়েই ইমান দিনে চিঠিৰ উত্তৰ নিদিয়া বুলি জানি তেওঁ মনত আঘাত পাব বুলিয়েই মই সেই মিছা কথাটো লিখিবলৈ বাধ্য হ'লোঁ। অৱশ্যে, বিশেষ কাৰণত এলিচলৈ দিয়া চিঠিখন তেতিয়াও তেওঁক দিয়া হোৱা নাই আৰু যথাসময়ত দিম বুলি চিঠিত উল্লেখ কৰিলোঁ।

মই আৰ্থাৰলৈ লিখিলোঁ, "মই তোমাৰ চিঠি পাই সন্তোষ পালোঁ। তোমাৰ উপদেশ মোৰ কাৰণে বৰ উপযোগী আৰু সেই উপদেশ মই নিশ্চয় পালন কৰিম। তোমাৰ চিঠিখন এলিচক মই এতিয়াও দিয়া নাই কাৰণ আমাৰ প্ৰসঙ্গলৈ আৰ্থাৰ তোমাক লৈ আহিলে তেওঁ অসন্তুষ্ট হ'ব পাৰে আৰু তাৰ পৰিণাম বেয়াও হ'ব পাৰে। তোমাৰ প্ৰতি এলিচৰ নিশ্চয় সন্মান আছে কিন্তু এই সময়ত তেওঁৰ মনৰ অৱস্থা অন্য ৰকমৰ। মই তেওঁক চিঠিখন নিশ্চয় দিম কিন্তু অনুকূল অৱস্থা দেখিহে। এতিয়া তুমি গ্ৰীটাকো এই বিষয়ে একো নক'বা। মই আগতেও তোমাক মানা কৰিছিলোঁ। মই তোমাৰ উপদেশ মতেই চলিছোঁ, তুমি নিশ্চিন্ত থাকা। কিন্তু এতিয়া ঈশ্বৰৰ দোহাই ; কিছুদিনৰ কাৰণে এই বিষয়ে একো নিলিখিবা। তাৰদ্বাৰা ক্ষতিহে হ'ব, লাভ একো নহ'ব। এতিয়া এলিচৰ মনৰ অৱস্থা এনেকুৱা যে তেওঁ মোৰ চিঠিও খুলি পঢ়িব পাৰে। অৱস্থা অলপ ভাল হ'লেই মই তোমাক জনাম। তেতিয়ালৈকে তুমি মোলৈ নিলিখিবা। আৰ্থাৰ, এতিয়া আমি আন্ধাৰত খেপিয়াই ফুৰিছোঁ। ইমান বেছি জটিলতা আছে যে বৰ্ণনা কৰিব নোৱাৰি। তোমাক লগ পালেহে সকলো কথা ক'ব পাৰিম। চোৱা, গৰম বন্ধত মই তোমাৰ ওচৰলৈ যাবলৈ চেষ্টা কৰিম। সেই প্ৰলোভনে কাম কৰিব পাৰে। এতিয়াতো সকলো দিবা-স্বপ্ন যেন লাগিছে। মৰমৰ আৰ্থাৰ, এয়া তোমাৰ সংক্ৰামক আশাবাদহে, আন একো নহয়। কিন্তু মই আৰ্থাৰ নহওঁ আৰু এলিচ গ্ৰীটা নহয়। মই ডি এচ লৰেঞ্চৰ শাগিৰ্ড নহওঁ আৰু তুমি এজন হিন্দু শূদ্ৰ নোহোৱা। তথাপিও তোমাৰপৰা মই যি উদ্বেগপূৰ্ণ সাহায্যৰ অপেক্ষাত আছিলোঁ, তুমি যথাসময়ত মোক দিছিলা। সেই বাবে তোমাৰ ওচৰত মই কিমান যে কৃতজ্ঞ তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰোঁ। তেন্তে মোৰ মৰমৰ বন্ধু, অপেক্ষা কৰা তোমাৰ বিশেষ সিদ্ধান্তই কি ৰং লয় চোৱা। এই চিঠিখনৰ উত্তৰ তুমি দিব নালাগে। তুমি মোৰ ইয়াৰ পিছৰ চিঠিখনৰ কাৰণে অপেক্ষা কৰিবা। কিন্তু এতিয়াৰপৰা অপেক্ষা নকৰিবা ; তুমি অন্ততঃ তিনি মাহ চুপচাপ থাকিবা।"

ডাঙৰীয়া, মই আপোনাক এটা একেবাৰে সজীৱ, নতুন গল্প কৈছোঁ বুলি আপুনি ভবা নাইতো? যেনেকৈ মই এবাৰ কৈছিলোঁ—কোনো সম্বন্ধৰ সত্যতাক আনে অসত্য

বুলি ভবাৰপৰা ৰক্ষা কৰিবলৈ তাত অলপ মছলা মিহলাবলগীয়া হয়। ময়ো ঠিক তাকেই কৰিছিলোঁ। কাৰণ মোৰ এই উত্তৰত আৰ্থাৰ ইমান সন্তুষ্ট হৈছিল যে তেওঁৰ নিচিনা এজন ধৈৰ্যহীন মানুহ মোৰ কথামতে একেবাৰে চুপচাপ আছিল আৰু চাৰি মাহৰ পিছতহে মোলৈ এখন চিঠি লিখিছিল। চিঠিত গৰমৰ বন্ধটো তেওঁৰ তাতে কটাবলৈ মোক নিমন্ত্ৰণ কৰিছিল। কোৱা বাহুল্য যে সেইখনেই আৰ্থাৰৰ শেষ চিঠি আছিল।

মোৰ মনত কেবাবাৰো খেলিছিল—আৰ্থাৰতকৈ গ্ৰীটা মোৰ বেছি সহকাৰী হ'ব পাৰে। কিন্তু সেইটো প্ৰকাশ কৰিবলৈ মোৰ সাহ হোৱা নাছিল। এদিনতো মই তেওঁৰ কোঠাৰ দুৱাৰমুখলৈকে গৈ ঘূৰি আহিছিলোঁ কাৰণ অনুভৱ কৰিছিলোঁ কোনো লাভ নহ'ব আৰু তাৰ বিপৰীতে অনৰ্থক গ্ৰীটাক কন্দুৱামহে। মাত্ৰ সন্তোষ লাভ কৰিবৰ কাৰণে মই তেওঁক মোৰ আৰু এলিচৰ মাজত সুমুৱাবলৈ মোৰ একেবাৰে ইচ্ছা নাছিল। সঁচা কথা ক'বলৈ গ'লে তেওঁক লগ পাবৰ কাৰণে মই জানি-শুনিয়েই সেই ঠাইডোখৰ বাছি লৈছিলোঁ। কিন্তু তাৰ কেইমাহমানৰ পিছত যে সকলো ওলট-পালট হৈ যাব তেতিয়া কোনে জানিছিল?

গ্ৰীটাক মোৰ ব্যক্তিগত বিষয়ত মেৰ খুৱাবলৈ সংকোচবোধ কৰিছিলোঁ কাৰণ তেওঁৰ লগত মোৰ তেনেকুৱা কোনো সম্বন্ধ নাছিল আৰু মই তেওঁৰ কোনো কামত ইতিপূৰ্বেই অহা নাছিলোঁ। আন এটা ডাঙৰ কাৰণ আছিল যে মই এলিচক বৰ ভয় কৰিছিলোঁ। এলিচে গ্ৰীটাক ভাল চকুৰে নাচাইছিল। গ্ৰীটা এবাৰ কিবা কামত আমাৰ চহৰলৈ অকলে আহি পোনে পোনে আমাৰ ঘৰলৈ আহিছিল আৰু তিনি দিন আমাৰ ঘৰতে আছিল। তেতিয়া মোৰ প্ৰতি গ্ৰীটাৰ এটা আত্মীয়তাপূৰ্ণ মনোভাৱ এলিচে লক্ষ্য কৰিছিল আৰু তেওঁ মুঠেই ভাল নাপাইছিল। তেওঁ মোৰ জীৱনলৈ অহাৰ আগতে যে মোক ভালপোৱা আৰু মৰম কৰা কোনোবা থাকিব পাৰে সেইটো গ্ৰহণ কৰিবলৈ এলিচ কোনোমতেই প্ৰস্তুত নাছিল। এলিচৰ সেই মনোভাৱৰ কাৰণে মই অনেকৰ লগত সম্বন্ধ ছিঙিবলগীয়া হৈছিল আৰু তেওঁৰ বিনা অনুমতিত কাৰো লগত নতুন সম্বন্ধ স্থাপন কৰা নাছিলোঁ। আচলতে এইবোৰ মোৰ নিজৰ অনুভূতিহে আছিল যিহেতু তেওঁ মোক স্পষ্টভাৱে একো কোৱা নাছিল আৰু তেওঁ বেয়া পাই বুলিয়েই মই নিজে সেই নিৰাপদ পথটো অনুসৰণ কৰিছিলোঁ। তেন্তে আপুনি ক'ব খোজেনে মই এলিচৰ প্ৰতি অবিচাৰ কৰিছো? এলিচৰ লগত মোৰ সম্বন্ধৰ ইতিহাসত মই কিবা ভুল কৰিছোঁ বুলি আপুনি ভাবেনে? বিয়াৰ আগতে আৰু বিয়াৰ পিছত মই তেওঁক মোৰ অকলশৰীয়া জীৱনটোৰ বিষয়ে নানাভাৱে কোৱা নাছিলোঁ জানো? মই তেওঁক নিশ্চয় কৈছিলোঁ—তেওঁ মোৰ জীৱনলৈ অহাৰ আগতে মই অসম্পূৰ্ণ, অকুলন আৰু বিকলাঙ্গ আছিলোঁ আৰু তেওঁ অহাৰ পিছত পৰিপূৰ্ণ আৰু পূৰ্ণাঙ্গ হ'লোঁ।

মোৰ মতে মোৰ সেইবোৰ কথা শুনি এলিচে আনন্দ পোৱা উচিত আছিল। যদি সেয়ে হয়, তেওঁ মোৰ লগত সহযোগিতা কৰা নাই কিয়? আচলতে তেওঁ মোৰপৰা কি বিচাৰে? পূৰ্ণতাৰ সেইটো কি অৰ্থ আছিল য'ত মোৰ অতীত, মোৰ আপোন মানুহ, বন্ধু-বান্ধৱ, সংস্কৃতি আৰু মোৰ দেশ নাছিল? তেন্তে তেওঁ মোৰ

কুণ্ঠা, মোৰ বিকলাঙ্গতা আৰু নির্মূলতাৰ লগত প্রেম কৰিছিলনেকি? নাইবা তেওঁ মোৰ গোলামীৰ প্ৰতি আসক্ত হৈ তাক নিজৰ মতে গঢ় দিবলৈ বিচাৰিছিল?

খাজুৰাহোত এলিচৰ প্ৰতিক্ৰিয়া দেখি মই স্তম্ভিত হৈছিলোঁ। শিলৰ মূর্তিবোৰ দেখি তেওঁ মন্তব্য কৰিছিল, "এইবোৰ লেতেৰা কলা, লেতেৰা ধর্মৰ প্রতীক চিন।" প্ৰথমবাৰ তেওঁৰ মুখত তেনে কথা শুনি মই অবাক হ'লোঁ আৰু অতি বেছি বিস্ময় হোৱাৰ কাৰণে মোৰ মুখৰপৰা এটা শব্দও নোলাল। ঠিক সেই সময়তে আৰ্থাৰ আৰু গ্ৰীটা আহি আমাৰ সম্মুখত থিয় হ'ল। ... যেতিয়া ৰাতি একেলগে খাবলৈ বহোঁতে গ্ৰীটা আৰু আৰ্থাৰক কলাৰ ওপৰত এলিচৰ মন্তব্যৰ কথা উল্লেখ কৰিলোঁ, দুয়ো হো হো কৰে হাঁহিবলৈ ধৰিলে। তেওঁলোকৰ হাঁহি দেখি লাজ আৰু খঙত এলিচৰ মুখখন ৰঙা-ক'লা হ'ল। গ্ৰীটা এজনী আয়াৰ্লেণ্ডীয় ছোৱালী। আয়াৰ্লেণ্ডীয় আৰু ইংৰাজৰ ৰীতি-নীতি আৰু মনোভাবৰ মাজত ইমান যে ব্যৱধান, দেখিলে আশ্চর্য লাগে। লণ্ডন আৰু ডাবলিনৰ মাজত দূৰত্ব বেছি নহয়—আমাৰ হৰিদ্বাৰ আৰু বেনাৰসৰ সমান। গ্ৰীটা আৰু আৰ্থাৰে এলিচৰ যি দুৰ্গতি কৰিলে এতিয়াও মোৰ স্পষ্ট মনত আছে।

আৰ্থাৰে এলিচক ঠাট্টাৰ সুৰত ক'লে, "তুমি কি কথা কৈছা? কেতিয়াবা ডি লৰেঞ্চৰ কিতাপ পঢ়িছানে? লেতেৰা কলা কাক কয়? লেতেৰা ধর্ম কাক কয়? তুমি এই দুয়োটাকে ধৰ্মান্ধ দৃষ্টিৰে চাইছা। আচলতে তুমি নিজে তোমাৰ ওচৰত সহজ নোহোৱা।"

খঙত এলিচৰ মুখখন ৰঙা পৰিল। তেওঁ খঙত চিঞৰি ক'লে, "বন্ধ কৰা।" তেওঁৰ খং দেখি আৰ্থাৰে মিচিকিয়াই বিজয় গর্বেৰে মোৰ পিনে চালে আৰু তাৰ পিছত একে ঠাট্টাৰ সুৰত ক'লে, "তুমি সৰু ছোৱালী এলিচ। নিশ্চয় তুমি কিছুমান কিতাপ পঢ়িছা যিবোৰ মই পঢ়া নাই। হ'ব পাৰে তোমাৰ জ্ঞান-বুদ্ধিৰ স্তৰ আমাৰ সকলোতকৈ উচ্চ। কিন্তু কলা আৰু ধর্মক জানিবৰ কাৰণে সেই বুদ্ধি আৰু জ্ঞান যথেষ্ট নহয়, আধুনিক বুদ্ধি আৰু জ্ঞানতো একেবাৰে নহয়। লৰেঞ্চে ঠিক কথাই কৈছে, "সেয়া হ'ল নপুংসক বুদ্ধি। তুমি বস্তুক পোনভাৱে নগ্ন দৃষ্টিৰে চাব লাগে, কুসংস্কাৰপূর্ণ দৃষ্টিৰে নহয়। তেনেভাৱে চালে তুমি কেতিয়াও কোনো বস্তু ভাল নাপাবা। খাজুৰাহো কিয়, ভাৰতৰ সকলো কলা, সকলো মঠ-মন্দিৰ আৰু আনকি সকলো ভাৰতীয়কেই তুমি ভাল নাপাবা। গতিকে ভাবি চোৱা আমাৰ বেচেৰা কুন্দনৰ কি দশা হ'ব!"

কৈয়েই আৰ্থাৰে হাঁহিবলৈ ধৰিলে আৰু গ্ৰীটা আৰু ময়ো হাঁহিলোঁ। অৱশ্যে মই এটা অপ্ৰীতিকৰ পৰিস্থিতিত পৰিলোঁ। এলিচৰ মন্তব্য মোৰ ভাল লগা নাছিল সঁচা কিন্তু আৰ্থাৰৰ ওকালতিও ভাল নালাগিছিল। মই তেওঁক মাজে মাজে বাধা দিছিলোঁ। আচলতে মোৰ মনত ভয় আছিল আৰু সেই ভয় নির্ভুলো নাছিল যে আৰ্থাৰে হিগলৰ কিতাপ পঢ়া নাছিল। গতিকে আৰ্থাৰৰ কথাবোৰ অতিৰঞ্জিত আছিল আৰু এলিচৰ মনত সেইবোৰেই বেছি আঘাত দিছিল। মই সেইটো তৎক্ষণাৎ অনুমান কৰিছিলোঁ।

মই মধ্যস্থতা কৰি ক'লোঁ, "শুনা আৰ্থাৰ, তুমি লৰেঞ্চৰ কথাৰে এলিচক দূৰলৈ ঠেলিব নোৱাৰা। তেওঁৰ কাৰণে লৰেঞ্চ যিমান অচিনাকি তোমাৰ কাৰণে হিগলো সিমান অচিনাকি। মোক কোৱাচোন আজিলৈকে কোন ভাৰতীয় বিদ্বানে হিগলৰ এনেকুৱা আৰোপক খণ্ডন কৰিছে যি নিজে ইউৰোপৰ মূৰৰ ওপৰত উঠি ক'ব পাৰে? কোৱাচোন।"

থতমত খাই আৰ্থাৰে মোৰ চাৰিওপিনে ঘূৰিবলৈ ধৰিলে আৰু গ্ৰীটা বহি থকা চকিখনৰপৰা উঠি মোৰ ওচৰলৈ আহি কাণত ফুচ্‌ফুচাই ক'লে, "কুন্দন, তুমি যে এজন ভাল বন্ধু মোৰ জনা আছিল কিন্তু তুমি যে এজন ভাল স্বামীও সেইটো মই কেতিয়াও ভবা নাছিলোঁ। মোৰ অভিনন্দন লোৱা। তুমি অতি বুদ্ধিমান। সঁচাকৈয়ে তোমাক প্ৰশংসা নকৰি নোৱাৰোঁ।" এলিচৰ বাহিৰে আমি সকলোৱে হাঁহিলোঁ। তেওঁ তেতিয়াও গম্ভীৰ হৈ আছিল। তেওঁৰ খং মাৰ নিয়াবলৈ আৰ্থাৰে ক'লে, "চোৱা এলিচ, মই বিদ্বানো নহওঁ আৰু বুদ্ধিজীৱীও নহওঁ, মই ..."

এলিচে লগে লগে ক'লে, "আপুনি কি নিজেই ভালদৰে জানে ... তথাপি সেই আত্মজ্ঞানে আপোনাক লৰেঞ্চৰ মালা জপিবলৈ বাধা দিব নোৱাৰে। নহয় জানো? কওক আপুনি কি ক'ব খুজিছে ; কিন্তু ঈশ্বৰৰ দোহাই, নিজৰ 'নায়ক'ক তাত নুসুমুৱাব। আপুনি সম্পূৰ্ণ নিজৰ কথা কওক। কুসংস্কাৰতো কুসংস্কাৰেই। সি হিগলৰ বেশতেই আহক বা লৰেঞ্চৰ বেশতেই আহক ..."

সেই অপ্ৰত্যাশিত আক্ৰমণত আৰ্থাৰ উজুটি খাই পৰাদি পৰিল। কিন্তু পিছ মুহূৰ্ততে নিজকে চম্ভালি তেওঁ মিচিকিয়া হাঁহি এটা মাৰি ক'লে, "বাৰু ঠিক আছে। কিন্তু তুমি এটা কথা জানিবা যে মনৰ উদ্বেগ আৰু সুখ-দুখ বুজোৱা শিক্ষা নামৰ এটা বস্তু আছে যাক ইংৰাজীত 'ইম'চনেল এডুকেশ্বন' কয়। সেইটো বুদ্ধিজীৱী সম্বন্ধীয় শিক্ষাতকৈ বেছি দুৰ্লভ আৰু মূল্যৱান। সেই উদ্বেগপূৰ্ণ শিক্ষাত যি পৰিপক্ক তেৱেঁই কলাৰ ন্যায় কৰিব পাৰে।"

এলিচে আৰ্থাৰলৈ তীক্ষ্ণ দৃষ্টিৰে চাই ক'লে, "সেই উদ্বেগপূৰ্ণ পৰিপক্কতা কি মই নাজানো। মাত্ৰ ইমানেই জানো যে সি যিয়েই নহওক, সেইটো আপোনাৰ বুদ্ধিজীৱী ল'ৰাকালৰ ক্ষতিপূৰণো হ'ব পাৰে।"

সেইটো এলিচৰ প্ৰত্যক্ষ আক্ৰমণ আছিল। কিন্তু আৰ্থাৰে এলিচৰ সকলো অভিযোগ শান্তভাৱে গ্ৰহণ কৰি স্থিৰ হৈ ৰ'ল। এলিচৰ মাতটো মোৰ স্বাভাৱিকতকৈ বেছি কৰ্কশ লাগিছিল আৰু আৰ্থাৰৰ কথাবোৰো তেওঁক নম্ৰ স্বভাৱৰ লগত খাপ নাই খোৱা যেন লাগিছিল।

মই ক'লোঁ, "মই এলিচৰ প্ৰতিক্ৰিয়াক সম্পূৰ্ণৰূপে সমৰ্থন নকৰোঁ আৰু আৰ্থাৰৰ কথাবোৰা মোৰ বৰ সঙ্গত যেন লগা নাই। লৰেঞ্চৰ বিষয়ে যে জানিব লাগিবই সেইটো জৰুৰী নহয়। আচলতে, এই বিষয়টোক এটা সম্পূৰ্ণ সংস্কৃতি আৰু জীৱন দৰ্শনৰ পাশ্চাত্য ধৰ্ম দৃষ্টিৰে চালেহে এই কলাৰ প্ৰতি ন্যায় কৰা সম্ভৱ হ'ব। বৰ্তমান যুগত সাংস্কৃতিক অহংকাৰ আৰু মানৱ জ্ঞান য'ত উপস্থিত হৈছেহি, তালৈ চালেই নহ'ব।

অহংকাৰৰপৰা উদ্ভৱ হোৱা দূষিত দৃষ্টি নিজৰেই ধৰ্ম আৰু সংস্কৃতিক এই পৃথিৱীত চলি থকা সম্পূৰ্ণ জীৱন-লীলাৰ একমাত্ৰ নিৰ্ণয় কৰোঁতা বুলি ধৰি লোৱাটো অত্যন্ত বুদ্ধি-বিৰোধী কাৰ্য আৰু মানুহে এতিয়ালৈকে অৰ্জন কৰা বিৱেকৰ অপমান হ'ব। পিছে, আমি স্বীকাৰ কৰা উচিত যে আমি ভাৰতীয়ই নিজৰ বস্তুবোৰৰ সম্বন্ধে ভালদৰে নাজানো। আমি এইটোও মানি ল'ব লাগিব যে আমাৰ আত্মবিশ্বাস কম আৰু বুদ্ধি বিষয়ক আচৰণ মৌলিক নহয়। খাজুৰাহোৰ কলা দেশৰ অন্যান্য ভাস্কৰ্য-কলাৰপৰা পৃথক কিন্তু অশ্লীল আৰু হীন নহয়। তাৰ নিজস্ব এটা সৌন্দৰ্য আছে যাক কলাৰ সূক্ষ্মজ্ঞান থকা কলাপ্ৰিয় মানুহেহে দেখা পায়। সেই কলা এলিচে কোৱাৰ দৰে মলিন ধৰ্মৰ নিদৰ্শন নহয়। অৱশ্যে মানিব লাগিব যে সেই কলা আমাৰ সংস্কৃতিৰ আটাইতকৈ আত্মবিশ্বাসপূৰ্ণ যুগৰ সৰ্বোচ্চ উপলব্ধি নহয়। তাতকৈ বেছি জীৱন্ত আৰু সূক্ষ্ম হৈছে সাঁচী আৰু সাৰনাথ। নহয় জানো এলিচ?"

"মই সাঁচীও দেখা নাই আৰু সাৰনাথো দেখা নাই", এলিচে ক'লে। তেওঁৰ কথা শুনি আমি সকলোৱে হাঁহিলোঁ। তৎক্ষণাৎ আৰ্থাৰে মন্তব্য কৰিলে, "চোৱাঁ এলিচ, তোমাৰ স্বামী কেনেকৈ ভুল কথাৰদ্বাৰাও প্ৰভাৱিত হৈছে। এইটো ভাল লক্ষণ নহয় কিন্তু।" তেওঁ আৰু বেছি কিবা ক'বলৈ ধৰিছিল। কিন্তু গ্ৰীটাই তেওঁৰ মুখত হাতটো থৈ বন্ধ কৰি দি ক'লে, "মনে মনে থাকাচোন। তুমি দেখিছোঁ সকলো স্বামীকে তোমাৰ নিচিনা অভাজন স্বামী কৰি পেলাইছা। অতি কমেও আমাৰ কুন্দনকতো তেওঁলোকৰপৰা বাদ দিব পাৰা।" তেওঁৰ মাতটো আৰু কথাৰ সুৰ এনে নাটকীয় আছিল যে আমাৰ সকলোৱে হাঁহি উঠিল। এলিচে মাত্ৰ মিচিকিয়ালে আৰু তাতেই কথা শেষ হ'ল।

কিন্তু সঁচাই শেষ হ'লনে? যদি তাতেই কথা শেষ হ'লহেঁতেন তেন্তে কোনো কথাই নাছিল। ... আচল কথা শেষ হোৱা নাছিল, তাৰ সলনি তেওঁ আমাকহে শেষ কৰি দিছিল।

এটা অসম্পূৰ্ণ আলোচনা

জোচেফে তেওঁৰ পৰিয়ালৰ সৈতে কালি আমাৰপৰা বিদায় ল'লে। তেওঁলোকক এৰি থৈ আহিবলৈ মই ষ্টেচনলৈ গৈছিলোঁ। গাড়ী চাৰি ঘণ্টা পলম আছিল। মাৰ্গাৰেট আৰু ল'ৰা-ছোৱালীবোৰ ওৱেটিং ৰুমলৈ গ'ল। মই আৰু জোচেফে কথা পাতি পাতি প্লেটফৰ্মৰ ওপৰত টহল দি তিনি ঘণ্টা কটালোঁ। জোচেফে মোক বাৰে বাৰে কৈছিল, ৰাতি বহুত হ'ল—তুমি ঘৰলৈ ঘূৰি যোৱা। আমিতো ভ্ৰমণ কৰিবই লাগিব, তুমি

অনৰ্থক কিয় টোপনি ক্ষতি কৰিবা?" অৱশ্যে মোৰ টোপনি ধৰিছিল সঁচা কিন্তু জোচেফৰ লগত কথা পাতি এটা বেলেগ ধৰণৰ আমোদ পাইছিলোঁ। আমাৰ মাজত এনেকুৱা আলোচনা হৈছিল যাক শেষ নকৰাকৈ এৰি থৈ আহিবলৈ মন নগৈছিল। জোচেফৰ মনৰ অৱস্থাও একে আছিল। এনেকুৱা সংযোগ প্ৰায় কমেই হয়। চাৰি ঘণ্টা কেনেকৈ পাৰ হৈ গ'ল আমি গ'মেই নাপালোঁ। ৰাতি আঢ়ৈটা বজাত যেতিয়া মই ঘৰলৈ ঘূৰি আহিলোঁ, মগজটো ইমান উত্তেজিত অৱস্থাত আছিল যে ৰাতিপুৱালৈকে চকুলৈ টোপনি নাহিল। তেতিয়া মনত খেলি গৈছিল এই ঐতিহাসিক মালযুঁজখনকে নেলেখা, খালী কাগজৰ মঞ্চৰ ওপৰত আকৌ এবাৰ যুঁজোঁ আৰু ভৱিষ্যতৰ কাৰণে তাৰ এটা স্মৰণচিহ্ন তৈয়াৰ কৰি থওঁ। যেতিয়া জোচেফ আকৌ ঘূৰি আহিব দেখি আশ্চৰ্য হ'ব। ভুল-ভ্ৰান্তি আৰু লেন-দেনও হ'ব আৰু এই ধৰ্ম যুদ্ধখনৰ কিবা মীমাংসা হ'লে তাক সকলোৰে আগত থিয় কৰাবলৈ স্থল থাকিব।

ডাঙৰীয়া, যেতিয়া আপুনি মোৰ ডায়েৰীখন পঢ়ি আছিল, সেই সময়ত ময়ো এনেয়ে বহি থকা নাছিলোঁ। মই স্থানীয় সংগ্ৰহালয়লৈ গৈ দুটাকৈ বক্তৃতা শুনিছিলোঁ। এটা আছিল 'সিন্ধু উপত্যকা সমস্যাৰ লিপি'ৰ ওপৰত আৰু আনটো আছিল 'সমুদ্ৰত নিমজ্জিত দ্বাৰকা'ৰ ওপৰত। ... মোৰ ধাৰণা পুৰাতত্ত্বৰ প্ৰতি আপোনাৰ আগ্ৰহ আছে। নাথাকিব কিয়—আপুনি এই শতাব্দীৰ নাগৰিক নহয় জানো? মই আপোনাৰ আগতেই এবাৰ কৈছিলোঁ—মই এজন নৃত্যবিশাৰদ আৰু নৃত্য মোৰ ব্যৱসায় আৰু প্ৰিয় কলা। তেতিয়াতো আপুনি বৰ উৎসাহ দেখুৱাইছিল। সেইটো মোৰ ভুল আছিলনে? পুৰাতত্ত্ব আৰু নৃত্যক মাতৃ সম্বন্ধীয় ভাই-ককাই বা মোমাই-ভাগিন বুলি ধৰি লওক। মাত্ৰ অলপ পাৰ্থক্য দুয়োৰে মাজত কিন্তু এতিয়া দুয়ো প্ৰৱীণ ধৰি লওক মোমায়েকৰ বয়স পাঁচ-ছশ বছৰ আৰু ভাগিনৰ বয়স তাতকৈ অলপ কম। ডাঙৰীয়া, আপুনিয়েই কওক জগতত এতিয়া আদিম জনজাতীয়সকলৰ কিমান জীয়াই আছে? লৈ থৈ এতিয়া যিমান আছে তাৰ ভিতৰত নিজৰ দেশখনকেইতো বিশেষকৈ ধৰিবলগীয়া যদিও সিয়োনো আৰু কিমান দিন চলিব? মোলৈকে চাওক—মই অতি কমেও তেৰবাৰ বস্তৰ, ঝাবুৱা আৰু উড়িষ্যালৈ গৈছিলোঁ। দুবাৰ অকলশৰে তিনি-তিনি মাহকৈ থাকি আহিলোঁ। তৃতীয় আৰু চতুৰ্থবাৰ এলিচক লগত লৈ গৈছিলোঁ। পঞ্চমবাৰ মোৰ খুলশালিক লৈ গৈছিলোঁ আৰু কোনোমতেহে মৰাৰপৰা বাচি আহিছিলোঁ। কেইবাৰমান জাৰ্মানী আৰু আমেৰিকাৰপৰা অহা দলবোৰৰ লগত গৈছিলোঁ। বুইছে ডাঙৰীয়া, বিদেশীৰ লগত যোৱাত অনেক লাভ আছে। তেওঁলোকে নিজৰ দেশলৈ ঘূৰি যোৱাৰ সময়ত আপোনাক নিজৰ দামী ঘড়ী, টাইপৰাইটাৰ আৰু আনকি চেকেণ্ডহেণ্ড মটৰ গাড়ী পৰ্য্যন্ত দি থৈ যায়। আজিকালি অৱশ্যে মই নিজে নগৈ বেছিকৈ নিজৰ গৱেষণা-পণ্ডিতসকলকহে পঠাওঁ।

ডাঙৰীয়া, আমাৰ দেশ যেন নৃত্যৰ এটা খনিহে যালৈ পৃথিৱীৰ সকলো দেশে চাই থাকে। কিন্তু কোনো খনি চিৰদিন নাথাকে। যদি কয়লাৰ খনি চিৰদিন নাথাকে মানুহ থাকিব কেনেকৈ? অৱশ্যে, শাস্ত্ৰীয় নৃত্য শিল্পীসকলৰ কথা বেলেগ। বিদ্যাৰ

মৰণ নাই। আপুনি নিশ্চয় জানে নতুন নতুন বিদ্যাই কিমান মানুহৰ চকু মুকলি কৰিলে আৰু কিমানৰ অহংকাৰ নাশ কৰিলে। মই নিজে এই ক্ষেত্ৰত কাম কৰা অনেক মানুহক চিনি পাওঁ আৰু তেওঁলোকৰ মাজত মোৰ পূজনীয় শহুৰ দেউতাও এজন—যাৰ গোটেই জীৱন-দৃষ্টি এই কামত লাগি থকাৰ কাৰণে সম্পূৰ্ণভাৱে বদলি গ'ল। ডাঙৰীয়া, জ্ঞান এক বিচিত্ৰ বস্তু—যি আপোনাৰ ধৰ্ম-কৰ্মৰ বিৰুদ্ধেও সাক্ষী দিব পাৰে আৰু এতিয়ালৈকে যিজন মানুহ মানৱসেৱী আৰু প্ৰগতিৰ পথ প্ৰদৰ্শক হিচাপে জনাজাত হৈ আহিছে, তেওঁ ভৱিষ্যতে এদিন অপৰাধী আৰু আততায়ী বুলিও সাব্যস্ত হ'ব পাৰে। এটা সম্পূৰ্ণ জাতিক সামূহিক অপৰাধত অভিযুক্ত কৰি তাৰ সামূহিক প্ৰায়শ্চিত্ত কৰিব পাৰি। অৱশ্যে সেইটো বেলেগ কথা যে সেই সামূহিক প্ৰায়শ্চিত্ত স্বাৰ্থপৰ মানুহক দেখুওৱা আৰু কাম চলোৱা হ'ব পাৰে। তথাপি মই আপোনাক অনুৰোধ কৰোঁ যেন আপুনি ল'ৰালৰিকৈ কোনো এটা সিদ্ধান্তত উপনীত নহ'ব। বিদ্যাত স্বাৰ্থ আৰু পৰমাৰ্থৰ লগত কোনো সম্বন্ধ নাই। চাওক, ইংৰাজ আপোনাৰ চকুত কালিৰ ফুকলীয়া ল'ৰা নহয়জানো? এই দেশত কেবাহেজাৰো বছৰ আপুনি শাসন কৰিছিল ; কিন্তু এবাৰমানো আপুনি আদিবাসীসকলৰ কথা চিন্তা কৰিছিলনে? ইংৰাজে আহিয়েই তেওঁলোকক বুকুত সাবটি লৈছিল। ডাঙৰীয়া, এটা অনুন্নত আৰু এটা প্ৰগতিশীল জাতিৰ মাজত পাৰ্থক্য অনেক আৰু সেই পাৰ্থক্য মানৱতাৰ দৃষ্টিকোণৰপৰা চালে অতি গুৰুত্বপূৰ্ণ। এই পাৰ্থক্য জাতিৰ মাজতেই কিয় ধৰ্মৰ মাজতো আপুনি দেখিবলৈ পাব। আপুনি এপিনে কয়, 'তুমি ধৰ্ম ৰক্ষা কৰা আৰু তাকে কৰিলে তোমাৰ ৰক্ষা নিশ্চিত' আৰু তাৰ লগতে কয় 'ধৰ্ম ৰক্ষা কৰা মানে তাক প্ৰচাৰ কৰা নহয় আৰু ধৰ্ম প্ৰচাৰ কৰিবলৈ আমি কাৰো ওচৰত চুক্তিবদ্ধ নহয়।' ডাঙৰীয়া, আপুনি স্বীকাৰ কৰিব লাগিব—তেওঁলোকৰ ধৰ্মই জ্ঞানকো লগত ৰাখে আৰু দুয়োৰে বিকাশ হয়। সেয়ে, সৈন্য বাহিনী পিছত আহে আৰু ধৰ্ম প্ৰচাৰক মিছনেৰীসকলে নিৰ্ভীক মনে আগতে যায়। কাৰণ তেওঁলোকৰ ধৰ্ম প্ৰগতিশীল—যি সেই ধৰ্মত দীক্ষিত হোৱাসকলক আগলৈ লৈ গৈ থাকে। সেয়ে কওঁ, গছৰ খোৰোঙত সোমাই থকা আৰু বাহিৰত থকাসকলৰ মাজত পাৰ্থক্য অনেক বেছি।

মই আপোনাক ইতিপূৰ্বেই কৈছিলোঁ নৃত্যৰ খনি আমাৰ দেশত পৰ্যাপ্ত পৰিমাণে আছে যি চিৰদিনলৈ নাথাকিব যদিও সোনকালে শেষ নহ'ব। আপুনি কেতিয়াবা অবুঝমাড়, যশপুৰ বা ঝাবুৱালৈ গৈছেনে? নিশ্চয় নাই যোৱা। তেন্তে আদিম জাতিবোৰ কেনেকুৱা আপুনি কেনেকৈ জানিব? হয়, আপুনি সঁচা কথাই কৈছে নৃত্য আৰু গীতক সকলোৱে ভাল পায়। সকলো বস্তু নষ্ট হয় কিন্তু নৃত্য আৰু গীতক আচাৰত অনেক উপাদান মিহলোৱাৰ নিচিনাকৈ মিহলি কৰিব পাৰি। গতিকে চিন্তাৰ কাৰণ কি? আমি সকলো মানুহক যদি এটা কলহত ঢালি দিওঁ তাত অন্ততঃ এজন আদিবাসীতো থাকিব! মই স্বীকাৰ কৰোঁ কবিতাত অনেক সামগ্ৰী থাকে যি মানুহৰ অন্তৰত থিতাপি লৈ আদিবাসীক জগাই তোলে বা তাৰ প্ৰভাৱত তেওঁলোক আপোনা-আপুনি জাগি উঠে। ডাঙৰীয়া, এইটো সঁচা—ধৰ্মত অনেক বস্তু আছে যিবোৰে আমাৰ আদিম চিন্তাবোৰক

স্পৰ্শ কৰে আৰু জগাই তোলে। কিন্তু আপুনি নিজৰ কথাকে কৈ নাথাকিব আনৰ কথাও শুনক যে ধৰ্ম মানুহৰ লগতে আগলৈ গৈ থাকে। যদি যাদু-কুসংস্কাৰ আৰু প্ৰাকৃতিক ধৰ্মই মানুহৰ আৱশ্যকীয় চাহিদাবোৰ পূৰা কৰিব পাৰিলেহেঁতেন তেন্তে ইমান হাই-কাজিয়াৰ সৃষ্টি কিয় হ'লহেঁতেন? সুকৰাত, অৰস্তু অগাষ্টাইন আৰু শংকৰৰ নিচিনা মনিষীসকলে তেওঁলোকৰ মতবাদ মানুহৰ কাৰণে কিয় থৈ গ'ল? মানুহৰ বুদ্ধিয়ে যেতিয়া সকলো বস্তুৰ দাৰুণ ক্ষতি কৰে তেতিয়া ই ধৰ্ম আৰু কবিতাকো এৰি দিবনে? যি কালত আটাইতকৈ বুদ্ধিমান লোককো স্বীকাৰ কৰা নহয়, তেতিয়া ধৰ্মক ৰক্ষা বা উলঙ্ঘন কৰাৰ মাজত কি পাৰ্থক্য থাকিব পাৰে? তেনেকৈ কবিতাৰ ক্ষেত্ৰতো একে কথা। গতিকে সেই কবিতাৰপৰা লাভ কি? যি অতি বুদ্ধিমান লোকৰ শিৰত উঠিও একো ক'ব নোৱাৰে! তাৰপৰা নিজকে বচায়ো আপুনি কি কৰিব?

ডাঙৰীয়া, এতিয়া মানুহৰ সন্তান য'ত উপস্থিত হৈছেহি—তাৰপৰা আগলৈ যোৱাৰ মাত্ৰ দুটা উপায় আছে। এটা হ'ল—যি য'ত আছে যি অৱস্থাত আছে তেওঁলোকক তাতেই থাকিবলৈ দিয়ক আৰু কাৰো জীৱনত হস্তক্ষেপ কৰিবলৈ নিদিব। সকলোকে নিজৰ সামূহিক অনুভৱ, আৱশ্যকতা আৰু বুজিব পৰা শক্তি অনুসাৰে নিজৰ নিজৰ জীৱনৰ সমস্যাবোৰৰ সমাধান নিজে কৰিবলৈ দিয়ক। আনটো হ'ব—আপুনি গোটেই পৃথিৱীখনৰ মানুহক খামোচ মাৰি ধৰি একত্ৰ কৰক, এখন পতাকাৰ তলত সকলোকে থিয় কৰাওক আৰু সকলোকে এটা ধৰ্মত দীক্ষিত কৰাওক। সকলো মানুহৰ ভোক লাগে আৰু সকলো মানুহৰ মৃত্যু হয়। গতিকে আপুনি সকলো সমস্যাক যোগ কৰি তাৰ ল. সা. গু. বাহিৰ কৰিলে মাত্ৰ দুটা বস্তু পাব—ভোক আৰু মৃত্যু। যদি ইচ্ছা কৰে আপুনি সেই দুটাৰ লগত কাম প্ৰবৃত্তিক যোগ কৰিব পাৰে কাৰণ ভোক আৰু মৃত্যুৰ নিচিনাকৈ কাম প্ৰবৃত্তিৰপৰাও মানুহ মুক্ত নহয়। অৱশ্যে, মৃত্যুক একাষৰীয়া কৰিলে, কাম প্ৰবৃত্তিতকৈ ভোকক অগ্ৰাধিকাৰ দিয়া যুক্তিসঙ্গত হ'ব। প্ৰকৃত কথা, মৃত্যুৰপৰা কোনো মানুহে অব্যাহতি নাপায় আৰু মোৰ ক্ষেত্ৰত মই মৃত্যুক বৰ ভয় কৰোঁ। মোৰ মতে মৃত্যুৱে জগতখনৰ সকলো মানুহক একত্ৰ কৰা অতি সহজ কাৰণ মৃত্যু সকলো মানুহৰ অপৰিহাৰ্যভাৱে উমৈহতীয়া বস্তু। তেতিয়াহ'লে জগতৰ সকলো জঞ্জাল শেষ হ'ব। শুনক ডাঙৰীয়া, পেটটো ভৰাবলৈ মানুহে অতি বেছি পৰিশ্ৰম আৰু কষ্ট কৰিবলগীয়া নহয় যদিও এনেয়ে বিপদ মাতি আনে—য'ত প্ৰাণ দিবলগীয়া পৰিস্থিতিতৰ উদ্ভৱ হয় আৰু মানুহ তাৰ কাৰণে প্ৰস্তুত হয়। সেইটো বাৰু কি বস্তু যাৰ কাৰণে মানুহে প্ৰাণৰ কথাও বেছিকৈ চিন্তা নকৰে? সেই বস্তুটো নিশ্চয় প্ৰাণতকৈ বেছি মূল্যৱান হ'ব লাগিব নহয় জানো? যি আমাৰ ভোক গুচায় আৰু একে ঠাইতে দুটা জাতিক জন্ম দিয়ায় সেইটোৱে নিশ্চয় আমাৰ উপকাৰ কৰে ; যি মৃত্যুৰ ভয়ক জয় কৰে আৰু আমাৰ কাৰণে মুকলি ৰাস্তা খুলি দিয়ে সি নিশ্চয় মানৱ জাতিৰো উপকাৰ কৰে। ডাঙৰীয়া, আমাৰ ভোক লাগে কিয়? জীয়াই থাকিবলৈ নহয় জানো? কিন্তু আমি কিয় জীয়াই থাকিব লাগে? আমাৰ জীয়াই থকাৰ লক্ষ্য আৰু উদ্দেশ্য কি? জন্ম লৈ জীয়াই থকা পুৰুষাৰ্থ কি? জীয়াই থকাৰ মানে যদি মই বিচাৰি উলিয়াওঁ

সেইটো বেলেগ কথা। যদি ভোকৰ দিশ এটা হয়, জীয়াই থকাৰ মানে বিচাৰি উলিয়াবলৈ সেইটোৱেইনে? এতিয়া আপুনি কওকচোন যিবোৰ আৱশ্যকতাৰ দিশ ওলোটা হয়, সেইটো এটা নে দুটা? সেই কাৰণে মই ভোক আৰু মৃত্যুক পৃথক কৰি থ'বলৈ অনুমোদন কৰিছিলোঁ। ব্ৰত, উপবাস আৰু বোজাৰ উদ্দেশ্য ভোকৰ দিশটোক ওলোটা কৰাৰ বাহিৰেনো আন কি হ'ব পাৰে? আপুনিয়েই কওক ইয়াক সমৰ্থন কৰা মানুহবোৰ নিশ্চয় অবোধ আৰু অবিৱেচক নাছিল জানো? কিন্তু জগতৰ কোটি কোটি মানুহে আমাৰ নিচিনা বুদ্ধিমান আৰু বিৱেকী মানুহক অনুসৰণ নকৰি সেই অবিৱেচক আৰু অবোধ মানুহবোৰকহে অনুসৰণ কৰে। সেই মানুহবোৰে এটা অতি সাধাৰণ কথাৰ কাৰণে অনশন ব্ৰত পালন কৰি আনৰ চকুৰ টোপনি নষ্ট কৰে। মই আপোনাক কাৰ্যালয়লৈ নিব খোজা নাই বা চয়তানক জিতিবলৈ বাহিৰ হোৱা বাইবেলৰ চল্লিশজন সিদ্ধ পুৰুষক জপ কৰিবলৈ কোৱা নাই। মই মাত্ৰ আপোনাৰ যুগৰ কথা উল্লেখ কৰিছোঁ। আপুনি হিন্দু, মুছলমান বা খ্ৰীষ্টিয়ান যিয়েই হওক, তপস্যাৰদ্বাৰা প্ৰভাৱিত নহ'ব আৰু হ'বও নোৱাৰে। যাক মই সহজে কৰিব পাৰোঁ তাৰদ্বাৰা আনক প্ৰভাৱিত কৰিম কিয়? আৰু যিটো মই কৰিব নোৱাৰোঁ আৰু সেই কামটো যদি মোৰ নিচিনা এজন হাড়-মঙহৰ মানুহে কৰি দেখুৱায়, তেওঁ মোৰ শ্ৰদ্ধাৰ পাত্ৰ হ'ব। সেই কাৰণে, বাহিৰত তেওঁ একো চমৎকাৰ কাম নকৰিলেও ভিতৰত অৰ্থাৎ মোৰেই ভিতৰত লুকাই থাকি মোক ধনভঁৰালৰ ঠিকনাটো দিছে, মোক মোৰেই সামৰ্থ্যৰ স্মৰণ কৰাইছে। আপুনি যি বুদ্ধিৰ বিষয়ে ইমান বেছিকৈ কৈ আছে, সেই বুদ্ধি মানুহৰ তপস্যাৰ ফল নহয় জানো? আপোনাৰ কি মত? যদি সকলোৰে খোৱা-বোৱা আৰু জীৱন যাপন কৰাৰ মানদণ্ড আপোনাৰ সমান হ'লহেঁতেন, আপুনি ভাবে নেকি তেওঁলোকে সেই সকলো নিজৰ সামৰ্থ্যৰদ্বাৰা লাভ কৰিছে? ডাঙৰীয়া, আচল কথা, ভোক আৰু তাৰ শান্তি পৰ্যন্ত তপস্যাৰ দ্বাৰাই সম্ভৱ হয়। নহ'লেতো অন্ন আৰু ভোজনক একেলগ কৰাৰ মানে কি? সেইটো বাতুলতা কিন্তু অনশন ব্ৰত কৰা তপস্বীসকলৰ ক্ষেত্ৰত আটাইতকৈ বেছি কিয়?

তত্ৰাচ, এপিনে জীয়াই থকাৰ লালসা আৰু আনপিনে এই নিৰ্বোধ জীয়াই থকাৰ চক্ৰৰপৰা নিজকে বাহিৰ কৰাৰ লালসা। অৱশ্যে, দুয়োটা লালসা হ'লেও দুয়োটাৰে উদ্দেশ্য বেলেগ আৰু বিপৰীত। আপুনি ক'ব পাৰে জীয়াই থকাৰ লালসা সকলো মানুহৰে আছে। কিন্তু জীয়াই থকাৰ লালসা-চক্ৰৰপৰা নিজকে বাহিৰ কৰাৰ লালসাক জানো লালসা ক'ব পাৰি? সেই লালসা কিছুমান অস্বাভাৱিক চৰিত্ৰৰ মানুহৰ থাকে— যিবিলাকে সৃষ্টিৰ আদিৰেপৰা এতিয়ালৈকে প্ৰত্যেকখন দেশতে জন্ম লৈ আহিছে। প্ৰশ্ন উঠে—জীয়াই থকাৰ আটাইতকৈ বেছি লালসা থকা মানুহে সেই মানুহবোৰক বেছিকৈ পূজা কৰে কিয়?

ডাঙৰীয়া, আপুনি কথা কৈ থাকোঁতে আপোনাৰ মাতটো মোৰ কাণত জোচেফৰ মাত যেন লাগিছিল। জোচেফৰ লগত মোৰ নিকট সম্বন্ধ থকাৰ কাৰণেই তেনে লাগিছে নেকি? যেতিয়া জীৱন কঠিন হয়, ভোগৰ মাধ্যম সীমিত আৰু কিছুমান

মানুহৰ কাৰণে নিৰাপদ হয় ; তেতিয়া ভোগ ত্যাগ কৰাটো এটা সাহসৰ কাম হয় আৰু ভোগী আৰু দৰিদ্ৰ দুয়োকে পাক-ঘূৰণি খুৱাব পাৰি। কিন্তু যিদিনা জীয়াই থকাৰ মজা সকলোৱে পাব আৰু অন্ন আৰু জ্ঞানক সমানে ভগাই দিয়া হ'ব ; সেইদিনা জীৱনৰ পাক-ঘূৰণি সঁচা-সঁচিকৈ পাক-ঘূৰণি হ'ব। তেতিয়া তাৰপৰা নিষ্কৃতি পাবৰ পুৰুষাৰ্থ আহিব ক'ৰপৰা? যেতিয়া পৃথিৱীৰ সকলো দেশ আৰু সকলো মানুহ একত্ৰ হ'ল, প্ৰকৃতিক মানুহে নিয়ন্ত্ৰণলৈ আনিলে, মহাকাশত মানুহে নিজৰ চোতালত থকাৰ নিচিনা থাকিবলৈ ল'লে, যেতিয়া প্ৰয়োজন হয় কেঁচুৱা পৰীক্ষা নলীয়েদি ভূমিস্থ হ'বলৈ ধৰিলে আৰু ব্ৰহ্মাস্ত্ৰও ছুৰী-কটাৰীৰ নিচিনাকৈ মানুহৰ জেপত থকা হ'ল, ধৰ্ম আৰু আধ্যাত্মিক চিন্তাৰ কাৰণে মানুহৰ আৰু কি থাকিল? আপুনি দেখা নাইনে আমি কেতিয়াবা ভুল কাম কৰিলে প্ৰথমতে তাক বুদ্ধিৰে যুক্তিযুক্তি কৰিবলৈ চেষ্টা কৰোঁ? তাক নৈতিক জ্ঞান নুবুলিনো কি বুলি ক'ম? ধৰ্ম বুদ্ধি নহয়নো আন কি হ'ব? যি কাম কৰিবলৈ মোৰ লাজ লাগে সেই কাম কৰিমেই বা কিয়? মোৰ মতে, যি স্থূলত বুদ্ধিৰদ্বাৰা ইমানবোৰ কাম হয়, ধৰ্ম-নিৰপেক্ষ বুদ্ধিৰদ্বাৰা এই সামাজিক নৈতিকতাও বাহিৰ হ'ব—যি তাক তাৰ সকলো পৰাক্ৰমৰ সুফল ভোগ কৰিবলৈ যোগ্য কৰি তুলিব।

ডাঙৰীয়া, আচল সঁচা কথাটো হ'ল—বুদ্ধিক নৈতিক আচৰণ কৰিবলৈ ধাৰ্মিক আৰু আধ্যাত্মিক দৰ্শনৰ মাজলৈ টনাৰ আৱশ্যক নাই। হয়তো একালত তাৰ আৱশ্যক আছিল কিন্তু এতিয়া ইমান প্ৰগতিৰ পিছত তাৰ আৱশ্যক কি? অতি বেছি সেইবোৰে পুৰাতাত্ত্বিক আৰু নৃতাত্ত্বিক আৱশ্যকতা পূৰা কৰিব পাৰে। নহয় জানো? আপুনি দেখি আছে—বেচেৰী প্ৰকৃতিক ডেৰশ-দুশ বছৰ লুট কৰাৰ পিছত লুট কৰোঁতাবিলাকৰ মনলৈ পৰ্যাবৰণৰ দুঃশ্চিন্তা আহিছে। সেই দুশ্চিন্তা মনলৈ কেনেকৈ আহিবলৈ পালে? মানুহৰ বুদ্ধিত নৈতিকতাৰ গন্ধ নথকাৰ কাৰণেইতো। এই পৰ্যাৱৰণৰ চিন্তাও নৃতত্ত্বৰ নিচিনাই এখন শাস্ত্ৰ নহয় জানো? বলাৎকাৰৰপৰাইতো জ্ঞানৰ জন্ম হৈছে। আত্মজ্ঞান আৰু অন্ধবিশ্বাসৰ মাজত থকা ৰেখাডাল ইমান সৰু আৰু মিহি যে ইটোৱে সিটোৰ ঠাই গ্ৰহণ কৰিলে আপুনি গমেই নাপাব। আপুনি পৰ্বতক স্তনযুক্তা গিৰিমালা আৰু বস্ত্ৰধাৰিণী পৃথিৱীক আৰাধনা কৰি থাকক আৰু দুয়োৰেপৰা ক্ষমা ভিক্ষা কৰি থাকক। তাৰপৰা কি লাভ হ'ব আপোনাৰ—যাক আপুনি তথাকথিত আত্মজ্ঞান বুলি ক'ব। এপিনে আপুনি ক্ষমা বিচাৰি থাকক আৰু আনপিনে সেই দিগ্বিজয়ী জ্ঞানে আপোনাৰ ভৰিৰ তলত পৃথিৱীকো থাকিবলৈ নিদিব। ডাঙৰীয়া, পৃথিৱীয়ে লাখবাৰ ক্ষমা কৰিলে তাৰ উত্তৰ ইতিহাসে দিব। দিগ্বিজয় ইতিহাসৰ। তাৰ ওচৰত ক্ষমা বিচাৰক, তাক পূৰা কৰক আৰু পৃথিৱীৰ কুশল কামনা কৰক। সংস্কৃতিক ধ্বংস কৰিতো আমি সাংস্কৃতিক আৱিষ্কাৰ আৰু বিস্তাৰ কৰিব পাৰোঁ। প্ৰকৃতিক ধ্বংস কৰিহে আমি প্ৰকৃতিৰ লগত থাকিবলৈ শিকিছোঁ। তেনে ধৰণে, এই সমাজ নামৰ বস্তুটোকো বুজিবলৈ চেষ্টা কৰক আৰু অৰ্থহীন চিন্তা-ভাবনাবোৰ ত্যাগ কৰক। যেতিয়া এই সমাজে জয়যুক্ত ইতিহাসক পৰিৱৰ্তন কৰিবলৈ প্ৰয়াস কৰে তেতিয়া দুয়োৰে মাজত সংঘৰ্ষ হোৱাটো

স্বাভাৱিক আৰু লগতে দুয়োৰে সমৰ্থনকাৰীবিলাকৰ মাজত তৰ্ক-বিতৰ্ক আৰম্ভ হোৱাটোও স্বাভাৱিক। গতিকে কৰকচোন সেই তৰ্কৰ আঁতিগুৰিৰ অনুসন্ধান আৰু যুগুত কৰক তাৰ এখন শাস্ত্ৰ। তেন্তে গোটেই মানৱ সমাজখন মাত্ৰ এখন সমাজ বুলি পৰিগণিত হোৱাত পলম কিয়? আপোনাৰ ওচৰত এখন তুলনামূলক ভাষা-শাস্ত্ৰ, এখন তুলনামূলক কাহিনী-শাস্ত্ৰ আৰু এখন তুলনাত্মক ধৰ্ম শাস্ত্ৰ আছে আৰু এই তিনিওখন শাস্ত্ৰৰ ওপৰত এখন অতুলনীয় অৰ্থশাস্ত্ৰ আছে—যি সমস্ত জীৱন-দৰ্শনক পঙ্গু বুলি প্ৰমাণ কৰিছে। তেন্তে কি কথাৰ কাৰণে পলম আৰু দোধোৰ-মোধোৰ?

ডাঙৰীয়া, বৰ আচৰিত কথা যে এতিয়ালৈকে বিজ্ঞানে মৃত্যুৰ সমস্যাৰ মীমাংসা বাহিৰ কৰিব পৰা নাই। এইটো দৃশ্যও বৰ বেদনাদায়ক আৰু কোনোমতেই বুজিব নোৱৰা যে এপিনে মানুহে মহাকাশত বিচৰণ কৰিছে আৰু আনপিনে ধৰ্মৰ নামত ভিন্ন ভিন্ন সম্প্ৰদায় বাহিৰ কৰিছে। ধৰ্ম-উন্মাদনাত মানুহ মতলীয়া হৈ পৰিছে আৰু যিডোখৰ ঠাইত ধৰ্ম আৰু ৰাজনীতিক একেলগ কৰাৰ চেষ্টা আৰম্ভ হৈছিল, সেইডোখৰ ঠাইতে বাব্বৰ খালচা, ভিন্দেৰাৱালা আৰু অন্যান্য সাম্প্ৰদায়িক দলবোৰে মূৰ দাঙি উঠিছিল।

ডাঙৰীয়া, বাইবেলত লিখা আছে ঈশ্বৰৰ প্ৰতি ভয় বুদ্ধিৰ আৰম্ভণি। কিমান সঁচা কথা! তাৰ অৰ্থ এইটো নহয় যে সেইটো আৰম্ভহে, অন্ত নহয়। গতিকে ইয়াৰপৰা এইটোৱেই হয় যে যিবিলাক মানুহৰ বুদ্ধিৰ বিকাশ হৈ গৈ থাকে, তেওঁলোকৰ ভয়ো কম হৈ গৈ থাকে আৰু যেতিয়া বুদ্ধিয়ে তাৰ চৰম অৱস্থাত উপস্থিত হয় তেতিয়া ভয় একেবাৰে নাইকিয়া হয় আৰু পৰমেশ্বৰত লীন হ'লেও সেই ক্ষমতা অটুট থাকে। কিমান যুক্তিপূৰ্ণ কথা। কিন্তু আমাৰ জোচেফৰ মতে, সেইটো অৰ্থৰ অৰ্থহে আৰু বাইবেলৰ সেই বচনৰ সেইটো উদ্দেশ্য কেতিয়াও নহয়। যোৱা কালি ষ্টেচনৰ প্লেটফৰ্মত আমাৰ যি আলোচনা হৈছিল, তাৰ আৰম্ভণিতো তাৰপৰাই হৈছিল। মোৰ প্ৰিয়বন্ধু জোচেফে মোৰ নিঃসঙ্গবাস কেনেকৈ ভঙ্গ কৰিছিল তিনি দিন আৰু তিনি ৰাতি মই কিমান সুখী আছিলোঁ, সেই কথা আপোনাক আগতেই কৈছিলোঁ। আমাৰ আলোচনা তেজস্বী আৰু সজীৱ আছিল। কিন্তু তাৰ লগত নিজকে লিপ্ত ৰাখি আৰু টোপনি ক্ষতি কৰি মই তাৰ স্মৰণচিহ্ন তৈয়াৰ কৰিম কিয়? আপুনি ভাবি চাওক কেনেকৈ মই এমাহ ধৰি ভূগৰ্ভত থকাৰ দৰে নিৰুদ্দেশ হৈ আছিলোঁ আৰু কেনেকৈ মই জোচেফে মোক দেখোঁতে এটা ভোকাতুৰ কুকুৰে হাড় এডাল চোবোৱাত মগ্ন হৈ থকাৰ দৰে ময়ো লক্ষ্যহীন কামত মগ্ন আছিলোঁ। তেতিয়া জোচেফৰ লগত মোৰ কোনো ঘনিষ্ঠতা নাছিল। এতিয়া মই যি এটা অসাধাৰণ আৰু অস্বাভাৱিক পৰিৱেশত আছোঁ—নিজে ইচ্ছা কৰিয়েই আছোঁ আৰু তাৰেই উৎসৱ পালন কৰিছোঁ। ইয়াৰপৰা উদ্ভৱ হোৱা পৰিণতিক আপুনি 'সংবাদ' বা 'বিবাদ' যি ইচ্ছা তাকে ক'ব পাৰে। নিজৰ ভিত্তি ত্যাগ কৰি বিভ্ৰান্তৰ দৰে মই যে আপোনাৰ ওচৰত ইমানখিনি সময় কটালোঁ, তাৰ আচল কাৰণ কি আপুনি নিশ্চয় ঠাৱৰ কৰিব পাৰিছে। কাৰণ হ'ল— সেই জোচেফ কসেপাট্ৰা যি মোৰ যজ্ঞ ধ্বংস কৰিলে আৰু যাৰ ইমান ডাঙৰ অপকাৰৰ বিনিময়ত মই তেওঁৰ

ওচৰত ইমান কৃতজ্ঞ যে তেওঁৰ ঘৰৰ দুৱাৰত ওলমি থকা বন্ধ তলাটো মোৰ মুখখন বন্ধ কৰি তাত মাৰি থোৱা তলাটোৰ নিচিনা লাগিছে আৰু মই চকুৰে ধুঁৱলী-কুঁৱলী দেখিছোঁ। এনেয়ে মই তাৰ স্মৰণ চিহ্নো আপোনাক কি দেখুৱাম? দেখুৱালে মনত আনন্দতকৈ বেছি দুঃখহে পাম। এতিয়া অনুতাপ কৰিছোঁ— মই তেওঁৰ লগত গোৱালৈ নগ'লোঁ কিয়? কিন্তু যোৱাহেঁতেন আপোনাৰ লগত যি চুক্তি কৰিলোঁ তাৰ কি হ'লহেঁতেন? যি কি নহওক, আপুনি অলপ বিশ্ৰাম কৰক আৰু ময়ো অলপপৰ শুই লওঁ। তাৰ পিছত কাহিনীটো বঢ়াই নিবলৈ চেষ্টা কৰিম ; জয় হিন্দ।

সহানুভূতিশীল ঋক্ষৰ কাৰণে

বৰ আনন্দৰ কথা যে আপুনি সাৰ পাই আছে আৰু কথা কৈ আছে। বিশ্বাস কৰক যিমানপৰ আপুনি অচেতন হৈ পৰি আছিল ময়ো আপোনাৰ দৰে অসাৰ হৈ পৰি আছিলোঁ। কিন্তু যেতিয়াই আপুনি লৰচৰ কৰিবলৈ আৰম্ভ কৰিলে আৰু আপোনাৰ মুখৰপৰা কথা ওলাল, মই ধৰ্‌ফৰ্‌কৈ উঠি বহিলোঁ যেন মোক কোনোবাই ঠেলা মাৰি জগাই দিলে। ডাঙৰীয়া, নিজকে চম্ভালি ল'বলৈ মোক এক মিনিট সময় দিয়ক। মই বিমোৰত পৰিছোঁ। মই আপোনাৰ কৌতূহল দূৰ কৰিম আৰু অনুৰোধ কৰিছোঁ আপুনি যেন অলপপৰ ধৈৰ্য ধৰে। মই আপোনাৰ লগত অন্ততঃ এমাহ কটাব লাগিব। গতিকে আপুনি চিন্তিত হোৱাৰ কোনো কাৰণ নাই। আচলতে মইহে চিন্তিত হ'ব লাগে। কিন্তু আপুকি কি কাৰণত চিন্তিত হৈছে? আপুনি ভালদৰে খাই-বৈ আনন্দেৰে থাকক আৰু মোক পাহৰি যাওক। ঘড়ীৰ সকলো সময় আপোনাৰ সেৱাৰ কাৰণে ৰৈ আছে। নহয় জানো? তেন্তে আগ বাঢ়ক।

'মই কোন?' আপুনি সুধিছিল নহয়। ডাঙৰীয়া, মই তেৱেঁই—যাৰ হাতত মাত্ৰ একত্ৰিশ দিন আছে এই ভয়ংকৰ সমস্যাৰপৰা নিস্তাৰ পাবলৈ। আপুনি নিশ্চয় নাজানে সেই সমস্যাটো আহিল কেনেকৈ। ময়ো নাজানো। আচল কথা তাৰপৰা নিস্তাৰ নাপালে মই মৰিবও নোৱাৰোঁ। জীয়াই থাকিবলৈ মোৰ হাতত মাত্ৰ একত্ৰিশটা দিন আছে। আন কথাত, তাৰ পিছদিনাই মোক ফাঁচীৰ কাঠত থিয় কৰাই দিব। তাৰপৰা মই কেনেকৈ নিস্তাৰ পাম? ... নাজানো কিয় আজি মোৰ নিজৰ মাতটো শুনিবলৈ বৰ ভাল লাগিছে। ... এইটো মোৰেই মাত ... মোৰ অভিশপ্ত মাত—যাক মই প্ৰথমবাৰ শুনিছোঁ। এই মাতটো সদায় শুনি থকা মাত নহয়, এটা কৃত্ৰিম মাত—যাৰ কোনো

অৰ্থ নাই, সাৰগৰ্ভহীন ফোঁপোলা মাত। মই নিশ্চিত কৰিলোঁ—এই মাতটোক মোৰ ওচৰলৈ আহিবলৈ নিদিম। কিন্তু ই আহিল ক'ৰপৰা? মইতো অনেক বছৰ ধৰি এটা নৰ্দমাত পৰি আছিলোঁ। মই যি ভাবিছোঁ, যি কাম কৰিছোঁ—এনে লাগিছে যেন মই তাক ভবা নাই আৰু সেই কাম মই কৰা নাই, যেন সকলোবোৰ মোৰ বাহিৰতেই ঘটি আছে, যেন মোৰ ভিতৰৰ সকলো পক্ষাঘাত ৰোগত জঠৰ হ'ল। মোৰ সকলো পৰিশ্ৰম, অৰ্জন কৰা সকলো ধন-সম্পদ যেন মাটি হৈ গ'ল। মোৰ লগা নাই যেন এইটো মোৰেই জীৱন—যাক লৈ মই জীয়াই আছোঁ। মই আপোনাক ইয়াতকৈ বেছি আৰু কি ক'ম?

কেইমাহমান মই নিজকে মোৰ ঘৰৰ এটা কোঠাত কয়েদী কৰি ৰাখিছোঁ আৰু কাৰো লগত কোনো সম্পৰ্ক ৰখা নাই। আপুনি শুনি আচৰিত হ'ব সেই কেইমাহত কাৰো লগত মোৰ দেখা-সাক্ষাৎ হোৱা নাই। মানুহে ভাবিছে মই কাশ্মীৰলৈ গ'লোঁ—য'ত মোৰ কেইজনমান বন্ধু আৰু পূৰ্বৰ সহকৰ্মী থাকে। মই তেওঁলোকক কৈছিলোঁ যে মই এখন উপন্যাস লিখাত ব্যস্ত আছোঁ আৰু লিখা শেষ হ'লেই তেওঁলোকৰ ওচৰলৈ যাম। কি আছিল সেই উপন্যাসখন মই নিজেই নাজানো। মোৰ মাত্ৰ জনা আছিল যে মই তৎক্ষণাৎ কিবা এটা কৰিব লাগিব আৰু নহ'লে মৰি যাম। মই নিজৰ লগত থাকিবলৈ বিচাৰিছিলোঁ—সঁচাসঁচিকৈ সম্পূৰ্ণৰূপে নিজৰ লগত। আপুনি কেতিয়াবা কাৰোবাক এনে ধৰণে নিজৰ লগত থকা দেখিছেনে? নিশ্চয় নাই দেখা। তেন্তে মোৰ সকলো কথা আপোনাক কওঁ শুনক।

ডাঙৰীয়া, মই আৰম্ভণিৰপৰাই আৰম্ভ কৰিছোঁ। প্ৰথমে প্ৰথমে কিছুদিন মই শ্বাসৰোধ হোৱা যেন অনুভৱ কৰিছিলোঁ আৰু কেতিয়াবা কেতিয়াবা নিজকে দেখি ভয়ো খাইছিলোঁ। তাৰ পিছত লাহে লাহে সেই পৰিস্থিতিৰ পৰিৱৰ্তন হ'বলৈ ধৰিলে আৰু লগে লগে মনৰ ভাবও। তাৰ পিছত মনলৈ এটাৰ পিছত এটাকৈ অপূৰ্ব অনুভতিবোৰ আহিবলৈ ধৰিলে। সেই অনুভূতিবোৰৰ কথা শুনিলে আপুনি আচৰিত হ'ব—যেনে, সঙ্গী পোৱাৰ লালসা, বজাৰ বা পাৰ্কত ঘূৰি ফুৰাৰ আকাঙ্ক্ষা, কিতাপ আৰু আলোচনী পঢ়াৰ আকাঙক্ষা, সুন্দৰ মুখবোৰ দেখা আৰু উৎকৃষ্ট মদ পান কৰাৰ আকাঙক্ষা, আনৰ মতামত জানিবৰ উৎকণ্ঠা, ভাল গল্প আৰু উপন্যাস লিখি প্ৰকাশ কৰাৰ আকাঙক্ষা, শ্ৰেষ্ঠ লেখক, শিল্পী, গায়ক-গায়িকা আৰু অভিনেতা আৰু অভিনেত্ৰীসকলক লগ পোৱাৰ ইচ্ছা শেহত, এই সকলোবোৰ অনৰ্থক আৰু অনাৱশ্যক যেন লাগিল। মোৰ লালসা মাত্ৰ এটা অনৰ্থক আৰু লাজ লগা বস্তুৰ প্ৰতিহে হ'বলৈ ধৰিলে। অৱশ্যে সেই লালসা মাত্ৰ এসপ্তাহমানৰ কাৰণেহে আছিল। তাৰ পিছত হঠাৎ মনলৈ ইচাটি-বিচাটি ভাব আহিবলৈ ধৰিলে কিন্তু সেই ভাবটাও খন্তেকীয়া আছিল। মানৱতাবোধ এটা ডাঙৰ বস্তু। ই আপোনাক সৎ আৰু উচিত পথ দেখুওৱাৰ দৰে মোকো দেখুৱালে। ... আপুনি যে মূৰৰ ওপৰত তৰাভৰা বিশাল আকাশখন দেখিছে আচলতে সেইখন আপোনাৰ মূৰৰ ওপৰত নাই মূৰৰ ভিতৰতহে আছে। ... কেতিয়াবা আপোনাৰ মনত ওচৰে-পাঁজৰে থকা মানুহ আৰু আপোনাৰ নিজৰ প্ৰতিও এটা আচৰিত

ধৰণৰ সমতাবোধ জাগি উঠি অন্তৰত উখল-মাখল কৰিব। তেতিয়া আপোনাৰ এনে অৱস্থা হ'ব যে আপুনি ক'ত আছে ক'ব নোৱাৰিব আৰু আন্ধাৰক পোহৰ আৰু পোহৰক আন্ধাৰ দেখিব আৰু সেই মমতাবোধে আপোনাক বলিয়া কৰি তুলিব।

এদিন ৰাতিপুৱা শুই উঠি আপুনি দেখিব এটা সাধাৰণ কথাই আপোনাক ব্যতিব্যস্ত কৰি তুলিছে আৰু আপোনাৰ মনলৈ ঘোৰ আশংকা আহিছে। বস্তুবোৰ নিজৰ নিজৰ ঠাইতে আছে আৰু আপুনিও আপোনাৰ ঠাইতে আছে। আপুনি অনুভৱ কৰিব—সেই সকলোবোৰ কেৱল বঞ্চনা আছিল—আপোনাৰ ভোকাতুৰ আৰু তৃষ্ণাতুৰ ইন্দ্ৰিয়ৰদ্বাৰা এখন ইন্দ্ৰজাল ৰচনা কৰা হৈছিল—য'ত কোনো তত্ত্ব নাছিল। নহয়, অকল ইন্দ্ৰিয়ই নহয় তাৰ লগত আপোনাক ইতিকিং কৰিবলৈ আপোনাৰ বুদ্ধিও চামিল আছিল। আচলতে আপুনি কাপুৰুষ কাৰণ সৰ্বদায় আপুনি সত্যৰপৰা দূৰত থাকে। আপোনাৰ সকলো জ্ঞান চুৰা আৰু গোটেই জীৱনটো এটা তলখাপৰ প্ৰহসন। আপোনাৰ গোটেই গাটো মিছা আৰু অসত্যই ঢাকি থৈছে।

ডাঙৰীয়া, যদি আপোনাৰ এনেকুৱা অৱস্থা হয় তেন্তে আপোনাৰ মস্তিষ্কৰ ওপৰত ইয়াৰ বৰ বেয়া প্ৰতিক্ৰিয়া হ'ব। কিন্তু এটা লাভ হ'ব যদিহে আপুনি সেই অৱস্থাত নমৰে আৰু যদিহে ক'ৰবাত আপুনি সতৰ্ক থাকিব পাৰে। আচল কথা, বহু দিনৰপৰা আপোনাৰ ভিতৰত যিবোৰ বস্তু জমা হৈ আছিল, যিবোৰে আপোনাক অলপ সময়ৰ কাৰণে সতৰ্ক কৰি থৈ আঁতৰি গৈছিল, সেইবোৰ এতিয়া জাগি উঠিছে আৰু সেইবোৰে অলপ লৰচৰ কৰিছে। লৰচৰ কৰাৰ কাৰণে চিন্তা কৰাৰ কোনো কাৰণ নাই যিহেতু লৰচৰ কৰোঁতে যি শব্দ হৈছে সেইটো এটা অভ্যন্তৰীণ হাই-উৰুমিৰ বাহিৰে আন একো নহয়। সেই হাই-উৰুমি বৰ লাহে লাহে আপোনাৰ কাণত পৰিছে আৰু আপোনাৰ জীৱনত এখন নাটক আৰম্ভ হৈছে বুলি আপুনি অনুভৱ কৰিছে। অলপ পৰ বৈ সেই বিড়ম্বনাৰ প্ৰতি মনোযোগ দিয়ক ডাঙৰীয়া যে যেতিয়ালৈকে আপুনি জীৱনটোক তোষামোদ কৰি থাকিব তেতিয়ালৈকে আপোনাৰ ভাল লগা অনেক বস্তু জীৱন-পথত দেখা পাব আৰু সেইবোৰৰ প্ৰতি আকৃষ্ট হৈ জগতলৈ পিঠি দি এটা আন্ধাৰ কোঠাত সোমাই হঠাৎ নিজকে এজন ডাঙৰ অভিনেতা বুলি ভাবিবলৈ অৱকাশ পাব। তেতিয়া আপুনি হঠাতে এটা নতুন মৰ্যাদা লাভ কৰিব,—জীৱনটোক নতুন ধৰণে চিনি পাব আৰু জীৱনৰ ছিগি·যোৱা সূতাডাল জোৰা লগাবলৈ চেষ্টা কৰিব। প্ৰথমবাৰ আপোনাৰ সেই চেষ্টাটোক আগতে কেতিয়াও নোপোৱা এটা উগ্ৰস্বাদৰ নিচিনা লাগিব ; কিন্তু এই নাটকখন এৰি আপুনি নিজৰ আচল জীৱনলৈ ঘূৰি যাবলৈ আপোনাৰ মনেই নাযাব আৰু সেই কাৰণেই ঘূৰি যোৱাৰ চিন্তাই আপোনাক আতঙ্কিত কৰি তুলিব। ধৰি লওক সেইটোৱেই মানুহৰ জীৱন—যাক আপুনি জীৱন বুলি ধৰি লৈ বৰ আগ্ৰহেৰে আৰু নিৰ্লজ্জভাৱে যোৱা ত্ৰিশ বছৰ ধৰি যাপন কৰি আহিল। আচলতে, সেইটো জীৱন নাছিল, মৃত্যুহে আছিল। সেই কাৰণে, সেই সময়ছোৱা শেষ হ'বলৈ নৌপাওঁতেই আপুনি আকৌ ফাঁচীৰ কাঠত ভৰি দিয়া যেন লাগিছে। কিন্তু ফাঁচীৰ কাঠৰ ওপৰত আপোনাক কোনে তুলিব? এইখনেই আপোনাৰ মৰমৰ জগত আৰু এইটোৱেই

আপোনাৰ মৰমৰ দৈনন্দিন জীৱন। এই নিষ্ঠুৰ জগতখনত দয়া-মায়া ৰোলা কোনো বস্তু নাই। ইয়াৰ নিৰ্দিষ্ট সময় আৰু নিৰ্দিষ্ট ঠাইডোখৰে আপোনাৰ কাৰণে অপেক্ষা কৰি আছে। তাৰ বিৰুদ্ধে আপোনাৰ ক'বলগীয়া একো নাই। আপুনি তাৰপৰা নিস্তাৰ পাব নোৱাৰে কাৰণ নিস্তাৰ পোৱাৰ সকলো পথ আপুনি ইতিপূৰ্বেই নিজ হাতেৰে বন্ধ কৰি দিলে। এইখনতো এনেকুৱা এখন দ্বন্দ্ব-যুদ্ধ যাক আপোনাৰ সিদ্ধান্ত মতে আপোনাৰ ওপৰত জাপি দিয়া হৈছে। সেই কাৰণেইতো তাৰ কথা মনত পৰাৰ লগে লগে টোপনিত লালকাল হৈ থকা সত্ত্বেও আপুনি এটা নিগনিৰ নিচিনাকৈ চিঁচিয়াই উঠে।

বৰ আনন্দৰ কথা নহয় জানো? এজন সৎ প্ৰফেচাৰক এমাহ ধৰি আপোনাৰ কোঠাত বন্ধ কৰি ৰখাতকৈ বেছি মজা আৰু আনন্দৰ কথা কি হ'ব পাৰে? হয় ডাঙৰীয়া, গৰমৰ বন্ধৰ কাৰণে এই চুবুৰীটোৰ প্ৰায় সকলো মানুহ আঁতৰলৈ যোৱাত চুবুৰীটো খালি হৈ গৈছে। ... সেই কোঠাটোত পিছ ফালৰ চোতালৰ পিনে খুলিব পৰা মাত্ৰ এখন খিড়িকী আছে। প্ৰধান দুৱাৰখনত তলা লগোৱা আছে। সপ্তাহটোত কেৱল এবাৰ নে দুবাৰ মই ৰাতি চুপচাপ গৈ তাত সোমাই বাথৰুমৰপৰা ওলাই ৰাস্তালৈ আহি ঘূৰি ফুৰোঁ—য'ত কোনো চিনাকি মানুহক লগ পোৱাৰ কোনো সম্ভাৱনা নাই। সপ্তাহবোৰ তেনেকৈয়ে কটাই দিওঁ। ইয়াতকৈ বেছি বিলাসিতা আৰু কি হ'ব পাৰে? মোৰ ওপৰত আপোনাৰ ঈৰ্ষা হৈছেনে কি? হঁহক ডাঙৰীয়া, হঁহক, মোৰ ওপৰত তাৰ কোনো প্ৰতিক্ৰিয়া নহয়। আচল কথা, প্ৰতিক্ৰিয়া হয়, কাৰণ আপুনিয়েই মোৰ পাদুৰী আৰু আপুনিয়েই মোৰ ন্যায়াধীশ। মোৰ মোকৰ্দমাৰ ৰায় আপুনি কি ধৰণে দিব তাক জানিবৰ মোৰ জানো পূৰা অধিকাৰ নাই? মই আপোনাক ইঁহুৱাবলৈও অহা নাই আৰু কন্দুৱালৈও অহা নাই। মই আহিছোঁ মাত্ৰ আপোনাৰ কল্পনা-শক্তিক জগাই তুলিবলৈ। ডাঙৰীয়া, আপুনি বিশ্বাস কৰক মই আপোনাৰ কল্পনা-শক্তিৰ ওপৰত ভাৰসা কৰিয়েই আপোনাৰ ওচৰলৈ আহিছোঁ—জানোচা ৰসাতলৰপৰা কোনোমতে মই উদ্ধাৰ পাওঁ। সেই কাৰণেইতো মই আপোনাক গৰাকী, ডাঙৰীয়া বুলি সম্বোধন কৰিছোঁ আৰু মোৰ সকলো আপোনাৰ সেৱাৰ কাৰণে অৰ্পণ কৰিছোঁ। ... আৰু আপুনিও মোক আপোনাৰ ওচৰৰপৰা আঁতৰি যাবলৈ কোৱা নাই। সেইটো আপোনাৰ উচ্চ আৰু বহল মনৰ পৰিচায়ক নহয় জানো?

কথাৰ চলতে, ডাঙৰীয়া, আপুনি কালিৰ বাতৰি কাকতখন নিশ্চয় পঢ়িছে। প্ৰথম পৃষ্ঠাতে এটা সচিত্ৰ কাহিনী ছপা কৰিছে য'ত এটা পৰিয়ালক যোৱা পোন্ধৰ বছৰ ধৰি গিৰ্মিটিয়া কৰি ৰাখিছিল আৰু বাহিৰলৈ ওলাবলৈ নিদিছিল। সেই পৰিয়ালটোক এজন সংসদ সদস্যই কেনেকৈ উদ্ধাৰ কৰিলে তাৰ সকলো বৃত্তান্ত বাতৰি কাকতখনত প্ৰকাশ কৰিছে। কাকতখনত তেওঁলোকৰ ফটোও প্ৰকাশ কৰিছে। মই আপোনাক কি ক'ম—সেই পৰিয়ালটোৰ প্ৰধান মানুহজনৰ মুখখন হুবহু মোৰ দেউতাৰ নিচিনা। ফটোখন দেখি মোৰ গোটেই শৰীৰটো বতাহত আগলি কলপাত কঁপাৰ দৰে কঁপিবলৈ ধৰিলে, মোৰ হৃদ্‌যন্ত্ৰটো বন্ধ হোৱা যেন লাগিল। নাজানো মোৰ কি হ'ল ... মোৰ

সকলো বুদ্ধি নাইকিয়া হ'ল। এনেকুৱাতো মোৰ কেতিয়াও হোৱা নাছিল। অনেক পৰলৈকে মোৰ জ্ঞান নাছিল আৰু যেতিয়া মই নিজকে অলপ চম্ভালি ল'লোঁ—দেখিলোঁ মই আপোনাৰ ঘৰৰ সম্মুখত থিয় হৈ এটা পগলা মানুহৰ নিচিনাকৈ আপোনাৰ ঘৰৰ দুৱাৰত খট্‌খটাইছোঁ। ... ডাঙৰীয়া, আপুনি মোক সুধিছিল নহয় "মই কোন?" যিস্থলত মই নিজেই নাজানো 'মই কোন, আপোনাক বাৰু কি উত্তৰ দিলোঁহেঁতেন। অৱশ্যে এতিয়া মই জানিব পাৰিছোঁ 'মই কোন'। মই চাকৰ ডাঙৰীয়া, চাকৰ। আৰু এই সাধাৰণ কথাটো জানিবলৈ মোৰ ইমান বছৰ কিয় লাগিল ভাবি আপোনাৰ নিচিনাকৈ ময়ো আচৰিত হৈছোঁ। ... ইমানখিনি তো আপুনি নিশ্চয় জানিছে—এটা চাকৰতকৈ বেছি আন কোনেও সপোনত দেখিব নোৱাৰে। এনেয়ে, আপুনি হয়তো অনেক চাকৰৰ কাহিনী শুনিছে—য'ত চাকৰে এনে অদ্ভুত কাম কৰি দেখুৱায় যি কাম তাৰ মালিকে কৰিব নোৱাৰে। আপুনি হনুমানৰ কথা নিশ্চয় জানে যি জাঁপ মাৰি সমুদ্ৰ পাৰ হৈছিল। জানেনে সেই চাকৰৰো চাকৰে কেনেকৈ সেই অদ্ভুত পৰাক্ৰম দেখুৱাইছিল? উত্তৰটো একেবাৰে সহজ ডাঙৰীয়া। হনুমানৰ সেই অসাধাৰণ কামটোৰ অন্তৰালত আছিল জাম্বৱন্ত নামৰ এটা বুঢ়া ভালুক। সেই অসাধাৰণ কামটো কৰাৰ আগতে হনুমান অন্যান্য বান্দৰবোৰৰ মাজতে এটা সাধাৰণ বান্দৰৰ নিচিনাকৈ বহি আছিল আৰু যেতিয়া জাম্বৱন্তই হনুমানক 'তই কোন' বুলি সুধিলে, তেতিয়া হনুমানে একে জাঁপেই সাগৰ পাৰ হৈ জাম্বৱন্তৰ প্ৰশ্নৰ উত্তৰ দিলে। ডাঙৰীয়া, আপুনি অসন্তুষ্ট হৈছে নেকি? কওকচোন এইটো সম্ভৱ নহয় জানো—আপোনাৰ সেৱক আপোনাৰ সন্মুখত বহি আছে—যাৰ অন্তৰখন এটা বান্দৰৰ দৰেই সবল আৰু যি এটা অচিনাকি সহানুভূতিশীল ভালুকৰ কাৰণে অনেক বছৰ ধৰি অপেক্ষা কৰি আছে? ডাঙৰীয়া, কোনে জানে তাৰ সেই দীৰ্ঘ কালৰ অপেক্ষা সাৰ্থক হৈছে আৰু মহাত্মা ভালুক ঠিক এই সময়ত ডাঙৰীয়াৰ বেশত মোৰ সম্মুখত বহি আছে। কিয় বাৰু? আপুনি কি বুলি ভাবে?

দ্বিতীয় পৰ্ব

সত্যনাৰায়ণৰ কথা

টাম্‌টাৰ অৰ্থ

ডঃ কে. এল. তামতা, ফেল’ অব্ ইন্টানেচনেল চোচাইটী অব্ এন্থ্ৰপলজিষ্টচ্ ... ওৰফে কুন্দন টাম্‌টা কন্দ নাৰায়ণলাল টম্‌টা, মৌজা ডুমৌড়া, জিলা অনন্তপুৰ।

যেনেকৈ নিজৰ নাম আৰু ৰূপ ত্যাগ কৰি নদী সমুদ্ৰত লীন হয় তেনেকৈ নিজৰ নাম আৰু ৰূপ-বন্ধনৰপৰা মুক্ত হৈ জ্ঞানী পুৰুষ শ্ৰেষ্ঠতম দিব্য পুৰুষত লীন হয়।

একেৰাহে বৈ যোৱা নদীৰ পানীৰে ভৰপূৰ সাগৰ যেনেকৈ অচল আৰু অটল হৈ থাকে, তেনেকৈ দিব্য পুৰুষত সকলো কামনা আৰু বাসনা সঁপি দিয়া মানুহে যি শান্তি পায়, সেই শান্তি কামনা আৰু বাসনাৰ পিছত দৌৰি ফুৰা মানুহে কেতিয়াও নাপায়।

সেই তত্ত্বৰ আপোন আৰু পৰ, স্থূল আৰু সূক্ষ্মৰ জ্ঞান লাভ কৰাৰ পিছতহে মানুহৰ হৃদয়ৰ গাঁঠি খুলি যায় আৰু সকলো সংশয় দূৰ হোৱাৰ পিছত সকলো কৰ্মৰ ক্ষয় হয়।

“ঠ মানে ঠঠাৰি। চাৰ, ঠঠাৰি মানে কি?”

“টাম্‌টা অৰ্থ তোৰ উপাধিটোৰ মানে কি জাননে? হেৰ’ তই কেনেকুৱা টাম্‌টা— যি টাম্‌টাৰ মানে কি নাজান? কোন আছ কচোন ইয়াক টাম্‌টা মানে কি।”

“যি পিতলৰ কাঁহী-বাটি তৈয়াৰ কৰে তেওঁলোকক ঠঠাৰি কয়।”

“ক মানে কুন্দন। ঠ মানে ঠঠাৰি।”

“চাৰ, সোণৰ কাম কৰা মানুহক ‘সোণাৰি’ আৰু লোহাৰ কাম কৰা মানুহক ‘লোহাৰ’ কয়। তেনেহ’লে তামৰ কাম কৰা মানুহক ‘তামাৰ কিয় নকয়?”

... বহ, বেল্‌বেলনি বন্ধ কৰ। ইয়াৰ পিছত তই সুধিবি তামৰ কাম কৰা মানুহক টাম্‌টা কয় যদি চামড়াৰ কাম কৰা মানুহক চামচা কিয় নকয়। তই কাৰ ল’ৰা অ’?”

“চাৰ, মোৰ দেউতা উকীল।”

“অ’ সেই কাৰণেই। তয়ো গাধ, তয়ো উকীল হ’বি যেন পাইছোঁ। ... যি কি নহওক, এতিয়া ‘ড’ লৈ আহ। তই এতিয়া কি লিখিছ? চাওঁ, শ্লেটখন লৈ মোৰ ওচৰলৈ আনচোন।”

ঠঠাৰি ওৰফে কুন্দন থিয় হ'ল আৰু আহি সি শ্লেটখন মাষ্টৰক দেখুৱালে। মাষ্টৰে উচ্চস্বৰে পঢ়ি গ'ল—'ঠ মানে ঠঠাৰি মানে ঠগ, মানে ঠাকুৰ, মানে ঠঠ্ঠা, মানে ঠোকৰ মানে ঠাঠ, মানে ঠন্‌ঠন্, মানে ঠচাঠচ্ মানে ঠিঠোলী, মানে ... ঠেঙ্গা .. চাব্বাচ্। শুনিছ্ ল'ৰাহঁত? কুন্দনে কিমান শব্দ জানে। তহঁতৰ দেউতাৰহঁতেও নাজানে। হেৰ', তোক ইমানবোৰ শব্দ কোনে শিকালে?"

"চাৰ, দেউতাই।" কুন্দনে বুকু ফিন্দাই তাক 'ঠঠাৰি' বুলি কোৱা ল'ৰাবোৰলৈ চালে। কিন্তু 'ঠ'ৰ পিছত 'ড' আহিব, তেতিয়া? তাৰ আগদিনা সেই ল'ৰাবোৰে তাক ডুম (ডোম) বুলি কৈছিল। কথাষাৰ মনত পৰাৰ লগে লগে কুন্দনৰ উজ্জ্বল মুখখন নিষ্প্ৰভ হ'ল।

ৰামদাস মাষ্টৰে কুন্দনৰ মুখখনৰ পৰিৱৰ্তন লক্ষ্য কৰিলে আৰু লৰালৰিকৈ সুধিলে, "তোৰ দেউতাৰে আগতে কি কৰিছিল?"

"তেওঁ মৌজাদাৰ আছিল। এতিয়া নহয়।" কুন্দনে বেজাৰেৰে ক'লে। তাৰ কথা শুনি মাষ্টৰে মিচিকিয়া হাঁহি এটা মাৰি ক'লে, "হেৰ' তই নৰেনৰ ল'ৰা নহয় জানো? তোৰ দেউতাৰক মই ভালদৰে জানো। তোৰ দেউতাৰে মৌজাদাৰৰ পদটো কিয় এৰি দিলে তই জাননে? ... নিশ্চয় নাজান। দেউতাৰক সুধিবি। এতিয়া বহ আৰু 'ড' বাহিৰ কৰ। 'ড'ৰপৰা ডমৰু।"

কুন্দনৰ বুকুখন টিপ্‌টিপাবলৈ ধৰিলে। 'ড'ৰপৰা ডমৰু বাহিৰ হ'ল যেতিয়া 'ডুম' বাহিৰ হ'বলৈ আৰু নো কিমান পৰ, লাগিছে? যিদিনা সি স্কুলত নাম লগালে তেতিয়াৰপৰা তাক ল'ৰাবোৰে 'ডোম' বুলি দূৰৰপৰা সম্বোধন কৰি তিৰস্কাৰ নকৰাকৈ এটা দিনো বাদ যোৱা নাই। কুন্দনে দেউতাকৰ কথা সমৰ্থন নকৰে। তেওঁ কয়— "তোৰ খং উঠে কিয়? বকিবলৈ দে সিহঁতক কি বকে। সেইবোৰলৈ কাণ নিদিবি। তই সিহঁতৰ কথাৰ মূল্য নিদিলে দেখিবি সিহঁতে তোক বিৰক্ত কৰিবলৈ এৰি দিছে।"

তললৈ মূৰটো কৰি কুন্দনে 'ড'টো পাৰ হৈ যাবলৈ অপেক্ষা কৰি থাকিল। ভয়ত কুন্দনে ড আখৰৰ এটা শব্দও শ্লেটত লিখিব নোৱাৰিলে অথচ অনেক শব্দ যেনে—ডৰ, ডণ্ডা, ডবলৰোটী, ডাহ, ডঙক, ডাকু ... ডৰপোক আদিয়ে তাক অস্থিৰ কৰি তুলিলে।

"চাৰ, মই ক'মনে?" পূৰণ পাণ্ডে নামৰ ল'ৰা এটাই চিঞৰি উঠিল।

কুন্দনৰ চকু দুটা আন্ধাৰে ছাটি পেলালে। ভয়ত তাৰ বুকুখন টিপ্‌টিপাবলৈ ধৰিলে।

"চাৰ, ড মানে ডুমৌড়া", পাণ্ডেই চিঞৰি উঠিল।

"ডুমৌড়া মানে?" মাষ্টৰে সুধিলে।

"ডুমৌড়া— য'ত ডোম বাস কৰে।'

শ্ৰেণীত হাঁহিৰ ৰোল উঠিল। কেনেকুৱা চাৰ যি ডুমৌড়াৰ মানে সুধিছে।

"চাৰ, কুন্দনে কান্দিছে।"

"তোৰ কি হ'ল কুন্দন, কান্দিছ কিয়?" মাষ্টৰে সুধিলে। কিয় কান্দিছে কুন্দনে

মাষ্টৰক কেনেকৈ ক'ব। সি আৰু জোৰেৰে কান্দিবলৈ ধৰিলে।

"হেৰ' কচোন মই কি সুধিছোঁ, তাকে নকৈ কান্দিয়েই থাকিবিনেকি?" কিন্তু কুন্দনৰ ওপৰত নহয় পাণ্ডেৰ ওপৰত মাষ্টৰৰ বৰ খং উঠিল। তেওঁ উঠি গৈ পাণ্ডেৰ কাণ এখনত ধৰি খঙেৰে ক'লে, "আকৌ এবাৰ কচোন—'ড মানে ডুমৌড়া'। তই মোক হিন্দী শিকাবলৈ আহিছ? তোৰ ঘৰ ক'ত?"

"পাণ্ডেপুৰত," পূৰণে ভয়ে ভয়ে উত্তৰ দিলে। মাষ্টৰে তাৰ কাণখন এৰি দি জোৰেৰে গালত চৰ এটা মাৰি ধমকিৰ সুৰত ক'লে, "ওলাই যা তই মোৰ ক্লাচৰ-পৰা ..."

তেতিয়াও কুন্দনৰ উচুপনি শুনা গৈছিল। মাষ্টৰে তাক ধমকি দিলে, "বন্ধ কৰ তোৰ উচুপনি। তই লাজ নাপাৱনে এনেকৈ কান্দিবলৈ?"

বেচেৰা কুন্দন! তাৰ গাতনো দোষ কি? সিতো ইচ্ছা কৰি কন্দা নাছিল—তাক কান্দিবলৈ বাধ্য কৰাইছিল। তাৰ দুৰ্ভাগ্য যে সি তথাকথিত তল জাতত জন্ম লৈছিল। কন্দাৰ কাৰণে সি পিছত মনে মনে বৰ লাজ পাইছিল আৰু ঘণ্টা বজাৰ লগে লগে কেতিয়া সি ক্লাচৰপৰা ওলাই যাব—তালৈ আগ্ৰহেৰে বাট চাই আছিল।

"হেৰ' গাধ, তোৰ নাম কুন্দন নহয়নে? অন্ততঃ নামটোৰ লাজ ৰক্ষা কৰিবিচোন। কুন্দন মানে কি জাননে?" কুন্দনে ভেবা লাগি মাষ্টৰৰ মুখলৈ চাই ৰ'ল। সি নিজৰ নামটোৰ অৰ্থ কি তাকো নাজানে। কিন্তু নামটো শুনিবলৈ বেয়া নালাগে। অৱশ্যে নামটোৰ লগত টাম্‌টা শব্দটো লিপিট খাই থকাৰ কাৰণে তাৰ বেয়া লাগে। যদি কুন্দন যোশী, কুন্দন সিং বা কুন্দন ৰাস্তোগী হ'লহেঁতেন কিমান ভাল হ'লহেঁতেন।

"তই ইমানবোৰ শব্দৰ অৰ্থ জান অথচ নিজৰ নামটোৰ অৰ্থ নাজান। হেৰ' মূৰ্খ, কুন্দন মানে সোণ—কেঁচা সোণ বুইছ। কেঁচা সোণ হৈও তই কান্দিছ। কেতিয়াবা আকৌ যদি কন্দা শুনো কোবাই তোৰ ছাল ছিগি দিম মনত ৰাখিবি," ৰামদত্ত মাষ্টৰে ক'লে।

ঘণ্টা বাজিল আৰু ল'ৰাবোৰ ক্লাচৰপৰা ওলাই গ'ল ; কিন্তু কুন্দন তাতে বহি থাকিল। তাক তাৰপৰা লৰচৰ নকৰা দেখি ৰামদত্ত মাষ্টৰে তাৰ পিঠিত হাতটো থৈ ক'লে, "উঠ ঘৰলৈ যা। বহি বহি কি ভাবিছ?"

তাত বহি বহি কুন্দনে হয়তো একোৱেই ভবা নাছিল। ঘৰমুৱা হৈ গৈ থাকোতে সি বাটত হয়তো কিবা ভাবিছিল। কিন্তু কি ভাবিছিল?

কালি সি কি খাইছিল, তাৰ কি হৈছিল সেইবোৰ মনত পেলোৱা তাৰ পক্ষে টান। কিন্তু আজি কি হৈছিল তাৰ সকলো মনত আছে। ডঃ কে. এল. তামতা, ফেল' অব্ ইণ্টাৰনেচনেলৰ শপত খাই ক'ব পাৰোঁ কুন্দনে কি ভাবিছিল। কুন্দনে নিশ্চয় ভাবিছিল তাৰ নামটোৰ বিষয়ে নতুনকৈ জনা মাহাত্ম্যৰ কথা আৰু লগতে টাম্‌টাৰ দীঘল নেজডাল কাটি চুটি কৰাৰ কথা যাতে তাৰপৰা তামখিনি বাহিৰ কৰি মাত্ৰ কেঁচা সোণখিনি ৰাখিব পাৰি।

সুখৰ বিষয় যে সেই সমস্যাটোৰ সমাধান সেইদিনা ৰাতিয়েই হৈ গৈছিল।

দেউতা, জিন্দাবাদ! দেউতাই ক'লে, "সোণৰ লগত অলপ তাম মিহলালে একো নহয় কাৰণ মাত্ৰ কেঁচা সোণেৰে কোনো বস্তু তৈয়াৰ কৰিব নোৱাৰি তাৰ লগত অলপ তাম মিহলাবই লাগিব। সেই বস্তুবোৰ গহনাই হওক বা চাৰিঅনীয়া মুদ্ৰাই হওক তাত তাম মিহলোৱা নিতান্ত আৱশ্যক।

কিন্তু নিজৰ সন্দেহ একেবাৰে দূৰ কৰিবৰ কাৰণে কুন্দনে দেউতাকক সুধিলে, "দেউতা সোণক সোণ কৰিয়েই ৰখাত ক্ষতি কি? তাত তাম মিহলাব লাগিবইনে? গহনা তৈয়াৰ কৰাৰ আৱশ্যকেই বা কি?"

"আৱশ্যক বোপাই, নিতান্ত আৱশ্যক। নানা ধৰণৰ মানুহ আৰু জীৱ-জন্তু আৰু ইমান গছ-গছনি পৃথিৱীলৈ আহিল ক'ৰপৰা? এইবোৰ কোনে গঢ়িলে? ঈশ্বৰে গঢ়িলে সেই কাৰণেইতো আহিল এই সকলোবোৰ। তই এতিয়া সুধিবি— 'গঢ়িবৰ কি আৱশ্যক আছিল? পৰি থাওক নিজৰ মাটি নিজৰ ওচৰত।' হেৰ' কিবা এটা উৎপন্ন কৰিবৰ কাৰণেইতো মাটিৰ প্ৰয়োজন, তাক এনেয়ে পেলাই থোৱাত লাভ কি?"

"দেউতা, ঈশ্বৰেও জানো নিজৰ মাটিৰ লগত তাম মিহলায়?"

"নিশ্চয়। তই দেখা নাইনে ঈশ্বৰে কিমান বেলেগ বেলেগ মূৰ্তি গঢ়িছে।"

"সেইটো হয়; কিন্তু মাটিৰ লগত অন্য বস্তু মিলাব কিয় লাগে?" কুন্দনে সুধিলে।

দেউতাকে সেই প্ৰশ্নটোৰ উত্তৰ নিদি মনে মনে থাকিল। এটা বস্তুক গঢ়িবলৈ আন এটা বস্তু তাৰ লগত কিয় মিলাব, সোণৰ লগত তাম কিয় মিলাব লাগে— তাৰ সঠিক উত্তৰ তেওঁৰ ওচৰত নাছিল।

কুন্দনে সেই প্ৰসঙ্গটো বাদ দি দেউতাকক সুধিলে, "তুমি মৌজাদাৰী কিয় এৰিছিলা?"

দেউতাক আশ্চৰ্য্য হ'ল— এই প্ৰশ্নটো হঠাৎ কিয় সুধিছে পুতেকে। তেওঁ ক'লে, "কুন্দন, এই প্ৰশ্নটো তই কিয় সুধিছ?"

"মোক মাষ্টৰে তোমাক সুধিবলৈ কৈছে।"

"কোন মাষ্টৰে? ৰামদত্তই?"

"ওঁ।"

"তই তেওঁকে সুধিবি, তেৱেঁই তোৰ প্ৰশ্নৰ উত্তৰ দিব।

"কিন্তু তেওঁ তোমাকহে সুধিবলৈ কৈছে।"

এইটো কি কথা? মাষ্টৰক সুধিম কিয়? যদি নোকোৱা, নালাগে ক'ব? খং কৰিছা কিয়? কিন্তু দেউতাৰতো কেতিয়াও খং নুঠে। তেন্তে?

তেন্তে তই দুই-চাৰি বছৰ অপেক্ষা কৰ। এতিয়া প্ৰশ্নটো থাকিবলৈ দে, মাত্ৰ স্কুলৰ পাঠ্যক্ৰমত মন দে। এতিয়া তই প্ৰশ্ন কৰিব নাজান। যেতিয়া সময় আহিব তেতিয়া দেখা যাব।

হ'ব বাৰু। কিন্তু আচল পাঠ্যক্ৰম সেইটোহে যাক নাৰায়ণ ৰাম টাম্‌টাই

দিনৰ পোহৰত নহয় ৰাতিৰ অন্ধকাৰতহে পঢ়ায়। তেতিয়া কোনো প্ৰশ্নৰ কথা নুঠে। তেতিয়া আহে অন্তহীন কৌতূহলেৰে ভৰপূৰ কাহিনী যি কাহিনীৰ শেষ নাই। সেয়া হ'ল কথাসৰিৎ সাগৰ আৰু সেই সাগৰত ডুব যোৱাৰ নাম হ'ল নিদ্ৰা— যি নিদ্ৰাত মানুহ জাগি থাকে আৰু নদীৰ সোঁতৰ নিচিনাকৈ গৈ থাকে। তাৰ পিছত চৰাইৰ চিঁ-চিয়নি শুনা যায় আৰু ৰাতিপুৱাৰ উদীয়মান সূৰ্যৰ পোহৰ আহি স্কুলঘৰত পৰে।

চিন্তা নকৰিবা ৰামী

আনন্দত উত্ৰাৱল হৈছে কুন্দন। স্কুলত হাফ টাইম চলি আছে। দেউতাকক সোনকালে জনোৱা উচিত। গোটেই স্কুলখনৰ ভিতৰত প্ৰথম পুৰস্কাৰ পাইছে সি। সাধাৰণ কথা নহয়।

"ইমান মিহি সূতা তোৰ বাপেৰেও কাটিব নোৱাৰে। বোধকৰোঁ তেৱেঁই তোক এনেকৈ সূতা কাটিবলৈ শিকাইছে নহয় জানো?" ৰামদত্ত মাষ্টৰে কুন্দনৰ পিঠিত ঢকিয়াই সুধিলে। তেওঁ আনন্দত ইমান জোৰেৰে ঢকিয়াইছিল যে এতিয়াও তাৰ পিঠিটো বিষাই আছে।

"তুমি নুবুজা কিয় ৰামী! ঘৰৰ দুৱাৰ মুখত থিয় হৈয়েই কুন্দনে কোঠাৰ ভিতৰত দেউতাকে মাকক কোৱা শুনিলে। দুয়ো কথা-বতৰা পাতি আছিল। মাক-দেউতাকৰ কথা-বতৰাবোৰ শুনিবলৈ ভাল লাগে কুন্দনৰ। সি দুৱাৰমুখতে থিয় হৈ মনে মনে তেওঁলোকৰ কথাবোৰ শুনি থাকিল।

"যতঁৰত সূতা কাটিলেই পেট ভৰিব জানো?" মাকে সুধিলে।

"নিশ্চয় ভৰিব; কিন্তু তোমাৰ নহয়। সূতা কটা কামটো তেওঁলোকৰ কাৰণেহে যাৰ কেতিয়াও পেট নভৰে, বুইছা।"

"হ'ল তেনেহ'লে। জুই লগাই দিম তোমাৰ সূতাকটা টাকুৰীত। বৰ পেট ভৰাওঁতা আহিছে!"

"কি ক'লা? জুই লাগক টাকুৰীত? তোমাৰ মনত পৰেনে ৰামী এনেকুৱা এটা সময় আছিল যেতিয়া তুমি সূতা কাটি গোটেই দিনটো কটাই দিছিলা আৰু তুমি মোতকৈ ভাল সূতা কাটিছিলা। আৰু এতিয়া তুমি মোৰ টাকুৰীত জুই লগাইছা! তোমাৰ এই ভাব মনলৈ কেনেকৈ আহিল ৰামী? বেচেৰা টাকুৰীয়ে তোমাৰ কি ক্ষতি কৰিলে?"

"কি ক্ষতি কৰিলে সুধিছা? এই টাকুৰী যেতিয়াই ঘৰলৈ আহিল তেতিয়াৰ পৰা ঘৰখনৰ কিবা ভাল হৈছেনে? দেউতাই কৈছিল ..."

"কি কৈছিল তোমাৰ দেউতাৰাই নোকোৱা কিয়? আজিকালি তুমি দেখোন ঘনেপতি 'দেউতা, দেউতা' কৰা। তুমি এটা কাম কৰা— তুমি দেউতাৰাৰ ঘৰলৈ যোৱা আৰু মই হৰিদ্বাৰলৈ গৈ তাত মালা জপোগৈ। মান্তি আছাতো?"

"মান্তি নহম কিয়? তাৰ বাহিৰেনো আৰু আছে কি?"

কুন্দনৰ স্কুললৈ ঘূৰি আহিবৰ সময় হ'ল। সি দুৱাৰমুখত চোৰৰ নিচিনাকৈ আৰু বেছিপৰ ৰৈ থাকিব নোৱাৰে। সি বাহিৰৰপৰা মাত লগালে, "দেউতা, মই ক্লাচত প্ৰথম পুৰস্কাৰ পালোঁ। চোৱাচোন।" দেউতাকে দুৱাৰখন খুলি সুধিলে, "কিহত পুৰস্কাৰ পালি?"

"সূতা কটাত। ৰামদত্ত চাৰে কৈছে ইমান মিহি সূতা তুমিও হেনো কাটিব নোৱাৰা। কৈছিল, "তোৰ দেউতাৰে জানো তোক সূতা কাটিবলৈ শিকোৱা নাই?" মই কৈছিলোঁ, "আপুনি সঁচা কথাই কৈছে।"

"শুনিছানে ৰামী তোমাৰ ল'ৰাই কি কৈছে? এতিয়া কোৱাচোন মোৰ টাকুৰীত জুই লাগক।"

"পুৰস্কাৰ পালে কিনো ডাঙৰ কথাটো হ'ল যে ইমান উত্তেজিত হৈছা?" কৈয়েই কুন্দনৰ মাক পাকঘৰলৈ গ'ল।

দেউতাকে পৃথ্বীৰাজ কাপুৰৰ নিচিনাকৈ নাটকীয় সুৰত ক'লে, "চাব্বাচ কুন্দন। তই পুৰস্কাৰ পাই ঘৰখনৰ যশ বঢ়ালি। কিন্তু মাৰে ভাল পোৱা নাই। গতিকে ঘৰৰ টাকুৰী কেইটা জুইত পুৰি পেলা। নহ'লে মাৰে তোক আৰু মোক ঘৰৰপৰা বাহিৰ কৰি দিব।"

"কিয় দেউতা? মাই টাকুৰী বেয়া পাইনেকি?"

"মই কেনেকৈ জানো? মাৰক সোধ। বাৰু এটা কথা— মই যদি তোক দিনৌ তিনি ঘণ্টা সূতা কাটিবলৈ কওঁ আৰু মাৰে টাকুৰী কেইটা পুৰি পেলাবলৈ কয় তই কোনটো কৰিবি?"

কুন্দন ডাঙৰ সমস্যাত পৰিল। তাৰ মুখৰ হাঁহি মুখতে মাৰ গ'ল। এনে সংকটত পৰিব বুলি সি কেতিয়াও ভবা নাছিল। এনেতে মাক পাকঘৰৰপৰা ওলাই আহি তাৰ সন্মুখত থিয় হ'ল আৰু দেউতাকো মাকৰ কাষতে থিয় হ'ল। কুন্দনৰ মুখখন কেহৰাজৰ নিচিনা ক'লা হ'ল। 'হে ঈশ্বৰ! মোক এই সংকটৰপৰা উদ্ধাৰ কৰা।' সি মনে মনে ক'লে।

তাক দেউতাকে উদ্ধাৰ কৰিলে। তেওঁ মাকৰ কাণত ফুচ্‌ফুচাই ক'লে, "তুমি চিন্তা নকৰিবা ৰামী। কুন্দনৰ মুখখনে কৈছে সি এতিয়াই টাকুৰী কেইটা জুইত পুৰি পেলাব।"

কংগ্ৰেছ অফিচ

কুন্দনৰ ককাদেউতাকৰ ঘৰত এদিনো বাদ নোযোৱাকৈ সদায় আড্ডা জমে। এলেকাটোৰ গণ্য-মান্য মানুহবিলাকো তালৈ কথাৰ মহলা মাৰিবলৈ যায়। কংগ্ৰেছ কমিটীৰ অফিচটো তাৰপৰা দূৰত যদিও দুষ্ট ল'ৰাবোৰে ককা-দেউতাৰ হাউলিটোক কংগ্ৰেছ অফিচ বুলি কয়। কুন্দনৰ ককাদেউতাক ওখ, শকত আৰু ব্যক্তিত্বপূৰ্ণ নেতা-শ্ৰেণীৰ মানুহ। তেওঁৰ গাৰ ৰংটো ইংৰাজৰ নিচিনা বগা আৰু গাল দুখন ৰঙা। সেই কাৰণে তেওঁক মানুহে পিছ ফালৰপৰা বিলাহী বেঙেনা বুলি কয়। অৰ্থাৎ টম্টাক 'টমেটো' কৰি পেলালে। কিমান মানুহক যে এনেদৰে উপলুঙা নাম দিছে তাৰ লেখ জোখ নাই। আচলতে এই সৰু চহৰখনৰ মানুহবিলাকৰ এনে ভাবে উপলুঙা নাম দিয়া এটা এৰিব নোৱাৰা অভ্যাস হৈ পৰিছে। দেউতাই এই অভ্যাসটো ভাল নাপায়। তেওঁ কয় এই চহৰখনৰ মানুহৰ এনে ধৰণৰ আৰু অনেক লেতেৰা অভ্যাস আছে। কুন্দনেতো শুনি আমোদ পায়। সৌভাগ্য যে দেউতাক তেনে ধৰণৰ কোনো নাম দিয়া নাই। তেওঁ কেনেকৈ বাচি গ'ল নাজানো। এনেয়ে তেওঁক কোনো কোনো মানুহে নেতা বুলি কয়। নেতা শব্দটো বেয়া শব্দ নহয়।

কুন্দনৰ মাহীয়েক কেইজনীৰ প্ৰত্যেকজনীয়েই আনজনীতকৈ চৰা। কিন্তু তাৰ মাক তেওঁলোকতকৈ কিয় বেলেগ হ'ল কুন্দনে ভাবি নাপায়। বোধকৰোঁ তাৰ দেউতাকেই তাৰ কাৰণ হ'ব হয়তো। তাৰ মাকে দেউতাকৰ লগত তৰ্ক কৰিব, কাজিয়া কৰিব কিন্তু শেহত সকলো কাম নীৰৱে সম্পাদন কৰিব। তেওঁ লিখিব-পঢ়িব নেজানে কিন্তু ওচৰ-চুবুৰীয়া কোনো মাইকী মানুহে তৰ্কত তেওঁক হৰুৱাব নোৱাৰে। কুন্দনে দেখি আৰু শুনি আচৰিত হৈ যায়। ... 'দেউতাৰ মাতটো মিঠা আৰু কোমল কিন্তু মাৰ মাতটো সিমানেই কৰ্কশ। দেউতাই মাৰ লগত কাজিয়া কৰি আৰু তেওঁক খং তোলাই আমোদ পায় আৰু অলপ সুবিধা পালেই তাক প্ৰয়োগ কৰে। কিন্তু দেউতাৰ সেই খং তোলা ভাবটো কৃত্ৰিম। তেওঁ মাক বৰ কোমলকৈ আৰু মৰমলগাকৈ মাতে। আমাৰ চুবুৰীটোত স্বামীয়ে পত্নীক ইমান কোমল আৰু মৰমলগাকৈ মতা মই শুনা নাই।

আগতে মোমাই আৰু মাহীহঁত আমাৰ ঘৰলৈ প্ৰায়েই আহিছিল; কিন্তু আজিকালি নাহে। নাহে কিয়? মাও আগতে তেওঁলোকৰ ঘৰলৈ যিমান গৈছিল, আজিকালি নাযায়। কুন্দনে জানে তেওঁলোক সকলোৱে দেউতাক নিন্দা কৰে। তাৰ কাৰণ হ'ল দেউতাই তেওঁলোকক অনুচিত সুবিধাবোৰ নিদিয়ে। অৱশ্যে তেওঁ সুৰেণ মোমাইক ভাল পায় আৰু তেৱোঁ দেউতাক শ্ৰদ্ধা কৰে। ক'ব নোৱাৰোঁ আৰু নাজানো কিয় দেউতা আৰু ককা-দেউতাৰ মাজত সদ্ভাৱ নাছিল, দুয়োৰে এটা জেদ ভাৱ আছিল। যেতিয়া দেউতাই 'লোকসত্তা' আলোচনীখন উলিয়ালে, ককাদেউতাই সেই সময়তে 'অধিকাৰ' আলোচনীখন উলিয়ালে। কিছুদিনৰ পিছত 'লোকসত্তা' বন্ধ হৈ গ'ল কিন্তু ককাদেউতাৰ

'অধিকাৰ' এতিয়াও চলি আছে। মাই কয় সেই আলোচনীখনৰ পিছত খৰচ কৰোঁতে আমাৰ সকলো পইচা নাশ হ'ল আৰু সেই কাৰণেই এতিয়া আমি দুখীয়া হ'লোঁ। মাই মোক কৈছিল তেওঁৰ দেউতাক অৰ্থাৎ মোৰ ককাদেউতাই দেউতাৰ আলোচনীখনত পইচা খটুৱাবলৈ বিচাৰিছিল কিন্তু দেউতাই অস্বীকাৰ কৰিছিল। মাই কোৱা মতে ককা-দেউতাৰ মতৰ লগত দেউতাৰ মত নিমিলিছিল। কিন্তু এতিয়াতো ককাদেউতাই দেউতাৰ নিচিনাকৈ খাদী পোছাক পিন্ধে আৰু তেওঁ কংগ্ৰেছী হ'ল। মাই কয় দেউতা গান্ধীজীৰ ভক্ত আৰু ককাদেউতাই গান্ধীজীৰ সকলো মত সমৰ্থন নকৰে, তেওঁক ভাল নাপায়। কিয় ভাল নাপায়? ভাল নাপায় এই কাৰণেই যে গান্ধীজীয়ে জাত-পাত সকলো উঠাই দি পিছপৰি থকা মানুহবোৰক উন্নত কৰিবলৈ একো কৰা নাই। দেউতাক সেই কথা ক'লে তেওঁ হো হো কৰি হাঁহে আৰু কয় শহুৰ দেউতা আগতে যি ভাবে ইংৰাজৰ ভক্ত আছিল এতিয়া তেওঁ কংগ্ৰেছৰ ভক্ত। আচলতে, তেওঁ কাৰো ভক্ত নহয় মাত্ৰ নিজৰহে ভক্ত। যেতিয়াই যাৰ শাসন দেখে তেওঁ তাৰ ফলীয়া হয়। দেউতাই এই কথাবোৰ মাৰ আগতো কৈছিল আৰু যেতিয়াই কৈছিল তেতিয়াই মাই ওফোন্দ পাতিছিল। অৱশ্যে, ককাদেউতাকৰ বিৰুদ্ধে কোৱা কথাবোৰ কুন্দনৰো ভাল নালাগিছিল। এনেয়ে, মাৰ দেউতাকৰ বিৰুদ্ধে কোৱা কথাবোৰ মাক বা মাৰ সন্মুখত কোৱা উচিত নাছিল। ক'ব নোৱাৰোঁ দেউতাই কি আমোদ পাইছিল ককাদেউতাৰ বিৰুদ্ধে কৈ। কিন্তু মাও আচৰিত ধৰণৰ আছিল। এদিন ক'ব নোৱাৰোঁ ককাদেউতাই মাক কি ক'লে—তেওঁৰ কথা শুনা মাত্ৰকে মাই খঙত উগ্ৰমূৰ্তি ধাৰণ কৰিলে। এৰা, এতিয়া মোৰ মনত পৰিছে। যিদিনা দেউতাৰ আলোচনীখন বন্ধ হ'ল তেওঁ মন মাৰি ঘৰৰ এচুকত বহি আছিল। ঘৰখনৰ পৰিৱেশ এনেকুৱা আছিল যেন ঘৰত কোনোবা মৰিলহে। এনেতে ককাদেউতা আমাৰ ঘৰলৈ আহি মাক দেউতাৰ সম্বন্ধে কিবা এটা কাণে কাণে ক'লে। কোৱাৰ লগে লগে মাই এনেকুৱা ৰূপ ধাৰণ কৰিলে যেন বোমা এটাহে বিস্ফোৰণ হ'ল। মাৰ ৰূপ দেখি ককাদেউতাই ভয় খালে, লগতে ময়ো। তাৰ পিছত ঘৰত কোনোবা মৰিলে কন্দাৰ নিচিনাকৈ মাই কান্দিবলৈ ধৰিলে। ককাদেউতা তৎক্ষণাৎ আমাৰ ঘৰৰপৰা গুচি গ'ল। তাৰ পিছত মা দুমাহ ককা-দেউতাৰ ঘৰলৈ যোৱা নাছিল। মোৰ মোমাই এজনৰ বিয়া পতাত দেউতাই জোৰ কৰিহে মাক বিয়ালৈ লৈ গৈছিল। তাৰ আগতে মাক নিবলৈ সুৰেণ মোমাই দুবাৰ আহিছিল আৰু দুয়োবাৰ মাই তেওঁক ধমকি দি ঘূৰাই পঠাইছিল।

ককাদেউতাকৰ ঘৰলৈ যাবলৈ কুন্দনৰ এই কাৰণেই ভাল লাগিছিল যে তেওঁৰ ঘৰৰ ওচৰত এখন সৰু ফিল্ড আছিল— য'ত মোমায়েকহঁত আৰু তেওঁলোকৰ ল'ৰাবোৰে ক্ৰিকেট খেলিছিল আৰু কুন্দনেও সেই খেলাত যোগদান কৰিছিল। ডুমৌড়ে অৰ্থাৎ তাৰ গাঁওখনৰ ল'ৰাবোৰ যিমান লেতেৰা, হাউলি বজাৰৰ ল'ৰাবোৰৰ পোছাক সিহঁততকৈ অনেক পৰিচ্ছন্ন আছিল। তদুপৰি ডুমৌড়েত কোনো খেলপথাৰ নাছিল আৰু বজাৰত বাস কৰা ল'ৰাবোৰে গাৱঁৰ ল'ৰাবোৰক সিহঁতৰ ফিল্ডত খেলিবলৈ নিদিছিল। ডুমৌড়েৰ ল'ৰাবিলাকৰ লগত ৰাস্তাত 'কাবাডি' খেলিবলৈ কুন্দনে একেবাৰে

ভাল নাপাইছিল। ডুমৌড়ৰ ল'ৰা-ছোৱালীবোৰে খেলিবলৈ গাঁৱত এখন খেলপথাৰ তৈয়াৰ কৰিবলৈ দেউতাই বৰ চেষ্টা কৰিছিল আৰু হুমুক সিং পালনীয়ে তেওঁৰ খেতিৰ ডাঙৰ পথাৰখনৰ এটা অংশ দিবলৈকো মান্তি হৈছিল। কিন্তু পিছত কিয় অস্বীকাৰ কৰিলে ক'ব নোৱাৰি। হুকুমসিঙে প্ৰতিশ্ৰুতি ভঙ্গ কৰাত তেওঁৰ ওপৰত দেউতাৰ বৰ খং উঠিছিল আৰু হুকুমসিঙৰ দুগ্ধ পামখনৰ বিৰুদ্ধে বাতৰি কাকতত লিখিছিল। তেনেভাবে লিখাৰ বাবে দেউতাৰ ওপৰত মাৰ খং উঠিছিল। এইবোৰ কথা আলোচনী বা বাতৰি কাকতত কিয় লিখিব লাগে? দেউতাই উত্তৰ দিছিল, "কিয় নালাগে?" আলোচনী আৰু বাতৰি কাকত কিহৰ কাৰণে? সমাজৰ অসৎ মানুহবোৰৰ অসৎ কামবোৰক সকলোৰে জনাজাত কৰিবলৈকেতো। যদি বাতৰি কাকত মনে মনে থাকে, মিছা আৰু অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ মানুহক কোনে শিকাব? তোমাৰ দেউতাৰাইনে নাইবা উচ্চ জাতৰ মানুহবোৰে? মই মোৰ কাকতখন বামুণ, বৈশ্য আৰু ৰাজপুত্ৰৰ কাৰণে উলিওৱা নাছিলোঁ। বাতৰি কাকতৰ জাত নাই বুইছা, তাৰ কাম হ'ল জোৰা লগোৱা, ভঙা নহয়।" মাই উত্তৰ দিছিল, "বৰ জোৰা লগোৱাজন ওলাইছে।" মাৰ কথা শুনি দেউতাই হো হো কৰে হাঁহিছিল কাৰণ তেওঁ জানিছিল জোৰা লগোৱাৰ আচল অৰ্থটো মাই নিশ্চয় জনা নাছিল।

হাউলিগাঁৱত সকলো জাতৰ ল'ৰা খেল পথাৰত খেলিবলৈ আহে। গাঁৱৰ নিচেই কাষতে ইমান ভাল এখন খেল-পথাৰ আন ক'ত পাব; আৰু মোমাইহঁতক ডোম বুলি কোনে ক'ব? তেওঁলোক বামুণতকৈও চাফ চিকুন আৰু মাৰ্জিত। তেওঁলোক উচ্চ শিক্ষিতো। বজাৰলৈ গ'লে তেওঁলোকক পিছফালৰ পৰা 'ডোম' বুলি কোনোবাই নোকোৱা নহয় কিন্তু মুখামুখিকৈ ক'বৰ কাৰো সাহ নাই। তেন্তে যি ডোমৰ বঙলা আছে সেই ডোমে নেতাৰ মৰ্যাদা লাভ কৰে আৰু যাৰ ডিগ্ৰী আছে, তেওঁ তেতিয়াও ডোম হৈ থাকেনে? যদি এজন ডোম বৰ ডাঙৰ মানুহ হয় আৰু তেওঁক সকলো মানুহে সন্মান কৰে, তেতিয়া তেওঁ বাৰু কি হয়? কিন্তু কুন্দনৰ দেউতাকৰ বঙলাও নাই, ডিগ্ৰীও নাই। তথাপি কুন্দনে তেওঁৰ দেউতাকক মানুহে সন্মান কৰা দেখিছে।

ককা-দেউতাকৰ বৈঠকখানাটো কুন্দনৰ বৰ ভাল লাগে। তাৰ দেউতাকে বৈঠকখানাটোক ঠাট্টা কৰিবলৈ 'থিয়েটাৰ' ঘৰ নাম দিছে। অনেক দিনৰ আগতে দেউতা তালৈ গৈছিল। ভৈৰৱ মন্দিৰলৈ যোৱা বাটটো হাউলি গাঁৱেদি গৈছে আৰু সেই কাৰণে দেউতা ভৈৰৱ মন্দিৰ দৰ্শন কৰিবলৈ গ'লেই তাত সোমাই আহিছিল। কিন্তু আজিকালি একেবাৰে নাযায়। ককাদেউতাৰ ঘৰলৈ মাষ্টৰ, উকীল, দোকানী, ডাক্তৰ আৰু নেতা—সকলো ধৰণৰ মানুহ যায়। 'ৰাজপুত' আৰু 'কেশৰী'ৰ সম্পাদকতো সদায় যায়। 'ছোভিয়েত লেণ্ড' হিন্দী সম্পাদক যোশী আৰু অনাথ আশ্ৰম চলোৱা আৰু এখন দাতব্য ঔষধালয়ৰ পৃষ্ঠপোষক আৰ্য সমাজৰ স্বামীজীও মাজে মাজে যায়। আগতে তেওঁলোক সকলো আমাৰ ঘৰলৈকো আহিছিল কিন্তু আজি কালি নাহে, বাটেদি গ'লে তেওঁলোকে আনকি আমাৰ ঘৰৰ পিনে নাচায়ো। মাইতো তেওঁলোকক 'অপৱিত্ৰ' বুলি গালি পাৰে আৰু কয়, "এওঁলোক সকলোৱে গোট্‌ খাই আমাৰ কাকতখন বন্ধ

কৰালে।" তেওঁলোকে তেনে কামটো কিয় কৰিলে? দেউতাৰ লগত তেওঁলোকৰ শত্ৰুতাৰ কাৰণ কি? সেই শত্ৰুতা চিৰকাললৈ থাকি যাবনে?

ককাদেউতাৰ কাকত 'অধিকাৰ' এতিয়াও ভালদৰে চলি আছে। কিন্তু তেওঁ ডুমৌড়েলৈ আজিকালি একেবাৰে নাহে। দেউতা প্ৰত্যেকদিন গাঁওখনত এপাক মাৰেই আৰু ক'ৰবাত গেলাপচা, জাবৰ জোথৰ আদি পৰি থকা দেখিলে তেওঁ নিজেই পৰিষ্কাৰ কৰাত লাগি যায়। তেওঁক দেখি চকুৰ লাজত গাঁৱৰ আন মানুহেও তেওঁৰ লগত যোগদান কৰে। আগতে তাত এখন মদৰ দোকান আছিল। দেউতাই সেইখন বন্ধ কৰালে। চহৰৰ দুষ্ট আৰু অসৎ মানুহবোৰ তাত গোট খাইছিল। দেউতাই সিহঁতৰ অহা-যোৱা একেবাৰে বন্ধ কৰালে। তেওঁ গাঁৱত শৌচালয় বেলেগকৈ তৈয়াৰ কৰালে। তেওঁ এখন স্কুলো খুলিবলৈ চেষ্টা কৰিছিল কিন্তু কোনেও তেওঁক সহায় নকৰিলে। তথাপিও দেউতা হতাশ নহ'ল। চৰকাৰী স্কুলত কাম কৰা ৰামদত্ত মাষ্টৰ সোনকালেই অৱসৰ গ্ৰহণ কৰাৰ কথা আছিল। দেউতাই তেওঁৰ লগত পৰামৰ্শ কৰিলে— অৱসৰ গ্ৰহণ কৰিয়েই তেওঁ দেউতাই খোলা স্কুলত কাম কৰিব। মাই কয় ককা-দেউতাই এলাহাবাদত পঢ়িছিল। কিন্তু তেওঁক এলাহাবাদত পঢ়া যেন নালাগে। দেউতাই তেওঁতকৈ বেচি ভালকৈ কথা ক'ব পাৰে। তেওঁ মাত্ৰ মজলীয়া স্কুল পাচ কৰিছিল। কিন্তু তেওঁৰ যথেষ্ট জ্ঞান আছিল আৰু সেই কাৰণে বিদ্বান ৰামদত্ত মাষ্টৰে তেওঁক শ্ৰদ্ধা কৰিছিল। আজি কালি ৰামদত্ত মাষ্টৰ ককা-দেউতাৰ বৈঠকখানালৈ নাযায়। তেওঁ দেউতাক গীতা পঢ়ায়, সংস্কৃতো শিকায়।

দেউতা গান্ধী আশ্ৰমৰ অবৈতনিক সম্পাদক। সেই কাৰণেও ককাদেউতাৰ খং। তাতকৈ তেওঁৰ দোকানত বহি তেওঁৰ দোকানখন তদাৰক কৰাটো কি বেয়া আছিল? নিজৰ মানুহ, নিজৰ হাতলৈও পইচা আহিলহেঁতেন আৰু দোকানৰ অৱস্থাও ভাল হ'লহেঁতেন। বাহিৰা মানুহে টকা চুৰ কৰাৰ কাৰণে দোকানত লাভতকৈ লোকচানহে হয়। মোমাইহঁতে দোকানত বহিব নোখোজে। অৱশ্যে মা-দেউতাই ককাদেউতাৰ দোকানখন চলোৱাৰ পক্ষপাতী নাছিল। মাহীহঁতে মাক ভয় কৰিছিল। এজনী মাহীৰ বাহিৰে আন দুজনী মাহীয়েও মাক ভয় কৰিছিল। এবাৰ সৰু মাহী নন্দাৰ এখন চিঠি কুন্দনে মনে মনে এঠাইত দি আহিছিল। কথাটো পিছত মাক কোৱাত কুন্দনৰ গালত তেওঁ ভালকৈ দুটা চৰ মাৰিছিল। কুন্দন অকঁৰা— সিনো সেই কথাটো মাকক কিয় কৈছিল? কিন্তু দেউতাকে কৈছিল গোপনে কোনো কাম কৰা উচিত নহয়। সঁচা কথা কৈ দিবা, মিছা কথা কোৱা ডাঙৰ পাপ। কিন্তু কুন্দনে ভাবে এনেকুৱা সঁচা কথা কোৱাৰ লাভ কি— যাৰ ফলত সি দুটা টান চৰ খালে। সঁচা কথা ক'লে বঁটা পোৱা উচিতনে শাস্তি পোৱা উচিত? সি যি কি নহওক, তেতিয়াৰপৰা কুন্দনে মাহীয়েকৰ চিঠি দি অহা কামটো এৰি দিলে। লাভ কি— যিটো কাম কৰি ক'লেও বিপদ আৰু নক'লে পিছত ধৰা পৰিলেও বিপদ।

দেউতাৰ কথা বেলেগ। তেওঁ ককাদেউতাক সদায় দোষাৰোপ কৰিছিল। দেউতাই নন্দামাহীৰ বিয়াখন আৰ্য সমাজত কৰাইছিল। মাহীয়েতো সেই ল'ৰাটোৰ

লগত পলাই যাবলৈ স্থিৰ কৰিছিল। দেউতাই তেওঁক অনেক বুজালে। তেতিয়াৰপৰা দেউতাৰ ওপৰত ককাদেউতাৰ খং আৰু বেচি হ'ল। ককা-দেউতাই সেই ল'ৰাটো পছন্দ কৰা নাছিল। মাহীৰ কাৰণে এটা উচ্চ জাতৰ জমিদাৰৰ ল'ৰা পাইছিল। চাহাবৰ নিচিনা একেবাৰে টিপ্‌টপ্ ল'ৰা। ককাদেউতাই তেনেকুৱা ল'ৰাই বিচাৰিছিল। কিন্তু দেউতাই পছন্দ কৰা—ঠিক পছন্দ কৰা নহয় বিয়া দিবলৈ অৱস্থাই বাধ্য কৰা ল'ৰাটো দুখীয়া কিন্তু স্বাস্থ্যৱান আৰু নিজৰ জাতৰ ল'ৰা আছিল। অৱস্থাই বাধ্য কৰা মানে এদিন মাহী আৰু ল'ৰাটো আহি দেউতাৰ ভৰিত দীঘল দি পৰি যেনেতেনে অতি সোনকালে দুয়োৰে বিয়াখন পাতি দিবলৈ অনুৰোধ কৰিছিল। মাই দেউতাক খং কৰিছিল— সেই জঞ্জালত মূৰ সুমুওৱা তেওঁৰ কি আৱশ্যক আছিল। দেউতাই মাক কৈছিল, "নহ'লেতো আমাৰ ছোৱালী ল'ৰাৰ লগত পলাই গৈ সকলোৰে নাক-কাণ কাটিলেহেঁতেন। তুমি অৱস্থাটো নুবুজা কিয়?" তেওঁৰ কথাটো শুনি কোনো উত্তৰ নিদি মা মনে মনে আছিল। কুন্দনে সকলো কথা বুজে। সি কোনো কথা কেতিয়াও নাপাহৰে। এতিয়া নন্দা মাহী আৰু মহা, দেউতাৰ পৰম ভক্ত।

আৰু এজন চিৰঞ্জীলাল

"প্ৰাণ বান্ধৱ মাধৱ ৰাম।
দেহ দেখা হৰি কৰো প্ৰণাম।।"

দেউতাই গা ধুইছে। গা ধোওঁতে তেওঁ বৰ জোৰে জোৰে গীত গায়। দেউতাকৰ সেই অভ্যাসটো কুন্দনৰ বৰ আচৰিত লাগে। গা ধুই থাকোতে গীত গালে ভাল লাগে জানো? মাতটো ভাল হ'লে অৱশ্যে বেয়া নালাগে। কিন্তু কুন্দনৰ দেউতাকেতো গান গাব নাজানে, এনেয়ে চিঞৰেহে।

"কুন্দন, মোৰ চুৰিয়াখন দেচোন। আনিবলৈ পাহৰিলোঁ। বাহিৰতে আছে।"

"দেউতা, চুৰীয়াখনতো ফটা। তুমি এইখন কেনেকৈ পিন্ধিবা।" কুন্দনে মাত লগায়।

"হেৰ' দেচোন যি আছে তাকে, সোনকালে দে।" দেউতাকে ঠাণ্ডাত মুখেৰে হু হু শব্দ কৰা শুনি কুন্দনৰ হাঁহি ওলায়। ইমান জাৰ লাগে যদি দেউতাকে চুৰিয়া পিন্ধে কিয়? পায়জামাও তো পিন্ধিব পাৰে। নিপিন্ধে কিয়? সেইদিনা ককাদেউতাকো তাত আছিল। তেওঁ ঠাট্টা কৰি কৈছিল, "তোৰ দেউতাৰেতো বামুণৰ ঘৰত জন্ম লৈছিল। বামুণৰ সকলো মন্ত্ৰ শিকি থৈছে। আৰু শিকাইছে কোনে? ৰামদত্ত মাষ্টৰে।"

"মা, দেউতাৰ আন নতুন চুৰিয়া নাইনে?" কুন্দন পাকঘৰৰ দুৱাৰমুখত থিয় হ'ল।"

"আছে, মোৰ মূৰত আছে, ..." মাকে খঙেৰে উত্তৰ দিলে। থত্‌মত্‌ খাই কুন্দনে মাকৰ পিনে চালে। এই কথাটোতে ইমান খং কিয় কৰিব লাগে।

ভিতৰৰ কোঠাটোত গগ্নুৱে কান্দিছিল। কুন্দনে কোঠাটোৰ ফালে চাই মুখখন ঘূৰাই মাকৰ পিনে চালে। মাৰ কি হ'ল? তেওঁ দেখোন শাড়ীখনৰ আঁচলেৰে চকু দুটা মচিছে আৰু চকুলো টুকিছে! গগ্নুৰ কান্দোন শুনি মাক ভিতৰলৈ গ'ল আৰু গগ্নু শুই থকা ঝুলনাখন লৰাবলৈ আৰম্ভ কৰাত সি কান্দিবলৈ বন্ধ কৰিলে। মাকে কুন্দনক উদ্দেশ্য কৰি ক'লে, "তইতো বৰ ভাল ঝুলনত শুইছিলি। সেই দিনবোৰ বেলেগ আছিল।"

কুন্দনৰ দেউতাকে তাৰ মাকে আঁচলেৰে চকু মোচা দেখিছিল। তেওঁ গা ধোৱা ঘৰৰপৰা মাত লগালে, "ৰামী, খৰিবোৰ কেঁচা নেকি?" কিন্তু মাকে কোনো উত্তৰ নিদিলে। দেউতাকে আকৌ ক'লে, "মইতো বজাৰৰপৰা শুকান খৰি আনিছিলোঁ, গতিকে তোমাৰ চকুৰ পানী ওলোৱাৰ কোনো কাৰণ নাই।" তেতিয়াও মাকৰ মুখৰপৰা কথা নোলাল। দেউতাকে আকৌ ক'লে, "চোৱা ৰামী, তুমি কৈছা যেতিয়া মই ভাবি চাম। এনেয়ে শহুৰৰ ঘৰৰ চাকৰি আৰু চৰকাৰী চাকৰি মোৰ ওচৰত একে।"

"তুমিতো সকলো কথা ওলোটা ভাবে লৈ যোৱা। তুমি ইয়াক চাকৰি কোৱা কিয়? দেউতাৰ ঘৰৰ ছপাখানা, তাক চম্ভালিব লাগে। মাই কৈছিল দেউতাৰ বাবে নিজৰ ল'ৰা আৰু জোঁৱাই একে।"

"নিশ্চয়, নিশ্চয়!" ... দেউতাৰ বৰ হাঁহি উঠিছিল। দেউতাৰ হাঁহি শুনি মাৰ নিশ্চয় বেয়া লাগিব পায়।

"তুমিতো দেউতাক অলপ সহায় কৰিবলৈ দহবাৰ চিন্তা কৰা। এশ টকাৰ কাৰণে গান্ধী আশ্ৰমত তুমি দিনটো খাটিব লাগে। তদুপৰি আশ্ৰমৰ কামত অ'লৈ ত'লৈ যাব লাগে। ইমান কম দৰমহাত ইমান বেচি কিয় খাটিব লাগে?"

"তোমাক মই কিমানবাৰ কৈছো তাতকৈ বেচি বেতন কাকো দিব নোৱাৰে। তেন্তে মোক কেনেকৈ দিব? সেইটোতো সেৱাৰ কাম। তাত তৈয়াৰ কৰা বস্তুবোৰৰ বিক্ৰী বাঢ়িলে দৰমহাও নিশ্চয় বাঢ়িব। তুমি চিন্তা নকৰিবা ৰামী, সকলো ঠিক হৈ যাব।"

"তোমাৰ এই কথাযাৰ শুনি মোৰ কাণ দুখন কলা হ'বলগীয়া হ'ল। এতিয়া মোৰদ্বাৰা একো কাম নহ'ব। তুমি দেউতাক লগ পাই এবাৰ তেওঁৰ লগত কথা নাপাতা কিয়?"

"কি কথানো পাতিম ৰামী? শহুৰ দেউতাই মোক কয়, "গান্ধী আশ্ৰমে তোমাক যিমান দিয়ে, মই তাৰ দুগুণ মোৰ ছপাখানাৰ কম্পজিটৰক দিওঁ। গান্ধীৰ নামত লুট কৰা নাইনো আৰু কি কৰিছে?" তেওঁৰ কথা শুনি মোৰ খং উঠিল। মই ক'লোঁ গান্ধী আশ্ৰমক মই আপোনাতকৈ বেছি ভালকৈ জানো। মই মাত্ৰ সিমানেই কৈছিলোঁ

আৰু তাতে তোমাৰ দেউতাৰা মোৰ ওপৰত ভীষণ অসন্তুষ্ট হ'ল। তেওঁ গান্ধীৰ বিষয়ে আৰু লগতে মোৰ সম্বন্ধে অনেক পৰ বকি গ'ল আৰু মই নীৰৱে শুনি থাকিলো। কিন্তু মই কিমান পৰ শুনিম? মোৰোতো ধৈৰ্য্য আৰু সহিবপৰা শক্তিৰ এটা সীমা আছে। আচল কথা ৰামী, দেউতাৰাই তোমাক মোৰ লগত নহয় মোৰ মৌজাদাৰীৰ লগত বিয়া দিছিল আৰু যেতিয়া মৌজাদাৰ মৰিল অৰ্থাৎ মোৰ মৌজাদাৰী গ'ল তেতিয়া তেওঁৰ ছোৱালীও বিধৱা হ'ল ...”

“হৈছে, হৈছে— বন্ধ কৰা তোমাৰ এই বাজে কথাবোৰ। মই কাণত ধৰিছোঁ ভৱিষ্যতে এনেবোৰ কথা তুমি আৰম্ভ কৰিলেই মই তোমাৰ ওচৰত এক মুহূৰ্তও বহি নাথাকিম। খোৱাৰ সময়ত তুমি ইমান সোৱাদ লগা কথাবোৰ কোৱা যে তোমাৰ জিভাত গান্ধী বাপু বহি থাকে যেন লাগে। হে ঈশ্বৰ! কেনেকুৱা মানুহৰ লগত সম্বন্ধ কৰিলোঁ! শুনা, তুমি যি ভাল দেখা তাকে কৰা। মই তোমাক ‘এইটো কৰিবা, এইটো নকৰিবা'— কেতিয়া কৈছিলোঁ ক'ব পাৰিবানে?”

“তোমাক কেতিয়া ক'লোঁ এই কথা তুমি মোক কৈছিলা বুলি? মই স্বীকাৰ কৰোঁ তোমাৰ ভনীয়েৰা গৌৰী, নন্দা, পাৰুলী আৰু সুনিতাহঁতৰ তোমাৰ নিচিনা কোনো অভাৱ নাই কিন্তু লগতে এইটোও কওঁ যে তুমি মোৰ হাতত ধৰি মৌজাদাৰী এৰি দিবলৈ নোকোৱাহেঁতেন সিহঁতৰ নিচিনা তোমাৰো অভাৱ নোহোৱা হ'লহেঁতেন। ... তুমি সকলো জানি-শুনিও এনেভাবে কিয় মোৰ পৰীক্ষা লৈছা? ... চাওঁ, কাঁহীত এহেঁতা দাইল দিয়াচোন— শুকান ভাতবোৰ খাই আছোঁ, তুমি দেখা নাইনে? ... কুন্দনে ভাত খালেনে?”

“ক'তনো খাইছে? দেওবাৰে সি ঘৰত থাকে জানো? তোমাৰ নিচিনা সিও ক'ত ঘূৰি ফুৰে মাত্ৰ সিয়েই জানে।”

কুন্দন আনটো কোঠাত আছিল। মাকৰ কথা শুনি তাৰ কাণ থিয় হ'ল আৰু লগে লগে প্ৰতিবাদ কৰিলে, “তুমি কি কৈছা মা, মইতো অলপ আগতে তোমাৰ ওচৰলৈ গৈছিলোঁ। তুমি ইমান সোনকালে পাহৰিলানে? তুমিয়েইতো কৈছিলা, ভাত অলপ পিছত খাবি।”

“এতিয়া মই কি কৰোঁ ৰামী? কুন্দনে কয় তাৰ খেলাত মন নবহে আৰু মোৰ লগতো সি ফুৰিবলৈ বেয়া পায়। তাক তুমি হাউলি গাঁৱলৈ পঠিয়াই নিদিয়া কিয়। তাত থাকি সি ভাল পাব। ইয়াত থাকিলে সি মোৰ মূৰটো খাব।”

“হয়, হয় মই তোমাৰ মূৰটো খাইছোঁ! কেতিয়া ক'লোঁ মোৰ খেলাত মন নবহে আৰু তোমাৰ লগত ফুৰিবলৈ মই বেয়া পাওঁ?”

“শুনা, যিদিনা কাকতখন বন্ধ হ'ল সেইদিনাৰপৰা তোমাৰ মুখত মই হাঁহি দেখা নাই। সদায় মন মাৰি বহি থাকা। কাকতখন তোমাৰ প্ৰাণ স্বৰূপ আছিল। ... তেন্তে তাকে কৰা, লিখা আৰু প্ৰকাশ কৰা। আন কাকতত হ'লেও তোমাৰ লিখাবোৰ প্ৰকাশ কৰা। মইতো তোমাৰ ভালৰ কাৰণেই কৈছোঁ ... শুনিছানে মই কি কৈছোঁ?”

সিফালৰপৰা কোনো উত্তৰ নাই। দেউতা অসন্তুষ্ট হ'ল নেকি। তেওঁৰ

খোৱাও বোধকৰোঁ শেষ হ'ল। বৰ ভোক লাগিছে। মাই খাবলৈ মতাৰ আগতে নাযাওঁ কিয়?"

"অ' তই আহি পালিহি? ক'ত আছিলি ইমান পৰ? তোৰ মাৰে তোক ঘূৰি ফুৰা কুকুৰ বুলি কৈছিল।"

"বাঃ! অলপ আগতে গল্পক শুৱাই মইতো স্কুলৰ কাম কৰি আছিলোঁ। মই ..." কুন্দনৰ খং উঠিল, মা-দেউতাই মোক কি বুলি ভাবে!

"আহ, বহ আৰু খা।" খোৱা শেষ কৰি দেউতা মুখ ধুবলৈ গ'ল। কিন্তু কিবা কথা এটা মনত পৰাত ঘূৰি মাক ক'লে, "ৰামী, সেই কাকতখনৰ কথা তোমাৰো নিশ্চয় সদায় মনত পৰে। সঁচাকৈয়ে মনত পৰিলেই ময়ো মনত বৰ দুঃখ পাওঁ। কিন্তু কি কৰোঁ তাৰ একো উৰাদিহ পোৱা নাই।"

মা অলপপৰ মনে মনে থাকিল আৰু তাৰ পিছত ক'লে, "শুনা তুমি দেউতাৰ কাকতখন চলোৱাত দেউতাক সহায় নকৰা কিয়? দেউতাই কৈছিল ..."

"কি কৈছিল তোমাৰ দেউতাৰাই?"

"ক'লোঁতো তোমাক; কিমানবাৰ সোধা একেটা কথাকে। তোমাৰ ইচ্ছা থাকে কৰিবা, নাথাকিলে নকৰিবা।"

"শুনা ৰামী, চিৰঞ্জীলালে সকলো কাম কৰিছিল। সেই কামটো এৰি তেওঁ আন ঠাইলৈ গুচি গ'ল। তেওঁ অৱশ্যে সম্পাদক নাছিল কিন্তু বৰ ভালদৰে কাকতখন চলাই সুনাম আনিছিল কাকতখনৰ আৰু সেই সুনাম তোমাৰ দেউতাৰাই পাইছিল। ৰামী বেয়া নাপাবা— তোমাৰ দেউতাৰাক এতিয়া আৰু এজন চিৰঞ্জীলালৰ আৱশ্যক।"

"মই সেইটো নাজানো। তোমাৰ যদি তাত কাম কৰিবৰ ইচ্ছা আছে কোৱা, মই দেউতাক ক'ম। চিৰঞ্জীলাল বেলেগ মানুহ আছিল। তুমিতো জোঁৱাই। তোমাক পাই দেউতাই নিশ্চয় ভাল পাব।"

"সম্পাদক হিচাপে কাকতত মোৰ নামটো ছপা হ'লেও তোমাৰ দেউতাৰাৰ কোনো পাৰ্থক্য নহ'ব কাৰণ তেওঁ যি বিচাৰে কাকতত সেইবোৰেই তো প্ৰকাশ হ'ব— মোৰ কাৰণেতো প্ৰকাশ নহ'ব। ৰামী, এটা কথা তুমি জানাই যে তোমাৰ দেউতাৰাৰ চিন্তাধাৰা আৰু মোৰ চিন্তাধাৰাৰ মাজত আকাশ-পাতল পাৰ্থক্য।"

"জানো, কিন্তু সৰল-সহজ কথা পতাতনো ক্ষতি কি? তুমিতো তেওঁক শত্ৰু বুলিয়েই ভাবা ..."

"নহয় ৰামী, নহয়। যিস্থলত মোৰ শত্ৰুতা কৰা কোনো মানুহক মই শত্ৰু বুলি নাভাবো, তোমাৰ দেউতাৰাক ভাবিম কিয়?"

"তেন্তে তুমি নিজৰ "লোকসত্তা"খন নুলিওৱা কিয়, দেউতা?" কুন্দনে কথাষাৰ নোসোধাকৈ কোনোমতেই থাকিব নোৱাৰিলে।

দেউতাই হো হো কৰি হাঁহিলে, "হেৰ', বাতৰি-কাকত উলিওৱা ল'ৰা-ছোৱালীৰ খেলা নহয়। তাৰ কাৰণে অনেক টকাৰ আৱশ্যক আৰু অনেক ডাঙৰ ডাঙৰ মানুহৰ লগত ওচৰ সম্বন্ধ থাকিব লাগিব। মোৰতো দুয়োটাই নাই।"

"তোমাৰ কোনো দিনে নহ'বও," এই বুলি কৈ মাকে কুন্দনৰ কাঁহীত এহেঁতা ভাত দিলে। কুন্দনে চিঞঁৰি উঠিল, "কি কৰিছা মা? মোৰতো পেট ভৰিল। কেনেকৈ খাম এইখিনি ভাত?"

"মোৰো পেট ভৰিল। এতিয়া উঠো। আজি মন্দিৰত আনন্দ স্বামীৰ ভক্তি-কথা আছে। তাৰ পিছত নাম-কীৰ্তনো হ'ব। যাবা তোমালোকে শুনিবলৈ?" দেউতাই সুধিলে।

"মোৰতো হাউলি গাৱঁলৈ যোৱাৰ কথা আছে। যোৱা তোমালোক বাপেৰ-পো দুয়ো ভক্তি-কথা শুনিবলৈ। মইতো তোমাৰ ভক্তি-কথা অনেক শুনিলোঁ। ... এতিয়া তুমি কোৱা— দেউতাক মই কি ক'ম? তেওঁ মোক সুধিবলৈ কৈছিল আৰু মই তোমাক ক'লোঁ। তেওঁক কি উত্তৰ দিম কোৱা?"

অলপ নীৰৱে থাকি দেউতাই ক'লে "দেউতাক ক'বা সম্পাদক হ'বলৈ মই মান্তি আছোঁ। কিন্তু মোৰ কামৰ ওপৰত তেওঁ কোনো হস্তক্ষেপ কৰিব নোৱাৰিব। মই যি লিখিবলৈ ইচ্ছা কৰিম লিখিম আৰু আনে লিখা যিবোৰ লেখা নিৰ্বাচন কৰিম সেইবোৰ ছপা কৰিম। তুমি দেউতাক স্পষ্টকৈ কৈ দিবা। বুইছা?"

দেউতাৰ কথা শুনি মা আনন্দত উত্ৰাৱল হ'ল। মাই সেই উত্তৰ দেউতাৰপৰা কেতিয়াও আশা কৰা নাছিল। আনন্দত মাকৰ মুখখন উজ্জ্বল হ'ল— যেন অনেক টকা হঠাতে হাতলৈ আহিল। তেওঁ মুখত মিচিকিয়া হাঁহিৰে কুন্দনৰ মুখলৈ চাই থাকিল। সেই সময়ত কুন্দনৰ মাকক কিমান যে সুন্দৰ লাগিছিল তাক মাত্ৰ তেওঁ নিজেহে ক'ব পাৰিলেহেঁতেন।

মৃত্যু নগৰী

দেউতাকৰ কাৰণে মলাধপাত কিনিবলৈ কুন্দন বদলু মিঞাৰ দোকানলৈ গৈছিল। বজাৰত সোমোৱাৰ লগে লগে সি মানুহবোৰ ইফালে-সিফালে লৰ মৰা দেখা পালে। কি হ'ল? মানুহবোৰে কি লৰাঢপৰা কৰিছে? সি দুটা চিনাকি পুলিচকো মানুহবোৰৰ লগত যোৱা দেখা পালে।

সকলো দোকান বন্ধ। "বদলু খুৰা!" সি বদলু মিঞাৰ দোকানৰ সন্মুখত থিয় হৈ মাতিলে। বদলু মিঞাই দোকান বন্ধ কৰি যাবলৈ ধৰিছিল আৰু কুন্দনক দেখি তাৰ হাত এটাত ধৰি তাৰ লগত টানি লৈ গ'ল।

"কি হ'ল খুৰা? মানুহবোৰ ক'লৈ লৰ মাৰিছে আৰু তুমিও মোক লৈ ক'লৈ যাবলৈ ওলাইছা?" কুন্দনে আচৰিত হৈ সুধিলে।

"আত্মহত্যা, বোপাই, আত্মহত্যা। ল'ৰা-ছোৱালী দুয়ো নিজে স্থিৰ কৰি আত্মহত্যা কৰিলে। শুনিছোঁ ছোৱালীজনী তহঁতৰ ডোম গাৱঁৰ ... ব'ল তাকে চাবলৈ মানুহবোৰ গৈছে। কালী মন্দিৰ, নৰ্মাল স্কুল আৰু গীৰ্জা ঘৰটোৰ পিছফালে থকা বাগিচাখনত লাচ পৰি আছে, ব'ল ..."

অতিপাত ভিৰ। সৰু চহৰখনৰ প্ৰায় সকলো মানুহ তাত গোট খাইছে। বদলু মিঞাই কুন্দনৰ হাতটোত টানকৈ খামোচ মাৰি ধৰি ভিৰৰ মাজত সোমাইছে জানোচা সি হেৰাই যায়।

"জানকী— নৰৰামৰ জীয়েক", কোনোবাই ভিৰৰ মাজৰপৰা ক'লে।

"আৰু ল'ৰাটো?"

"কৰ্ণেল চাহাবৰ। ভীম সিং ৰোতেলাৰ।"

"হায়, হায়! কিমান বয়স আছিল ল'ৰাটোৰ?"

"কম বয়স, অতি বেছি ওঠৰমান হ'ব। ইণ্টাৰত পঢ়িছিল।"

"হায়, এনেকৈ প্ৰাণ দিয়াৰ কি প্ৰয়োজন আছিল! পলাই গৈ দুয়ো ক'ৰবাত বিয়া কৰিব পাৰিলেহেঁতেন।"

"ক'লৈ পলাই যাব? এপিনে নাবালক। আনপিনে কৰ্ণেলে এজনী ডুমুনী ছোৱালীৰ লগত তেওঁৰ পুতেকক বিয়া দিবনে? অসম্ভৱ।"

"বন্দুকটো ক'ৰ পৰা আনিলে?"

"কিনো কৈছা? কৰ্ণেলৰ ঘৰত বন্দুক নাথাকিবনে?"

"কিন্তু মৰিল কেনেকৈ?"

"প্ৰথমতে, ল'ৰাই ছোৱালীক গুলী কৰিলে আৰু তাৰ পিছত নিজৰ বুকুত বন্দুকৰ নলীটো থৈ গুৰুম্!"

"উস্ কি শোচনীয় মৃত্যু এই ল'ৰা-ছোৱালী হালৰ!"

বদলু মিঞাৰ লগত কুন্দন ভিৰৰ মাজলৈ আৰু সোমাই গৈ লাচ দুটাৰ ওচৰত থিয় হ'ল। কুন্দন স্তব্ধ হৈ গ'ল। সঁচাকৈয়ে জানকী বাইদেউ। দূৰ সম্পৰ্কীয়া বাইদেউ। কুন্দনে লাচ দুটালৈ চাই থাকিব নোৱাৰি চকু দুটা মুদি দিলে। "বদলু খুৰা! বদলু খুৰা! ইয়াৰপৰা যাওঁ ব'লা।"

বদলু মিঞাই লৰচৰ নকৰিলে আৰু একেৰাহে চকু থিয় কৰি চাই থাকিল। কুন্দনে বাৰে বাৰে কোৱাত অলপ পিছত বদলু মিঞা কুন্দনক লৈ ভিৰৰ মাজৰপৰা ওলাই আহিল।

"ইয়াকে কয় প্ৰেম, ভালপোৱা! দেখিলি?" বদলু মিঞাই আকাশলৈ চাই ক'লে যেন আকাশখনেও তেওঁৰ কথা শুনিছে।

"ভালপোৱা কি খুৰা?"

"হেৰ' নেদেখিলি ভালপোৱা কি? দুয়ো প্ৰাণ দিলে। বিয়া হোৱা নাছিল কিন্তু

এটাই আনটোৰ অবিহনে জীয়াই থাকিব নোৱাৰিছিল। প্ৰেম, ভালপোৱা আৰু কাক কয়?”

“কিন্তু ইমান লৰালৰি কৰাৰ কি প্ৰয়োজন আছিল?” কুন্দনৰ সকলো গোলমাল লাগি গৈছিল। সি একোৱেই বুজিব পৰা নাছিল।

দুয়ো ঘৰমুৱা হৈ গৈ থাকোতে বদলু মিঞাই কৈছিল, “তই শুনা নাছিলি জানো বদলিৰ আদেশ অহাৰ কাৰণে কৰ্ণেল চাহাব চহৰখন এৰি যাবলৈ প্ৰস্তুত হৈছিল। মাত্ৰ দুটা দিন বাকী আছিল। দুদিনৰ পিছতে বাপেকৰ লগত ল'ৰা গুচি গ'লে ক'ত আৰু দেখা হ'ব দুয়োৰে। দুয়ো সহ্য কৰিব নোৱাৰিলে চিৰদিনৰ কাৰণে সেই এৰা এৰি। গতিকে সদায় একেলগে থকাৰ সেইটোৱেই মাত্ৰ এটা ৰাস্তা আছিল। এতিয়া কোনে সিহঁতক বেলেগ কৰিব পাৰিব?”

“কিন্তু সিহঁততো দুয়ো মৰিল। একেলগে কেনেকৈ থাকিব বদলু খুৰা?”

“ধেত্ তেৰি।” বদলু মিঞাৰ খং উঠি গ'ল।

“তই নুবুজিবি বুইছ। তই সৰু হৈ আছ। ঘৰত বাপেৰক সুধিবি।”

বদলু মিঞাই তাৰ দোকানখন পাবলৈ খোজৰ গতি বঢ়াই দিলে আৰু কুন্দনক বাটতে এৰিলে। কুন্দনৰ ঘৰলৈ তাৰপৰা বেছি দূৰ নাছিল। সি দোকানৰপৰা মলাধপাত লৈ লাহে লাহে ঘৰমুৱা হ'ল। সি বৰ ভয় খালে। কি ভয়ংকৰ দৃশ্য সি ইমান ওচৰৰ পৰা দেখিলে! মনত পৰিলে এতিয়াও তাৰ গা শিঁয়ৰি উঠে। তেজ, তেজ আৰু তেজ। দুয়োৰে গাৰপৰা ওলোৱা তেজে ঠাইডোখৰ ৰাঙলী কৰি থৈছে! সি এতিয়া চকুৰ আগত তেজৰ বাহিৰে আন একো দেখা নাই।

বাইদেউৰ আৰু তেওঁৰ দেউতাকৰ নামটো তাত থকা কোনো মানুহে নাজানে কিন্তু ল'ৰাৰ নামটো সকলোৱে নাজানিলেও দেউতাকৰ অৰ্থাৎ কৰ্ণেলৰ নামটো সকলোৱে জানে। কেনেকুৱা কথা! সকলোৱে ল'ৰাৰহে গুণ গাইছিল। কোনেও জানকী বাইদেউৰ বিষয়ে এটা কথাও উচ্চাৰণ কৰা নাছিল। কি আচৰিত কথা!

“ডুমুনী ছোৱালী এজনীৰ কাৰণে প্ৰাণটো দিলে।”

“শুনিছোঁ ল'ৰাটো পঢ়া-শুনাত বৰ চোকা আছিল।”

“নাজাননে খেলা-ধূলাতো সি নাম কৰা খেলুৱৈ আছিল। ক্ৰিকেট খেলিছিল।”

“ছোৱালীজনীৰ লগত তাৰ চিনাকি হ'ল কেনেকৈ?”

“শুনিছোঁ কৰ্ণেলৰ ঘৰত কাঁহী বাটি ধুবলৈ আহিছিল ছোৱালীজনী। দেখা মাত্ৰকে ল'ৰা, ছোৱালীৰ প্ৰেমত পৰিল আৰু লগতে ছোৱালীও। আৰু লাগে কি?”

“শুনিছোঁ কৰ্ণেলে ল'ৰাক মাৰ-ধৰো কৰিছিল আৰু সেই কাৰণে বদলিৰ ব্যৱস্থা কৰিছিল।

ঘৰত সোমাই কুন্দনে কাকো দেখা নাপালে। ঘৰটো উদং। নিশ্চয় জানকী বাইদেউৰ ঘৰলৈ গৈছে সকলো।

শূন্য ঘৰত তাৰ বুকুখনে ধিপ্‌ধিপাবলৈ ধৰিলে। সি আকৌ বজাৰলৈ গ'ল। মানুহৰ ভিৰ আগতকৈ কম হৈছিল, সকলো মানুহ ঘৰমুৱা হৈছিল। মানুহবোৰৰ মুখবোৰ

দেখি তাৰ এনেকুৱা লাগিছিল যেন এখন ভাল ফুটবল মেচ চাইহে মানুহবোৰ ঘৰলৈ ঘূৰিছে। এতিয়া কিমান পৰ হ'ল? নিশ্চয় তাৰ মাক-দেউতাক ইতিমধ্যে ঘৰলৈ উলটিছে।

"কি হ'ল তোৰ? তই স্কুললৈ নাযাৱ নেকি আজি?"

কুন্দনে লৰমাৰি আহি আবেগত দেউতাকক সাবা মাৰি ধৰিলে কিন্তু পিছ মুহূৰ্ততে নিজকে চম্ভালি ল'লে।

"কি হ'ল তোৰ? তই ক'ৰপৰা আহিছ?" দেউতাকে সুধিলে। কুন্দনে খোন-খোন্‌কৈ ক'লে, "মই, মই বদলু খুৰাৰ দোকানৰপৰা মলাধপাত আনিবলৈ গৈছিলোঁ। দেখিলো তেওঁ দোকানখন বন্ধ কৰি বজাৰৰ পিনে খৰধৰকৈ যাবলৈ ধৰিছে। ... তেওঁ মোকো হাতত ধৰি লৈ গ'ল।"

"ক'লৈ গৈছিলি? গীৰ্জা ঘৰটোৰ ওচৰলৈনে?" দেউতাকক বৰ বিষণ্ণ দেখা গ'ল। কুন্দনৰ বুজিবলৈ বাকী নাথাকিল সেই বিষণ্ণতাৰ কাৰণ কি। সি সুধিলে, "দেউতা, তুমিও তালৈ গৈছিলা?"

দেউতাকে কোনো উত্তৰ নিদিলে। তেওঁ খাটখনত বহি পৰিল আৰু কুন্দনক হাতত ধৰি আনি নিজৰ কাষত বহুৱালে।

"তই তালৈ কিয় গৈছিলি? কোনে কৈছিল তোক যাবলৈ?"

"বদলু খুৰাই লৈ গৈছিল। মই তাৰ আগতে একো জনা নাছিলোঁ।"

"মানুহ কিমান আচৰিত হয়" ... দেউতাই যেন নিজকেই ক'লে। মা এতিয়াও জানকী বাইদেউহঁতৰ ঘৰৰপৰা ঘূৰি অহা নাই। হয়তো দেউতাও তালৈ গৈছিল।

"বদলু মিঞাইতো কেৱল তামাচা চাবলৈ গৈছিল। লগত তোকো লৈ গৈছিল। বদলুৰ যদি নিজৰ ছোৱালী হ'লহেঁতেন! এই মানুহবোৰৰ কাৰণে সকলো কৌতুক যেতিয়া কাৰোবাৰ কিবা এটা অঘটন ঘটে। যিমানেই শোচনীয় ঘটনা হওক, দুই-তিনি দিনৰ পিছতে মানুহে পাহৰি যায়, সেই ঘটনাই কাৰো মনত দাগ নবহুৱায়। এইখন চহৰ নে পগলা ফাটেক?"

কুন্দনৰ হঠাৎ কথা এটা মনত পৰিল। সি ক'লে, "দেউতা, তাতে মানুহ এজনে কোৱা শুনিছিলো ইহঁত দুয়োটা বলিয়া আছিল। সঁচানে?"

দেউতা খাটৰপৰা উঠি থিয় হ'ল। তেওঁৰ মুখখন বৰ গভীৰ আছিল। তেওঁ ক'লে, "নহয়নো কি? কিন্তু যিবোৰ মানুহে সিহঁতক পগলা বুলি কৈছে সিহঁতো বেছি পগলা আৰু উন্মাদ। সেই শোচনীয় দৃশ্য দেখাৰ পিছতো সিহঁতে নিজৰ আনন্দৰ কাৰণে তাৰপৰা পোনে পোনে চিনেমা ঘৰত চিনেমা চাবলৈ সোমাব পাৰে। মানুহৰ ভিতৰত সিহঁতৰ নিচিনা মতিভ্ৰষ্ট মানুহ আৰু কোন আছে? সিহঁত মানুহ নামৰ যোগ্য নহয়।"

"বদলু খুৰাই কৈছিল ইয়াকে সত্য আৰু আচল প্ৰেম বুলি কয়। এই প্ৰেম কি বস্তু দেউতা?"

"তই সৰু হৈ আছ। প্ৰেম কি বস্তু তোক কি কম? তই নুবুজিবি। ডাঙৰ হ'লে

আপোনা আপুনি বুজিবি। ... কৰ্ণেলৰ ল'ৰা আৰু জানকীৰ মাজত যি ভালপোৱা আছিল সেই ভালপোৱা আচল, সত্য, শুদ্ধ অকৃত্ৰিম আৰু পৱিত্ৰ ভালপোৱা আছিল। কিন্তু ল'ৰাৰ বুকুত সাহ নাছিল সেই প্ৰেমৰ শক্তি আৰু মৰ্যাদাক ৰক্ষা কৰিবলৈ, বাপেক-মাক আৰু বংশ-পৰিয়ালৰ বিৰুদ্ধে থিয় হৈ তাৰ মহত্ত্ব দেখুৱাবলৈ। দুখ লাগে সেই ভীৰুতাৰ কাৰণেই জানকীয়ে প্ৰাণ দিলে তাৰ লগতে। কি অধিকাৰ আছিল তাৰ জানকীৰ প্ৰাণ ল'বলৈ?" কওঁতে কওঁতে দেউতাৰ চকু দুটা চলচলীয়া হ'ল, মাতটো কঁপি উঠিল আৰু তেওঁ গামোচাৰে চকু দুটা মচিবলৈ ধৰিলে।

"এটা মানুহে কৈছিল এজনী ডুমুনী ছোৱালীৰ কাৰণে সি প্ৰাণ দিলে।"

"কি ক'লি? কোন আছিল সেই কুলাঙ্গাৰ, পাষণ্ড? কোন আছিল সেই মনুষ্য জাতিৰ কলংক, পাপীষ্ঠ আৰু কাপুৰুষ—তেনে কথা কোৱা?"

কুন্দনে কি শুনিছে? দেউতাকৰ মুখত তেনে কথা সি কেতিয়াও শুনা নাই। কি হ'ল দেউতা?

ক্ৰোধ দমন কৰি দেউতাকে তাক শান্তস্বৰে ক'লে, "শুন বোপাই, জগতত স্বাৰ্থপৰ, হিংসাকুৰীয়া আৰু কাপুৰুষ মানুহ আছে যি আনৰ ঘৰত জুই লাগিলে, আনৰ ডিঙিত ফাঁচী লাগিলে, আনৰ ঘৰ ধ্বংস হ'লে আৰু আনৰ বিপদ দেখিলে আনন্দ পায়। সেইবোৰ মানুহৰপৰা সদায় দূৰত থাকিবি। ... প্ৰাণ দিয়াটো ল'ৰা-ছোৱালীৰ খেলা নহয়, অতি সাহসৰ কাম, মই স্বীকাৰ কৰোঁ। কিন্তু কি বস্তুৰ কাৰণে প্ৰাণ দিলে জানিব লাগিব। হেৰ' যাৰ কাৰণে প্ৰাণ দিয়া হয় সেই বস্তুটো নিজৰ প্ৰাণতকৈ ডাঙৰ বস্তু হ'ব লাগিব, নহয় জানো?"

প্ৰশ্নটো কুন্দনক কৰা নাছিল। তথাপি কুন্দনে কিবা এটা কোৱা উচিত। সি সুধিলে, "এওঁলোকে কি বস্তুৰ কাৰণে প্ৰাণ দিলে দেউতা?"

দেউতাকে ক'লে, "সেইটো তেওঁলোকেই ভালদৰে জানে। হয়তো বিচ্ছেদৰ দুঃখ সহ্য কৰা শক্তি তেওঁলোকৰ নাছিল যাক মই দুৰ্বলতা বুলি কম। মোৰ ধাৰণা প্ৰেম, এনেকুৱা এটা শব্দ যাৰ ভিতৰত প্ৰকৃত প্ৰেমৰ বস্তুটো নাথাকে। মই বদলু মিঞাৰ কথা কোৱা নাই কাৰণ তেওঁ এজন ভাবুক মানুহ— উৰ্দূ কিতাপত থকা প্ৰেম সম্বন্ধীয় ভাল ভাল কবিতা পঢ়া মানুহ। পূৰা চহৰ; পূৰা সমাজত তেওঁৰ নিচিনা অনেক মানুহ আছে। প্ৰেম কাক কয়? সেয়া প্ৰেম নহয়, হত্যা। আত্মাৰ হত্যা, জীৱনৰ হত্যা। কিন্তু কিয়? কাৰণ প্ৰেম অন্ধ আৰু যি কৰে তেওঁলোকো অন্ধ। গছ-গছনি, পাহাৰ-পৰ্বত, নদ-নদী, আকাশ, গ্ৰহ-নক্ষত্ৰকে লৈ গোটেই বিশ্ব-ব্ৰহ্মাণ্ডখন প্ৰেমৰ ওপৰতেই টিকি আছে। কিন্তু সেই প্ৰেমক দেখিবৰ কাৰণে চকুৰ আৱশ্যক— যি চকু সকলো মানুহৰ নাই। সেই চকুত শিশুৰ নিৰ্মলতা থকা উচিত। সেই চকুৱে কোনো নিয়ম দেখা নাপায়, সকলোতে অনিয়ম দেখা পায় আৰু বৰ সাহসৰ কাম বুলি ভাবে। মই কিন্তু সেইটো স্বীকাৰ নকৰোঁ, সেইটো কোনো সাহসৰ কাম নহয়। মোৰ মতে সেইখন এখন নগৰ— য'ত মাত্ৰ মৃতদেহবোৰ বাস কৰে, যাক মৃত্যু-নগৰী বুলি ক'ব পাৰি।

বাঃ কি যে বাওনা বুদ্ধি

চহৰখনত কেইদিনমানৰ আগতে এটা চাঞ্চল্যকৰ ঘটনা ঘটি যোৱাৰ পিছত আকৌ তেনে ধৰণৰ আন এটা ঘটনা ঘটি চাঞ্চল্যৰ সৃষ্টি কৰিলে। এজনী বামুণী ছোৱালী আন এখন চহৰৰপৰা এটা মেটোৰৰ ল'ৰাৰ লগত বাল্মিকী টোললৈ পলাই গ'ল। ল'ৰাটোৰ মাক-বাপেকক সৰু চহৰখনৰ অনেক মানুহে চিনি পায়। ল'ৰাটো মাক-বাপেকৰ লগত নাছিল। সি আন এখন চহৰত চাকৰি কৰিছিল।

তেনে এটা অসাধাৰণ ঘটনা ঘটাত বাল্মিকী টোলত অনেক মানুহ গোট খাইছিল আৰু তালৈ কুন্দনৰ দেউতাক, ৰামদত্ত মাষ্টৰ আৰু কুন্দনো গৈছিল। কুন্দন স্কুলৰ পৰা ঘৰলৈ আহিছিল আৰু বাটতে বাল্মিকী টোলত দেউতাক আৰু ৰামদত্ত খুৰাক দেখি সি তেওঁলোকৰ কাষ চাপিছিল।

এটা দুমহলীয়া ঘৰৰ ওপৰ মহলটোৰ ৰেলিঙত ধৰি ল'ৰা আৰু ছোৱালীজনী থিয় হৈ আছিল। ছোৱালীজনীৰ বয়স ল'ৰাটোতকৈ বেছি। দুয়োৰে ডিঙিত ফুলৰ মালা। দুয়ো দামী সাজ-পোছাক পিন্ধিছিল আৰু ছোৱালীজনীৰ গাত সোণৰ গহণা শোভা পাইছিল।

"ৰাইজ, এওঁ নিজৰ ইচ্ছাৰে মোৰ লগত আহিছে, মই তেওঁক পলুৱাই অনা নাই। আপোনালোকে এওঁক সুধিব পাৰে।"

ল'ৰাটোৰ দেউতাক তলৰ মহলাত দুৱাৰমুখত থিয় হৈ আছিল আৰু তেওঁ তেওঁৰ ওচৰলৈ অহা সকলো মানুহক নমস্কাৰ কৰি তেওঁলোকৰ আশীৰ্বাদ বিচাৰিছিল। কোনেও কথা কোৱা নাছিল। সকলোৱে উৎসুক দৃষ্টিৰে ল'ৰা-ছোৱালী দুটালৈ চাই আছিল।

"মই তোমাক কিমান বুজাইছিলোঁ, মই যিবোৰ লেতেৰা কাম কৰোঁ সেইবোৰ তুমি কোনোমতেই কৰিব নোৱাৰিবা। কোৱা মই এই কথাষাৰ তোমাক কৈছিলোনে নাই কোৱা?"

ছোৱালীজনীয়ে মূৰটো দুপিয়াই ল'ৰাটোৰ কথা সমৰ্থন কৰিলে। ভিৰৰ মাজত মানুহবোৰে নিজৰ ভিতৰতে কোৱাকুই কৰিলে। এজনে ক'লে, "এটা সীমা আছে।" আন এজনে ক'লে, "লজ্জাহীনতাৰো সীমা আছে।" কথাষাৰ কোনে ক'লে কুন্দনে ইফালে-সিফালে চালে কিন্তু ধৰিব নোৱাৰিলে।

"ডুবি নমৰ কিয়?" কোনোবাই হঠাৎ চিঞৰি ক'লে।

"এই ভব্বা! তাই য'ৰ পৰা আহিছে তালৈ ঘূৰি যাবলৈ ক।" কুন্দনৰ কাষতে থিয় হৈ থকা পুত্তুলালে ক'লে।

"পুত্তুলাল, তোৰ কি ক্ষতি কৰিলে মোৰ ল'ৰা আৰু মোৰ বোৱাৰীয়ে? ইহঁতক ঘৰৰপৰা ওলাই যাবলৈ কম কিয়?"

"তোৰ পুতেৰ-বোৱাৰীয়েৰ আমি একো নাজানো। এই অধৰম চলিব নোৱাৰে। বুইছ?"

"কি অধৰম কৰিলে মোৰ ল'ৰাই? হিংসা হৈছে তোৰ?"

"হেৰ' ভব্বাৰ ল'ৰা। ইমান জ্ঞানী হৈয়ো তই কিয় এনে অজ্ঞানীৰ কাম কৰিছিলি?" বম্বী খুৰাৰ মাতটো কুন্দনে চিনি পালে।

"অজ্ঞানীৰ কাম মই কৰিছোনে তহঁতে কৰিছ? থানাত ৰিপ'ৰ্ট দি আমি আইন মতে বিয়া কৰিছোঁ।"

"থানা জহন্নামে যাওক।"

"আমি চাই ল'ম এই চয়তানক। অলপ বাহিৰলৈ ওলাই আহকচোন!"

"এইয়া ওলাই আহিছোঁ। চাওঁচোন মাকৰ গাখীৰ খোৱা কোন মতা পুৰুষ আছে আমাৰ গাত হাত দিয়ে?" লছমনে চিঞৰি ক'লে।

হঠাতে ভিৰৰ মাজত গণ্ডগোল আৰম্ভ হ'ল। ল'ৰাবোৰে সুন্দৰী মাৰিবলৈ ধৰিলে। নতুন কইনা অৰ্থাৎ লছমনৰ ঘৈণীয়েক ভয়তে থমকি ৰ'ল। লছমনে তাইৰ হাতখনত ধৰি আগলৈ টানি লৈ গ'ল। এনেতে কুন্দনৰ দেউতাকে চিঞৰি উঠিল, "ৰ। এতিয়া আগলৈ যোৱাৰ আৱশ্যক কি? সকলোৱে তহঁতক দেখিলে— এতিয়া দুয়ো ভিতৰলৈ যা।"

"কোন আহিল এইটো নেতাগিৰি কৰিবলৈ?" ভিৰৰপৰা কোনোবাই জোৰেৰে চিঞৰিলে আৰু লগে লগে হুলস্থূল আৰম্ভ হ'ল। ভিৰৰ মাজৰপৰা এটা ডাঙৰ শিলগুটি কইনাৰ মূৰৰ ওপৰেদি গৈ পিছ ফালৰ বেৰত লাগিল। ভিৰৰ মাজেদি ঠেলা ঠেলি কৰি গৈ কুন্দনৰ দেউতাকে এডোখৰ ওখ ঠাইত থিয় হৈ হাত দুটা ওপৰলৈ কৰি উচ্চস্বৰে ক'বলৈ ধৰিলে, "ৰাইজ, শান্ত হোৱা। উত্তেজিত হৈ মূৰ গৰম নকৰিবা।" কিন্তু শিলগুটি দলিওৱা বন্ধ নহ'ল। "দেউতা!" কুন্দনে ভিৰৰ মাজৰপৰা চিঞৰি উঠিল, "তুমি তাত থিয় নহ'বা।" ভিৰৰ মাজৰপৰা কোনোবা এজনে চিঞৰি উঠিল, "ৰাইজ নেতাৰ কথা শুনা, শান্ত হোৱা।" লগে লগে আন কোনোবা এজনে চিঞৰি ক'লে, "মাৰ ইয়াক। বৰ নেতা ওলাইছেহি।" আন এজনে লগে লগে উত্তৰ দিলে, "খবৰদাৰ নেতাৰ যদি কিবা হয় কোনো বাচি নাথাকিবি।"

কুন্দনৰ দেউতাকে আকৌ হাত দুটা ওপৰলৈ তুলি উচ্চস্বৰে ক'লে, "মাৰা, শিল গুটিৰে মোক মাৰি বীৰৰ পৰিচয় দিয়া।" এনেতে ৰামদত্ত মাষ্টৰ কুন্দনৰ দেউতাকৰ কাষত থিয় হ'ল আৰু তেওঁ খঙেৰে ক'বলৈ ধৰিলে, "চোৰৰ দৰে দূৰৰপৰা শিল গুটি মাৰি কাপুৰুষালি দেখুৱাবলৈ তহঁতৰ লাজ নালাগে নে? নেতাৰ গাত হাত দিবলৈ কাৰ সাহস আছে আগবাঢ়ি আহচোন। পুলিচক খবৰ দিয়া হৈছে— পুলিচক দেখি ফেউৰাৰ দৰে পলাই নাযাবি।"

কোৱাৰ লগে লগে সঁচাকৈয়ে তাত পুলিচ উপস্থিত হ'ল। পুলিচক দেখি মানুহবোৰ ইফালে-সিফালে ছিটিকি পৰিল। কুন্দনৰ দেউতাকক ধৰিবলৈ এজন পুলিচ আগবাঢ়ি গ'ল। ৰামদত্ত মাষ্টৰে পুলিচজনক বাধা দি ক'লে, "ৰ'ব, তেওঁক নধৰিব। তেওঁ নোহোৱাহেঁতেন আজি এই বাল্মিকী টোলটো তেজেৰে ৰাঙলী হ'লহেঁতেন।"

"গণ্ডগোল কেনেকৈ আৰম্ভ হ'ল?" দাৰোগাজনে সুধিলে। ৰামদত্ত মাষ্টৰে সকলো কথা ভাঙিপাতি ক'লে। তাত যিবোৰ মানুহ তেতিয়াও উপস্থিত আছিল সকলোৱে ৰামদত্ত মাষ্টৰৰ কথা সমৰ্থন কৰিলে।

"কাৰ বিয়া হ'ল?" দাৰোগাই সুধিলে। ভৱা মেটোৰৰ পুতেক লছমন ওপৰৰ ৰেলিঙত কইনাৰ লগত থিয় হৈ আছিল। সি তাৰপৰাই উত্তৰ দিলে, "আমাৰ দুয়োৰে দাৰোগাবাবু।" কৈ সি তললৈ নামি আহি দাৰোগাৰ ওচৰত থিয় হ'ল।

"তহঁতক ইয়ালৈ আহিবলৈ কোনে কৈছিল? আজিয়েই দুয়ো ইয়াৰপৰা গুচি যা। গাৱঁৰ মানুহবোৰৰ মেজাজ গৰম হৈ আছে। তহঁত ইয়াত থাকিলে বৰ গণ্ডগোল হ'ব", দাৰোগাই ক'লে।

ৰামদত্ত মাষ্টৰে দাৰোগাক বাধা দি ক'লে, "আপুনি কি কৈছে দাৰোগাবাবু? এওঁ ভৱা হ'ল ল'ৰাৰ বাপেক। গতিকে বিয়া কৰি নিজৰ পত্নীক লৈ ল'ৰা বাপেক-মাকৰ ঘৰলৈ নাহি ক'লৈ যাব?" কুন্দনৰ দেউতাকে কিবা এটা ক'বলৈ ধৰোতে মাষ্টৰে ইঙ্গিতেৰে বাধা দিয়াত তেওঁ মনে মনে থাকিল।

দাৰোগাই ক'লে, "বিয়া কৰি কইনাক লৈ ল'ৰা মাক-বাপেকৰ ঘৰলৈ আহি তেওঁলোকক দেখা কৰাৰ পিছত নিজৰ কাম কৰা ঠাইলৈ গুচি গ'লেই হ'ল। সিহঁত ইয়াত থকাত কোনো আপত্তি নাছিল যদি গাৱঁৰ মানুহবোৰে কোনো আপত্তি নকৰিলেহেঁতেন। আইন মতে, ল'ৰা-ছোৱালী হালৰ কোনো দোষ নাই; কিন্তু ইয়াৰ অৱস্থা যি দেখিছোঁ সিহঁত ইয়াত থাকিলে নিশ্চয় গণ্ডগোল আৰম্ভ হ'ব। গতিকে ইহঁত দুয়ো ইয়াৰপৰা যোৱাটো উচিত হ'ব।"

ৰামদত্ত মাষ্টৰে কাষতে থিয় হৈ থকা লছমনক ক'লে, "লছমন, দাৰোগাবাবুয়ে ঠিক কথাই কৈছে। তই ৰাজী হবি তো?" লছমনে বিষণ্ণ মনেৰে মূৰটো তললৈ কৰি বহি আছিল। সি অহাৰ আগতে তেনে পৰিস্থিতি আশা কৰা নাছিল আৰু ঘৰলৈ আহি তাৰ পিছ দিনাই ঘূৰি যোৱাৰ কথাও কেতিয়াও ভবা নাছিল। গতিকে সি ৰামদত্ত মাষ্টৰৰ প্ৰশ্নৰ উত্তৰ লগে লগে দিব নোৱাৰিলে। সি মনে মনে থকা দেখি কুন্দনৰ দেউতাকে লছমনক সুধিলে, "দাৰোগাবাবুয়ে যি কৈছে তই তাত মান্তি আছ তো?"

লছমনে কওঁ নকওঁকৈ শেহত লাহেকৈ উত্তৰ দিলে, "আছো খুৰাদেউ।" লছমনৰ উত্তৰ শুনি কুন্দনৰ দেউতাকৰ খং উঠিল আৰু তেওঁ তাক ক'লে, "তাৰ মানে তই ক'ব খোজ ইয়ালৈ আহি ভুল কৰিলি, তাৰ মানে তহঁত দুয়ো ইয়ালৈ আহিছ নাটকৰ নায়ক আৰু নায়িকাৰ অভিনয় কৰিবলৈ। এতিয়া পুলিচে কোৱাৰ লগে লগে সেই অভিনয় বন্ধ কৰি দৌৰি পলাবলৈ বিচাৰিছ কাপুৰুষৰ দৰে। কচোন ইয়ালৈ অহাৰ আগতে তই ভাবিছিলিনে ইয়াত তহঁতৰ জয় জয় ময় ময় হ'ব, তহঁতক ফুলৰ মালা পিন্ধাব আৰু মঙ্গলকামনা কৰি তহঁতৰ কপালত চন্দনৰ ফোঁট দিব? কচোন তই তাইক চুৰ কৰি আনিছনে বা কাৰোবাৰ ঘৈণীয়েকক পলুৱাই আনিছ যে ভয়ত পেপুৱা লাগিছ?"

ভৱা মেটোৰৰ ল'ৰাৰ মুখখন শুকাই টেমীৰ নিচিনা হ'ল। কি উত্তৰ দিব সি

কুন্দনৰ দেউতাকক? পুলিচ-দাৰোগাৰজনৰো মনে মনে খং উঠিল কুন্দনৰ দেউতাকৰ ওপৰত। “নেতা ডাঙৰীয়া, দয়া কৰি আপুনি ইয়াৰপৰা গুচি যাওক। এইটো এটা আইন আৰু শৃঙ্খলাৰ বিষয়। ইতিপূৰ্বেই সীমা পাৰ হৈ গৈছে। মই ঘটনাটোক ঠাণ্ডা কৰিবলৈ চেষ্টা কৰিছোঁ আৰু আপুনি অনৰ্থক ওপৰৰপৰা জুইত ঘিউ ঢালি দিছে। ইয়াৰপৰা আপুনি যাওক। মোক মোৰ কাম কৰিবলৈ দিয়ক,” দাৰোগাই ক'লে।

“ভাল কথা। আপুনি আপোনাৰ কাম কৰক আৰু ময়ো মোৰ কাম কৰিম।”

ৰামদত্ত মাষ্টৰে কুন্দনৰ দেউতাকক ক'লে, “বাদ দিয়া। নৰেন। আমি ইয়াৰপৰা যাওঁ বল।” কিন্তু কুন্দনৰ দেউতাকে তেওঁৰ কথা নুশুনিলে। ভব্বা তেওঁৰ ওচৰলৈ আহি কাষতে বহি পৰিল। তেওঁৰ পুতেকো অলপ পিছতে দেউতাকৰ ওচৰলৈ আহিল।

ভব্বালৈ চাই কুন্দনৰ দেউতাকে ক'লে, “একো চিন্তা নকৰিবা। এওঁলোকক তেওঁলোকৰ কাম কৰিবলৈ দিয়া আৰু মই মোৰ কাম কৰিম। কি কৈছিলা তোমাৰ ল'ৰাৰ নাম? লছমন নহয় জানো?”

“হয় ডাঙৰীয়া। আপোনাৰ ইমান মনত আছে।”

“মোৰ নান নাৰায়ণ লাল টাম্টা। তুমি মোক চিনি নোপোৱা জানো? তোমাৰ বোৱাৰীৰ নাম কি?”

“নোকোৱা কিয় তোমাৰ নামটো?” ভব্বাৰ পুতেকে কইনাক ক'লে।

“ভগৱন্তী”, কইনাই লাহেকৈ ক'লে।

“লছমন, তুমি ক'ত কাম কৰা?”

“পিলিভিট ডিচপেন্সাৰীত।”

“কিমান দিনৰ ছুটীত আহিছা।”

“পোন্ধৰ দিনৰ।”

“তেন্তে তুমি ছুটী শেষ নোহোৱা পৰ্যন্ত ইয়াতেই থাকিবা। কাইলৈ তোমাৰ বিয়া আৰ্য সমাজত হ'ব।”

“ডাঙৰীয়া, বিয়াতো হৈ গ'ল আমাৰ ৰীতি মতে,” ভব্বাই যেন কথাষাৰ ভয়ে ভয়ে ক'লে।

“ভাল কথা, ভাল কথা। কিন্তু আৰ্য সমাজতো হ'ব লাগে। তোমাৰ কিবা আপত্তি আছে নেকি? সেই বিয়াত আমিও অংশগ্ৰহণ কৰিব পাৰিম।”

“ডাঙৰীয়া, একো আপত্তি নাই। কিন্তু অনৰ্থক মানুহৰ খং উঠিব। দ্বিতীয়তে আৰ্য সমাজৰ মানুহেও অবাবত কষ্ট কৰিব কিয়?”

“সেইবোৰ তুমি চিন্তা কৰিব নেলাগে ভব্বা। মই তোমাৰ লগত আছোঁ। তোমাৰ ভালৰ কাৰণেহে মই কৈছোঁ। আৰ্য সমাজৰ মানুহেও তেওঁলোকৰ কষ্ট বা অসুবিধা হ'ব বুলি ভাবিব কিয়? সেই নিচিনা কামৰ কাৰণেইতো আৰ্য সমাজখন গঠন কৰা হৈছে। তেওঁলোকে এনে ধৰণৰ কাম কৰি ভালেই পাব,” কুন্দনৰ দেউতাকে ক'লে।

“আমি আদালতলৈ যাম। আৰ্য সমাজলৈ যাম কিয়?” লছমনে কথাৰ ওপৰত জোৰ দি ক'লে।

কুন্দনৰ দেউতাকে হাঁহিবলৈ ধৰিলে।

"আদালতৰ লগত আমাৰ কি সম্বন্ধ লছমন? আমাৰতো আচল আদালত এইখনহে।" তেওঁৰ কথা শুনি ভিৰৰপৰা কিছুমান মানুহে হাত তালি দিলে।

দাৰোগাজনে খং মুৰাকৈ কুন্দনৰ দেউতাকলৈ চাই ক'লে, "চাওক নেতা ডাঙৰীয়া, আপুনি অনাৱশ্যকীয় কথাবোৰ কৈছে। আপুনি যিকোনো বিষয়তে হস্তক্ষেপ কৰিবৰ কোন? মই আপোনাক ইয়াৰপৰা আঁতৰি যাবলৈ কোৱা নাছিলোঁ জানো? আপুনি অনৰ্থক আমাৰ সময়বোৰ নষ্ট নকৰিব," দাৰোগাজনে ক'লে।

ভিৰৰ মাজৰপৰা কোনোবাই জোৰেৰে সুহুৰি এটা মাৰিলে। লছমনে বুকু ফিন্দাই চিঞৰি ক'লে, "আমি ইয়াতেই থাকিম। চাওঁ কোনে আমাক বাধা দিব পাৰে?"

"চুপ থাক। আৰু যদি কথা কৰ হাড় গুড়ি কৰিম।" গণ্ডগোলৰ সৃষ্টি কৰাবলৈ বিচাৰিছ?" দাৰোগাই লছমনক ধমকি দি ক'লে।

কুন্দনৰ দেউতাকে দাৰোগাক বাধা দি ক'লে, "দাৰোগা বাবু, সঁচা কথা ক'বলৈ গ'লে গণ্ডগোলৰ সৃষ্টি আপুনিহে কৰাবলৈ বিচাৰিছে। আপুনি কোনো চিন্তা নকৰিব, ইয়াৰ দায়িত্ব মই ল'ম। আপুনি ইয়াৰ মাজলৈ নাহিব। কোনো গণ্ডগোল নহ'ব। আপুনি যিমান নিৰ্বোধ বুলি ভাবিছে এই সৰু চহৰখনৰ মানুহবোৰ সিমান নিৰ্বোধ নহয়। এওঁলোকক মই ভালদৰে জানো। আপুনি এই ল'ৰাটোক ভয় নুখুৱাব। ই এজন পুৰুষৰ নিচিনাকৈ সমাজৰ সকলো ধৰণৰ বাধা-বিঘিনি আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হৈ সফলকাম হ'ব লাগিব। যদিহে ইহঁত দুয়ো সেই সমাজৰ ভিতৰতে থাকিবলগীয়া হয়। দাৰোগাবাবু, আপুনি ইহঁতৰ পিছে পিছে কিমান ঘূৰি ফুৰিব? আপুনি ইহঁতৰ আৰু সমাজৰ ভিতৰলৈ নহাই ভাল। এইটো সম্পূৰ্ণ আইন আৰু শৃঙ্খলাৰ বিষয় নহয় দাৰোগাবাবু। অন্ততঃ সিমানখিনি মই জানো।"

"আপোনাৰ মতিভ্ৰম হোৱা নাইতো? আপুনি মোক আইন আৰু শৃঙ্খলা শিকাবলৈ আহিছে? আপুনি নিজৰ ঘৰত নেতা হ'ব পাৰে। আপুনি যাওক ইয়াৰপৰা।" দাৰোগাই খঙেৰে ক'লে।

দাৰোগাৰ তেনে ব্যৱহাৰ দেখি মানুহবোৰ আচৰিত হ'ল। ভিৰৰ মাজৰপৰা ওলাই আহি এজন বয়সীয়া মানুহে দাৰোগাক ক'লে, "দাৰোগাবাবু, এওঁ নেতা নহয়। এওঁক আপোনাৰ চৰকাৰী ককাইদেৱৰা বুলি ক'লে ভুল নহ'ব। এওঁ আইন আৰু চৰকাৰী নিয়ম সকলো জানে। এওঁ কোন সকলো মানুহক সোধকচোন।"

ভিৰৰ মাজৰপৰা আন এজন বয়সীয়া মানুহে ক'লে, "দাৰোগাবাবু, এওঁ হ'ল নাৰায়ণ ৰাম টামুটা, ইংৰাজৰ দিনত চাব ডেপুটী কলেক্টৰ আছিল। দেশৰ কাৰণে চাকৰি ইস্তফা দি জেললৈ গৈছিল। এতিয়ালৈকে চাকৰিত থকাহেঁতেন এওঁ ডেপুটী কমিচনাৰ হ'লহেঁতেন।"

এনেতে এজন বুঢ়া মানুহে হাতত থকা লাঠি ডালেৰে মাটিৰ ওপৰত দুই-তিনিবাৰমান টকটক কৰি ক'লে, "দাৰোগাবাবু, পাটোৱাৰী ডাঙৰীয়াক ইয়াৰ কোন মানুহে

চিনি নাপায়? মানুহে তেওঁক কিয় 'নেতা' বুলি সম্বোধন কৰে? নাৰায়ণৰাম এজন লোকসেৱক।"

ৰামদত্ত মাষ্টৰে বুঢ়াৰ কথা সমৰ্থন কৰি দাৰোগালৈ চাই ক'লে, "তুমি সঁচা কথাই কৈছা দদাইদেউ। দাৰোগাবাবুৱে এই কথাটো আগতে জনাহেঁতেন তেওঁৰ লগত তেনেভাৱে কথা নিশ্চয় নক'লেহেঁতেন।"

তাত থকা সকলো মানুহৰ মনোভাৱ জানি লৈ দাৰোগা গম্ভীৰ হৈ ৰ'ল আৰু তেওঁ এটা কথাও উচ্চাৰণ নকৰিলে। অলপপৰ নীৰৱে থাকি তেওঁ কুন্দনৰ দেউতাকক, "আপুনি আপোনাৰ কাম কৰক আৰু মই মোৰ কৰ্তব্য কৰোগৈ" বুলিকৈ চকীৰপৰা উঠিল আৰু পুলিচ দুজনক ক'লে, "তোমালোক ইয়াত থাকা, মই থানালৈ যাওঁ। যদি কিবা গণ্ডগোল আৰম্ভ হয় তৎক্ষণাৎ খবৰ দিবা।" যোৱাৰ আগতে ভৱালৈ চাই দাৰোগাই ক'লে, "শুন ভৱা, তোৰ ল'ৰাক এবাৰ থানালৈ পঠাই দিবি, জৰুৰী কাম আছে।" কৈয়েই দাৰোগা টোলৰপৰা ওলাই গ'ল।

দাৰোগা যোৱাৰ পিছত কুন্দনৰ দেউতাকে ভৱাক ক'লে, "কোনো আৱশ্যক নাই লছমনক থানালৈ পঠোৱাৰ। তাক ডাবি-ধমকী দি ভয় খুওৱাৰ মতলব আৰু কি!"

ৰামদত্ত মাষ্টৰে কুন্দনৰ দেউতাকক ক'লে, "আমাৰ কাম হ'ল, এতিয়া ঘৰলৈ যাও ব'লা।" তাৰ পিছত লছমনক ক'লে, "হেৰ' লছমন, ভয়ত ইয়াৰপৰা পলাই নাযাৱতো?"

"কিয় পলাম বাবু? মই ভয়াতুৰ নহওঁ।"

ৰামদত্ত মাষ্টৰে কুন্দনৰ দেউতাকক ক'লে, "অনেক পলম হ'ল। বেচেৰী নবৌৱে নিশ্চয় অনেক চিন্তা কৰিছে। তুমি য'লৈকে যোৱা তাতে এটা কাণ্ড কৰি ঘৰলৈ ওলটা। নবৌৱে সেই কথাটো প্ৰায়েই মোক কয়।"

"তুমিয়েইতো মোক ইয়ালৈ লৈ আহিছিলা। দোষতো তোমাৰহে ব্ৰাহ্মণ দেৱতা!"

কুন্দনো ঘৰলৈ আহিল। তাৰ দেউতাকে ৰামদত্ত মাষ্টৰক চাহ-জলপান খাই যাবলৈ ক'লে কিন্তু ৰাম মাষ্টৰৰ সময় নাছিল। তেওঁ ঘৰলৈ ৰাওনা হ'ল আৰু অলপ দূৰ গৈয়েই চিঞৰি চিঞৰি কুন্দনৰ দেউতাকক ক'লে, "নাৰায়ণ, মোৰ কথাষাৰ কাণ পাতি শুনা। যদি লছমন আৰু তাৰ ঘৈণীয়েক কাইলৈ গাঁও এৰি নাযায় মোৰ নামটো বদলি কৰি দিবা।"

"কি ক'লা?" স্তম্ভিত হৈ কুন্দনৰ দেউতাকে মাষ্টৰৰ পিনে চালে আৰু "অ' মাষ্টৰ, অ' মাষ্টৰ" বুলি চিঞৰি মাষ্টৰৰ ওচৰলৈ যাবলৈ উদ্যত হ'ল। কিন্তু ইতিপূৰ্বেই ৰামদত্ত মাষ্টৰ তেওঁৰ দৃষ্টিৰ অগোচৰ হৈছিল।

সঁচাকৈয়ে ৰামদত্ত মাষ্টৰৰ নামটো বদলি কৰাৰ পৰিস্থিতি উদ্ভৱ নহ'ল। তেওঁ যি ভৱিষ্যতবাণী কৰিছিল সেই মতেই লছমনে তাৰ ঘৈণীয়েক লৈ পিছদিনাই গাঁও ত্যাগ কৰিছিল। কুন্দনৰ মনত আছে টোলত হোৱা ঘটনাৰ পিছদিনা ৰাতিপুৱাই যেতিয়া

বদলু মিঞাই কুন্দনৰ দেউতাক লছমনে গাঁও এৰি যোৱাৰ খবৰটো দিলেহি তেতিয়া তেওঁ বাওঁহাতৰ তলুৱাখন তিনিবাৰ কপালত থৈ মাত্ৰ ইমানেই ক'লে, "বাঃ কি যে. বাওনা বুদ্ধি! ..."

ভাগীৰথী ওৰফে ৰাম খুৰাৰ ঘৰ

প্ৰেছটোৰ নাম আছিল 'অধিকাৰ' আৰু বাতৰি কাকতখনৰ নামো আছিল 'অধিকাৰ'। প্ৰেছৰ আৰু বাতৰি কাকতখনৰ নাম একে হোৱাৰ ওপৰত দেউতা ওৰফে নাৰায়ণ ৰাম টাম্‌টাৰ ঘোৰ আপত্তি আছিল। তেওঁ দুয়োটাৰে একে নাম হোৱাটো ভাল নাপাইছিল। সেইটো আৰম্ভণিতে ভুল হৈ গৈছিল।

ৰামদত্ত খুৰাই দেউতাক বুজাইছিল, "যিটো হৈ গ'ল তাৰ বাবে মন বেয়া নকৰিবা। এনেয়ে, নামটোৰে তুমি কিবা লেন-দেন কৰিবানে? তোমাক লাগে কাম আৰু সেই কামৰ লগত নামৰনো কি সম্বন্ধ থাকিব পাৰে? মই জানো, এখন বাতৰি কাকতৰ সম্পাদক হোৱা সাধাৰণ কথা নহয়।"

দেউতাই হোকাটোৰপৰা মুখখন আঁতৰাই ৰামদত্ত মাষ্টৰৰ পিনে একেৰাহে কিছুপৰ চাই থাকি মুখৰ ভিতৰতে কিবা ভোৰভোৰালে। তেওঁ কি ভোৰভোৰালে কুন্দনেও নুবুজিলে আৰু ৰামদত্ত মাষ্টৰেও।

কিন্তু যিবোৰ কথা দেউতাই ৰামদত্ত মাষ্টৰক কোৱা নাছিল সেইবোৰ কথা বাটত লগ পোৱা অন্যান্য বন্ধু-বান্ধৱক কৈছিল। তেতিয়া কুন্দনে মিছন স্কুলত অষ্টম শ্ৰেণীত পঢ়িছিল অৰ্থাৎ নেতা-দেউতাকৰ সহকাৰী হোৱাৰ জখলাডালত প্ৰথম ভৰি দিছিল। কুন্দনৰ দেউতাকে মাত্ৰ মজলীয়া স্কুলতহে উত্তীৰ্ণ হৈছিল। অৱশ্যে সেই কালৰ মজলীয়া স্কুল।

সেইদিনা মঙ্গলবাৰ আছিল আৰু সময়টো আছিল সন্ধিয়া। দেউতাৰ অভ্যাস আছিল প্ৰতি মঙ্গলবাৰে তেওঁ মোক লগত লৈ ভৈৰৱ থানলৈ গৈ তাত দুঘণ্টামান থাকি ঘূৰি অহা। আচলতে তেওঁ থান দৰ্শন কৰিবলৈ নগৈছিল। কুন্দনৰ মতে ভৈৰৱ থানলৈ যোৱা দেউতাকৰ এটা চেলুহে আছিল। তাৰ মতে আচল ভৈৰৱ ৰামখুৰা আছিল আৰু আচল ভৈৰৱ থানখন আছিল পাহাৰৰ দাঁতিত থকা ৰামখুৰাৰ সৰু ঘৰটো। যাক কুন্দনে ৰামখুড়াৰ পঁজা বুলি কৈছিল।

মঙ্গলবাৰটো কুন্দনৰ কাৰণে সঁচাকৈয়ে এটা উৎসৱৰ দিন আছিল। অৱশ্যে বাকী ছটা দিনো ৰামখুৰাৰ পঁজাটোৰ মধুৰ স্মৃতি কুন্দনৰ সুন্দৰ সপোন যেন আছিল।

ৰামখুৰাৰ তিনিজনী ছোৱালী আছিল— লক্ষ্মী, গোমতী আৰু ভাগীৰথী। লক্ষ্মীৰ কেতিয়াবাই বিয়া হৈছিল, মাজুজনী গোমতীয়ে স্কুলত শিক্ষকতা কৰিছিল যাৰ বিয়াৰ কথা চলি আছিল আৰু সৰুজনী ভাগীৰথী গোমতীতকৈ পাঁচ-ছবছৰৰ সৰু আছিল অৰ্থাৎ কুন্দনৰ সমবয়সীয়া আছিল।

মঙ্গলবাৰে ৰামখুৰাই দেউতাৰ কাৰণে অপেক্ষা কৰি থাকে আৰু দেউতা আৰু কুন্দন যোৱাৰ পিছত দেউতাক লৈ ভৈৰৱ পাহাৰৰ ওপৰত দুঘণ্টামান ঘূৰি পকি পঁজালৈ উলটি আহে। তেতিয়ালৈকে কুন্দনে ভাগীৰথীৰ লগত কথা-বতৰা পাতি, কেৰম খেলি সময়খিনি কটাই দিয়ে। গোমতী ঘৰৰ কামত ব্যস্ত থাকে আৰু মাজে-সময়ে কুন্দন আৰু গোমতীৰ লগত কথা পাতে।

কুন্দনৰ এটা ঘণ্টা এক মিনিট যেন লাগে আৰু নিৰ্দিষ্ট সময়খিনি কটাই দেউতা আৰু ৰামখুৰা ঘূৰি আহিলে দূৰৰপৰা তেওঁলোকৰ মাত শুনা যায়।

ৰাম খুৰাই ঘৰত সোমায়েই ভাগীৰথীক চাহ কৰিবলৈ কয় আৰু ভাগীৰথীয়ে পাঁচ মিনিটমানৰ পিছতে পিতলৰ কাঁহী এখনত দুটা চাহৰ গিলাচ আনি দেউতা আৰু ৰামখুৰাৰ আগত থৈ দেউতাই 'কি বঢ়িয়া চাহ' বুলি নোকোৱা পৰ্য্যন্ত তাতে থিয় হৈ থাকে। ভাগীৰথীয়ে কৰা চাহৰ প্ৰশংসা 'কি বঢ়িয়া চাহ' কথাষাৰ কুন্দনে দেউতাকৰ মুখত তিনি বছৰ ধৰি শুনি আহিছে। প্ৰত্যেকবাৰেই ইমান প্ৰশংসা কৰাৰ কি কাৰণ কুন্দনে বুজি নাপায়। তাৰ বিপৰীতে তাৰ পেহীয়েকে চাহ কৰি দেউতাক খাবলৈ দিলে তেওঁ "এইবোৰ কি চাহ বনাইছ" বুলি খঙহে কৰে। তেওঁ প্ৰথমতে পেহীক পঢ়াইছিল কিন্তু পিছত প্ৰেছৰ কামত ব্যস্ত হৈ পৰাত পঢ়ুৱাবলৈ বন্ধ কৰি মাক কৈছিল, "তাৰাক কালিৰপৰা তুমিয়েই পঢ়াবা।" মাই নো কি পঢ়াব! এপিন কুন্দনৰ প্ৰায় সমবয়সীয়া তাৰাৰ লগত তাৰ সৰু সৰু বিষয় লৈ মাজে-সময়ে কথা কটাকটি হৈ থাকে। আগতে কুন্দনে তাইক ভাগীৰথীৰ কথা ক'লৈই বৰ উৎসুক হৈ শুনিছিল কিন্তু লাহে লাহে তাইৰ সেই উৎসুকতা কম হৈ আহিছিল। সিহঁতৰ ঘৰখনৰ পৰিৱেশ আগতকৈ বেলেগ হোৱাত কুন্দন আচৰিত হৈছিল। আগতে ঘৰখন বৰ পৰিপাটি আছিল। কিন্তু আজিকালি সি সেই আগৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ অভাৱ অনুভৱ কৰিলে। সি দেউতাকৰো পৰিৱৰ্তন লক্ষ্য কৰিলে। আগতে তেওঁ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি সৰ্বদায় লক্ষ্য ৰাখিছিল কিন্তু আজিকালি তেওঁৰ সেই মনোভাৱ নোহোৱা হ'ল। মুঠৰ ওপৰত ঘৰখনলৈ লাহে লাহে যেন বিশৃঙ্খলতা আহি গ'ল আৰু তালৈ মাক-দেউতাকে অলপো চকু-কাণ নিদিয়া হ'ল। ঘৰখনৰ পৰিৱেশ আৰু বাতাবৰণলৈ পৰিৱৰ্তন অহাত কুন্দনে মনত অশান্তি পাইছিল আৰু অনুভৱ কৰিছিল যেন সি আন এখন ঘৰতহে বাস কৰিছে। তাৰ অনুভৱ হৈছিল যেন ঘৰখনত প্ৰতিটো মানুহ আনটো মানুহৰ শত্ৰুহে।

এদিন মঙ্গলবাৰে কুন্দন তাৰ ৰামখুৰাৰ ঘৰত খটখটীৰ ওপৰত বহি সেই দিনাৰ ৰাতিপুৱাৰ কথা চিন্তা কৰিছিল আৰু পাহাৰটোৰ সিফালে লাহে লাহে উদয় হোৱা নিস্তেজ সূৰ্যটোৰ কথা তাৰ মনত পৰিছিল। ভাগীৰথী তাইৰ বায়েকৰ লগত কামত ব্যস্ত আছিল আৰু মাজে মাজে দুয়োজনীৰ হাঁহিৰ খিলখিলনি তাৰ কাণত পৰিছিল।

কিন্তু কুন্দনৰ ঘূৰণীয়া কোমল সূৰ্য্য, ঘৰৰ কাষেদিয়েই বৈ যোৱা নৈখন আৰু সন্মুখত শস্য ভৰা পথাৰ আদি একোৱেই ভাল নালাগিছিল। তাক তেনেভাৱে অকলে, উদাসভাৱে তাত এৰি থৈ যোৱাৰ কাৰণে দেউতাকৰ ওপৰত তাৰ বৰ খং উঠিছিল আৰু তাক ইচ্ছা কৰিয়েই ভাগীৰথীয়ে অৱজ্ঞা কৰাৰ কাৰণে তাইৰ ওপৰতো তাৰ বৰ খং উঠিছিল।

সূৰ্য্যৰ কোমল কিৰণ পৰি সন্মুখত অলপ দূৰত থকা পাহাৰটোৰ গছ-গছনিবোৰ জিলিকি উঠিছিল কিন্তু কুন্দনৰ কাৰণে সকলো নিষ্প্ৰভ আৰু জ্যোতিহীন লাগিছিল। ৰাতিপুৱাই মাক আৰু দেউতাকৰ মাজত বিনিময় হোৱা কথাবোৰে তাৰ কাণত তেতিয়াও প্ৰতিধ্বনি তুলিছিল আৰু প্ৰতিটো কথাই তাৰ অন্তৰত দুঃখ দিছিল।

"ৰামী, দেউতাৰাক কৈ দিবা মই তেওঁৰ ব্যৱহাৰত সন্তুষ্ট নহওঁ।"

"মই কিয় ক'ম? তেওঁৰ লগত তুমি কাম কৰা, যদি বেয়া লাগিছে তেওঁক স্পষ্ট কৈ দিবা। মোক টানিছা কিয়?"

"মই কাৰো দাসত্ব কৰিব নোৱাৰো, তোমাৰ দেউতাৰাৰো।"

"তেন্তে এৰি দিয়া আৰু খাদী আশ্ৰমত গৈ যোগদান কৰা।"

"শুনা ৰামী, মই তোমাৰ অনুৰোধতহে দেউতাৰাৰ সংবাদপত্ৰ অফিচত যোগদান কৰিছিলোঁ। কিন্তু মোৰ কামৰ মূল্য এটা কড়িও দিয়া হোৱা নাই। মই যে বেছি বিদ্বান নহওঁ তুমি জানা। কিন্তু তোমাৰ দেউতাৰাতকৈ মই জগতখন বেছিকৈ দেখিছোঁ। বুইছা ৰামী বেচি পঢ়া-শুনা কৰিলেই মানুহৰ মূল্য বৃদ্ধি নহয়। আনক ইতিকিং কৰা কথা কোৱা, আনৰ বিষয়ত অসঙ্গতভাৱে হস্তক্ষেপ কৰা— এইবোৰ যে মই একেবাৰে ভাল নাপাও আৰু সহ্যও কৰিব নোৱাৰো তুমি ভালদৰে জানা।"

"তেন্তে এৰি নিদিয়া কিয়? অনৰ্থক মোৰ মূৰটো খাইছা কিয়?"

"তোমাৰ মূৰটো খাম কিয়, ৰামী? মইতো যোৱা এবছৰ ধৰি নিজৰ মূৰটো খাই আছোঁ। মোৰ অৱস্থা এতিয়া এটা ৰচীৰে বান্ধি থোৱা জন্তুৰ নিচিনা আৰু সেই ৰচীডাল তোমাৰ দেউতাৰাৰ হাতত।"

"তেন্তে ৰচীডাল ছিঙি গুচি আহা, তোমাক কোনে বাধা দিছে?"

"তুমি আৰু কোনে? তুমি যেনেকৈ মোক বান্ধি থৈছা তাৰ পৰা নিজকে এৰুৱাওঁ কেনেকৈ আৰু এৰুৱাই যাম ক'লৈ?"

"মই তোমাক বান্ধি ৰাখিছোঁ নে তুমি মোক বান্ধি ৰাখিছা? মোৰ দুৰ্কপাল যে মই তোমাৰ সংস্পৰ্শত আহিলোঁ। তোমাৰ যি ইচ্ছা কৰা, মোৰ মূৰটো নাখাবা।"

বিছনাত পৰি কুন্দনে ঘোৰ অশান্তিত ছটফটাই আছিল আৰু মাক-দেউতাকৰ প্ৰতিটো কথাই তাৰ অন্তৰত আঘাত কৰিছিল। অৱশ্যে কেইঘণ্টামানৰ পিছত সেই কথাবোৰ সি পাহৰি গৈছিল কিন্তু গধূলি ৰাম খুৰাকৰ ঘৰলৈ অহাত হঠাৎ ৰাতিপুৱাৰ সকলো কথাই তাৰ কাণত আকৌ প্ৰতিধ্বনি কৰি উঠিছিল। এৰা, ঘৰৰপৰা ভৈৰৱ থানলৈ আহোঁতে সি দেউতাকক এটা প্ৰশ্ন কৰিছিল। কিয় কৰিছিল তাৰ এতিয়া মনত নাই। সি সুধিছিল, "দেউতা, এডিটৰ মানে সম্পাদক নহয় জানো?"

"হয়। কিন্তু তই এই কথাটো সুধিছ কিয়?" কথাষাৰ কোৱাৰ পিছতে দেউতাৰ মুখৰ চেহেৰাটো এনেকুৱা হৈছিল যেন তেওঁ সাপ এটাহে গছকিলে।

"আমাৰ পাঠ্যক্রমৰ হিন্দী কিতাপত লিখা আছে মহাবীৰ প্ৰসাদ ত্রিবেদী এজন বৰ ভাল সম্পাদক আছিল আৰু তেওঁ ভাল ভাল লেখকৰ লেখাবোৰ শুদ্ধ কৰিছিল।"

"লেখাবোৰ নহয় অ'— তাত থকা ভাষা সম্বন্ধীয় ভুলবোৰহে তেওঁ শুদ্ধ কৰিছিল। সেইখিনি অধিকাৰতো সম্পাদকৰ থাকেই। মই তোৰ ককাৰ 'অধিকাৰ'ৰ যে সম্পাদক তই নাজান জানো?"

"কিয় নাজানো? প্ৰতি সপ্তাহে 'অধিকাৰ' কাকতখন আমাৰ ঘৰলৈ আহে আৰু মই আৰু মা দুয়ো পঢ়োঁ।"

"'অধিকাৰখন পঢ়ি তোৰ কেনে লাগে?"

"মোৰতো বৰ ভাল লাগে কিন্তু মাই কয় তেওঁৰ হেনো ভাল নালাগে। তেওঁ কয়, "তোৰ দেউতাৰৰ লেখাৰ গুণ কাকতখনত দেখোন মই একোৱেই দেখা নাপাওঁ। নাজানো তেওঁনো কেনেকুৱা সম্পাদক।"

কথাষাৰ শুনি দেউতাৰ মুখখন বৰফৰ নিচিনা টান হ'ল। সেই কথাষাৰ সি নোকোৱাহেঁতেন ভাল আছিল নেকি? দেউতাকে তাক হঠাতে প্ৰশ্ন কৰিলে, "নাৰায়ণ সম্পাদক বুলি তোক কোনে ক'লে? তেওঁ সম্পাদক নহয় প্ৰেৰকহে। প্ৰেৰক কাক কয় জানতো?"

কুন্দনে 'নাজানো' বুলি কোৱাত দেউতাকে ক'লে, "প্ৰেৰক মানে যি গ্ৰাহকসকললৈ তেওঁলোকৰ ঠিকনা লিখি কাকতখন পঠাই দিয়াৰ দায়িত্ব লয়। এতিয়া বুজিলি প্ৰেৰক কাক কয়?"

"বুজিলো দেউতা।" কুন্দনে উত্তৰ দিলে।

তাৰ পিছত অনেক মঙ্গলবাৰ পাৰ হৈ গ'ল। মঙ্গলবাৰটো বিশেষকৈ উল্লেখ কৰা হয় এই কাৰণেই যে মঙ্গলবাৰে ভৈৰৱথানলৈ যোৱা হৈছিল, মঙ্গলবাৰটো নাৰায়ণৰাম টামুটাৰ কাহিনীৰ সম্পদ আছিল, ৰাম খুৱাৰ ঘৰৰ লগত সম্পৰ্ক আছিল ... আৰু আছিল ভাগীৰথীৰ লগত।

পশ্চিম দিগন্তত সূৰ্য্য ডুব গ'ল। উজ্জ্বল পাহাৰটো হঠাৎ ক'লা হ'ল। অৱশ্যে সূৰ্য্যৰ ৰাঙলী আভা তেতিয়াও কিঞ্চিৎ দেখা গৈছিল। কিন্তু অলপ পিছতে সিও নাইকিয়া হ'ল। চাৰিওপিনে আন্ধাৰ, গছ-গছনি, পাহাৰ, ফুলনিত ফুলি থকা সকলো কুন্দনৰ দৃষ্টিৰ অগোচৰ হ'ল। আন্ধাৰত হঠাৎ কুন্দনৰ হাত এখন কোনোবাই স্পৰ্শ কৰিলে। "কোন?" কুন্দনে প্ৰশ্ন কৰিলে। কোনো উত্তৰ নাই। হাতৰ ইমান কোমল স্পৰ্শ নিশ্চয় গোমতী বাইদেউৰ হ'ব নোৱাৰে। তদুপৰি, হ'বই বা কিয়? তেওঁৰ হাঁহিটো আনটো কোঠাত শুনা গৈছে। কুন্দনে হাতখন এৰুৱাবলৈ চেষ্টা নকৰিলে আৰু মনৰ কথা নিজকে ক'লে, "ভাগীৰথী, তোমাৰ হাতখন মোৰ হাতৰপৰা আঁতৰাই নিনিবা, মোৰ সঁচাকৈয়ে বৰ ভাল লাগিছে তোমাৰ হাতৰ কোমল স্পৰ্শ।"

কিন্তু সেই কোমল স্পৰ্শ-সুখ বেছি পৰ নাথাকিল। গোমতী বাইদেউৰ মাত

শুনা গ'ল, "তোমালোকৰ ওচৰলৈ মই অলপ পিছতে আহিছোঁ, তোমালোক নাযাবা, তাতে বহি থাকা।"

ভাগীৰথীয়ে হাতখন এৰি দি তাৰপৰা গুচি গ'ল। আন্ধাৰত ক'লৈ গ'ল কুন্দনে একো গম নাপালে। সি খট্‌খটীতে বহি থাকিল। গোমতীও নাহিল। কুন্দনৰ সকলো মাদকতাপূৰ্ণ যেন লাগিল।

"কুন্দন, তুমি বহি বহি কি ভাবিছা?" বিনাদ্বিধাৰে ভাগীৰথী তাৰ ওচৰত বহি পৰিল। "মই তোমাৰ সন্মুখত কিমানপৰ থিয় হৈ আছিলোঁ আৰু তুমি মোক দেখা পোৱা নাছিলা। তুমি ক'ত হেৰাই গৈছিলা?"

কুন্দনে কি উত্তৰ দিব বিচাৰি নাপালে। আবেগত তাৰ মনৰ কথা মনতে থাকিল।

"মোৰ ওপৰত তোমাৰ খং উঠিছে নেকি, কুন্দন?"

কুন্দনে মূৰটো লৰাই নেতিবাচক উত্তৰ দিলে। খং? ভাগীৰথীৰ ওপৰত তাৰ খং? কি অসম্ভৱ আৰু ভুল কথা কৈছে ভাগীৰথীয়ে। আচল কথা ক'বলৈ গ'লে ভাগীৰথীৰ কোলাত মূৰটো থৈ সি যেন উচুপি উচুপি কান্দিব আৰু ভাগীৰথীয়ে তাইৰ কোমল হাতেৰে তাৰ চকুলো মচি দিব। সঁচাকৈয়ে কুন্দনৰ কান্দিবলৈ মন গৈছিল কিন্তু গোমতী সেইপিনে অহাৰ গম পাই কুন্দন থিয় হ'ল আৰু লগে লগে ভাগীৰথীও। কিন্তু গোমতী তালৈ নাহি আনপিনে গ'ল। ভাগীৰথীয়ে অলপো সংকোচ নকৰি কুন্দনৰ হাতটোত ধৰি সুধিলে, "কুন্দন, আমাৰ ঘৰৰ ওচৰত থকা পাহাৰটোৰ নাম কি জানানে?"

পাহাৰটোৰ নামটো জানিবলৈ কুন্দনৰ কেতিয়াও কৌতূহল হোৱা নাছিল। তথাপি ভাগীৰথীক সন্তুষ্ট কৰিবলৈ কৃত্ৰিম উৎসাহ দেখুৱাবলৈ সি ক'লে, "লাজৰ বিষয় যে মই এতিয়াও তাৰ নামটো নাজানো।"

"একো নাই, পাহাৰটোৰ নাম দুনাগিৰি। মেঘনাদৰ শক্তিশেলত বিদ্ধ হৈ যেতিয়া লক্ষ্মণ মূৰ্চ্ছিত হৈ পৰি আছিল, তেতিয়া তেওঁক বচাবৰ কাৰণে লংকাৰপৰা উৰি গৈ হনুমানে ইয়াৰপৰা গোটেই পাহাৰটো তুলি লৈ গৈছিল।"

"কিন্তু ইয়াৰপৰা পাহাৰটো তুলি লৈ যোৱাৰ পিছত এতিয়া পাহাৰটো ইয়াত কেনেকৈ আছে?"

কুন্দনৰ প্ৰশ্নটো শুনি ভাগীৰথীয়ে হাঁহি উত্তৰ দিলে, "এঃ, তুমি ৰামায়ণৰ কথা একেবাৰেই নাজানা দেখিছোঁ। তেন্তে শুনা। সঞ্জীৱনী ঔষধৰ গছজোপা চিনি নোপোৱাৰ কাৰণে হনুমানে গোটেই পাহাৰটো ইয়াৰপৰা লংকালৈ তুলি লৈ যোৱাৰ পিছত লক্ষ্মণ ভাল হোৱাৰ পিছতেই আকৌ ইয়ালৈ লৈ আহি য'ত আছিল তাতেই থৈ গ'ল। তুমি এই কথাটোও নাজানা নে?"

"অৱশ্যে জানো কিন্তু ...।"

"কিন্তু কিয়?"

"একো নহয়, মই সঞ্জীৱনী ঔষধৰ অপূৰ্ব গুণৰ কথা ভাবিছো। কি অদ্ভুত আৰু ঐশ্বৰিক শক্তি তাৰ। বাৰু যাওক সেই কথা। ভাগীৰথী মোক কোৱাচোন খুৱা

আৰু দেউতাই তোমাৰ চাহক কিয় ইমান প্ৰশংসা কৰে? সেই প্ৰশংসা সঁচা নে মিছা বাৰু?"

ভাগীৰথীয়ে খিলখিলকৈ হাঁহি ক'লে, "মিছা কিয় হ'ব, একেবাৰে সঁচা।"

কুন্দনৰ ক'বলৈ ইচ্ছা হ'ল ভাগীৰথীয়ে নিজে তৈয়াৰ কৰা চাহ সি যেন খাবলৈ পায় আৰু তাই নিজ হাতেৰে তাক দিয়ে। কিন্তু তাৰ মনৰ কথা মনতে থাকিল, সি প্ৰকাশ নকৰিলে। সি ভাগীৰথীৰ পিনে অৰ্থপূৰ্ণ দৃষ্টিৰে চাই থাকিল।

ছোৱালীৰ বুদ্ধি চোকা হয়। ভগীৰথীয়ে কুন্দনৰ মনৰ কথা বুজি পাই তৎক্ষণাৎ উৎসাহেৰে ক'লে, "মই বনোৱা চাহ তুমি খাবানে? খালে ক'বা মই কিমান ভাল চাহ বনাও।"

কুন্দনে মনে মনে বৰ ভাল পালেও সেই মনোভাৱ গোপন কৰি ক'লে, "খুৱাব পাৰা; কিন্তু মই দেউতা আৰু খুৰাৰ নিচিনাকৈ তোমাক কেতিয়াও প্ৰশংসা নকৰোঁ।"

ভাগীৰথীয়ে হাঁহি হাঁহি ক'লে, "চাহ খাবলৈ যে তোমাৰ বৰ মন আছে সেইটো খুলি নোকোৱা কিয়? দেউতাহঁত আহিবৰ সময় হ'ল। তাৰ আগতে তুমি মই কৰা চাহ মনে মনে খাই লোৱা। কিন্তু চাহ খোৱাৰ কথা কাকো নকবা ..." কৈয়েই তাই টোপা কাড়টোৰ নিচিনাকৈ পাকঘৰলৈ লৰ মাৰিলে আৰু কুন্দন তাইৰ পিছে পিছে গ'ল। "যদি ইতিমধ্যে গোমতী বাইদেউ আহি যায় তেতিয়া?" কুন্দনে সুধিলে।

"বাইদেউ ইমান সোনকালে নাহে। কিন্তু তুমি পাকঘৰলৈ নাহিবা কুন্দন। বাহিৰৰ বাৰান্দাত থকা সৌ চকীখনত বহি থাকা।"

কুন্দনে ভাগীৰথীৰ কথাষাৰ ভাল নাপালে। গোমতী বায়েক সোনকালে নাহিব বুলি জানিও তাক চাহ খুৱাবলৈ ভাগীৰথীয়ে কিয় ভয় কৰিছে তাৰ কাৰণ সি একোৱেই উলিয়াব নোৱাৰিলে। আচল কথা অকল চাহ খোৱাই নহয়, ভাগীৰথীয়ে কেনেকৈ চাহ কৰে তাক চাবৰো তাৰ প্ৰবল ইচ্ছা আছিল। কিন্তু সেই কথাটো সি ভাগীৰথীক কেনেকৈ বুজায়!

"কুন্দন, মোৰ কথা শুনা আৰু জেদ নকৰিবা। ভাল ল'ৰাৰ দৰে গৈ সৌ চকীখনত বহা।"

ভাগীৰথীয়ে কথাত জোৰ দি কোৱাত কুন্দন চুচুকচামাককৈ চকীখনৰ পিনে গ'ল আৰু চকীখনত অলপপৰ বহি নিজকে কোনো মতেই ৰখাব নোৱাৰি ঘৰত মাকে পাকঘৰত কাম কৰি থাকোঁতে তাৰ দেউতাক গৈ পাকঘৰৰ দুৱাৰমুখত থিয় হৈ থকাৰ দৰে সি আকৌ দুৱাৰমুখত থিয় হ'ল।

পাকঘৰৰ দুৱাৰমুখত কুন্দনক দেখি দুৱাৰমুখলৈ প্ৰায় দৌৰি আহি ভাগীৰথীয়ে কুন্দনক ক'লে, "তুমি মোৰ কথা নামানা কিয় কুন্দন? মই তোমাক কৈছো বাইদেৱে তোমাক পাকঘৰৰ দুৱাৰমুখত দেখিলে বৰ খং কৰিব। কথাটো তুমি নুবুজা কিয়?"

কুন্দনে হাঁহি ক'লে, "বাইদেৱে কিয় খং কৰিব? তদুপৰি তুমি কৈছা বাইদেউ সোনকালে নাহে।"

কিন্তু ভাগীৰথী যে বিচলিত হৈছে তাইৰ মুখখন দেখি বুজি পাই কুন্দন পাকঘৰৰ

দুৱাৰমুখৰপৰা আঁতৰ হৈ বাৰান্দালৈ গ'ল। তাৰ মনটো একেবাৰে দমি গ'ল।

ভাগীৰথীয়েও কুন্দনৰ মনৰ অৱস্থাটো বুজি পালে আৰু তাক ভাল লগাবৰ কাৰণে চাহৰ পিয়লাটো হাতত লৈ কুন্দনৰ ওচৰলৈ গৈ তাৰ পিনে আগবঢ়াই দি ক'লে, "তোমাৰ কাৰণে আনিছোঁ। লোৱা আৰু চাহখিনি লৰালৰিকৈ খাই পিয়লাটো খালি কৰি দিয়া। বাইদেউ এইমাত্ৰ পাবহি।"

ভাগীৰথীৰ মনৰ অৱস্থাৰ কথা জানি তাইৰ প্ৰতি কুন্দনৰ সহানুভূতি হ'ল কিন্তু তাৰ সেই মনোভাৱটো গোপন কৰি ক'লে, "মই ভয়ে ভয়ে চাহ খোৱাৰ পক্ষপাতী নহওঁ। লৈ যোৱা তোমাৰ চাহৰ পিয়লা।"

ভাগীৰথীয়ে হাতত চাহৰ পিয়লাটো লৈ থিয় হৈ ৰ'ল। তাইৰ মুখখন শুকাই গ'ল। তাকে দেখি কুন্দনৰ পুতৌ হ'ল আৰু সি ক'লে, "বাৰু দিয়া।" পিয়লাটো হাতত দিয়াৰ লগে লগে কুন্দনে এঢোক চাহ খাই ভাগীৰথীৰ পিনে পিয়লাটো আগবঢ়াই দি ক'লে, "তুমিও এঢোক খোৱা; চাহখিনি সঁচাকৈয়ে বৰ ভাল হৈছে।"

ভাগীৰথী পিছলৈ হুঁহকি গ'ল। তাই স্পষ্টকৈ ক'লে, "মইতো চাহ নাখাওঁ।"

"মইনো চাহ ক'ত খাওঁ? তুমি কৰাৰ কাৰণেহে এঢোক খালো।" কুন্দনে ক'লে।

"তেন্তে ৰ'বা, মোৰ কাৰণে চাহ লৈ আহোঁ।"

"নহয়, এই পিয়লাটোৰপৰাই এঢোক খোৱা," কুন্দনে জোৰ দি ক'লে।

"কি কৈছা? মই আনৰ জুঠা কেতিয়াও নাখাও," ভাগীৰথীয়ে দৃঢ়তাৰে ক'লে।

"কাৰো জুঠা নোখোৱা?" কুন্দনে আশ্চৰ্য্য হৈ সুধিলে।

"কাৰো জুঠা নাখাওঁ— আনকি ঘৰৰ মানুহৰো। দেউতাই আনৰ জুঠা খোৱাটো বৰ বেয়া কাম বুলি কয়।"

কুন্দনে তাইৰ কথা বিশ্বাস নকৰিলে কাৰণ তাইৰ দেউতাক যে তেনে মনোভাৱৰ মানুহ নহয় সি ভালদৰে জানে। "তুমি সঁচা কথা কোৱা নাই ভাগীৰথী। তুমি মোৰ জুঠা কিয় নোখোৱা তাৰ কাৰণটো মই ভালদৰে জানো।" কৈয়েই সি মনটো মাৰি পেলালে।

বেজাৰ মনেৰে কোৱা কুন্দনৰ কথাষাৰে ভাগীৰথীৰ অন্তৰখন স্পৰ্শ কৰিলে। তাই কুন্দনৰ হাত ৰা চাহৰ পিয়লাটো লৈ এঢোক চাহ খাই আকৌ ঘূৰাই দি ক'লে, "লোৱা, এতিয়া তুমি সুখীতো?"

কুন্দনে কি উত্তৰ দিব বিচাৰি নাপালে। সি যে কিমান বেচি সুখী সেই কথাটো ক'বলৈ সি সঁচাকৈয়ে উপযুক্ত শব্দ বিচাৰি পোৱা নাছিল। সি অনুভৱ কৰিলে— সেই মুহূৰ্তটো তাৰ জীৱনৰ শ্ৰেষ্ঠতম মুহূৰ্ত আছিল। কিন্তু পিছ মুহূৰ্ততে ভাগীৰথীক জোৰ কৰি চাহ খুওৱা একেবাৰে অনুচিত আছিল বুলি সি অনুভৱ কৰিলে। তললৈ মূৰটো কৰি ভাগীৰথী তাতে থিয় হৈ থাকিল যেন তাই একো ভুল কৰা নাই যদিও কোনোবাই তাইক শাস্তি দিবলৈ ধৰিছে। কুন্দনে তাইৰ সোঁহাতৰ তলুৱাখন তাৰ দুই হাতৰ তলুৱাৰ মাজত থৈ কঁপা কঁপা মাতেৰে ক'লে, "ভাগী, যদি মই ভুল কৰিছোঁ তুমি মোক ক্ষমা কৰিবা ..." তাৰ আৰু অনেক কথা ক'বৰ ইচ্ছা আছিল কিন্তু সি

এটা কথাও ক'ব নোৱাৰিলে। ভাগীৰথীৰ হাতটো তাৰ দুই হাতৰ তলুৱাৰ মাজত ৰাখি কিমানপৰ তাত দুয়ো থিয় হৈ থাকিল সেইটো কাৰো মনত খেলা নাছিল। হঠাৎ গোমতীৰ মাতটো শুনি সিহঁত সতৰ্ক হ'ল আৰু কুন্দনে ভাগীৰথীৰ হাতখন এৰি দিলে।

"ইয়াত তোমালোকে কি কৰিছা? অ' বুজিছো!!" কোৱাৰ লগে লগে চাহৰ পিয়লাটোৰ ওপৰত গোমতীৰ চকু পৰিল। তাই খণ্ডেৰে ভাগীৰথীৰ কাণ এখনত ধৰি ভিতৰলৈ টানি লৈ গ'ল আৰু কুন্দন তাতে এটা পুতলাৰ নিচিনাকৈ নিশ্চল হৈ থিয় হৈ থাকিল। সেই সময়ত দুটা শব্দ তাৰ কাণত পৰিছিল— এটা ভিতৰৰপৰা ভাহি অহা ভাগীৰথীৰ উচুপনি আৰু আনটো অলপ দূৰৰপৰা ভাহি অহা তাৰ দেউতাক আৰু ৰামখুৰাৰ আনন্দপূৰ্ণ কথোপকথন আৰু লগতে প্ৰাণখোলা হাঁহিৰ।

অকলে ৰণ জিনিব নোৱাৰি

"ৰমদা, কোৱা।"

"কি ক'ম নৰেণ? তোৰ নিচিনা আকোৰগোজ মানুহ মই নাই। যাব খুজিছ যদি যা কিন্তু তালৈ গৈ তাত যদি চলিব নোৱাৰ। দৰমহা কিমান দিব?"

"ইয়াত যিমান দিছিল সিমান।" ৰামখুৰাৰ চকু দুটা থিয় হ'ল। "তই কি কৈছ নৰেন? মাত্ৰ ডেৰশ টকাৰ কাৰণে জঙ্গলত গৈ চাকৰি কৰিবি? তোৰ মগজটো বেয়া হোৱা নাইতো? সেই দৰমহাৰে তই তাত কি খাবি আৰু ঘৰলৈ ল'ৰা-ছোৱালীৰ কাৰণে পঠাবি কি?"

"ৰমদা, মোৰ থকা আৰু খোৱাৰ ব্যৱস্থা আশ্ৰমত হ'ব। তৰলা ভগিনীয়ে কৈছে। যি মীৰা ভগিনীয়ে যুৱতী অৱস্থাত নিজৰ মাক-দেউতাক আৰু দেশ এৰি গান্ধীজীৰ সেৱাৰ কাৰণে আমাৰ দেশলৈ আহিছিল, তৰলা ভগিনীও তেওঁৰ নিচিনাই বুলি ধৰি লোৱা।"

"থ থ ঢেৰ হ'ল। থ তোৰ তৰলা ভগিনী আৰু মীৰা ভগিনীক। গান্ধীৰ নামৰ মালা জপি জপি তই জীৱনৰ চাৰি ভাগৰ তিনি ভাগ কটাই দিলি। জগতখন কিমান দূৰ আগবাঢ়ি গ'ল আৰু তই এতিয়াও তোৰ পুৰণি জগতখনতে আছ। সেৱা, সেৱা আৰু সেৱা— দিনে-ৰাতিয়ে তোৰ মুখৰপৰা ওলোৱা এই শব্দটো শুনি শুনি মোৰ কাণ দুখন ঘোলা হ'ল। তোৰ সংস্পৰ্শত থাকি সেৱা সোঁচৰা ব্যাধিটো মোৰ গাতো লাগিছিল আৰু সেই ব্যাধিত দুবছৰ ভুগিছিলোঁ; কিন্তু পালো কি? তোৰ মীৰা

ভগিনী, কমলা ভগিনীৰ কথা বাদ দে। তেওঁলোকৰ আমাৰ নিচিনা পৰিয়াল নাই। হেৰ তই মানুহ নে এটা জড় পদাৰ্থ? সেই কথাটো তই আজিও নুবুজিলি।"

"সকলো বুজো ৰমদা। কিন্তু ঘৰত থাকি কি কৰিম? সেই কাৰণেইতো ঘৰ এৰি যাবলৈ ওলাইছো।"

"ঘৰ এৰি যোৱাটো বৰ সাহসৰ কাম নহয় বুইছ। নবৌক সুধিছিলিনে?"

"নবৌয়েৰক?" দেউতাৰ ওঁঠত এটা অস্বাভাৱিক মিচিকিয়া হাঁহি বিৰিঙি উঠিল। তেওঁ কুন্দনৰ পিনে চাই মুখখন আনপিনে ঘূৰালে। কুন্দনে ভাবিলে তাৰ মুখখন খুলিবৰ সেইটোৱেই আচল সময়। ঘৰত মাক-দেউতাকে কথা পাতি থাকোঁতে সি কেতিয়াও তাৰ মাজত সোমাব নোৱাৰে। ঘৰখন সঁচাকৈয়ে আগৰ নিচিনা ঘৰ হৈ থকা নাই।

কুন্দনৰ মুখৰপৰা হঠাৎ ওলাই গ'ল, "খুৰা, মাৰতো বৰ খং উঠিছে।" লগে লগে মাকে তাক কি কৈছিল তাৰ মনত পৰি গ'ল। মাকে কৈছিল, "ৰামখুৰাৰ ঘৰলৈ গ'লে তই তেওঁক মোৰ ওচৰলৈ এবাৰ আহিবলৈ কবি।" কিন্তু সি তেতিয়াও সেই কথাটো কোৱা নাই।

"ৰামী আৰু কুন্দন দুয়ো মোৰ যোৱাৰ বিৰুদ্ধে", দেউতাই হাঁহি ক'লে। সেই কথাষাৰ কওঁতে দেউতাৰ হঁহাৰনো কি প্ৰয়োজন আছিল? সেই কাৰণেইতো দেউতাৰ ওপৰত মাৰ খং উঠে।

"যোৱাবাৰ তৰলা ভগিনী আহি আমাৰ ঘৰত আছিল। ৰমদা, ৰামীয়ে যিয়েই নকওক, তৰলা ভগিনীক কিন্তু বৰ সন্মান কৰে। তেওঁ তৰলা ভগিনীয়ে ভাল পোৱা খাদ্য তৈয়াৰ কৰি তেওঁক খুৱায়", দেউতাই ক'লে।

"আৰু সেইদিনা মাৰ বিছনাখন তেওঁৰ কাৰণে এৰি দি মা মাটিত শুইছিল," কুন্দনে লগে লগে ক'লে। তাৰ ক'বৰ মন আছিল তৰলা ভগিনী সিহঁতৰ ঘৰলৈ মাহেকত অন্ততঃ এবাৰ আহে আৰু প্ৰতিবাৰেই মাই তাকে কৰে।

"ৰমদা, মইতো এটা অজমূৰ্খ। যি শিকিছোঁ তোমাৰ পৰাই শিকিছোঁ। তোমাৰ মনত আছেনে তুমি মোক অনাশক্তি যোগ শিকাইছিলা? সঁচা কথা ক'বলৈ গ'লে, অনাশক্তি যোগ কি তাক তৰলা ভগিনীক দেখিলেই বুজিব পাৰি। তোমাৰ হীৰাডুংৰীৰ পাদুৰীজনৰ কথাষাৰ মনত আছেনে? যেতিয়া যীশুখ্ৰীষ্টক তেওঁৰ মাক-দেউতাকে এমাহমানৰ পিছে পিছে দেখা কৰিবলৈ আহিছিল তেতিয়া যীশুৱে কৈছিল, মই কোনো মাক-দেউতাক চিনি নাপাওঁ। মইতো মোৰ পৰম পিতা পৰমেশ্বৰৰ কাম কৰোঁ।" ৰমদা, গান্ধীজীৰ এই যে বিলাতী শিষ্য আছে, তেওঁলোকৰ কথা-বতৰা এনে ধৰণৰেই।"

ৰামখুৰাই সুধিলে, "সেই পাদুৰীজননো ক'ৰপৰা আহি গোট খাইছিল? ভাগী, আহচোন আই হোকাটোত দুটুকুৰামান এঙাৰ ঢালি দে।"

সেই সুযোগটোৰ কাৰণে কুন্দনে অপেক্ষা কৰি আছিল। সি হোকাটো লৈ ভিতৰলৈ গ'ল আৰু হোঁকাটোত কেইটুকুৰামান এঙাৰ ভৰাই অলপ পিছতে ভিতৰৰপৰা ওলাই আহিল। আজিকালি ঘৰৰ গিৰিহঁতনী গোমতী নহয় ভাগীৰথীহে। কুন্দন নিশ্চয়

পাকঘৰৰ ভিতৰলৈ দ্বিধা বোধ নকৰি সোমাই গৈছিল। তেনে পৰিস্থিতিত দেউতাকে কুন্দনক কেতিয়াবা কেতিয়াবা বাধা দিছিল। তেওঁৰ এই কথাষাৰ এতিয়াও কুন্দনৰ মনত আছে, "এবাৰ কোনো ৰেহাই বা সুবিধা দিলে সেই সুবিধা বাৰে বাৰে লোৱা আমাৰ উচিত নহয়।" ৰামখুৰা যেতিয়াই আমাৰ ঘৰলৈ আহে, দেউতাই মাক ঠাট্টা কৰি কয়, "ৰামী, তোমাৰ এই লোকো গ'ল পৰলোকো গ'ল। এজন উচ্চজাতৰ বামুণক ডোমৰ ঘৰত খাবলৈ দিলা।"

ৰামখুৰাই প্ৰত্যেকবাৰতে হো হো কৰি হাঁহি কয়, "নবৌ, সেইবাবে তোমাৰ চিন্তা কৰিবৰ বা মন বেয়া কৰিবৰ একো নাই। গোটেইখন চহৰৰ মানুহে এই ডোম-বামুণক চিনি পায়। কোৱা, মই সঁচা কথা কোৱা নাই জানো?"

ৰামখুৰাকৰ মনটো ইমান বহল হ'লেও ছোৱালীক খ্ৰীষ্টিয়ান মিছন স্কুললৈ পঠোৱাত তেওঁ কিয় পক্ষপাতী নহয় কুন্দনে বুজিবলৈ টান পায়। ছোৱালীৰ কাৰণে এখন বেলেগ মিছন স্কুল খোলা হ'ল আৰু তাত পঢ়িবলৈ বেচেৰী ভাগীৰথীৰ বৰ ইচ্ছা থকা সত্ত্বেও ৰামখুৰাই তাত পঢ়িবলৈ নিদিয়ে। তেওঁ কয়, "ছোৱালীৰ শিক্ষা-দীক্ষা একেবাৰে বেলেগ ধৰণে হোৱা উচিত।" ইয়াৰ অৰ্থ কি? দেউতায়ো তেওঁৰ কথাত হয়ভৰ দিয়ে। তেওঁলোকে বিচাৰে কুন্দনেও যেন মিছন স্কুলত নপঢ়ে। মিছন স্কুলৰ প্ৰতি তেওঁলোকৰ কিয় ইমান বিতৃষ্ণা কুন্দনে তাৰ কাৰণ কোনোমতেই ভাবি উলিয়াব নোৱাৰে।

ৰামখুৰাৰ বৈঠকখানাত তাৰ দেউতাক আৰু ৰামখুৰাই ঘণ্টাৰ পিছত ঘণ্টা ধৰি কথাৰ মহল্লা মাৰে আৰু সেই সময়ত হোকাত একেৰাহে মলা ধপাত আৰু এঙাৰৰ যোগান কুন্দন আৰু ভাগীৰথীয়ে ধৰি থাকে। দুজন মানুহে যে একেৰাহে ইমান ধপাত খাব পাৰে দেখি কুন্দন আচৰিত হয়। তেওঁলোক দুয়ো এক মিনিটো হোকাত হোপা নমৰাকৈ থাকিব নোৱাৰে। চিলিমটো লৈ কুন্দন এঙাৰ ভৰাবলৈ ভিতৰলৈ যায় আৰু ভাগীৰথীয়ে পাকঘৰৰ চৌকাৰপৰা দুই-তিনি ডোখৰমান এঙাৰ তুলি তাক দিয়ে। সেই সময়খিনিতে দুয়ো দুয়োৰ পিনে চায় আৰু দুয়োৰে মুখ দুখন উজ্জ্বল হৈ উঠে।

এদিন কুন্দনে ভাগীৰথীক পাকঘৰতে ক'লে, "ভাগীৰথী, দেউতাই খুৰাক ক'লে, আৰু খুৰা মান্তি হ'ল।"

ভাগীৰথীয়ে একো বুজিব নোৱাৰি আচৰিত হৈ সুধিলে, "কি?"

"খুৰাক দেউতাই ক'লে, "বিশাৰদৰ পৰীক্ষা তোমাক দিয়াবই। কাইলৈ তাৰ কাৰণে ফৰ্ম ভৰাব। প্ৰথমেতো খুৰাই মানা কৰিছিল কিন্তু দেউতাই তেওঁক প্ৰায় ধম্‌কি দিয়াত খুৰা মান্তি হ'ল।"

ভাগীৰথীয়ে কুন্দনলৈ এনেভাবে একেৰাহে চাই ৰ'ল যেন তাই তাক আগতে কেতিয়াও দেখা নাছিল। এজন নতুন ল'ৰাই এটা ভাল লগা নতুন কথাহে তাইক শুনালে।

"যদি তুমি কোৱাময়ো বিশাৰদ পৰীক্ষাৰ কাৰণে তোমাৰ লগত ফৰ্ম ভৰাওঁ" কুন্দনে ক'লে।

"বিশাৰদ কৰি তুমি কি কৰিবা? তুমিতো পঢ়ি আছা।" ভাগীৰথীৰ মাতটো কুন্দনৰ বৰ কোমল আৰু আপোন আপোন লাগিল।

"সেই পঢ়া বেলেগ কথা আৰু হিন্দীত বিশাৰদ পৰীক্ষা দিয়া বেলেগ কথা। ৰাম খুৰাই আমাক পঢ়াব," কুন্দনে একে উশাহতে ক'লে। কিমান যে মিছা কথা। বিশাৰদ পঢ়িবলৈ তাৰনো ক'ত ইচ্ছা আছে? তাৰ ইচ্ছা ভাগীৰথীৰ লগত একেলগে বহি পঢ়িবলৈ।

"চাওঁ, হোঁকাটো ইফালে কৰাচোন। এঙাৰ আৰু ধপাত দিবলৈ মোৰ সুবিধা হ'ব," অন্যমনস্ক হৈ থকা কুন্দনক ভাগীৰথীয়ে ক'লে। লগে লগে বৈঠকখানাৰপৰা ৰামখুৰাই মাত লগালে, "ভাগী, হোঁকাটো পঠাই দেচোন সোনকালে, ইমান দেৰি হ'ল!" কুন্দন দৌৰি যায় আৰু ৰামখুৰাৰ হাতত হোকাটো তুলি দিয়ে।

"তই খ্ৰীষ্টিয়ান হ'বলৈ ধৰিছিলি, মনত আছেনে তোৰ সেই দিনবোৰৰ কথা?" ৰামখুৰাই বৰ জোৰেৰে হাঁহি দিয়ে আৰু লগতে দেউতাইয়ো। নিশ্চয় অনেক কথা লুকাই আছে যিবোৰ আজিলৈকে কুন্দনে নাজানে।

"তোৰ মনত আছেনে কেনেকৈ এট্‌কিন্সন তোৰ পিছত পৰিছিল?"

"বাঃ ৰমদা, তোমাৰ এতিয়াও তাৰ কথা মনত আছে? বেচেৰাই মোৰপৰা অনেক আশা কৰিছিল। প্ৰশিক্ষণৰ কাৰণে সিয়েইতো মোক পঠাইছিল।"

"তেন্তে খ্ৰীষ্টিয়ান নহ'লি কিয়? তোৰ তৰলা ভগিনীতো আছেই। তেওঁৰপৰাই দীক্ষা ল'ব পাৰিলিহেঁতেন। পৰিশ্ৰম কৰি অৰ্জন কৰা টকাৰে আমি পাঠশালা খুলিছিলোঁ কিন্তু তাৰ ফল কি পালো? শূন্য। কিন্তু আমাৰ স্কুললৈ নিজৰ ল'ৰা-ছোৱালী পঠাবলৈ যিবোৰ মানুহৰ জান গৈছিল, তেওঁলোকে এই মিছনেৰী সকলৰ আগত এতিয়া কেনেকৈ দাঁত চেলাই আছে চাচোন! মইতো তোক এতিয়াও কওঁ তই খ্ৰীষ্টিয়ান হ কাৰণ খ্ৰীষ্টিয়ান হ'লেই তই তৎক্ষণাত স্কুলৰ হেড মাষ্টৰ হ'বি। তাত অলপো সন্দেহ নাই। হেডমাষ্টৰ হ'লেই তোৰ সকলো দাৰিদ্ৰ দূৰ হ'ব।"

দেউতাই জোৰেৰে মূৰটো লৰাই খুৰাৰ কথাবোৰ ভুল বুলি প্ৰতিবাদ কৰিলে। ৰামখুৰাৰ কথাবোৰ তেওঁৰ একেবাৰে ভাল লগা নাছিল। কুন্দনৰ ভয় হ'ল জানোচা তাৰ দেউতাক আৰু খুৰাৰ মাজত তৰ্কাতৰ্কি লাগে। তাৰ সেই গম্ভীৰ পৰিৱেশটো ভাল লগা নাছিল।

দেউতাই শান্ত স্বৰে ক'লে, "ৰমদা, এটা পটন্তৰ আছে নাচিব নেজানিলে চোতালখন বেকা বুলি ক'লে লাভ কি? এই ক্ষেত্ৰত মিছনেৰীক দোষ দিলে কি লাভ হ'ব? আমিয়েই তেওঁলোকক মাতিছিলো। তেওঁলোকৰ ধৰ্ম হ'ল সেৱা। ধৰ্মৰ প্ৰচাৰ সেৱাৰ কাৰণেই কৰিছিল কাৰণ তেওঁলোক প্ৰচাৰ কামত লিপ্ত নোহোৱাহেঁতেন তেওঁলোকে সেৱা কৰিব নোৱাৰিলেহেঁতেন। তেওঁলোকৰ স্বাৰ্থ আৰু পৰমাৰ্থ দুয়োটা একেলগে যায় আমাৰ দুৰ্বলতাৰ কাৰণে। তেন্তে আমি বেয়া পাবৰ কি আছে? বাপুৱে কৈছিল আমি যদি নিজৰ ঘৰখন চাফ-চিকুণকৈ ৰাখোঁ তাত আমি ভালকৈ থাকিম আৰু আন মানুহো আমাৰ লগত মিলাপ্ৰীতিৰে থাকিবলৈ আহিব।

যদি আমি তাকে নকৰোঁ, সেই ঘৰখন আমাৰ কাৰণে উপযুক্ত নহয় আৰু আনৰ কাৰণেও।

ৰামখুৰাই দেউতাৰ পিনে এবাৰ তীক্ষ্ণ দৃষ্টিৰে চাই দেউতাৰ মনটো অধ্যয়ন কৰিলে। তাৰ পিছত এটা পাতল মিচিকিয়া হাঁহি মাৰি তেওঁ ক'লে, "যদি নিজৰ পাপক সঁচা বুলি ভাব, তাৰ পৰাচিতৰ কাৰণে দূৰলৈ পলাই যোৱাৰ কাৰণ কি?"

"কোনে কৈছে মই পলাই যাবলৈ ধৰিছোঁ?" ... দেউতাই কথাষাৰ ইমান উচ্চস্বৰে ক'লে যে কুন্দনৰ বুকুখন ঢপঢপাবলৈ ধৰিলে।

"হেৰ, তই পলাই যাবি বুলি কোনে কৈছে? তই অনৰ্থক মোৰ ওপৰত খং কৰিছ। বাৰু সেইবোৰ বাদ দে। মাত্ৰ তই মোক ইমানকে কচোন তোৰ গান্ধীৰ সেই বুনিয়াদী শিক্ষা সম্বন্ধীয় ধাৰণাটো ব্যৰ্থ হ'ল কিয়?"

"কোনে ক'লে ব্যৰ্থ হ'ল? তুমি এপিনে স্কুলত ভৰ্তি হ'বলৈ নিদিয়া আৰু পৰীক্ষা দিবলৈও নিদিয়া আৰু আন পিনে ছাত্ৰটোক কোৱা 'তই ফেল হ'লি।' ৰমদা, বাপুক তেওঁৰ মহান স্বপ্নটোক দিঠকত পৰিণত কৰিবলৈ সুযোগ পাবলৈ দিয়াচোন।"

"আকৌ সেই একে কথা। বুইছ, সুযোগ দিয়া নাযায়, নিজে বিচাৰি উলিয়াব লাগে। যিহেতু এই দেশত বুনিয়াদী শিক্ষাৰ কোনো প্ৰয়োজন নাই আৰু তই কোৱা মহান ধাৰণাটো কাৰো কামত নাহে, তাৰ ওপৰত গুৰুত্ব দিয়াৰ আৱশ্যক কি? যিটো বস্তু মানুহৰ অত্যন্ত আৱশ্যক তাৰ পিছে পিছে মানুহ পগলাৰ নিচিনাকৈ দৌৰা তই দেখিছ? তোৰ নিজৰ ডোমৰ বৰশীটোলৈকে এবাৰ চাচোন। অনেক ডোমৰ ল'ৰাই চেইণ্ট কলম্বাচত পঢ়িছে বুলি তাৰ হেড্‌মাষ্টৰে কৈছে। অৰ্থাৎ এতিয়া সকলোকে ইংৰাজী স্কুল লাগে, তোৰ বাপুৰ বুনিয়াদী শিক্ষা নালাগে। যদি এই পিছপৰা ঠাইডোখৰৰ মানুহৰে এনে মনোভাৱ হয় বাকী ডাঙৰ ডাঙৰ চহৰবোৰৰ মানুহৰ মনোভাৱ কি হ'ব ভাবি চাচোন। যিবোৰ মানুহে এসময়ত ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে আঠ অনা পইচা খৰচ কৰিবলৈ টান পাইছিল, এতিয়া সেই মানুহবোৰে ইংৰাজী স্কুলত নিজৰ ল'ৰা-ছোৱালীক ভৰ্তি কৰাবলৈ স্কুল কৰ্তৃপক্ষৰ ভৰিৰ তলুৱা চেলেকে আৰু মাহে পঁচিশ টকা মাচুল দিবলৈ তেওঁলোক ৰাজী হৈছে। যি পিছফালৰপৰা তোক ডোম আৰু মোক ডোম-বামুণ বুলি কয়, সিহঁতে সন্মুখত বৰশীৰ 'ফাডাৰ' বুলি কয়। এই কথাটো মই তোক আগতে কোৱা নাছিলোঁ জানো? তয়েই কচোন এতিয়া এই 'ফাডাৰলেণ্ড'ত তোৰ আৰু মোৰ স্থান ক'ত?"

'ফাডাৰলেণ্ড' শব্দটো শুনাৰ লগে লগে কুন্দনে ঢেক্‌ঢেক কৰে হাঁহিবলৈ ধৰিলে আৰু ক'লে, "ৰামখুৰা, 'ফাডাৰলেণ্ড' আৰু 'মাডাৰলেণ্ড'ৰ মাজত কিবা পাৰ্থক্য আছেনে?"

"আছে", ৰামখুৰাই ক'লে। তেওঁ তেতিয়ালৈকে কুন্দনৰ প্ৰতি মনোনিৱেশ কৰা নাছিল। তেওঁ কুন্দনৰ সেই প্ৰশ্নটোৰ উত্তৰ পৰোক্ষভাৱে তাৰ দেউতাকক দিলে, "তই সুযোগ আহিলে তোৰ বাপুৰ ধাৰণাবোৰ কাৰ্যকৰী হ'ব বুলি কৈছিলি। তই আৰু মই এতিয়া মাৰ যাবলৈ ধৰা বেলিটোৰ নিচিনা কিন্তু ইয়াৰ অৰ্থ কুন্দনৰ বাবে কি হ'ব?

ই গান্ধীক মানিবনে নে নেহৰুক? হিন্দীক মানিবনে ইংৰাজীক? নিজৰ ঘৰখনক চাবনে গোটেই সমাজখনক? তই তেইশ মে'ত পাটোৱাৰী চাকৰিটো এৰি দিছিলি; সেই সময়তে তোৰ পদোন্নতি হ'বলগীয়া আছিল। কিন্তু কিয়? তেতিয়া লোণ আইন অমান্যকাৰী বিদ্ৰোহীবিলাকক ধৰি জেললৈ পঠোৱা তোৰ কৰ্তব্য নাছিলনে? যদি তই গান্ধীক সুধিলিহেঁতেন তেৱোঁ ক'লেহেঁতেন পাটোৱাৰী হিচাপে তোৰ সেইটোৱেই কৰ্তব্য আছিল।"

"ভুল, একেবাৰে ভুল ৰমদা। মই কৰ্তব্য পালন নকৰি পলাইছিলোনে অসহযোগ কৰিছিলোঁ। মই প্ৰথমতে চাকৰি ইস্তফা দিছিলোঁ আৰু তাৰ পিছতহে যি কৰিব লাগে কৰিছিলোঁ।"

"তই চন্দ্ৰসিংহ গঢ়োৱালীৰ নাম শুনিছ?"

"তুমি কি ক'ব খুজিছা, ৰমদা?" দেউতাই সুধিলে।

"তেওঁ পল্টনত থকাৰ সময়ত পাঠানৰ ওপৰত গুলী কৰিবলৈ অস্বীকাৰ কৰিছিল। সেইটো অসহযোগ নাছিলনে? কিন্তু জেলৰপৰা ওলাই যেতিয়া তেওঁ সবৰমতী আশ্ৰমত গান্ধীজীৰ সাক্ষাত কৰে তেতিয়া কি হ'ল জাননে? তোৰ গান্ধীয়ে সেই বীৰক এনে অনুশাসন শিকালে যে পিছত তেওঁ সাম্যবাদী হ'ল।"

"হ'ব পাৰে। কিন্তু তাৰদ্বাৰা প্ৰমাণ হ'ল— বাস্তৱত তেওঁৰ সেইটো অসহযোগ নাছিল। বিভিন্ন বীৰৰ মাজত যে পাৰ্থক্য থাকিব পাৰে সেইটো তুমি মানিব লাগিব। উনৈশ শ বত্ৰিশ চন আৰু উনৈশ শ বিয়াল্লিশ চনৰ মাজতো পাৰ্থক্য আছিল। তুমি এবাৰ মোক পৃথ্বী সিং আজাদৰ কাহিনী কৈছিলা। সেই বিপ্লৱী বীৰ গান্ধীজীৰ আশ্ৰমত অনেক দিন আছিল আৰু পিছত সাম্যবাদী হৈছিল। তুমিয়েই এই কথাটো মোক কৈছিলা, মই আগতে জনা নাছিলোঁ।"

"ওঁ কৈছিলোঁ। তেওঁ সাম্যবাদী হ'ল— তাত কি আছে?"

"কি আছে? শুনা ৰমদা, সাম্যবাদী হোৱা সহজ কিন্তু সত্যাগ্ৰহী হোৱা টান। তোমাৰ চন্দ্ৰসিংহ গঢ়ৱালী আৰু পৃথ্বীসিং আজাদ বীৰ পুৰুষ আছিল তাত অলপো সন্দেহ নাই। কিন্তু তুমি যিমান ডাঙৰ বীৰ আছিল বুলি কৈছা সিমান ডাঙৰ বীৰ নাছিল। মই পৃথ্বীসিং আজাদৰ সেই চিঠিখন পঢ়িছিলোঁ— য'ত কুৰি বছৰ ধৰি সন্ত্ৰাসবাদীৰ জীৱন যাপন কৰাৰ পিছত তেওঁ গান্ধীজীৰ পথ গ্ৰহণ কৰিবলৈ প্ৰতিজ্ঞা কৰিছিল আৰু সেই কথা গান্ধীজীয়ে নিজৰ সংবাদপত্ৰত প্ৰকাশ কৰিছিল। তুমি ক'ব খোজা নে সেইবোৰৰ মূল্য একো নাছিল? ইয়াৰদ্বাৰা কি প্ৰমাণিত হয়? এটা অস্থিৰ আৰু গতিশীল চিত্তৰ সেৱা নহয় জানো? এনেয়ে, বীৰ পুৰুষসকলৰ বীৰত্ব আৰু সৎকৰ্ম কাৰণে তেওঁলোকক প্ৰশংসা কৰাৰ বাহিৰে তাতকৈ বেছি আমিনো কি কৰোঁ? ... তুমি ..."

"মই একোৱেই নহওঁ কিন্তু তই এটা বীৰ— কাৰণ তই গান্ধীৰ শিষ্য। দেশৰ সকলো যুৱক শক্তি নাশ হ'ল— তাৰ শেষফল তই দেখা পাইছ। প্ৰথমতে, নিজৰ শক্তি আৰু সামৰ্থ্যলৈ চা আৰু তাৰ পিছত নিজৰ ক্ষমতাক চালিজাৰি চাই নিজৰ

মূল্যাঙ্কণ কৰ। দেখিবি চৰিত্ৰৰ ঘৰত শূন্য। চাই গৈ থাক নৰেনৰাম তোৰ এই সত্যাগ্ৰহে মানুহক কি দিছে। তাৰ লক্ষণ এতিয়াও তই দেখা নাইনে? তই মোৰ কথাবোৰ ভালদৰে ভাবি চা।"

ৰামখুৰা মনে মনে থাকিল। তেওঁ বেচ উত্তেজিত হৈছিল কিন্তু কথা কৈ থাকোতে শেহৰ পিনে তেওঁৰ সেই উত্তেজনা কম হৈছিল। তেওঁ হোকোটাৰ কথা পাহৰি গৈছিল, এতিয়া মনত পৰিল। কিন্তু তেওঁক হোকা নালাগে, লাগে চাহ— একাপ গৰম চাহ। ভাগীৰথী চাহ দুকাপ লৈ পাকঘৰৰপৰা ওলাই আহিল। চাহৰ কাপ দেখি ৰামখুৰাৰ আনন্দৰ সীমা নোহোৱা হ'ল। তাই দুয়োকে চাহ খাবলৈ দিলে। চাহ খাই থাকোতেই ৰামখুৰাই ভাগীৰথীক সুধিলে, "শুনিছোঁ তই পৰীক্ষা দিবি। পৰীক্ষা দিবলৈ ক'লৈ যাব লাগিব?"

"দূৰলৈ নহয় দেউতা। এই টাউন স্কুলত পৰীক্ষা হ'ব। পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিমনে নোৱাৰিম মই একো নাজানো।"

"কিয় উত্তীৰ্ণ নহ'বি আই? তইতো হিন্দীত ইমান ভাল। তই পৰীক্ষা দিবি যেতিয়া কুন্দনকো শিকাই দিবি। ই হিন্দীত তোৰ সমান ভাল নহয় যেন লাগে। মোক লাগে তহঁত দুয়ো যেন পৰীক্ষাত উত্তীৰ্ণ হৱ।"

'বাৰু দেউতা' বুলি কৈ ভাগীৰথী ভিতৰলৈ সোমাই গ'ল। দেউতাকৰ কথাবোৰ শুনাৰ সময়ত ভাগীৰথীৰ মুখখন যে উজ্জ্বল হৈছিল কুন্দনে লক্ষ্য কৰিছিল। কিন্তু তাইৰ পৰীক্ষা দিয়াৰ ধাৰণাটো প্ৰথমে কুন্দনেই বাহিৰ কৰিছিল আৰু পিছত তাৰ চেষ্টাতেই সেইটো কাৰ্যকৰী হৈছিল। আৰু এতিয়া দেউতাকৰ সকলো প্ৰশংসা ভাগীৰথীয়েই পালে আৰু সি একোৱেই নাপালে। বাৰু যাওক সেইবোৰ কথা। সি যে ভাগীৰথীৰ লগত বহি পঢ়িব পাৰিব তাতকৈ বেছি তাকনো আৰু কি লাগিছে। কিন্তু সি ৰাম খুৰাক 'খুৰা' বুলি সম্বোধন কৰে যেতিয়া, তাই তাৰ দেউতাকক 'খুৰা' বুলি সম্বোধন নকৰে কিয়? কিমান আপোন যেন লাগিলহেঁতেন। কুন্দনে মনে মনে ভাবিলে। এনেতে ভাগীৰথী আকৌ ভিতৰৰপৰা ওলাই আহিল।

আকৌ কিনো কাম আছে মহাৰাণীৰ? কুন্দনে ভাবিলে।

"দেউতা, আপোনালোকে আজি আমাৰ ইয়াতে ভাত খাব?" ভাগীৰথীয়ে দেউতাক ক'লে।

"নহয় আই তোমাৰ খুৰীয়ে ভাত ৰান্ধি আমাৰ কাৰণে অপেক্ষা কৰি থাকিব। আজি অনেক দেৰি হৈ গ'ল। "ব'ল কুন্দন, উঠ," কৈয়েই দেউতা যাবলৈ উদ্যত হ'ল।

ভাগীৰথীয়ে লৰালৰিকৈ গৈ কুন্দনৰ দেউতাকৰ হাতত ধৰি ক'লে, "নহয় তাৰৈ, আপোনাক মই কেতিয়াও যাবলৈ নিদিওঁ। মই সকলো বস্তু ৰান্ধিলোঁ, সেইবোৰ কোনে খাব?"

"নৰেন, জেদ নকৰিবি— খাই যা। বেচেৰীয়ে তোৰ কাৰণেই যত্ন কৰি ৰান্ধিছে। আই, কি কি ৰান্ধিছ? ঘৰত শাক-পাচলি কিবা আছিল জানো?" ৰামখুৰাই ভাগীৰথীক সুধিলে।

ভাগীৰথীয়ে কি কি ৰান্ধিছে তাৰ সম্পূৰ্ণ লিষ্ট দিলে। আলু-মটৰৰ জোল, মাটি-দাইল, বেঙেনা ভজা, পালেং শাক আৰু চাটনি ...”

আলু-মটৰৰ জোল দেউতাই বৰ ভাল পায়। নামটো শুনি হয়তো দেউতাৰ জিভাৰ পানী ওলাব পায়। কিন্তু মায়ো আজি আলু-মটৰৰ জোল ৰন্ধাৰ কথা আছিল। কুন্দনে ভাবিলে।

“আই, আন এদিন খাম। খুৰীয়েৰে ৰান্ধিবাঢ়ি আমাৰ কাৰণে ৰৈ থাকিব। বস্তুবোৰ নষ্ট হ'লে তেওঁ বেয়া পাব।”

“থ, থ। হেৰ' নবৌয়ে বেয়া পোৱাৰ কথা তই কেতিয়াবা চিন্তা কৰনে?” ৰামখুৰাই দেউতাৰ কথাবোৰ উৰুৱাই দি মোক ক'লে, “বহ কুন্দন। যোৱাৰ কথা বাদ দে। খাই-বৈ আমি সকলো বজাৰৰ পিনে যাম। তাত মোৰ কাম আছে। বজাৰৰ পৰাই তহঁত ঘৰলৈ যাবি। শুন নৰেন, তই নবৌৰ কথা চিন্তা কৰিব নালাগে। তেওঁক ঠাণ্ডা কৰা মোৰ কাম।”

দেউতা খাবলৈ ৰাজী হ'ল। কিন্তু কুন্দনে জানে তেওঁৰ ভাল লগা নাছিল। ঘৰৰ বাহিৰে তেওঁৰ বাহিৰত খোৱাৰ অভ্যাস নাই। জ্বালি-কোটলৈ গ'লে তাতে তেওঁ কি খাব আৰু কেনেকৈ থাকিব সি ভাবি ওৰ নাপালে।

ৰামখুৰাৰ বৈঠকখানাত তেওঁৰ পত্নীৰ এটা ডাঙৰ ফটো বেৰত আঁৰি থোৱা আছিল। তাৰ তলতে বহি ৰামখুৰাই ভাগীৰথীক ক'লে, “আই,খোৱাবস্তুবোৰ ইয়ালৈকে লৈ আহ। আজি আমি সকলোৰে ইয়াতে বহি খাম।”

খাই থাকোতে দেউতাই ভাগীৰথীক ক'লে, “আই, আজি প্ৰথম তই ৰন্ধা বস্তু খাইছোঁ। খাই বৰ ভাল লাগিছে। আগতে জানকী বায়েৰাই ৰন্ধা বস্তু খাইছিলোঁ। তাইৰ কথা এতিয়া বৰকৈ মনত পৰিছে।”

“নৰেন, খোৱা-বোৱা সকলো তাইৰ লগতে গ'ল। তাইৰ পিছত গোমতী গ'ল আৰু কিছু দিনৰ পিছত মোৰ সৰু ছোৱালীজনীও যাব।” অলপপৰ ৰৈ ৰামখুৰাই বিষাদভৰা মাতেৰে ক'লে, “নৰেন, তয়ো অলপতে ইয়াৰপৰা গুচি যাবি। তই যোৱাৰ পিছত মই ইয়াত অকলে থাকি কি কৰিম?” কওঁতে কওঁতে ৰামখুৰাৰ মাতটো পিছৰ পিনে নুশুনা হ'ল, তেওঁক শোকে খুন্দা মাৰি ধৰিলে যেন লাগিল। দেউতা মনে মনে থাকিল। তেওঁ ৰামখুৰাৰ গভীৰ বেদনা উপলব্ধি কৰিলে আৰু কি উত্তৰ দিব বিচাৰি নাপালে।

দেউতাক নীৰৱ দেখি ৰামখুৰাই সুধিলে, “নৰেন, তই মোক কচোন কিয় ঘৰ এৰি তালৈ যাবলৈ ওলাইছ? আচল কাৰণ কি?”

এইবাৰ দেউতা মনে মনে থাকিব নোৱাৰিলে। তেওঁ বেজাৰ মনেৰে কৈ গ'ল, “ৰমদা, তোমাক কি কম? মই বৰ বেয়া পৰিস্থিতিত পৰিছোঁ। শম্ভুৰ লগতো মই মিলিব পৰা নাই আৰু খাদী আশ্ৰমৰ মানুহবোৰৰ লগতো সিহঁতৰ বেয়া ব্যৱহাৰৰ কাৰণে মিলিব পৰা নাই। স্কুলখন চলাইছিলোঁ, সেইখনো বন্ধ হৈ গ'ল। বাতৰি কাকতখন খুলিছিলোঁ— সেইখনো বন্ধ হৈ যোৱাৰ কাৰণে মোৰ যি পুঁজি আছিল সকলো গ'ল।

মই এতিয়া কোনো পিনে কূল নোপোৱা হ'লোঁ। তৰলা ভগিনীয়ে গাৱঁত এখন স্কুল খুলি থৈছে। মই সেই স্কুলখন চলোৱাৰ উপৰি আশ্ৰমখনো চোৱাচিতা কৰিব লাগিব। মোৰ ওপৰত তেওঁৰ সম্পূৰ্ণ ভৰসা আছে। এনেকুৱা তপস্বিনীয়ে মোৰ সহায় ভিক্ষা কৰিছে যেতিয়া মই তেওঁক কেনেকৈ প্ৰত্যাখ্যান কৰোঁ ৰমদা? কিছু সময়ৰ কাৰণে এই নৰকৰপৰা ওলালে অন্ততঃ প্ৰাণটো পাতল হ'ব— তাকেই মই ভাবিছোঁ। সঁচা কথা ক'বলৈ গ'লে মই যাবলৈ বাধ্য হৈছোঁ।"

ৰামখুৰাই দেউতাৰ সকলো কথা মনপুতি শুনিলে। তাৰ পিছত তেওঁ পূৰ্ণ বিশ্বাসেৰে নিজৰ সিদ্ধান্ত ব্যক্ত কৰিলে। কুন্দনে ৰামখুৰাৰ দৃঢ়তাপূৰ্ণ মুখখনলৈ লক্ষ্য কৰিলে আৰু বুজিলে দেউতাৰ সেই সিদ্ধান্তক ত্যাগ কৰাবলৈ তেওঁ দৃঢ় প্ৰতিজ্ঞ হৈছে।

"চা নৰেন, যেতিয়া তই এই সিদ্ধান্তত উপনীত হলি নিশ্চয়, অনেক ভাবি-চিন্তি হৈছিলি। তেন্তে ৰমদাৰ উপদেশৰ প্ৰয়োজন কি? অৱশ্যে, তই মোৰ আপোন মানুহ আৰু সেই কাৰণে তোৰ ভালৰ কাৰণে মোৰ ক'বলগীয়া কথাবোৰ তোক কমেই। তই মোৰ সজ উপদেশ মাননে নামান সেইটো তোৰ ওপৰত নিৰ্ভৰ কৰে। তোক মই কেনেকৈ বুজাম নৰেণ? যদি তই তালৈ যাৱ— পিছত অনুতাপ কৰিবি, মনত বৰ দুঃখ পাবি। সময় অনেক বদলি হ'ল। তই বালিৰপৰা তেল বাহিৰ কৰিবলৈ চেষ্টা কৰিছ। তোৰ তৰলা ভগিনীৰ কথা বেলেগ। তেওঁৰ ঘৰ-সংসাৰ নাই আৰু তাৰ কাৰণে তেওঁ চিন্তাও কৰিব নেলাগে। তোৰ এখন ঘৰ আছে, পত্নী আৰু ল'ৰা-ছোৱালী আছে— যাৰ সুখ-সন্তোষৰ কাৰণে কৰিবলগীয়া কৰ্তব্য আছে। সেই কৰ্তব্য তৰলা ভগিনীৰ নাই। গোটেই জগতখনেই তেওঁৰ পৰিয়াল আৰু ঘৰ-সংসাৰ। তেওঁৰ লগত তই নিজকে তুলনা নকৰিবি। তই তোৰ ল'ৰা-ছোৱালীৰ মুখখনলৈ চা, ৰামীৰ মুখখনলৈ চা। এই জুৱা খেল এৰ। ইয়াত কি সত্যাগ্ৰহ আছে মোক ক-চোন?"

ৰামখুৰাই খন্তেক ৰৈ দেউতাৰ মনোভাৱ অনুমান কৰিবলৈ ধৰিলে। তাৰ পিছত ক'লে, "কোনো এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে তাত যে অলপো ভুল নাই নিশ্চিত নহ'বি। আনৰ পৰামৰ্শ লবি, আনৰ মতামত লবি। আনৰ পৰামৰ্শ আৰু মতামতে তোৰ ভুল ভ্ৰান্তিবোৰ দেখুৱাই দিব। মোৰ কথাবোৰ তোৰ ভাল নালাগিব পাৰে। কিন্তু যাক সকলোৱে দেখে তাক তই দেখা নাই কিয়? তই কোনখন জগতত, কোনটো যুগত বাস কৰিছ? এইটো গান্ধীৰ যুগ নহয় নৰেন। গান্ধীৰ যুগ গ'ল। তাক কোনেও ঘূৰাই আনিব নোৱাৰে। গান্ধী জীয়াই থাকক নৰেন, কিন্তু নিজৰ দেশত নহয়। তই মোৰ কথাবোৰ সঁচা বুলি মানি ল।"

"মই মানিব নোৱাৰো, ৰমদা, যিদিনা মানি ল'ম, সেইদিনা মই জীয়াই নাথাকিম।"

কি হ'ল ৰামখুৰাৰ? তেওঁ অধৈৰ্য্য হৈ দেউতাৰ ডিঙিত সাবট মাৰি ধৰি কান্দিবলৈ ধৰিলে। কুন্দন আচৰিত হ'ল। সি ভুল দেখা নাইতো? এইয়াতো ৰামখুৰাই সৰু ল'ৰা এটাৰ নিচিনাকৈ দেউতাক সাবটমাৰি ধৰি কান্দিছে।

"নৰেন! নাযাবি নৰেন। তই মোক অকলে এৰি থৈ নাযাবি। তই পগলা হলি, সঁচাকৈয়ে তই পগলা হলি নৰেন।"

"ৰমদা, ৰমদা, কি হ'ল তোমাৰ? এই ল'ৰা-ছোৱালী দুটাই ভয় খাইছে তোমাৰ এই কাণ্ড-কাৰখানা দেখি। মইনো ক'ত যাবলৈ ধৰিছোঁ? তুমি যেতিয়া ক'বা, তেতিয়াহে যাম। তোমাৰ উপদেশ নোলোৱাকৈ মই কেতিয়াবা কোনো গুৰুত্বপূৰ্ণ কাম কৰিছোঁ জানো?"

কি আচৰিত। দেউতাৰ মাতটোও যে কঁপিছে! কি যে বিড়ম্বনা!

অলপ সময়ৰ পিছত দুয়ো বুঢ়া গীৰ্জা ঘৰলৈ যোৱা ৰাস্তায়েদি বজাৰৰ পিনে গৈ থাকিল। দুয়ো নিমাত, কোনেও এটা কথাও উচ্চাৰণ নকৰিলে। তাতোকৈ নিমাত তেওঁলোকৰ প্ৰায় গাতে গা লগাই পিছে পিছে গৈ থকা ল'ৰাটো আৰু ছোৱালীজনী। ভাগীৰথী বায়েকৰ ঘৰলৈ যোৱাৰ কথা আছিল কিন্তু নগ'ল, তাই কুন্দনৰ মাকৰ ওচৰলৈ যাবলৈ স্থিৰ কৰিলে। কুন্দনৰ সেইটো ভাল লগা নাছিল। কিন্তু কিয়?

এই কাৰণেই যে কুন্দনৰ নিজৰ ঘৰখন ভাল নালাগে বিশেষকৈ যেতিয়া সি ৰামখুৰাৰ ঘৰৰপৰা ওভতে। আৰু যেতিয়া ভাগীৰথী সিহঁতৰ ঘৰলৈ আহে তেতিয়া সিহঁতৰ ঘৰখন বৰ লেতেৰা যেন লাগে। ভাগীৰথী সিহঁতৰ ঘৰলৈ বাৰু কেতিয়া আহিছিল? মাত্ৰ এবাৰ যেতিয়া তাই সপ্তম শ্ৰেণীত পঢ়িছিল। যোৱা তিনি বছৰৰ ভিতৰত সি কিন্তু ভাগীৰথীহঁতৰ ঘৰলৈ কুৰিবাৰ মান গৈছে। কিন্তু সি ইমানবাৰ গ'ল কিয় আৰু তাৰ নিচিনাকৈ ভাগীৰথী সিহঁতৰ ঘৰলৈ নাহে কিয়? আন এটা প্ৰশ্ন উঠে তাইৰ নহাটো তাৰ মনত অস্বাভাৱিক লগা নাই কিয়?

উত্তৰটো বৰ কঠিন, বৰ জটিল। ইমান কঠিন আৰু জটিল যে আজিলৈকে সি তাক বিচাৰি উলিয়াব পৰা নাই। নহয় জানো কুন্দন ওৰফে প্ৰফেচাৰ তামতা?

দেউ আপুনি ডুবিলে

"তোমাৰ অবিহনে নৰেনে খুদকণ এটাও মুখত দিব নোখোজে, নবৌ।"

"থোৱা, থোৱা তোমাৰ সেইবোৰ কথা। ৰাতিপুৱাই তুমি মোক আঁকৰী বনাবলৈ আহিছা নহয় জানো? তেওঁ নোহোৱাৰ কাৰণে তোমাৰ সন্ধ্যা-পূজা বৈ গ'ল। ... তোমাৰ যি ইচ্ছা তাকে কৈ যোৱা কিন্তু তাৰ মাজলৈ মোক আনিছা কিয়?"

"কি কথা কৈছা নবৌ? তোমাক আঁকৰী বনোৱাৰ স্পৰ্ধা মোৰ নাই আৰু কেতিয়াও নহ'বও। তুমি মোৰ সন্ধ্যা-পূজাৰ কথা কৈছা? সন্ধ্যা-পূজাতো তেতিয়াই বন্ধ হৈছিল যেতিয়া নৰেনৰ লগত তোমাৰ বিবাদ লাগে।"

"চোৱাঁ, তুমি অনৰ্থক ভুল দোষাৰোপ কৰিছা। বিবাদ লগাহেঁতেন তেওঁ তোমাক নিশ্চয় ক'লেহেঁতেন।"

"কি ক'লা? সেই কথাটো নৰেনে মোক ক'ব, মানে তোমাৰ লগত বিবাদ লগা কথাটো? তুমি নৰেনৰ মনোভাব নিশ্চয় জানা। তেওঁ তোমাৰ ওচৰত হয়তো ভিজা মেকুৰীটো হৈ থাকিব পাৰে কিন্তু মোৰ নিচিনা বোৰৰ আগত সদায় বাঘ।"

"এওঁৰ কথা শুনা। তোমাৰ ওচৰত কিয় বাঘ মোক কোৱাচোন বাপু? আচল কথা, তেওঁ দিনে-ৰাতিয়ে তোমাৰ গুণগান কৰে আৰু তাকে শুনি শুনি মোৰ কাণ দুখন ঘোলা হ'ল।"

"যদি সঁচা কথা কওঁ নবৌ—শুনি শুনি মোৰ কাণ দুখনো ঘোলা হ'ল। কেৱল 'ৰামী', 'ৰামী' আৰু 'ৰামী'। এনেকুৱা কি বট-সাবিত্ৰী ব্ৰত কৰা তুমি আমাকো অলপ জানিবলৈ দিয়াচোন, নবৌ।"

"ব্ৰততো তোমালোকৰ কাম। আমি ডোম মানুহ। আমাৰনো কি ব্ৰত হ'ব পাৰে?"

"তুমিওতো ব্ৰত কৰা মা। মিছা কথা কিয় কৈছা?" কুন্দনে নকৈ নোৱাৰিলে।

ৰামদত্ত মাষ্টৰে কুন্দনলৈ কেৰাহিকৈ চাই জোৰেৰে হাঁহি দিলে। লাজতে কুন্দনৰ মাকৰ মুখখন ৰঙা পৰিল কিন্তু তেওঁৰ ওঁঠত মিচিকিয়া হাঁহি বিৰিঙি উঠিল।

"তেন্তে এই কথা নবৌ!"

মাক মনে মনে থাকিল। তেওঁৰ ক'বলগীয়া আৰু কি থাকিব পাৰে? তেওঁ নিশ্চয় কথা সলনি কৰিব লাগিব আৰু সলনি কৰিলেও।

"ভাগীৰথীৰ কিবা কথা চলিছেনে?"

কুন্দনৰ মূৰৰপৰা ভৰিলৈ শিৰশিৰাই গ'ল। ভাগীৰথীৰ বিয়াৰ কথা! ... কিন্তু তাৰ হ'ল কি?

"নবৌ, দেখিছোঁ তোমাৰ চকু আৰু মনটো এতিয়াও আগৰ দিনৰ হৈ আছে—যেতিয়া দহ-এঘাৰ বছৰীয়া ছোৱালীক মাক-বাপেকে বিয়া দিছিল। ভাগীৰথীক ইমান সোনকালে বিয়া দিম কিয়? তোমাৰো কম বয়সতে বিয়া হৈছিল নহয় জানো?"

"কোনে ক'লে?" মই বাধা দি ক'লে, "আমাৰ দেউতা কম বয়সত ছোৱালীক বিয়া দিয়াৰ বিৰোধী আছিল। সেই সময়ত পোন্ধৰ বছৰ বয়সত মোৰ বিয়া হৈছিল।"

"এৰা, সেই কাৰণেইতো মই কওঁ ..."

ৰামদত্ত মাষ্টৰে কেৰাহিকৈ কুন্দনলৈ চাই ক'লে, "যাচোন কুন্দন, মোৰ কাৰণে 'নম্বৰ টেন' চিগাৰেট এপেকেট দোকানৰপৰা লৈ আহ। নৰেন কিয় গ'ল এতিয়াও তেওঁ সোধা নাই। তেওঁ থকাহেঁতেন ইতিমধ্যে তিনি চিলিম মলা ধপাত শেষ হ'লহেঁতেন।

"মই চিলিমত ধপাতকে ভৰাই এতিয়াই আনিছোঁ খুৰা। মা, ঘৰত অলপমানো ধপাত নাই জানো?" কুন্দনে সুধিলে।

"নাই, যিকণ আছিল যোৱাৰ আগতে দেউতাৰে শেষ কৰিলে। যা, বদলু মিশ্ৰাৰ দোকানৰপৰা লৈ আহ।"

"হেৰ' ধপাত নালাগে, চিগাৰেট আন। তোমাৰ শপত নবৌ, নৰেন যোৱাৰ পিছৰপৰা হোকাত মুখ নিদিওঁ বুলি মই শপত খাইছোঁ। খাবলৈ একেবাৰে মন নাযায়। মই কালি নৰেনৰ চিঠি এখন পালোঁ।"

"হয়নে!!!" মাক আৰু কুন্দনে একেলগে উচ্চাৰণ কৰিলে। "যোৱাৰ পিছত দেউতাই আমালৈ কোনো চিঠি লিখা নাই।"

"হেৰ', মোলৈ লিখা চিঠিতে তোৰ আৰু মাৰৰ বিষয়ে সকলো কথা লিখিছে। পঢ়িলে জানিব পাৰিবি। চিঠিখন ইয়াতে থৈ যাম। কুন্দন, সোনকালে চিগাৰেট এপেকেট লৈ আহ বোপাই। মুখখন শুকাই গৈছে।"

এশ মিটাৰ দৌৰ প্ৰতিযোগিতাত দৌৰাৰ দৰে কুন্দন বদলু মিঞাৰ দোকানলৈ লৰ মাৰিলে। কুন্দনক দেখি বদলু মিঞাই বৰ মৰমেৰে মিচিকিয়া হাঁহি এটা মাৰিলে। হঠাৎ কুন্দনে বুজিব পাৰিলে সি ভুল ঠাইলৈ আহিল কাৰণ তাত মলা ধপাতহে পোৱা যায়, চিগাৰেট নাপায়।

"কিয় মইনা, অনেক দিনৰ পিছত তোক দেখা পাইছোঁ। দেউতাৰ আহিলনে কি? ... চাওঁ সৌ ধপাত থোৱা টোপোলাটো মোক দেচোন।"

"নহয়, বদলু খুৰা, মোক ধপাত নালাগে চিগাৰেটহে লাগে।"

"হেৰ' তোৰ মগজটো বেয়া হোৱা নাইতো? দেউতাৰে কেতিয়াৰপৰা চিগাৰেট খাবলৈ আৰম্ভ কৰিলে?"

"দেউতাৰ কাৰণে নহয় খুৰা, ৰামখুৰাৰ কাৰণেহে," কৈয়েই ৰছী খুলি দিয়া কুকুৰৰ নিচিনাকৈ কুন্দন তাৰপৰা লৰ মাৰিলে। লৰি যাওঁতে চিঞৰি কোৱা বদলু মিঞাৰ কথাকেইটা তাৰ কাণত পৰিল, "বুজিলোঁ, চিগাৰেট কাৰ কাৰণে লাগে বুজিলোঁ। বাপেৰক আহিবলৈ দে।"

কুন্দনৰ হাঁহি উঠিল আৰু লগতে খঙো। সি বুজিলে বদলু মিঞাই তাক সন্দেহ কৰিছে—চিগাৰেট তাৰ কাৰণেহে। ডোমৰ ল'ৰাবোৰে চিগাৰেট খায়। দেউতাকে সেইটো বন্ধ কৰিবৰ কাৰণে অনেক চেষ্টা কৰি তেওঁ আংশিকভাৱে সফল হৈছিল। অৱশ্যে, তেওঁ তাৰপৰা মদৰ দোকানখন উঠাই দি মদ খোৱা বন্ধ কৰালে আৰু লগতে গাঁৱৰ ৰাস্তাৰ কাষত থকা জাবৰ-জোথৰবোৰ গুচাই গাঁওখনৰ পৰিৱেশ আগতকৈ অনেক ভাল কৰিলে।

ফোঁপাই ফোঁপাই কুন্দন ঘৰলৈ উলটি আহিল। সি ৰামখুৰাকক নম্বৰ টেন চিগাৰেট পেকেট এটা দিলে।

"আনিলি? দে বোপাই। তোৰ পঢ়া-শুনা কেনেকৈ চলিছে?"

"ভালদৰে চলিছে খুৰা। ছমহীয়া পৰীক্ষাত মই প্ৰথম হৈছোঁ।"

"বাঃ, কি ভাল কথা। এইবাৰতো তোৰ বোৰ্ডৰ পৰীক্ষা নহয় জানো? তাত সকলো বিষয়ত শতকৰা পঁয়সত্তৰ নম্বৰ পাব লাগিব। বৃত্তি পাবি। শুন, টিউচন এটা কৰিবি?"

"মই টিউচন কৰিম?" ৰামখুৰাৰ আজি কি হ'ল?

"কৰিলে তোৰ ক্ষতি কি? উকীলৰ ল'ৰা পূৰণ পাণ্ডেক তই নিশ্চয় চিনি পাব়। তোৰ লগতেই পঢ়িছিল। এতিয়াও সি অষ্টম শ্ৰেণীত। প্ৰত্যেকবাৰ গণিতত 'ফেল' কৰে। তই গণিতত বৰ চোকা। উকীল ডাঙৰীয়া মোৰ পিছত লাগিছে, কিন্তু মোৰ সময় নাই। তই যদি লব় বৰ ভাল হ'ব।"

মাই চাহ আনিলে আৰু বৰ আনন্দেৰে খাই ৰামখুৰা যাবলৈ ওলাল। যোৱাৰ আগতে তেওঁ ঘৰৰপৰা অনা মোনাটো মাৰ পিনে আগবঢ়াই দি ক'লে, "নবৌ, বিশেষ একো নাই মোনাত। কেইটামান মূলা, এটা ফুলকবি, এমুঠি পালেং শাক আৰু কেইটামান জলকীয়া। সকলোবোৰ ঘৰৰ শাকনি বাৰীত হোৱা বস্তু। ভাগীয়ে ক'লে—খালী হাতেৰে নাযাবা, এইকেইটা লৈ যোৱা, খুড়ীক দিবা।"

"এইবোৰৰ কি প্ৰয়োজন আছিল," মাই মোনাটোৰপৰা বস্তুবোৰ বাহিৰ কৰোঁতে ক'লে।

"সকলোবোৰ ভাগীৰ পৰিশ্ৰমত হোৱা শাক-পাচলি। তাই শাকনিত নিজে লগাই শাকনিবাৰীখন তদাৰক কৰে। মোৰদ্বাৰা কোনোমতেই সম্ভৱ নহয়। মই তিনিটা টিউচন লওঁ। নবৌ, টিউচন নল'লে ঘৰখন কেনেকৈ চলিব? মই কুন্দনকো টিউচন ল'বলৈ কৈছোঁ। মাহে কুৰি টকা দিব।"

"নালাগে ৰমদা। সি কি টিউচন ল'ব? বেচেৰাৰ নিজৰ পাঠবোৰ পঢ়িবলৈও সময় নাই। তদুপৰি সি ভায়েকক পঢ়াব লাগে।"

"তাতে কি হ'ল? মই তাৰ ভালৰ কাৰণেই কৈছোঁ। সি সেই পইচাৰে বাহিৰা ভাল ভাল কিতাপ কিনিব পাৰিব। কুন্দনৰ ভাল কিতাপ পঢ়িবৰ বৰ চখ।"

"নালাগে ৰমদা, মই তাক টিউচন কৰিবলৈ নিদিওঁ। সি যদি ভাল ভাল কিতাপ কিনিবলৈ ইচ্ছা কৰে, মই লোকৰ ঘৰত কাঁহী-বাটি মাজিও পূৰা কৰিম।"

"ছিঃ, কি কথা কৈছে নবৌ। তুমি কাঁহী-বাটি মাজিবলৈ যাবা কিয়? কাঁহীবাটি মাজিব তোমাৰ শত্ৰুৱে। মই এনেয়ে কথাটো কৈছিলোঁ। তুমি বেয়া পোৱা যদি বাদ দিয়া। বাৰু, নৰেনৰ এই চিঠিখন লোৱা। কুন্দন চিঠিখন পঢ়ি মাৰক শুনা।"

"তেওঁ এষাৰ কথাও আমালৈ পোনে পোনে লিখিব নোৱাৰিলে?" মাৰ খং উঠিছিল। খং উঠাৰ কথাও। দেউতাই ৰামখুৰালৈ লিখিছে, "প্ৰিয় বন্ধু, ৰমদা, প্ৰীতি আৰু আন্তৰিক শুভেচ্ছা ল'বা। আশাকৰোঁ ঈশ্বৰৰ কৃপাত কুশলে আছা। মই ইয়াত স্কুলৰ কাম চম্ভালি ল'লোঁ আৰু কাম কৰি বৰ আনন্দ পাইছোঁ। কিন্তু ৰমদা, তোমালৈ বৰকৈ মনত পৰিছে। এই কামটো তোমাৰ কাৰণেহে উপযুক্ত কাম, অকলে মই নোৱাৰিছোঁ। মেম চাহাবে মোক অলপ সহায় কৰে কিন্তু তেওঁৰ অন্যান্য কাম ঢেৰ। তেওঁ বেচেৰীয়ে নানা পিনে চাব লাগে। তুমিও ইয়ালৈ আহা ৰমদা, তেতিয়া, মই সঁচাকৈয়ে কৈছোঁ এই ঠাইডোখৰ স্বৰ্গ হ'ব। তুমি আৰু মই যি স্বপ্ন দেখিছিলোঁ সেই স্বপ্ন ইয়াত দিঠকত পৰিণত হ'ব। তুমিও থাকিবা, ভাগীৰথীয়েও ল'ৰা-ছোৱালীবোৰক পঢ়াব পাৰিব আৰু তাইৰো বৰ ভাল লাগিব। শুনা, তোমাৰ ঘৰটো ভাৰাত দি ইয়ালৈ গুচি আহা। তোমাৰ থকাৰ ব্যৱস্থা মেম চাহাবে কৰিব। তোমাক থাকিবলৈ এটা ভাল

ঘৰ দিব। দৰমহা বৰ বেছি নহয়—সেৱাৰ কাম। স্কুলত গাঁৱৰ দুখীয়া ল'ৰাই পঢ়ে, স্কুলৰ মাচুল ক'ৰপৰা দিব? মাচুলৰ সলনি সিহঁতে বেছি কাম কৰি দিয়ে। সিহঁতে তোমাৰো সেৱা-শুশ্রূষা কৰিব। স্কুলৰ চৌহদৰ ভিতৰত অনেক শাক-পাচলিৰ শাকনি-বাৰী আছে। তাত উৎপন্ন হোৱা শাক-পাচলি চহৰত বিক্ৰী কৰা হয়। সেই টকাৰে স্কুলখন চলাব পাৰি। ল'ৰাবিলাকে বৰ পৰিশ্ৰম কৰে। ফলৰ গছো ৰোৱা হৈছে। তাৰপৰাও ভৱিষ্যতে লাভ হ'ব। কিছুদিনৰ ভিতৰত এখন মজলীয়া স্কুলো খোলা হ'ব। সেইখন এখন জিলাৰ ভিতৰত আদৰ্শ স্কুল হ'ব। তুমি তাত গুৰুত্বপূৰ্ণ পদ গ্ৰহণ কৰিব লাগিব। লগতে তোমাৰ ওপৰত আশ্ৰমৰ দায়িত্বও ন্যস্ত কৰা হ'ব। শুনা, তাৰ পিছত মই সকলোকে ইয়ালৈ লৈ আহিম। আমাৰ তৰলা ভগিনীৰ মনটো বৰ বহল। ঠাইৰ অভাৱ নাই। মাত্ৰ তিনি-চাৰি মাহমান অলপ পৰিশ্ৰম কৰিব লাগিব। অলপ কষ্ট আৰু অসুবিধাৰো সন্মুখীন হ'ব লাগিব। তাৰ পিছত একো অভাৱ নাথাকিব। বাপুৱে কৈছিল, 'এই ধৰিত্ৰীয়ে সকলো মানুহৰ আৱশ্যকতাবোৰ পূৰা কৰিব পাৰে কিন্তু লোভী মানুহৰ লোভ পূৰা কৰিব নোৱাৰে।' কিন্তু তোমাৰ আৰু মোৰ আৱশ্যকতাই বা কিমান ৰমদা? আমি সৰল মানুহ। তুমি ৰামীক ভালকৈ বুজাই ক'বা। সৰু ল'ৰাটো আৰু ছোৱালীজনীক লৈ ইয়ালৈ গুচি আহক। বুনিয়াদী শিক্ষাৰ আৰম্ভণি ঘৰতেই হোৱা উচিত নহয় জানো? অৱশ্যে কুন্দনক এতিয়া আনিব নালাগে। তাক মোমায়েকহঁতৰ ঘৰলৈ পঠাই দিয়ক। সি মোমায়েকহঁতৰ লগতে থাকি পঢ়িব। সি তাত থাকিবলৈ ভাল পাব। তেওঁলোকে তাক বৰ মৰমো কৰে। মই ৰামীৰ লগত মিছাকৈ কাজিয়া কৰিছিলোঁ। ভাবিছিলোঁ তেওঁলোকৰ লগত মোৰ প্ৰীতিপূৰ্ণ সম্বন্ধ নাই যেতিয়া মোৰ ল'ৰাৰ কাৰণে কিয় তেওঁলোকৰ ওচৰত হাত পাতোঁ? এতিয়া ৰামীক ক'বা—মই হাৰ মানিছোঁ আৰু তেওঁ জয়ী হৈছে। তেওঁ যি কৈছিল সেইটোৱেই সঁচা আছিল। আমি কুন্দনৰ উজ্জ্বল ভৱিষ্যতৰ পথত কিয় অন্তৰায় হ'ব লাগে? তাৰ সম্বন্ধে শহুৰে মোক কৈছিল, "ল'ৰাৰ উজ্জ্বল ভৱিষ্যৎ কিয় নষ্ট কৰিছা? ল'ৰা বুদ্ধিমান কিন্তু তুমি কাজিয়াত ব্যস্ত থাকি তাৰ কথা চিন্তা কৰিবলৈ সময় নোপোৱা। তাক আমাৰ লগত থাকিবলৈ দিয়া।" তেওঁৰ সেই কথাবোৰ মোৰ বৰ বেয়া লাগিছিল। ৰামীয়েও তেওঁৰ কথাত হয়ভৰ দিছিল আৰু তিনিদিন মুখ ওফোন্দাই আছিল। তুমি তেওঁৰ স্বভাৱটো নিশ্চয় জানা। মোৰ লগত কাজিয়া কৰিব কিন্তু শেষত মই যি কওঁ তাকে কৰিব। কথাতে কয়, 'তই বাঘ আৰু মই চোৰা গুণে বাঘিনী।' কিন্তু শেহত তেওঁ 'চোৰাগুণে বাঘিনী' হৈ নাথাকে। বেচেৰীক মই মাক-দেউতাকৰ ঘৰলৈ যাবলৈ বন্ধ কৰি দিছিলোঁ। মোৰ মূৰত কেনেবাকৈ সোমাই গ'ল, 'মই এতিয়া কুন্দনক পঢ়াব লাগে।' ৰামীয়ে ধৰি লৈছিল মই সিদ্ধ পুৰুষ জ্ঞানেশ্বৰ যি সকলো পঢ়াব পাৰে। তদুপৰি ক'ব নোৱাৰোঁ, তেওঁৰ মগজত কেনেকৈ সোমাল যে মই নিজৰ ঘৰখনৰ বাহিৰে জগতৰ সকলো মানুহৰ ভাল কাম কৰোঁ। সেইটো যে তেওঁৰ একেবাৰে ভুল ধাৰণা তেওঁক কোনে বুজাব ৰমদা? মই যিমান পঢ়াব পাৰিছিলোঁ কুন্দনক সিমান পঢ়াইছিলোঁ আৰু তুমিও চেষ্টাৰ ত্ৰুটি কৰা নাছিলা। এতিয়া সি ওপৰ শ্ৰেণীলৈ উঠিল। ওপৰ শ্ৰেণীৰ পাঠ্যক্ৰম

পঢ়োৱা যে মোৰ সাধ্যৰ অতীত সেইটো তেওঁক কেনেকৈ বুজাম? মাত্ৰ মজলীয়া স্কুল পাচ কৰা এজন মানুহৰ জ্ঞান কিমান তুমি জানা। স্কুলত কেতিয়াও বিজ্ঞানৰ মুখ দেখা নাছিলোঁ কিন্তু তোমাৰ নবৌয়েৰাই মোক কয়, 'তোমাৰ পঢ়াবলৈ মন নাই সেইটো খোলাখুলিকৈ নোকোৱা কিয়? এইবোৰ তোমাৰ চেলু। মই সকলো কথা জানো।'

ৰমদা, তুমি ৰামীক বুজোৱা। মই ইয়ালৈ অহাৰ পিছতেই কামত ব্যস্ত হৈ পৰিছোঁ যদিও ঘৰৰ সেইবোৰ চিন্তাই মোক মাজে-সময়ে বিভ্ৰান্ত কৰি তোলে, মনত কোনো-মতেই শান্তি নাপাওঁ। কিন্তু মই নিশ্চিত যে ৰামীহঁত ইয়ালৈ আহিলে বৰ ভালদৰে থাকিব পাৰিব। কুন্দনৰ ভায়েক, ভনীয়েক আৰু ৰামীয়ে ইয়াত থাকি বৰ ভাল পাব। মাহেকত এবাৰ কুন্দনক চাই আহিব। মেট্ৰিক পাচ কৰি কুন্দন যদি ইয়ালৈ আহিবলৈ বিচাৰে বৰ ভাল কথা। অৱশ্যে, তাৰ ককাক আৰু মোমায়েকহঁতে যি বিচাৰে আৰু যদি তাত সি মান্তি হয়, তেন্তে সেইটোৱেই হ'ব। ৰমদা, তুমি মোক কৈছিলা যে গান্ধীজীৰ ডাঙৰ পুতেক হৰিলাল দেউতাকৰ কঠিন অনুশাসনৰ কাৰণে নষ্ট হৈছিল আৰু মদপী হৈ মুছলমান ধৰ্ম গ্ৰহণ কৰিছিল। গতিকে মোৰ বৰ ভয় লাগে। সি কেতিয়াবা এনেকুৱা কিছুমান বেঁকা আৰু আওপকীয়া প্ৰশ্ন কৰে যে মই ভয় খাওঁ। ৰমদা, মই ঠিক কথা কোৱা নাই জানো? মই চিঠি লিখিব নাজানো—একেবাৰে অভ্যাস নাই। কিন্তু তোমালৈ লিখি মনৰ ভাববোৰ যেনে তেনে প্ৰকাশ নকৰিলে মই শান্তি নাপাম। তোমাৰ বৈঠকখানা, হোকা মুখত লৈ কথাৰ মহলা মৰাৰ দিননো আৰু ক'তনো ঘূৰি আহিব? ইয়াত তৰলা ভগিনীয়ে যিমানবোৰ বিষয় পঢ়াব পাৰে মই নোৱাৰোঁ। তেওঁ বিজ্ঞানো পঢ়াব পাৰে। তেওঁ কয় মই বিজ্ঞানৰ বিষয়ে যিমান জানো বাপুৱে তেওঁৰ অন্তৰ্জ্ঞানৰ সহায়ত তাতকৈ বেছি জ্ঞান আহৰণ কৰিছে। মোৰ মতে, কুন্দনক বিজ্ঞান পঢ়িবলৈ দিয়াটো যুক্তিসঙ্গত হ'ব। তাক যিমান পঢ়িবলৈ বিচাৰে সিমান পঢ়িবলৈ দিয়া। তৰলা ভগিনীয়ে কৈছে পিছত তেওঁ কুন্দনক বাপুৰ ওচৰলৈ লৈ যাব। ৰমদা, ঈশ্বৰে যদি কৃপা কৰে সকলো মঙ্গলেই মঙ্গল হ'ব। মই কুন্দনলৈ বেলেগে চিঠি লিখিম। কিন্তু তাৰ আগতে তুমি কুন্দন আৰু ৰামীক অলপ অনুমোদন কৰি দিয়াচোন। তোমাৰ আৰু ৰামীৰ ভাবধাৰাৰ মিল আছে। তুমি বুধিয়ক আৰু অভিজ্ঞ মানুহ। ৰামীয়ে তোমাক শ্ৰদ্ধা কৰে আৰু বামুণ বুলি তুমি তেওঁৰ গুৰুও। তেওঁৰ ওপৰত তোমাৰ কথা-বতৰা আৰু উপদেশৰ প্ৰভাৱ অৱশ্যম্ভাৱী। যদি তুমি তেওঁক ভালকৈ বুজোৱা মই মনত অনেকখিনি বল আৰু সাহ গোটাব পাৰিম।

ৰমদা, তোমাৰ আগত লুকুৱাবৰ মোৰ একো নাই। ল'ৰা-ছোৱালী লগত নথকাৰ কাৰণে মোৰ মনটো অতি বেয়া। দিনটো যেনে-তেনে কটাওঁ কিন্তু গধূলি হোৱাৰ লগে লগে মনটো অন্ধকাৰে ছাটি পেলায়। ঘৰৰপৰা আঁতৰত থাকিলে ঘৰ কি বস্তু মানুহে বুজিব পাৰে। চোৱা ৰমদা, মনৰ কামেই যথেষ্ট নহয়, মনৰ সঙ্গীৰো আৱশ্যক। ভালপোৱাৰ ভোকো গুচাব লাগে। যোৱা জন্মত কি পুণ্য কৰিছিলোঁ ক'ব নোৱাৰো তোমাৰ নিচিনা এজন হীৰা-বন্ধু আৰু ৰামীৰ নিচিনা এজনী সঙ্গিনী পালোঁ। তোমালোক

দুয়োৰে অবিহনে মই ইয়াত একেবাৰে অসহায় হ'লোঁ। তোমালোক সকলো ইয়ালৈ আহা, কিমান আনন্দ হ'ব! সেই চহৰখনত কি আছে—য'ত তোমাৰ সন্মান নাই আৰু মোৰ সেৱাক কোনেও স্বীকাৰ নকৰে। তোমাৰ গুণটো নৰেনে জানে ৰমদা। তোমাক ইয়াত হেডমাষ্টৰ কৰি দিম আৰু তোমাৰ ছত্ৰছায়াত আমিও নিৰাপদে থাকিম। ৰামীক ক'বা তেওঁৰ লিখা-পঢ়াৰ সম্বন্ধে মোৰ যি স্বপ্ন আছিল সেই স্বপ্ন ইয়াত দিঠকত পৰিণত কৰাম। ইয়াত সপ্তাহত দুদিন বয়সীয়াসকলৰ শ্ৰেণী বহে। তাত মই তেওঁকো ভৰ্তি কৰাম।"

"মই ভৰ্তি-চৰ্তি নহওঁ। ক'বলৈ লাজো নাপায়, চোৱাচোন।" চিঠি পঢ়ি থাকোঁতে মাকে কুন্দনক বাধা দিলে। "হেৰ' থ, আৰু কিমান পঢ়িবি। চিঠিনে পুৰাণ? দুটা আখৰ আমালৈ লিখিলে হাতত বিষ হ'লহেঁতেন কি?"

নবৌয়েকৰ খং দেখি ৰামখুৰাৰ হাঁহি উঠিল। "হ'ল, হ'ল নবৌ, পুৰাণ শেষ হ'ব এতিয়া। চিঠিখনতো তোমাৰ কাৰণেই, মই উপলক্ষ মাত্ৰ। মইতো তোমাৰ গিৰিহঁতৰ ডাকোৱালহে। লৰালৰি কৰ মইনা, এই মহাপুৰাণ শেষ কৰ।"

"... তেন্তে ৰমদা, তুমি ৰামীক ক'বা যে মই কুশলে আছোঁ। তুমি এবাৰ ইয়ালৈ আহানা, ভাল নালাগিলে আকৌ ঘূৰি যাবা আৰু ভাল লাগিলে থাকি যাবা। তৰলা ভগিনীয়ে তোমাৰ কথা খুব কয় আৰু তোমালোকে ইয়াত ঘৰ সাজি নিগাজীকৈ থকাৰ কথা উল্লেখ কৰে। আজিকালি তেওঁৰ স্বাস্থ্য ভাল নহয়, তেওঁ আগৰ নিচিনাকৈ পৰিশ্ৰম কৰিব নোৱাৰে। ইয়াত মাটিৰ অভাৱ নাই। এখন সমবায় সমিতিও গঠন কৰা হৈছে। আশ্ৰমখনৰ উন্নয়নৰ অনেক পৰিকল্পনা তৰলা ভগিনীৰ আছে। সকলো কাম লাহে লাহে হৈ থাকিব। মোৰ মগজতো নানা পৰিকল্পনা আছে। মাত্ৰ তোমাৰ আৰু ৰামীৰ সহায় আৰু সমৰ্থন পালে দেখিবাহি মই কি কৰিব পাৰোঁ। তেতিয়া দেখিবা তোমালোক নৰেনক যিমান অপদাৰ্থ বুলি ভাবা, সি সিমান অপদাৰ্থ নহয়। তেন্তে আজিলৈ ইয়াতে সামৰণি মাৰোঁ। মোৰ প্ৰীতি আৰু আন্তৰিক শুভেচ্ছা ল'বা আৰু ৰামী আৰু কুন্দনক মৰম আৰু আশীৰ্বাদ দিবা। ইতি। তোমাৰ সেৱক নাৰায়ণ।"

"নবৌ, সকলো কথা শুনিলা। তুমি কি কোৱা?" ৰামখুৰাই মাক উৎসুক হৈ সুধিলে।

মাৰ বৰ আমনি লাগিছিল। তেওঁ মাত্ৰ মন্তব্য কৰিলে, "মানুহৰ পগলা হ'বলৈ কিমান দেৰি লাগিছে।"

ৰামখুৰাই অৱশ্যে সেই মন্তব্য আশা কৰা নাছিল। তথাপি মাক পৰোক্ষভাৱে সমৰ্থন কৰি ক'লে, "নৰেনে কি কথা কৈছে? সাতামপুৰুষীয়া ভেটিটো এৰি মই এতিয়া তাত গৈ মৰোঁগৈ।" তুমি ইমান বুজালা তাৰ কিবা ফল ধৰিলে জানো? ওলোটাই তোমাকহে বুজাইছে। দেউতাই সঁচা কথাই কৈছিল।"

"কি কৈছিল?"

"যিদিনা দেউতাৰ বাতৰি কাকতখনৰ কাম এৰি থৈ গুচি আহে, সেই সময়ৰ কথা। তেতিয়ালৈকে দেউতাৰ লগত মতানৈক্যৰ কথা মই একো জনা নাছিলোঁ। মই

কিবা এটা কামৰ কাৰণে মা-দেউতাৰ ঘৰলৈ গৈছিলোঁ। দেউতাই কৈছিল, 'তোৰ তেওঁৰ অলপো সাধাৰণ বিবেচনাবোধ নাই। দহজনৰ আগত মোক অপমান কৰে। যদি তেওঁৰ সেইটোৱেই মনোভাব, আহিছিল কিয়? মোৰ বাতৰিখনত মোৰেই বিৰুদ্ধে লিখে। কিবা ক'লেও বেয়া পায় আৰু নক'লেও নহয়। ... শুন ৰামী, এনেকুৱা মানুহে কাৰো লগত মিলিব নোৱাৰে— যি নিজেও শান্তিত থাকিব নোৱাৰে আৰু আনকো শান্তিত থাকিবলৈ নিদিয়ে।"

"অ' সেই কথা!" ৰামখুৰাই এটা দীঘল উশাহ টানিলে। "তোমাৰ দেউতাৰা বুদ্ধিমান মানুহ। সঁচা কথা ক'বলৈ গ'লে নৰেনৰ কি হ'ল মই ক'ব নোৱাৰোঁ। তেওঁ মোৰ মগজটোও বেয়া কৰিলে। মই এতিয়া যাওঁ নবৌ। আহা দেওবাৰে আকৌ আহিম। তেতিয়ালৈকে কি স্থিৰ কৰা কৰিবা।"

মাৰ মনে মনে খং উঠিল। "কি স্থিৰ কৰাৰ কথা কৈছা ৰমদা? তুমি ভাবিছানে ময়ো পগলা হ'লোঁ?"

"নহয়, নহয়, তুমি কিয় পগলা হ'বা নবৌ? এটা কথা নবৌ, যেতিয়াই নৰেনৰ মগজত কিবা এটা খেলায় তেতিয়া সি আন আৰু একো দেখা নাপায়। কিন্তু মই যদি লিখি দিওঁ তুমি নোযোৱা, সি সঁচাকৈয়ে পগলা হ'ব।"

"তেন্তে তুমিয়েই নোযোৱা কিয়? মোৰ তাত কি কাম আছে? স্কুলখন তুমি চলাবা, খেতি-বাতিৰ কাম তুমি চোৱা-চিতা কৰিবা। মই তাত মেমচাহাবৰ ভৰি পিটিকিবলৈ যামনে?"

"ছিঃ ছিঃ, কি কথা কৈছা নবৌ? চিঠিখন লগতে আছে, এবাৰ ভালকৈ পঢ়ি লোৱা, চিন্তা কৰা আৰু বুজি লোৱা। মইতো তাৰ দূত নহওঁ। তথাপি ভাবিছোঁ এবাৰ গৈ চাই আহোঁ—সি যি লিখিছে, সেইবোৰ সঁচানে বা তাৰ গল্পহে। সিটো নবৌ একেবাৰে ভোলানাথ—অতি সোনকালেই সন্তুষ্ট হয়। গতিকে এবাৰ গৈ আহিলে ক্ষতি কি?"

মাই ৰামখুৰালৈ অৰ্থপূৰ্ণ দৃষ্টিৰে চালে। তেওঁৰ মুখত হাঁহি ওলাল আৰু তেওঁ আমোদ পোৱাৰ দৰে ক'লে, "দেখিলা, মই কৈছিলোঁ নহয়। আহি গ'লা তেওঁৰ সীমাৰ ভিতৰলৈ। যোৱা ৰমদা যোৱা আৰু তেওঁক ক'বা 'ৰামী জ্যোলিকোটলৈ নাযায়। পাহৰি যা যে তোৰ এখন ঘৰ আছে।' মই ..."

এই কথা! মাৰ মাতটো কেনেকুৱা লাগিছে! ৰামখুৰাই অলপ ভয় খালে। "বাৰু, মই এতিয়া যাওঁ নবৌ। তুমি একো চিন্তা নকৰিবা। মই তাক বুজাবলৈ যাওঁ। তালৈ গ'লে মই সকলো কথা জানিম। তাৰ কথামতে তৰলা ভগিনীৰ ওচৰত সকলো দুঃখৰ ঔষধ আছে। সকলো শুনা কথা নবৌ। তুমি অলপো চিন্তা নকৰিবা। মই আকৌ ঘূৰি আহিম।"

মাকৰ মুখখন গম্ভীৰ হ'ল। ৰামখুৰাই তাৰ মাক বা কুন্দনক একো ক'ব নোৱাৰিলে আৰু তললৈ মূৰটো কৰি তাৰপৰা আঁতৰি গ'ল। মাৰ যিমান খং উঠিছিল— চিঠিতটো তেনে গুৰুতৰ কথা একো লিখা নাছিল। কুন্দনৰ সকলো খেলিমেলি লাগিল। অৱশ্যে,

দেউতাকৰ ওপৰত তাৰো লাহে লাহে খং উঠিল—সেই অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি কৰাৰ কাৰণে। তাৰ সেই খং আগতে কেতিয়াও উঠা নাছিল।

গান্ধীৰ উত্তৰাধিকাৰী

এবাৰ মাত্ৰ নাৰায়ণলাল টাম্‌টা চমকি উঠিছিল। সেই দিনটো আছিল যিদিনা আচাৰ্য কৃপালনীয়ে সিহঁতৰ চহৰলৈ আহি ৰামলীলা মৈদানত বক্তৃতা দিছিল। সেইদিনা গোটেই চহৰখন ৰামলীলা মৈদানলৈ গৈছিল যেন লাগিছিল আৰু কি কাৰণত ক'ব নোৱাৰোঁ সেই উত্তেজনাপূৰ্ণ অনুষ্ঠানত দেউতাৰ নামটোও জড়িত আছিল আৰু তেওঁক মানুহে বৰ প্ৰশংসা কৰিছিল। সেই সময়ত দেউতা চহৰতে আছিল আৰু ৰাজহুৱা কামত লাগি থকাৰ কাৰণে তেওঁক প্ৰায়েই ঘৰত দেখা নগৈছিল। আনপিনে, ককাদেউতাৰ ঘৰত সদায় গধূলি ৰাজনীতিৰ আলোচনা হৈছিল আৰু তেওঁৰ ঘৰলৈ চহৰৰ গণ্যমান্য মানুহবোৰ আহিছিল। কুন্দনে হঠাৎ এদিন জানিব পাৰিলে সেই সময়ত ৰামৰাজ্য পৰিষদ, প্ৰজা চোচিয়েলিষ্ট, জনসংঘ আৰু কমিউনিষ্ট আদি কেবাটাও ৰাজনৈতিক দল আছে আৰু চহৰত সেই দলবোৰৰ কাৰ্যালয় আছে। কুন্দনৰ এজন মোমায়েক 'জগদীশ মামা' কমিউনিষ্ট আৰু সুৰেন্দ্ৰ মামা চোচিয়েলিষ্ট দলৰ সদস্য আছিল।

সেই সুৰেন্দ্ৰ মোমায়েক এদিন কুন্দনক তাৰ দেউতাকৰ অলপতে এটা লটাৰী ওলোৱাৰ কথা কৈছিল। কি অৰ্থত সেই লটাৰী শব্দটো কৈছিল কুন্দনে বুজা নাছিল। কিন্তু শব্দটো এতিয়াও তাৰ মনত আছে। তাৰ পিছত গধূলি বহা সেই দিনাৰ বৈঠকত সকলোৰে আগত সুৰেন্দ্ৰ মোমায়েকে এদিন ঘোষণা কৰিলে চোচিয়েলিষ্ট পাৰ্টিৰ যিসকল প্ৰাৰ্থীৰ নাম বিচাৰাধীন হৈ আছে তেওঁলোকৰ ভিতৰত কুন্দনৰ দেউতাকৰ নামটো সকলোতকৈ ওপৰত। "অসম্ভৱ", ককাদেউতাই চিঞৰি ক'লে। "তই কি কথা কৈছ সুৰেন্দ্ৰ? নাৰায়ণৰ চোচিয়েলিষ্ট পাৰ্টিৰ লগত কি লেনদেন থাকিব পাৰে? তেওঁ তো গান্ধীৰ শিষ্য আৰু ৰাজনীতিকো লোকনীতি বুলি কয়।"

"আৰু নো কি ক'ব?" সুৰেন্দ্ৰ মোমায়েকে ক'লে, "তাকেইতো কৃপালনী আৰু লোহিয়াইও কয়।"

"বাদ দে তোৰ কৃপালনী আৰু লোহিয়া! য'ত গান্ধীৰ নচলিল তাত তেওঁলোকৰ চলিব বুলি ভাব নেকি? এতিয়া কংগ্ৰেছৰ পঞ্চাশ বছৰ হ'ল, কোনেও লৰাব পৰা নাই বুইছ? কংগ্ৰেছতো জৱাহৰলালৰ কলিজা আছিল বুলি এওঁলোক দুজনে

কৈছিল আৰু আছিলো। জৱাহৰলালৰ নামেই যথেষ্ট। লোহিয়া আৰু কৃপালনীক কোনে জানে?”

“ইটচ্ টু মাচ ডেডী,” সুৰেন্দ্ৰই উচ্চস্বৰে কয়।

“কি টু মাচ? চোচিয়েলিষ্ট হোৱা মাত্ৰ দুদিন হৈছে। খেতিয়কে পঢ়িশুনি ৰাজনীতি কৰিবলৈ ওলাইছে।”

“টাম্‌টা চাহাবেতো আপোনাক চেৰাই গৈছে। কিতাপ পঢ়ি বক্তৃতা দিয়েইতো সিমানখিনি আগ বাঢ়িছে। জেললৈ যোৱা, লাঠিৰে মাৰ খোৱা—এইবোৰতো একোৱেই হোৱা নাই তেওঁৰ,” কংগ্ৰেছী নেতা প্ৰদ্যুম্ন নাৰায়ণ তিৱাৰীয়ে হাঁহি হাঁহি ক'লে।

“আপুনিতো আচৰিত কথা ক'লে, ডাঙৰীয়া। কওকচোন চোচিয়েলিষ্ট জেললৈ যোৱা নাইনে আৰু তেওঁলোকে লাঠিৰ কোব খোৱা নাইনে?” সুৰেন্দ্ৰ মোমায়ে সুধিলে, “ৰাজনীতিলৈ যাবলৈ এইটো এটা যোগ্যতানে?”

“চাবাইচ, চাবাইচ!” কমিউনিষ্ট মোমায়ে চিঞৰি উঠিল।

“তই মনে মনে থাক। সুৰেন্দ্ৰৰ ওচৰত কিছু আছে ; কিন্তু তোৰ ওচৰত কি আছে?” ককাদেউতাই সুধিলে।

“কিয় কমিউনিষ্টে কেতিয়াও দুঃখ ভোগ কৰা নাই জানো? শুনা এনে এটা সময় আছিল যেতিয়া এই চোচিয়েলিষ্টবোৰ নেতা হৈ ঘূৰি ফুৰিছিল আৰু আমি চাবুকৰ কোব খাইছিলোঁ।”

“তই? তইতো তেতিয়া জন্মই হোৱা নাছিলি,” ককাদেউতাই ক'লে আৰু কোৱাৰ লগে লগে সকলোৱে গিৰ্জনি মাৰি হাঁহিলে।

“মই মানে আমাৰ পাৰ্টিৰ তেতিয়া কৰ্মী আৰু সদস্যসকলে।”

“হোৱাট পাৰ্টি?” সুৰেন্দ্ৰ মোমায়ে সুধিলে, “যেতিয়া আমাৰ সকলো নেতা জেললৈ গৈছিল আৰু বাকী কৰ্মীসকলে জন-আন্দোলন চলাইছিল, তেতিয়া তোৰ বিশ্বাসঘাতকী পাৰ্টিটোৱে কি কৰিছিল?”

“জন আন্দোলন?” কমিউনিষ্ট মোমায়ে মুখখন এনেভাৱে বিকটালে যেন কোনোবাই নীম পাত এসোপা খুন্দি তেওঁৰ মুখত সুমুৱাইহে দিলে। “মিষ্টাৰ, জন-আন্দোলন কাক কয় ক'বানে?”

““পিপলচ মুভমেণ্ট নহয় জানো? নকৰ কিয় সুৰেন্দ্ৰ?” ককাদেউতাই ক'লে।

সেই তৰ্ক-বিতৰ্কত বৈঠকখানাৰ বাতাৱৰণ গৰম হোৱাৰ সময়ত বেচেৰা কুন্দন এচুকত চুপ-চাপ বহি আছিল। ককাদেউতাই ক'লে, “তিৱাৰীদেউ, এই ল'ৰাটোৰ প্ৰতি মোৰ দয়া ওপজে। ইয়াৰ প্ৰতি মনোনিৱেশ কৰিবলৈ দেউতাকৰ অকণো সময় নাই। খেলা-ধূলাৰ প্ৰতি ইয়াৰ ধাউতিও নাই। ইয়াত সি আমাৰ কথা-বতৰা, আলোচনাবোৰ শুনিবলৈ বহি থাকে। তাৰ কিয় ভাল লাগে ক'ব নোৱাৰোঁ। এই বয়সতে ইয়াৰ ইমান গোমোঠা অৱস্থা।”

“দেউতা, আপুনি ইয়াৰ কথা একো নাজানে। ই তেনে নহয়। মই যি জানো সি সদায় সতৰ্ক, সপ্ৰতিভ আৰু বুদ্ধিমান। হয়তো শুনিছা ডোম গাঁৱত

পাৰ্টি গঠন হৈছে আৰু মানুহৰ উন্নয়নৰ পৰিকল্পনা হাতত লোৱা হৈছে। অলপ ডাঙৰ হ'লেই ই সেই পাৰ্টিত সক্ৰিয় অংশ গ্ৰহণ কৰিব।"

"মানে তই ক'ব খোজ সেইটো তোৰ কমিউনিষ্ট পাৰ্টিৰ দৰেই এটা পাৰ্টি? জগ্মু, তোৰতো ৰাতিৰ ভিতৰতে আমূল পৰিৱৰ্তন হ'ল। সুৰেন্দ্ৰ, তোৰ তাত ইয়াৰ কমিউনিষ্ট পাৰ্টিয়ে আৰম্ভ কৰাৰ দৰে কোনো প্ৰশিক্ষণ শিৱিৰ আছে জানো?"

"দেউতা, নিৰ্বাচন সোনকালে আহিবলৈ দিয়ক। তাৰ পিছত আপুনি আমাক য'তে ত'তে দেখিবলৈ পাব। আপোনাৰ নেহৰু কংগ্ৰেছ ফৰিং ওফৰাদি উফৰিব।"

"নেহৰু কংগ্ৰেছ! ঠিক কৈছা। যেনেকৈ কোনো গান্ধী কংগ্ৰেছো তাৰ বিপৰীতে থিয় হওক। ধাৰণাটো আমোদজনক। নহয় জানো টাম্‌টা ডাঙৰীয়া?" টাম্‌টা ডাঙৰীয়াই একো উত্তৰ নিদিলে। তেওঁৰ মনটো ক'ৰবাত।

মনৱ্বৰ মিঞাই ক'লে, "চোচিয়েলিষ্ট পাৰ্টিৰ যদি অলপ সাধাৰণ জ্ঞান থাকিলহেঁতেন, পাৰ্টিটোৱে চৰকাৰ গঠন কৰিব পাৰিলেহেঁতেন আন কোনো পাৰ্টিৰ সহায় নোলোৱাকৈ। কিন্তু আপোনাৰ পাৰ্টিটোৱে স্বাৰ্থপৰতা দেখুৱালে বুইছে। পণ্ডিতজীৰ ব্যক্তিত্বই কাম কৰিব কংগ্ৰেছ পাৰ্টিৰ। কিন্তু অকল তেওঁৰ ব্যক্তিত্বই একো কৰিব নোৱাৰিব। চৰকাৰ গঠন কৰিলে অলপ দিনহে চলিব। নিজৰ ভিতৰতে কাজিয়া কৰিব।"

"বৰ ভাল কথা!" লালা হৰগোবিন্দ সিঙে হাত চাপৰি মাৰিবলৈ ধৰিলে। ককাদেউতায়ো তেওঁক সমৰ্থন কৰিলে। চোচিয়েলিষ্ট মোমাইৰ খং উঠিল।

"শুনক মুনৱ্বৰ মিঞা। আপুনি আদালতত ওকালতি কৰাই ভাল। কি কাৰণত আপুনি ৰাজনীতিৰ বেহুত সোমাইছেহি?" তেওঁ আৰু কিবা বেছি ক'লেহেঁতেন কিন্তু ককাদেউতাই বাধা দি ক'লে, "সঁচা কথাত খং উঠা উচিত নহয়। তৰ্ক কৰ।" "দেউতা, তোমাৰ কাৰণে সঁচা কথা কিন্তু মোৰ কাৰণে নহয়। মোৰ কাৰণে সেইবোৰ বেল্‌বেলনিহে। হুঁঃ! ব্যক্তিত্ব! ব্যক্তিত্বই মানুহক পাঁচ বছৰ ফাকি দিব পাৰে বুলি ভাবে নেকি? এই দেশখনৰ মানুহ সিমান নিৰ্বোধ নহয়। এই ব্যক্তিত্বৰ ওপৰত গুৰুত্ব দিয়া মনোভাবে আপোনাক ডুবাব, বুজিছে?"

"কিয়? গান্ধীৰ পূজা বীৰ পূজা নাছিল জানো?" ককাদেউতাই সুধিলে।

"আছিল," কমিউনিষ্ট মোমায়ে উত্তৰ দিলে, "ভেলেকীবাজী আৰু আন কোনে আৰম্ভ কৰিছিল?"

"তয়ো নকৰ কিয়? দেখুওৱা তোৰ ভেলেকীবাজী।"

কমিউনিষ্ট মোমাইৰ কথা শুনি চোচিয়েলিষ্ট মোমাই গৰ্জি উঠিল, 'ইতিহাসৰ শ্ৰেষ্ঠতম নেতাক অপমান কৰিবলৈ তোৰ লাজ নেলাগিলনে?"

"এই অৰ্থহীন কথাবোৰ নক'বি সুৰেন্দ্ৰ," ককাদেউতাই খং কৰি ক'লে, "অপমান তই কৰিছনে জগ্মুৱে? চোচিয়েলিষ্টৰ বাহিৰে নেহৰুক প্ৰশংসা কৰিবৰ তোৰ আন একো কাৰণ নাইনে? গান্ধী অন্ধ আছিলনে যে তেওঁ জৱাহৰলালক তেওঁৰ উত্তৰাধিকাৰী কৰি থৈ গৈছিল?"

"উপায় নথকাতহে কৰিছিল", কমিউনিষ্ট মোমায়ে ক'লে।

"তাৰ মানে?" সুৰেন্দ্ৰ মোমায়ে তীক্ষ্ণ স্বৰে সুধিলে।

"গান্ধীয়েনো নহ'লে কৰিব কি? প্ৰগতিশীলতো তেওঁ নাছিলেই। অৱশ্যে 'প্ৰেক্টিকেল' আছিল। যেতিয়া তেওঁ দেখিলে যে দেশৰ সকলো যুৱক নেহৰুৰ ফলীয়া, তেতিয়া তেওঁৰ আৰু উপায় নাছিল।

সুৰেন্দ্ৰ মোমাই খঙত অগ্নিশৰ্মা হ'ল যেন তেওঁৰ সেই খঙৰ জুইয়ে তেওঁক ভস্ম কৰিব। কিন্তু খং সম্বৰণ কৰি তেওঁ শান্ত স্বৰে ক'লে, "হেৰ' যি স্থলত তই গান্ধীৰ সম্বন্ধে ক খ গ ঘ একো নাজান, মনে মনে নাথাক কিয়? তেওঁৰ উইলখনৰ বিষয়ে তোৰ কিবা ধাৰণা আছেনে?"

"উইল? সেই ভিখাৰীৰ?" কমিউনিষ্ট মোমায়েকে সুধিলে।

"হয় মহাশয় সেই ভিখাৰীৰ উইল। তোৰ নিচিনা অসৎ তথাকথিত বুদ্ধিজীৱীবোৰৰ নহয়। মই কৈছিলোঁ—গান্ধীজীৰ অন্তিম ইচ্ছা সেই উইলখনত আছিল যে কংগ্ৰেছৰ কাম পূৰা হ'ল। এতিয়া কংগ্ৰেছে জনসাধাৰণক জগাই তোলা উচিত। কংগ্ৰেছে ক্ষমতাৰ কথা একেবাৰে পাহৰি যাওক।"

"কি বঢ়িয়া! তেনেহ'লেতো সেইবোৰক মিউজিয়ামতেই ৰাখিব পাৰে," কমিউনিষ্ট মোমায়ে ক'লে।

সুৰেন্দ্ৰ মোমাইদেৰে ক'লে, "গান্ধীজীয়ে যি কথা ভাবিছিল তাৰ কাৰণে নেহৰুক উত্তৰাধিকাৰী কৰাৰ কথা তেওঁ কিয় ভাবিছিল নিজে চিন্তা কৰি চা। নেহৰুৰ বাহিৰে আন কোনো বেছি উপযুক্ত মানুহ থকাহেঁতেন তেওঁক কংগ্ৰেছৰপৰা বিশেষকৈ নিৰ্বাচন নকৰিলেহেঁতেন। এটা কথা মনত ৰাখিবি যদি গান্ধীজীৰ অন্য কোনো উত্তৰাধিকাৰী হ'বৰ যোগ্য ব্যক্তি আছে তেন্তে আমি নিষ্ঠাৱান কৰ্মী আৰু কংগ্ৰেছ সদস্যসকল।"

"তুমি, মানে সমাজবাদী? এনেকুৱা তোমাৰ মনোভাব?" লালা হৰগোবিন্দই মন্তব্য কৰিলে।

"হয় ডাঙৰীয়া। গান্ধীৰ স্বপ্নৰ ভাৰতক যদি কোনোবাই দিঠকত ৰূপ দিব পাৰে সেই পাৰ্টিটো হ'ল চোচিয়েলিষ্ট পাৰ্টি। সেই কাৰণেইতো অন্যান্য পাৰ্টিতকৈ এই পাৰ্টিটোক গান্ধীজীয়ে মনে মনে ভাল পাইছিল। নেহৰুৰ মনোভাবো চোচিয়েলিষ্ট পাৰ্টিৰ প্ৰতি তেনে ধৰণৰেই আছিল। তেওঁ গান্ধীৰ স্বপ্নক জীয়াই ৰাখিবলৈ বিচাৰিছিল।"

"তেন্তে তোমাৰ পাৰ্টিটোক গান্ধী-পাৰ্টি কোৱাঁ, চোচিয়েলিষ্ট পাৰ্টি কিয়? অৱশ্যে, তেনে কৰিলে হয়তো তোমালোকে বেছি ভোট পাব পাৰা, কিমান মানুহেনো চোচিয়েলিষ্টক চিনি পায় আৰু তাৰ লক্ষ্যক বুজে?"

লালা হৰগোবিন্দই মত লগালে, "সঁচা কথা যে ভোট দিওঁতাসকলে কাক ভোট দিব লাগে ভালদৰে জানে। গান্ধী আৰু নেহৰুৰ মাজত ভোট পৰিলে কথাটো স্পষ্ট হ'ব মানুহে কাক বেছি পছন্দ কৰে। তেওঁলোক গান্ধীৰ বাটেদি যাবনে নেহৰুৰ বাট অনুসৰণ কৰিব সেইটো স্থিৰ কৰোঁতে অৱশ্যে দোধোৰ-মোধোৰত পৰিব। সৰ্বসাধাৰণৰ আগত দুটা স্পষ্ট বিকল্প নাৰাখে কিয়?"

"ডাঙৰীয়া, তাৰ কাৰণে প্ৰশ্ন গান্ধী আৰু নেহৰুৰ মাজত নহয়। আচলতে সমাজবাদীয়ে নেহৰুক আঁতৰ কৰিবলৈ বিচাৰে। সেইটো তোমালোকৰ মতলব নহয় জানো?" ককাদেউতাই চোচিয়েলিষ্ট মোমাইক সুধিলে।

"হোৱাট এ বুৰ্জোৱা এম্বিচন!" কমিউনিষ্ট মোমায়ে মন্তব্য কৰিলে।

"তহঁতৰ কমিউনিষ্টে ইয়াতকৈ বেলেগ আৰু কি ক'ব? নেহৰু ভুল পথেদি গৈছে বুলি ক'লেও তঁহতে নেহৰু যে আচল দেশভক্ত সেইটো অস্বীকাৰ কৰিব নোৱাৰ। আমি নেহৰুবাদৰ নহওঁ, নেহৰু বিৰোধী আৰু সাম্যবাদৰ সমৰ্থক নহওঁ, সাম্যবাদৰ বিৰোধীহে।"

"তেন্তে তোৰ ৰাজনীতি বিচিত্ৰ অৰ্থাৎ গান্ধীকো লাগে আৰু সাম্যবাদকো লাগে মাত্ৰ নেহৰুকহে নালাগে। কি চমৎকাৰ তহঁতৰ বিচাৰ!" কৈ ককাদেউতাই মিচিকিয়াই হাঁহিলে।

নেহৰু আৰু নেহৰুবাদৰ মাজত অলপ ব্যৱধান থাকিব পাৰে কাৰণ নেহৰু অলপ দোধোৰ-মোৰত পৰি আছে। কিন্তু সাম্যবাদ আৰু সাম্যবাদীৰ মাজত কিহৰ ব্যৱধান থাকিব পাৰে? সুৰেন্দ্ৰ, মোৰ এনে লাগিছে, তুমি নিজৰ সাম্যবাদক ভালদৰে ব্যাখ্যা কৰিব পৰা নাই বা তোমালোকৰ মৌলিকতাত কিবা গণ্ডগোল আছে," তিৱাৰীয়ে ক'লে।

"কিহৰ মৌলিকতা? মৌলিকতা বোলা বস্তুৱেই নাই ইহঁতৰ। ইহঁতৰ সমাজবাদ কি মই ভালদৰে জানো। ইহঁতৰ সমাজবাদ ব্যক্তিত্ববাদৰ বাহিৰে আন একো নহয়। 'এনাৰ্কিজিম' ক'ব পাৰা। গান্ধীৰ নাম যেনেকৈ যি কোনোৱে লয়, তেনেকৈ ইহঁতেও লয়। মূৰ্খ আৰু অশিক্ষিতৰ কাৰণে সেইটো এটা সহজ পথ। বৰ মস্কিলেৰে এই অভাগা দেশখনে ধৰ্মান্ধতাৰপৰা বাহিৰ ওলাবলৈ শিকিছিলহে মাথোন আৰু এই বাজীকৰে আকৌ সেই আগৰ অৱস্থালৈ লৈ গ'ল। ৰাজনীতি আৰু বিজ্ঞান—এই দুটা বস্তুৱেই আছিল—যি ভাৰতবৰ্ষক এহেজাৰ বছৰ পুৰণি জলাহৰপৰা বাহিৰ কৰিব পাৰিছিল আৰু বাহিৰ হৈছিলো। সেই ক্ষতি পূৰণ কৰিবলৈ আমাৰ আৰু পঞ্চাশ বছৰমান লাগিব। তাৰ পিছতহে দেশৰ জনসাধাৰণে উচিত পথৰ সন্ধান পাব পাৰিব," কমিউনিষ্ট মোমায়ে ক'লে।

"আৰু সেই পথে পোনে পোনে মস্কৌলৈ লৈ যাব," সুৰেন্দ্ৰ মোমায়ে ব্যঙ্গ কৰি ক'লে।

"মইনা, তুমি ভুল কথাষাৰ কোৱা নাই। অৱশ্যে কমিউনিষ্ট মইনাই কোৱামতে ধৰ্মান্ধতা বোলা কথাটো বৰ উচিত হোৱা নাই। এইখন ভাৰতবৰ্ষ। ইয়াত যি আছে আৰু ভৱিষ্যতে যি পৰিৱৰ্তন আহিব সকলো ধৰ্মৰ মাজেদিয়েই হ'ব। ধৰ্ম আৰু দৰ্শন দুটা ডাঙৰ বস্তু।

"কিন্তু সাম্যবাদও ধৰ্ম, লালা ডাঙৰীয়া। ধৰ্মান্ধতা বুলি ক'লে কি হ'ব?" তিৱাৰীয়ে মন্তব্য কৰিলে। লালাই চকু মুদি নিমাত হৈ বহি পৰিল।

"তাত কোনো সন্দেহ নাই। ককাদেউতা যেন টোপনিৰপৰাহে উঠিল। ক'লে, "গান্ধীয়ে সকলো বস্তু জটিল কৰি তুলিলে। সেই কথাটো মই মোৰ জোঁৱাইকো কওঁ।

শিক্ষিতসকলৰ ওপৰত যে গান্ধীৰ প্ৰভাৱ পৰা নাছিল তাৰ কাৰণ নোহোৱা নহয়। অশিক্ষিত সমাজত তেওঁৰ আদৰ আছিল। গান্ধী যে বুদ্ধিজীৱী বিৰোধী আছিল তাত কোনো সন্দেহ নাই। মইতো তেওঁক নিচেই ওচৰৰপৰা দেখিছোঁ আৰু সেই কাৰণে তেওঁক ভালদৰে জানো। তইঁততো আজি-কালিৰ ল'ৰা। তেওঁৰ অনেক ভুল আছিল। শূদ্ৰসকলক সংগঠিত হ'বলৈ কোনে বাধা দিছিল? গান্ধীয়ে। কৃষক আৰু শ্ৰমিকসকলক সংগঠিত হ'বলৈ কোনে বাধা দিছিল? গান্ধীয়ে," ককাদেউতাই অনৰ্গল কৈ গ'ল।

"হিয়াৰ, হিয়াৰ, থ্ৰী চিয়াৰ্চ টু ডেডী," কমিউনিষ্ট মোমায়ে চিঞৰি উঠিল।

সুৰেন্দ্ৰ মোমাইৰ ধৈৰ্য হেৰাই গৈছিল। খঙত তেওঁৰ মুখখন ৰঙা পৰিছিল কিন্তু সেই খং বাহিৰত প্ৰকাশ নকৰি তেওঁ শান্ত স্বৰে ক'লে, "তোমাক নিন্দা কৰাৰ বাহিৰে মোৰ ক'ব লগা একো নাই। মই ভিনিহীদেউৰ লগত ঘণ্টাৰ পিছত ঘণ্টা ধৰি আলোচনা কৰিব পাৰোঁ কিন্তু তোমাৰ লগত নোৱাৰোঁ। দেউতা, তুমি ঠিকেই কৈছা গান্ধীয়ে তোমাৰ নিচিনা বুদ্ধিজীৱীসকলৰ লগত মিলিব নোৱাৰে। কেনেকৈ মিলিব? বিভিন্ন জাত আৰু বিভিন্নবিধৰ বুদ্ধিজীৱী আমাৰ দেশত আছে—যিসকল আপোনাৰ নিচিনা শিপা নোহোৱা, মেৰুদণ্ডহীন আৰু ইংৰাজৰ হাতত কেতিয়াও মাৰ নোখোৱা। তেওঁলোক সেই বুদ্ধিৰ বুদ্ধিজীৱী—যিসকল নিৰক্ষৰ হ'লেও বুদ্ধিহীন নহয়। তেওঁলোকে গান্ধীক ভালদৰে বুজে কিন্তু তুমি নুবুজা। ধৰ্ম বাদ দিয়া। ময়ো ধৰ্ম নামানো। কিন্তু এই শিপা নোহোৱা সাম্যবাদীৰ নিচিনা বিহক ধৰ্মৰ লগত সানমিহলি কৰা ধৃষ্টতা মোৰ নাই। তিৱাৰী খুৰাই ঠিক কথাই কৈছে। ধৰ্মক বিহৰ লগত মিহলি কৰা সাম্যবাদীবোৰ ধৰ্মান্ধবোৰতকৈ কম নহয়।"

"তই আম্বেদকাৰক নিশ্চয় জান," ককাদেউতাই সুধিলে।

"মই তেওঁক এজন প্ৰতিভাশালী পুৰুষ হিচাপে শ্ৰদ্ধা কৰোঁ। অনুসূচিত জাতিৰ সমস্যাবোৰৰ সমাধান তেওঁ কৰা নাছিল যদিও কৰিছে বুলি দাবী কৰিছিল।"

"মানে তই ক'ব খোজ গান্ধীয়ে তেওঁলোকৰ সমস্যাবোৰৰ সমাধান কৰিছিল?"

"সেইটো কাম তোমালোকৰ দৰে বুদ্ধিজীৱীসকলৰহে, তেওঁৰ নহয়। তেওঁৰ দৃষ্টিত গোটেই দেশখনেই এখন সমাজ আছিল, বিশেষ এটা শ্ৰেণী বা জাতিৰ নহয়। তেওঁ সেই সমাজখন ভঙাত নহয় গঢ়াতহে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। আম্বেদকাৰে নৱ-বৌদ্ধক ৰূপ দিবলৈ এটা মৃতপ্ৰায় ধৰ্মত এক-দুই লাখমান লোকক দীক্ষিত কৰাই বৰ ডাঙৰ কাম এটা কৰিলে বুলি আনন্দ পাইছিল। ককাদেউতা, হিন্দু ধৰ্ম এনে এটা ধৰ্ম যি অনেক উৎপীড়ন, অত্যাচাৰ সহ্য কৰি আজিও জীয়াই আছে, আজিও তাৰ শক্তি আছে। যি আছে তাকেই অৱলম্বন কৰি তুমি, আমি জীয়াই আছোঁ। যি নাই তাৰ ভ্ৰম সৃষ্টি কৰাই তুমি গোটেই সমাজখনৰপৰা নিম্নজাতৰ মানুহক বাদ দিছা। গান্ধীজীয়ে ইয়াৰ চিকিৎসাৰ বিপদৰ কথা নিৰ্ভুলকৈ অনুমান কৰিছিল। তেওঁৰ সম্পূৰ্ণ বিশ্বাস আছিল—হিন্দু সমাজ গতিশীল যি নিজৰ বেয়া গুণবোৰ এৰিব পাৰে। তেনেকৈয়ে আমি নিজৰ দাৰিদ্ৰ্যক নিজৰ পুৰুষাৰ্থেৰে আনক নকল নকৰি, আনৰ উচ্ছিষ্ট স্পৰ্শ নকৰি দূৰ কৰিব পাৰোঁ।"

"উস্ অসহ্য ..." বুলি কৈ কমিউনিষ্ট মোমাই থিয় হ'ল আৰু ককাদেউতাই যাবলৈ মানা কৰা সত্ত্বেও তেওঁ খণ্ডত কোঠাৰপৰা বাহিৰ হৈ গ'ল।

"তই বক্তৃতা দিছনে তৰ্ক কৰিছ?" ককাদেউতাই সমাজবাদী মোমাইক সুধিলে।

"যি ইচ্ছা তুমি তাকে ধৰি লোৱা। তুমি মোক ক'বলৈ বাধ্য কৰাইছা। মোৰ বক্তৃতা দিয়াৰ অভ্যাস নাই।"

"তুমিতো বৰ ভাল কথাবোৰ ক'লা ...।"

হৰগোবিন্দ লালাই ক'লে। তাৰ পিছত ককাদেউতালৈ চাই ক'লে, 'টাম্‌টা ডাঙৰীয়া, সেই কাৰণেই সকলো শূদ্ৰ ল'ৰাৰ নামৰ লগত 'ৰাম' নিলিখি 'আৰ্য' লিখিবলৈ আপুনি আন্দোলন কৰা নাছিল জানো? ইয়াৰ মানে এইটো নহয় জানো আপুনি আম্বেদকাৰৰ সমাধানৰ ব্যৰ্থতা অন্তৰেৰে বুজি পাইছিল?"

"আপুনি কি কথা কৈছে?" মনবুৰ মিঞাই লগে লগে ক'লে, "আপুনি ক'ব খোজে নেকি 'আৰ্য' লিখিলেই আপোনালোকক উচ্চ জাতৰ হিন্দুৱে মানি ল'ব?"

"মানক বা নামানক তাৰ লগত আমাৰ কোনো সম্বন্ধ নাই। আনৰ মনা-নমনাৰ ওপৰত নিৰ্ভৰ কৰি আমি 'আৰ্য' হ'বলৈ যাম নেকি?"

"কিন্তু 'আৰ্য' হোৱাৰ উদ্দেশ্য কি?" সমাজবাদী মোমায়ে প্ৰশ্ন কৰিলে আৰু তাৰ উত্তৰলৈ অপেক্ষা নকৰি নিজে নিজে ক'লে, "উদ্দেশ্য স্পষ্ট যে আম্বেদকাৰে যি কৰিছিল তুমিও তাকে কৰিবা আৰু কৰিছাও। দেউতা, এইটো কেৱল 'হীন মন্যতা, যাক ইংৰাজীত ইনফিৰিৱৰিটি কমপ্লেক্স' বুলি কয়। এই হীনমন্যতাৰপৰা নিম্ন জাতৰ মানুহবিলাকক মুক্ত কৰিবৰ কাৰণে গান্ধীজীয়ে চেষ্টা কৰিছিল।"

অলপ পৰ টলকা মাৰি থাকি ককাদেউতাই ক'লে, "সুৰেন্দ্ৰ, তইতো আগতে এনেকুৱা নাছিলি। তোক ভিনিহীয়েৰে শিকালেনে কি?"

তেনেদৰে ঠাট্টা কৰাত সুৰেন্দ্ৰ মোমায়েকৰ বৰ খং উঠিব বুলি কুন্দনে অনুমান কৰিছিল। কিন্তু তাৰ ধাৰণা ভুল হ'ল। খঙৰ পৰিৱৰ্তে সুৰেন্দ্ৰই হাঁহি ইংৰাজীত ক'লে, "ব্ৰাডাৰ ইন-ল ইজ গ্ৰেট! লং লীভ ব্ৰাডাৰ ইন-ল। ..." তাকে শুনি ইমান পৰে চকিত বহি টোপনিয়াই থকা তিৱাৰী খক্‌মক্‌কৈ সাৰ পালে যে কোনোবাই তেওঁৰ গাত পানী ছটিয়াইহে দিলে।

"নাৰায়ণ ৰাম এজন নিষ্ঠাৱান লোক, সৎগুণৰ পূজাৰী। তেওঁতো সুৰেন্দ্ৰক তেওঁৰ মতৰ সমৰ্থক বুলি ভাবিবই নোৱাৰে। কিন্তু গান্ধীবাদ আৰু সমাজবাদৰ কেনেকৈ মিল হ'ব পাৰে সেইটো আমাৰ চিন্তাৰ বাহিৰত। আমি তোমালোকৰ লোহিয়াকো বুজিব পৰা নাই। মোৰ মতে, সমাজবাদী অলপ কোমল ধৰণৰ সাম্যবাদী। গান্ধীজীয়ে সাম্যবাদীক একেবাৰে দেখিব নোৱাৰিছিল আৰু সাম্যবাদীয়েও গান্ধীক সদায় গালি পাৰিছিল। সমাজবাদীয়ে যেতিয়া 'গান্ধী' 'গান্ধী' বুলি চিঞৰিবলৈ ধৰে, মোৰ অনুমান হয় তেওঁলোকে গান্ধীক ভালদৰে বুজা নাই আৰু এনেয়ে চিঞৰে। কিন্তু নাৰায়ণে গান্ধীক ভালদৰে বুজে আৰু সেই কাৰণে তেওঁক শ্ৰদ্ধা কৰি তেওঁৰ নীতি অনুসৰণ কৰে। তেওঁ এজন সত্য গান্ধীবাদী। টাম্‌টা ডাঙৰীয়া, মোৰ এনে লাগে যে সমাজবাদীয়ে

গান্ধীৰ নামত যি কৰে সেইবোৰ নিৰ্বাচনত ভোট পাবৰ কাৰণে কৰে। নহ'লে ক'ত সমাজবাদ আৰু ক'ত গান্ধীবাদ। দুয়োৰে মাজত কি লেন-দেন থাকিব পাৰে?" তিৱাৰীয়ে অনৰ্গল বক্তৃতা দি মনে মনে থাকিল।

"মোৰো তেনেকুৱাই লাগে। কিন্তু সমাজবাদ আৰু গান্ধীবাদ দুয়োটা মোৰ ওচৰত এতিয়াও অস্পষ্ট। সেই কাৰণে যি কোনো মানুহে দুয়োটা ৰটি থকা শুনিলে মোৰ খেলি-মেলি লাগে," মুনৱ্বৰ মিঞাই ক'লে।

"নেহৰু কংগ্ৰেছৰ নাম ৰটা আপোনাৰ কেতিয়াও কাণত পৰা নাইনে?" সুৰেন্দ্ৰ মোমায়ে সুধিলে।

"শুনিছোঁ, কিন্তু তাৰ ওপৰত মই একো গুৰুত্ব দিয়া নাই।"

"মিঞা চাহাবে ঠিকেই কৈছে। এই তিনিওটা মোৰ ওচৰতো স্পষ্ট নহয়, খেলি-মেলি লাগে। সেই কাৰণেই আৰ্য সমাজে আৰম্ভণিৰপৰাই নিজৰ এটা স্পষ্ট নীতি ৰাখিছে। সেই নীতি কেবাহাজাৰ বছৰ ধৰি ধৰ্মৰ ভিত্তিত স্থাপিত বুলি তাৰদ্বাৰা মানুহ সহজে প্ৰভাৱিত হয়।"

"তেন্তে আপুনি ক'ব খোজেনে লাখ লাখ মানুহে সমৰ্থন আৰু অনুসৰণ কৰা গান্ধীবাদত ধৰ্মৰ কোনো প্ৰভাৱ নাই! আৰু আপোনাৰ যি আৰ্য সমাজ পঞ্জাৱৰ সীমাৰ বাহিৰলৈ এক ইঞ্চিও অহা নাই, সেই আৰ্য সমাজে দেশৰ অন্যান্য ৰাজ্যত বিস্তাৰ কৰিব পৰা নাই কিয়?"

"বোপাই, তোমাৰ লগত মই কি আলোচনা কৰিম? তোমাৰ মাত্ৰ এপাত শৰ আছে যি সকলো লক্ষ্য ভেদ কৰিব পাৰে। সেই পাত শৰ হ'ল গান্ধীবাদ। নহয় জানো?"

"নহয় ডাঙৰীয়া, সেইপাত শৰৰ নাম হ'ল—গান্ধীবাদী সমাজবাদ। মই আগতেই এবাৰ কৈছিলোঁ গান্ধীৰ উত্তৰাধিকাৰী আমি অৰ্থাৎ আমি সমাজবাদীসকল।"

ককাদেউতাই মাজতে সুধিলে, "জৱাহৰলালেও সমাজবাদ সম্বন্ধীয় আৰ্হি বিচাৰিছিল। তোমাৰ জয়প্ৰকাশ নাৰায়ণ, লোহিয়া আৰু এতিয়া জে বি কৃপালনীয়ে বিচাৰিছে। তুমি কাৰ পিনে, কোৱাচোন শুনো।"

কুন্দনে লক্ষ্য কৰিলে কুন্দনৰ মোমায়েক প্ৰথমবাৰ অলপ চিন্তাত পৰিল। তেওঁ অলপ বিচলিত হ'ল। গল দিবলৈ আহি খেলুৱৈ গলৰ ওচৰত আটক হ'ল। কিন্তু তেওঁ অন্য উপায়েৰে গল নিদিয়ে কিয়?"

"সমাজবাদীৰ ভিতৰতো মতভেদ সামান্য পৰিমাণে হৈ থাকে। আমি ইমান কঠোৰ পাৰ্টি-নিয়ম নাবান্ধো কাৰণ আমি সাম্যবাদী নহওঁ," সমাজবাদী মোমায়ে ক'লে।

"চোৱা মইনা, কমিউনিষ্টজনতো গ'ল। গতিকে তেওঁৰ অনুপস্থিতিত তেওঁৰ বিষয়ে আলোচনা কৰি লাভ নাই," তিৱাৰীয়ে ক'লে।

কুন্দনৰ মনৰ কথা অনুমান কৰি ককাদেউতাই সমাজবাদী মোমাইক সুধিলে, "তই কি কৈছিলি নাৰায়ণক নিৰ্বাচনত থিয় কৰোৱাৰ কথা?"

মোমায়ে লগে লগে উত্তৰ দিলে, "পি এছ পিয়ে ভিনিহীক তোষামোদ কৰিছে

নিৰ্বাচনত উঠিবৰ কাৰণে কিন্তু তেওঁ মান্তি হোৱা নাই। তেওঁ কৈছে সেই পাকঘূৰণিত সোমাবৰ তেওঁৰ মন নাই। সেই উদ্দেশ্যেই বালেশ্বৰ মহাশয় কালি লক্ষ্নৌৰপৰা আহি ভিনিহীক তেওঁৰ ঘৰত দেখা কৰিছে।”

“কিন্তু তোৰ ভিনিহীয়েৰক থিয় কৰাবলৈ পৰামৰ্শ দিলে কোনে? তেওঁৰ লগত পি এছ পিৰ সম্বন্ধ কি?”

“শুনা দেউতা, তাকেইতো মই তোমাক ইমান পৰে বুজাইছোঁ কিন্তু তুমি বুজিবলৈ বিচাৰিলেহে বুজি পাবা। কৃপালনী ডাঙৰীয়া ইয়ালৈ আহোঁতে জ্যোলীকোট হৈ ভিনিহী আৰু তৰলা ভগিনীক লগত লৈ আহিছিল। তুমি এই কথাটো নাজানা জানো? মইতো তোমাক কৈছিলোঁ। কৃপালীনী ভিনিহীৰদ্বাৰা বৰ প্ৰভাৱিত হৈছে। সকলোৰে অনুমান তেৱেঁই ভিনিহীক নিৰ্বাচনত থিয় কৰাবলৈ পৰামৰ্শ দিছে। তৰলা ভগিনী পৰ্যন্ত ৰাজী হৈছে কিন্তু ভিনিহী নিৰ্বাচন প্ৰচাৰ কৰিবলৈহে ৰাজী হৈছে, নিজে নিৰ্বাচনত থিয় হ'বলৈ ৰাজী হোৱা নাই।”

“তেন্তে?”

“বালেশ্বৰ মহাশয়ে তেওঁক ভালদৰে জানে, তেওঁ ভিনিহীক মান্তি কৰাবলৈ চেষ্টা কৰিব। যদি মান্তি নহয় আন কোনো প্ৰাৰ্থীক বিচাৰিব।”

“তুমি নুঠা কিয়?' মনবুৰ মিঞাই সুধিলে। ককাদেউতাই বৰ মৰম লগাই মিচিকিয়া হাঁহি এটা মাৰি মোমাইৰ পিনে চালে।

“সঁচাইতো, এওঁ ঠিক কথাই কৈছে। যদি নাৰায়ণ ৰাম নিৰ্বাচনৰ কাৰণে উঠিব পাৰে তুমি নোৱাৰিবা কিয়,” তিৱাৰীয়ে ক'লে।

“মইতো এজন কৰ্মীহে। প্ৰাৰ্থী এনেকুৱা এজন মানুহ হ'ব লাগিব যাক জনসাধাৰণে ভালদৰে চিনি পায়। মোক কোনে ভোট দিব?” সুৰেন্দ্ৰ মোমায়ে খিলখিলকৈ হাঁহিলে।

“তুমি প্ৰথমে টিকটটো লোৱাচোন। বাকীখিনি আমাৰ ওপৰত এৰি দিয়া। তোমাৰ দেউতাৰা থাকোঁতে চিন্তা কিহৰ কাৰণে? নহয় জানো ডাঙৰীয়া?” মনবুৰ মিঞাই শেহৰ কথাষাৰ ককাদেউতাক উদ্দেশ্য কৰি ক'লে।

ককাদেউতাই মিচিকিয়া হাঁহি এটা মাৰি ক'লে, “বাদ দিয়ক। এতিয়া সি এই জঞ্জালত পৰিব নেলাগে। মাত্ৰ কেইমাহমানৰ আগতে সি ওকালতি পাছ কৰি আহিছে ; প্ৰেকটিচ আৰম্ভ কৰক। লক্ষ্নৌৰপৰা অহা তাৰ ছমাহেই হোৱা নাই।”

“দেউতা, মোক জিকাবৰ কাৰণে আপোনাৰ মনৰ সাহস আছে যেতিয়া ভিনিহীক জিকাওক—যিহেতু আমাৰ পাৰ্টিৰ সকলোৱে তেওঁক বিচাৰিছে।”

বৈঠকখানা হঠাৎ নিস্তব্ধ হ'ল। কুন্দনে বাৰে বাৰে তাত বহি থকা সকলোৰে মুখবোৰলৈ চালে। কোনেও এটা কথাও উচ্চাৰণ নকৰিলে। তেন্তে দেউতা হাৰি যাব? কুন্দনৰ বৰ আচৰিত লাগিল। তাৰ দেউতাকৰ কথা ওলালেই সি লক্ষ্য কৰি আহিছে মানুহবোৰে তেওঁক হাঁহে বা কথাবোৰৰপৰা আমোদ পায়। তেনে কৰাৰ কি যে কাৰণ থাকিব পাৰে কুন্দনে সঠিককৈ অনুমান কৰিব নোৱাৰে।

"যতদূৰ সম্ভৱ আজিয়েই সিদ্ধান্ত গ্ৰহণ কৰিব। কাইলৈ বালেশ্বৰ ডাঙৰীয়াই নীলকণ্ঠেশ্বৰ মৈদানৰ সভাত বক্তৃতা দিব। শুনিছোঁ তেওঁ এজন বৰ ভাল বক্তা। ভিনিহীয়ে তেওঁৰ বক্তৃতা শুনিছে। আপোনালোক সকলোকে নিমন্ত্ৰণ কৰিছোঁ। নিশ্চয় আহিব সভালৈ। এতিয়া যাওঁ বাৰু। পাৰ্টিৰ মিটিং আছে।" সুৰেন্দ্ৰ মোমায়ে একে উশাহতে কোৱাৰ দৰে সকলো কথা কৈ প্ৰফুল্ল মনেৰে ওলাই গ'ল। কুন্দন কেইটামান মুহূৰ্তৰ কাৰণে দোধোৰ-মোধোৰত পৰিল কিন্তু তাৰ পিছতে সি মোমায়েকৰ লগত যাবলৈ দৌৰ মাৰিলে।

ঘৰলৈ লক্ষ্মী আহিল

"নবৌ, আজি খালী চাহ নচলিব, কৈছোঁ কিন্তু। ৰাতিপুৱাই এজন সৰবজান বামুণৰ মুখ দেখিছোঁ। আজি গোহালিত গাই থকাহেঁতেন খুলি দিলোহেঁতেন। ক'লৈ গ'ল তেওঁ?"

"ৰমদা, তোমাৰ কি হ'ল আজি? তেওঁ পায়হি হে লাগে। গাখীৰ আনিবলৈ গৈছে।"

"ঘৰত টাম্‌টা ডাঙৰীয়া আছেনে?" তলৰপৰা কোনোবাই মাত লগালে।

"কোন? অ' মনব্বৰ চাহাব। আহক, বহক। টাম্‌টা চাহাব হাৱা খাবলৈ গৈছে। ময়ো তেওঁৰ কাৰণে বৈ আছোঁ। আপুনিও বহক।"

"নহয়, এতিয়া যাওঁ আন সময়ত আহিম। ময়ো হাৱা খাবলৈ বাহিৰ হৈছিলোঁ। ভাবিলোঁ ৰাস্তাতে পৰে যেতিয়া অভিনন্দন জনাই যাওঁ।"

"হয় চাহাব, ময়ো সেই কাৰণে বহি আছোঁ। ইমান লৰালৰি কিয়? বহক।"

"ঘৰত জৰুৰী কাম আছে ; আকৌ আহিম। বাৰু যাওঁ।"

"বাৰু যাওক।" ৰামখুৰাই সৰু ল'ৰাৰ নিচিনাকৈ হাঁহি এটা মাৰি ক'লে, "নবৌ কিবা বুজি পালা নে আৰু বুজাব লাগিব। ... হেৰ' থিয় হৈ মোলৈ কি চাইছ? যা গৰম গৰম জেলেপী লৈ আহ। ল, পইচা ল।"

"কিন্তু ... আপুনি হয়তো নাজানে খুৰা, দেউতা কোনোমতেই মান্তি হোৱা নাই।"

ৰামখুৰাৰ মূৰত যেন সৰগখনহে ভাগি পৰিল। তেওঁৰ আশ্চৰ্যৰ সীমা নাথাকিল। এই ৱায়াৰলেচ ইন্সপেক্টৰ ক'ৰপৰা ওলালহি ইমান বেয়া সংবাদটো দিবলৈ?"

"তোক কোনে ক'লে?"

"কিয় দেউতাই নিজে কৈছিল।"

"কি কৈছিল?"

"নিৰ্বাচন-চিৰ্বাচন মোক একো নালাগে।"

"যা ইয়াৰপৰা। দেউতাকৰ বৰ দূত ওলাইছেহি। নবৌ, তুমি কোৱাচোন কি কথা হৈছিল তোমাৰ লগত তেওঁৰ?"

"মোৰ লগত কি কথা হ'ব ৰমদা? ভিনিহী-খুলশালীয়েকৰ লগত কথা হৈছিল আৰু সুৰেন্দ্ৰই মোক কৈছিল। তেওঁ মোক এটা কথাও কোৱা নাই।"

"গোটেই চহৰখনে জানে আৰু তোমাক কোৱা নাই এটা কথাও? তাক আহিবলৈ দিয়াচোন।"

"সেই কাৰণেই তিনি দিন ঘৰৰপৰা উধাও। বতাহৰ নিচিনা কেতিয়া ঘৰত সোমায় আৰু কেতিয়া ওলাই যায় মই একো নাজানো। খাবলৈকো গাত হুঁচ নাথাকে। ৰাতিপুৱাই ঘৰৰপৰা ওলাই গৈ মাজ নিশাহে ঘৰত সোমায়হি। তোমাক নিশ্চয় সকলো কথা কৈছে।"

"ক'ত কৈছে? এসপ্তাহৰ আগতে লগ পাইছিলোঁ। তাৰ পিছত লগ পোৱা নাই তাক। মই ভাবিছিলো সি ঘৰলৈ উভতি আহিল। তাৰ বিষয়ে মই মাত্ৰ কালি উকীলবাবুৰ ঘৰত জানিলোঁ। তাৰপৰা ঘূৰি আহোঁতে বাটত তোমালোকৰ সুৰেন্দ্ৰক লগ পালোঁ। তেওঁ ক'লে নাৰায়ণ মিটিঙত আছে। শুনিছোঁ লক্ষ্মৌৰপৰা কোনোবা নেতা এজন আহিছে তোমাৰ স্বামীক মান্তি কৰাবলৈ?"

মাই এটা দীৰ্ঘ নিশ্বাস কাঢ়ি ক'লে, "হায়! মই তেওঁৰ শত্ৰু হ'লোঁ!"

"কাৰ শত্ৰু হ'লা ৰামী? ৰাতিপুৱাই কাৰ কথা কৈছা তুমি?" তলৰপৰা খট্‌খটিত ওপৰলৈ আহোঁতে মাজ বাটৰপৰাই দেউতাই মাত লগালে।

দেউতাই খটখটিটো শেষ কৰিবলৈ নৌপাওঁতেই ৰামখুৱাই তললৈ নামি গৈ আধাবাটতে দেউতাক সাবটমাৰি ধৰি ক'লে, "অভিনন্দন এম এল এ ডাঙৰীয়া, অভিনন্দন!"

"তেন্তে খবৰটো তোমাৰ কাণত ইতিপূৰ্বেই পৰি গ'ল? ... তুমি কি কৰিছা ৰামী?"

"ৰমদাক সোধা মই কি কৰিছোঁ। তুমি মোক এটা কথাও কৈছা নে?" মাই অভিমান কৰি ক'লে।

"হৰি হৰি! নবৌক এতিয়ালৈকে এটা কথাও সোধা নাই আৰু তই এম এল এ হোৱাৰ স্বপ্ন দেখিছ।"

"কোনে স্বপ্ন দেখিছে?" খঙত দেউতাই চিঞৰি উঠিল। "তোমালোকে মোক জীয়াই থাকিবলৈ দিবানে নিদিবা?"

"টাম্‌টা ডাঙৰীয়া!" কোনোবাই তলৰপৰা মাত লগালে। দেউতা মূৰত দুয়োটা হাত থৈ বহি পৰিল।

"ৰামী, কৈ দিয়া মই ঘৰত নাই। কোন আহিছে মই জানো। যিজন মানুহে মোৰ লগত কালিলৈকে ভালদৰে কথা পতা নাছিল, সেই মানুহজনেই এতিয়া মোক তোষামোদ কৰিবলৈ আহিছে। যোৱা ৰামী, কৈ দিয়া মই ঘৰত নাই।"

"ঘৰত কোন আছে?" আকৌ তলৰপৰা মাত শুনা গ'ল।

"ৰমদা, তুমিয়েই কোৱাগৈ মই ঘৰত নাই।"

ৰামদত্ত মাষ্টৰে খিড়িকীয়েদি ভুমুকি মাৰি চালে আৰু লগে লগে চিঞৰি উঠিল, "বাঃ লালা ডাঙৰীয়াযে। আহক, টাম্‌টা ডাঙৰীয়া ঘৰতে আছে।"

নিজৰ স্থূল দেহটোক খটখটিয়েদি টানি আনি লালা হৰগোবিন্দ কোনোমতে ওপৰ মহলাত উপস্থিত হ'ল আৰু মনৰ সকলো আনন্দ প্ৰকাশ কৰি তেওঁ দেউতাক ক'লে, "অভিনন্দন গ্ৰহণ কৰক টাম্‌টা ডাঙৰীয়া। মই আপোনাক কিমানবাৰ যে মাতিলোঁ।"

দেউতাই কোৱাৰ আগতে মাই ক'লে, "ক্ষমা কৰিব, আমি পিছফালৰ বাৰান্দাত থকাৰ কাৰণে একো শুনা নাছিলোঁ। তদুপৰি ইয়াত টাম্‌টা বুলি এওঁক কোনেও সম্বোধন নকৰে। সেই কাৰণে আমি আপুনি মাতোঁতে বৰকৈ কাণ দিয়া নাছিলোঁ।"

একো নাই মই অলপো বেয়া পোৱা নাই। দীৰ্ঘায়ু হোৱা আই। কিন্তু তুমি ইমান খীণালা কিয়? গা ভালতো?"

"মোৰ গা ভাল ডাঙৰীয়া। মই আপোনাৰ মাতটো কিয় চিনি নাপাম? পাকঘৰত থকাৰ কাৰণে মই আপোনাৰ মাত শুনা নাছিলোঁ।"

"কোনো কথা নাই আই, কোনো কথা নাই। মাষ্টৰ, আপোনাৰ খবৰ কি? বহুত দিনৰ পিছত আপোনাক লগ পালোঁ। আজিকালি আপুনি বজাৰৰ পিনে নাযায় নেকি? আপুনি এতিয়া মিঠাই খুৱাব লাগে। আপোনাৰ বন্ধুতো জিকিবই আপোনাৰ লোকৰ চেষ্টাত।"

"আমিনো কেনেকৈ জিকাম? তেওঁক জিকোৱাৰ ভাৰ আপোনালোকৰ ওপৰতহে।"

কুন্দন কাষৰ কোঠাটোত বহি আছিল। সি পঢ়াৰ ভাও ধৰি সকলো কথা শুনি আছিল আৰু দুৱাৰৰ ফাকেদি সকলোকে দেখিছিল। দেউতাক গম্ভীৰ আৰু ভাবহীন।

"ইমান আনন্দৰ দিনত আপোনালোক গম্ভীৰ কিয়?" কৈ লালাই এবাৰ দেউতাৰ আৰু এবাৰ ৰামখুৰাৰ মুখলৈ চালে। দেউতা নীৰৱ।

"আপুনি এওঁক জানেই লালা ডাঙৰীয়া। সাধু মানুহ। কেতিয়াও নিৰ্বাচনৰ স্বপ্নও দেখা নাছিল। এতিয়া পাকত পৰাত মনলৈ দুশ্চিন্তা আহিছে," ৰামখুৰাই ক'লে।

"হৰি! হৰি! দুশ্চিন্তা আহিব কিয়? এইটো ৰাইজৰ ইচ্ছা আৰু তেৰাৰ কৃপা। আমিতো সকলো তেওঁৰ লগত আছোঁ।"

"লালা ডাঙৰীয়া, আপুনি এওঁক যেনেকৈ উদগনি দিছে যেন তেওঁ একে জাঁপেই সমুদ্ৰখন পাৰ হ'ব। এতিয়া এওঁৰ মনৰ অৱস্থা কেনেকুৱা হৈছে আপুনি

জানেনে? সমুদ্ৰ পাৰ হোৱাৰ আগতে হনুমানৰ অৱস্থা যেনেকুৱা হৈছিল ঠিক তেনেকুৱা।"

"কি কৈছে আপুনি? 'কহয় ঋক্ষৰাজ শুনহ হনুমান। কিহৰ লাগিয়া চুপ আছ বলবান।।' 'যতই কঠিন কাম আছে ভুবনত। তোক্ষাৰ অসাধ্য নাই কহিলো সতত'।।"

"বাঃ লালা ডাঙৰীয়া! কি সময়ত কি যে খাপখোৱা কথাষাৰ শুনালে। এতিয়া আপুনিয়েই কৰকনা সেইটো কাম। জাম্বৱন্তৰ ভূমিকাটো আমি আপোনাৰ কাৰণেই ৰাখিছোঁ।" ৰামখুৱাই ক'লে। তেওঁৰ কথা শুনি লালা হৰগোবিন্দই ইমান জোৰেৰে হাঁহি দিলে যেন তাৰ প্ৰতিধ্বনিত কোঠাটো কঁপি উঠিল। অলপ পৰ ৰৈ তেওঁ ক'লে, "মাষ্টৰ ডাঙৰীয়া, এওঁৰ জাম্বৱন্ত আপুনিহে। মইতো আপোনাৰ পালি-পহৰীয়া এটা বান্দৰ হ'ম। আপুনি আদেশ কৰিব আৰু মই পালন কৰিম।" কথাষাৰ কৈ লালা হৰগোবিন্দই দুয়োৰে পিনে অৰ্থপূৰ্ণ দৃষ্টিৰে চাই ৰ'ল।

"চাওক, জাম্বৱন্তৰ ভূমিকা আপুনিয়েই গ্ৰহণ কৰিব লাগিব। কিন্তু মই হনুমান নহ'ম। এই পাকঘূৰণিৰ ভিতৰত পৰিবলৈ মোৰ একেবাৰে ইচ্ছা নাই," দেউতাই শান্ত স্বৰে ক'লে।

"তুমি কি কৈছা নাৰায়ণ ভাই? কি পাক ঘূৰণিৰ কথা কৈছা? এইটোতো দেশসেৱা।"

"হ'ব পাৰে কিন্তু এই দেশসেৱা বেলেগ ধৰণৰ। মোৰ দেশসেৱা তেনে ধৰণৰ নহয়। মোক স্বধৰ্মতে থাকিবলৈ দিয়ক, পৰধৰ্মক মই ভয় কৰোঁ।"

"কি আচৰিত! তোক মই এই দিনটোৰ কাৰণেই গীতা পঢ়াইছিলোঁ নেকি?" ৰামদত্ত মাষ্টৰে সঁচাকৈয়ে নিজৰ মূৰত থপৰিয়াবলৈ ধৰিলে।

মাই চাহ আৰু কাঁহী এখনত জেলেপি দিলেহি। লালা হৰগোৱিন্দই এডোখৰ জেলেপি তুলি লৈ মুখত দি ক'লে, "সেইটো বেলেগ কথা। কিন্তু চোচিয়েলিষ্টৰ এটা টিকট পোৱা সাধাৰণ কথা নহয়। তোমাৰতো কোনো সম্বন্ধ নাই এই পাৰ্টিটোৰ লগত ; তথাপি তোমাক নিৰ্বাচন কৰিছে। এইটো সাধাৰণ কথা নহয় ; ইয়াৰ নিশ্চয় গুৰুত্ব আছে।"

"মোৰতো এইটো ডাঙৰ কথা যেন নালাগে। আৰু এতিয়াওতো মোক টিকট দিয়া নাই। একো হোৱা নাই আৰু আপোনালোকে মোক অভিনন্দন জনাইছে। আপোনালোকে কিয় মোক হাঁহিয়াতৰ পাত্ৰ কৰিছে মই বুজি পোৱা নাই। প্ৰাৰ্থীৰ জানো অভাৱ আছিল যে মোক সেই তপোবনৰপৰা ধৰি ইয়ালৈ লৈ আহিল?"

"নিশ্চয় অভাৱ আছিল আৰু সেই কাৰণেইতো তোক নিৰ্বাচন কৰিছে। গোটেই জগতখন নিৰ্বোধ আৰু তই জ্ঞানী জনক ৰজা', ৰামখুৱাই খঙেৰে ক'লে।

দেউতা নিমাত। এনেতে মাই ভিতৰৰপৰা মাত লগালে, "তুমি ঠিক কথা কৈছা ৰমদা। এওঁতো গোটেই জগতখনৰ মানুহক নিৰ্বোধ বুলি ভাবে। কেতিয়াবা কোনো কথা এওঁ মানিছে জানো?"

"ৰামী, তুমি এই কথা কৈছা? তুমি?" দেউতাই এনেভাৱে সুধিলে যেন মাই সেই কথা কৈছে বুলি বিশ্বাস কৰিব পৰা নাই।

লালা হৰগোৱিন্দ চকীৰপৰা উঠি যাবলৈ উদ্যত হ'ল, "বাৰু মই যাওঁ। তুমি চিন্তা নকৰিবা ৰামী। এওঁ নিশ্চয় নিৰ্বাচনত উঠিব আৰু নিশ্চয় জিকিব। সিদ্ধান্ত এওঁৰ নহয় দেশৰ জনসাধাৰণৰ। এওঁৰ 'না' কৰিবৰ কোনো অধিকাৰ নাই। ঘৰুৱা বিষয়ত আঁকোৰগোঁজ হোৱাটো অস্বাভাৱিক নহয় মই জানো কিন্তু এইটো ঘৰুৱা বিষয় নহয়, দেশসেৱা। দেশৰ প্ৰশ্ন। টাম্‌টা ভাইক কোনে চিনি নাপায়? এওঁ কেতিয়াও ভুল সিদ্ধান্ত নলয়। এওঁৰ দ্বিধাবোধৰ কাৰণ মই ভালকৈ বুজিব পাৰিছোঁ। কিন্তু খেল-পথাৰখনেই যদি নোপোৱা খেলিবা ক'ত? খুন্দা-খুন্দলি নালাগিলে 'গল' কেনেকৈ কৰিবা? এতিয়া দেশৰ অৱস্থা এনেকুৱা য'ত নিস্বাৰ্থ সেৱকৰ নিতান্ত প্ৰয়োজন হৈছে। আমাৰ নিচিনা বাজে মানুহ কেনেবাকৈ জিকিলেও দেশে আমাৰপৰা কি পাব? গতিকে তোমাৰ নিচিনা এজন মানুহে ফালৰি কাটিলে দেশখনৰ কি গতি হ'ব নক'লেও হ'ব। কিছুমান অপদাৰ্থ আৰু অসৎ মানুহে দেশৰ শাসনভাৰ গ্ৰহণ কৰি আমাৰ ওপৰত আধিপত্য চলাব, ভ্ৰষ্টাচাৰে দেশখনক গ্ৰাস কৰিব, অসৎ, ধনলোভী আৰু দুষ্ট মানুহবোৰে ৰাজনীতিক ব্যৱসায় হিচাপে লৈ নিলৰ্জ্জভাৱে ৰাইজৰ টকা আত্মসাৎ কৰিব। কওক মাষ্টৰ ডাঙৰীয়া মই ভুল কথা কৈছোঁনে?"

"লালা ডাঙৰীয়া, আপুনি কোৱা প্ৰত্যেকযাৰ কথাই সত্য। ধৰ্ম, ৰাজনীতি, ব্যৱসায়, ভ্ৰষ্টাচাৰ একো বাদ দিয়া নাই আপুনি। এই কথাবোৰ মোৰ মনতো সদায় খেলি থাকে কিন্তু আপুনি যি ধৰণে প্ৰকাশ কৰিছে মই তেনে ধৰণে নোৱাৰোঁ।"

"সঁচা কথা কৈছে ৰমদা", মাই ভিতৰৰপৰা ক'লে। "দেউতাই কৈছিল— বয়সীয়া মানুহৰ কথা আৰু আমলখিৰ স্বাদ পিছতহে পোৱা যায়। এৰোঁ এই কথাবোৰৰ তাৎপৰ্য পিছতহে জানিব পাৰিব। এইটোতো আৰু নতুন কথা নহয়।"

ৰামখুৰাই হো হো কৰে হাঁহিলে। লালা ডাঙৰীয়ায়ো তাত যোগ দিলে। দেউতাই মিচিকিয়া হাঁহি এটা মাৰিলে যেন কোনোবাই জোৰ কৰিহে তেওঁক হঁহুৱালে।

"বাৰু, এতিয়া মই উঠোঁ," কৈ লালা হৰগোবিন্দ কোঠাৰপৰা ওলাই খটখটীয়েদি নামি গ'ল।

"খুৰা, এওঁ আমাৰ ভিতৰৰ কথাবোৰ জানিবলৈ আহিছিল। গধূলি হাউলীলৈ গৈ সকলো কথা ক'ব," কুন্দনে ক'লে।

"তই মনে মনে থাক। তই জন্ম হোবাৰ আগৰেপৰা মই এওঁক জানো। এওঁ আমাৰ অহিত চিন্তা নকৰে।"

"এতিয়া তোমাৰ কি ক'বলগীয়া আছে কোৱা। লালাৰ আগতে তেনে ধৰণে কোৱাৰ তোমাৰ কি প্ৰয়োজন আছিল? নবৌ, কুন্দনৰ কথাও সঁচা হ'ব পাৰে। তুমি ভিতৰৰপৰা আহাচোন ইয়ালৈ," ৰামখুৰাই ক'লে।

মা ওলাই আহি ৰামখুৰাৰ ওচৰতে বহিল। দেউতা কোঠাটোতে ইফালে-সিফালে অহা-যোৱা কৰি থাকিল। তেওঁক বৰ চিন্তিত দেখা গ'ল।

"কুন্দন তয়ো আহ আৰু ইয়াতে বহ। আজি আৰু পঢ়িব নেলাগে," ৰামখুৰাই ক'লে।

"কিনো কৈছা সৰু ল'ৰাৰ দৰে? তাক পঢ়িবলৈ দিয়া। ইয়াত তাৰ কি কাম আছে?" দেউতাই বাধা দি ক'লে।

"এৰা, তোমাৰ বৰ চিন্তা হৈছে ইয়াৰ পঢ়া-শুনা লৈ। কেতিয়াবা সুধিছানে ই কি পঢ়িছে? ৰমদা, এওঁ ল'ৰা দুটাকো নিজৰ ঠাচত গঢ়ি তুলিছে। বাপেক আৰু পুতেকহঁতে মই শুনো বুলি ফুচ্‌ফুচাই কথা পাতে যেন মই বাহিৰা মানুহহে।"

দেউতাই প্ৰতিবাদ কৰি ক'লে, "তুমি যে কি কথা কোৱা ৰামী! মই কেতিয়া তোমাৰপৰা কথা লুকুৱাইছোঁ? কেইদিনমানৰপৰা মোৰ মগজটোৱে কাম কৰা নাই। হয়তো দুই-এটা কথা তোমাক ক'বলৈ পাহৰিছোঁ। গতিকে তুমি মোক এনেভাৱে দোষাৰোপ কৰিলে মোৰ প্ৰতি অবিচাৰ কৰিবা।"

"বাৰু বাদ দিয়া সেইবোৰ কথা। কুন্দন, কচোন তোৰ দেউতাৰ নিৰ্বাচনত উঠিব লাগে নে নালাগে?"

"নিশ্চয় লাগে। মইতো সেই কথাটোকে দেউতাক বাৰে বাৰে কৈছোঁ। নহ'লে তেওঁৰ ঠাইত সুৰেন্দ্ৰ মোমাই উঠিব।"

"তোৰ মগজটো বেয়া হোৱা নাইতো? দেউতাৰৰ নিচিনাকৈ?" মাই খঙেৰে ক'লে।

"নহয় ৰামী, ই ঠিক কথাই কৈছে। কুন্দনে কেতিয়াও মিছা কথা নকয়। হাউলিত শুনিছে আৰু তাকে সি কৈছে," দেউতাই ক'লে।

"মোৰ বিশ্বাস নহয়। তোমাক যে টিকট দিছে সেই খবৰটো সুৰেন্দ্ৰই মোক দিছিল। সি কিমান আনন্দ পাইছিল সি কিমান তোমাক ভাল পায় আৰু শ্ৰদ্ধা কৰে!"

"নবৌ, ৰাজনীতি বৰ লেতেৰা বস্তু। তাত সকলো হয়। তুমি যিমান পোন বুলি ভাবিছা সিমান পোন নহয়, অকোৰা-পকোৰাও হয়।" ৰমদাই ক'লে।

"ইয়াত একো অকোৰা-পকোৰা নাই ৰমদা, একেবাৰে পোন কথা। মোৰতো প্ৰাণটো ওলাই যাওঁ যাওঁ যেন লাগিছে," মাই বিচলিত হৈ ক'লে। তাৰ পিছত মাই মোলৈ খংমুৱাকৈ চাই ক'লে, "অ'ৰ কথা ত'ত লগোৱা অভ্যাসটো তোৰ কেতিয়াৰপৰা হ'ল? ৰমদা, এই নাৰদ আমাৰ ঘৰত ওপজাৰ কথাটো মই জনা নাছিলোঁ। ... মই এতিয়াই যাওঁ আৰু চাওঁ সুৰেন্দ্ৰ কেনেকৈ উঠে!" কৈয়েই মা উঠিল আৰু হাউলিলৈ যাবলৈ উদ্যত হ'ল।

"ৰ'বা, ৰ'বা! তুমিও পগলা হ'লা নেকি," দেউতাই ক'লে আৰু মাক দুই হাতেৰে বন্ধৱাই দিলে। তাৰ পিছত শান্তস্বৰে ক'লে, "সুৰেন্দ্ৰ বেচেৰাই কি কৰিব? যোৱা এমাহমান ধৰি সকলোৱে মিলি তাকেইতো উঠাবলৈ বিচাৰিছে। তোমাৰ দেউতাৰাইও তাকেই বিচাৰে—তাত বেয়াৰ কি আছে? তেওঁলোকৰ মতে মই নিৰ্বাচনৰ কাৰণে যোগ্য নহওঁ। কিন্তু ময়োতো নিৰ্বাচনত উঠিবলৈ বিচৰা নাই।"

"এই টালি-বাজিবোৰ মই বুজোঁ। মই সিমান হেবাং নহওঁ ...। সি কালিৰ ল'ৰা, তোমাৰ লগত তাৰ তুলনা হয় নেকি? দেউতাই কিয় এনেকুৱা কৰিব? আৰু আনে যি আমাৰ ক্ষতি কৰিবলৈ বিচাৰিব, সিহঁতৰ কল্যাণ নহ'ব। সিহঁতৰ ওপৰত ঈশ্বৰৰ কুদৃষ্টি পৰক কাৰণ আমি কাৰো অন্যায় নকৰোঁ, কাৰো অহিত নিচিন্তোঁ।"

"তুমি বুজি পোৱা নাই আৰু এনেয়ে চিঞৰ-বাখৰ কৰিছা। তুমি জানানে কিয় মোক বাছিছে?" দেউতাই সুধিলে।

"মোৰ বুজিবৰ কি আছে। যাৰ চকু আছে তেওঁলোকেই বুজিব। কোনে চিনি নাপায় তোমাক? আমাক হিংসা কৰাবোৰ অন্ধ হ'লে সকলো অন্ধ হ'বনে?"

"তাতেই তুমি ভুল কৰিছা ৰামী। মোৰ একমাত্র যোগ্যতা এয়েই যে মই অনুসূচিত জাতিৰ। অনুসূচিত জাতিৰ নোহোৱা হ'লে ইমান হৈ চৈ নহ'লহেঁতেন। ইমান বছৰ হ'ল মোৰ কাম কৰা। তুমি কেতিয়াবা কাৰোবাক দেখিছিলানে মোৰ প্রতি ইমান আগ্রহ দেখুওৱা? যদি মোৰ নিজৰ মানুহেই তেওঁলোকৰ প্রতিনিধি হিচাপে মোক নিবিচাৰে আচাৰ্য বাপুৰে ক'লে কি হ'ব? যেতিয়া অনুসূচিত জাতিৰ প্রাৰ্থীকেই লাগে তেওঁৰ যিবিলাকে ঠিকাদাৰী কৰিছে তেওঁলোকক সুযোগ দিব লাগে। কোৱা অতীতত কোনোবাই মোৰ ঠিকাদাৰী কৰিছিলনে?"

"ওলোটা কথা নক'বি। আগতে যি হৈ গ'ল পাহৰি যা। এতিয়া তই আগত কি আছে তালৈ চা" ৰামখুৰাই ক'লে।

"মইতো আগলৈ চাইছোঁ ৰমদা। পিচলৈ চোৱা মানুহ এইবিলাক যাক লালাৰ লগত তুলনা কৰিব পাৰি। তুমি কেতিয়াবা লালা হৰগোৱিন্দক মোৰ ঘৰলৈ অহা দেখিছিলানে? যেতিয়া আমি বুনিয়াদী স্কুলৰ কাৰণে চান্দা বিচাৰি তেওঁৰ ওচৰলৈ গৈছিলোঁ তেতিয়া তেওঁ কি কৈছিল তোমাৰ মনত আছেনে?"

"হৈ যোৱা কথা আকৌ মনত পেলালে লাভ কি? এতিয়াতো তেওঁ তোৰ পক্ষত আছে। তেওঁৰ আগতে মনবুৰ মিঞা আহিছিল। তই চাই থাকচোন কি হৈছে। হেৰ' মানুহৰ স্বভাৱেই এনেকুৱা। আমাৰ উদ্দেশ্য মানুহৰপৰা কাম বাহিৰ কৰা। আমি কাকো ইয়ালৈ মতা নাই, নিজে নিজে লৰি আহিছে। 'একেবাৰে নহাতকৈ পলমকৈ অহা ভাল।' পলমকৈ হ'লেও মানুহেতো তোক চিনি পাইছে। কথাতে কয় 'এজন সিদ্ধ পুৰুষক নিজৰ দেশত সন্মান নকৰে' আৰু যেতিয়া আন দেশৰ মানুহে তেওঁক সন্মান কৰে তেতিয়া নিজৰ দেশত হৈ চৈ লাগি যায়। অনন্তপুৰৰেই নহয় আমাৰ দেশখনৰ মানুহৰ এইটোৱেই স্বভাৱ। তাব ওপৰত খং কৰি লাভ কি?"

দেউতাকে বৰ মনোযোগেৰে ৰামখুৰাৰ কথাবোৰ শুনি থকা দেখি কুন্দনৰ ভাল লাগিল। অৱশ্যে সকলো কথা সি বুজি পোৱা নাছিল।

"শুন অনুসূচিত জাতিৰ প্ৰাৰ্থী বুলি তোক নিৰ্বাচন কৰা নাই। তই আন জাতৰ মানুহ হোৱাহেঁতেনো তোক নিৰ্বাচন কৰিলেহেঁতেন।"

"সেইটো মই নামানো ৰমদা। তুমিয়েই কোৱা মই সমাজবাদী দলৰ সদস্য নহওঁ যদিও তেওঁলোকে মোক কিয় বিচাৰিছে? যেনেকৈ কংগ্রেছে ব্রাহ্মণ প্ৰাৰ্থীক নিৰ্বাচন

কৰিছে, সমাজবাদী দলটোৱে 'ঠাকুৰ' বা অন্য উচ্চজাতৰ প্ৰাৰ্থীক নিৰ্বাচন কৰিব পাৰিলেহেঁতেন।"

"তই ব্ৰাহ্মণ বা ঠাকুৰ হোৱাহেঁতেনো তোক নিৰ্বাচন কৰিলেহেঁতেন কাৰণ তোৰ কথা একেবাৰে বেলেগ। মই কোনোমতেই মানি নলওঁ যে তোক অনুসূচিত জাতিৰ গণিত মতে নিৰ্বাচন কৰিছে। আৰু যদি কৰিছেও তাত তোৰ ক্ষতি কি? যেনেকৈ সমাজখন চলিছে তেনেকৈ ৰাজনীতিও চলিব নহয় জানো?"

"নহয় ৰমদা, সেইটো মই স্বীকাৰ নকৰোঁ। তেনেকুৱা ৰাজনীতিৰ লগত মোৰ কোনো সম্বন্ধ নাই," দেউতাই দৃঢ়তাৰে ক'লে।

দেউতাৰ কথা শুনি ৰামখুৰাৰ মনটো দমি গ'ল আৰু তেওঁৰ মুখমণ্ডলত হতাশাৰ ছাঁ বিৰিঙি উঠিল। কুন্দনে লগে লগে ক'লে, "অনুসূচিত জাতিৰ প্ৰাৰ্থী হিচাপে দেউতাক সমাজবাদী দলে নিৰ্বাচন কৰা নাই। দেউতাক নিৰ্বাচন কৰিছে এই কাৰণেই যে দেউতা গান্ধীবাদী আৰু সমাজবাদী হ'ল গান্ধীজীৰ আচল ৰাজনৈতিক উত্তৰাধিকাৰী।" কুন্দনৰ কথা শুনি সকলোৱে আচৰিত হৈ তাৰ পিনে চালে। মাক আৰু বেছি আচৰিত হ'ল। তেওঁ সুধিলে, "কুন্দন তই কেতিয়াৰপৰা ইমান টেঙৰ হলি? তই কেনেকৈ জানিলি?"

"সুৰেন্দ্ৰ মোমায়ে কৈছিল," মাকৰ প্ৰশ্নটো কুন্দনৰ অসঙ্গত আৰু অসময়ৰ যেন লাগিল। অৱশ্যে সঁচা কথাটো কৈ কুন্দনে মনত তৃপ্তি পালে।

"সুৰেন্দ্ৰই ঠিক কথাই কৈছে। তোমাক নিৰ্বাচন কৰাৰ আচল কাৰণ তুমি খাঁটি গান্ধীবাদী। অৱশ্যে অনুসূচিত জাতিৰ গুণটোও তাত যোগ হৈছে। তুমি মোক হাজাৰবাৰ শুনাই আহিছা—অনুসূচিত জাতিৰ মানুহ হৈ মোৰ দেউতাই চৰকাৰৰপৰা অনেক সা-সুবিধা আদায় কৰে। এতিয়া তোমাৰো সেই সময় আহিছে। সুযোগটো এৰিবা কিয়?"

"সৰ্বনাশ! মাই কি কথাষাৰ ক'লে। মা, এই কথাষাৰ সঁচাকৈয়ে তোমাৰ অন্তৰৰ কথা নে? তুমিতো দেউতাক মোতকৈও ভালদৰে জানা! ককাদেউতাই যিবোৰ কাম কৰে দেউতাই সেইবোৰ কাম কৰিবনে? কেতিয়াও নকৰে। দেউতা সুবিধাবাদী নহয়।" কুন্দনৰ ক'বৰ ইচ্ছা আছিল কিন্তু সি নোৱাৰিলে।

ৰামখুৰাই দেউতাৰ মনত মাৰ কথাৰ প্ৰতিক্ৰিয়া কি হ'ব পাৰে অনুমান কৰি প্ৰসঙ্গটোক সহজ কৰিবৰ কাৰণে ক'লে, "নবৌয়ে দেউতাকৰ বিষয়ে ক'লে কিন্তু তইতো সদায় কৰ তই অনুসূচিত জাতিৰ নহৰ গোটেই হিন্দু সমাজৰহে। নকৰ জানো?"

"কিয় নকওঁ? আৰু লগতে এইটোও কওঁ যে অনুসূচিত জাতিক বেলেগ কৰা উচিত নহয় কাৰণ অনুসূচিত জাতিটো হিন্দু সমাজৰ এটা শক্তিশালী অংশ আৰু গান্ধীজীয়ে তাকেই বিচাৰিছিল।"

"হেৰ' গান্ধীজীয়ে বিচাৰিছিল নে নাই তাৰ লগত তোৰ কি সম্বন্ধ? তই সকলো কথাতে গান্ধীজীক কিয় টানি আন? ক তই বিচাৰিছ আৰু তই যি বিচাৰিছ আমাকো তাকে লাগে। নহয় জানো নবৌ?" ৰামখুৰাই ক'লে।

"কিয় নহয় ৰমদা?"

"তেনেহ'লে আৰু কি লাগে তোক? সমাজবাদী তোৰ লগত, অনুসূচিত জাতি তোৰ লগত, আচাৰ্য ৰামদত্ত তোৰ লগত আৰু ৰামী নবৌ তোৰ লগত—তেন্তে আৰু বাকী থাকিল কোন? হেৰ' সমাজবাদী দলৰ যদি এজন অনুসূচিত জাতিৰ প্ৰাৰ্থীৰ আৱশ্যক হ'লহেঁতেন তেন্তে নিশ্চয় তোৰ শহুৰৰ ওচৰলৈ গ'লহেঁতেন কিন্তু তেওঁৰ ওচৰলৈ নগৈ তোৰ ওচৰলৈ আহিল কিয়? তেওঁতো অনুসূচিত জাতিৰ এজন পুৰণি নেতা।"

"ৰমদা, তুমিনো কি কথা কৈছা? দেউতা অনুসূচিত জাতিৰ এজন নেতা যদিও তেওঁ কংগ্ৰেছী; গতিকে সমাজবাদী কংগ্ৰেছৰ ওচৰলৈ যাব কিয়? আৰু দেউতাই এটা টিকটৰ কাৰণে কংগ্ৰেছ এৰিব কিয়?" মাই ক'লে।

"নবৌ, তুমি নাজানা টিকটৰ কাৰণে মানুহে নিজৰ ধৰ্ম, জাত আনকি আত্মীয়-কুটুমকো ত্যাগ কৰে। কংগ্ৰেছ ত্যাগ কৰাটোনো কি ডাঙৰ কথা? কংগ্ৰেছে নো তেওঁক ক'ত টিকট দিছে? এয়া হ'ল ৰাজনীতি নবৌ। ৰাজনীতিত আচৰিত আচৰিত ঘটনা ঘটে। এই সময়ত এই চহৰত সমাজবাদীৰ প্ৰভাৱ আৰু সমাদৰ বেছি। কংগ্ৰেছৰ হাত-ভৰি উখহিছে। কিন্তু নৰেনক এই অঞ্চলৰ সকলো মানুহে জানে আৰু সমাজবাদীয়ে সেই কথাটো ভালদৰে জানে।"

"মই তোমাৰ কথা স্বীকাৰ নকৰোঁ ৰমদা। ৰামীৰ দেউতাক বুঢ়া হ'ল—তেওঁৰ নিৰ্বাচনত উঠিবৰ কাৰণে কি আকাঙ্ক্ষা থাকিব লাগে। তেওঁ জীৱনত অনেক ভোগ কৰিলে। গতিকে মোৰ শহুৰৰ বিষয়ে তোমাৰ ধাৰণা সঁচা নহয়," দেউতাই ক'লে।

দেউতাৰ কথাত মাৰ মুখখন উজ্জ্বল হ'ল। ককাদেউতাৰ সপক্ষে দেউতাৰ মুখৰপৰা ওলোৱা কথা প্ৰথমবাৰ শুনিলে মাই।

"তোৰ আজি কি হ'ল? তই শহুৰদেউৰ ভক্ত হলি কেতিয়াৰপৰা?" ৰামখুৰাই কৈ এটা অৰ্থপূৰ্ণ হাঁহি মাৰিলে।

"শহুৰক এৰা ৰমদা, আন কথা কোৱা।" দেউতাই ক'লে।

"বাৰু এৰিছোঁ,—মাত্ৰ আৰু এটা কথা ক'বলৈ দে। মানি লৈছোঁ তোৰ শহুৰদেউ সমাজবাদী দলৰ কাৰণে এটা টেঙা আঙুৰ আছিল। কিন্তু তেওঁৰ পুতেকতো নাছিল। তেওঁ লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ এল এল বি, সমাজবাদী দলৰ যুটীয়া সম্পাদক আৰু তাৰোপৰি অনুসূচিত জাতিৰ প্ৰতিনিধি। কচোন তেওঁ কোন গুণে কম আছিল? যি কাৰণত আৰবীয় ঘোঁৰা এটা এৰি তোৰ নিচিনা দেশীয় টাটু ঘোঁৰা এটা বাছিলে?"

দেউতাই হাঁহিলে আৰু গম্ভীৰ হৈ মন্তব্য কৰিলে, 'টাটু ঘোঁৰা শব্দটো শুনিবলৈ ভাল। কিন্তু ছাগলী কোৱাহেঁতেন আৰু ভাল আছিল।"

হঠাৎ কুন্দনৰ এটা কথা মনত পৰিল। সি ক'লে, "ৰামখুৰা, আপুনি হয়তো নাজানে দেউতাৰ নামটো আচাৰ্য কৃপালনীয়ে দিছিল।"

ৰামদত্ত মাষ্টৰৰ গাত যেন বিজুলীৰ সঞ্চাৰহে হ'ল। তেওঁ উৎফুল্লিত হৈ ক'লে, "দেখিলা নবৌ, তোমাৰ গৃহস্থৰ মাহাত্ম্য?"

"তুমি গৃহস্থ গৃহস্থ নক'বা ৰমদা। এই শব্দটো মই ভাল নাপাওঁ। তাতকৈ স্বামী বা পতি ক'বা, " দেউতাই ক'লে।

"গৃহস্থ মানেই স্বামী বা পতি নৰেন।"

"নহয় ৰমদা, স্বামী বা পতি মানে গৃহস্থ নহয়। সংস্কৃতত তোমাৰ জ্ঞান কম যেন লাগে।"

দেউতাই হাঁহি আকৌ ক'লে, "ইংৰাজী 'হাচবেণ্ড' শব্দটোৰ অৰ্থ কি?"

"হাচবেণ্ড শব্দটোৰ অৰ্থ হিন্দীত সেইটোৱেই নৰেন।"

কুন্দন উঠিল আৰু লৰালৰিকৈ ভিতৰলৈ গৈ এংলো হিন্দী অভিধানখন আনিলে। 'ইয়াত কি লিখা আছে চাওঁচোন' বুলি অভিধানখনৰ পাতবোৰ লুটিৱাবলৈ ধৰোঁতেই ৰামখুৰাই কুন্দনৰ হাতৰপৰা অভিধানখন টান মাৰি আনিলে আৰু ক'লে, "গুৰুজনৰ কথা মানিবি। মই যেতিয়া কৈছোঁ—মোৰ কথা তই বিশ্বাস কৰা নাই কিয়?"

কুন্দন মনে মনে থাকিল। দেউতাই ক'লে, "কুন্দন থৈ দে তোৰ অভিধানখন। ৰমদা, হিন্দীতো জানো ইংৰাজী আৰু সংস্কৃতৰ নিচিনা চলে? স্বামী, পতি আৰু গৃহস্থৰ বাহিৰে আন শব্দ নাইনে?"

"আছে—পতি, দৰা, গিৰিয়েক আৰু তাৰ বিপৰীতে পত্নী, কইনা আৰু ঘৈণীয়েক।"

"তোমাৰ কি হ'ল আজি ৰমদা? কি আৰম্ভ কৰিছিলা আৰু এতিয়া কি আলোচনা কৰিছা?" মাই সুধিলে।

"মই কি কৰিম নবৌ? এওঁক সংস্কৃতো নালাগে, ইংৰাজীও নালাগে আৰু উৰ্দুও নালাগে, লাগে শুদ্ধ হিন্দী।"

"এইবোৰ বাদ দিয়া ৰমদা। এতিয়া সকলো মিলাই প্ৰশ্ন হ'ল—বলিৰ পঠা হ'বলৈ মই ৰাজী হ'মনে নহ'ম?"

"হেৰ', তই বলিৰ পঠা হবি কিয়?"

"তুমি ইমানকণো বুজি পোৱা নাই ৰমদা? এই সমাজবাদীৰ প্ৰধান উদ্দেশ্য হ'ল অনুসূচিত জাতিক নিজৰ পক্ষলৈ অনা আৰু মোক শত্ৰুৰ লগত খুন্দা-খুন্দলি খুউওৱা।"

"কি আশ্চৰ্য্য!" মাই চিঞৰি উঠিল। "তোমাৰ মগজে দেখোন ওলোটা কাম কৰিছে। কিন্তু তুমি খুন্দা-খুন্দলি খাবলৈ যাবা কিয়? তুমি আম খাবানে আম জোপাৰ পাতবোৰহে গণনা কৰিবা?"

"ইয়াৰ পাতবোৰ গণনা কৰাৰ অভ্যাস আছে নবৌ।" ৰামখুৰাই ক'লে। "তোৰ বুদ্ধিৰ দৌৰ বেছি দেখিছোঁ। যিটো তোৰ শত্ৰুৱে দেখা পোৱা নাই, সেইটো তই দেখিছ। হেৰ' এই এলেকাটোত অনুসূচিত জাতিৰ ভোটৰ সংখ্যাই বা কিমান? যদি তই জিক সকলোৰে ভোটৰদ্বাৰা নিজিকিবিনে?"

"যদি হাৰোঁ?"

"হাৰ যদি সকলোৰে ভোটৰদ্বাৰা হাৰিবি। কিন্তু তই হাৰিবি কিয়? লালা হৰগোবিন্দ যে তোৰ ঘৰলৈ আহিছিল, তোক হৰুৱাবলৈ আহিছিল? মুনৱৰ আলীয়ে

আহিছিল, তোক হৰুৱাবলৈ আহিছিল? তদুপৰি তোৰ শহুৰে তোৰ বিৰুদ্ধে প্ৰচাৰ কৰিবনে? কি কোৱা নবৌ?"

"তেওঁলোক কোনেও এওঁৰ বিৰোধিতা নকৰে ৰমদা। যদি কংগ্ৰেছে এওঁৰ অপপ্ৰচাৰ কৰে, এওঁৰেই লাভ হ'ব কাৰণ ইয়াৰ মানুহে কংগ্ৰেছক ভোট নিদিয়ে।"

"তুমি কেনেকৈ ক'লা ৰামী?" দেউতাই সুধিলে।

"মোৰ অন্তৰখনে কৈছে। তুমি নেতা হোৱাৰ স্বপ্ন কেতিয়াবা দেখিছিলানে? তুমি কি ধাতুৰ মানুহ জগতখনে জানে। ঈশ্বৰৰ আশীৰ্বাদ পাওঁতে পলম হ'ব পাৰে কিন্তু তেওঁ কেতিয়াও মানুহৰ অমঙ্গল নকৰে।"

"মোৰ মনেও তাকেই কৈছে মা। সুৰেন্দ্ৰ মোমায়ে দেউতাক জিকাবৰ কাৰণে যিমান পাৰে চেষ্টা কৰিব। পৰহি কক্কাদেউতাৰ বৈঠকখানাত সকলোৰে আগত তেওঁ দেউতাৰ সপক্ষে হিন্দীত এটা বক্তৃতা দি শেহত ইংৰাজীত কৈছিল, "ব্ৰাডাৰ ইন-ল ইজ গ্ৰেট! লং লিভ ব্ৰাডাৰ-ইন-ল।"

কুন্দনৰ কথা শুনি মাকৰ চকু দুটা আনন্দত তিৰবিৰাই উঠিল।

"তাৰ মানে?" মাই সুধিলে।

"তাৰ মানেটো মই কওঁ শুনা—'ভিনিহি এজন মহাপুৰুষ। ঈশ্বৰ! ভিনিহীক দীৰ্ঘজীৱী কৰক'।"

কেতিয়াবা ৰ'দৰ পোহৰ আৰু বৰষুণ একেলগে দেখিছানে? যদি নাই দেখা তেওঁৰ চেহেৰাটোলৈ চোৱা যি হাঁহিবলৈ পাহৰি গ'ল, সি আকৌ হাঁহিবলৈ পাহৰি যাব। এনেকুৱা মুহূৰ্ত আকৌ বাৰু কেতিয়া আহিব? ... দেউতা তুমি নুবুজা কিয়? সেইটো আন কাৰো নহয় মাৰ চেহেৰা ... চোৱাচোন তুমি ভালকৈ, নোচোৱা কিয়? তুমি কি চিন্তাত ডুব গৈ আছা? তুমি মাক চিনি পোৱা নাইনে?

এতিয়া সকলোৱে হাঁহিছে কিন্তু হাঁহি হাঁহি এজনৰ চকুৰ পানীও ওলাইছে যালৈ কোনেও লক্ষ্য কৰা নাই। মাত্ৰ লক্ষ্য কৰিছে তেওঁৰ পুতেকে যি সকলোৰে মুখত হাঁহি বাহিৰ কৰা কথাষাৰ কিয় ক'লে তাৰ কাৰণটো বিচাৰি হাবাথুৰি খাইছে।

"নিজৰ ল'ৰাৰ ওচৰত হাৰিলে কাৰনো বেয়া নালাগে ৰমদা?" দেউতাই সুধিলে।

"তেন্তে নিজৰ জোঁৱাইৰ ওচৰত হাৰিলে বেয়া লাগিবনে কি?" মাই ক'লে।

"হাৰ-জিতৰ প্ৰশ্ন নহয় ৰমদা, এইখন এখন সিদ্ধান্তৰ যুদ্ধ", দেউতাই ক'লে।

"কিহৰ সিদ্ধান্ত? ৰামায়ণ পঢ়ি শেষ কৰিলি আৰু সুধিছ ৰাম কোন? হেৰ' তোক যদি কংগ্ৰেছে নিৰ্বাচনত থিয় কৰালেহেঁতেন তেতিয়াও তই 'সিদ্ধান্ত' 'সিদ্ধান্ত'—বুলি চিঞৰিলিহেঁতেননে? সমাজবাদীক তই কিয় বেয়া পাইছ তাৰ কাৰণটো মোক কচোন।"

"কোনে ক'লে তোক মই সমাজবাদী দলটো বেয়া পাওঁ বুলি? যিটো দলৰ নেতা ত্যাগী পুৰুষ আচাৰ্য কৃপালনী, সেই দলটোৰ বিৰুদ্ধে মোৰ কি অভিযোগ থাকিব পাৰে? মোৰ দৃষ্টিততো কংগ্ৰেছ আৰু সমাজবাদী দল দুয়োটা সমান। অৱশ্যে সমাজবাদী দলটো বেছি ভাল কাৰণ ই বাপুৰ বেছি ওচৰত।"

"তেন্তে তই কি সিদ্ধান্তৰ কথা বাৰে বাৰে কৈ আছ—যাৰ কাৰণে তই মৰিছ? তোক ইমান বুজালোঁ যে তোৰ সেই সিদ্ধান্তৰ জিত হ'বলৈ ধৰিছে ... গান্ধী, সমাজবাদ, অনুসূচিত জাতি, লালা হৰগোবিন্দ, মুনব্বৰ আলী, এই ডোম-বামুণ আৰু তোৰ সাধ্বী পত্নী তোৰ লগত আছে ; তথাপি তই কিহৰ মোহৰদ্বাৰা বিভ্ৰান্ত হৈছ পাৰ্থ? গোটেই গীতা ব্যাখ্যা কৰিলোঁ কিন্তু কি লাভ হ'ল? 'ক্ষুদ্ৰং হৃদয়দৌৰ্বল্যং ত্যক্ত্বোত্তিষ্ঠ পৰংতপঃ'।"

অলপ পৰ নীৰৱে থাকি দেউতাই ক'লে, "এইটো মোৰ হৃদয়ৰ দুৰ্বলতানে ৰমদা?"

"নিশ্চয়।"

দেউতাই অলপ পৰ ভাবি ক'লে, "নহয় ৰমদা, এইটো মোৰ অন্তৰাত্মাৰ ধ্বনি। মই ৰাজনীতিক বৰ ভয় কৰোঁ। ইয়াৰ কাৰণে মই যোগ্য নহওঁ বা ই মোৰ কাৰণে যোগ্য নহয়। জানি-শুনিও মই এই ৰাজনীতি-জালত কেনেকৈ পৰোঁ ৰমদা কাৰণ মই জানো এবাৰ এই জালত পৰিলে কেতিয়াও তাৰপৰা ওলাব নোৱাৰিম।"

"তই নিশ্চয় গান্ধীৰ নামৰ মালা জপ কৰ নহয়নে? কচোন মোক গান্ধীজী জালে ৰাজনীতিৰ ভেৰণিত সোমোৱা নাছিল? বোকাত সোমোৱা ৰথৰ চকাক সেই যোগীৰ আঙুলিৰ চাৰিওপিনে ঘূৰা সুদৰ্শন চক্ৰই জানো ঘূৰোৱা নাছিল? কচোন মোক প্ৰায় গোটেইটো জীৱন গান্ধীজীয়ে ৰাজনীতিৰ বাহিৰে আন কি কৰিছিল? তেওঁ যে কেবাখনো আশ্ৰম খুলিছিল আৰু আন অনেকে তেওঁৰ নামত আশ্ৰম খুলিছে, সেইবোৰ তেওঁৰ শিষ্যসকলে চলাই থকা নাই জানো—যিবোৰৰ এখনত এতিয়া তোৰ দৰে নিৰ্বোধ এটাও আছে? শুন এতিয়া মোৰ ঠাইত যদি তোৰ হিত চিন্তা কৰা তোতকৈ বয়সত ডাঙৰ কোনোবা থাকিলহেঁতেন, গায়ত্ৰীৰ শপত খাই কৈছোঁ, তেওঁ তোৰ কাণত ধৰি তোক টানি নি নিৰ্বাচনৰ মৈদানত থিয় কৰালেহেঁতেন আৰু তাৰ আগতে তোক ইমান নুবুজালেহেঁতেন। কিয় গান্ধীজীৰ নাম ডুবাবলৈ ধৰিছ? তেওঁ সংগ্ৰাম কৰিছিল।"

"ময়ো সংগ্ৰাম কৰিম।"

"তেন্তে মৈদানলৈ নাযাৱ কিয়?" ৰাম মাষ্টৰৰ কথা শুনি কুন্দনে ইমান আনন্দ পালে যে হাত-তালি দিবলৈ ধৰিলে! তাক দেখি মাকেও হাত-তালি দি পাকঘৰলৈ গ'ল।

"তুমি মোক গান্ধী নীতি শিকাইছা নে চাণক্য নীতি?" অলপ পৰ মনে মনে থাকি দেউতাই আকৌ আৰম্ভ কৰিলে।

ৰামখুৰাও কোনো গুণে কম নাছিল। তেওঁ লগে লগে উত্তৰ দিলে, "মোৰ মতে, তোক গান্ধীনীতিৰ কথাই কৈছোঁ। নহয় যদিও সেই দুটাৰ মাজত বিশেষ ব্যৱধান একো নাই। সত্যাগ্ৰহ যুগৰ কথা বেলেগ আছিল। এতিয়া নেহৰু যুগ চলিছে। তই পাহৰি নাযাবি যে গান্ধীৰ হত্যাও এই যুগতেই হৈছিল আৰু গান্ধীনীতিকো যদি হত্যা কৰিবলৈ দিয়া নহয়, তেন্তে তাত অলপ চাণক্য নীতি মিহলাব লাগিব।"

"কিন্তু ৰমদা, তুমি এইটো পাহৰা উচিত নহয় যে গান্ধীজীয়ে কংগ্ৰেছক ত্যাগ কৰিবলৈকে উপদেশ দিছিল।"

"বাদ দে তেওঁৰ উপদেশ। মোৰ মতে সেই সময়ত কংগ্ৰেছেই এটা শক্তিশালী ৰাজনৈতিক দল আছিল। কংগ্ৰেছ যোৱাহেঁতেন কোনে দেশখনৰ শাসন কৰিলেহেঁতেন?"

"চম্ভালিবলৈ নিশ্চয় আন কোনো দল ওলালহেঁতেন। এই সমাজবাদী দলটোনো কিহৰ কাৰণে আছিল?"

"তই এইটো ক'বলৈ যোৱা নাইতো গান্ধীজীয়ে সমাজবাদীক সেউজীয়া পতাকা দেখুৱাইছিল?"

"দেখুৱাইছিল বুলিয়েই ধৰি লোৱাচোন," দেউতাই লাহেকৈ ক'লে।

"তেন্তে ইমানখিনি জানি-শুনিও তোৰ অন্তৰাত্মাই ইমান দ্বিধা বোধ কৰিছে কিয়? তোক কোনে হিন্দু মহাসভাৰ টিকট দিছে? য'তেই নাথাক, তইতো বাপুৰ আদৰ্শ পালন কৰিবি নহয় জানো?"

"সেইটোতো মোৰ ধৰ্ম। কিন্তু এই সমাজবাদ-চমাজবাদ মই একো নুবুজোঁ। মইতো এজন লোকসেৱক, মানুহক সেৱা কৰা মোৰ ধৰ্ম। এই ৰাজনীতিৰ জটিলতা মই একো নাজানো আৰু জানিবলৈও নিবিচাৰোঁ। কাৰণ এজন লোক-সেৱকৰ তাৰ প্ৰয়োজন নাই।"

"ৰমদা, তেওঁক সোধাচোন তেওঁৰ কিহৰ প্ৰয়োজন?" মাই পাকঘৰৰপৰা মাত লগালে।

"মই কওঁ শুনা নবৌ। এতিয়া এওঁৰ জগতত আটাইতকৈ বেছি প্ৰয়োজন হৈছে ৰামী নবৌৰ—যাৰ ওপৰত তেওঁ ঘৰলৈ ঘূৰি আহি নেতৃত্ব কৰিব পাৰে। মই সঁচা কথা কোৱা নাই জানো?"

"তুমি একেবাৰে সঁচা কথা কৈছা ৰমদা। কিন্তু এতিয়াৰপৰা সেইটো আৰু নচলিব। এওঁক স্পষ্টকৈ কৈ দিয়া ঘৰলৈ অহা লক্ষ্মীক যদি এওঁ অনাদৰ কৰি ঘূৰাই পঠায়, তেন্তে চিৰজীৱন মই তেওঁৰ লগত মাত-বোল নকৰাকৈ থাকিম।"

"শুনিলি নৰেন নবৌয়ে কি কৈছে?"

"শুনিলোঁ ৰমদা," দেউতাই তললৈ মূৰটো কৰি শান্ত স্বৰে ক'লে।

"তেন্তে তই মোৰ অন্তিম প্ৰস্তাৱটোও শুনি ল। এতিয়ালৈকে তই মোক বৰ মানসিক কষ্ট দিছ। যদি তই তোৰ আঁকোৰগোঁজ স্বভাৱটো এৰি নিদি এই সোণালী সুযোগটো ইচ্ছা কৰি হেৰুৱাৱ, তেন্তে তোৰ লগত মই মোৰ বন্ধুত্ব চিৰদিনৰ কাৰণে ছেদ কৰিম, বুইছ? আবেলিৰ কাৰ্যক্ৰমৰ কথা তোৰ মনত আছেতো?"

দেউতা যেন, হঠাৎ টোপনিৰপৰাহে সাৰ পালে। তেওঁ ক'লে, "মইতো একেবাৰে পাহৰিছিলোঁ। আজি আবেলি নীলকণ্ঠেশ্বৰ মৈদানত বালেশ্বৰ ডাঙৰীয়াৰ বক্তৃতা আছে। মোকো তাত বক্তৃতা দিবলৈ কৈছে কিন্তু মই বক্তৃতা-তক্তৃতা একো নিদিওঁ। কেৱল বালেশ্বৰ ডাঙৰীয়াৰ বক্তৃতা শুনিবলৈহে যাম। তুমিও নিশ্চয় আহিবা

ৰমদা। অৱশ্যে, গোটেই বক্তৃতাটো কাইলৈ বাতৰি কাকতত ওলাব। সুৰেন্দ্ৰই এজন ভাল সাংকেতিক নকলনবীচক সেই কামৰ বাবে নিযুক্ত কৰিছে।”

ৰামদত্ত মাষ্টৰৰ এটা ভৰি খটখটিত আৰু আনটো ভৰি ওপৰতে থাকিল। তেওঁ দেউতাক ফুচ্‌ফুচাই ক'লে, “নিৰ্বাচনৰ প্ৰচাৰ কাম এতিয়াৰপৰাই আৰম্ভ হ'ল নেকি?”

“নহয়, নহয়, এইখনতো সাধাৰণ সভা। কিছুদিনৰ আগতে যে কৃপালনীয়ে বক্তৃতা দিছিল তেনেকুৱা সভা। তুমি নিশ্চয় আহিবা। বৰ ভাল বক্তা আৰু নাম কৰা নেতা।”

“ময়ো যাম দেউতা, আৰু মাকো লৈ যাম।” কুন্দনে তাৰ কোঠাৰপৰা চিঞৰিলে।

“তই গৈ কি কৰিবি? ইয়াত ইমান বক্তৃতা শুনিলি। এতিয়াও তোৰ পেট ভৰা নাইনে?”

“নাই, একেবাৰে ভৰা নাই,” কুন্দনে লগে লগে উত্তৰ দিলে।

শুনহ হনুমান

অনন্তপুৰৰ ৰাইজ,

মই আপোনালোকৰ আগত বক্তৃতা দিবলৈ অহা নাছিলোঁ মাত্ৰ মোৰ কেইজনমান বন্ধুকহে লগ পাবলৈ আহিছিলোঁ। কিন্তু ইয়ালৈ অহাৰ পিছত যোৱা তিনিদিন ধৰি এটা কথা মোৰ মনলৈ বাৰে বাৰে আহিছে যে আপোনালোকৰ এই চহৰখন দেশৰ শ শ চহৰৰ দৰে মাত্ৰ এখন চহৰেই নহয়, নিজে নিজেই এখন সৰু ভাৰতবৰ্ষ (হাত চাপৰি)। মোক ক'বলৈ দিয়ক ৰাইজ,— ইয়ালৈ আহি মোৰ এনেকুৱা লাগিছে যেন এই চহৰখন মোৰ নিজৰ ঘৰ আৰু তাৰ বাসিন্দাসকল মোৰ অন্তৰঙ্গ বন্ধু-বান্ধৱ— যাৰ মধুৰ স্মৃতি মই ভৱিষ্যতে ইয়াৰপৰা যাওঁতে অন্তৰত বহন কৰি নিম। এই সাধাৰণ সভাখনত মই এই কাৰণেই দুআষাৰ মান ক'বলৈ ওলাইছোঁ যাতে মোৰ মনৰ সকলো কথা আপোনালোকৰ আগত ব্যক্ত কৰিব পাৰোঁ আৰু লগতে মোৰ মনৰ সুখ আৰু আনন্দ আপোনালোকক ভগাই দিব পাৰোঁ। সৎসঙ্গৰ মাহাত্ম্য যে অসাধাৰণ সেইটো মই যোৱা দুদিনৰপৰা একেবাৰে হৃদয়ঙ্গম কৰিব পাৰিছোঁ। তুলসীদাসে কৈছিল— “সৎলোকৰ সমাজ এখন তীৰ্থস্থান যাক দৰ্শন কৰিবলৈ দূৰলৈ যাব নালাগে।” ৰাইজ, মই কৈছোঁ আপোনালোকৰ এই চহৰখন নিজে নিজেই এখন সৰু ভাৰতবৰ্ষ। ইয়াত

আপোনালোকৰ কিছুমানে কেবাপুৰুষো ধৰি বাস কৰি আহিছে আৰু কিছুমান ইয়ালৈ পিছত অহা মানুহ। কিন্তু তেওঁলোকক পিছত অহা বাহিৰৰ মানুহ যেন নালাগে। আমাৰ ভাৰতবৰ্ষ এনেকুৱা এখন দেশ য'ত পৃথিৱীৰ অনেক মানৱ জাতি আহি ইয়াৰ নিগাজী বাসিন্দা হৈছে। ই এনেকুৱা এখন দেশ য'ত বিভিন্ন ধৰ্ম, জাতি আৰু সংস্কৃতিৰ মানুহ বাস কৰে আৰু আনৰ ধৰ্ম, সমাজ আৰু সংস্কৃতিক কোনেও ঘৃণা আৰু হেয়জ্ঞান নকৰে। কেবাহেজাৰো বছৰ পাৰ হৈ গ'ল—এই দেশৰ মানুহ মানৱ সভ্যতাৰ উচ্চতম শিখৰত উপনীত হৈ মাটিত লীন হৈ গ'ল। কিন্তু মানৱ জাতিৰ সেই মহান প্ৰয়োগশালাই এতিয়াও কাম কৰি আছে। কিয়নো সেই প্ৰয়োগশালা এতিয়াও শেষ হোৱা নাই। কিন্তু ৰাইজ, তাৰ কাৰণ কি? তাৰ নিশ্চয় কিবা ডাঙৰ কাৰণ থাকিব লাগিব।

ৰাইজ, ৰাজনীতিৰ লগত সৰ্বদায় লিপ্ত থকা আমাৰ নিচিনা মানুহৰ কেতিয়াও শব্দৰ নাটনি নহয়। আন অৰ্থত মই এইটোকে ক'বলৈ বিচাৰিছোঁ যে মই আপোনালোকৰ আগত যি দুই-এষাৰ কথা ক'ম সেইবোৰ অৰ্থহীন নহ'ব। মোক কোৱা হৈছে অনন্তপুৰ এই ৰাজ্যখনৰ আটাইতকৈ শিক্ষিত জিলা য'ত শতকৰা নব্বৈজন ব্যক্তি সাক্ষৰ। গতিকে মই ভালদৰে উপলব্ধি কৰিছোঁ—মই এনেকুৱা এখন চহৰৰ মানুহক সম্বোধন কৰিছোঁ যিসকলক সুন্দৰ সুন্দৰ শব্দৰ ভাষাৰে বিভ্ৰান্ত কৰিব নোৱাৰোঁ কাৰণ তেওঁলোকে ভাষাৰ মাধুৰ্য্যতকৈ মোৰ বক্তব্যৰ বিষয়-প্ৰসঙ্গৰ ওপৰতহে বেছি গুৰুত্ব দিব। ৰাইজ, আমাৰ দেশ এনে এখন দেশ যি গঙ্গা আৰু যমুনাৰ উৎস আৰু যাৰ হাজাৰ হাজাৰ বছৰ পুৰণি সভ্যতাক সুউচ্চ বিশাল হিমালয়ে জ্বলন্ত সাক্ষী হিচাপে থিয় হৈ চাই আছে। ইয়াত অসত্যৰ স্থান নাই, অন্যায় আৰু অধৰ্মৰ কোনো মূল্য নাই। এই দেশখন এখন মানৱ-সমুদ্ৰ—যিখন দেশৰ নৰনাৰীয়ে কেবাশতাব্দী ধৰি পৰাধীনতাৰ গ্লানি মূৰত লৈ আহিলেও ধৰ্মতকৈ মানুহৰ মূল্যৰ ওপৰত বেছি গুৰুত্ব দি আহিছে আৰু ধৰ্মান্ধ শাসকসকলৰ অত্যাচাৰ সহ্য কৰিও ধৰ্ম-নিৰপেক্ষতাক অধিক মূল্য দি আহিছে। অৱশ্যে, মোৰ এই কথাষাৰ শুনি আপোনালোকৰ মুখত সন্দেহৰ ছাঁ বিৰিঙি উঠিব আৰু আপোনালোকে হয়তো মোক প্ৰশ্ন কৰিব পাৰে 'তুমি আমাক পূৰা সঁচা কথা কোৱা নাই, আচল সত্য কথাটো গোপন কৰি ৰাখিছা নহ'লেনো ধৰ্মৰ নামত আমাৰ দেশত ইমান ডাঙৰ এটা হত্যাকাণ্ড কিয় হ'ল? মানুহৰ বেশত থকা দেৱতা এজনে ধৰ্মৰ নামত এটা আততায়ীৰ হাতত প্ৰাণ কিয় দিলে?'

ৰাইজ, যদি কৰে, আপোনালোকৰ সেই প্ৰশ্নত অলপো ভুল নাথাকিব। মই অন্তৰেৰে স্বীকাৰ কৰোঁ মই আৰু আপোনালোক এই অভাগা আৰু আততায়ী দেশখনৰে সন্তান আৰু আমাৰ গাত যি ঘৃণনীয় কলঙ্কৰ দাগ আছে সেই দাগ পৱিত্ৰ গঙ্গাৰ সকলো পানীৰে ধুলেও মোচ নাখাব। তেনেহ'লে, আমি ভিতৰত এতিয়াও গোলাম হৈ থকা নাইনে? আমাৰ এই স্বাধীনতা এটা ভুৱা আৰু ক্ষণভঙ্গুৰ বস্তু যি যিকোনো সময়তে ভাগি চূৰমাৰ হ'ব পাৰে। ৰাইজ, এই দেশখনৰ কপালত কি লিখা আছে পঢ়ক আৰু মোক কওক।

ৰাইজ, আপোনালোকে এনেকুৱা এখন দেশৰ নাম ক'ব পাৰিবনে য'ত যোৱা দুশ বছৰৰ ভিতৰত অতি কম সময়ৰ ভিতৰতে এজনৰ পিছত এজনকৈ কেবাজনো মহাপুৰুষে জন্ম গ্ৰহণ কৰিছিল আৰু দেশখনৰ সকলো সৎ লোকৰ প্ৰতিনিধিত্ব কৰিছিল? মই জানো আপোনালোকে অনেকৰ নাম উল্লেখ কৰিব পাৰিব। তাৰদ্বাৰা এইটো প্ৰমাণ হয় যে আমাৰ দুৰ্নাম আৰু কলঙ্ক সত্বেও আমি এতিয়াও নমৰি জীয়াই আছোঁ আৰু আমাৰ মাজত মহাপুৰুষক জন্ম দিয়াৰ সামাৰ্থ্য আছে। মই আপোনালোকৰ আগত তিনিজন মহাপুৰুষৰ উদাহৰণ দিম যিকেইজনৰ দেশবাসীৰ কাৰণে দি থৈ যোৱা বৰঙণি অমূল্য আৰু অতুলনীয়।

ৰাইজ, আপোনালোকে ৰামকৃষ্ণ পৰমহংসৰ নাম নিশ্চয় শুনিছে। তেওঁ এটা সৎ, দৰিদ্ৰ ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল আৰু নিৰক্ষৰ আছিল। কিন্তু পিছত তেওঁ এনেকুৱা দিব্যমূৰ্তি ধাৰণ কৰি সিদ্ধ পুৰুষ হৈছিল যি আমাৰ ধৰ্ম সম্বন্ধীয় অনুভূতি আৰু চিন্তাধাৰাক শক্তিৰ ৰূপ দি জীৱন্ত কৰি তুলিছিল—যিটো কাম ধৰ্মৰ ইতিহাসত আজিলৈকে কোনেও কৰা নাই। তেওঁ বিশ্ববিখ্যাত আৰু তেওঁক এজন অৱতাৰী পুৰুষৰ লগত তুলনা কৰিব পাৰি।

তেওঁৰ পিছতে স্বামী বিবেকানন্দ যাক ৰামকৃষ্ণ পৰমহংস দেৱে হিন্দু-ধৰ্ম-চেতনাৰ বাণী গোটেই বিশ্বত প্ৰচাৰ কৰিবলৈ নিৰ্বাচন কৰিছিল। তেওঁ কায়স্থ আছিল আৰু আমেৰিকাৰ চিকাগো চহৰত হিন্দু ধৰ্ম সম্বন্ধে দিয়া তেওঁৰ বক্তৃতা শুনি মানুহ ইমান মুগ্ধ হৈছিল যে হাজাৰ হাজাৰ আমেৰিকাবাসীয়ে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল আৰু হিন্দু ধৰ্মত দীক্ষিত হৈছিল। আপোনালোকে বিশেষকৈ বিদেশত দিয়া তেওঁৰ বক্তৃতা পঢ়িব পায়।

তৃতীয় মহাপৰুষ আপোনালোকৰ সুপৰিচিত গান্ধীজী। তেওঁ এটা বৈশ্য পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল আৰু গোড়া বৈষ্ণৱ আছিল। গান্ধীজী এবাৰ আপোনালোকৰ অনন্তপুৰলৈকো আহিছিল আৰু তেওঁ গীতাৰ টীকা লিখিবলৈ আপোনালোকৰ এই ঠাইডোখৰৰ পণ্ডিতসকলক নিৰ্বাচন কৰিছিল।

ৰাইজ, ইয়াৰ পিছতে এই মহাপুৰুষসকলৰ লগতে জাতৰ কথা উল্লেখ কৰিবলৈ ওলোৱাৰ বাবে আপোনালোকে মোক ক্ষমা কৰিব—যিহেতু তেনেভাৱে উল্লেখ নকৰিলে, মোৰ মনৰ কথাবোৰ আপোনালোকক ক'ব নোৱাৰিম। আশা কৰোঁ মোৰ কথাবোৰ আপোনালোকে চালি-জাৰি চাব আৰু তাৰ তাৎপৰ্য বুজিব পাৰিব। এই তিনিজন মহাপুৰুষৰ নামৰ লগত জাতৰ কথা এই কাৰণেই উল্লেখ কৰিছোঁ ভাৰতীয় সমাজ, সংস্কৃতিযে এতিয়াও জীয়াই আছে তাৰ প্ৰমাণ তিনিটা বিভিন্ন জাতিত জন্মগ্ৰহণ কৰা তিনিজন মহাপুৰুষেই দিয়ে। এওঁলোকৰ পিছত, চতুৰ্থ আন এজন মহাপুৰুষৰ কথা আপোনালোকৰ আগত ব্যক্ত কৰিম। আপোনালোকে আমাৰ দেশৰ সংবিধানখন কোনে যুগুত কৰিছিল নিশ্চয় জানে। তেওঁ আছিল ডঃ আম্বেদকাৰ। ডঃ আম্বেদকাৰে এটা নিম্নজাতিৰ মধ্যবিত্ত পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। তেওঁ তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল আৰু সৰুৰেপৰা অসাধাৰণ প্ৰতিভাৰ পৰিচয় দিছিল। ভাৰতীয় সংবিধানখন

প্ৰস্তুত কৰা অতি কঠিন আৰু দায়িত্বপূৰ্ণ কাম আছিল যিটো কাম তেওঁৰ দৰে এজন প্ৰতিভাশালী পুৰুষৰ বাহিৰে অসম্ভৱ আছিল। ৰাইজ, এই চাৰিজন মহাপুৰুষৰ নাম উল্লেখ কৰাৰ মোৰ প্ৰধান উদ্দেশ্য হ'ল—ভাৰতৰ গৌৰৱময় ইতিহাসত সময়ে সময়ে কোনো এটা নিৰ্দিষ্ট জাতিৰ নহয় সকলো জাতিৰ মহাপুৰুষৰ জন্ম হৈ আহিছে আৰু তেওঁলোকে ভাৰতৰ যশ আৰু গৌৰৱ বৃদ্ধি কৰি আহিছে। ৰাইজ, মই বীৰপূজা নকৰোঁ আৰু আপোনালোককো বীৰপূজা নকৰিবলৈ অনুৰোধ কৰোঁ। আপোনালোক প্ৰত্যেক জাতিয়ে একোজন মহাপুৰুষৰ জন্মৰ কাৰণে প্ৰতীক্ষা কৰক আৰু দেখিব আপোনালোকৰ সেই প্ৰতীক্ষা সাৰ্থক হ'ব কাৰণ—ভাৰতৰ ইতিহাসত তাৰ অনেক দৃষ্টান্ত আছে আৰু সময়ে সময়ে তাৰ পুনৰাবৃত্তি হৈ থাকিব। কিন্তু মই বৰ দুঃখেৰে ক'বলৈ বাধ্য হৈছোঁ যে আমাৰ দেশৰ বৰ্তমান অৱস্থা এনেকুৱা যে তাৰ পুনৰাবৃত্তি হোৱাৰ কোনো সম্ভাৱনা দেখা নাই। কেতিয়াবা কেতিয়াবা এনে অনুভৱ হয় আমি আগলৈ নগৈ পিছলৈহে হোঁহকি আহিছোঁ। কিন্তু কিয়? আমি ইমানেই হীন হ'লোঁনে যে আমাৰ মাজত জন্মগ্ৰহণ কৰা মহাপুৰুষসকলৰ যোগ্য উত্তৰাধিকাৰী নহওঁ? ৰাইজ, আপোনালোকে নিজে ইয়াৰ উত্তৰটো বাহিৰ কৰক। হয়তো মোৰ প্ৰশ্নটো শুদ্ধ নহ'বও পাৰে, হয়তো মোৰ মনৰ আশংকা সত্য নহ'বও পাৰে।

ৰাইজ, বিবেকানন্দই কৈছিল আমাৰ দেশতেই নহয় গোটেই পৃথিৱীত অনুন্নত আৰু নিম্ন শ্ৰেণীৰ মানুহৰ উত্থান হোৱা উচিত আৰু দেশৰ শাসনকাৰ্যত অংশগ্ৰহণ কৰা উচিত। তেওঁ কি অৰ্থত কৈছিল এই কথাষাৰ? এই কথাষাৰৰ প্ৰধান অৰ্থ আৰু উদ্দেশ্য আছিল আমাৰ অসুস্থ আৰু মৃতপ্ৰায় সমাজখনক পুনৰ্জীৱিত কৰা। পাশ্চাত্য দেশবিলাকৰ বিচাৰকসকল জীয়াই থাকিবৰ কাৰণে গণ-আন্দোলনৰ প্ৰকোপ দেখি আতঙ্কিত হৈছে। গতিকে মই ক'ব খোজোঁ আমাৰ দেশৰ ইতিহাসলৈ লক্ষ্য কৰি এই সময়ৰ আহ্বান আমাৰ কাৰণেও অনুকূল নহয়নে? মোৰ মনেৰে সেই সময় আমাৰ দেশৰ ইতিহাসলৈকো আগতেই আহি গৈছিল আৰু সেই সময় অহাৰ গুৰিত আছিল আপোনালোকৰ তুচ্ছতম সেৱক গান্ধী যাক ৰাষ্ট্ৰপতিৰ সন্মান দিয়া একান্ত উচিত।

মোৰ মৰমৰ বাই-ভনী আৰু ভাই-ককাই, ঈশ্বৰে আমাৰ দেশৰ মঙ্গলৰ কাৰণে তিনিটা বৰ্ণৰ যিকেইজন মহাপুৰুষ আমাৰ দেশলৈ পঠালে তাৰ তাৎপৰ্য্য আপোনালোকে নিশ্চয় হৃদয়ঙ্গম কৰিব পাৰিব। মোৰ একান্ত বিশ্বাস ঈশ্বৰৰ ওপৰত বিশ্বাস থকা সকলো মানুহে এই মহাপুৰুষসকলক তেওঁ আমাৰ মাজলৈ পঠোৱা দেৱদূত হিচাপে গণ্য কৰিব। ৰাইজ, মোৰ সকলো কথা আপোনালোকে গ্ৰহণ কৰক বুলি মই ক'ব নোৱাৰোঁ কাৰণ আপোনালোক মোতকৈ জ্ঞানী আৰু বিজ্ঞ ; গতিকে আপোনালোকে যি বিবেচনাবোধ কৰে তাকেই কৰিব। কিন্তু মই অনেক ভাবি-চিন্তি আৰু অন্যান্য দেশবোৰৰ লগত আমাৰ দেশখনক তুলনা কৰি পৃথিৱীৰ বৰ্তমান পৰিস্থিতিলৈ চাই ক'ব খোজোঁ যে আমাৰ দেশতেই নহয় প্ৰায় সকলো দেশতেই এটা নিৰ্দিষ্ট শ্ৰেণীৰ মানুহে নহয় দেশখনৰ সকলো শ্ৰেণীৰ মানুহে সমূহীয়াকৈ শাসনভাৰ গ্ৰহণ কৰিব লাগিব। ভাৰতবৰ্ষত কেবাটাও ধৰ্ম, অনেক জাতি আৰু বিভিন্ন

সংস্কৃতিৰ মানুহ বাস কৰে যি দেশখনৰ চহকী ঐতিহ্যৰ সমানভাৱে অংশীদাৰ। আমাৰ দুৰ্বলতাৰ সুবিধা লৈ বৃটিছে আমাৰ দেশক প্ৰায় দুশ বছৰ পৰাধীন কৰি ৰাখিছিল। ১৯৪৭ চনত আমাৰ দেশ স্বাধীন হৈছিল ; কিন্তু স্বাধীনতা লাভৰ পিছত আমাৰ দেশৰ যিমান উন্নতি আৰু বিকাশ হ'ব লাগিছিল সিমান হোৱা নাই। এতিয়াও অসংখ্য মানুহ দাৰিদ্ৰ্যৰ সীমাৰেখাৰ তলত। এই দুঃখ লগা অৱস্থাৰ কাৰণে দায়ী আমাৰ নিৰ্বাচিত প্ৰতিনিধিসকল যি দেশৰ শাসনভাৰ গ্ৰহণ কৰি স্বাৰ্থ সিদ্ধিৰ বাহিৰে একো ভাল কাম কৰা নাই। তেওঁলোকৰ উন্নতিৰ কাৰণে কোনো আঁচনি হাতত লোৱা নাই। বৰ্তমান দেশখনক কু-শাসন, দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে চাৰিওপিনৰপৰা গ্ৰাস কৰিবলৈ ধৰিছে আৰু তাৰ বলি হ'ব দেশৰ নিৰ্দোষ জনসাধাৰণ, মই আৰু আপোনালোক। কিন্তু লগতে মই এইটোও কওঁ যে দেশৰ জনসাধাৰণ আগৰ নিচিনা নিৰ্বোধ হৈ থকা নাই। যুগ আৰু সময়ৰ আহ্বানে তেওঁলোকক সতৰ্ক আৰু সচেতন কৰি তুলিছে। ৰাইজ, এই জনজাগৰণৰ উৎস হ'ল গান্ধীৰ নিচিনা মহাপুৰুষসকল যি যুগ আৰু সময়ৰ আহ্বান গ্ৰহণ কৰি তাক সাৰ্থক কৰিবলৈ জনসাধাৰণক পথ দেখুৱাই দিছে।

ৰাইজ, গান্ধীজীয়ে আপোনালোকক যি পথ দেখুৱাইছে তাক অনুসৰণ কৰাৰ সোণালী সুযোগ কেতিয়াও নেহেৰুৱাব, বিবেচনাপূৰ্বক তাক কাৰ্যত পৰিণত কৰক। স্বাধীন ভাৰতৰ প্ৰথম সাধাৰণ নিৰ্বাচন অলপতে হ'ব। এই গুৰুত্বপূৰ্ণ নিৰ্বাচনৰ তাৎপৰ্য বুজিবলৈ চেষ্টা কৰক আৰু নিৰ্বাচনত উচিত, উপযুক্ত আৰু সৎ লোকক ভোট দিয়ক। যদি অনুপযুক্ত আৰু অসৎ মানুহক ভোট দিয়ে, তাৰ পৰিণাম মাৰাত্মক হ'ব ; নিৰ্বাচনত স্বাৰ্থপৰ, লোভী নিৰ্বাচিত বিধায়ক আৰু মন্ত্ৰীয়ে দেশখনক ৰসাতলে নিয়াব আৰু ৰাজনীতি কুষ্ঠ আৰু কেন্সাৰ ৰোগত আক্ৰান্ত হ'ব, আপোনালোকৰ সংস্কৃতি আৰু সমাজো ধ্বংস হ'ব। গণতন্ত্ৰ এটা বৰদানেই নহয়, অভিশাপো হ'ব পাৰে যদি তাক উচিতভাৱে পালন কৰা নহয়। গণতন্ত্ৰ কি বস্তু আমি এতিয়া সঠিককৈ একো নাজানো ; যেতিয়া ই লাহে লাহে কাম কৰিবলৈ আৰম্ভ কৰিব আমি তাৰ স্বৰূপটো বুজিব পাৰিম যদিও আমাৰ একান্ত বিশ্বাস যে ই জনসাধাৰণৰ কল্যাণ কৰিব।

ৰাইজ, সেই কাৰণে মই এতিয়াৰপৰা নিৰ্বাচন নামৰ বস্তুটোৰ গুৰুত্ব কি বুজিবলৈ আপোনালোকক অনুৰোধ কৰিছোঁ। এই প্ৰথম নিৰ্বাচনত আপোনালোকে আপোনালোকৰ মাজৰপৰা এনে এজন মানুহক নিৰ্বাচন কৰি বিধানসভালৈ পঠাব— যিজন মানুহ প্ৰকৃত অৰ্থত আপোনালোকৰ আচল প্ৰতিনিধি, যি আপোনালোকৰ সুখ-দুঃখ, আশা-আকাঙ্ক্ষা বুজে আৰু যাক আপোনালোকে সন্মান আৰু আদৰ কৰে। মই আপোনালোকক আৰু এটা কথা সোঁৱৰাই দিওঁ যে কংগ্ৰেছৰ লগত আমাৰ কোনো শত্ৰুতা নাই। কংগ্ৰেছৰ ভিতৰতো এনেকুৱা নেতা আছে যি জাতি আৰু শ্ৰেণীৰ সীমাৰপৰা বাহিৰ হৈ গোটেই দেশখনৰ প্ৰতিনিধিত্ব কৰে। আপোনালোকে এইটোও জানে যে কেইবছৰমানৰ আগলৈকে আমি কংগ্ৰেছৰ সমৰ্থনকাৰী আছিলোঁ। আপোনালোকে সুধিব পাৰে 'তেন্তে আমি বেলেগ দল এটা কিয় গঠন কৰিবলৈ ওলাইছোঁ?' তাৰ আচল কাৰণ মই সংক্ষেপে কওঁ যে গান্ধীজীয়ে কংগ্ৰেছক যি পথ

অনুসৰণ কৰিবলৈ কৈছিল সেই পথ অনুসৰণ নকৰি কংগ্ৰেছে তেওঁৰ সকলো পৰিকল্পনা, আশা আৰু আকাঙক্ষাক নষ্ট কৰি দিলে। ঈশ্বৰে নকৰক, যদি তেওঁৰ সকলো কামনা, আশা-আকাঙক্ষা আৰু পৰিকল্পনাক এনেদৰে হত্যা কৰে, সেই হত্যা তেওঁৰ পাৰ্থিৱ শৰীৰক হত্যা কৰাৰ নিচিনা নহয় জানো? এই অমঙ্গলীয়া শব্দটো কোৱাৰ কাৰণে মই আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ। মোৰ একান্ত বিশ্বাস এনেকুৱা পৰিস্থিতিত আপোনালোকে কি কৰিব লাগে নিশ্চয় জানিব।

অনন্তপুৰৰ শ্ৰদ্ধেয় ৰাইজ, বিস্মৰণ আমাৰ এটা জাতীয় স্বভাৱ। আমি আমাৰ দেশৰ অতীত গৌৰৱ, যশ আৰু কীৰ্তিৰ কথা পাহৰি সেইবোৰৰ লগত সামঞ্জস্য নথকা কামবোৰ সহজে কৰি পেলাওঁ। আমি আমাৰ বৰ্তমানক যিমান সন্মান দিব লাগে সেই সন্মান নিদিওঁ। সেইটো আমাৰ ভুল। আমি সন্মান নিদিওঁ এই কাৰণেই যে আমাৰ মাজত বৰ্তমান ঘটি থকা ঘটনাবোৰ প্ৰীতিকৰ নহয়। সেইবোৰত সত্যতা, ন্যায় আৰু সততা নাই। কিন্তু ইতিহাসে কাকো দয়া নকৰে আৰু আমিও তাক এৰিব নোৱাৰোঁ। আপোনালোকে মোক সুধিব—গান্ধীবাদী হৈ মই কিয় সমাজবাদী দলত যোগদান কৰিলোঁ। ৰাইজ, মোৰ মনে ধৰিছে আমি গান্ধীজীৰ সংঘৰ্ষ, সাত্ত্বিক কঠোৰতা আৰু সংগ্ৰাম প্ৰিয় আত্মাক পাহৰিছোঁ। আমি এইটোও পাহৰিছোঁ যে এই দেশৰ ধৰ্মৰ শক্তিক ৰামকৃষ্ণ আৰু বিবেকানন্দই যদিহে সম্পূৰ্ণৰূপে প্ৰমাণিত কৰিব পাৰিলেহেঁতেন, তেন্তে বাস্তৱত গান্ধীৰ কোনো আৱশ্যক নহ'লহেঁতেন। উল্লেখযোগ্য যে তাকে প্ৰমাণ কৰিবলৈ ইতিহাস আৰু ৰাজনীতিৰ ক্লেদতেই তেওঁৰ অগ্নি পৰীক্ষাৰ প্ৰয়োজন হৈছিল। গান্ধীজীয়ে ভালকৈ জানিছিল তেওঁ বুদ্ধৰ যুগত নহয়, হিটলাৰ আৰু ষ্টেলিনৰ যুগতহে বাস কৰিছিল। নিজৰ যুগৰ বিষয়ে তেওঁৰ কোনো ভ্ৰান্তি নাছিল আৰু সেই কাৰণে তেওঁৰ অনুসৰণকাৰী সকলতকৈ বেছি তেওঁ নৱযুৱকসকলৰ ওচৰত ভাৰসা ৰাখিছিল যিসকল তেওঁৰপৰা অনেক দূৰত আছিল। মই কেবাবছৰো চিন্তা কৰি আৰু সকলো চালি-জাৰি চাই এই সিদ্ধান্তত উপনীত হৈছোঁ গান্ধীবাদ সমাজবাদৰ লগত যাব লাগিব আৰু সমাজবাদে গান্ধীৰপৰা প্ৰেৰণা লৈ নিজৰ স্বাধীন কৰ্তব্য সম্পাদন কৰিব লাগিব।

ইমানখিনি ভূমিকাৰ পিছত কি ধৰণৰ প্ৰাৰ্থীক আপোনালোকে নিৰ্বাচন কৰিব নিশ্চয় জানিব পাৰিছে। মই আপোনালোকৰ মাজৰ এজন মানুহক বিচাৰিছিলোঁ যাক আপোনালোকে নিশ্চয় চিনি পায়। তেওঁ আপোনালোকৰ সমাজৰ সেই শ্ৰেণীৰপৰা আহিছে যিটো শ্ৰেণী আটাইতকৈ শোষিত আৰু পিছ পৰা। তেওঁ মাত্ৰ এটা শ্ৰেণীকেই নহয় গোটেই সমাজখনৰ প্ৰতিনিধিত্ব কৰে। তেওঁৰ দৃষ্টিত সকলো শ্ৰেণীৰ মানুহ সমান আৰু তেওঁলোকৰ কাৰো মনত কোনো দ্বেষ আৰু হিংসা নাই। তেওঁ সত্য আৰু অহিংসাৰ পূজাৰী। তেওঁ আচল গান্ধীবাদী আৰু সেই কাৰণে আচল সমাজবাদীও।

কিন্তু ৰাইজ, তেওঁ ৰাজনীতিলৈ আহিবলৈ দ্বিধাবোধ কৰিছে আৰু ৰাজনীতিৰপৰা দূৰত থাকি আপোনালোকৰ সেৱা কৰি জীৱনটো কটাই দিবলৈ বিচাৰিছে। তেওঁ মোক স্পষ্টকৈ কৈ দিছে—নিৰ্বাচনত থিয় হোৱা গান্ধীৰ সৃষ্টিমূলক কাৰ্যৰ সম্পূৰ্ণ অঙ্গ নহয়।

মই কিন্তু তেওঁৰ সেই মতৰ বিৰোধী। আমি গান্ধীবাদক আসন্ন বিপদৰপৰা ৰক্ষা কৰিব লাগিব, আৰু তেওঁৰ যিবিলাক অনুসৰণকাৰীয়ে তেওঁক এটা প্ৰাণহীন মূৰ্তিত পৰিণত কৰাইছে, সেইবোৰৰপৰা তেওঁক উদ্ধাৰ কৰিব লাগিব। সেই মহৎ কামৰ দায়িত্ব মই এজন লোকক দিব খোজোঁ আৰু তেওঁ হ'ল আপোনালোকৰ মাজৰে নাৰায়ণ ৰাম টাম্‌টা। আমি আমাৰ দলৰপৰা তেওঁক লোকসভাৰ কাৰণে নিৰ্বাচন কৰিছোঁ—কিন্তু আপোনালোক হ'ল তেওঁৰ আচল নিৰ্বাচনকাৰী। আপোনালোকে তেওঁক মান্তি কৰাব লাগিব আৰু ক'ব লাগিব যে তেওঁ আপোনলোকৰ আচল প্ৰতিনিধি, শুভাকাঙক্ষী আৰু সকলো আশা-ভৰসাৰ পাত্ৰ। যদি আপোনালোকে তেওঁক মান্তি কৰাব পাৰে, আপোনালোকৰ এই চহৰ আৰু লগতে গোটেই মহকুমাটোৰ কাৰণে এটা জ্বলন্ত দৃষ্টান্ত হ'ব। ৰাইজ, কোৱা বাহুল্য যে আমাৰ দেশে এনে ধৰণৰ নিস্বাৰ্থ, নিষ্ঠাৱান আৰু নিষ্কাম কৰ্মযোগী বিচাৰে যি জনসাধাৰণৰ দুঃখ-কষ্ট লাঘৱ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব। মই আপোনালোকক অনুৰোধ কৰিছোঁ আপোনালোকৰ প্ৰতিনিধি হ'বলৈ যেন আপোনালোকে নাৰায়ণ ৰাম টাম্‌টাক মান্তি কৰায়। মই জানো— তেওঁ যদি সন্মত হয়, আপোনালোকৰ চহৰতো ভাগ্যলক্ষ্মীৰ আৱিৰ্ভাৱ হ'ব আৰু সকলোৰে উন্নতি হ'ব। (হাত চাপৰি)।

ৰাইজ, আপোনালোকৰ হাত চাপৰি শুনিয়েই মই আপোনালোকৰ মনৰ কথা জানিব পাৰিছোঁ। আমি নিৰ্বাচনত জয় লাভ কৰা বা পৰাজয় মূৰ পাতি লোৱাৰ ওপৰত প্ৰয়োজনতকৈ বেছি গুৰুত্ব নিদিওঁ। আমি বিচাৰোঁ আমাৰ দলে নিৰ্বাচন কৰা প্ৰাৰ্থীজনক আপোনালোকেও পূৰ্ণ সমৰ্থন দিয়ে যেন তেওঁ আপোনালোকৰ কল্যাণৰ কামত নিজকে পূৰ্ণ উদ্যমেৰে নিয়োগ কৰিব পাৰিব। ৰাইজ, আমাৰ দলটো এটা নতুন দল যাৰ সঙ্গতি নাই, আমাৰ কংগ্ৰেছৰ নিচিনা অতীতৰ সুনাম আৰু যশ নাই ; কিন্তু জনসাধাৰণৰ দুঃখ-দুৰ্গতি লাঘৱ কৰাৰ প্ৰবল ইচ্ছা আছে, সংগঠনমূলক পৰিকল্পনা আছে। হয়তো এই নিৰ্বাচনত আমি হাৰিব পাৰোঁ কিন্তু আমাৰ পৰাজয় কংগ্ৰেছৰ জয়লাভতকৈ বেছি গৌৰৱজনক হ'ব। আপোনালোকে মোৰ অভিপ্ৰায় নিশ্চয় বুজিছে—গতিকে মোৰ বাবে তাতকৈ বেছি আনন্দৰ কথা আৰু কি হ'ব পাৰে। এতিয়া মই আপোনালোকৰপৰা বিদায় মাগোঁ। মই আপোনালোকৰ অনেক মূল্যৱান সময় ল'লোঁ। আপোনালোকে ধৈৰ্য্য ধৰি যে মোৰ এই আমনি লগা বক্তৃতাটো শুনিলে তাৰ বাবে মই কৃতজ্ঞ আৰু আকৌ আপোনালোকক অভিনন্দন জ্ঞাপন কৰিলোঁ। জয় হিন্দ।

বক্তৃতা শেষ হোৱাৰ লগে লগে সভাত উপস্থিত থকা কেবাহাজাৰো শ্ৰোতাই 'সমাজবাদী দল জিন্দাবাদ, বালেশ্বৰ ডাঙৰীয়া জিন্দাবাদ" বুলি চিঞৰি উঠিল। লগতে তেওঁলোকৰ মাজৰপৰা কিছুমানে 'নাৰায়ণ ৰাম টাম্‌টাক মাইকৰ ওচৰলৈ আহিবলৈ দিয়ক' বুলি চিঞৰি উঠিল।

সভাত মাক আৰু ৰামখুৱাকৰ লগত কুন্দনো উপস্থিত আছিল। সি দেউতাকক মাইকৰ ওচৰলৈ যাবলৈ কেবাজনো মানুহে ঠেলি দিয়া সত্বেও তেওঁ যাবলৈ ইচ্ছা নকৰা দেখা পালে। তাকে দেখি দেউতাকৰ ওপৰত কুন্দনৰ বৰ খং উঠিল। তেওঁ

এনেকুৱা কৰিছে যেন কোনোবাই তেওঁক বলি শাললৈহে যাবলৈ কৈছে। দেউতাই কিয় ভয় কৰিছে মাইকৰ ওচৰলৈ যাবলৈ? তেওঁ সঁচাকৈয়ে বক্তৃতা দিব নোৱাৰেনে? কিন্তু কিয়? জনসাধাৰণক ক'বলগীয়া তেওঁৰ অনেক কথা আছে। সেইবোৰ নকয় কিয়? কুন্দনৰ বুকুখন টিপ্‌টিপাবলৈ ধৰিলে। সি মাকলৈ চালে। মাকৰ মনৰ অৱস্থাও যে তাৰ নিচিনাই সি বুজি পালে। ৰামখুৰাকক গম্ভীৰ হৈ দেউতাকৰ পিনে একেৰাহে চাই থকা দেখা পালে। এনেতে সি সিহঁতৰ গাঁৱৰে ভব্বা খুৰাকক মঞ্চলৈ যোৱা দেখা পালে। সঁচাকৈয়ে ভব্বা খুৰাই বক্তৃতা দিব নেকি? এৰা, তেওঁ দেখোন মাইকৰ নিচেই ওচৰত থিয় হ'ল আৰু বক্তৃতা দিবলৈ উদ্যত হ'ল। শ্ৰোতাৰ লগত তেওঁক পৰিচয় কৰাই দিবলৈ সমাজবাদী দলৰ এজন কৰ্মীয়ে মাইকৰ ওচৰত থিয় হৈ ক'লে, "ৰাইজ, বাল্মীকি টোলৰ এজন প্ৰৱীণ নাগৰিক ভব্বা ডাঙৰীয়াই আপোনালোকক দুআষাৰ মান ক'ব খুজিছে।"

"ৰাইজ,

আমাৰ ডাঙৰ নেতাগৰাকীয়ে আমাৰ পাটোৱাৰী ডাঙৰীয়াৰ বিষয়ে যি ক'লে আপোনালোকে শুনিলে। তেওঁ আমাক ক'লে—আমি যেন নিৰ্বাচনত থিয় হ'বলৈ তেওঁক সন্মত কৰাওঁ। এইটো আমাৰ দায়িত্ব। মই পাটোৱাৰীক ল'ৰাকালৰেপৰা জানো। কিন্তু তেওঁৰ লগত মোৰ কোনো তুলনা নহয়। মই এজন সাধাৰণ মানুহ। তেওঁৰ নেতা হ'বৰ কোনো বাসনা নাই আৰু তেওঁ বক্তৃতা দিবলৈও ভাল নাপায়। অৱশ্যে ময়ো ভাল নাপাওঁ। মই আপোনালোকৰ হৈ অনুৰোধ তেওঁক কৰোঁ—তেওঁ যেন নিৰ্বাচনত উঠিবলৈ সন্মত হয়। তেওঁৰ অবিহনে আমাৰ কাম কেতিয়াও সম্পন্ন নহ'ব। তেওঁৰ ওপৰতো আমাৰ অলপ অধিকাৰ আছে। তেওঁ যেন মঞ্চলৈ আহি আমাক দুআষাৰমান কয়। তেওঁ মান্তি হ'বলৈ কিয় বেয়া পাইছে—আমাক যেন কয়। ৰাইজ, মই তেওঁক ইয়ালৈ নিজে লৈ আহিছোঁ ৰ'ব।"

ভব্বা খুৰাই দেউতাৰ আগত হাত যোৰ কৰি থিয় হ'ল আৰু তেওঁক মাইকৰ ওচৰলৈ যাবলৈ অনুৰোধ কৰিলে। সেই সময়ত লালা ডাঙৰীয়াও আহি দেউতাৰ ওচৰত থিয় হ'ল আৰু দুয়ো দেউতাক হাতত ধৰি আনি মাইকৰ ওচৰত থিয় কৰাই দিলে। মানুহে চাৰিও পিনৰপৰা হাত চাপৰি মাৰিবলৈ ধৰিলে। ভব্বা খুৰাই চিঞৰি উঠিল, "আমাৰ নেতা!" ... আৰু জোৰেৰে কওক—"আমাৰ নেতা!"

"আমাৰ নেতা জিন্দাবাদ!"

"নাৰায়ণ ডাঙৰীয়া জিন্দাবাদ!"

কুন্দনৰ বুকুখন বেছিকৈ টিপ্‌টিপাবলৈ ধৰিলে। তাৰ মূৰটো ঘূৰোৱা যেন লাগিল।

"শ্ৰদ্ধেয় বালেশ্বৰ ডাঙৰীয়া আৰু শ্ৰদ্ধেয় ৰাইজ! মই আপোনালোকক কি কম একো ভাবি পোৱা নাই কিন্তু জানিব পাৰিছোঁ যে আপোনালোকে মোৰ সম্বন্ধে নিশ্চয় ভুল ধাৰণা লৈছে। আমাৰ দেশখন এখন বিচিত্ৰ দেশ ... ইয়াত বিভিন্ন ধৰ্ম, ভাষা আৰু সংস্কৃতিৰ মানুহ বাস কৰে কিন্তু সকলোৱে নিজকে ভাৰতীয় বুলি গৰ্ব কৰে। বিভিন্নতাৰ মাজত একতা ভাৰতবাসীৰ এটা আপুৰুগীয়া সম্পদ, এটা অপূৰ্ব

গুণ। আপোনালোকৰ মৰম আৰু প্ৰশংসাই মোক এনেভাৱে অভিভূত কৰিছে যে মই প্ৰায় বোবা হৈ পৰিছোঁ। আপোনালোকৰ আগত মোৰ লুকুৱাবৰ একো নাই যে জীৱনত মই আজি প্ৰথমবাৰ মাইকৰ আগত থিয় হ'বলৈ সুযোগ পাইছোঁ আৰু সেই সুযোগ পাই মোৰ অন্তৰাত্মাই মাইকৰ আগত থিয় হোৱা মানুহজনক সুধিছে 'তই কোন, তোৰ লগত মোৰ সম্বন্ধ কি? আৰু তোক গোটেই চহৰখনৰ মানুহে ইমান শ্ৰদ্ধা আৰু সন্মান কিয় দিছে কাৰণ তইতো আগতে কেতিয়াও ইমান যোগ্য ব্যক্তি নাছিলি?"

"বুৰ্বক!" কুন্দনৰ পিছত থিয় হৈ থকা ৰামদত্ত মাষ্টৰে ক'লে। "নবৌ, ই কি বকিছে?"

"মই ঘৰলৈ যাওঁ ৰমদা।" মাই অধৈৰ্য হৈ ক'লে আৰু তেওঁ যাবলৈ উদ্যত হ'ল। মাক যাবলৈ ধৰা দেখি ৰামখুৱাই মোক ইঙ্গিত দিলে, "কুন্দন, তয়ো মাৰৰ লগত যা।" কিন্তু কুন্দন লৰচৰ নহ'ল। মা, তুমি যোৱা উচিত নহয়, তোমাৰ উঠি যোৱা দেখিলে দেউতাৰ মনলৈ স্নায়বিক দুৰ্বলতা আহিব আৰু তেওঁ এটা কথাও মানুহক ক'ব নোৱাৰিব। কুন্দনে ভাবিলে।

"মোৰ মৰমৰ নগৰবাসী, বালেশ্বৰ ডাঙৰীয়াক আপোনালোকে চিনি নাপায় কিন্তু মই ভালদৰে চিনি পাওঁ। এই অঞ্চলটোত তেওঁৰ সমকক্ষ কোনো নেতা নাই। তেওঁ বাপুৰ স্বপ্নৰ ৰামৰাজ্য আনিবলৈ প্ৰতিজ্ঞা কৰা মহাৰথীসকলৰে এজন। ৰাইজ, জেললৈ গৈ ঘূৰি আহিলেই স্বাধীনতা সংগ্ৰামৰ প্ৰকৃত সেনা হ'ব নোৱাৰে। তেনেকুৱা সেনা হাজাৰ হাজাৰ আছে আৰু ময়ো তেওঁলোকৰ মাজৰে এজন। মই এই বিশাল দেশখনৰ কোটি কোটি নিমাখিত, মূক জনসাধাৰণৰে এজন। নেতা হ'বৰ কাৰণে যি গুণ আৰু যোগ্যতাৰ আৱশ্যক সেই গুণ আৰু যোগ্যতা মোৰ নাই, আগতেও নাছিল আৰু ভৱিষ্যতেও নহ'ব। মোৰ ল'ৰাকালৰ বন্ধু ভৱাই মোৰ ক্ষমতা আৰু সামৰ্থ্যৰ বিষয়ে ভালদৰে জানে। ৰাইজ, মই মোৰ ক্ষমতাৰ বাহিৰলৈ যাবলৈ ভয় কৰোঁ। এই ৰাজনীতি, সংসদ, বিধানসভা, নিৰ্বাচন আৰু ৰাজনৈতিক দলবোৰৰ কাৰ্যকলাপ আৰু জটিলতাবোৰ আয়ত্ত কৰা মোৰ বুদ্ধি আৰু ক্ষমতাৰ বাহিৰত। তদুপৰি এইবোৰৰ প্ৰতি মোৰ ইচ্ছা আৰু আগ্ৰহ নাই। মোৰ সাধাৰণ, বুনিয়াদী বিষয়বোৰৰ যথেষ্ট জ্ঞান আছে—যিবোৰৰ ওপৰত এসময়ত বৰ বেছিকৈ প্ৰাধান্য দিয়া হৈছিল কিন্তু এতিয়া যাৰ কোনো মূল্য নাই। গতিকে, ৰাইজ মই সেইকালৰ মানুহ—যাক আপোনালোকে যুগ আৰু সময়ৰ লগত খাপ খাব নোৱৰা পিছ পৰি থকা মানুহ বুলি ক'ব পাৰে। ক'লে মই অলপো বেয়া নাপাওঁ কাৰণ আজিৰ যুগৰ ৰাজনীতিৰ জটিলতা আৰু কুটিলতা মোৰ আদৰৰ বস্তু নহয়, মই তাক ব্যৱসায় হিচাপে গ্ৰহণ কৰিব নোৱাৰোঁ। গতিকে তেনে ধৰণৰ মানুহ এজনক নিৰ্বাচনত থিয় কৰালে যদি জিকে, তেওঁৰপৰা আপোনালোকৰ একো লাভ নহ'ব। এই চহৰখনত মোতকৈ অনেক শিক্ষিত আৰু গুণী মানুহ আছে। গান্ধীজীয়ে আজিকালিৰ নতুন তেজৰ যুৱক আৰু যুৱতীসকলে দেশৰ সকলো কামত ভাগ ল'ব লাগিব বুলি কোৱা কথাষাৰ বালেশ্বৰ ডাঙৰীয়াই মোক কৈছিল।

তেওঁৰ সেৱকসকলতকৈ গান্ধীজীয়ে নতুন তেজৰ যুৱক-যুৱতীসকলৰ ওপৰত বেছি ভৰসা ৰাখিছিল। এই সমাজবাদী দলটো সেই নতুন তেজৰ যুৱক-যুৱতীসকলৰ কাৰণে গঠন কৰা হৈছে, মোৰ নিচিনা পুৰণি চিন্তাধাৰাৰ অনুন্নত মানুহৰ কাৰণে নিশ্চয় গঠন কৰা নাই।”

দেউতা বৈ গ'ল কিয়? কওঁতে তেওঁৰ অসুবিধা হৈছে কিয়? কিন্তু এই অপ্ৰাসঙ্গিক আৰু অনাৱশ্যক কথাবোৰ কোৱাৰ তেওঁৰ কি প্ৰয়োজন আছিল? তাতকৈ তেওঁ কালি ঘৰত বেছি ভাল কথা কৈছিল। কুন্দনে ৰামখুৰাৰ পিনে চালে। ৰামখুৰাৰ মুখখন খঙত ৰঙা পৰিছিল আৰু দুখত চকুলো ওলাই আহিছিল। বৰ আশা কৰি তেওঁ সভালৈ আহিছিল। কিন্তু দেউতাই এনে কৰিলে কিয়?

“যেতিয়া মই পাটোৱাৰী চাকৰিটো ইস্তফা দিছিলোঁ ডেকা বয়সৰ সেই সময়ৰ কথাবোৰ এতিয়া মোৰ মনত পৰিছে। সৰুৰেপৰা মোৰ উচ্চ শিক্ষাৰ প্ৰতি ধাউতি আছিল আৰু জগতখনক ভালকৈ জানিবৰ কাৰণে হাবিয়াস আছিল। কিন্তু ঠিক সেই সময়তে স্কুল এৰি মই চাকৰিত সোমালোঁ আৰু মোক কোৱা হ'ল 'তোৰ জন্ম সফল হ'ল, তই লাট চাহাব হ'বি।' বিয়াল্লিশ চন আহিল—গোটেই দেশত জুই লাগিল ... সেই সময়ত মই স্বাধীনতা সংগ্ৰামত যুঁজ কৰোঁতাসকলৰ আটাইতকৈ পিছত আছিলোঁ, ইংৰাজৰ গোলামী কৰি স্বাধীনতাৰ কথা চিন্তা কৰা মোৰ ওচৰত আইনবিৰোধী আছিল। কিন্তু এদিন হঠাতে মোৰ চকু খুলিল। কেনেকৈ খুলিল আৰু কিয় খুলিল তাক এতিয়া কোৱাটো অৰ্থহীন। মই নিজকে ক'লোঁ, 'নাৰায়ণ, তই মানুহনে কুকুৰ?' মই চাকৰি এৰি দিলোঁ আৰু বাহিৰৰ মুকলি বতাহলৈ ওলাই আহিলোঁ। শ্ৰদ্ধেয় ৰাইজ, পিচত মোৰ গাত স্বাধীনতাৰ যি ৰাগী লাগিল সেই ৰাগী এতিয়াও মোৰ গাৰপৰা যোৱা নাই। মোৰ গাত জোতা মাৰিছিল, অতি অশ্লীল গালি পাৰিছিল ... কিন্তু মোৰ আত্মা আকাশত উৰি ফুৰিছিল। মই অনুভৱ কৰিছিলোঁ মোক যেন কোনোবাই কুকুৰৰ সলনি হাতী কৰিলে আৰু সঞ্জীৱনী ঔষধ এপালি খুৱাই দি মোৰ মৃতপ্ৰায় শৰীৰটোত জীৱনদান দিলে।

“যেতিয়া দেশ স্বাধীন হ'ল—দেশৰ কাৰণে কিবা ভাল কাম কৰিবলৈ মোৰ মনটো উত্ৰাৱল হ'ল। যেতিয়া গান্ধীজী জেলত আছিল মই তেওঁলৈ এখন চিঠি লিখিছিলোঁ—য'ত মোৰ নিজৰ বিষয়ে দুই-এটা কথা উল্লেখ কৰি মই তেতিয়া কি কৰিব লাগে সেই বিষয়ে উপদেশ নহয় আদেশ দিবলৈ তেওঁক অনুৰোধ কৰিছিলোঁ। তেওঁৰপৰা দুই-তিনি লাইনৰ এখন চিঠি পালোঁ—যিখন চিঠি মোৰ জীৱনৰ কাৰণে অমূল্য সম্পদ। তেওঁ লিখিছিল, “তুমি য'ত আছা তাত বাস কৰা আটাইতকৈ দুখীয়া, নিচলা আৰু পীড়িত মানুহবিলাকক তুমি সেৱা কৰিবা যাতে তেওঁলোকৰ দুঃখ-দুৰ্গতি লাঘৱ হয়। তুমি তেওঁলোকৰ মনৰপৰা ভয় দূৰ কৰি মনলৈ সাহস আনিবা আৰু তেওঁলোকক চাফ-চিকুণকৈ থাকিবলৈ শিকাবা। তোমাৰ আন এটা কাম হ'ব—তেওঁলোকৰ সৰু সৰু ল'ৰা-ছোৱালীবিলাকৰ কাৰণে প্ৰাইমাৰী স্কুলৰ ব্যৱস্থা কৰিবা। শেহত তুমি মোৰ আশীৰ্বাদ ল'বা।”

কুন্দনে দেখিলে তাৰ দেউতাকে চকুৰ পানী মচিছে। তাকে দেখি কুন্দনৰ চকু দুটাও চলচলীয়া হ'ল। কুন্দনৰ বেয়া লাগিল যে বাপুৰ সেই চিঠিখনৰ কথা তেওঁ কেতিয়াও ঘৰত কোৱা নাছিল। যি কথা ঘৰত কোৱা হোৱা নাই। সেই কথা জনসাধাৰণক কোৱাৰ কি প্ৰয়োজন আছিল দেউতাকৰ?

"মই স্বীকাৰ কৰিব লাগিব যে বাপুৰ আদেশ মই পালন কৰিব পৰা নাই। মোৰ এই অসমৰ্থতাৰ কথা আমাৰ এই অঞ্চলৰ অনেকে নিশ্চয় জানে। মই গাঁৱৰ মানুহক পৰিষ্কাৰ-পৰিচ্ছন্নভাৱে থাকিবলৈ ঘৰে ঘৰে গৈ উপদেশ দিছিলোঁ, ঘৰতে সূতা কাটি, তাঁত বৈ উপাৰ্জন কৰাত সহায় কৰিছিলোঁ, গাঁৱৰ সৰু সৰু ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে প্ৰাইমাৰী স্কুল খুলিছিলোঁ, আৰু গাঁৱৰ দুখীয়া মানুহৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবৰ উদ্দেশ্যে ঘৰতে বাঁহৰ পাচি, খৰাহী, কঠ আদি বস্তুবোৰ তৈয়াৰ কৰিবলৈ ব্যৱস্থা কৰিছিলোঁ। শেহত মোৰ পৰিকল্পনাবোৰ প্ৰচাৰ কৰি জনসাধাৰণক নিজৰ কৰ্তব্য সম্বন্ধে সচেতন কৰিবলৈ এখন বাতৰি কাকত বাহিৰ কৰিছিলোঁ। কিন্তু অতি দুঃখৰ বিষয় যে মোৰ সকলো কাম অসম্পূৰ্ণ হৈ ৰ'ল আৰু সকলো চেষ্টা বিফল হ'ল। আটাইতকৈ দুঃখৰ কথা যে মোৰ সেই সংগঠনমূলক কামবোৰত গাঁৱৰ কোনো মানুহে আনকি মোৰ অওহী-বওহীবিলাকেও কিঞ্চিৎমানো সহায় কৰা দূৰৰ কথা— মোৰ অসফলতাত আনন্দ পাইছিল। মই স্বীকাৰ কৰোঁ মোৰ অসফলতাৰ কাৰণ মোৰ অসামৰ্থ্য আছিল আৰু মোৰ কামবোৰত নিশ্চয় কিবা খুঁত ৰৈ গৈছিল। সেই কাৰণে মই কাকো দোষ দিয়া নাছিলোঁ আৰু এতিয়াও নিদিওঁ। ... ৰাইজ, এদিন হঠাৎ মোৰ মনত খেলি গৈছিল যুগ বদলি হ'ল, মোৰ যুগ গ'ল আৰু নতুন যুগৰ কাৰণে মই যোগ্য নহওঁ। গতিকে নিষ্কৰ্মা হৈ বহি থকাৰ বাহিৰে মোৰ কৰিবলগীয়া একো নাই। ... এই চহৰখনত চাৰিটা প্ৰধান জাতিৰ মানুহ বাস কৰে আৰু প্ৰত্যেকটো জাতিৰে একোখনকৈ চাৰিখন সংবাদপত্ৰ আছে। মই দেখি বৰ দুঃখ পাইছিলোঁ যে সেই চাৰিখন বাতৰি কাকতে আনটো জাতিৰ দোষ-ত্ৰুটিবোৰ বাহিৰ কৰি সমালোচনা কৰিছিল আৰু তাৰ ফলত বিভিন্ন জাতিৰ মানুহৰ মনবোৰ বিযাক্ত কৰিছিল। গতিকে মই এনে এখন সংবাদপত্ৰ উলিয়াবলৈ সংকল্প কৰিলোঁ যিখনে যেন চহৰখনৰ সকলো মানুহক এটা মঞ্চলৈ লৈ আহে আৰু সকলোকে এডাল প্ৰীতিৰ জৰীৰে বান্ধি পেলায়। কিন্তু তাতো মই ব্যৰ্থ হ'লোঁ। সংবাদপত্ৰখন উলিয়ালোঁ হয় কিন্তু বেছি দিন নচলিল, সেই কামতো মোৰ নিশ্চয় সামৰ্থ্যৰ নাটনি আছিল। মই নিশ্চয় অনাসক্ত কামৰ কাৰণে যোগ্য নাছিলোঁ আৰু সেই কাৰণে মোৰ শাস্তি হৈছিল।

ৰাইজ, আপোনালোকে মোক অন্তৰৰ সকলো কথা কৈ দিয়াৰ বাবে ক্ষমা কৰিব। যিহেতু এবাৰ মোক দিয়া কাম মই কৰিব নোৱাৰিলোঁ, এতিয়া কি সাহেৰে মই নতুন দায়িত্ব গ্ৰহণ কৰোঁ? মোৰ মনে কৈছে এই নতুন দায়িত্ব বহন কৰিবলৈ মই যোগ্য নহওঁ। মই বালেশ্বৰ ডাঙৰীয়াৰ কথাৰ বিৰোধিতা কৰা নাই ; তেওঁক মই অনুৰোধ কৰোঁ তেওঁ যেন মোৰ অসুবিধাৰ কথা হৃদয়ঙ্গম কৰে। মই ৰাজনীতিৰ মূল্য জানো আৰু সেই কাৰণে তাক ঘৃণা কৰাৰ কোনো প্ৰশ্নই নুঠে। কিন্তু ৰাজনীতিৰ কাৰণে

যি উদ্যম, বলিষ্ঠ মন আৰু নতুন তেজৰ আৱশ্যক, সেইবোৰ মই ক'ৰপৰা পাম? যোৱা তিনি-চাৰিদিন ধৰি মই নিজকে সুধি আহিছোঁ, "নাৰায়ণ সঁচাকৈয়ে কচোন এজন সাংসদ হিচাপে নিৰ্বাচিত হ'লে তই নিজৰ মানুহৰ সেৱা কৰিব পাৰিবি? এই অঞ্চলটোৰ সকলোকে তোৰ কামৰদ্বাৰা সন্তুষ্ট কৰিব পাৰিবি?' ৰাইজ, মই লজ্জিত যে মোৰ অন্তৰে 'পাৰিম' বুলি উত্তৰ দিয়া নাই। জানো, মোৰ কথা শুনি আপোনালোকে মোক হাঁহিব। কাৰণ মোৰ কথা শুনি মই যোৱা চাৰি দিন নিজেই নিজকে হাঁহি আহিছোঁ। গতিকে এনে মতিভ্ৰম হোৱা মানুহক আপোনালোকে কেনেকৈ ভৰসা কৰিব? মই বালেশ্বৰ ডাঙৰীয়া আৰু আপোনালোকৰ ওচৰত হাত যোৰ কৰি ক্ষমা বিচাৰিছোঁ। মই সঁচা কথা কৈছোঁ, কাৰণ নিজৰ বিষয়ে অন্য কথা কৈ কাকো বঞ্চনা কৰা মোৰ স্বভাৱ আৰু ধৰ্ম নহয়। শ্ৰদ্ধেয় ৰাইজ, মোৰ অজ্ঞাতসাৰে যদি মই কিবা অপ্ৰিয় আৰু অসঙ্গত কথা কৈছোঁ, মিনতি কৰিছোঁ সেই বাবে যেন দয়া কৰি আপোনালোকে এই সেৱকক ক্ষমা কৰে। জয় হিন্দ।"

সকলো মাটি হ'ল

"যাওঁ ব'ল", ৰামদত্ত মাষ্টৰে কুন্দনৰ হাতত ধৰি ক'লে, "তোক ঘৰত থৈ আহোঁ।"

কুন্দন এটুকুৰা কাঠৰ নিচিনাকৈ থিয় হ'ল। তাৰ মুখৰপৰা ওলাল, "আৰু দেউতা?" কিন্তু ৰামদত্ত মাষ্টৰে তাৰ কথা নুশুনাৰ নিচিনাকৈ কোনো উত্তৰ নিদিলে আৰু কুন্দনক হাতত ধৰি ভিৰৰ মাজৰপৰা বাহিৰলৈ ওলাই আহিল। কুন্দনে মূৰটো ঘূৰাই পিচ ফালে চালে কিন্তু ৰামদত্ত মাষ্টৰে তাৰ হাতটোত এনেভাৱে খামোচ মাৰি ধৰি তাক লৈ আহিছিল যেন তেওঁ পিছ ফালে চোৱাটো আৱশ্যক নাছিল বুলি ভাবিছিল। সি মাষ্টৰক কিবা ক'বলৈ বিচাৰিছিল কিন্তু তেওঁৰ নীৰৱ আৰু গম্ভীৰ মুখখন দেখি তাৰ ভয় হ'ল।

মৈদানৰপৰা ওলাই দুয়ো বজাৰলৈ আহিল। ৰামদত্ত মাষ্টৰ আগত আৰু কুন্দন পিছত। কুন্দনে অনুভৱ কৰিলে সি মানুহ নহয়, এটা ভূতহে আৰু বজাৰত মানুহৰ কথা-বতৰাবোৰ যেন ভূতৰহে কথা-বতৰা। তাৰ দেউতাক কেতিয়া ঘৰলৈ ঘূৰি আহিব কোনে জানে? এতিয়া নিশ্চয় তেওঁক মানুহে বেঢ়ি লৈ নানা কথা শুধিছে চাগৈ! কি উত্তৰ দিছে তেওঁ মানুহবিলাকক? হয়তো তেওঁ তাক আৰু ৰামদত্ত মাষ্টৰক বিচাৰি ফুৰিছে। দুয়োকে তাত নেদেখি কি ভাবিছে তেওঁ?

"তোৰ বাপেৰক ক'বি সি তাৰ মুখখন মোক দেখুওৱাৰ প্ৰয়োজন নাই, বুইছ।"

কুন্দনে যেন হঠাৎ টোপনিৰপৰা সাৰ পালে। ইতিমধ্যে দুয়ো বজাৰৰপৰা ডোম গাঁৱলৈ যোৱা সৰু ৰাস্তাটোত উঠিছিল। কুন্দনৰ তন্দ্ৰা ভাগিল কিন্তু ৰামখুৱাক কি ক'ব সি একো বিচাৰি নাপালে। সি মনে মনে থাকিল।

"মই কি কৈছোঁ তই শুনিছনে?"

কুন্দনে ৰামদত্ত মাষ্টৰৰ হাত এটা তাৰ দুয়োটা হাতেৰে খামোচ মাৰি ধৰি ক'লে, "আমাৰ ঘৰলৈ ব'লা ৰামখুৱা! মই অকলে নাযাওঁ, মোৰ বৰ ভয় লাগিছে।"

ৰামদত্ত মাষ্টৰে হাঁহিলে। কিন্তু সেই হাঁহি যেন ৰামদত্ত মাষ্টৰৰ নিজৰ নহয়, আন কোনোবাইহে হাঁহিছে। অদ্ভুত হাঁহি, তেনেকুৱা হাঁহি কুন্দনে তেওঁৰ মুখত আগতে কেতিয়াও দেখা নাই।

"হেৰ', তোৰ ভয় কৰিবৰ কি আছে?"

সন্ধিয়া নামি আহিছিল, আন্ধাৰত ইজনে সিজনৰ মুখখন দেখা পোৱা নাছিল। কিন্তু হঠাতে কুন্দনে তাৰ মনলৈ ধৈৰ্য অহা যেন অনুভৱ কৰিলে। সি যেন ৰামখুৱাৰ লগত নহয় দেউতাকৰ লগতহে ৰামখুৱাৰ ঘৰৰপৰা নিজৰ ঘৰলৈ ঘূৰি আহিছে। কিন্তু পিছমুহূৰ্ততে সি অনুভৱ কৰিলে ৰামখুৱাৰ লগতহে বজাৰৰপৰা ওলাই ঘৰমুৱা হৈছে।

"ৰাম নাম সত্য ... ৰাম নাম সত্য ..." *

কুন্দন আৰু ৰামদত্ত মাষ্টৰ ৰাস্তাটোৰ একাষত থিয় হ'ল। শৱযাত্ৰীবিলাক মৰাশ এটা লৈ সিহঁতৰ আগেদিয়েই পাৰ হৈ গ'ল। শ্মশানখন কুন্দনহঁতৰ গাঁৱৰ ওচৰতে। "কোন মৰিল?" ৰামখুৱাই নিজে নিজেই ক'লে আৰু কুন্দনৰ হাত এটা জোৰেৰে খামোচ মাৰি ধৰিলে। মৰা শটো দেখি ৰামখুৱাই ভয় খাইছে নেকি? কুন্দনৰতো ভয় লগা নাই। সি ভয় কৰিব কিয়। শ্মশানখন সিহঁতৰ ঘৰৰ ওচৰতে। সি প্ৰায়েই মৰাশ সিহঁতৰ ঘৰৰ আগেদিয়েই লৈ যোৱা দেখে আৰু শ্মশানৰপৰা ভাহি অহা মৃতজনৰ আত্মীয়ৰ কান্দোন প্ৰায়েই শুনিবলৈ পায়।

"তহঁতে এই শ্মশানৰ ওচৰত কেনেকৈ থাক?" ৰামখুৱাৰ প্ৰশ্নটো কুন্দনৰ আচৰিত যেন লাগিল। এইটো এটা প্ৰশ্ননে? কুন্দনৰ চকুত হঠাৎ ৰামখুৱাৰ ঘৰখনৰ ছবিটো ভাহি উঠিল। ঘৰৰ বাৰাণ্ডাত সি ভাগীৰথীৰ লগত কথা পাতি আছে।

"তই মনে মনে আছ দেখোন, তোৰ ভয় লাগিছে নেকি?"

"কিয় ভয় লাগিব। ৰামখুৱা? এইবোৰতো সদায় দেখি থকা ঘটনা, এতিয়া মৰাশ দেখিলে ভয় নালাগে।"

তাৰ অলপ পিছতে কুন্দন আৰু ৰামদত্ত মাষ্টৰ কুন্দনহঁতৰ ঘৰৰ পদূলিত থিয় হ'ল। ঘৰটো আন্ধাৰ। বিজুলী নাই নেকি? ঘৰত চাৰিটা বিজুলী চাকি কিন্তু কিবা বিজুতিৰ বাবে জ্বলা নাই। কুন্দনে পদূলিৰপৰা চিঞৰিলে, "মা!" মায়েতো সন্ধিয়াৰ লগে লগেই ঘৰত চাকি জ্বলায়। আজি আন্ধাৰ কিয়?

"আহিছোঁ", মাই ভিতৰৰপৰা চিঞৰি ক'লে আৰু লগে লগে হাতত লেম এটা

* হিন্দীভাষী মানুহে এই কথাষাৰ শ্মশানলৈ মৃতদেহ লৈ যাওঁতে সমস্বৰে উচ্চাৰণ কৰে।

লৈ তেওঁ ওলাই আহিল। ঘৰত ভায়েক আৰু ভনীয়েক নাছিল। দুয়ো ককাদেউতাৰ ঘৰলৈ গৈছিল।

লেমৰ পোহৰত কুন্দন আৰু ৰামদত্ত মাষ্টৰৰ শুকান মুখ দুখন দেখি মাকৰ মনটো দমি গ'ল। নিশ্চয় কোনো ভাল খবৰ নাই।

"নবৌ, দেখিলোঁ—লেমটো মাত্র অলপ আগতে জ্বলালা। ইমান পৰে ঘৰৰ ভিতৰত আন্ধাৰত কি কৰিছিলা? বেচেৰা কুন্দনৰ ভয় লাগিছিল। মই ক'লো ব'ল তোক ঘৰত থৈ আহোঁ ... বাৰু নবৌ মই যাওঁ এতিয়া, ভাগী ঘৰত অকলে আছে।"

"এটোপা চাহতো খাই যোৱা। ইয়াৰ দেউতাকক ক'ত এৰি আহিলা?"

ৰামদত্ত মাষ্টৰে এনেভাৱে মানে চালে যেন দেউতাৰ কিবা এটা দুৰ্ঘটনাহে হ'ল।

"সকলো মাটি হ'ল নবৌ! সকলো মাটি হ'ল", কৈ ৰামখুৰা এক মুহূৰ্তও অপেক্ষা নকৰি লৰালৰিকৈ খটখটিয়েদি তললৈ নামি গ'ল।

শোক কৰা ৰামী

মোৰ বন্ধু আৰ্থাৰে মোক প্ৰায়েই কৈছিল, "স্বৰ্গ আৰু নৰক কিতাপৰ বস্তু নহয় আৰু ধৰ্ম সম্বন্ধীয় বস্তুও নহয়। এই দুয়োটা কেৱল অনুভৱৰ বস্তুহে। মোক দেখি কোনে বিশ্বাস কৰিব যে মই মাত্র কিছুদিনৰ আগতে স্বৰ্গ আৰু নৰকলৈ গৈছিলোঁ?"

আৰ্থাৰে কোৱা কথাকেইটা আজি বাৰু মোৰ কিয় মনত পৰিছে? আৰ্থাৰে সেই কথা কেইটা গ্ৰীটাৰ সন্মুখত কৈছিল ; কথাকেইটাৰ লগত গ্ৰীটাৰ কিবা সম্বন্ধ আছিল জানো আৰু ময়ো সেই কথাকেইটা এলিচৰ সন্মুখত আৰ্থাৰক ক'ব পাৰিলোহেঁতেন জানো? নিশ্চয় নোৱাৰিলোঁহেতেন আৰু সেই কাৰণেই এলিচৰ লগত ময়ো স্বৰ্গ আৰু নৰক ভুগিছিলোঁ নেকি?

কিন্তু স্বৰ্গ আৰু নৰকে মোক একে সময়তে দেখা দিয়া নাছিল। মোৰ জীৱনত এসময়ত স্বৰ্গহি আছিল বা এসময়ত কেৱল নৰকেই আছিল। যেতিয়া স্বৰ্গ আছিল তেতিয়া নৰকৰ নাম-গোন্ধো নাছিল আৰু যেতিয়া নৰক আছিল ই একেবাৰে নোযোৱা হৈছিল। কিন্তু সেয়া আগৰ কথা। এতিয়া স্বৰ্গও নাই আৰু নৰকো নাই, আছে মাথোন দুয়োৰে মাজত এডোখৰ অনুৰ্বৰ স্থান যি দুয়োৰে প্ৰভাৱৰপৰা মুক্ত আৰু চাৰিওপিনৰপৰা সুৰক্ষিত। এলিচ থাকোঁতেই আমি সেই ঠাইডোখৰত লাহে লাহে প্ৰৱেশ কৰিছিলোঁ। নৰকক যদি নৰক হিচাপে অনুভৱ কৰাটো বন্ধ হৈ যায় তাক নৰক বুলি কেনেকৈ

ক'ম। বোধকৰোঁ মানুহৰ সংৱেদনৰ এটা সীমা আছে যাৰ পিছত সেইটো নৰক ভোগ কৰাৰপৰা বঞ্চিত হৈ যায়।

এতিয়া মই এলিচৰ কথা কোৱা নাই। এলিচৰ কথা কোৱা মোৰ কাৰণে যে ইমান সহজ নহয় আপুনি নিশ্চয় জানি গৈছে। মই মাত্ৰ সেই সময়ৰ কথাহে কৈছোঁ যিটো সময় মোৰ জীৱনৰ অতি অন্ধকাৰ সময় আছিল আৰু যিটো সময় মই কেনেকৈ কটাইছিলোঁ এতিয়া ভাবিলেও গা শিয়ৰি উঠে। মই যে সেই নৰকৰপৰা মাত্ৰ অলপতে বাহিৰ হ'লোঁময়েই বিশ্বাস কৰিবলৈ টান পাওঁ। এতিয়া মোৰ এনে অনুভৱ হয় যেন অতীতত এসময়ত ঘটি যোৱা সেই দুঃখপূৰ্ণ ঘটনাবোৰ মোৰ জীৱনত নঘটি আন কাৰোবাৰ জীৱনতহে ঘটিছিল, বা সেই ঘটনাবোৰ মোৰ স্বপ্নহে আছিল।

মোৰ মনত পৰিছে নীলকণ্ঠেশ্বৰ মৈদানত বালেশ্বৰ ডাঙৰীয়াৰ বক্তৃতা শুনাৰ কথা। তেওঁৰ পিছত ভৱা খুৰাই কথা ক'লে আৰু তাৰ পিছতেই দেউতাৰ বক্তৃতা শুনিলোঁ। ... দেউতাৰ বক্তৃতা শুনি খণ্ডত ৰামখুৰাৰ মুখখন ৰঙা হ'ল, দুঃখত তেওঁৰ চকুৰপৰা চকুলো ওলাল। ... ৰামখুৰাই মোক হাতত ধৰি ঘৰলৈ লৈ আহিল, বাটতে এদল শৱযাত্ৰীক দেখা পালোঁ। ... ৰামখুৰাই মোক সুধিছিল—"তহঁতে এই শ্মশানখনৰ ওচৰত কেনেকৈ থাক? ভয় নালাগেনে থাকিবলৈ?" ৰামখুৰা কোনো শ্মশানৰ ওচৰত নাথাকে। চণ্ডাল গাঁৱৰ ওচৰত থকাৰ নিচিনা ৰামখুৰা য'ত থাকে তাৰ কাষত কোনো শ্মশান নাই। ৰামখুৰাই ভয় খাইছিল। কিন্তু মই ভয় খোৱা নাছিলোঁ। ... মই পদূলি মুখৰপৰাই মাক চিঞৰিছিলোঁ ... "মা!" হাতত লেমটো লৈ মা ওলাই আহিছিল। আমাৰ মুখ দুখন দেখি মাই জানিব পাৰিছিল নিশ্চয় কিবা এটা অঘটন ঘটিছে। ৰামখুৰাই "নবৌ, সকলো মাটি হ'ল" বুলি কৈয়েই এটা মুহূৰ্তও অপেক্ষা নকৰি আন্ধাৰত বিলীন হৈছিল। সেই ৰাতি মাৰ মুখৰপৰা এটা কথাও ওলোৱা নাছিল আৰু মোৰ মুখৰ পৰাও। শেহত বিছনাত পৰাৰ আগতে মাই মাত্ৰ কৈছিল, "ৰাতিপুৱা ৰন্ধা ভাত আৰু দাইল পৰি আছে। খাই ল।"

"নাখাওঁ মা, মোৰ অলপো ভোক নাই।"

মাই মোক জোৰ কৰা নাছিল। বিছনাত পৰাৰ লগে লগে হঠাৎ মোৰ কান্দোন ওলাইছিল। মোক দেখি মায়েও কান্দিছিল—যেন ঘৰত কোনোবা মৰিলহে। ... মাজনিশা হ'ল দেউতা তেতিয়াও ঘৰলৈ ঘূৰি অহা নাছিল। নাহিল ভালেই হ'ল। অহাহেঁতেন ঘৰৰ পৰিস্থিতি আৰু বেয়া হ'লহেঁতেন। কিন্তু আমাৰ টোপনি অহা নাছিল। দুখন বিছনাত পৰি মা আৰু মই ছটফটাই আছিলোঁ। ... হঠাৎ মোৰ মনত খেলি গৈছিল— যদি ৰাতি দেউতা ঘৰলৈ ঘূৰি আহে, যদি তেওঁ আহি অলপ পিছতে দুৱাৰত টকটকায়? দেউতাই মাক তেওঁৰ সিদ্ধান্তক সমৰ্থন কৰিবলৈ নানা কাৰণ দেখুৱাব আৰু মান্তি কৰাবলৈ চেষ্টা কৰিব। কিন্তু মাই খং কৰিব, কান্দিব, চিঞৰিব ... আৰু কি কি কৰিব কোনে জানে। ... যদি দেউতায়ো চিঞৰে? যদি তেওঁ ঘৰ এৰি গুচি যায়? ... সেই ভয়ংকৰ নিশা কিযে অদ্ভুত অদ্ভুত চিন্তাবোৰ মোৰ মনলৈ আহিছিল— এতিয়াও মোৰ মনত আছে।

কিন্তু সেই চিন্তাৰ ব্যাঘাত ঘটিছিল। মাজনিশা সঁচাকৈয়ে দুৱাৰত টোকৰ পৰিছিল। মই টোপনি যোৱা নাছিলোঁ—মোৰ মাত্ৰ তন্দ্ৰা আহিছিল। দেউতাৰ হাতৰ টোকৰ বুজিবলৈ মোৰ সময় নালাগিল। উঠি গৈ দুৱাৰখন খুলি দিলোঁ।

"তই এতিয়াও শোৱা নাই? মাৰ ক'ত?"

মই কোনো উত্তৰ নিদিলোঁ। কি উত্তৰেই বা দিম? মাৰ টোপনি ভগা নাইতো? হয়তো তেওঁ মোৰ দৰে সাৰ পাই আছে। ... কিন্তু পিছ মুহূৰ্তত অনুমান কৰিলোঁ মা টোপনিত লালকাল। গতিকে দেউতাই চুপচাপ বিছনাত বাগৰ দিয়াই ভাল। মই জানো বিছনাত বাগৰ দিয়াৰ লগে লগে দেউতাৰ টোপনি আহে। গতিকে সেইদিনাও আহিব।

কিন্তু দেউতাই টিমিক-টামাককৈ জ্বলি থকা লেমটোৰ ফিটাডাল বঢ়াই দি লেমটো লৈ পোনে পোনে পাকঘৰলৈ গ'ল। তাৰপৰাই তেওঁ উচ্চস্বৰে সুধিলে, "আজি একো ৰন্ধা-বঢ়া কৰা নাই কিয়?"

কিন্তু মই কি উত্তৰ দিম একো বিচাৰি নাপালোঁ। ইতিমধ্যে মাই নিশ্চয় সাৰ পাইছে। তেওঁ একো কোৱা নাই কিয়?

"ৰামী!"

মাৰপৰা কোনো উত্তৰ নাহিল। দেউতা মাৰ বিছনাৰ ওচৰলৈ গৈ তেওঁক হাতেৰে জোকাৰি মাতিলে, "ৰামী, মই মাতিছোঁ তুমি শুনা নাইনেকি?"

মাই তেতিয়াও কোনো উত্তৰ নিদিলে। মাত্ৰ সিকাটি হৈ আকৌ শুই পৰিল।

"কি হ'ল? আজি চৌকা জ্বলোৱা নাই কিয়? তোমালোকে কি খালা?"

তেতিয়াও মাৰপৰা কোনো উত্তৰ নাহিল। ভয় খাই মই বিছনাৰপৰা উঠিলোঁ আৰু দেউতাৰ ওচৰলৈ গৈ ক'লোঁ, "দুপৰীয়া ৰন্ধা ভাত-দাইল পৰি আছিল। আমাৰ কাৰো ভোক নথকাৰ কাৰণে মাই চৌকা জ্বলোৱা নাই। তুমি খাই লোৱা।"

দেউতাই মোলৈ এনেভাৱে চালে সেই চাৱনি দেখি মই থতমত খালোঁ। "মই সকলো জানো। যেতিয়া ঘৰত কোনোবা মৰে তেতিয়া চৌকা নজ্বলায়। মই এতিয়াও জীয়াই আছোঁ যদিও তহঁতে মোক মৰিল বুলি ধৰি ল'লি। এইখন ঘৰত মোৰ কাৰণে কোনো স্থান নাই।"

মাই বিছনাত উচুপ উচুপি কান্দিবলৈ ধৰিলে। লগতে মোৰো কান্দোন ওলাল। দেউতাই আমাৰ দুয়োৰে মাজত থিয় হৈ জোৰে জোৰে ক'লে, "কান্দা, আৰু জোৰেৰে কান্দি শোক কৰা ৰামী। কিন্তু এতিয়াও মই মৰা নাই। জীয়াই আছোঁ।" মাই আৰু জোৰেৰে কান্দিবলৈ ধৰিলে। মই ভাবিলোঁ এতিয়া দেউতাৰ খং মাৰ যাব আৰু তেওঁ মাক বুজাব। কিন্তু সেইটো নহ'ল। দেউতা বৈঠকখানালৈ গ'ল আৰু লেমটো নুমুৱাই তাত থকা খাট এখনত শুই পৰিল।

মোৰ উচুপনি বন্ধ হ'ল। আচলতে দেউতাই তেনে কৰা দেখি মোৰ কান্দোন আপোনা-আপুনি বন্ধ হ'ল। মাই তেতিয়াও বিছনাত পৰি হুক্ হুক্ কৰে কান্দি আছিল। বিছনাত পৰাৰ লগে লগে দেউতাৰ টোপনি অহাৰ অভ্যাস থকা কাৰণে দেউতা নিশ্চয় টোপনিত লালকাল হৈছিল। মোৰ এনে লাগিল— তেওঁৰ লগত ঘৰখনৰ যেন কোনো

সম্বন্ধই নাই আৰু এইখন তেওঁৰ ঘৰ নহয়।

হঠাৎ মোৰ জগতখন বদলি হৈ গ'ল। ৰাতিপুৱালে, কিন্তু তেনেকুৱা ৰাতিপুৱা কোনো ল'ৰাই কেতিয়াবা দেখিছেনে?

দেউতা বেঠকখানাত নাই, বিছনাখন খালী। ঘৰৰ আন ক'তো তেওঁক বিচাৰি নাপালোঁ। তেওঁ ঘৰ ত্যাগ কৰিলে। মই অনুভৱ কৰিলোঁ সেইদিনাৰ ৰাতিপুৱাটো তাৰ আগৰ ৰাতিৰ অন্ধকাৰতকৈ বেছি অন্ধকাৰ আছিল।

তোমাৰ নাৰায়ণ

ৰাতিপুৱা শুই উঠি দেউতাকক নেদেখি কুন্দন বিচলিত নহ'ল আৰু সি বুদ্ধিমানৰ কাম কৰিলে। সি মাকক চিঞৰ-বাখৰ কৰিবলৈ হাক দিলে আৰু ককাদেউতাকৰ ঘৰলৈকো যাবলৈ নিদিলে। সি জানিছিল মাক তালৈ গ'লে ককাদেউতাকে থানাত পুলিচক খবৰটো দিব আৰু ঘটনাটো জটিল হ'ব।

তাৰ বিশ্বাস হ'ল দেউতাক ৰামখুৰাৰ ঘৰলৈ গৈছে বা জোলিকোটলৈ গৈছে। সি মাকক নানা কথাৰে বুজাই সান্ত্বনা দি বাছ ষ্টেণ্ডলৈ লৰ মাৰিলে। জোলিকোটলৈ যোৱা প্ৰথম বাছখন তেতিয়াও যোৱা নাছিল। সি বাছখনত দেউতাকক দেখা নাপালে। লগতে সি অনুসন্ধান কৰি জানিব পাৰিলে কেতিয়াবা কেতিয়াবা জোলিকোটলৈ ৰাতি ট্ৰাক যোৱাৰ দৰে সেই ৰাতি কোনো ট্ৰাকো যোৱা নাছিল।

কুন্দন পোনে পোনে ৰামখুৰাৰ ঘৰলৈ ৰাওনা হ'ল। তাত উপস্থিত হৈ কুন্দনে জানিব পাৰিলে তাৰ দেউতাক ৰামখুৰাৰ ঘৰলৈ গৈছিল কিন্তু দেউতাকৰ লগত তেওঁ কথা পতা নাছিল আৰু আনকি ঘৰত সোমাবলৈকে দিয়া নাছিল। "খুৰা, মোক তুমি যি কথা কৈছিলা দেউতাক সেই কথা কোৱা নাছিলাতো?" ৰামখুৰাই সেই কথাটো পাহৰি গৈছিল। "সেই যে তুমি কৈছিলা, 'মই তোৰ মুখখন চাব নোখোজোঁ' কুন্দনে ক'লে। ৰামখুৰাই মূৰটো খজুৱাই ক'লে, "এৰা মই সেই কথাযাৰকে তোৰ দেউতাৰক কৈছিলোঁ।" তাৰ পিছত কুন্দনে ৰাতি ঘৰত হোৱা সকলো ঘটনা ৰামখুবাক ক'লে। ৰামখুৰাই ক'লে, "তই ভাগীক লৈ তহঁতৰ ঘৰলৈ যা আৰু মই জোলিকোটলৈ গৈ তাক তাৰপৰা লৈ আহিম।"

কুন্দনে বাধা দিলে, "তুমি কি কথা কৈছা ৰামখুৰা? এতিয়াই আমাৰ ঘৰলৈ ব'লা আৰু যদি দেউতা ঘৰ এৰি যোৱাৰ কথা জানিছে, ওচৰ-চুবুৰীয়াক তেওঁ ঘৰ

এৰি যোৱা নাই বুলি বুজাবা। এই সময়ত মাক যদি কোনোবাই শান্ত কৰিব পাৰে সেইজন তুমি। ঘৰলৈ যোৱাৰ পিছত কি কৰিব লাগে পিছত স্থিৰ কৰিম। জ্যোলিকোটলৈ দুদিনমানৰ পিছত গ'লেও হ'ব। যদি দেউতা জ্যোলিকোটৰপৰা আন ঠাইলৈ গৈছে, ঘৰলৈ নিশ্চয় ঘূৰি আহিব। তেওঁ ঘৰলৈ নাহি ক'লৈ যাব? হুলস্থূল কৰিলে বদনাম হ'ব। ওচৰ-চুবুৰীয়াক দেউতা জ্যোলিকোটলৈ গৈছে বুলি ক'ব লাগিব। কোনে জানে দেউতা নিৰ্বাচনৰ কাৰণে প্ৰস্তুত হ'বও পাৰে।"

ৰামখুৰাই বহি থকা অৱস্থাত আঠুৰপৰা মূৰটো তুলি কুন্দনলৈ এনে ধৰণে চালে যেন তাৰ পৰিপক্ক কথাবোৰ তেওঁ বিশ্বাস কৰিব পৰা নাই। তেওঁ ক'লে, "বাৰু তেনেহ'লে। ভাগী, ওলা, কুন্দনহঁতৰ ঘৰলৈ যাব লাগিব।"

ভাগীৰথী ভিতৰলৈ যোৱাত ৰামখুৰাই কুন্দনক ফুচ্‌ফুচাই ক'লে, "মোৰ কিয় ভয় লাগিছে কুন্দন?"

তেওঁৰ অভিপ্ৰায় বুজোঁতে কুন্দনৰ পলম নহ'ল। ৰামখুৰাই এনে কথা ক'ব পাৰেনে? তেওঁৰ ভয়ৰ কাৰণ কি?

কিন্তু পিছত বাস্তৱত যি ঘটিল সেই ঘটনা কল্পনাতকৈও আশ্চৰ্যজনক আছিল। অৰ্থাৎ, ঘৰ পাই কুন্দনে দেখিলে সি যি ভাবিছিল ঘৰত সেই মতেই হৈছে। ৰামখুৰাৰ নাটকীয় ক্ষমতাৰ ওপৰত কুন্দনৰ সম্পূৰ্ণ বিশ্বাস আছিল। নাৰায়ণ ৰাম টাম্‌টা যে ৰাতিয়েই ঘৰ এৰি গুচি গ'ল সেই সংবাদটো ঘূণাক্ষৰেও কোনেও নাজানিলে। দেউতাৰ খবৰ ল'বলৈ ওচৰ-চুবুৰীয়া মানুহ এটাৰ পিছত এটাকৈ আহিল কিন্তু ৰামখুৰাই তেওঁলোকৰ মনত এনেভাৱে বিশ্বাস জন্মালে যে তেওঁলোকে কুন্দনৰ দেউতাক অত্যন্ত জৰুৰী কামত ৰাতিয়েই জ্যোলিকোটলৈ গ'ল বুলি ধৰি ল'লে।

তিনি দিনৰ পিছত ৰামখুৰা জ্যোলিকোটলৈ গ'ল। তেওঁ যোৱাৰ পিছদিনাই ডাকোৱালে কুন্দনৰ মাকক এখন চিঠি দিলে। খামটোৰ ওপৰত কুন্দনৰ মাকৰ নামটো লিখা আছিল।

ৰামী,

মই জ্যোলিকোটলৈ আহি তাৰপৰা হৃষিকেশলৈ আহিছোঁ। ইয়াৰপৰা আন আন ঠাইলৈ যাম। তৰলা ভগিনীয়ে মোক কেবাখনো ঠাইলৈ যাবলৈ কৈছে—সেৱা সম্বন্ধীয় কামত। মোৰ কোনো কষ্ট আৰু অসুবিধা নহ'ব। মোৰ কাৰণে অলপো চিন্তা নকৰিবা। তিনি-চাৰি মাহৰ দৰমহা মোক একেলগে দিছে ; কিছুমান মই লগতে লৈ যাম আৰু কিছুমান তোমাৰ কাৰণে থৈ যাম। সেইখিনি তৰলা ভগিনীয়ে তোমালৈ পঠাই দিব।

মোক ক্ষমা কৰিবা ৰামী, তোমাক মই দুঃখেই দুঃখ দি আহিছোঁ। তুমি মোৰ ওপৰত সদায় ভাৰসা কৰি আহিছা আৰু এতিয়াও সেই ভাৰসা নেৰিবা। ঘৰ এৰি গুচি আহিছিলোঁ খঙৰ বশৱৰ্তী হৈ। তেনেভাৱে কিয় আহিছিলোঁ আৰু কিহে মোক গুচি আহিবলৈ কৈছিল মই একো ভাবি পোৱা নাই। মোক অলপমান ঘূৰিবলৈ দিয়া।

মোৰ একান্ত অনুৰোধ তুমি বিচলিত নহ'বা আৰু মোৰ ওপৰত ভাৰসা ৰাখিবা। নিজৰ আৰু ল'ৰা-ছোৱালীৰ যত্ন ল'বা। মই এনেয়ে ঘূৰি নুফুৰোঁ, ৰামী মই নিজৰ কৰ্তব্য কৰিছোঁ আৰু কৰ্তব্য কৰাৰ কাৰণে যি অৰ্থ মোৰ হাতলৈ আহে, তাৰ কিছু অংশ তোমালৈ পঠাই থাকিম। সময় মতে মই নিজে নিজে ঘৰলৈ ঘূৰি যাম ৰামী, মই অলপমান ঘূৰিবলৈ বিচাৰিছোঁ, নিজৰ দেশখনক এবাৰ চাব খুজিছোঁ—কাৰণ নিজৰ দেশখনৰ বিষয়ে মই একোৱেই নাজানো। মানুহে সুধিলে মাত্ৰ ইয়াকে ক'বা যে মোক তৰলা ভগিনীয়ে কিছুমান লোকসেৱা সম্বন্ধীয় কাম দিছে আৰু সেই কামবোৰ মই কৰি আছোঁ। কামৰ সীমা নাই। কথাষাৰ একেবাৰে সঁচা নহয়, যদিও মিছা নহয়। ৰামী, তুমি মোক যিমান সহ্য কৰি আহিছা, আৰু অলপমান সহ্য কৰিবা। মই য'তেই নাথাকোঁ, তোমাৰ কাষতেই থাকিম আৰু য'লৈকে যাওঁ, তোমাক লগত লৈ যাম। মোৰ একো অনিষ্ট নহ'ব। কাৰণ মই এতিয়ালৈকে কাৰো অনিষ্ট কৰা নাই আৰু ভৱিষ্যতেও কাৰো অনিষ্ট নকৰিম। যি অপৰাধ কৰিছোঁ মাত্ৰ তোমাৰ প্ৰতিয়েই কৰিছোঁ। তোমাক মোৰপৰা বেলেগ কৰি মই কেতিয়াও দেখা নাই আৰু ভৱিষ্যতে দেখাৰ কথা কেতিয়াও ভাবিব নোৱাৰোঁ। মোৰ এই পলায়নৰ প্ৰায়শ্চিত্ত কেনেকৈ কৰোঁ মই ভাবি-পোৱা নাই। ... সুৰেন্দ্ৰৰ বৰ বেয়া লাগিব। তেওঁ মোক সন্মান কৰে। তোমাক কোৱা নাছিলোঁ আগতে মই জ্যোলিকোটত থাকোঁতে তেওঁ মোৰ ওচৰলৈ আহি দুদিনমান মোৰ লগত আছিল। বৰ ভাল ল'ৰা। মই তেওঁলৈও চিঠি লিখিম। তেওঁ নিশ্চয় মোক ক্ষমা কৰিব। ৰামী, তুমি মোৰ হৈ কাম এটা কৰিবা? খং নকৰিবা ৰামী, তোমাৰ খঙক মই বৰ ভয় কৰোঁ। মই মাত্ৰ দুজনক ভয় কৰোঁ। এজন ঈশ্বৰ আৰু আনজন তুমি। তুমি মোৰ হৈ সুৰেন্দ্ৰক অকলে মাতি ক'বা যে তেওঁৰ ভিনিহীয়েকৰ ইচ্ছা তেওঁ যেন নিৰ্বাচনত থিয় হয়। এইটো তেওঁৰ ওচৰত মোৰ অনুৰোধ আৰু যদি আদেশ বুলি ভাবে তেন্তে আদেশ। বালেশ্বৰ ডাঙৰীয়া আৰু আচাৰ্য ডাঙৰীয়াই বৰ সন্তোষ পাব যদি তেওঁ নিৰ্বাচনত উঠে। তেওঁলোকে তেওঁক সকলো পিনে সহায়ো কৰিব। আমাৰ চহৰখনৰপৰা তেওঁতকৈ অধিক উপযুক্ত প্ৰাৰ্থী আন কোনো নাই। তেওঁ যদি নিজৰ কৰ্তব্য হিচাপে গণ্য কৰি কামটো কৰে মই বৰ আনন্দ পাম।

ৰামী, মই ৰছী ছিঙি আহিলোঁ যেতিয়া ঘূৰি যাওঁতে পলম হ'ব পাৰে কাৰণ কামৰ হেঁচা বৰ বেছি। কিন্তু যিমান সোনকালে পাৰোঁ তোমাৰ ওচৰলৈ ঘূৰি যাবলৈ প্ৰাণপণে চেষ্টা কৰিম। এই চিঠিখন কুন্দনকো পঢ়িবলৈ দিবা। এতিয়া তাক মই কি ক'ম? তাৰ বিবেচনাবোধ আমাতকৈ বেছি। তাক ইমানেই কওঁ 'ভাই আৰু ভনীৰ প্ৰতি লক্ষ্য ৰাখিবি আৰু নিজে পঢ়া-শুনা কৰিবি।' মোৰ এই অকৰ্মণ্য জীৱনটোত মই যিবোৰ কাম কৰিব নোৱাৰিলোঁ, ঈশ্বৰে যেন সেই কামবোৰ তাৰদ্বাৰাই কৰায়। এয়েই মোৰ কামনা আৰু এয়ে মোৰ আশীৰ্বাদ। আৰু কিনো লিখিম? যি অলপমান লিখিলোঁ তাকেই অনেক বুলি ধৰি ল'বা। ইতি।

তোমাৰ

নাৰায়ণ

বৈঠকখানাত সোমায়েই 'অধিকাৰ'ৰ আটাইতকৈ শেহতীয়া সংখ্যাটোৰ ওপৰত কুন্দনৰ চকু পৰিল। তাত বালেশ্বৰ ডাখৰীয়াৰ বাহিৰেও দেউতাকৰ বক্তৃতাটো সম্পূৰ্ণকৈ প্ৰকাশ কৰিছে। ইমান দিনৰ পিছত? ... সুৰেন্দ্ৰ মোমায়ে কৈছিল দুয়োটা বক্তৃতা সংক্ষিপ্ত সংকেত লিপিত লোৱা হৈছিল। ককাদেউতাই দেউতাৰ বক্তৃতাটো প্ৰকাশ কৰিবলৈ ইচ্ছা কৰা নাছিল কিন্তু সুৰেন্দ্ৰ মোমায়ে তেওঁক বাধ্য কৰালে। বক্তৃতাটো একে উশাহতে পঢ়াৰ পিছত কুন্দনে স্থিৰ কৰিলে গৰমৰ বন্ধত সি সংক্ষিপ্ত সংকেত লিপি শিকিব। আলোচনীখন সি তাৰ সৰু বাকচটোত ভৰাই থ'লে।

মেট্ৰিকৰ পৰীক্ষালৈ দুসপ্তাহ বাকী আছিল। কুন্দনক ককাদেউতাকৰ ঘৰত পঢ়িবৰ কাৰণে এটা বেলেগ কোঠা দিয়া হ'ল। জগদীশ মোমায়ে মোক পঢ়া-শুনাত সহায় কৰিলে। তেওঁ লক্ষ্ণৌ বিশ্ববিদ্যালয়ত শিক্ষকতা কৰে। মেট্ৰিকৰ পিছত কুন্দনক তালৈ লৈ যাব। জগদীশ মোমাই বৰ ভাল মানুহ। তেওঁ মোক নিজৰ বন্ধু হিচাপে ব্যৱহাৰ কৰে আৰু নানা তৰহৰ ভাল ভাল বস্তু খাবলৈ দিয়ে। মাত্ৰ তেওঁৰ এটা স্বভাৱ মোৰ ভাল নালাগিছিল যে তেওঁ দেউতাক দেখিব নোৱাৰিছিল আৰু দেউতাৰ দোষ উলিয়াবলৈ সুযোগ বিচাৰি ফুৰিছিল। এনেয়ে, দেউতায়ো জগদীশ মোমাইক বৰ ভাল নাপাইছিল। তেওঁ 'সাম্যবাদী' বুলি ঠাট্টা কৰিছিল।

পিছৰ এটা মঙ্গলবাৰত কুন্দন ৰামখুৱাৰ ঘৰলৈ গৈছিল। ৰামখুৱা ঘৰত নাছিল আৰু সি ভাগীৰথীৰ লগত কথাৰ মহলা মাৰিছিল। অলপ পিছতে ৰামখুৱা আহিল আৰু আহিয়েই কুন্দনক ক'লে, "কুন্দন, প্ৰথমতে মেট্ৰিক পৰীক্ষাটো দি লচোন, পিছতো কথাৰ মহলা মাৰিবি।" কথাষাৰৰ অৰ্থ স্পষ্ট আছিল আৰু কুন্দনে তৎক্ষণাৎ বুজিলে। দেউতাক যোৱাৰ পিছত সি কেইবাৰনো ৰামখুৱাৰ ঘৰলৈ গৈছে? দেউতাৰ লগত যাওঁতে তাক কিমান ভাল ব্যৱহাৰ কৰিছিল তেওঁ? তেওঁ দেউতাক কৈছিল, "মই থাকোঁতে তই কুন্দনৰ বিষয়ে একো চিন্তা কৰিব নালাগে। তাক মই পঢ়াম।" ... আৰু তেওঁ কুন্দনকো কৈছিল, "যেতিয়াই তোৰ মন যায় আমাৰ ইয়ালৈ গুচি আহিবি। নৰেনৰ ঠাই এতিয়া মই ল'লোঁ বুইছ? ..." আজি যি ক'লে, তেনে ধৰণৰ কথা তেওঁতো মোক কেতিয়াও আগতে কোৱা নাছিল। এতিয়া হঠাৎ কিয় এনেকুৱা হ'ল? পৰীক্ষাৰ কথা ঠিকেই কৈছিল কিন্তু আচল কথাটো পৰীক্ষা সম্বন্ধীয় নাছিল। ... ভাগীৰ লগত লঘু কথা-বতৰা পতা তেওঁ হয়তো পছন্দ কৰা নাছিল। আগতেতো দুয়োকে একেলগে বহুৱাই তেওঁ পঢ়াইছিল। এতিয়া ভাগীক মোৰ ওচৰৰপৰা যাবলৈ কয়। অৱশ্যে এতিয়া ভাগীৰ লগত বহি পঢ়াৰ কোনো আৱশ্যকতাও নাই। ভাগীয়ে বিশাৰদ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত সাহিত্যৰত্ন পৰীক্ষাৰ ফৰ্ম ভৰাইছে। তাইৰো দিনে দিনে সাহ বাঢ়ি গৈছে। তাই কেইদিনমানৰ আগতে কৈছিল এটা গল্প লিখিছে। সঁচাকৈয়ে যদি লিখিছিল মোক পঢ়ি নুশুনালেহেঁতেননে? মিছা, একেবাৰে মিছা কথা। আজিকালি তাই কথাই কথাই কঠিন শব্দ উচ্চাৰণ কৰে। তাই বিশাৰদ পাছ কৰি যেন এপাত অবাৰ্থ কাঁড়হে মাৰিলে। তাই নিজকে সুভদ্ৰা কুমাৰী চৌহানতকৈ কোনো গুণেই কম নহয় বুলি ভাবে। হুঁঃ, উত্তৰ

প্ৰদেশত তাইৰ নিচিনা কিমান হাজাৰ বিশাৰদ আছে। ...

ককাদেউতাৰ বৈঠকখানাত গধূলি এতিয়াও তেওঁৰ বন্ধু-বান্ধৱে আড্ডা মাৰেহি আৰু বিশেষকৈ ৰাজনীতিৰ আলোচনা কৰেহি। ঘৰত জগদীশ মোমাই থাকিলে ঘৰখনৰ পৰিৱেশ বেছি সজীৱ হয়। তেওঁক মই বৰ ভাল পাওঁ। তেওঁ বৰ ভাল ইংৰাজী ক'ব পাৰে। ভাবোঁ, ময়ো যদি তেওঁৰ নিচিনা ইংৰাজী ক'ব পাৰিলোঁহেতেন। ভাগীৰথীয়ে কিন্তু এটাও ইংৰাজী বাক্য শুদ্ধকৈ ক'ব নোৱাৰে। জগদীশ মোমায়ে অনন্তপুৰৰ শিক্ষা—বিশেষকৈ ইংৰাজীৰ মানদণ্ড বৰ তলখাপৰ বুলি কয়। গতিকে মেট্ৰিক পাছ কৰাৰ পিছতে তেওঁ মোক লক্ষ্ণৌলৈ লৈ যাব বুলি মাক বাৰে বাৰে কৈছে। কিন্তু মাই এতিয়ালৈকে 'হঁা' বা 'না' একো কোৱা নাই। অৱশ্যে ইণ্টাৰৰ পিছত শিক্ষাৰ কাৰণে বাহিৰলৈ যাব লাগিব যিহেতু অনন্তপুৰত বি. এ. পঢ়িবৰ কাৰণে কোনো কলেজ নাই।

জগদীশ মোমায়ে দেউতাৰ ঘৰ এৰি যোৱা ঘটনাক লৈ এটা মূলসূত্ৰ বাহিৰ কৰিলে। কুন্দনে সেই মূলসূত্ৰটো যুক্তিসঙ্গত হয় নে নহয় তাক বিশ্লেষণ কৰিলে। জগদীশ মোমাইৰ মতে, দেউতাৰ ঘৰৰপৰা পলাই যোৱাৰ কাৰণ আছিল হয়তো তেওঁৰ হীনমন্যতা নাইবা বাহিৰৰ শক্তিয়ে তেওঁৰ মূৰত জাপি দিয়া বাধ্যতা। তেওঁ নিৰ্বাচনত হাৰি যোৱাহেঁতেনো শক্তিশালী হ'লহেঁতেন আৰু জিকাহেঁতেনো শক্তিশালী হ'লহেঁতেন। কিন্তু তাৰ সলনি তেওঁ এনেকুৱা এটা মূৰ্তি ধাৰণ কৰিলে যেন তেওঁ এজন সিদ্ধ পুৰুষ মহাত্মাহে। জগদীশ মোমায়ে দেউতাৰ বক্তৃতাটোক ভাগ ভাগ কৰি ব্যাখ্যা কৰি ক'লে যে 'হীনমন্যতা থাকিলেও দেউতাৰ সংসদ সদস্য হোৱাৰ প্ৰবল ইচ্ছা আছিল আৰু সেই কাৰণেই তেওঁ জ্যোলিকোটৰপৰা ইয়ালৈ আহিছিল। তেওঁ কৈছিল, "ভিনিহীৰ নেতা হোৱাৰ ইচ্ছা সম্পূৰ্ণৰূপে আছিল কিন্তু তেওঁৰ সেই ইচ্ছা, সামাজিক ক্ষমতা আৰু নিম্নজাতৰ গুৰুত্বক গান্ধী ভক্তিয়ে দমাই থৈছিল। অৱশ্যে, আমাৰ সাম্যবাদী দলে ভিনিহীৰ সেই ৰোগটো গুচাব পাৰিলেহেঁতেন আৰু তেওঁ নিৰ্বাচনত উঠিবলৈ মান্তি হ'লহেঁতেন। ভিনিহীক সমাজবাদী দলে আকাশত ইমান ওপৰলৈ তুলি দিলে যে তেওঁ তাৰপৰা তললৈ নামি আহিবলৈ বৰ বেয়া পালে আৰু ভাবিলে মই মহাত্মা গান্ধী নহওঁ কিয়? সেই গান্ধী হোৱাৰ বাসনাই ভিনিহীক এনেভাৱে বিভ্ৰান্ত কৰি তুলিলে যে শেহত তেওঁ ঘৰ এৰি গুচি গ'ল।' মোমায়েকৰ কথাবোৰে কুন্দনৰ মনঃপূত নহ'লেও সি একো মন্তব্য নকৰিলে।

পৰীক্ষা হৈ গ'ল। কুন্দন জগদীশ মোমায়েকৰ লগত থাকিবলৈ ল'লে। কিন্তু মাজে মাজে সি ঘৰলৈ আহে। কেতিয়াবা কেতিয়াবা তাৰ ৰামখুৰাৰ ঘৰৰ কথা মনত পৰে আৰু তেওঁক দেখা কৰাৰ ইচ্ছাও মনলৈ আহে। কিন্তু ৰামখুৰাৰ ঘৰলৈ যোৱাৰ কথা চিন্তা কৰিলেই তাৰ মনলৈ সংকোচ আহে আৰু সেই সংকোচে ভৰি দুটাক আগলৈ যাবলৈ নিদিয়ে। অৱশ্যে দেউতাকৰ চিঠি আহিলে পঢ়ি শুনাবৰ কাৰণে সি কেতিয়াবা কেতিয়াবা ৰামখুৰাৰ ঘৰলৈ যায়। কিন্তু সি ভালকৈ বুজে যে ৰামখুৰাই ভাবে সি তেওঁৰ ঘৰলৈ ভাগীৰথীৰ কাৰণেহে যায়, তেওঁৰ কাৰণে নাযায়। তেওঁ

তাক তেওঁৰ ঘৰলৈ মাজে মাজে যাবলৈ ক'লেও সেই আহ্বান যে অন্তৰৰ নহয় কুন্দনে ভালকৈ বুজি পায়। তেন্তে নোযোৱাই ভাল। নগ'লেনো তাৰ কি ক্ষতি? তাৰ প্ৰতিনো ভাগীৰথীৰ কি আগ্ৰহ আছে? থকাহেঁতেন তাই সিহঁতৰ ঘৰলৈ নাহিলহেঁতেন জানো? তাৰ পৰীক্ষা কেনে হ'ল নুসুধিলেহেঁতেন জানো? ইচ্ছা থকা হ'লে ৰামখুৰায়ো মাৰ খবৰ ল'বলৈ তাইক অন্ততঃ ননাকৈ থাকিলহেঁতেননে?

ইতিহাস পুৰাণ

মেট্ৰিকৰ পৰীক্ষা দি কুন্দনে ভাবিছিল সি নিশ্চয় প্ৰথম বিভাগ পাবই। বোৰ্ডৰ পৰীক্ষা, তাত কোনো পক্ষপাতিত্ব নকৰে। গাঁৱৰ স্কুলৰ পৰীক্ষাত তলজাতৰ ল'ৰা বুলি তাক কেতিয়াও প্ৰথম নকৰে। শ্ৰেণীৰ সকলো ল'ৰাতকৈ সি পৰীক্ষাত ভাল লিখিলেও তাক দ্বিতীয় বা তৃতীয় স্থান দিয়ে আৰু তাতকৈ বেয়া কৰিলেও বামুণৰ ল'ৰাক প্ৰথম স্থান দিয়ে। বোৰ্ডৰ পৰীক্ষাত তেনে নহয় আৰু হোৱাৰো সম্ভাৱনা নাই। কাৰণ বোৰ্ডৰ পৰীক্ষাৰ উত্তৰ কাকতত নাম লিখা নাথাকে, ৰোল নম্বৰহে লিখা থাকে। কুন্দনে সেই দিনটোৰ কাৰণে অপেক্ষা কৰি থাকিল—যি দিনা মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলাব আৰু স্কুলৰ নোটিচ বোৰ্ডত লগাই দিয়া কাগজখনত তাৰ নামৰ সোঁফালে প্ৰথম বিভাগ লিখা থাকিব। এতিয়ালৈকে স্কুলত তাক উচ্চ জাতৰ শিক্ষক আৰু ল'ৰাবোৰে কাঠ বুলি গণ্য কৰি আহিছে আৰু সেইদিনা তাক লোহা বুলি গণ্য কৰিব।

কিন্তু পৰীক্ষাৰ ফলাফল যেতিয়া ওলাল কুন্দনৰ মূৰত বজ্ৰপাত পৰাদি পৰিল। সি প্ৰথম বিভাগ নাপালে, দ্বিতীয় বিভাগতহে উত্তীৰ্ণ হৈছে। মাকে তাক অনেক বুজালে কিন্তু সি দুৱাৰ বন্ধ কৰি তাৰ কোঠাটোত উচুপি উচুপি কান্দিবলৈ ধৰিলে।

কান্দি থাকোঁতে হঠাৎ তাৰ মনত উদয় হ'ল তাৰ সেই কান্দোন কেৱল পৰীক্ষাত দ্বিতীয় বিভাগ পোৱাৰ কাৰণে নহয়, গোটেই জগতখনৰ কাৰণে যিখন জগত তাৰ পৰা হঠাৎ কাঢ়ি লৈ গ'ল। সেই সময়ত সি তাৰ দেউতাকৰ অনুপস্থিতি বৰকৈ অনুভৱ কৰিলে—যি তাক বিশেষকৈ পঢ়া-শুনাত সদায় উৎসাহ দিছিল। যদি তেওঁ ঘৰ এৰি গুচি নগ'লহেঁতেন, নিশ্চয় সি প্ৰথম বিভাগ পালেহেঁতেন আৰু সেই কাৰণে তাৰ আশাৰ সোণালী কাৰেং ভাঙি চূৰমাৰ কৰাৰ কাৰণে তাৰ দেউতাকেই দায়ী।

জগতৰ কোনো ল'ৰাৰ কাৰণে তেনে ধৰণৰ ঘটনা বজ্ৰপাততকৈ কম নাছিল। কিন্তু কুন্দনে যি অসীম ধৈৰ্যৰে সেই সংকটৰ সম্মুখীন হ'ল, দেখি তাৰ মাক, ৰামখুৰা আৰু ওচৰ-চুবুৰীয়া সকলো স্তম্ভিত হ'ল। সেই সংকটৰ সম্মুখীন হ'বলৈ তাৰ হাতত যি অস্ত্ৰ আছিল সেই অস্ত্ৰ হ'ল তাৰ সংকল্প। সেই কঠোৰ সংকল্পই তাক সহায় কৰিছিল আৰু অবিচলিত কৰি তুলিছিল। পৰীক্ষাৰ ফলাফল ওলোৱাৰ পিছত এমাহমান এনেভাৱে পাৰ হ'ল যেন কুন্দনৰ একোৱেই হোৱা নাই ; যেন ঘৰত সকলো স্বাভাৱিকভাৱেই ঘটি আছে। বোধকৰোঁ, তাৰ মনৰ অৱস্থা তেনে হোৱাৰ এটাই কাৰণ আছিল যে দেউতাকৰ প্ৰতি তাৰ তেতিয়াও সহানুভূতি আছিল। গতিকে দেউতাক যোৱাৰ পিছত মাক-পুতেকৰ সংসাৰখনলৈ কোনো পৰিৱৰ্তন অহা নাছিল আৰু আহিছিল যদিও অন্ততঃ কুন্দনে স্বীকাৰ কৰা নাছিল।

কুন্দনৰ সেই অসীম ধৈৰ্য আৰু দৃঢ় সংকল্পৰ কথা মনত পৰিলে সেইবোৰ তাৰ এতিয়া হাস্যাস্পদ যেন লাগে। এদিন দুপৰীয়া তাৰ দেউতাকৰ ফটোখন টেবুলৰপৰা পৰি ভাগি চূৰমাৰ হ'ল। লগে লগে আগতে সি দেউতাকৰ যি মূল্যাংকন কৰিছিল সকলো তাৰ মনত বিপৰীত হৈ গ'ল। আগতে সি দেউতাকৰ গাত গুণেই গুণ দেখিছিল কিন্তু এতিয়া দোষবোৰহে তাৰ চকুত পৰিল। তাৰ মনলৈ ধিক্কাৰ আহিল যে সি তেনে এজন মানুহক তাৰ আদৰ্শ হিচাপে গ্ৰহণ কৰিছিল। কুন্দন এক মুহূৰ্ততে এটা সিদ্ধান্তত উপনীত হ'ল যে তাৰ দেউতাক আগৰপৰাই পলৰীয়া মনোভাৱৰ মানুহ আছিল আৰু তেওঁৰ ঘৰ এৰি যোৱাটো তেওঁ প্ৰায়েই কৰি থকা কামবোৰৰ শেষ পৰিণতি আছিল। ঘৰখনৰ প্ৰতি, মাকৰ প্ৰতি, ল'ৰা-ছোৱালী আনকি নিজৰ প্ৰতিও তেওঁৰ কোনো দায়িত্ববোধ নাছিল আৰু সেই কথাটো কেতিয়াও তেওঁৰ মনলৈ অহাও নাছিল। কুন্দনে এতিয়া দেউতাকৰ কথা যে একেবাৰে স্মৰণ নকৰে তেনে নহয়। কেতিয়াবা তাৰ এনেকুৱা লাগে যেন দেউতাকৰ ছাঁটো তাৰ পিছে পিছে ঘূৰি ফুৰিছে, যেন তাৰ মুখৰপৰা ওলোৱা কথাবোৰ তাৰ দেউতাকেহে কৈছে আৰু তাৰ মাতটো যেন দেউতাকৰহে মাত। এতিয়া সি অনুভৱ কৰে দেউতাকৰ সোঁৱৰণি, তেওঁৰ মাত-কথা আৰু তেওঁৰ সকলো ঘটি যোৱা ঘটনাবোৰ তাৰ জীৱিত দেউতাকৰ নহয়, কোনোবা এজন মৃত দূৰ সম্পৰ্কীয় মানুহৰহে।

কুন্দনৰ মনত পৰে দেউতাকৰ লগত তাৰ এটা আন্তৰিকতাপূৰ্ণ প্ৰীতিৰ সম্বন্ধ গঢ়ি উঠিছিল কিন্তু এতিয়া কিবা নিৰ্মম অন্তঃক্ৰিয়াৰ প্ৰভাৱত তেওঁৰ প্ৰতি এটা শত্ৰুতা ভাব পোষণ কৰিবলগীয়া হৈছে, দেউতাকৰ প্ৰতি কুন্দনৰ মনত থকা কোমল ভাববোৰ তেওঁ নিজে নষ্ট কৰিলে, তেওঁ তাৰ আগত অসফলতা, হীনতা, দাৰিদ্ৰ্য আৰু কাপুৰুষতাৰ প্ৰতীক হ'ল। দেউতাকৰ ফটোখন মাটিত পৰি চূৰমাৰ হোৱাৰ পিছত এদিন হঠাৎ কুন্দনৰ মনত খেলি গ'ল—যেতিয়ালৈকে দেউতাকক সি তাৰ মনৰপৰাই নহয় জীৱনৰপৰা বাহিৰ কৰিব নোৱাৰিব, তেতিয়ালৈকে সি এই জগতত এটুকুৰা ঠায়ো ব্যৱস্থা কৰিব নোৱাৰিব।

দেউতাক যোৱাৰ পিছত কুন্দনৰ ঘৰৰ পৰিৱেশ আৰু স্কুলৰ জীৱন অসহনীয়

হ'বলৈ ধৰিলে। সি ভাবি আশ্চর্য হ'ল যে এতিয়া সি যিবোৰ কথা আৰু বস্তুৰ প্ৰতি মনোনিৱেশ কৰিবলগীয়া হৈছে সেইবোৰৰ প্ৰতি সি অনেক আগতেই মনোনিৱেশ কৰা উচিত আছিল। সেইবোৰে এতিয়াযে তাৰ আগত ডাঙৰ সমস্যা থিয় কৰাইছে, আগতে কৰা নাছিল কিয়? দেউতাক যোৱাৰ লগে লগে সেইবোৰ হঠাৎ আহিল কিয়? হয়তো এটা বিশেষ কাৰণ হ'ব পাৰে—সি এটা ডোমৰ ল'ৰা—যি উচ্চ জাতৰ মানুহৰ সুখ-সুবিধাবোৰৰপৰা সদায় বঞ্চিত। কিন্তু সেইটো আগতেও আছিল যদিও সি অনুভৱ কৰা নাছিল,—কোনোবাই তাৰ আৰু জগতখনৰ মাজত এখন বঞ্চনাৰ পৰ্দা আঁৰি থৈছিল। কুন্দনৰ এতিয়া ককাদেউতাকৰ বৈঠকখানাত কৰা ৰাজনৈতিক আলোচনাবোৰ হাস্যাস্পদ যেন লাগিল। সাম্যবাদী মোমায়েক হাউলিটোৰ প্ৰাণ আছিল। তেওঁ নোহোৱাহেঁতেন কুন্দনে অপাৰ সমুদ্ৰত পাৰ নোপোৱা হ'লহেঁতেন। তেওঁ তাক সকলোপিনে সহায় কৰিছিল আৰু তাৰ দুঃখ-কষ্টবোৰ লাঘৱ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। ৰামখুৰাৰ ঘৰলৈ যোৱাটো সি অনেকদিনৰ আগৰপৰাই বন্ধ কৰিছিল। ৰামখুৰা অৰ্থাৎ ৰামদত্ত মাষ্টৰ দেউতাৰহে অন্তৰঙ্গ বন্ধু আছিল। তেওঁ সিহঁতৰ ঘৰলৈ দেউতাকক লগ পাবলৈ আহিছিল আৰু নানা বিষয়ৰ কথা-বতৰা পাতি ঘূৰি গৈছিল।

ভাগীৰথীৰ কথা তাৰ মনত পৰে আৰু তাইক ল'গ পাবলৈ তাৰ বৰ মন যায়। কিন্তু ইচ্ছাক এটা গভীৰ নৈৰাশ্যই বাধা দিয়ে। ভাগীৰথী এজনী বামুণৰ ছোৱালী আৰু সি এটা ডোমৰ ল'ৰা। ... দুয়োৰ মাজত মিলাপ্ৰীতিৰ কোনো প্ৰশ্নই নুঠে।

অনেকবাৰ সন্ধিয়াপৰত সি অকলে উদ্দেশ্যবিহীনভাৱে ৰাস্তাত ফুৰিবলৈ যাওঁতে তাৰ ভৰি দুটাই তাক ৰামখুৰাৰ ঘৰৰ পিনে টানি লৈ যায়। কিন্তু সি নিজকে দমন কৰে। তথাপিও মাহটোত অন্ততঃ এবাৰ ৰামখুৰাৰ ঘৰলৈ সি গৈছিল। তাক দেখি ৰামখুৰাই বৰ আনন্দ পায় আৰু বৰ উৎসাহেৰে তাৰ পঢ়া-শুনাৰ কথা সোধে। তেওঁ ইণ্টাৰমিডিয়েট পৰ্যন্ত তাক অনন্তপুৰতেই পঢ়িবলৈ উপদেশ দিছিল আৰু তাৰ কাৰণে কিতাপ-পত্ৰও আনি দিছিল। কিন্তু কি কাৰণত ৰামখুৰাৰ প্ৰতি তাৰ মনত কৃতজ্ঞতা ভাব উদয় হোৱা নাছিল সেই কাৰণটো সঠিককৈ সি বিচাৰি পোৱা নাছিল। কেতিয়াবা কেতিয়াবা সি অনুভৱ কৰিছিল সেই সকলোবোৰ ৰামখুৰাই মাত্ৰ দেখুৱাবৰ কাৰণে কৰিছিল, কাৰণ তেওঁৰ সাহায্যত আন্তৰিকতাৰ অভাৱ আছিল। আগতে ৰামখুৰাৰ কথা-বতৰাত এটা আপোনভাব আছিল আৰু এতিয়া তেওঁৰ কথাবোৰ শুনিবলৈ আগৰ নিচিনা লাগিলেও সম্পূৰ্ণ নীৰস লাগে। কুন্দনে দেউতাকৰপৰা পোৱা প্ৰত্যেকখন চিঠি ৰামখুৰাক পঢ়ি শুনাবলৈ যায় আৰু শুনাৰ আগতে চিঠিখনৰ প্ৰতি তেওঁ যি উৎসুকতা দেখুৱায়, সেই উৎসুকতা কুন্দনৰ কৃত্ৰিম যেন লাগে। আৰু এটা কথাৰ কাৰণে কুন্দনৰ মনত বিতৃষ্ণা জন্মে যে আগতে তেওঁ দেউতাকৰ উপস্থিতিত তেওঁৰ দোষবোৰ আলোচনা কৰি সেইবোৰক শুধৰাবলৈ উপদেশ নহয় আদেশ দিছিল আৰু পিছত তেওঁৰ অনুপস্থিতিত তেওঁক প্ৰশংসাৰ পিছত প্ৰশংসা কৰিছিল। তাৰ অনুভৱ হয় তেওঁ জানি-শুনিয়েই তেনেভাৱে প্ৰশংসা কৰিছিল। মাৰ ওচৰলৈ দেউতাৰ চিঠি আহি আছিল

আৰু তেওঁ বৰ যত্নেৰে সেই চিঠিবোৰ থৈ দিছিল। কিন্তু কুন্দনৰ এনে লাগিছিল দেউতাকৰ সম্বন্ধে তেওঁ যিমান জানিছিল ৰামদত্ত মাষ্টৰে তাতকৈ বেছি জানিছিল। তাৰ কাৰণ দেউতাকে মাষ্টৰলৈ বেলেগে লিখিছিল আৰু সেইবোৰ চিঠিত দেউতাকৰ কামৰ বিষয়ে বিশদভাৱে লিখিছিল। গতিকে ওপৰঞ্চি খবৰ জানিবৰ কাৰণে কুন্দনক মাকে জোৰ কৰি ৰামদত্ত মাষ্টৰৰ ঘৰলৈ পঠাই দিছিল।

কিন্তু কুন্দন ৰামখুৰাৰ তালৈ মাত্ৰ ওপৰঞ্চি খবৰ সংগ্ৰহ কৰিবলৈকে গৈছিল নে? তালৈ যাবলৈ সি কিয় সদায় উদগ্ৰীৱ হৈছিল? কিয় সেই দিনটোৰ কাৰণে সি তৃষ্ণাতুৰৰ দৰে অপেক্ষা কৰি আছিল? নিৰাশাৰ লগত মিহলি হৈ থকা ৰামখুৰাৰ ঘৰলৈ যোৱা দুৰ্দমনীয় অভিলাষৰ কথা এতিয়া মনত পৰিলে কুন্দনে মনটো মাৰি পেলায়।

কুন্দনৰ সেই দুৰ্দমনীয় অভিলাষ আছিল ভাগীৰথীক দেখা পোৱা আৰু তাইৰ লগত দুই-চাৰিটা কথা পতা। তাইক লগ পাই, দুই-চাৰিটা কথা পাতি যেতিয়া ঘৰলৈ উলটিছিল, সি মনত অতি আনন্দ পাইছিল যদিও সি লক্ষ্য কৰিছিল ভাগীৰথী তাৰ ওচৰত আগৰ দৰে সৰল আৰু খোলা মনৰ নহয়। আজিকালি সি মতাৰ লগে লগে আগৰ দৰে তাই নিচেই ওচৰলৈ আহি কথা নাপাতি অন্ততঃ পাঁচ-ছয় গজমান দূৰত থাকি কথা পাতিছিল। আগতে তাই ৰামখুৰাৰ আগতো আত্মীয়তাৰে তাৰ লগত কথা পাতিছিল কিন্তু আজিকালি নাপাতে। যেতিয়া কুন্দনৰ দেউতাকৰ পুৰাণখন খোলা হয় অৰ্থাৎ ৰামখুৰাকে দেউতাকৰ নতুন নতুন খবৰবোৰ ক'বলৈ ধৰে আৰু কুন্দনে মাকলৈ লিখা চিঠিবোৰ পঢ়ি শুনায়, তেতিয়া মাথোন ভাগীৰথীয়ে উৎসুক হৈ শুনে আৰু তাইৰ ভাবহীন মুখলৈ অলপ পৰিৱৰ্তন আহে। তাৰ বাহিৰে আগৰ নিচিনাকৈ কুন্দনৰ উপস্থিতিয়ে তাইৰ মনত কোনো প্ৰভাৱ বিস্তাৰ নকৰিলে। আগতে, তাৰ আগমনৰ কাৰণে ভাগীৰথীয়ে উৎসুক হৈ প্ৰতীক্ষা কৰি থাকিব বুলি কুন্দনৰ মনত যি এটা ধাৰণা আছিল সেইটো যে ভুল পিছত সি বুজিব পাৰিলে। গতিকে তাইৰ লগত তাৰ দেখা-সাক্ষাৎ কেতিয়া সাপ্তাহিকৰপৰা পোন্ধৰদিনীয়া, পোন্ধৰদিনীয়াৰ পৰা মাহেকীয়া আৰু মাহেকীয়াৰপৰা দুমহীয়া আৰু তিনিমহীয়া হ'ল সি গমকে নাপালে। তাৰ ককাদেউতাকৰ ঘৰলৈ যোৱাটোও আপোনা-আপুনি বন্ধ হ'ল। গতিকে সি নিজৰ পঢ়া-শুনাৰ ওপৰত বেছিকৈ জোৰ দিলে আৰু কলেজৰপৰা আহি ঘৰুৱা কামবোৰ কৰি সৰহখিনি সময় অধ্যয়নত লগাই দিলে। তাকে দেখি মাক বৰ সন্তুষ্ট হ'ল আৰু শুনি ৰামখুৰাকো সন্তুষ্ট হ'ল। সি ভাগীৰথীৰ মনোভাব অনুমান কৰিব নোৱাৰিলে কাৰণ তাইৰ লগত তাৰ দেখা-সাক্ষাৎ আগতকৈ অনেক কম হ'ল আৰু তায়ো অনেক বদলি হ'ল।

কুন্দনে তাৰ ডোম গাঁওখনক লাহে লাহে ভাল পাবলৈ ধৰিলে। ককাদেউতাকৰ ঘৰখনৰ প্ৰতিও তাৰ মোহ কমিল কাৰণ তাক ভালপোৱা জগদীশ মোমায়েকৰ ঘৰলৈ অহা আগতকৈ অনেক কম হ'ল। তেওঁ কুন্দনক লক্ষ্ণৌলৈ নিবলৈ বৰ ইচ্ছা কৰিছিল আৰু মাকৰো ইচ্ছা আছিল কিন্তু কুন্দনে অস্বীকাৰ কৰিলে। দেউতাকৰ অনুপস্থিতিত

সি ঘৰ এৰি যাবলৈ কোনোমতেই মান্তি নহ'ল। সি ঘৰৰ ডাঙৰ ল'ৰা, সি গ'লে তাৰ মাক আৰু ভায়েক-ভনীয়েকহঁতক কোনে চাব? কোনে সিহঁতৰ তত্ত্বাৱধান ল'ব? গতিকে আই. এ. পাছ্ নকৰা পৰ্যন্ত সি অনন্তপুৰতেই থাকিব আৰু দুবছ্ৰৰ পিছত যদি দেউতাক ঘূৰি আহে তেতিয়াহে সি বি. এ.ৰ কাৰণে লক্ষ্ণৌলৈ যোৱাৰ কথা চিন্তা কৰিব। নহ'লে তাৰ লক্ষ্ণৌলৈ যোৱা কেতিয়াও নহ'ব।

তাৰ গাঁওখনৰ বিৰুদ্ধে কুন্দনৰ কোনো অভিযোগ নাছিল। অভিযোগ আছিল মাত্ৰ তাৰ তথাকথিত শুভাকাঙক্ষীবিলাকৰ বিৰুদ্ধে যি 'তোৰ দেউতা ক'লৈ গ'ল, তেওঁ এতিয়া কি কৰিছে আৰু কেতিয়া ঘৰলৈ ঘূৰি আহিব' আদি প্ৰশ্ন কৰি তাক থকা-সৰকা কৰিছিল। সি ভাবি নাপাইছিল দেউতাকৰ সম্বন্ধে জানিবলৈ এই মানুহবোৰ উৎসুক কিয়? তাৰ বাহিৰে সিহঁতৰ আন কাম নাইনে? কোনোবাই ক'লে, "সংসাৰ ত্যাগ কৰি সাধু হ'ল—মই নিজে দেখি আহিছোঁ, ওচৰলৈ যোৱাৰ লগে লগে লৰালৰিকৈ তাতে নাইকিয়া হ'ল।' কোনো কোনোৱে ক'লে, "কোনোবা এজনী তৰলা ভগিনী নামৰ মহিলা আছে, তেওঁৰ ঘৰতে চাকৰ হৈ আছে ..." কোনোবাই ক'লে, "ধন উপাৰ্জন কৰিবলৈ গৈছে, চাবি কেইমাহমানৰ পিছতে টকাৰ মোনা লৈ ঘৰলৈ ঘূৰি আহিব।" বজাৰৰ মানুহবোৰতো তাতকৈও দহ খোজ আগবাঢ়ি গ'ল আৰু সিহঁতে মন্তব্য কৰিলে, 'ইয়াত এজন সাধাৰণ নেতা হৈ কিমান টকানো আৰ্জন কৰিলেহেঁতেন? চাবি, এই চহৰখনৰে নহয় গোটেই জিলাখনৰ এজন ডাঙৰ নেতা হৈ ঘূৰি আহিব। এতিয়া দেশৰ ডাঙৰ ডাঙৰ নেতাবিলাকক হাত কৰিবলৈ উঠি-পৰি লাগিছে।" কিন্তু আটাইতকৈ হীন মন্তব্য কৰিলে গাঁৱৰ মানুহবোৰে। সিহঁতে বু-বু বা-বা কৰিলে, "ক'লৈকো যোৱা নাই। ওচৰৰ ক'ৰবাত লুকাই আছে আৰু হাবিত ৰাতি কালীৰ সাধনা কৰিছে আৰু ভূত-প্ৰেত পুহিছে। .. মাজনিশাৰ পিছত ঘৰলৈ আহে আৰু পুৱা দোকমোকালিতে হাবিলৈ গুচি যায়। আমি কেবাদিনো তেনেকৈ যোৱা দেখিছোঁ ... দেখিবি সাধনা শেষ হ'লে গোটেই গাঁওখনৰ মানুহবোৰক ভৰিৰ তলত ৰাখিব।"

শেহত পৰিণাম এয়ে হ'ল যে জীৱিত অৱস্থাতে নাৰায়ণৰাম টাম্টা কিংবদন্তি হ'ল আৰু তাৰ সকলো প্ৰতিক্ৰিয়াৰ হেঁচা কুন্দনে নীৰৱে সহিব লগা হোৱাৰ উপৰিও সি কৰুণা আৰু উপহাসৰ পাত্ৰ হ'ল।

মোমায়েকৰ ঘৰত নাৰায়ণ ৰাম টাম্টাৰ যশ আৰু সুনাম সত্ত্বেও মোমায়েক সুৰেন্দ্ৰ নিৰ্বাচনত হাৰিল। তেওঁ কুন্দনৰ দেউতাকৰ ঠাইত সমাজবাদী প্ৰাৰ্থী হিচাপে নিৰ্বাচনত থিয় হৈছিল। কিছুমানে কুন্দনক শুনাইছিল, "হেৰ', ইয়াৰ বাপেক হোৱাহেঁতেন নিশ্চয় জিকিলেহেঁতেন। তেওঁৰ কথা বেলেগ আছিল—তেঁওতো ত্যাগী মহাত্মা আছিল।"

ত্যাগী মহাত্মা! কালীৰ সাধনা কৰি ভূত-প্ৰেত পোহা সাধক! দুয়োটা নামৰ কি যে মিল! এইখনকে কয় ডোম গাঁও, এইখনেই অনন্তপুৰ। আৰু কেইদিনমান অপেক্ষা কৰা, তেতিয়া কুন্দনে ক'ব লাগিব যে ইয়াৰেই নাম ভাৰতবৰ্ষ। অৱশ্যে সুৰেন্দ্ৰ মোমায়ে মনত সান্ত্বনা পালে যে তেওঁ কংগ্ৰেছৰ ভোট কাটি দিলে আৰু তাৰ ফলত কংগ্ৰেছ প্ৰাৰ্থীজনো হাৰিল।

নিচুকনি পুৰস্কাৰ

১৯৫৩ চন, ১৫ আগষ্ট সন্ধিয়া।

ঘটনাটো হঠাতে আজি কুন্দনৰ মনত পৰিছে। কি হৈছিল সেইদিনা?

সেইদিনা ৰামজে হলত তৰ্ক-বিতৰ্ক প্ৰতিযোগিতা এটা আয়োজন কৰা হৈছিল। কোনে আয়োজন কৰিছিল কুন্দনৰ এতিয়া মনত নাই। খবৰটো ৰামদত্ত মাষ্টৰে কুন্দনক দিছিল আৰু তাত যোগদান কৰিবলৈ উৎসাহ দিয়াৰ কাৰণে তাৰ মনলৈ সাহস আহিছিল। নহ'লে জানো এটা অনুসূচিত জাতিৰ ল'ৰাই তাত ভাগ ল'ব পাৰে? ৰামদত্ত মাষ্টৰে কুন্দনক লৈ কেবাদিনো আখৰা কৰিছিল যাতে আখৰাত অভ্যাস কৰিলে সি তৰ্ক প্ৰতিযোগিতাত কৃতকাৰ্য হ'ব পাৰে। কুন্দনৰ সুৰেন মোমায়েক যে সেই প্ৰতিযোগিতাটোৰ এজন বিচাৰক আছিল কুন্দনে তেওঁক তাত দেখি আচৰিত হৈছিল আৰু কুন্দনক এজন প্ৰতিযোগী হিচাপে দেখি মোমায়েকো আচৰিত হৈছিল। তাৰ ককাদেউতাক এজন শ্ৰোতা আছিল আৰু কুন্দনক এজন প্ৰতিযোগী হিচাপে দেখি তেওঁ সন্তোষ পাইছিল।

কুন্দনৰ একান্ত বিশ্বাস আছিল সি প্ৰথম পুৰস্কাৰ পাব কাৰণ সকলো প্ৰতিযোগীতকৈ তাৰ দক্ষতাযে বেছি আছিল সি নিজে অনুভৱ কৰিছিল। কিন্তু এজন অনুসূচিত জাতিৰ ল'ৰাক প্ৰথম পুৰস্কাৰ? আন সকলো প্ৰতিযোগী বামুণ আৰু ঠাকুৰ জাতিৰ আৰু দেউতাকহঁত সেই অঞ্চলৰ গণ্যমান্য ব্যক্তি আছিল। শেহত যেতিয়া প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হ'ল, কুন্দনে আনকি তৃতীয় স্থানো নেপালে আৰু তাক নিচুকনি পুৰস্কাৰহে দিলে। ঘোষণাটো শুনি কুন্দন আশ্চৰ্য হ'ল আৰু ৰামখুৰাৰ বৰ খং উঠিল। শ্ৰোতাৰে ভৰপূৰ সভামণ্ডপত তেওঁ চিঞৰি চিঞৰি কুন্দনক ক'লে, "কুন্দন, নল'বি তই এই পুৰস্কাৰ। এই নিচুকনী পুৰস্কাৰ তোৰ কাৰণে নহয়, বিচাৰক কেইজনৰ কাৰণেহে উপযুক্ত। তই সেইটো তেওঁলোকৰ কাৰণে থৈ দে।"

সভামণ্ডপত কুন্দনৰ নামটো তিনিবাৰ ঘোষণা কৰিলে কিন্তু কুন্দন সি বহি থকা আসনৰপৰা লৰচৰ নহ'ল।

সভাৰ কাৰ্য শেষ হোৱাৰ পিছত ৰামখুৰাই কুন্দনক পিঠিত থপৰিয়াই ধন্যবাদ দিলে। তাত তাৰ ককাদেউতাকো উপস্থিত আছিল। ৰামখুৰাৰ লগত কোনো কথাতে একমত নোহোৱা তাৰ ককাদেউতাক প্ৰথমবাৰ ৰামখুৰাৰ লগত একমত হ'ল আৰু সি নিচুকনি পুৰস্কাৰ গ্ৰহণ নকৰা দেখি তাক প্ৰশংসা কৰিলে।

ৰামখুৰাই কুন্দনক ক'লে, "তোৰ সুৰেন মোমায়েৰ তিনিজন বিচাৰকৰ এজন আছিল। সুধিবিচোন তেওঁক তোৰ প্ৰতি এনে ঘোৰ অন্যায় কিয় কৰিলে?"

উলটি আহোঁতে বাটত সুৰেনে কুন্দনক কৈছিল, "মোৰ বিবেচনাত তই প্ৰথম পুৰস্কাৰ পোৱা উচিত আছিল কিন্তু নিজৰ ভাগিনক ইচ্ছা কৰিয়েই মই বেছি নম্বৰ

দিছোঁ বুলি মানুহে ক'ব বুলিয়েই মই তোক বেছি নম্বৰ দিয়া নাছিলোঁ।

মোমায়েকৰ কথা শুনি কুন্দন আচৰিত হ'ল। সি ঘোৰ প্ৰতিবাদ কৰি ক'লে, "তুমি তেনে অনুচিত কামটো কিয় কৰিলা মোমাইদেউ? তুমি মোৰ প্ৰতি অন্যায় কৰি প্ৰকৃত বিচাৰকৰ কৰ্তব্য পালন নকৰিলা। যদি তোমাৰ সেই দুৰ্বলতা আছে, তোমাৰ বিচাৰকৰ পদটো গ্ৰহণ কৰা উচিত নাছিল।"

কুন্দনৰ তেনে যুক্তিপূৰ্ণ অভিযোগ শুনি সুৰেন্দ্ৰই লাজ পালে। কুন্দনে যে তাক তেনেভাৱে ক'ব সি কেতিয়াও আশা কৰা নাছিল। তেওঁ নিজকে ৰক্ষা কৰিবৰ কাৰণে খীণ চেষ্টা কৰি ক'লে, "শুন কুন্দন তই আচল কথাটো শুন। আমি তিনিজন বিচাৰক ওচৰা-উচৰিকৈ বহিছিলোঁ আৰু বাকী দুজনে কাক কি নম্বৰ দিছে মই দেখা পাইছিলোঁ। তেওঁলোকে তোক ইমান কম নম্বৰ দিছিল যে মই তোক এশৰ ভিতৰত এশ দিয়াহেঁতেন তই অতি বেছি তৃতীয় স্থানহে পালিহেঁতেন। কিন্তু তৃতীয় হৈ লাভ কি? তাতকৈ নিচুকনি পুৰস্কাৰ বেছি ভাল।"

কুন্দনে মোমায়েকৰ যুক্তি শুদ্ধ বুলি কোনোমতেই মানি নল'লে। সি মুখখন ক'লা কৰি চুপচাপ থাকিল, এটা কথাও উচ্চাৰণ নকৰিলে। নীৰৱতা ভঙ্গ কৰি সুৰেন্দ্ৰই ক'লে, "ৰামদত্ত মাষ্টৰে তোক তেনেভাৱে কোৱা মুঠেই উচিত নাছিল। তেওঁৰ কি অধিকাৰ আছিল তেনে কথা ক'বৰ? নিজকে যে কি ভাবে তেওঁ! তিৱাৰী ডাঙৰীয়াক তেওঁ ঈৰ্ষাৰ চকুৰে চায়। সেই কাৰণে আমি তেওঁক বিচাৰক হিচাপে নিযুক্ত কৰা নাছিলোঁ। তোক নিচুকনি পুৰস্কাৰ ল'বলৈ মানা কৰি তেওঁ ভাল কাম নকৰিলে। সেইটো আয়োজকসকলৰ অপমান হ'ল।"

"তুমি আয়োজকসকলৰ অপমানৰ কথা কৈছা। মোৰ যে অপমান হ'ল সেইটো তোমাৰ মনলৈ এতিয়াও অহা নাইনে?" কুন্দনৰ বৰ খং উঠিল মোমায়েকৰ ওপৰত। যেতিয়া সি ঘৰৰ ওচৰ পালেহি, মোমায়েকক একো কথা নোকোৱাকৈ নিজৰ ঘৰত সোমাল। বৰ উপদেশ দিওঁতা ওলাইছেহি! নিজেই আয়োজক আৰু নিজেই বিচাৰক! এওঁৰ বিচাৰক হোৱাৰ কি আৱশ্যক আছিল? যি দুজন অবিবেচক বিচাৰকক নিযুক্ত কৰা হৈছিল, তেওঁলোকৰ লগত আৰু এজন অবিবেচক লগ হৈছিল। কোনোজনেই কম নহয়, আটাইকেইজনেই নিৰ্বোধ আৰু অসৎ। তাৰ নিজৰ মোমায়েক হ'লে কি হ'ব। বাকী দুজনৰ নিচিনাই উচিত আৰু অনুচিত জ্ঞান নথকা মানুহ। কাৰো সৎ সাহস নাই। বামুণ আৰু ঠাকুৰৰ বিচাৰ জ্ঞান নাই বুলি জানো কিন্তু তুমিতো বামুণ আৰু ঠাকুৰ নোহোৱা। মই জানো তুমি এজন সমাজবাদী কিন্তু সমাজবাদীৰ ন্যায় আৰু সততা জ্ঞান নাইনেকি? তুমি এজন শিক্ষিত আৰু জ্ঞানী মানুহ, তোমাৰ সৎ সাহসৰ অভাৱ হ'ল কেনেকৈ?

কুন্দনৰ বেছি খং উঠিল নিত্যানন্দ খাওৱাল নামৰ ল'ৰা এটাক প্ৰথম পুৰস্কাৰ দিয়া দেখি। সি বামুণৰ ল'ৰা আৰু তাৰ দেউতাক চহৰৰ এজন গণ্যমান্য মানুহ। সি মাকক ক'লে, "মা যিটো ল'ৰাই তৰ্ক প্ৰতিযোগিতাত এটা বাক্যও শুদ্ধকৈ ক'ব নোৱাৰিলে, তাক আয়োজকসকলে নিৰ্লজ্জভাৱে কিয় প্ৰথম পুৰস্কাৰ দিলে? সেইখন

তৰ্ক-বিতৰ্ক প্ৰতিযোগিতা আছিলে নে তাৰ ভেকোভাওনাহে আছিল। কিন্তু এটা ভাল তৰ্ক-বিতৰ্ক প্ৰতিযোগিতাক ইমান তললৈ অনাৰ কি অধিকাৰ আছিল আয়োজকসকলৰ? সেইটো আয়োজন সমাজবাদী দলৰে দুৰ্নাম নহয়, গোটেই অনন্তপুৰৰ দুৰ্নাম। তাৰ বাবে তেওঁলোকে লাজ পোৱা উচিত।"

মাকক কোৱা কথাবোৰ শুনি কুন্দনৰ দেউতাকে কুন্দনক ক'লে, "বয়সীয়া মানুহৰ বিৰুদ্ধে তেনে কথা কোৱা উচিত নহয় কুন্দন। তেওঁলোকে কিয় পক্ষপাতিত্ব কৰিব? ... গীতাত কৈছে 'কাম কৰা আৰু তাৰ ফল আশা নকৰিবা। ফল ঈশ্বৰৰ হাতত।' গতিকে তোৰ হাতেৰে কাম কৰি যা, ফল ঈশ্বৰে দিব। তাৰ বাবে আশা কৰি বহি নাথাকিবি।" দেউতাকৰ উপদেশ শুনি কুন্দনৰ মনে মনে বেছিহে খং উঠিল। কিন্তু তাক প্ৰকাশ নকৰিলে। মাকে তাৰ মনৰ ভাব বুজি পালে। সি গম্ভীৰ হৈ তাৰপৰা আঁতৰি গ'ল। হঠাৎ তাৰ ভাগীৰথীৰ কথা মনত পৰিল। তায়ো তৰ্ক-বিতৰ্ক প্ৰতিযোগিতাত উপস্থিত আছিল, দেউতাকৰ লগত কুন্দনৰ তৰ্ক-দক্ষতা শুনিবলৈ গৈছিল। তাই সকলো শুনিলে আৰু দেখিলে। কিন্তু তাৰ সম্বন্ধে কি ধাৰণা পোষণ কৰিলে তাই? তাই দেউতাকৰ নিচেই ওচৰতে বহি আছিল। তাই যিয়েই নাভাবক, কুন্দনে এবাৰ তাইৰ মুখখনলৈ চাই নিশ্চিত হৈছিল যে সি প্ৰথম পুৰস্কাৰ পাব বুলি তাইৰ সম্পূৰ্ণ বিশ্বাস আছিল কিয়নো তৰ্ক প্ৰতিযোগিতাত কুন্দনৰ সমকক্ষ আন কোনো প্ৰতিযোগী নাছিল। নিজৰ দক্ষতাত সন্তুষ্ট হৈ যেতিয়া কুন্দন মঞ্চৰপৰা নামি আহিছিল, সি মনে মনে ভাবিছিল যেতিয়া তাক প্ৰথম পুৰস্কাৰৰ কাপটো দিব, সেইটো আনি প্ৰথমতে সি ভাগীৰথীক দিব আৰু পিচত তাইৰ হাতৰপৰা লৈ ঘৰত মাকৰ হাতত দিব।

কিন্তু কি হৈ গ'ল? ভাগীৰথীৰ আগত সি তৃতীয় পুৰস্কাৰতকৈও হীন নিচুকনি পুৰস্কাৰৰ কাৰণে যোগ্য বুলিহে প্ৰমাণ হ'ল। তাৰ সপক্ষে অৰ্থাৎ তাৰ প্ৰতি ঘোৰ অন্যায় কৰিলে বুলি তাইৰ দেউতাকে চিঞৰি চিঞৰি ক'লেও, ভাগীৰথীয়ে এটা কথাও উচ্চাৰণ নকৰিলে। আনকি তাৰ পিনে নাচালেও। তেন্তে তাই তাক কেৱল নিচুকনি পুৰস্কাৰৰ কাৰণেহে যোগ্য বুলি ভাবিলে নেকি?

অনাথ আশ্ৰম

ককাদেউতা এদিন আমাৰ ঘৰলৈ আহিল।

ককাদেউতাকক খট্‌খটীয়েদি উঠি অহা দেখি কুন্দন আচৰিত হ'ল আৰু লগে লগে ব্যতিব্যস্ত হৈ পৰিল। তাৰ আগতে তেওঁ সিহঁতৰ ঘৰলৈ যে কেতিয়া আহিছিল

তাৰ মনতে নপৰে। নিশ্চয় কিবা এটা বিশেষ কাৰণত আহিছে। কিন্তু কাৰণটো কি? ককাদেউতাৰ লগত কাৰোবাৰ কাজিয়া লগা নাইতো? তেওঁৰ মুখত অলপো প্ৰফুল্লতা নাই কিয়?

"তোৰ পঢ়া-শুনা কেনে চলিছে কুন্দন?" ককাদেউতাকে কুন্দনক সুধিলে।

"ককা, ভালেই চলিছে," কুন্দনে সম্ভ্ৰমেৰে উত্তৰ দিলে।

"ইয়াতনো পঢ়া-শুনা কি ভাল হ'ব। নামতহে কলেজ, উপযুক্ত ঘৰ নাই আৰু ভাল শিক্ষকো নাই। সেই গঙ্গাদত্ত, নন্দ-বল্লভ, সেই জৈন মাষ্টৰ আৰু সেই ডিক্কো মাষ্টৰ আই এৰ ক্লাচ খুলিলেই আই এ পঢ়া হয় নেকি? ... কোনো নতুন শিক্ষক আহিছেনে?"

"আগৰৱাল নামৰ এজন নতুন শিক্ষক আহিছে। তেওঁ গণিত পঢ়ায়। কিন্তু ... তেওঁ নিজেই অঙ্কৰ উত্তৰ উলিয়াব নোৱাৰে। এদিন মই প্ৰণালীটো কোৱাত তেওঁ মোক শ্ৰেণীৰপৰা বাহিৰ কৰি দিলে।"

ককাদেউতাই হো হো কৰে হাঁহিলে। ককাদেউতাৰ হাঁহাৰ ধৰণটো কুন্দনে বৰ ভাল পায়। খোজকাঢ়োতে, কথা কওঁতে, হাঁহোতে আৰু প্ৰশ্ন কৰোঁতে ককাদেউতাৰ এটা নিজস্ব ধৰণ আছে। যি তেওঁক আন সাধাৰণ মানুহৰপৰা পৃথক কৰি ৰাখে।

"চাৰিশ টকাৰ কাম দুশ টকাৰে কৰালে ভাল শিক্ষক ক'ত পাব? শুন, লক্ষ্ণৌত পঢ়িবলৈ তোৰ ইচ্ছা আছেনে? তোৰ জগদীশ মোমায়েৰে তোক তালৈ নিয়াৰ কথা লিখিছে।"

লক্ষ্ণৌ! শুনিয়েই কুন্দনৰ মন আনন্দত নাচি উঠিল। লক্ষ্ণৌ, য'ত জগদীশ মোমায়ে পঢ়ি কলেজৰ অধ্যাপক হ'ল। কুন্দনৰো অধ্যাপক হোৱাৰ বৰ ইচ্ছা আছে। বিশ্ববিদ্যালয়ৰ অধ্যাপক।

"মই মাৰক এইটোকে বুজাবলৈ চেষ্টা কৰিছোঁ যে লক্ষ্ণৌত যি পঢ়া-শুনা হয়, ইয়াত তাৰ আধাও নহয়। মাৰে কৈছে— এতিয়া নহয়, আই এ পাছ কৰাৰ পিছতহে। মই তোক এতিয়াই পঠাবলৈ বিচাৰিছিলোঁ। কিন্তু মাৰে এতিয়া যাবলৈ নিদিয়াত, তই আই এৰ প্ৰথম বছৰটো ইয়াতে পঢ় আৰু দ্বিতীয় বছৰটো লক্ষ্ণৌত পঢ়ি তাৰ পৰা আই এ পৰীক্ষা দিবি। জগদীশে তোক দ্বিতীয় বাৰ্ষিকত 'ক্ৰাইষ্ট চাৰ্চ' কলেজত সহজে ভৰ্তি কৰাই দিব। সেই কলেজখন লক্ষ্ণৌৰ ভিতৰত আটাইতকৈ ভাল কলেজ। তাৰ ছাত্ৰই প্ৰতি বছৰে আই এ আৰু বি এ পৰীক্ষাত বিশ্ববিদ্যালয়ত উচ্চ স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। তই বোধকৰো শুনিছ।"

কুন্দনে মাকলৈ চালে। তেওঁ তললৈ মূৰটো কৰি বহি আছিল।

"মা, ককাই ঠিক কথাই কৈছে। জগদীশ মোমায়ে মোক সকলোপিনে সহায় কৰিব। তেওঁ আটাইকেইটা বিষয়তে মোক পঢ়াব পাৰিব। ইয়াত কাৰো পৰা সহায় নাপাওঁ। কলেজৰ ল'ৰাবোৰে আনকি মোৰ লগত ভালভাবে কথাও নকয়। শিক্ষকবিলাকেও মোক কিয় বেয়া পায় তাৰ কাৰণ মই একো নাজানো।"

"ক ৰামী, লৰাৰ কথা শুনিলি। পৰীক্ষা ই দিবনে তই দিবি?" ককাদেউতাই মাক ক'লে।

মাকে এটা কথাও উচ্চাৰণ নকৰিলে। কুন্দনৰ বুকুখন টিপটিপাবলৈ ধৰিলে। সি মাকক বৰ ভয় কৰে।

ককদেউতাই মাক ক'লে, "তই নৰেনৰ কথা মতে নাযাবি। পঢ়া-শুনা কাক কয় সি কি জানে? যদি ইয়াৰ পঢ়া-শুনাৰ কথা ভাবিলেহেঁতেন, সি ঘৰ এৰি গ'লহেঁতেননে? সি ইয়াত থকাহেঁতেন তাৰ নেতা হোৱাৰ বাসনা পূৰা নহ'লহেঁতেনজানো? নিজৰতো সৰ্বনাশ হ'লেই আৰু এতিয়া ল'ৰাৰো সৰ্বনাশ কৰিবলৈ বিচাৰিছে। ৰামী, মই তোক আকৌ কৈছো— তই কুন্দনক লক্ষ্ণৌলৈ পঠাই দে আৰু তাৰ ভায়েক-ভনীয়েকক লৈ তই হাউলিলৈ ব'ল।"

মাৰ উত্তৰৰ কাৰণে এক মিনিটমান প্ৰতীক্ষা কৰি একো সঁহাৰি নাপাই ককাদেউতাই অধৈৰ্য হৈ ক'লে, 'ইয়াত তোৰ থাকিল কি? এই মৰিশালিখনত তই কাক পহৰা দিবলৈ বহি থাকিবি?"

মাই লাহে লাহে মূৰটো তুলিলে আৰু ক'লে, "নিজৰ ঘৰখন এৰি আন ঠাইত থাকিবলৈ মোৰ ভাল নালাগিব দেউতা।"

"ও, বাপেৰৰ ঘৰখন কিয় ভাল লাগিব তোৰ? শুন ৰামী, মই তোৰ আৰু ল'ৰা-ছোৱালী কেইটাৰ ভালৰ কাৰণেই কৈছোঁ— তহঁত সকলো হাউলিলৈ ব'ল। তাত ঠাইৰ অভাৱ নাই। জগ্গুৰ কোঠাটো খালী পৰি আছে। কুন্তী, গৌৰী, নন্দা সকলো গ'ল।"

"দেউতা, মই ইয়াত থাকিলেও হাউলিলৈ অহা-যোৱা কৰি থাকিম। নিজৰ ঘৰখন মই বাৰু কেনেকৈ এৰোঁ? তোমালোকে মোৰ কাৰণে অলপো চিন্তা নকৰিবা। ইয়াত মোৰ একো অসুবিধা নহ'ব।"

"ও। ইয়াত তোৰ একোৱেই অসুবিধা নহ'ব ... আৰু মোৰ ঘৰতহে তোৰ অসুবিধা হ'ব। হেৰ', তোৰ অসুবিধাৰ কথা বাদ দি মাৰৰ অসুবিধাৰ কথা চিন্তা কৰচোন। ভনীয়েৰহঁতৰ বিয়া হৈ গ'ল। এতিয়া মাৰক চোৱা-চিতা কৰা, তেওঁৰ যত্ন লোৱা মানুহ কোনো নাই। বোৱাৰীহঁত নিজৰ ল'ৰা-ছোৱালীক লৈ ব্যস্ত থাকে। তই গৈ মাৰৰ যত্ন ল'লে তেওঁ কিমান সুখ পাব।"

"দেউতা, জগ্গুৰ বিয়াৰ কিবা কথা-বতৰা চলিছেনে?' জগ্গু সৰু মোমাইৰ কথাটো তুলি মাই বিষয়টো বদলি কৰি দিলে।

"হুঁঃ।" চকিৰপৰা ঘপ্ কৰে উঠি ককাদেউতাই কোঠাটোৰ ভিতৰতে ইফালৰ পৰা সিফালে গৈ ক'লে, "তই ভাবিছ নেকি জগ্গুৰ বিয়া হ'লে নবোৱাৰী আহি তোৰ মাৰৰ আলপৈচান ধৰিবহি? নিজৰ ছোৱালীয়েই যদি সেই দায়িত্ব ল'ব নোখোজে, লোকৰ ছোৱালীয়ে সেই দায়িত্ব ল'বহি বুলি তাৰ আশাতেই আমি বহি থাকিম নেকি?"

মাই ককাদেউতাৰ পিনে তীক্ষ্ণ দৃষ্টিৰে চালে। আজি তেওঁ কিয় তেনেভাবে কথা কৈছে? আগতে কেতিয়াও তো তেওঁ তেনেভাবে কথা কোৱা নাছিল।

ৰামী, তই কি ঠিক কৰিলি মোক খাটাংকৈ ক’,” ককাদেউতাই মাৰ শেষ সিদ্ধান্ত জানিবলৈ বিচাৰিলে।

মা চিন্তাত পৰিল। তেওঁ অলপপৰ টলকা মাৰি থাকি পিচত লাহে লাহে ক’লে, “দেউতা, তুমি কুন্দনকে লৈ যোৱা। সি তোমাৰ লগত থাকিব। ... মই ঘৰ এৰি যাওঁ কেনেকৈ?”

“ঘৰ? ইয়াত তোৰ আৰু কি আছে এতিয়া? নহেনলৈ তোৰ ইমান ভয় কিয়? লাজ-চৰমৰ যাৰ জ্ঞান নাই— সেই নিৰ্লজ, বগৰাটোৱে নিজৰ মান-সন্মান যে নিয়ালেই লগতে আমাৰো,” ককাদেউতাই গৰ্জি উঠিল। খঙত তেওঁৰ মুখখন ৰঙা পৰিল আৰু চকুৰপৰা যেন জুই-ফিৰিঙতিহে বাহিৰ হ’ল।

সেয়া কি? মাই দেখোন হুক্‌হুক্ কৈ সৰু ছোৱালী এজনীৰ নিচিনাকৈ কান্দিবলৈ আৰম্ভ কৰি দিলে। দেউতাক তেনেদৰে তিৰস্কাৰ কৰা মাই সহ্য কৰিব নোৱাৰিলে। তেওঁ কান্দি কান্দি ক’লে, “তেওঁক তেনেভাবে গালি নাপাৰিব দেউতা। তেওঁ যদি কিবা ক্ষতি কৰিছে নিজৰ আৰু ঘৰখনৰেই কৰিছে, তোমাৰ কোনো ক্ষতি কৰা নাই। ... কুন্দন তোমাৰ লগত থাকি পঢ়া-শুনা কৰিব সেই কথা তেওঁ প্ৰত্যেকখন চিঠিতে লিখে আৰু তোমাক স্মৰণ কৰে।”

“কোন সি মোক স্মৰণ কৰিবৰ? এতিয়া সি তাৰ পৰাই হুকুম চলাই আছে। মই কেতিয়াও তাৰ মুখখন চাব নোখোজোঁ। তই যদি মোৰ ঘৰলৈ আহ আহিবি আৰু নাহিলে জহন্নামে যা। সি কি ভাবিছে? মোৰ ঘৰখন এখন অনাথ আশ্ৰম নেকি?” কৈয়েই ককাদেউতা তাত এক মুহূৰ্তও নৰৈ খটখটীয়েদি নমি তললৈ গ’ল।

“শুনিলিতো ককাদেউতাৰে কি কৈ গ’ল?” মাকে কুন্দনক ক’লে।

“ঠিক কথাইতো কৈছিল মা”, কুন্দনে লগে লগে উত্তৰ দিলে। মাকৰ ওপৰত তাৰ বৰ খং উঠিছিল। “তুমিতা মিছামিছিকৈ ককাদেউতাৰ খং তোলাইছিলা। তেওঁ আমাৰ ভালৰ কাৰণেইতো কৈছিল। এতিয়া আই এত মই তৃতীয় বিভাগহে পাম। তেতিয়া তুমি মন বেয়া নকৰিবা আৰু মোকো দোষ নিদিবা। তুমি বৰ বেয়া কাম কৰিবা মা— যদিহে মোক লক্ষ্ণৌলৈ নপঠোৱা।”

“এৰা, এৰা মই তোৰ বেয়াটোকে বিচাৰোঁ কুন্দন। মই সদায় তোৰ শত্ৰুতা কৰোঁ।”

“তুমি মোৰ পৰিস্থিতিটো নুবুজা কিয়?”

“তুমি মোক লক্ষ্ণৌলৈ যাবলৈ দিয়া। জগদীশ মোমায়ে যাবৰ সময়ত মোক কৈ গৈছিল। তেওঁ মোৰ কথা বৰ চিন্তা কৰে। মই যদি প্ৰথম বিভাগ নাপাওঁ, তোমাক সঁচাকৈ কৈছো— মই ডুবি মৰিম।”

হঠাৎ কোনোবাই খটখটীৰপৰা মাত লগালে, “কোন ডুবি মৰিবলৈ ওলাইছে জানিব পাৰোনে?” কথাযাৰ শেষ হোৱাৰ লগে লগে ৰামখুৰা কোঠাত হাজিৰ হ’ল।

“তোমাৰ ভতিজাক বুজোৱা ৰমদা। লক্ষ্ণৌলৈ যাবলৈ আঁকোৰগোজ হৈছে।”

“অ’ লক্ষ্ণৌ!” ৰামদত্ত মাষ্টৰে এটা দীঘল উশাহ লৈ মূঢ়াটোত বহি পৰিল।

"শুন কুন্দন। আই এত প্ৰথম বছৰটো তই শেষ কৰিলি। আৰু এটা বছৰ আছে। সেই বছৰটো ইয়াতে পঢ়ি তই বি এৰ কাৰণেতো লক্ষ্ণৌলৈ যাবই লাগিব। গতিকে এটা বছৰ অপেক্ষা কৰিলে তোৰ ক্ষতি কি?"

"ক্ষতি আছে ৰামখুৰা। মোৰ যদি ডিভিজন বেয়া হয়?"

ৰামদত্ত মাষ্টৰে খিলখিলকৈ হাঁহিলে। "হেৰ' তই তাৰ বাবে চিন্তা কৰিছ কিয়? প্ৰথম বাৰ্ষিকৰ পৰীক্ষাত তই দহ নম্বৰৰ কাৰণে প্ৰথম ডিভিজন নাপালি। মই তোৰ লাগতিয়াল সকলো কিতাপ আনি দিম। কিতাপৰ দায়িত্ব মই লৈছো। এটা বছৰ পৰি আছে। তই এতিয়াৰপৰা ইমান চিন্তা কিয় কৰিছ? প্ৰথম ডিভিজন কিয় তইতো ডিচটিংশ্বন পাবি। মোৰপৰা তই এই কথাষাৰ লিখোৱাই ল। মই তোৰ ক্ষমতাৰ বিষয়ে জানোঁ। নৰেনেও শুনি ভাল পাব যে তই ঘৰতে আছ আৰু মাৰ আৰু ভায়েৰ-ভনীয়েৰৰ কোনো অসুবিধা নহ'ব। কি কোৱা নবৌ?"

মাই একো নক'লে। লক্ষ্ণৌলৈ যোৱা-নোযোৱাটো কুন্দনে নিজেই স্থিৰ কৰিব লাগিব। ৰামখুৰাই যে নিজৰ পিনৰপৰা সকলোপিনে সহায় কৰিব তাত অলপো সন্দেহ নাই। এতিয়ালৈকে যিমানবোৰ কিতাপ কুন্দনে পঢ়িবলৈ পাইছে সকলো কিতাপৰ যোগান ৰামখুৰাই কৰি আহিছে। অৱশ্যে কুন্দনৰ ভৱিষ্যৎ জীৱিকা বৃত্তিৰ প্ৰশ্নতো!

কুন্দনে ঠিক কৰিলে সি ককাদেউতাকৰ ওচৰলৈ যাব। আজিয়েই, এতিয়াই। তাৰ পিচত সি লক্ষ্ণৌলৈ যাব বুলি জগদীশ মোমায়েকলৈ চিঠি লিখিব।

"কোনো আৱশ্যক নাই, হাউলিলৈ যাবৰ। জম্মুৱে তাত এখন অনাথ আশ্ৰম খুলিছে নেকি? আৰু যিবোৰ ল'ৰাৰ মোমায়েকহঁত লক্ষ্ণৌত নাথাকে, সেইবোৰ ল'ৰাই নপঢ়িব নেকি? মোৰ কথা শুন কুন্দন, তই লক্ষ্ণৌলৈ যাব নেলাগে।"

ৰামখুৰাই এবাৰ মাকলৈ আৰু এবাৰ কুন্দনৰ পিনে চালে। "এই 'অনাথআশ্ৰম' কৰ পৰা আহিল নবৌ?"

"একো নহয় ৰমদা। মই এনেয়ে কৈছিলোঁ। তুমি থাকোতে কুন্দনৰ অভাৱ কিহৰ। ইয়াৰ দেউতাকে কৈছিল তোমাৰ নিচিনা জ্ঞানী পুৰুষ এই গোটেইখন চহৰতে নাই। তেন্তে কুন্দনৰ চিন্তাৰ কি কাৰণ থাকিব পাৰে ৰমদা?"

ৰামখুৰাই ইমান জোৰেৰে হাঁহিলে যে তেওঁৰ হাঁহিৰ শব্দই যেন গোটেই কোঠাটো কঁপাই তুলিলে।

"সেই পগলাটোৰ কথা বাদ দিয়া নবৌ। মই কিমান জ্ঞানী পুৰুষ মইহে জানো। অৱশ্যে কুন্দনক পঢ়ুৱাবৰ বিদ্যা আৰু ক্ষমতা মোৰ আছে।"

"সেইটো পিচত দেখা যাব ৰমদা। কুন্দনেতো প্ৰথম বিভাগৰ স্বপ্ন দেখি আছে এতিয়াৰ পৰাই। কোৱাচোন, যিবিলাক ল'ৰাই প্ৰথম বিভাগ নাপায়, সিহঁতৰ পঢ়া-শুনা, বিদ্যা একেবাৰে অসাৰ হৈ যায় নেকি?"

কুন্দন যেন আকাশৰপৰাহে পৰিল। অকল দেউতাই নহয় মা আৰু ৰামখুৰাও দেখিছো মোৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত আছে। তেন্তে কেৱল তেওঁলোককেই নহয়, কুন্দন কি বস্তু দেখুৱাম এদিন গোটেই জগতক।

লিট্‌ল কমৰেড আৰু ভিনীহিদেউ

"এহোপা মাৰচোন— চা কেনেকুৱা লাগে।" জগদীশ মোমায়েকে কুন্দনৰ পিনে চিগাৰেট এটা আগবঢ়াই দি ক'লে।

"নহয় মোমাই, মই চিগাৰেট নাখাওঁ" কুন্দনে বাধা দি ক'লে।

জগদীশ মোমায়ে হাঁহি ক'লে, "মিছা কথা নকবি। তোক মই মনে মনে চিগাৰেট খোৱা দেখিছোঁ। মনে মনে চিগাৰেট খোৱাৰ তোৰ আৱশ্যক কি? মই কিবা ক'ম বুলি তই মোলৈ ভয় কৰ নেকি?"

"তোমালৈ কিয় ভয় কৰিম মোমাই?" কুন্দনে লগে লগে ক'লে। কিন্তু চিগাৰেট খাবলৈ কেনেকুৱা লাগে জানিবৰ কাৰণে সি এদিন মনে মনে যে চিগাৰেট এটাত এহোপা মাৰিছিল কথাটো সঁচা। মোমায়ে নিশ্চয় দেখিছিল।

"ভয় নকৰ যদি সন্মান কৰ নেকি মোক? কাৰণ মই তোৰ মোমাই, সেই কাৰণে নেকি? মই তোক কতবাৰ কৈছোঁ মই তোক এজন বন্ধু হিচাপে ব্যৱহাৰ কৰোঁ। মনত পেলাচোন তই যেতিয়া ইয়ালৈ প্ৰথম আহিছিলি তোৰ অৱস্থা কেনেকুৱা আছিল। মোৰ বন্ধু-বান্ধৱৰ আগত তই ওলাবলৈকে সংকোচ কৰিছিলি। এতিয়া তই সিহঁতৰ লগত নিজৰ বন্ধুৰ নিচিনাকৈ কথা পাত আৰু কেতিয়াবা আমাৰ সমালোচনাত ভাগ লৱ। মনত পৰেনে তোৰ তই সাজ-পাৰ ভালকৈ পিন্ধিব নাজানিছিলি? অনন্তপুৰত যিধৰণে কাপোৰ-কানি পিন্ধিছিলি ইয়ালৈ আহি তই প্ৰথমতে তেনে ধৰণেৰেই পিন্ধিছিলি।"

কুন্দনে অস্বীকাৰ কৰিব নোৱাৰিলে কাৰণ মোমায়েকৰ কথা ষোল অনাই সত্য আছিল।

"আজিকালি মাছ-মাংস তোৰ আগৰ দাইল-ভাতৰ নিচিনা হ'ল। মনত পেলাচোন তোক মাছ খাবলৈ প্ৰথমবাৰ কোৱাত তই মাত্ৰ জোলখিনি খাম বুলিহে কৈছিলি। আৰু এতিয়া?"

কুন্দনে মনে মনে বৰ লাজ পালে। কিন্তু সেই হৈ যোৱা কথাবোৰ মোমায়েকে তাক বাৰে বাৰে কিয় কৈছে?

"ক চোন, তই চিগাৰেট খাবলৈ ভাল পাৱনে?" মোমায়েকে সুধিলে।

"মোমাই, সঁচাকৈ ক'বলৈ হ'লে মই চিগাৰেট একেবাৰে ভাল নাপাওঁ। তাৰ গোন্ধটো মই সহিব নোৱাৰোঁ আৰু মোৰ কিবা তিতা বস্তু খোৱা যেন লাগে। তুমিয়ে কৈছা মই মনে মনে চিগাৰেট খাইছিলোঁ। আচলতে মই আন অনেক মানুহে খাই কিয় ভালপায় তাক পৰীক্ষা কৰিবলৈহে খাইছিলোঁ। তাৰ পিচত মই দ্বিতীয়বাৰ চিগাৰেট মুখত দিয়া নাই। মানুহে যে কিয় চিগাৰেট খায় মই বুজি নাপাওঁ।"

"মই তোক চিগাৰেট খাবলৈ জোৰ কৰা নাই। মোৰ মাত্ৰ ক'বলগীয়া ইমানেই

যে মানুহে কোনো 'ইনহিবিশ্বন' অৰ্থাৎ অৱদমন পালন কৰা উচিত নহয়। কাৰণ তাৰদ্বাৰা ব্যক্তিত্বৰ বিকাশত ব্যাঘাত হয়। সকলো বস্তুৰ অভিজ্ঞতা হ'ব লাগে আৰু শেহত ভালটো লৈ বেয়াবোৰ বাদ দিব লাগে। তই মোৰ ভাগিন, বয়সত ডাঙৰ বুলি মোক যিকণ সন্মান দেখুৱাব লাগে তাতকৈ বেচি সন্মান দেখুওৱাৰ তোৰ কোনো প্ৰয়োজন নাই। দেখুৱালে মই বেয়া পাম আৰু ভাবিম তই নিজৰ মানুহৰ দৰে মোৰ ওচৰত সহজ হ'ব পৰা নাই। তোৰ যদি ইচ্ছা হয়, পেকেটৰপৰা চিগাৰেট উলিয়াই মোৰ আগতেই খাব পাৰ। সেইটো কোনো বেয়া কাম নহয়। বুইছ?"

কুন্দনে মূৰটো জোকাৰি মোমায়েকৰ কথাৰ সত্যতা সমৰ্থন কৰিলে।

"মই বন্ধু-বান্ধৱৰ লগত বহি কেতিয়াবা মদ খাওঁ। তোৰ নিশ্চয় বৰ বেয়া লাগে নহয়নে? চাগৈ ভাৱ, কি কু-অভ্যাস মোমাইৰ।"

"মই কেতিয়াও তেনে কথা নাভাবো মোমাই।"

জগদীশ মোমায়েকে হাঁহি ক'লে, "তোৰ বাহিৰে আৰু আন কোনে জানে তই ভাবনে নাভাব? সাধু পুৰুষৰ পুত্ৰ, মদ পান কৰা দেখিলে অলপতো বেয়া লাগিবই নহয় জানো?"

কুন্দনে মোমায়েকলৈ তীক্ষ্ণ দৃষ্টিৰে চালে। সি ওঁঠ দুখন টেপি ধৰিলে আৰু অলপপৰ মনে মনে থাকি তাৰ পিছত উত্তৰ দিলে, "তুমি বাৰে বাৰে দেউতাক উল্লেখ কিয় কৰা মোমাই? কিয় মোৰ নিজৰ কোনো ব্যক্তিত্ব নাই জানো?"

মোমায়েকে মিচিকিয়া হাঁহি এটা মাৰি নিজৰ ঠাইৰ পৰা উঠি গৈ কুন্দনৰ ওচৰত বহিল আৰু তাৰ কান্ধত সোঁ হাতটো থৈ মৰমেৰে ক'লে, "নেভাৰ মাইণ্ড, বয়, মইতো ধেমালি কৰিছিলোঁ। তই সেই সংস্কাৰৰপৰা কিমান ওপৰলৈ উঠিলি মই সেইটো নাজানো বুলি ভাবিছনে? ব্যক্তিত্ব কিয়, একেবাৰে নতুন ব্যক্তিত্ব বুলি নকব কিয়? ছুটীত ঘৰলৈ গ'লে তোক দেখি মানুহ আচৰিত হ'ব আৰু তেওঁলোকে কোৱা-কুই কৰিব 'এইটোতো আগৰ কুন্দন নহয়'!"

"মোমাই, মই ছুটীত ঘৰলৈ নাযাওঁ। ইয়াতে থাকিম। তুমি নাজানা জানো ঘৰলৈ যাবলৈ মোৰ অলপো আগ্ৰহ নাই?"

"নিশ্চয়। তোৰ যদি ইচ্ছা নাই, যাব নালাগে ঘৰলৈ। ইয়াতে থাকিবি। মই বিচাৰোঁ যে তই ছুটীত ইয়াতে থাকি ছুটীৰ সদ্ব্যৱহাৰ কৰ। কিছুমান পাৰ্টি লিটাৰেচাৰ পঢ়িব পাৰ, নাইবা ফটোগ্ৰাফিত যোগদান কৰিবি। অনন্তপুৰত তোৰ আজৰি সময়ত মানুহৰ ফটো তুলিবি আৰু পইচাও পাবি।"

"ঠিক কৈছা মোমাই, মই তাকেই কৰিম। লগতে মই হিন্দী ভাষাৰ সকলো ভাল উপন্যাস পঢ়িম বুলি ভাবিছোঁ। এতিয়ালৈকে মই অনেক উপন্যাস পঢ়িছো। মই উপন্যাস পঢ়িবলৈ বৰ ভাল পাওঁ।"

"তোৰ যি মন যায় কৰিবি। ইয়াত তোক বাধা দিওঁতা কোনো নাই। অৱশ্যে সৎকামত।" কৈয়েই মোমাই তললৈ গ'ল আৰু অলপ পিচতে ঘূৰি আহি ক'লে, "মানুহে নিজৰ কথা নাৰাখে কিয় ক'ব নোৱাৰোঁ। ইমান পৰেও অহা নাই।"

"কোনোবা আহিবলগীয়া আছে নেকি মোমাই?" কুন্দনে সুধিলে।

"এৰা অ', নাগৰ আৰু মাথুৰ অহা কথা আছিল। মোৰ কনফাৰ্মেশ্বন হ'লতো। গতিকে তাকে পালন কৰিবলৈ মোৰ এই বন্ধু দুজনক ইয়ালৈ মাতিছিলোঁ। 'বিয়াৰ' খাম আৰু লগতে দুয়ো আমাৰ লগতে খাব। কিয় তোক কোৱা নাছিলোঁ জানো?"

"নাই কোৱা মোমাই", কুন্দনে ক'লে।

"মোৰ, অধ্যাপক পদটো স্থায়ী হ'ল আৰু সেই কাৰণেই এওঁলোকক মাতি আনন্দ কৰিম বুলি ভাবিছোঁ।"

"তেনেহ'লেতো মোৰ আন্তৰিক অভিনন্দন মোমাই। মই শুনি বৰ আনন্দ পাইছোঁ।"

"ধন্যবাদ কুন্দন। যা আৰু কুন্দৰুক চাৰিটা মানুহৰ খাদ্য তৈয়াৰ কৰিবলৈ ক'গৈ। মাংস অনা আছে। বাকীবোৰ বস্তু সি আনি ল'ব। আৰু শুন, আলমাৰিত বিয়াৰৰ বটল এটা আছে। সেইটো কুন্দৰুক বাহিৰত উলিয়াই থ'বলৈ কবি।"

কুন্দন আনন্দ মনেৰে ভিতৰলৈ গ'ল আৰু চাকৰটোক দিহা দি ঘূৰি আহিল।

"হেৰ' মোৰ ডিঙিটো শুকাই গৈছে। কচোন কুন্দৰুক মোক বিয়াৰ এগিলাচ বৰফ মিহলাই দিয়ক। তই বিয়াৰৰ গিলাচটো লৈ আহ।"

কুন্দন আকৌ পাকঘৰলৈ গ'ল আৰু অলপ পিচতে এগিলাচ বিয়াৰ লৈ আহিল। 'বিয়াৰ'ৰ গিলাচটো আনোতে কুন্দনৰ মনত খেলি গ'ল যদি মোমায়ে আজি মোকো বিয়াৰ খাবলৈ কয়। কুন্দনে স্থিৰ কৰিলে সি আজি অস্বীকাৰ নকৰিব আৰু মোমায়েকক দেখুৱাই দিব সি মোমায়েকতকৈ কোনো গুণে কম নহয়। তেওঁ কুন্দনক কি বুলি ভাবি থৈছে? সাধু পুৰুষৰ পুত্ৰ বুলি? হুঃ।"

"হেৰ' এগিলাচ আনিছ কিয়? মোক কেতিয়াবা অকলে খোৱা দেখিছ?"

"এতিয়া তোমাৰ বন্ধু দুজনতো আহিব। অকলে কিয়?"

"কিন্তু তেতিয়ালৈকেতো এজন সঙ্গী লাগে। তই মোৰ সঙ্গী ন'হবি জানো?" জগদীশ মোমায়েকে সুধিলে।

কুন্দন অলপ দোধোৰমোধোৰত পৰিল। কেতিয়াও মুখত নিদিয়া বস্তু এটা প্ৰথমবাৰ খাবলৈ সি সংকোচবোধ কৰিলে। তাক একো নোকোৱা দেখি মোমায়েকে ক'লে, "হেৰ', সংকোচ কৰিবৰ কি আছে? বিয়াৰতো মদ নহয়, মাত্ৰ য ধানৰ পানী। ইয়াক মানুহে ল'ৰা-ছোৱালীক পানীয় বস্তু বুলি কয়। যা, আৰু এগিলাচ লৈ আহ।"

কুন্দনে আৰু এগিলাচ বিয়াৰ আনিলে। তাৰ বুকুখন ইমান জোৰেৰে টিপ্‌টিপাবলৈ ধৰিলে যেন সি দুমাইল দৌৰি আহিছে।

"চীয়াৰ্চ!" মোমায়েকে নিজৰ গিলাচটো কুন্দনৰ হাতত থকা গিলাচটোত লগাই ক'লে।

কুন্দনে এঢোক গিলি যিমান বেয়া বুলি ভাবিছিল সিমান বেয়া নাপালে। বৰং ভালেই লাগিল। অলপ টেঙা যেন লাগিল।

"কেইটামান বিলাহী আৰু পিয়াঁজ কাটি আন কুন্দন।"

কুন্দন পাকঘৰলৈ গ'ল আৰু অলপ পিচতে কটা বিলাহী আৰু পিয়াজ কাঁহী এখনত লৈ ঘূৰি আহিল। ইতিমধ্যে আলহী দুজন আহি গৈছিল। কুন্দনক দেখি দুয়ো আনন্দেৰে অভ্যৰ্থনা কৰিলে। "হেলো' কুন্দন, হাও আৰ ইউ?"

"গুড ইভিনিং, লিট্‌ল কমৰেড!"

নাজানো কিয় কুন্দনৰমুখৰপৰা 'গুড ইভিনিঙো' নোলাল আৰু 'কমৰেডো' নোলাল। সি কোনো মতেই সহজভাবে সেই শব্দ কেইটা উচ্চাৰণ কৰিব নোৱাৰিলে আৰু তাৰ সলনি দুই হাতেৰে নমস্কাৰ দিলে।

"কমৰেড কুন্দন জিন্দাবাদ। মই মাথুৰ আৰু এওঁ নগৰ," মাথুৰে ক'লে।

কুন্দনে দুয়োকে কৰমৰ্দন কৰিলে।

চাকৰ কুন্দৰুৱে চাৰিটা গিলাচত 'বিয়াৰ' আৰু চাৰিখন কাঁহীত চাৰিটা 'অমলেট' আনিলে।

"চীয়াৰ্চ!"

"থ্ৰী চীয়াৰ্চ ফৰ প্ৰফেচাৰ তামতা!"

"ফ'ৰ চীয়াৰ্চ ফৰ কমৰেড কুন্দন।"

"প্ৰফেচাৰ, ভাং অনা নাই?" নাগৰে সুধিলে।

"নিশ্চয় আনিছোঁ। কিন্তু মই বস্তুটো বৰ বেয়া পাওঁ।" জগদীশ মোমায়ে ক'লে।

"কিয় বেয়া পোৱা?" মাথুৰে সুধিলে।

"মদৰ লগত ভাং খাই মানুহে কি যে আনন্দ পায় মই ভাবি নাপাওঁ। যদি কেতিয়াবা তাৰ প্ৰতিক্ৰিয়া হয়। সকলো গ'ল, পানকৰোতা যমপুৰীৰ দুৱাৰদলিত থিয় হ'বগৈ।"

মাথুৰে বৰ জোৰেৰে হাঁহি দিলে আৰু ক'লে, "কোনে কৈছে প্ৰতিক্ৰিয়া হ'ব বুলি? আৰু প্ৰতিক্ৰিয়া হ'লেও কিমাননো হ'ব?"

নাগৰে লগে লগে কৈ উঠিল, "প্ৰতিক্ৰিয়া হোৱাৰ কোনো প্ৰশ্নই নুঠে," কৈয়েই তেওঁ একেবাৰতে আধা গিলাচ বিয়াৰ খালে। "কেতিয়াবা অমৃতলাল নাগৰক লগ পাইছানে?"

"অমৃতলাল নাগৰ কোন?" জগদীশ মোমায়েকে সুধিলে। আচৰিত কথা। মোমায়ে বেচি খালে নেকি যে বিখ্যাত লেখক অমৃতলাল নাগৰ কোন ক'ব নোৱাৰে?

"বুঁদ আৰু সমুদ্ৰ'ৰ লেখক, মোমাই।"

কুন্দনে নিজৰ খালী গিলাচটোৰ বটলৰপৰা বিয়াৰ ভৰাই নাগৰক সুধিলে, "তেৱোঁ বিয়াৰ খাইনে কি?"

"নাজানো" নাগৰে হাঁহিলে, "তেওঁৰ প্ৰিয় বস্তু ভাংহে।"

"সেই কাৰণেই কওঁ যে তেওঁ ভাং খায়েই 'বুঁদ আৰু সমুদ্ৰ' লিখিছিল।"

"শ্বাট আপ" নাগৰৰ খং উঠিল, "জগ্নী, কি ধিক্কাৰৰ কথা। দেখিছো তোমাৰ হিন্দী সাহিত্যৰ সম্বন্ধে একো জ্ঞান নাই। অমৃতলাল নাগৰৰ বিষয়ে এনে কুমন্তব্য

কৰা তোমাৰ উচিত নহয়। সেই কাৰণেইতো তোমাৰ লগত ওৰে বাটটো তর্ক কৰি আহিছিলোঁ।"

"কিহৰ কাৰণে তর্ক কৰিছিল খুৰা? 'বুঁদ আৰু সমুদ্ৰ'ৰ ওপৰত?" কুন্দনে সুযোগ পাই প্ৰশ্ন কৰিলে।

নাগৰ খুৰাৰ মুখখন গম্ভীৰ হ'ল। কিন্তু সেই গম্ভীৰতাক সহজ কৰিবলৈ তেওঁ হাঁহি মাথুৰ খুৰাক ক'লে, "সেই তর্ক-বিতর্কৰ সমাধান আজিয়েই হৈ যাওক কমৰেড কুন্দনৰ আদালতত। কি কোৱা কমৰেড কুন্দন?"

"কি কথাৰ সমাধান? তোমালোকে এই আনন্দ পূর্ণ পৰিৱেশটো কিয় গম্ভীৰ কৰি তুলিছা? কুন্দন, এতিয়া বোধকৰো আৰু চাৰি বটল পৰি আছে। লৈ আহ আটাইকেইটা। বটলত মুখ দিয়েই খাম। গিলাচেৰে খালে তৃপ্তি নাপাওঁ," জগদীশ মোমায়ে ক'লে।

মাথুৰে ক'লে, "তর্কৰ আচল কাৰণ জাতিবাদ। নাগৰে কয় অমৃতলাল নাগৰ যশপালতকৈ অনেক ভাল ঔপন্যাসিক। তেওঁৰ কথা শুনি মোৰ হাঁহি উঠে। তুমিয়ে কোৱাচোন ক'ত যশপাল আৰু ক'ত অমৃতলাল নাগৰ! যশপালৰ লগত অমৃতলালৰ তুলনা হয় নেকি?"

"মোৰতো ভাই দুয়োজনকে মজলীয়া শ্ৰেণীৰ ঔপন্যাসিক যেন লাগে।" জগদীশ মোমায়ে ক'লে। কুন্দনে তিনিওজনকে তিনিটা বটল দিলে। এটা বটল থৈ দিলে তাৰ কাৰণে। কথাৰ চলতে সি মোমায়েকক সুধিলে, "মজলীয়া শ্ৰেণীৰ লেখকৰ সীমা আছে জানো মোমাই?"

কুন্দনৰ কথা শুনি নাগৰ আৰু মাথুৰে হো হো কৰে হাঁহি দিলে। মাথুৰে সুধিলে, "কমৰেড জগ্গী, এনেকুৱা কোনো হিন্দী লেখকৰ নাম জানানে যি তোমাৰ মজলীয়া শ্ৰেণীতকৈ ওপৰৰ?"

জগদীশ মোমায়ে হাঁহি ক'লে, "শুনা, আচল কথা ক'বলৈ গ'লে মই বেচি হিন্দী উপন্যাস পঢ়া নাই। যিকেইজনৰ উপন্যাস পঢ়িছো, আটাইকেইজন লেখককে মজলীয়া শ্ৰেণীৰ যেন লাগে। যদি মোক সোধা তোমালোকৰ প্ৰেমচান্দকো মোৰ মজলীয়া শ্ৰেণীৰ ঔপন্যাসিক যেন লাগে বুলি কম।"

"হ'ল হ'ল, তোমাৰ কথা বন্ধ কৰা। প্ৰেমচান্দৰ নিচিনা এজন শ্ৰেষ্ঠ লেখকক তুমি এনেভাবে অপমান কৰা মই সহ্য কৰিব নোৱাৰোঁ কমৰেড জগ্গী," মাথুৰে ঘোৰ প্ৰতিবাদ কৰিলে।

"কমৰেড জগ্গী, এই কথাত মই কিন্তু মাথুৰৰ লগত একমত। প্ৰেমচান্দ হিন্দী উপন্যাসৰ জনক। তুমি এইটো ডাঙৰ ভুল কৰিছা তেওঁক মজলীয়া শ্ৰেণীৰ ঔপন্যাসিক বুলি কৈ। কমৰেড কুন্দন, তোমাৰ কি মত?"

কুন্দন বিমোৰত পৰিল। সি মোমায়েকৰ পিনে চালে। সঁচা কথা ক'লে মোমাকেৰ অৱস্থা আৰু বেয়া হ'ব। গতিকে সি অন্য ধৰণে উত্তৰটো দিলে, "মোমায়ে হিন্দী উপন্যাস কম পঢ়ে, তেওঁ ইংৰাজী উপন্যাসহে পঢ়ে।" তাৰ পিচত অলপপৰ বৈ সি

বিষয়টো সলনি কৰি ক'লে, "মই কিন্তু যশপালতকৈ অমৃতলল নাগৰক বচি ভাল পাওঁ।"

কুন্দনৰ মুখত অমৃতলাল নাগৰৰ প্ৰশংসা শুনি নাগৰ চকিতে জাপ মাৰি উঠিল। "শুনিলা মাথুৰ, কমৰেড কুন্দনে কি কৈছে?"

কুন্দনে কৈ গ'ল, "যশপালৰ গল্পকাৰ হিচাপে হিন্দী সাহিত্যত নাম আছে। কিন্তু তেওঁৰ লেখনীত প্ৰাণ আৰু ৰহন নাই। অৱশ্যে দুয়োজনেই লক্ষ্ণৌৰ। ... কিন্তু।"

লক্ষ্ণৌৰে হওক বা আন ঠাইৰে হওক। ঠাইৰ ভিত্তিত লেখকক বিচাৰ কৰিব নালাগে। যশপালতো বিশ্বজনীন লেখক।"

"থৈ দিয়া তোমাৰ বিশ্বজনীন শব্দটো। যাক স্থানীয় মানুহেই চিনি নাপায় তেওঁ কেনেকৈ হ'ব বিশ্বজনীন?"

"স্থানীয় মানুহে বিখ্যাত লেখকক অনেক সময়ত চিনি নাপায় আৰু যেতিয়া বাহিৰৰ মানুহে তেওঁক বিখ্যাত বুলি গ্ৰহণ কৰে তেতিয়াহে তেওঁলোক সজাগ হয়," জগদীশ মোমায়ে অমৃতলাল নাগৰৰ বিষয়ে পৰোক্ষভাৱে মন্তব্য কৰিলে। ঠিক সেই সময়তে বাহিৰৰপৰা কোনোবাই মাতিলে, "জগদীশ! জগদীশ! ..."

"কোনোবাই তলৰপৰা মাতিছে", মাথুৰে ক'লে।

"কোনোবা বয়সীয়া মানুহৰ মাত", নাগৰে ক'লে।

"চা চোন কুন্দন কোনে মাতিছে। ... ৰ, ৰ, তই যাব নালাগে, মই যাওঁ," কৈয়েই জগদীশ তললৈ নামি গ'ল। ইতিমধ্যে খটখটীটোৰ আধা পৰ্যন্ত আহি আগন্তুকে আকৌ মাতিলে, "জগদীশ! কুন্দন!"

কুন্দনে তৎক্ষণাত ধৰি ল'লে সেইটো তাৰ দেউতাকৰ মাত। তাক যেন লগে লগে এটা বাঘ মকৰাইহে কামুৰিলে। দেউতাকেই বুলি নিশ্চিত হৈ সি পাকঘৰলৈ লৰ মাৰিলে। হে ঈশ্বৰ কি হ'ব এতিয়া?

তাৰ পিচত কি হ'ল? কি হ'ল কুন্দনে নাজানিলে। সি পাকঘৰত দুৱাৰ বন্ধ কৰি সোমাই থাকিল।

ভিনীহিয়েকক দেখি জগদীশৰ আশ্চৰ্য্যৰ সীমা নাথাকিলে। জগদীশে ক'লে, "ভিনীহিদেউ, আপুনি?"

"এৰা, মই এঠাইলৈ যাবলৈ হোৱাত বাটতে লক্ষ্ণৌত তোমালোকক অলপ সময়ৰ কাৰণে লগ পাই যাওঁ বুলি সোমালোঁ?"

"ভিনীহিদেউ, এওঁলোক মোৰ বন্ধু মাথুৰ আৰু নাগৰ। এওঁ মোৰ ভিনীহিদেউ নাৰায়ণ লাল টাম্‌টা।"

পৰিচয় কৰাই দিয়াৰ পিছত ভিনীহিয়েকে জগদীশক সুধিলে,"কুন্দন ক'লৈ গ'ল জগদীশ?"

"সি যুটীয়াভাৱে অধ্যয়ন কৰিবৰ কাৰণে প্ৰত্যেক দিনে এজন বন্ধুৰ ঘৰলৈ যায়। আজিও গৈছে।" জগদীশে মিছা কথাটো সহজে কৈ পেলালে।

"সি কেতিয়া আহিব?"

"সি আৰু এঘণ্টাৰ ভিৰতে অহাৰ কথা। কেতিয়াবা দেৰিও হয় ভিনীহিদেউ!"

"তাক তুমি সোনকালে মাতি পঠাব নোৱাৰানে? ইয়াৰপৰা কিমান দূৰ তাৰ বন্ধুৰ ঘৰলৈ? আচলতে মোৰ হাতত মাত্ৰ দুঘণ্টা সময় আছে আৰু ইয়াত মই মাথোন এঘণ্টামানহে থাকিব পাৰিম। মোৰ ট্ৰেইন নটা বজাত এৰিব। তুমি মোৰ চিঠি পাইছিলানে?"

"পাইছিলোঁ কিন্তু চিঠিত আপোনাৰ অহাৰ কথা একো উল্লেখ কৰা নাছিল।"

"তেতিয়া মোৰ অহাৰ একো ঠিক হোৱা নাছিল। যদি পাৰা কুন্দনক মাতি পঠোৱা নাইবা তাক লৈ তুমি ষ্টেচনলৈ আহিবা। মই দুই নম্বৰ প্লেটফৰ্মত থাকিম। মোৰ লগত আৰু কেইজনমান বন্ধু আছে।"

"আপুনি ইয়াত এদিন থাকি নাযায় কিয় ভিনীহিদেউ?" জগদীশে সুধিলে। অৱশ্যে তেওঁ নিশ্চিত আছিল যে তেওঁৰ ভিনীহিয়েক তাত কোনো মতেই নাথাকিব।

"জগদীশ তুমি কৈছা 'যুটীয়া অধ্যয়ন'। সেইটো কি মই বুজি পোৱা নাই। অধ্যয়ন জানো মিলিজুলি কৰিব পাৰি? পঢ়া-শুনাত তাক সহায় কৰাত তুমিয়েই জানো যথেষ্ট নহয়?"

"হয় ভিনীহিদেউ! কিন্তু কলেজৰ কামত বেচি ব্যস্ত থাকিবলগীয়া হোৱাত মোৰ সময় কম। গতিকে তাক এই 'যুটীয়া অধ্যয়ন'ত লগাই দিছোঁ। ... ভিনীহিদেউ মই তাক ষ্টেচনলৈ লৈ যাবলৈ চেষ্টা কৰিম আপোনাৰ গাড়ীখন এৰাৰ আগতে। পিচে, আপুনি হাত-মুখ ধোৱক আৰু ভাত খাই যাওক।"

"মই খাই বৈ আহিছোঁ, জগদীশ। এতিয়া তেন্তে উঠোঁ। তুমি কুন্দনক লৈ ষ্টেচনলৈ আহিবা। এটা কথা, ইয়াত কোনো হোষ্টেল নাইনে?"

"হোষ্টেল কিয় ভিনীহিদেউ?" জগদীশে আশ্চৰ্য্য হৈ সুধিলে।

"মই ভাবিছোঁ, কুন্দনক হোষ্টেলত থ'লে ভাল হ'ব নেকি? অকলে থাকিলে মানুহ আত্মনিৰ্ভৰশীল হয়। তোমাৰ লগত থকা তাৰ এবছৰ হ'ল। এতিয়া তাক নিজৰ ভৰিত থিয় হ'বলৈ দিলে ভাল।" অলপপৰ বৈ তেওঁ ক'লে, "তুমি যে মদ খোৱা সেইটো মই জনা নাছিলো। তুমি সদায় খোৱা নেকি?"

জগদীশ গম্ভীৰ হ'ল। তেওঁ গম্ভীৰ স্বৰে উত্তৰ দিলে, "শুনক ভিনীহিদেউ, এইটো মোৰ ব্যক্তিগত বিষয়। মই কি কৰোঁ আৰু কি নকৰোঁ সেইটো মোক সোধাৰ আৱশ্যক নাই। ... কুন্দনৰ কথা বেলেগ। কুন্দন মোৰ লগত থকাটো যে আপুনি ভাল পোৱা নাই মই ভালদৰে বুজিব পাৰিছো। মোৰ লগত আপোনাৰ ল'ৰা থাকিলে নষ্ট হ'ব—আপোনাৰ মনত সেই ভয় নহয় জানো?"

"নহয় জগদীশ, নহয়।" ভিনীহিয়েকে প্ৰতিবাদ কৰিলে।

"মোৰ প্ৰতি আপোনাৰ ধাৰণা কি মই ভালদৰে জানো ভিনীহিদেউ। এটা দিন আছিল যেতিয়া আপুনি মোক 'সাম্যবাদী' বুলি ঠাট্টা কৰিছিল। ঠিক তেন্তে, কুন্দন মোৰ লগত থাকিব নালাগে। তাক সোনকালেই মই হোষ্টেলত ভৰ্তি কৰাই দিম।"

"জগদীশ তুমি মোক বেয়া পালা। তোমাৰ মনত দুঃখ দিয়াৰ মোৰ অলপো উদ্দেশ্য নাছিল।"

"মই সকলো জানো ভিনীহিদেউ কাৰণ মই সৰু ল'ৰা নহওঁ। কুন্দন আপোনাৰ ল'ৰা, তাৰ ওপৰত আপোনাতকৈ মোৰ অধিকাৰ অনেক কম।"

"জগদীশ, ইয়াত এটা হৰিজন ছাত্ৰ হোষ্টেল আছে নহয় জানো?"

"আছে ভিনীহিদেউ। তাত কুন্দনক ভৰ্তি কৰাই দিম নেকি?"

"তুমি যি ভাল দেখা তাকে কৰিবা। সি মাহে ষাঠি টকাকৈ বৃত্তি পায়। ভাল হোষ্টেলত পইচাও বেচি লাগে। অৱশ্যে মই ইয়াৰ ভাল হোষ্টেলৰ বিষয়ে একো নাজানোঁ। তুমি মোতকৈ বেচি জানা জন্নী।"

"সেই বিষয়ে আপুনি একো চিন্তা নকৰিব ভিনীহিদেউ। আপুনি নিশ্চয় জানে কুন্দন প্ৰথম শ্ৰেণীৰ ছাত্ৰ, সি যে সকলো বিষয়তে প্ৰথম বিভাগৰ নম্বৰ পাব তাত মোৰ অলপো সন্দেহ নাই। তাক মই আটাইতকৈ এটা ভাল হোষ্টেলত ভৰ্তি কৰাম আৰু হোষ্টেলৰ নাম আৰু ঠিকনা আপোনাক জনাম। আপুনি সেই হোষ্টেলটোৰ অধীক্ষকৰ লগত টেলিফোনেৰে বা চিঠিৰে সংযোগ স্থাপন কৰিব পাৰিব। ... আপুনি মোক আপোনাৰ ঠিকনাটো দিয়ক।"

ভিনীহিয়েকে তেওঁৰ ঠিকনাটো দিলে আৰু তাৰ পিচত তেওঁ বিদায় লৈ গুচি গ'ল। দেউতাক যোৱাৰ পিছত কুন্দন পাকঘৰৰপৰা ওলাই অহাত মোমায়েকে সুধিলে, "এতিয়া দেউতাৰক লগ পাবলৈ ষ্টেচনলৈ যাৱনে নাযাৱ ক?"

কুন্দনৰ মূৰটো বৰকৈ ঘূৰাইছিল। পেটটোও গোৰগোৰাইছিল। যেন সি যিকোনো সময়তে বমি কৰিব। ... দুবছৰৰ পিছত সি দেউতাকক দেখাৰ সুযোগ পাইছিল কিন্তু সেই সুযোগ প্ৰায় হেৰুওৱাৰ নিচিনা হৈছে। যদি সি ষ্টেচনত লগ নাপায়? কিন্তু তাৰ শৰীৰৰ তেনে অৱস্থাত সি কেনেকৈ যাব ষ্টেচনলৈ? তাক দেখিয়েই দেউতাকে জানিব পাৰিব যে মোমায়েকৰ লগত বহি মদ খাইছিল মোমায়েকে যে মদ খাইছিল তেওঁক দেখিয়েই নিশ্চয় বুজিব পাৰিছিল। কিন্তু তাৰ দেউতাক তাক চাবৰ কাৰণেইতো আহিছিল লক্ষ্ণৌলৈ। কেই সপ্তাহমানৰ আগতে তেওঁ তালৈ এখন দীঘল চিঠি লিখিছিল। সেই চিঠিখনৰ উত্তৰ সি এতিয়াও দিয়া নাই। ইমান দীঘল আৰু উপদেশপূৰ্ণ চিঠিখনৰ উত্তৰ সি দিব?

"মোৰ মতে, তই ষ্টেচনলৈ যাব নালাগে। মোৰ ওপৰত বৰ অসন্তুষ্ট হৈ গৈছে ভিনীহিদেউ। তোক দেখিলে তোৰ ওপৰতো অসন্তুষ্ট হ'ব আৰু দহজনৰ আগত তোক তিৰস্কাৰ কৰিব। তাৰ পিচত বাইদেউ আৰু দেউতালৈ আমাৰ বিৰুদ্ধে লিখিব। আমি যে এটা ডাঙৰ মিছা কথা ক'লোঁ, সেইটো যেন তেওঁ আৰু বাইদেৱে নাজানে তাৰ কাৰণে আমি সাৱধান হ'ব লাগিব। কিন্তু এটা কথা ঠিক যে তোক মোৰ লগত নাৰাখো আৰু ভিনীহিয়ে কৈ যোৱা মতে এটা ভাল হোষ্টেলত ৰাখিম। ... কি হ'ল তোৰ? তই কান্দিছ কিয়?"

তাৰ কি হ'ল সেই কথা সি কেনেকৈ ক'ব মোমায়েকক। জগদীশে তাৰ পিঠিত

হাতটো থৈ ক'লে, "তই ইমান বিচলিত হৈছ কিয়? যি হৈ গ'ল— ভিনীহিদেউ আৰু মোৰ মাজত হ'ল ... তাৰ বাবে তই ভাবি অলপো মন বেয়া নকৰিবি। তেওঁক দেখি তেওঁৰ স্বাস্থ্য আগতকৈ ভাল যেন লাগিল। তোক লগ পালে তই কি কৰি আছ, কি পঢ়া-শুনা কৰিছ, তোৰ থকা-মেলাৰ কিবা অসুবিধা হৈছে নেকি আদি অনেক প্ৰশ্ন কৰিব। অৰ্থাৎ ভিনীহিয়ে তোক মোৰপৰা আঁতৰ কৰিবলৈ বিচাৰিছে।"

কুন্দন হঠাৎ বহাৰপৰা উঠিল আৰু সি গাধোৱা ঘৰলৈ লৰ মাৰি গৈ তাত বমি কৰিলে। জগদীশ তাৰ পিচে পিচে গ'ল।

"আই এম চৰি মামা।"

"সেইবোৰ একো নাভাবিবি। কিন্তু দোষ তোৰ নিজৰ গাতেই। জীৱনত প্ৰথমবাৰ মদ স্পৰ্শ কৰিছিলি যেতিয়া তই চাৰি গিলাচ খাব নালাগিছিল। দুগিলাচৰ পিচতে মই তোক হাক দিম বুলি ভাবিছিলোঁ, কিন্তু তেতিয়া তই ইমান স্ফূৰ্তিত আছিলি যে বাধা দিলে তই বৰকৈ ক্ষুণ্ন হ'ব বুলি মই বাধা নিদিলোঁ। সি যি কি নহওক, তই এতিয়া শো, মই লৰালৰিকৈ অকলেই ষ্টেচনলৈ যাম। ভিনীহিৰ ট্ৰেইনখন আহিবলৈ বেচি সময় নাই।"

"ময়ো যাম মোমাইদেউ, মই এতিয়া সম্পূৰ্ণ স্বাভাৱিক।" কৈয়েই কুন্দন যাবলৈ প্ৰস্তুত হ'ল।

যেতিয়া মোমাই আৰু ভাগিন ষ্টেচনত উপস্থিত হ'ল, তাৰ আগতেই ট্ৰেইনখন ষ্টেচনলৈ আহিছিল আৰু মানুহৰ অতিপাত ভিৰৰ কাৰণে প্লেটফৰ্মত বিৰ দি বাট নোপোৱা হৈছিল। দুয়ো ট্ৰেইনখনৰ ইমূৰৰ পৰা সিমূৰলৈ তিনি তিনিবাৰ অহা-যোৱা কৰিলে কিন্তু যাত্ৰীৰে ভৰপূৰ ডবাৰ ভিতৰত নাৰায়ণ ৰাম টাম্‌টাক দেখা নাপালে। তাৰ পিছত যেতিয়া ট্ৰেইনখন চলিবলৈ আৰম্ভ কৰিলে দুয়ো প্লেটফৰ্মৰ এঠাইত থিয় হৈ চলন্ত গাড়ীখনৰ ডবাবোৰলৈ চাই থাকিল। এনেতে হঠাৎ চলন্ত ট্ৰেইনখনৰ ডবা এটাৰপৰা দেউতাকে 'কুন্দন' বুলি মতা শুনিলে। তাৰ নামটো শুনাৰ লগে লগে সি ডবাটোৰ পিনে দৌৰ মাৰিলে কিন্তু ট্ৰেইনখনৰ গতি বৃদ্ধি হোৱাৰ কাৰণে দেউতাকৰ মুখখন ছয়াময়াকৈহে দেখা পালে।

অন্তৰৰ কথা

মই প্ৰায়েই মানুহৰ মুখত শুনিছোঁ মানুহৰ জীৱনত ঘটি থকা ঘটনাবোৰ আগতেই নিৰ্দ্ধাৰিত থাকে আৰু সেইবোৰ অলপো ইফাল-সিফাল নোহোৱাকৈ যথাসময়ত ঘটি

থাকে। এই বিশ্বাসটো কেৱল ভাগ্যবাদীসকলৰ মনতেই নহয়, কৰ্মযোগীসকলৰ মনতো থকা মই দেখিছোঁ। তেওঁলোকৰ মতে, প্ৰত্যেকটো জীৱনৰ এটা বিশিষ্ট ক্ৰম-বিন্যাস নিশ্চয় থাকে। যদিও মই অনুভৱ কৰোঁ জীৱনটো এটা অবিশ্বাস, অসঙ্গতি আৰু প্ৰবঞ্চনাৰ বস্তু, জীৱনৰ সকলো ঘটনাযে কপালত লিখা মতে ঘটে সেইটো প্ৰমান কৰিব খোজোঁ। তাৰ বাহিৰেও নাজানো কিয় মোৰ অন্তৰৰ একেবাৰে ভিতৰত এটা আঁকোৰগোজ চিন্তাই কাম কৰি থাকে আৰু সেই অবিশ্বাস, অসঙ্গতি আৰু প্ৰবঞ্চনাতো বিশ্বাস, সততা আৰু সঙ্গতি বাহিৰ কৰিবলৈ ঘূৰি ফুৰে।

মনৰ সকলো কটু অনুভৱ সত্ত্বেও মই এইটো আশা মনৰপৰা একেবাৰে বাদ দিয়া নাই যে মোৰ সকলো ব্যৰ্থতাৰ জাবৰ-জোথৰবোৰৰ তলত এদিন এটা বস্তু বিচাৰি পাম যি মোৰ মনলৈ বিশ্বাস আনিব যে মোৰ জীৱনটো অৰ্থহীন অকামিলা নহয় আৰু ব্যৰ্থ হোৱা নাই। অৱশ্যে সেই আশাৰ লগত মোৰ উদাসীনতা বা আত্মগ্লানিৰ কোনো সম্বন্ধ নাই। যদি মোৰ অৰ্থহীন জীৱনতো কিবা অৰ্থ থাকিব পাৰে তাৰ উদ্দেশ্য হ'ল মোক সদায় স্বাধীন আৰু স্বতন্ত্ৰ হৈ থাকিবলৈ দিয়া।

ডাঙৰীয়া, মই মোৰ কথাবোৰৰ অৰ্থ আপোনাৰ ওচৰত ভালকৈ ব্যাখ্যা কৰিব পাৰিছোনে নাই আৰু মোৰ সেই ব্যাখ্যা আপুনি বুজিছেনে নাই মই নাজানো। মই যি ক'বলৈ বিচাৰোঁ আৰু যিখিনি কথা মই ক'ব পাৰিছোঁ— দুয়োৰে মাজত এটা হাস্যাস্পদ ব্যৱধান সদায় থাকে। আৰু এটা অসুবিধা মই সদায় অনুভৱ কৰোঁ যে কি ক'বলৈ বিচাৰো তাকো সঠিককৈ নাজানো। মই আপোনাক মোৰ এজন অন্তৰঙ্গ বন্ধুৱে মোক কোৱা কথা এষাৰ ক'ব খোজো। তেওঁ কৈছিল, "তোমাৰ আত্মসন্মান জ্ঞান যিমান থাকিব লাগে সিমান নাই।" কথাষাৰ মোক পাঁচ বছৰৰ আগতে কৈছিল আৰু তাৰ ঠিক পাঁচ বছৰৰ পিছত সেই কথাষাৰকে এজনী ছোৱালীয়ে কৈছিল। সেই কথাষাৰ মোৰ অসঙ্গত লাগিছিল কিয়নো পাঁচ বছৰ কম সময় নাছিল। পাঁচ বছৰৰ ভিতৰত ক'ৰ মানুহ ক'লৈ গুচি যায় কোনেও নাজানে। সেই পাঁচ বছৰৰ ভিতৰত আত্মসন্মান কিয় মোৰ আত্মবিশ্বাসো সুদৃঢ় হৈ পৰিছিল আৰু সেই কাৰণে সেই ছোৱালীজনীৰ কথা শুনি মই আচৰিত হৈছিলোঁ, আৰু বিশ্বাস কৰিবলৈ টান পাইছিলোঁ। যদিও তাইৰ উদ্দেশ্য মাত্ৰ মোৰ খং তোলোৱাটো আছিল, এটা দৃষ্টিকোণৰ পৰা তাইৰ মন্তব্য আৰ্থাৰৰ নিচিনাকৈ কিছু সত্য আছিল। সেইটো একেবাৰে বেলেগ কথা আছিল আৰু মোৰ অন্তৰৰ সেই কথা আৰু মোৰ প্ৰতি তাইৰ সেই ধাৰণা থকা সত্ত্বেও তাই মোক জীৱনসঙ্গী হিচাপে বাছি লৈছিল। তাই বোধকৰো ভাবিছিল মোক বিয়া কৰি মোৰ সেই খুঁত গুচাব আৰু আত্মসন্মানৰ নাটনি পূৰা কৰিব। হয়তো তাইৰ সেই চিন্তা অৰ্থহীন আৰু ভ্ৰান্তিমূলক নাছিল।

মই আপোনাক কৈছিলোঁ— মই যিবোৰ কথা ক'বলৈ বিচাৰোঁ আৰু বাস্তৱিকতে যিবোৰ কথা কওঁ তাৰ মাজত এটা ব্যৱধান থাকে। গতিকে আপুনিয়েই কওক যদি আত্মসন্মানৰ চিন্তা নাথাকে, কোনো মানুহে নিজৰ কথা বিশ্বাস কৰিব পাৰেনে? আপুনি হয়তো এইটোও জানে যে নিজকে বিদ্ৰূপ কৰা বুদ্ধিমান আৰু আত্মসন্মান থকা মানুহৰ

স্বভাৱ নহয়, যাৰ দুৰ্বলতা আৰু হীনমন্যতা আছে তেওঁলোকৰহে।

কেতিয়াবা কেতিয়াবা মই অনুভৱ কৰোঁ মোৰ কপালখন আমাৰ অতি প্ৰাচীন সভ্যতাৰ নিচিনা— যি অনেক বাধা-বিঘিনি আৰু প্ৰতিবন্ধক সত্ত্বেও নষ্ট হোৱা নাছিল বৰং শতাব্দীৰ পিছত শতাব্দী তাৰ সৌষ্ঠৱ বৃদ্ধিহে হৈছিল। আপুনি হয়তো এইটোও জানে যে সেই সভ্যতাৰ আন্ধাৰ কোণবোৰৰ কথা সদায় বাহিৰৰ মানুহে জানি আহিছে আৰু ভিতৰৰ অৰ্থাৎ দেশৰ মানুহে সেই বিষয়ে একো নাজানে।

মই নিজ ইচ্ছাৰে ছসপ্তাহ কটোৱা এই কাৰাবাসৰ ফলাফল আপোনাৰ সন্মুখত। মই একেৰাহে লিখি আছোঁ আৱশ্যকতা আৰু বাধ্যতাৰ খাতিৰত। মই যেতিয়া সৰু আছিলোঁ, এদিন দেউতাই মোক শপত খুৱাইছিল মই যেন সদায় সত্য কথা কওঁ। বছৰৰ পিছৰ বছৰ ধৰি মই এটা যন্ত্ৰৰ নিচিনাকৈ তেওঁৰ বাক্য পালন কৰিছিলোঁ; কিন্তু এদিন মোৰ মনলৈ বিৰক্তি আহিল আৰু মই নিজকে প্ৰশ্ন কৰিলোঁ, সত্য কথা কিয় ক'ব লাগে? সত্যত থকাতকৈ সত্য কথা কোৱা বেছি জৰুৰী নে? সত্যত কেনেকৈ থকা যায়?' নাজানো কেতিয়াৰপৰা মোৰ ভিতৰত দুটা সত্য বিৰাজ কৰি আছে আৰু ইটোৱে সিটোৰ লগত বিৰোধিতা কৰি মোক এখোজো আগলৈ যাবলৈ দিয়া নাই। এটা হ'ল মই চাকৰ আৰু আনটো হ'ল মই স্বাধীন মানুহ। দুয়োটাই মোৰ ওচৰত সত্য আৰু দুয়োটাই মোৰ মনলৈ মূল অনুভূতিবোৰ আনি দিয়ে। মই সকলোৰেপৰা মোৰ পৰিয়াল, জ্ঞাতি-কুটুম, ওচৰ-চুবুৰীয়া, সমাজ, জাতি, দেশ আৰু নিজৰপৰাও স্বাধীন আৰু মুক্ত হ'ব খোজোঁ। মই কাকো দিব নোৱাৰোঁ, কাকো সঁপিব নোৱাৰো আৰু অনুভৱ কৰোঁ— এই সৃষ্টিখন মোক ফান্দত পেলাবৰ কাৰণে এখন জালৰ নিচিনাকৈ মোক মেৰিয়াই ধৰিবলৈ মোৰ পিচে পিচে আহি আছে আৰু তাৰপৰা নিজকে বচাবলৈ মই প্ৰাণপণে চেষ্টা কৰিছোঁ। সেইটো মোৰ এটা অনুভূতি— যিটো দিনে দিনে চোকা হৈ গৈ আছে।

মোৰ দ্বিতীয় অনুভূতিটো হ'ল— এই দাসত্বৰ। মই বিচাৰো মোক যেন কোনোবাই বান্ধি থয়। কিন্তু বান্ধিব কোনে? ডাঙৰীয়া, মই যিটো বস্তু আটাইতকৈ বেচি ভয় কৰোঁ— সেইটো হ'ল স্বাধীনতা— যাৰ বৰ্ণনা মই আগতেই কৰি আহিছোঁ। এইটো মোৰ দ্বিতীয় মূল অনুভূতি। অৰ্থাৎ ক'ব লাগিব মোৰ ভিতৰত এটা দাসৰো দাস বহি আছে— যি নিজৰ কথা চিন্তা কৰিবলৈকো ভয় কৰে।

ডাঙৰীয়া, কওকচোন দাস বা চাকৰ কাক কয়, দাসত্বৰ খোলোচা অৰ্থ কি? নিজৰ দাসত্বক বুজিবৰ কাৰণে মই যে জীৱনত অনেক চেষ্টা কৰি আহিছোঁ— সেইটো আপুনি দেখিছে। আপুনি হয়তো এইটোও দেখিছে যে মই অনুভূতিৰপৰা এতিয়াও মুক্ত হ'ব পৰা নাই।

কিন্তু মুক্ত নহ'লেনো কি হ'ব? সেই দাসত্ব সত্ত্বেও মোৰ যিবোৰ কৰিবলগীয়া কাম সেইবোৰ মই জানো কৰা নাই? তাক আপুনি মোৰ চেষ্টাৰ ফল বুলি নক'বনে? সফলতা লাভ কৰা আৰু নো কাক কয়? মই জগতৰ পৰা লোহা লৈ তাক মোৰ আৱশ্যক মতে বেঁকা কৰিলোঁ, মানুহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলোঁ আৰু ঘটনাবোৰক

নিজৰ অনুকূল কৰালোঁ। সেইবোৰ অলাগতিয়াল আছিলনে?

কিন্তু শেহত মোৰ সকলো সংঘৰ্ষ আৰু সফলতা সত্ত্বেও কিয় আজি মই এই খালটোত পৰি নাজানো কেতিয়াৰপৰা আপোনাক চিঞৰিছোঁ—যাতে আপুনি মোৰ ওচৰলৈ আহি মোৰ হাত দুটাত ধৰি খালটোৰপৰা ওপৰলৈ তুলি মোক উদ্ধাৰ কৰে। মোৰ চিঞৰৰ কাৰণটো আপুনি বুজা নাই জানো?

পাঁচ বছৰৰ পিছত

কুন্দনৰ মনত পৰে আৰম্ভণিতে যেতিয়াই সি মাকক কিবা প্ৰশ্ন কৰিছিল তেতিয়াই তেওঁ উত্তৰ দিছিল প্ৰবাসত দেউতাৰ আছে আৰু তাত তেওঁ নিজৰ কাম কৰে, আৰু সন্মানেৰে থাকে। তেওঁ মাহে মাহে ঘৰলৈ টকা পঠায়। ঘৰখন যাতে ভাল দৰে চলে আৰু ল'ৰা-ছোৱালীয়ে ভালদৰে পঢ়া-শুনা কৰে সেই কথা সদায় তেওঁ চিন্তা কৰে আৰু ঘৰখনৰ মঙ্গলৰ কাৰণে তপস্যা কৰে। দেউতাকৰ সম্বন্ধে সেই কথাবোৰ কিমান সঁচা— কুন্দনে তেতিয়া সেই সম্বন্ধে একো ভবা নাছিল।

কিন্তু মাকে কোৱা মিছা কথাবোৰ এদিন সঁচা বুলি প্ৰমাণ হ'ল। ডাকোৱালে আহি সঁচাসচিকৈ দেউতাকে পঠোৱা মনিঅৰ্ডাৰ এখন মাকক দিলেহি। তাৰ পিচত প্ৰতি মাহে মনিঅৰ্ডাৰ আহিবলৈ ধৰিলে। মনিঅৰ্ডাৰ তেতিয়ালৈকে আহি থাকিল যেতিয়া পাঁচ বছৰৰ পিছত নাৰায়ণ ৰাম টাম্‌টা অনন্তপুৰলৈ ঘূৰি আহিল। সেই পাঁচ বছৰৰ ভিতৰত কুন্দনে আই এ আৰু বি এ পৰীক্ষাত উত্তীৰ্ণ হৈ এম এৰ কাৰণে প্ৰস্তুত হৈছিল। দেউতাক ঘৰলৈ ঘূৰি অহা সংবাদটো কুন্দনে এটা গুজব হিচাপে ধৰি লৈছিল। আচলতে সেইটো গুজব নাছিল— সঁচা ঘটনা আছিল। পাঁচ বছৰৰ পিচত কুন্দনৰ কাৰণে সেই সততা গুজবতকৈও অৰ্থহীন হৈ পৰিছিল। মেট্ৰিকৰ পিছত সি সকলো পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল আৰু যিমান বৃত্তি পাইছিল সেই বৃত্তি তাৰ কাৰণে যথেষ্ট আছিল আৰু সেই কাৰণে ঘৰলৈ বা মোমায়েকৰ ঘৰলৈ পইচাৰ কাৰণে লিখিবলগীয়া নহৈছিল। দেউতাকৰ প্ৰতি তাৰ এনে হীন মনোভাৱ আছিল যে পৰীক্ষাত তাৰ সুনামৰ বাবে তেওঁক কিঞ্চিৎমানো প্ৰশংসাৰ ভাগ নিদিছিল। কিন্তু আনহাতে, দেউতাকৰ অনুপস্থিতিয়ে বিভিন্ন ধৰণে তাৰ মনত ক্ৰিয়া কৰিছিল। অৱশ্যে পাঁচ বছৰৰ অনুপস্থিতিয়ে দুয়োৰে মাজত এটা বহল ব্যৱধান সৃষ্টি কৰিছিল আৰু তেওঁৰ প্ৰতি তাৰ মনত যি বিদ্ৰোহ উৎপন্ন হৈছিল সেই বিদ্ৰোহৰ মাত্ৰা দিনে

দিনে বাঢ়ি গৈছিল। সেই পাঁচ বছৰৰ ভিতৰত সি দেউতাকৰ সকলো অভ্যাস, সংস্কাৰ আৰু বিচাৰ এৰি দিছিল আৰু নিজে যি ভাল পায় তাকেই কৰিছিল। আই এ পাছ নকৰা পৰ্যন্ত সি ঘৰতে থকাৰ কাৰণে ঘৰৰ ৰীতি-নীতিবোৰ পালন কৰিছিল। কিন্তু লক্ষ্ণৌলৈ যোৱাৰ পিচত তিনি বছৰ ঘৰলৈ অহা নাছিল আৰু তাত নিজৰ মতে চলিছিল। সেই তিনি বছৰৰ ভিতৰত সি মাক আৰু ভায়েক-ভনীয়েকহঁতক দেখা নাছিল আৰু তাৰ ফলত তেওঁলোকৰ লগত তাৰ সম্বন্ধৰ জৰীডালো ঢিলা হৈছিল। পৰিয়ালৰপৰা আঁতৰত থকাৰ কাৰণে যি এটা সাময়িক বিচ্ছেদৰ পৰিৱেশ গঢ়ি উঠিছিল, সেই পৰিৱেশে কুন্দনৰ কেৱল তাৰ অস্তিত্ব ৰক্ষাৰে নহয় ব্যক্তিত্ব গঢ়ি তোলাৰো প্ৰশ্ন হৈ পৰিছিল। তাৰ এতিয়া যি ব্যক্তিত্ব আছে সেইটো সিয়েই গঢ়ি তুলিছিল আৰু তাৰ লগত আন কাৰো যোগ নাছিল। অৱশ্যে তাৰ লগত আত্মনিৰ্ভৰশীলতাৰ যোগ নিশ্চয় আছিল আৰু সি যি কোনো বিষয়তে কাৰো উপদেশ বা সাহায্য ল'বলগীয়া নহৈছিল।

তাৰ একনিষ্ঠ চেষ্টা আৰু পৰিশ্ৰমৰ ফলত সি ইণ্টাৰ আৰু বি এত প্ৰথম বিভাগ পাইছিল আৰু এম এত বিশ্ববিদ্যালয়ত প্ৰথম স্থান অধিকাৰ কৰিছিল।

যিদিনা এম এ পৰীক্ষাৰ ফলাফল ওলাল, কুন্দনৰ হঠাৎ ঘৰলৈ বৰকৈ মনত পৰিল। তাৰ মোমায়েক আৰু বন্ধু-বান্ধৱক লৈ সি যি বিজয়-আনন্দ উপভোগ কৰিলে, তাত সন্তুষ্ট নহৈ নিজৰ ঘৰৰ মানুহকো সেই আনন্দৰ ভাগ দিবলৈ সি ঘৰলৈ ৰাওনা হ'ল। সি বিশ্বাস কৰিবলৈ টান পালে— যোৱা চাৰি বছৰৰ ভিতৰত সি এবাৰ মাত্ৰ ঘৰলৈ গৈছিল আৰু সেইবাৰো যেতিয়া তাৰ দেউতাক ঘৰলৈ ঘূৰি অহাৰ খবৰটো পাইছিল। ঘৰত সি মাত্ৰ এসপ্তাহ আছিল আৰু পঢ়া-শুনাৰ চেলু লৈ লক্ষ্ণৌলৈ ঘূৰি গৈছিল।

এদিন সি তাৰ কোঠাত বিছনাত শুই কিতাপ এখন পঢ়ি থাকোতে তাৰ দেউতাক দুৱাৰমুখলৈকে আহি ৰৈ যোৱা দেখিলে— যেন তেওঁ তাক কিবা ক'ব খুজিছে আৰু ভিতৰলৈ সোমাবলৈ অনুমতিৰ কাৰণে অপেক্ষা কৰিছে। নহয়! ... কুন্দনে ইচ্ছা কৰিয়েই দেউতাকক নেদেখাৰ ভাও ধৰি কিতাপ পঢ়ি থাকিল। তাৰ কোনো সঁহাৰি নাপাই দেউতাক তাৰপৰা লাহে লাহে গুচি গ'ল।

এদিন ৰাতিপুৱা বাহিৰৰপৰা ঘূৰি আহি তাৰ কোঠাত সোমাবলৈ যাওঁতে দেখিলে তাৰ দেউতাকে তাৰ কিতাপ-পত্ৰবোৰ ওলটপালন কৰি কিবা বিচাৰিছে। অলপপৰ দুৱাৰমুখত থিয় হৈ থাকি কুন্দন তাৰপৰা আঁতৰি গ'ল। ঘূৰি যাওঁতে দেউতাকে তাক দেখিলে। তেওঁ কিতাপ-পত্ৰবোৰ ওলট-পালট কৰি কি বিচাৰিছিল কুন্দনে কোনো মতেই অনুমান কৰিব নোৱাৰিলে। ইফালে-সিফালে ঘূৰি-পকি কুন্দন যেতিয়া এঘণ্টামানৰ পিছত ঘূৰি আহিল, তাৰ কোঠাত দেউতাকক নেদেখি সি সন্তোষ পালে কিন্তু পিছ মুহূৰ্ততে আচৰিত হ'ল যে তাৰ বহীবোৰৰ মাজত থকা চাৰি পাঁচখনমান ডাঙৰ বহী তাত নাই। পিছত সি জানিব পাৰিলে সেই বহী কেইখন তাৰ দেউতাকৰ ডায়েৰী আছিল— য'ত তেওঁ অজ্ঞাতবাসৰ সকলো ঘটনা লিপিবদ্ধ কৰা আছিল।

ঘৰত থকা সাত দিনৰ ভিতৰত কুন্দনে আশা কৰিছিল দেউতাকে তাক কিবা

সুধিব আৰু তাৰ লগত কথা পাতিব। কিন্তু তেওঁ সেই আগ্ৰহ নেদেখুৱালে আৰু কুন্দন যেন ঘৰৰ কোনো নহয়, আৰু আনকি তেওঁৰো ল'ৰা নহয়, সেই ভাৱ প্ৰকাশ কৰিলে।

ঘৰত সাত দিন থাকি কুন্দন লক্ষ্ণৌলৈ ঘূৰি গ'ল। যোৱাৰ আগতে দেউতাকৰ লগত তাৰ সদায় দেখা-সাক্ষাৎ হৈছিল যদিও কথা-বাৰ্তাৰ বিনিময় হোৱা নাছিল। যেন একেটা ঘৰতে থাকিলেও দুয়ো দুয়োৰে অচিনাকি আৰু ইজনৰ লগত সিজনৰ কোনো সম্বন্ধ নাই। কোৱা বাহুল্য যে এদিনৰ বাহিৰে তাৰ দেউতাক কুন্দনৰ কোঠালৈ পিচত কেতিয়াও যোৱা নাছিল।

পুনৰ ভাগীৰথী

লক্ষ্ণৌৰপৰা একেবাৰে ঘৰলৈ গুচি অহাৰ পিচত কুন্দনে লক্ষ্য কৰিলে পাঁচ বছৰ ঘৰৰপৰা আঁতৰি থকা সত্ত্বেও তাৰ দেউতাকৰ বিশেষ একো পৰিৱৰ্তন হোৱা নাই। অৱশ্যে আগতকৈ তেওঁ কম কথা কয় আৰু আগৰ নিচিনা সিহঁতৰ লগত হাঁহি-ঠাট্টা নকৰে। ঘৰখনত তাৰ ভায়েক ৰাজেনে কুন্দনৰ ঠাই ল'লে আৰু তাৰ আৰু দেউতাকৰ মাজত যি শীতল যুদ্ধ চলি আছিল সি তাৰ মধ্যস্থতা কৰিলে।

কুন্দনৰ ওপৰত মাকৰ বৰ খং কাৰণ সি দেউতাকৰ ওচৰত আগৰ দৰে সহজ আৰু স্বাভাৱিক নহয়। তেওঁ কয়, "তই তেওঁৰ ওচৰত নবহ কিয়? ঘৰৰপৰা দূৰত থাকোতে তেওঁ তোৰ কথা কিমান চিন্তা কৰিছিল আৰু প্ৰত্যেকখন চিঠিতে তোৰ কথা কিমান লিখিছিল। হাজাৰ হ'লেও তোৰ দেউতাৰ শত্ৰুতো নহয়। তহঁতৰ প্ৰতি মোহ নথকাহেঁতেন তেওঁ ঘূৰি আহিলহেঁতেননে? দেউতাকে অনেক তীৰ্থস্থান দৰ্শন কৰি আহিছে। বাহিৰত তেওঁ এনেয়ে থকা নাছিল, কাম কৰিছিল আৰু ঘৰৰ খৰচৰ কাৰণে নিয়ম মতে টকা পঠাইছিল। ঈশ্বৰে তেওঁক ঘৰলৈ ঘূৰি আহিবলৈ সুমতি দিলে আৰু তেওঁ গুচি আহিল। তোৰ লগত দুটা কথা পাতিবলৈ কিমান আশা কৰে। কিন্তু তই এনেভাৱে গম্ভীৰ হৈ থাক কিয়? দেউতাৰে তোক কি বেয়া কৰিলে? ঘৰৰপৰা গৈ দেউতাৰে যদি কিবা বেয়া কৰিলে নিজহে বেয়া কৰিলে। তোৰতো একো ক্ষতি হোৱা নাই? বৰঞ্চ তোৰ ভালহে হ'ল। বোপাই, ঈশ্বৰে যি কৰে সকলোৱে ভাল কৰে। সকলোৰে নিজৰ নিজৰ ভাগ্য আছে। তাক কোনেও বদলি কৰিব নোৱাৰে। এই পাঁচ বছৰত দেউতাৰে স্বৰ্গ-নৰক সকলো দেখিলে।"

"তেন্তে মই কি কৰোঁ মা? তেওঁক কোনে কৈছিল স্বৰ্গ-নৰক চাবলৈ যাবলৈ, কোনে কৈছিল নিজৰ ল'ৰা-ছোৱালীক নিঃসহায়ভাৱে এৰি থৈ হাবিয়ে-জঙ্গলে ঘূৰি ফুৰিবলৈ? তেওঁ তেনেভাৱে ঘৰ এৰি যোৱাত আমাৰ পৰিয়াল আৰু অঙহী-বঙহীৰ যি বদনাম হ'ল সেইটো তুমি ভালদৰে জানা। মা, দেউতাৰ লগত কথাপতা কিয়, তেওঁৰ আগত ওলাবলৈকো মোৰ মন নাযায়। তুমি মোক জোৰ নকৰিবা মা। মই যদি তেওঁৰ লগত কথা পাতোঁ, কাজিয়া লাগিব। কাজিয়া লাগিলে তুমি ভাল পাবানে?"

"তোৰ যি ইচ্ছা তাকে কৰ। মই তোক জোৰ নকৰোঁ। কিন্তু তোৰ এই আঁকোৰগোজ মনোভাৱটো মই ভাল নাপাওঁ। দেউতাৰৰ লগত এনে ব্যৱহাৰ কৰা তোৰ উচিত হোৱা নাই।"

দিন পাৰ হৈ গৈ আছিল। তাৰ ভিতৰতে তাৰ প্ৰফেচাৰ এজনক লগ পাবলৈ কুন্দন এবাৰ লক্ষ্ণৌলৈ গৈছিল। তেওঁ আমেৰিকাত কেবাবছৰো আছিল আৰু কিছুদিনৰ কাৰণে ঘৰলৈ আঁহি আকৌ ঘূৰি যাব। তেওঁ কুন্দনক এবছৰ-ডেৰ বছৰমান কলেজত চাকৰি কৰি অভিজ্ঞতা লাভ কৰাৰ পিচত তাক বিদেশলৈ মাতি নিয়াৰ আশ্বাস দিলে আৰু তাত 'ফেলশ্বিপ' দিয়াৰ কথা ক'লে। সিমানেই নহয় তেওঁ জাৰ্মানীৰ এজন প্ৰসিদ্ধ অধ্যাপকক কুন্দনৰ কথা কৈ থৈছে আৰু সি বিদেশলৈ গ'লেই তেওঁৰপৰা সকলো সাহায্য পাব। উচ্চ শিক্ষাৰ কাৰণে বিদেশলৈ যোৱাৰ সোণালী স্বপ্ন কুন্দনৰ চকুৰ আগত ভাহি উঠিল। দুবছৰ মানৰ ভিতৰতে যে সি বিদেশলৈ যাব নিশ্চিত হ'ল।

এদিন গধূলি সি ৰামখুৱাৰ ঘৰত উপস্থিত হ'ল। আচলতে কুন্দনে তালৈ যোৱাৰ কথা আগতে ভবা নাছিল। গধূলি ফুৰিবৰ উদ্দেশ্যে ৰাস্তায়েদি গৈ থাকোতে সি অজ্ঞাতসাৰেই যেতিয়া ৰামখুৱাৰ ঘৰৰ দুৱাৰমুখত থিয় হ'ল ভাগীৰথীয়ে তাক অভ্যৰ্থনা কৰিলে আৰু তাক বাৰাণ্ডাতে চকি এখনত বহিবলৈ দিলে। ঘৰত তাই অকলে আছিল—ৰামখুৱা বজাৰৰ পিনে ওলাই গৈছিল।

ভাগীৰথীক দেখিয়েই সি কি সুধিব একো বিচাৰি নাপাই মাত্ৰ সুধিলে, "ৰামখুৱা ক'লৈ গ'ল?"

ভাগীৰথীয়ে মিচিকিয়াই হাঁহিলে আৰু বুজিলে অনেক দিনৰ মূৰত তাইক দেখা পাই কুন্দন নিশ্চয় স্বাভাৱিক হ'ব পৰা নাই আৰু লগতে তাৰ স্নায়বিক দুৰ্বলতাও আছে। ভাগীৰথীৰ মিচিকিয়া হাঁহিটো দেখি তাৰ স্নায়বিক দুৰ্বলতা যে তাইৰ আগত ধৰা পৰিল কুন্দনে ভালদৰে বুজিব পাৰিলে। সিতো সেই প্ৰশ্নটো নকৰি, 'ভাগী, তুমি কেনে আছা' বুলি সুধিব পাৰিলেহেঁতেন। হঠাৎ সি অনুভৱ কৰিলে তাৰ বুকুখন টিপটিপাইছে আৰু সি কোনো মতেই সহজ আৰু স্বাভাৱিক হ'ব পৰা নাই।

"আজিকালি আপুনি আমাৰ ঘৰলৈ নাহে কিয়?"

কুন্দনৰ বুকুৰ টিপটিপনি কম হোৱাৰ সলনি বেচিহে হ'ল। ভাগীৰথীয়ে তাক 'আপুনি' বুলি সম্বোধন কৰি তাক সন্মান দিয়া দেখি সি ভালপালেও তাইৰ মুখত

আগৰ 'তুমি' শব্দটো নুশুনি কিবা এটা হেৰুওৱা অনুভৱ কৰিলে। তাইৰ মুখত আগৰ 'কুন্দন' সম্বোধনটো কিমান আপোন আৰু সোৱাদ আছিল। তাই তাক 'কুন্দন, আজি কালি তুমি আমাৰ ঘৰলৈ নাহা কিয়' বুলি সোধাহেঁতেন সি কিমান সহজ আৰু স্বাভাৱিক হ'ব পাৰিলেহেঁতেন, মনত কিমান ভাল পালেহেঁতেন!

অকস্মাৎ তাৰ মনত পৰিল যে সি এতিয়াও ভাগীৰথীৰ প্ৰশ্নৰ উত্তৰ দিয়া নাই।

সি খপ্‌জপ্‌কৈ উত্তৰ দিলে, "মই জানো ইয়াত আছিলো ভাগীৰথী?"

ভাগীৰথীয়ে চকু দুটা ডাঙৰ কৰি প্ৰতিবাদৰ সুৰত ক'লে, "কিয়, লক্ষৌৰপৰা অহা আপোনাৰ দুসপ্তাহমান হোৱা নাই জানো? অতি কমেও, আমাৰ ইয়ালৈ আহি মিঠাই খুৱাই থৈ যাব পাৰিলেহেঁতেন। ইণ্টাৰত প্ৰথম বিভাগত পাছ কৰোঁতে মনত পৰে খুৰীদেউৱে কিমান বস্তু তৈয়াৰ কৰি আমাক খুৱাইছিল। তাৰ পিছত বি এ পাছ কৰিলে, এম এ পাছ কৰিলে আৰু সোণৰ মেডেল আৰু আন কিবাকিবি অনেক পালে।"

কুন্দনে হাঁহিলে। তেন্তে ভাগীৰথীয়ে তাৰ বিষয়ে সকলো কথাই জানে। কিন্তু সি তাইৰ প্ৰশ্নৰ উত্তৰ নিদি তাইৰ মনটোক আনপিনে আকৰ্ষণ কৰিবৰ কাৰণে হঠাৎ কৈ উঠিল, "ভাগীৰথী, ঘৰত চকি-টকি নাই নেকি? তুমি মোক ইমানপৰ থিয় কৰাই ৰাখিছা।" কৈয়েই কুন্দনৰ মনত পৰিল আগতে সি খট্‌খটীতেই বহিছিল কিন্তু এতিয়াও খট্‌খটীতে বহি নপৰিল কিয়? কিহে তাক বাধা দিলে?

ভাগীৰথীয়ে তৎক্ষণাৎ দুখন চকি লৈ আহিল। সঁচাকৈয়ে কিয় জানো চকিৰ কথা তাই একেবাৰে পাহৰি গৈছিল। তাই চকি দুখন ওচৰাউচৰিকৈ থ'লে আৰু দুয়ো বহি পৰিল।

অলপপৰ দুয়ো নীৰৱে থাকিল। অতীতৰ মধুৰ দিনবোৰৰ স্মৃতি দুয়োৰে মানসপটত জিলিকি উঠিল। ৰামখুৱাৰ ঘৰত একেলগে দুয়ো বহি অধ্যয়ন কৰাৰ কথা, দুয়োকে ঘৰত থৈ দেউতাকহঁত পাহাৰলৈ ফুৰিবলৈ যাওঁতে দুয়ো বহি নানা কথাপাতি অতি সুন্দৰ মুহূৰ্তবোৰ কটোৱাৰ কথা।

কুন্দনে একেথিৰে ভাগীৰথীৰ পিনে চালে। ভাগীৰথী কিমান সুন্দৰ! আগতে তাইক ইমান সুন্দৰ লাগিছিল জানো? নহয়। ভাগীৰথীক তাৰ সদায়েই সুন্দৰ লাগে। কিন্তু ... কিন্তু কি?

"কি ভাবিছা কুন্দন?" ভাগীৰথীৰ সম্বোধনটো আপোনা-আপুনি 'তুমি'লৈ নামি আহিল। কুন্দনে দেখিলে তায়ো তাৰ পিনে একেৰাহে চাই আছে। পিচ মুহূৰ্ততে তাৰ কি হ'ল ক'ব নোৱাৰিলে, সি চকিৰপৰা উঠি ভাগীৰথীৰ ভৰি দুটাৰ ওচৰত গাটিত বহি পৰিল আৰু তাইৰ দুয়োটা হাত নিজৰ হাতৰ মাজত থৈ আবেগভৰা মাতেৰে ক'লে, "ভাগীৰথী! ভাগীৰথী!"

"কি?" ভাগীৰথীয়ে হাত দুটা লৈ আহিবলৈ কোনো চেষ্টা নকৰি কোমল মাতেৰে ক'লে। কুন্দনে একো ক'ব নোৱাৰিলে। সি ভাগীৰথীৰ হাত দুটা মোহাৰিবলৈ ধৰিলে আৰু অলপ পিচত হঠাৎ তাৰ মূৰটো তাইৰ দুয়োটা আঁঠুৰ মাজত থ'লে। ভাগীৰথীয়ে

অলপো লৰচৰ নকৰাকৈ আগৰ নিচিনাকৈ বহি থাকি কুন্দনৰ মূৰৰ ওপৰত হাত বুলাবলৈ ধৰিলে। তাই অতি মৰমলগা মাতেৰে ক'লে, "কি ক'ব খুজিছা কোৱা কুন্দন?"

কি ক'ব কুন্দনে? তাৰ সকলো স্বপ্ন যেন লাগিল। এনেকুৱা ঘটনা দিঠকত ঘটিব পাৰে জানো? ভাগীৰথীয়ে তাৰ মূৰত হাত বুলাইছে আৰু সি তাইৰ আঁঠুৰ মাজত মূৰটো সুমুৱাই বহি আছে। ... তথাপিও ভাগীৰথী যেন বহুত দূৰত আছে, তাইক লাভ কৰা যেন সহজ নহয়, তাই যেন দুৰ্লভ্য।

কিন্তু ভাগীৰথীৰ কোনো পৰিৱৰ্তন হোৱা নাই, আগতে যেনে আছিল আজিও তেনে আছে। তাই কিমান ডাঙৰ হ'ল। কিন্তু সিওতো ডাঙৰ হ'ল, আগতকৈ অনেক বিদ্বান হ'ল। অথচ তাৰো কোনো পৰিৱৰ্তন হোৱা নাই; ভাগীৰথীক সি আগতে মনে মনে যিমান ভাল পাইছিল আজিও তাইক সিমানেই ভাল পায়। সেই ভালপোৱা তিলমানো হ্ৰাস হোৱা নাই।

কুন্দনৰ মনলৈ মধুৰ চিন্তাবোৰ আহিবলৈ ধৰিলে। ভাগীৰথীয়ে তাৰ ওপৰত কেনেকুৱা যাদু কৰিলে ... সি যেন অনন্তকাললৈ তেনেকৈয়ে ভাগীৰথীৰ ওচৰত তাইৰ কোলাত মূৰটো থৈ বহি থাকিব আৰু তাইৰ হাতৰ মধুৰ আৰু অপূৰ্ব ভাল লগা স্পৰ্শ অনুভৱ কৰি থাকিব।

"আজিকালি তুমি খুৰাদেউৰ লগত ভালদৰে কথা নোকোৱা কিয়? তুমি জানা যে তোমাৰ তেনে ব্যৱহাৰত তেওঁ বৰ দুঃখ পাই আছে!"

এই সময়ত কুন্দনে আন কোনো কথা চিন্তা কৰিব নোখোজে। যি কথাই কওক ভাগীৰথীৰ কথাবোৰ তাৰ কাণত মৌ বৰষা যেন লাগিছে। ভাগীৰথীয়ে তাৰ মনৰ কথাবোৰ বুজিছেনে চাগৈ?

"খুৰাদেৱে কৈছিল উচ্চ শিক্ষাৰ কাৰণে তুমি বিলাতলৈ যাবলৈ চেষ্টা কৰিছা। সঁচানে?"

"হয় ভাগী" লাহেকৈ কুন্দনে উত্তৰ দিলে, "ইয়াততো কোনো 'স্কোপ' নাই।"

"স্কোপ? স্কোপ মানে কি কুন্দন?" ভাগীৰথীয়ে সুধিলে।

"স্কোপ মানে— কাম কৰিবৰ সুযোগ, উন্নতিৰ স্থল।" কুন্দনে ক'লে। তাতকৈ বেচি তাইক আৰু কি বুজাব। ভাগীৰথীয়ে তাৰ পিনে ভেবা লাগি চাই ৰ'ল। তাৰ মুখখন, চকু দুটা কিমান নিৰ্দোষ, মুখখন কিমান মৰম লগা।

"তালৈ গ'লে তুমি ঘূৰি নাহিবা নেকি? বিদেশত থাকিবানে?" ভাগীৰথীয়ে তাৰ পিঠিত হাত বুলাই সুধিলে।

"নাজানো ভাগী", কুন্দনে ক'লে। তাৰ মনত আচৰিত ধৰণৰ চিন্তাৰ উদ্ৰেক হ'ল। ভাগীৰথীয়ে নিশ্চয় মনত আঘাত পাব যদি সি একেবাৰে নাহো বুলি কয়। অৱশ্যে, একেবাৰে নহাৰ কথা সিও ভাবিব নোৱাৰে। ভাগীৰথীৰ মুখখন উদাস হ'ল। কুন্দনে সুধিলে, "কোৱা, ভাগীৰথী, মই যোৱাত তোমাৰ সন্মতি নাই জানো? গ'লে বেয়া পাবা নেকি?"

ভাগীৰথীৰ মুখৰপৰা কোনো উত্তৰ নোলাল। তাই নিৰ্বোধৰ দৰে তাৰ মুখলৈ

ভেবা লাগি চাই থাকিল।

"তোমাক এটা কথা কওঁ ভাগী। বেয়া নাপাবাতো?" কুন্দনে উৎকণ্ঠিত স্বৰে ক'লে।

"কি কথা কুন্দন?" ভাগীৰথীয়ে লগে লগে প্ৰশ্ন কৰিলে। কুন্দনৰ মাতটো তাইৰ ওচৰ অলপ অস্বাভাৱিকযেন লাগিল। কি বিশেষ কথা থাকিব পাৰে কুন্দনৰ?

"তুমি, তুমি মোক সঁচাকৈয়ে বিচৰা ভাগী? তুমি মোক বিয়া কৰিব পাৰিবা?"

কথাযাৰ কৈ থাকোতে কুন্দনৰ এনেকুৱা লাগিল যেন সি পৰ্বতৰ শৃঙ্গ এটাৰ পৰা জাপ মাৰিলে আৰু অলপ পিচতে তলত পৰি চূৰ্ণবিচূৰ্ণ হৈ যাব। ভাগীৰথী অবাক হ'ল। কি হ'ল তাইৰ? তাই এই কথাযাৰ একেবাৰে আশা কৰা নাছিল নেকি? যদি নাছিল, তাই কুন্দনৰ মূৰত হাত বুলাইছিল কিয়? কিন্তু কুন্দনে কি কৰিলে? সি ইমান অধৈৰ্য্য হোৱাৰ কি প্ৰয়োজন আছিল?

'কুন্দনে বিচাৰিলে ধৰিত্ৰী ফাটি মেলক আৰু তাতে সি সোমাই অন্তৰ্দ্ধান হওক। ধৰিত্ৰীয়ে চাগৈ কি ভাবিছে। ... সিও কিছুদিনৰ পিচত ঘৰৰপৰা গুচি যাব আৰু কেতিয়া ঘূৰি আহিব তাকো নাজানে। তাৰ ভিতৰত তাইৰ বিয়াও হৈ যাব পাৰে।

"দেউতা আৰু খুৰাদেউ আহিল কুন্দন। মই তেওঁলোকৰ মাত শুনিছোঁ," ভাগীৰথীয়ে কোৱাৰ লগে লগে কুন্দনৰ স্বপ্ন ভাগিল। লগত তাৰ দেউতাকোযে থাকিব সি আশা কৰা নাছিল। ভাগীৰথীয়ে তাক কিয় কোৱা নাছিল ইমান পৰে? এৰা আজিতো মঙ্গলবাৰ। প্ৰত্যেক মঙ্গলবাৰে ৰামখুৰাৰ ঘৰলৈ সি দেউতাকৰ লগত অহাৰ কথা পাহৰিলেই। অৱশ্যে তাৰ দেউতাকৰ লগত অহাটো কেতিয়াবাই বন্ধ হৈ গৈছিল।

"অ' কুন্দন দেখোন! ৰাস্তা পাহৰিলি নেকি?" ৰামখুৰাকে কুন্দনক সুধিলে।

"খুৰা, আপোনাৰ ইয়ালৈ অহাৰ কথা অনেক দিনৰ আগৰপৰাই ভাবি আছিলোঁ। আজি সুবিধা হ'ল আহি গ'লোঁ," কুন্দনে ক'লে।

"বৰ ভাল কৰিলি, বৰ ভাল কৰিলি বোপাই। ... কিন্তু তহঁতে আন্ধাৰত বহি আছ কিয়? ব'ল ভিতৰত বহগৈ। ভাগী, চাহ-টাহ কিবা খুৱালিনে কুন্দনক?"

ভাগীৰথীয়ে আগতেই পাক-ঘৰত সোমাই চাহৰ ব্যৱস্থা কৰিছিল। তাই পাকঘৰৰ পৰা মাত লগালে, "তোমালোক তিনিওজনলৈকে চাহ আনিছো দেউতা। অলপ পৰ ৰ'বা।"

ৰামখুৰাই কুন্দনক সুধিলে, "শুনিছোঁ বিদেশলৈ যাবলৈ সাজু হৈছ। সঁচানে?"

"হয় খুৰা, ইয়াততো একো স্কোপ নাই," কুন্দনে উত্তৰ দিলে।

"হুঁঃ, ৰমদা, তাক সোধাচোন বিদেশলৈ গৈ সি কি কৰিব? নিজৰ দেশখনৰ বিষয়ে তাৰ সম্পূৰ্ণ জ্ঞান আছেনে?" কুন্দনৰ দেউতাকে ৰামখুৰাক সুধিলে।

কুন্দন মনে মনে থাকিল। ঘৰত দেউতাকৰ লগত তাৰ মাত-বোল প্ৰায় বন্ধ আছিল। ইয়াত ৰামখুৰাৰ ঘৰত দেউতাকৰ মুখখন খুলি গ'ল।

"এটা ল'ৰাক পঢ়াওতে এই দুখীয়া দেশখনে কিমান টকা খৰচ কৰে জানানে

ৰমদা? কিন্তু তাৰ বদলি দেশখনে কি পায়? যদি সকলো বুদ্ধিমান মানুহ ইয়াৰ নিচিনাকৈ বিলাতলৈ যায়, দেশখনত বাকী থাকিব কোন? মই তোমাক সোধো ৰমদা— নিজৰ দেশ আৰু দেশৰ মানুহৰ অৱস্থা কি সেই সম্বন্ধে বিশেষকৈ শিক্ষিত যুৱকসকলৰ একৰতিও ধাৰণা আছেনে? ইমান এখন ডাঙৰ দেশ— যাক উপ-মহাদেশ কোৱা হয়— ইয়াত জানিব আৰু শুনিবলগীয়া কিমান সম্পদ পৰি আছে— যাক আমাৰ পিচতো কেবাপুৰুষৰ মানুহেও শেষ কৰিব নোৱাৰিব। উচ্চ শিক্ষাৰ কাৰণে বিদেশলৈ যাবলৈ ওলাইছে, তাক সোধাচোন ৰমদা সেই শিক্ষা দেশ আৰু দেশৰ মানুহৰ কি কামত আহিব। সি হয়তো ক'ব, 'সেইবোৰ মই নাজানো, সুবিধা পাইছো মই বিদেশলৈ যামেই, আনৰ কি কামত আহিব মই নাজানো কিন্তু মোৰতো কামত আহিব।' হেৰ' ইয়াত তই এতিয়ালৈকে যিমান পঢ়া-শুনা কৰিলি সেইবোৰ পঢ়া-শুনা দেশীয় পঢ়া শুনা আছিল নেকি? সেইবোৰ যে সকলো বিদেশী পঢ়া-শুনা, সেইটো তই নাজান জানো? এতিয়া বিদেশলৈ গৈ কি ডাঙৰ পুণ্য কৰিবি? তাৰ পৰিৱৰ্তে হোজা দেশবাসীক ঠগিবৰ কাৰণে কিছুমান নতুন কৌশলহে শিকি আহিবি। মই ভুল কথা কৈছোঁনে ৰমদা?"

"হেৰ' নাই কোৱা দে। তইতো আহিয়েই বক্তৃতা আৰম্ভ কৰি দিলি। সেই কাৰণেইতো বেচেৰাই তোৰপৰা আঁতৰি থাকিবলৈ বিচাৰে। প্ৰথমে নতুন পুৰুষক জানিবলৈ চেষ্টা কৰচোন। সিহঁতৰ মনত কি আছে, সিহঁতে কি আকাংখ্যা কৰে আৰু সিহঁতক কি লাগে সেইবোৰ জানি ল। তইতো নিজৰ ফালৰপৰা চাইছ। তেনে মনোভাৱ হ'লে কেনেকৈ চলিব? যিকোনো বিষয়ৰ ওপৰত তৰ্ক কৰিবলৈ হ'লে তাৰ নিয়ম আছে বুইছ।"

"হুঁ? ই ভাবিছে প্ৰথম বিভাগত এম. এ. পাছ কৰি বৃহস্পতি হ'ল। বুইছা ৰমদা, মই ইয়াৰ দৃষ্টিত এটা বুৰ্বক।"

ৰামখুৰাই ঘোৰ প্ৰতিবাদ কৰি ক'লে, "তই মিছামিছিকৈ খং কৰিছ আৰু এটা কথাৰ লগত আন এটা কথা লেটিয়াইছ। বৃহস্পতি তইহে। এতিয়া তোৰ পুতেৰে উচ্চশিক্ষাৰ কাৰণে এঠাইলৈ যাবলৈ ওলাইছে— সেই ঠাইডোখৰ স্বৰ্গপুৰীয়েই হওক বা পাতালপুৰীয়েই হওক, তাৰ উদ্দেশ্যটো উচ্চ শিক্ষা। সেইটো তই বুজা নাই কিয়। কোনে জানে তাত সি কোনোবা শুক্ৰাচাৰ্য্যক লগ পাব পাৰে আৰু তেওঁৰ পেটটো ফালি সঞ্জীৱনী বিদ্যা লৈ ঘূৰি আহিব পাৰে। হেৰ' দেৱতাৰো কেতিয়াবা অসুৰৰ বিদ্যাৰ প্ৰয়োজন হৈছিল আৰু তাক লাভ কৰিবৰ কাৰণে তেওঁলোকে চেষ্টাৰ ত্ৰুটি কৰা নাছিল। আমিতো সাধাৰণ মনুষ্য। গতিকে তাক আশীৰ্বাদ দি বিদায় দে।"

নাৰায়ণ ৰাম টাম্‌টাৰ ওঁঠত এটা কৃত্ৰিম হাঁহি বিৰিঙি উঠিল। কিন্তু লগে লগে তাক দবাই থলে।

"হুঁ, মোৰ আশীৰ্বাদৰ কিবা মূল্য আছে জানো তাৰ ওচৰত? পোন্ধৰ দিন হ'ল তাৰ ঘৰলৈ অহা। এই পোন্ধৰ দিনৰ ভিতৰত এদিনো মোক সি সুধিছেনে 'দেউতা, পাঁচ বছৰৰ পিচত তুমি ঘৰলৈ উলটি আহিছা। ক'ত আছিলা, কিয় গৈছিলা আৰু কি কৰিছিলা? তোমাৰ যোৱাৰ নিশ্চয় কিবা উদ্দেশ্য আছিল।' কিন্তু তাৰ বিপৰীতে

সি মোক দেখিও নেদেখাৰ ভাও ধৰি মোৰপৰা আঁতৰত থাকিবলৈ বিচাৰে। যেন তাৰ লগত কথা পাতিবৰ কাৰণে মই তাক খাটিব কৰোঁ, তোষামোদ কৰোঁ। হেৰ' যি বিদ্যাই বিনয় আৰু নম্ৰতা নিশিকায়, সেই বিদ্যা লৈ লাভ কি? সেই বিদ্যা সঞ্জীৱনীয়েই হওক বা তাতোকৈও বেচি কিবা হওক, মোৰ বিবেচনাত সেই বিদ্যা মূল্যহীন। ... এদিন মই তাৰ কোঠাত তাৰ কিতাপবোৰৰ পাত লুটিয়াইছিলোঁ। দেখিলোঁ সকলো ইংৰাজী কিতাপ। মই ক'লোঁ, আমাৰ সমাজৰ বিষয়ে লিখা কিতাপবোৰ প্ৰথমে নিজৰ ভাষাত লিখিলেহে সেইখন আচল সমাজ-শাস্ত্ৰ হয়। ইংৰাজী ভাষাত আমাৰ সমাজৰ বিষয়ে লিখা থাকিলে সেইবোৰ অকৃত্ৰিম আৰু শুদ্ধ হ'ব নোৱাৰে। সেইবোৰ কিতাপ পঢ়ি লাভ কি? তেতিয়া সি লগে লগে প্ৰতিবাদ কৰিলে।"

ৰামখুৰাকে কিবা এটা ক'বলৈ যোৱাৰ আগতে কুন্দনে মাত লগালে, "প্ৰতিবাদ নকৰিম কিয়? মই মাত্ৰ ক'লোঁ যি বিষয়ে তুমি একো নাজানা সেই বিষয়ে তুমি কোনো কথা নক'বা।"

"শুনিলা ৰমদা ইয়াৰ কথা? নাৰায়ণৰ নিজৰ সমাজৰ বিষয়ে জ্ঞান নাই, সিদিনা জন্ম হোৱা আৰু কেইখনমান ইংৰাজী কিতাপ পঢ়া ল'ৰাটোৰ জ্ঞান আছে? তাৰ মানে এতিয়া মই ইয়াৰপৰা সমাজশাস্ত্ৰ শিকিব লাগিব। হুঃ।"

ৰামখুৰাকে জোৰেৰে হাঁহি দিলে আৰু হাঁহি বন্ধ কৰি ক'লে, "তহঁত দুয়োটা আঁকোৰগোজ আৰু দুয়োটাই ভাব নিজৰটোহে শুদ্ধ আৰু আনৰটো ভুল। শুন— কুন্দনৰ ওচৰত আছে মতবাদ আৰু তোৰ ওচৰত আছে ব্যৱহাৰিক জ্ঞান। ইয়াতকৈ সুন্দৰ মিল আৰু কি হ'ব পাৰে? তাৰ মানে— তই যিটো জান সেইটো সি নাজানে আৰু সি যি জানে তাক তই নাজান। গতিকে দুয়ো সমিলমিল হৈ দুয়োৰে জ্ঞানৰ ভিতৰত সামঞ্জস্য আনিলেই হ'ল। দিন বহুত বদলি হ'ল নাৰায়ণ আৰু এই বদলি অৰ্থাৎ পৰিৱৰ্তনৰ সময়ত তোৰ বিনোৱাজীয়ে একো কৰিব নোৱাৰে। সেই পৰিৱৰ্তন কৰিব কুন্দনৰ নিচিনা নতুন ভাৱৰ ল'ৰাবোৰে। হেৰ' তই কি কথা কৈছ? গান্ধীজীকে লৈ দেশৰ নেতাসকলে বিলাতত পঢ়াশুনা কৰি অহা নাছিল জানো? তেওঁলোক নষ্ট নহ'ল আৰু তোৰ ল'ৰা বিলাতলৈ গ'লে নষ্ট হ'ব। এইটো মই মানি নলওঁ। হেৰ' এই যুগৰো কিছুমান বিদ্যা আছে, সম্পদ আছে আৰু বৰগুণি আছে। উচ্চ শিক্ষাৰ কাৰণে দিনে দিনে বিলাতলৈ যোৱা মানুহৰ সংখ্যা বৃদ্ধি হৈছে যেতিয়া আমি তাক কেনেকৈ বন্ধ কৰিম? তই দেখিছোঁ দেশখন আগতে যেনেকুৱা আছিল এতিয়াও তেনেকুৱাকৈ ৰাখিবলৈ বিচাৰিছ। সেইটো হ'লে নহ'ব। এদিন বিদেশীয়ে তোৰ দেশৰ শিক্ষা, সম্পদ আৰু ভাল ভাল সকলো বস্তু লুটি লৈ গৈছিল আৰু এতিয়া আমাৰ ইয়াৰপৰা মানুহ হৈ সিহঁতৰ ভাল ভাল বস্তুবোৰ লুটি আনিবৰ সময় হৈছে। এইটোৱেইতো বুদ্ধিমানৰ কাম।"

দেউতাই বৰ মনোযোগেৰে ৰামখুৰাৰ কথাবোৰ শুনি আছিল। তেওঁ ক'লে, "তোমাৰ সকলো কথা সঁচা ৰমদা, কিন্তু কিয় ক'ব নোৱাৰোঁ আজিকালিৰ শিক্ষাই মোক বৰকৈ নিৰাশ কৰিছে। স্কুলত যিবোৰ শিক্ষা দিয়ে সেইবোৰ

একেবাৰে মূল্যহীন যেন লাগে। আগতে যিবোৰ ধনী আছিল সিহঁত দিনে দিনে আৰু বেচি ধনী হৈছে। চৰকাৰৰ কথা নক'বা। ৰাজনীতিৰ ভিত্তিত গঠন হোৱা আমাৰ এই চৰকাৰ। ইয়াৰ শাসন নীতি বিদেশৰ বস্তু আৰু গণতন্ত্ৰৰ নামত সেই একে ধৰণৰ শাসন নীতি এতিয়াও আমাৰ দেশত চলি আছে। আচল গণতন্ত্ৰ স্থাপন নকৰিলে দেশৰ একো উন্নতি নহ'ব। ধনী ধনী হৈয়ে থাকিব আৰু দুখীয়াবোৰ দুখীয়া হৈয়েই থাকিব। তই যে বিদেশী বিদ্যা লুটি অনাৰ কথা কৈছ, মই কৈছোঁ বিদেশী বিদ্যা যিমান বেচি লুটি আনিব, আমাৰ দেশখন সিমান বেছি অন্ধকাৰ হ'ব। মই দেশখনৰ অনেক আশ্ৰমলৈ গৈছোঁ আৰু অনেক মহাত্মা আৰু সাধু পুৰুষসকলক লগ পাই আহিছোঁ।"

"বাঃ, কি আচৰিত বিচাৰ তোমাৰ দেউতা! এখন ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক দেশত সাধু-মহন্তসকলৰ কি কাম থাকিব পাৰে! দেউতা, তুমি অনেক অৰ্থহীন কথা কৈছা।"

"তোৰতো মোৰ সকলো কথা অৰ্থহীন লাগিবই। অৰ্থপূৰ্ণ কথা ক'ব পাৰে মাত্ৰ ইংৰাজী জনা মানুহে নহয় জানো? ৰমদা, মই কওঁ, যিমান কলেজ আৰু বিশ্ববিদ্যালয় আছে, তাতকৈ বেছি খোলাৰ একো প্ৰয়োজন নাই। প্ৰথম কাম হোৱা উচিত সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰা আৰু তাৰ কাৰণে প্ৰাইমাৰী স্কুলৰ সংখ্যা যিমান পৰা যায় বৃদ্ধি কৰা আৰু ল'ৰা-ছোৱালীক ব্যৱহাৰিক শিক্ষা দিয়া। গাৱঁৰ ল'ৰা গাৱঁতেই থাকি গাৱঁৰ উন্নতি কৰক। সিহঁতক চহৰলৈ পঠাই গাত চহৰৰ বতাহ লগোৱাৰ কোনো আৱশ্যক নাই। নহ'লে গাওঁবোৰ সদায় পিচপৰি থকা গাওঁ হৈয়েই থাকিব। যিবোৰ ল'ৰাই বিলাতলৈ গৈ দেশত বিলাতী বিষ ছটিয়াই দিয়ে, সেইবোৰ ল'ৰা দেশৰ শত্ৰু, সিহঁত এই দেশৰ কাৰণে অযোগ্য সন্তান। আমি আমাৰ নিজৰ দেশৰ মানুহ শোষণ কৰি যি পাপ কৰিছোঁ, প্ৰথমতে তাৰ পৰাচিত কৰিব লাগিব আৰু তাৰ পিছতহে বাকী কথা চিন্তা কৰা উচিত হ'ব। মোৰ একান্ত বিশ্বাস—সেইবোৰ আপোনাআপুনি কাৰ্যকৰী হ'ব। মই সাধু-মহন্তসকলক মিনতি কৰি কৈছোঁ, জাতৰ মাজত যি ডাঙৰ ব্যৱধান আছে সেই ব্যৱধান সেই জাতিভেদ তেওঁলোকে গুচাব লাগিব আৰু সেইটোৱেই তেওঁলোকৰ প্ৰথম কাম হোৱা উচিত।"

"তোৰ কথা সঁচা নৰেন, কিন্তু এতিয়া সংস্কাৰৰ যুগ পাৰ হৈ গ'ল। এতিয়া চৰকাৰেই সৰ্বশক্তিমান। সমাজবাদৰ বাহিৰে এই ৰোগৰ আন একো ঔষধ নাই। তোৰ গান্ধীৰ ন্যাস সম্বন্ধীয় ধাৰণা ব্যৰ্থ হ'ল—নহয় জানো?"

"কোনে ক'লে তোমাক ব্যৰ্থ হ'ল বুলি?" দেউতাই ক'লে।

"হেৰ' তোৰ পঞ্জীয়ন বহীত সকলোবোৰ লিখা আছে দেখোন। জানি শুনি তই মোক অন্ধ কৰাইছ কিয়? তয়েইতো কৈছিলি জমিদাৰী উচ্ছেদ কৰিলে একো নহ'ব। কোনো কোনো জমিদাৰৰ হেজাৰ পুৰা মাটি আছে আৰু ভূমিহীন দুখীয়া খেতিয়কবোৰে তাত খেতি কৰি কোনোমতে পেটটো মোকোলাই আছে আৰু খেতিৰ ধানে জমিদাৰৰ পুঁজি বৃদ্ধি কৰিছে। এই বেমাৰটোৰ চিকিৎসা কোনে কৰিব? মাটি মানুহৰ মাজত সমানে ভাগ হোৱা উচিত নহয় জানো?"

"নিশ্চয় উচিত আৰু সেইটো এদিন হ'বই। যদি সহজভাৱে নহয়, বলপ্ৰয়োগ কৰি হ'লেও কৰাব লাগিব। তাৰ কাৰণে সত্যাগ্ৰহ কৰিব লাগিব।"

ৰামখুৰাই জোৰেৰে টেবুলৰ ওপৰত হাতেৰে ঢকা মাৰি ক'লে, "শুনিলি কুন্দন দেউতাৰৰ কথা। প্ৰয়োজন হ'লে বলপ্ৰয়োগ কৰিব লাগিব। তোৰ দেউতাৰৰ মনোভাৱ কিমান বদলি হ'ল দেখিলি? মানিবই লাগিব যে নৰেনে পাঁচ বছৰ অজ্ঞাতবাস এনেয়ে কৰা নাছিল। সেই পাঁচ বছৰত অনেক পঢ়িছিল আৰু অনেক কিবা শিকিছিল, আৰু সেই কাৰণে সি খালী হাতেৰে ঘূৰি অহা নাই।"

কুন্দনে এটা শুকান হাঁহি মাৰিলে কিন্তু একো নক'লে। ৰামখুৰাই আকৌ ক'বলৈ ধৰিলে, "এতিয়া মোক কচোন যিটো ডক্টৰেট ল'বলৈ তই যাবলৈ ওলাইছ, সেই ডিগ্ৰীটোৱে তোৰ দেউতাৰৰ কামবোৰ আগুৱাই দিয়াত সহায় কৰিবনে নকৰে?"

কুন্দন অলপপৰ টলকা মাৰি থাকিল। কেৰাহিকৈ চাই দেখিলে ভাগীৰথী দুৱাৰদলিত থিয় হৈ আছে। সি উৎসাহেৰে ক'লে, "ৰামখুৰা, কথা হ'ল— দেউতাৰ পথ বেলেগ আৰু মোৰ পথ বেলেগ। মই এটা একেবাৰে নতুন বিষয় নিৰ্বাচন কৰিছোঁ মোৰ ডক্টৰেটৰ কাৰণে, সেইটো হ'ল 'নৰদেহ বিজ্ঞান'। সেই বিজ্ঞান আদিবাসীৰ সমাজ অধ্যয়ন সম্বন্ধীয়। মোৰ গৱেষণাত আদিবাসীসকলৰ জন্মৰ আতিগুৰিৰপৰা আৰম্ভ কৰি তেওঁলোকৰ সামাজিক বিকাশৰ ওপৰত হ'ব আৰু তাৰ ফলত গোটেই মানৱ সমাজৰ বিকাশৰ ওপৰত নতুন পোহৰ পৰিব।"

"কিন্তু তই কৈছিলি ইয়াত কোনো 'স্কোপ' নাই। মই কৈছোঁ আমাৰ ইয়াত যিমান বেচি স্কোপ আছে পৃথিৱীৰ আন কোনো দেশত নাই। কাৰণ ইয়াত যিমান বেচি জনজাতি আছে সিমান বেচি জনজাতি আন কোনো দেশত নাই। ভাৰতবৰ্ষ গোটেই মানৱজাতিৰ প্ৰয়োগশালা আৰু তই এই দেশখন এৰি ..." দেউতাকে কুন্দনক ক'লে।

"তুমি সঁচা কথাই কৈছা যে আমাৰ দেশত যিমান জনজাতি বাস কৰে আন দেশত সিমান জনজাতি নাই। কিন্তু তেওঁলোকৰ বিষয়ে যি জ্ঞান লাভ কৰা হৈছে, বিদেশীৰ যোগেদিহে হৈছে। মিছনাৰী সকলে তেওঁলোকৰ লগত কাম কৰি তেওঁলোকৰ বিষয়ে অনেক তথ্য বাহিৰ নকৰাহেঁতেন তুমিও নাজানিলাহেঁতেন যে ভাৰততো কেবা কোটিও আদিবাসী মানুহ আছে।"

"মোৰ আগত মিছনাৰীৰ নামটো উল্লেখ নকৰিবি। সিহঁতে কি কৰি আহিছে মই দেখি আহিছোঁ। সিহঁতৰ প্ৰধান উদ্দেশ্য হ'ল— যিমান পাৰে অধিক লোকক খ্ৰীষ্টান ধৰ্মত দীক্ষিত কৰা। সিহঁতৰ নাম শুনিলেই মোৰ খং উঠে।"

"খং উঠিলে কি হ'ব দেউতা? তুমি হয়তো নাজানা সকলো ক্ষেত্ৰতে তেওঁলোকে যিমান তথ্য বাহিৰ কৰিছে আন কোনেও কৰা নাই। সেই নতুন তথ্য বেদৰপৰা আৰম্ভ কৰি গছ-গছনি পৰ্যন্ত। তোমাৰ হিন্দুৰ কি বৰগুণি আছে ক'ব পাৰানে? তুমিতো আদিবাসীবিলাকতকৈও বেয়া। তুমি তেওঁলোকৰ বিষয়ে একেবাৰেই নাজানা, জানা মাত্ৰ নিজৰ কথা আৰু তাকেই লৈ গৰ্ব কৰা।"

"তেন্তে তয়েই বাহিৰ কৰচোন তেওঁলোকৰ বিষয়ে নতুন তথ্য। তইনো কিহৰ কাৰণে আছ?" ৰামখুৰাই ক'লে।

"কৰিম খুৰা; কিন্তু প্ৰথমতে, আদিবাসীসকলৰ মাজত কাম কৰিবলৈ যি বৈজ্ঞানিক উৎস আছে তাক বিদেশলৈ গৈ জানিব লাগিব, চখতে ইয়াত জানিবলৈ বিচাৰিলে নহ'ব। তাৰ কাৰণে বিশেষজ্ঞৰ আৱশ্যক। মই বিশেষজ্ঞ হ'বলৈ বিদেশলৈ যাব খুজিছোঁ।"

"সেইটোতো বৰ ভাল কথা। তই কি কৱ নৰেন, মোৰ একান্ত বিশ্বাস আমাৰ জিলাৰপৰা কিয় গোটেই প্ৰদেশখনৰপৰা কুন্দন প্ৰথম বিশেযজ্ঞ হ'ব এই নতুন ক্ষেত্ৰত। নহয় জানো?" ৰামখুৰাই দেউতাক সুধিলে।

"বিষয়টোযে ভাল তাত কোনো সন্দেহ নাই। কিন্তু এটা বিষয়কে ধৰি তাতে সদায় লিপিট খাই থকা উচিত নহয়। মানুহৰ সম্বন্ধে, সৃষ্টিৰ সম্বন্ধে, যি জ্ঞান আহৰণ কৰা হয় তাৰ যেন অৰ্থ আৰু উদ্দেশ্য থাকে। লগতে জানিব লাগিব সেই জ্ঞানৰদ্বাৰা মানুহৰ কিবা লাভ হয়নে নহয়। ... ৰমদা, মই কওঁ বিলাতৰ সকলো জ্ঞান লুটি আন। কিন্তু তাৰ আগতে নিজৰ মাটিত অঙ্গদৰ নিচিনাকৈ খোপনি পোত। প্ৰথমতে দেশৰ মানুহক কি লাগে জানি ল। সেইবোৰ নজনাকৈ বিদেশলৈ যোৱাৰ লাভ কি? দেশত প্ৰাথমিক শিক্ষা সন্তোষজনকভাৱে হোৱা নাই আৰু তই ওলাইছ বিশেষজ্ঞ হ'বলৈ। আৱশ্যক অনুযায়ীতো বিশেষজ্ঞ ওলাই থাকিব। প্ৰথমতে প্ৰাথমিক শিক্ষাৰ নাটনি দূৰ কৰ। হেৰ' মানুহে ভালদৰে জানক তই কিহৰ কাৰণে বিশেষজ্ঞ হ'বলৈ ওলাইছ। তই আমাৰ কি কামত আহিবি কচোন? ... ৰমদা, মোৰ বিচাৰ মতে ই বিশেষজ্ঞ হ'বলৈ যোৱাৰ আগতে বেদ-পুৰাণ ভালকৈ অধ্যয়ন কৰা উচিত। নহয় জানো?"

কুন্দনৰ মুখত হাঁহি ওলাল আৰু সি ক'লে, "সকলো বস্তুৰ চিকিৎসা বেদ-পুৰাণে কৰিব নোৱাৰে দেউতা। প্ৰথমতে মোৰো কৌতূহল হৈছিল বেদ-পুৰাণৰ ভিতৰত কি আছে জানিবলৈ। যেতিয়া পঢ়িলোঁ তাত ব্যৱহাৰিক বস্তু একোৱেই নাপালোঁ। তাত শুদ্ধ বেল্‌বেলনিৰ বাহিৰে একো নাই।"

দেউতাকে আশ্চৰ্য্য হৈ সুধিলে, "তই কেতিয়া পঢ়িলি বেদ-পুৰাণ?"

"কলেজত বি. এ. আৰু এম. এ.ত সকলো পঢ়িব লাগে দেউতা। সমাজশাস্ত্ৰ আৰু নৃতত্ত্বৰ ছাত্ৰই গোটেই মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ সম্বন্ধে জানিব লাগে। তুমি একো নজনাকৈ অনৰ্থক মোৰ ওপৰত দোষাৰোপ কৰিছা। তোমাৰ ধৰ্মশাস্ত্ৰ যে কিমান মানৱীয় তুমি একো নাজানা। মনুস্মৃতিত লিখা আছে কোনো শূদ্ৰই বেদ পঢ়িব নোৱাৰে—শুনিলেও তাৰ পাপ হয়। আৰু তুমি মোক কৈছা— বেদ-পুৰাণ পঢ়, বিজ্ঞান পঢ়াৰ প্ৰয়োজন কি? তুমি বেদ-পুৰাণৰ সম্বন্ধেও একো নাজানা আৰু বিজ্ঞানৰ সম্বন্ধেও নাজানা। বিজ্ঞান এনেকুৱা বিদ্যা যি মানুহৰ বিশেষকৈ আমাৰ দেশৰ মানুহৰ অন্ধবিশ্বাস দূৰ কৰিব পাৰে, তাৰপৰা মানুহক মুক্তি দিব পাৰে। আমাৰ দেশৰ মানুহৰ সেই মুক্তিৰ নিতান্ত আৱশ্যক। সেই মুক্তি বেদ-পুৰাণত থকা মুক্তি নিশ্চয় নহয়।"

কুন্দনে দেখিলে দুৱাৰদলিৰপৰা ভাগীৰথী আহি তাৰ দেউতাকৰ ওচৰতে বহিল। তাৰ কথা তাইৰ নিশ্চয় ভাল লাগিছে। কিন্তু তাইৰ মুখখন দেখি কুন্দনে সঠিককৈ একোৱেই অনুমান কৰিব নোৱাৰিলে।

দুয়োজন বুঢ়া নিমাত। কিয়? কি ভাবিছে তেওঁলোকে? ৰামদত্ত মাষ্টৰক কুন্দনৰ কথাত সন্তুষ্ট হোৱা নাই যেন লাগিল। "বেদ-পুৰাণত তই মাত্ৰ ইমানকে পালি নে?" অবিশ্বাসৰ সুৰে ৰামখুৰাই সুধিলে। ভাগীৰথীয়ে এবাৰ তাইৰ দেউতাকৰ পিনে আৰু এবাৰ কুন্দনৰ পিনে চালে। কুন্দনে সেই প্ৰশ্নৰ কি উত্তৰ দিব? কুন্দনতো পণ্ডিত নহয়।

"কিমান হিন্দুৱে বেদ-পুৰাণ পঢ়িছে ৰামখুৰা?" কুন্দনে উত্তৰৰ সলনি এটা প্ৰতিপ্ৰশ্ন কৰিলে।

কুন্দনৰ দেউতাকে সেই প্ৰশ্নটোৰ ওপৰত গুৰুত্ব নিদি অন্যভাৱে ক'লে, "পুৰণি যে সকলো ভাল আৰু নতুন সকলো বেয়া— সেই কথাটো তোক মই কেতিয়া কৈছিলোঁ? ধৰ্ম মানুহৰ অনুভৱৰপৰা ওলোৱা বস্তু। ধৰ্মৰ নীতি সময় অনুসাৰে বদলি হৈ থাকিব, তাক কোনেও বন্ধ কৰিব নোৱাৰে। ঈশ্বৰে তোক বন্ধনত পেলালে যদিও তাৰপৰা মুক্ত হ'বলৈ উপায়ো দিছে। কিন্তু মুক্ত হ'বলৈ কিবা এটা নতুন কৰিবলৈ হ'লে, কিবা পৰিৱৰ্তন আনিব লগা হ'লে, সকলোৱে মিলিজুলি কৰা উচিত। সকলোৰে আৱশ্যকতা আৰু চাহিদাবোৰলৈ লক্ষ্য কৰি পৰিৱৰ্তন কৰিব লাগে। ভাৰতৰ কেবা হাজাৰো বছৰৰ যি চহকী ঐতিহ্য আছে; সেই ঐতিহ্যই প্ৰমাণ কৰে যে আমাৰ বুদ্ধি আছে আৰু কৌশলৰ জ্ঞান আছে। গতিকে বাহিৰলৈ গৈ যি জ্ঞান আহৰণ কৰা হয় সেইটো হ'ল ওপৰঞ্চি জ্ঞান যাক নিজৰ নিজত্ব অলপো খৰ্ব নকৰাকৈ প্ৰয়োগ কৰা উচিত।"

ৰামখুৰাই দেউতাৰ কথা মূৰটো দুপিয়াই সমৰ্থন কৰিলে আৰু লগতে ভাগীৰথীয়েও। বিজ্ঞান যে কিমান দূৰ আগবাঢ়ি গৈছে, ঘৰৰ চাৰি সীমাৰ বাহিৰ নোহোৱা ভাগীৰথীয়ে জানিব কেনেকৈ?"

নাৰায়ণৰাম টাম্‌টা চকিৰপৰা উঠিল আৰু তেওঁক দেখি বাকী সকলো উঠিল। ৰামখুৰাই তেওঁৰ সোঁ হাতটো নাৰায়ণৰ কান্ধত আৰু বাওঁ হাতটো কুন্দনৰ কান্ধত থৈ দুয়োকে সাঙুৰি ল'লে। তাৰ পিচত তেওঁ বৰ আন্তৰিকভাৱে ক'লে, "সেই কাৰণেইতো মই কওঁ, তহঁত বাপেৰ-পুতেৰ মিলিজুলি থাকিবি। নাৰায়ণ, কুন্দনে যিমান বেচি বিদ্যাই লাভ কৰক, সেই সকলো বিদ্যা তোৰ কামতো যে লগাব তাত মোৰ অলপো সন্দেহ নাই। বুইছ, তই অলপো চিন্তা নকৰিবি আৰু তোৰ ডেকা কালৰ কথাবোৰ স্মৰণ কৰ আৰু আজিকালিৰ ডেকাসকলৰ ওপৰত ভাৰসা ৰাখ।"

কুন্দন আৰু তাৰ দেউতাক ৰামদত্ত মাষ্টৰ আৰু ভাগীৰথীৰপৰা বিদায় লৈ ঘৰমুৱা হ'ল।

অনেক দিনৰ পিচত আৰু দুয়োৰে ভিতৰত আগৰ সম্বন্ধ নথকাৰ কাৰণে একে লগে খোজকাঢ়ি আহোঁতে বাপেক আৰু পুতেকে অস্বস্তি বোধ কৰিলে। দুয়ো নীৰৱে

অলপ দূৰ যোৱাৰ পিছত হঠাৎ পিচফালৰ পৰা ভাগীৰথীৰ মাতটো শুনা গ'ল, "কুন্দন ককাইদেউ, কুন্দন ককাইদেউ!"

ভাগীৰথীৰ মাতটো শুনাৰ লগে লগে কুন্দনে অনুভৱ কৰিলে সি যেন এডাল জীৱন্ত বৈদ্যুতিক তাঁৰহে ছুলে। তাই দৌৰি আহি কুন্দনৰ হাতত কিতাপ এখন দি ফোঁপাই ফোঁপাই ক'লে, "আপুনি পাহৰি এই কিতাপখন এৰি থৈ আহিছিল।"

"আই, তই যে কি ছোৱালী! ইমান দূৰ দৌৰি অহাৰ কি প্ৰয়োজন আছিল? পিছতো এদিন আহি সি লৈ গ'লহিহেঁতেন।" মিচিকিয়া হাঁহি এটা মাৰি কুন্দনৰ দেউতাকে ক'লে। কিতাপখন দি ভাগীৰথী যেনেকৈ আহিছিল তেনেকৈয়ে উলটি গ'ল।

"ফুৰিবলৈ গ'লেও তোৰ হাতৰপৰা কিতাপ নুগুচে দেখোন", দেউতাকে ক'লে। কুন্দন মনে মনে থাকিল।

"এই ছোৱালীজনীক লৈ বেচেৰা ৰমদা বৰ চিন্তাত পৰিছে। কোনো সম্বন্ধ অহা নাই। তোতকৈ এবছৰ-ছমাহ মানৰ ডাঙৰ হ'লেও সৰু নহ'ব। তোৰ জনা-শুনাৰ ভিতৰত কোনোবা ল'ৰা থাকিলে কবিচোন। বেচেৰাক বৰ সহায় কৰা হ'ব।"

কুন্দনে যেন হঠাৎ শোৱাৰপৰা সাৰ পালে। তাৰ বৰ খং উঠিল। ভাগীৰথীৰ লগত আজি তাৰ মনোভাৱৰ যি বিনিময় হ'ল— তাৰ পিচত তেনে কথাষাৰ শুনা তাৰ সহিষ্ণুতাৰ বাহিৰত আছিল। তথাপি মনৰ অসন্তুষ্টি প্ৰকাশ নকৰি সি ক'লে, "মোৰ দৃষ্টিত ল'ৰা এটা আছে। কিন্তু তাৰ লগত সম্বন্ধ পাতিবলৈ তোমাৰ আৰু ৰামখুৰাৰ ইমান সাহ হ'বনে?"

"তাৰ মানে? তই কি ক'ব খুজিছ স্পষ্টকৈ ক।" দেউতাকে কুন্দনলৈ তীক্ষ্ণ দৃষ্টিৰে চাই সুধিলে।

"তাৰ মানে ... মই নিজে ভাগীৰথীক বিয়া কৰিবলৈ সাজু আছোঁ। যদিহে তুমি সন্মত হোৱা।"

"কি!" দেউতাক যেন আকাশৰপৰাহে পৰিল। "তই হুঁচত আছতো? লাজ নালাগিলনে তোৰ তেনে কথা ক'বলৈ?"

"ইয়াত লাজ লগাৰ কি কথা আছে?" কুন্দনে সেই একে সুৰতে উত্তৰ দিলে। "মই ভাগীৰথীক ভাল পাওঁ। তুমিতো অলপ আগতে জাতিভেদ দূৰ কৰাৰ কথা কৈছিলা। তেন্তে ঘৰতেই প্ৰথম আৰম্ভ নকৰা কিয়?"

নাৰায়ণ ৰাম টাম্টাৰ মূৰৰ ওপৰত যেন বজ্ৰপাতহে হ'ল। তেওঁৰ ভৰি দুটা যন্ত্ৰৰ দৰে চলি থাকিল কিন্তু মুখৰপৰা এটা কথাও নোলাল। কুন্দনেও দেউতাকৰপৰা তাৰ প্ৰশ্নৰ উত্তৰৰ কাৰণে অপেক্ষা কৰি থাকিল। তেওঁ নিজকে স্বাভাৱিক কৰি লাহে লাহে ক'লে, "এইটো কোনো মতেই হ'ব নোৱাৰে। তোৰ মনত এইটো কথা কেনেকৈ উদয় হ'ল? ৰমদা মোৰ ককাইদেউৰ নিচিনা। ককাইদেউ কিয় মই তেওঁক নিজৰ গুৰু মানো। তোৱো তেওঁ গুৰু। ভাগীৰথী তোৰ ভনীয়েৰ, গুৰু কন্যা। ভনীয়েৰ আৰু গুৰু কন্যাক বিয়া কৰাৰ কথা তই মনৰপৰা একেবাৰে উচ্ছেদ কৰা উচিত।"

"তাৰ মানে তুমি যিবোৰ কথা কোৱা, সেইবোৰ আনক ভাল লগাবলৈ কোৱা,

আনৰপৰা প্ৰশংসা পাবলৈ কোৱা, বাস্তৱত সেইবোৰৰ কোনো মূল্য নাই। ক'লৈ গ'ল তোমাৰ সমাজ সংস্কাৰৰ ডাঙৰ ডাঙৰ কথাবোৰ, দীঘল দীঘল বক্তৃতাবোৰ?"

নাৰায়ণ ৰাম টাম্‌টাই অলপপৰ মনে মনে থাকি ক'লে, "মোক তই তললৈ নমাবলৈ বিচাৰিছ নহয় জানো? তোৰ বৰ অহংকাৰ হ'ল সেইটো স্বীকাৰ কৰিবিনে?"

"সেইটো তোমাৰ একেবাৰে ভুল ধাৰণা। তুমি মোক বুজিবলৈ কেতিয়াবা চেষ্টা কৰিছানে? তুমি যিটো শুদ্ধ বুলি ভাবা সেইটো শুদ্ধ নহ'লেও তুমি সেইটো স্বীকাৰ নকৰা আৰু আনক স্বীকাৰ কৰাবলৈ প্ৰাণপণে চেষ্টা কৰা। সেইটো তোমাৰ অহংকাৰ আৰু মইমতীয়া ভাৱৰ চিন নহয়নে? আৰু মই এটা সহজ আৰু সৰল কথা কোৱাৰ কাৰণে তুমি মোক অহংকাৰী বুলি দোষাৰোপ কৰিছা। আকৌ কৈছোঁ ভাগীৰথীক মই অন্তৰেৰে ভাল পাওঁ, সেই ভালপোৱা গভীৰ আৰু পৱিত্ৰ। তাইও মোক প্ৰাণভৰি ভাল পায়। তেন্তে তুমি দুয়োৰে মাজত অন্তৰায় হৈ থিয় হৈছা কিয়?"

দেউতাকে সেই কথাৰ উত্তৰ নিদি চুপ চাপ গৈ থাকিল। অলপ পিচত তেওঁ লাহে লাহে ক'লে, "মইতো এই কথাটো স্বপ্নতো ভবা নাছিলোঁ। ৰমদাই শুনিলে কি ক'ব? তোৰ কাৰণে ছোৱালীৰ অভাৱ নাই, ভাল শিক্ষিতা ছোৱালী পাবি। তই এই আশা মনৰপৰা একেবাৰে বাদ দে। তই মোৰ অন্তৰত আঘাত নিদিবি। ইয়াৰ লগত সমাজ-সংস্কাৰৰ কোনো সম্বন্ধ নাই। মোৰ এই বুঢ়া বয়সত তই মোক সমাজ সংস্কাৰ শিকাবলৈ আহিছ, মোৰ পৰীক্ষা ল'বলৈ আহিছ? তই পৱিত্ৰ প্ৰেমৰ কথা কৈছ। যদি তোৰ প্ৰেম সত্য আৰু পৱিত্ৰ হ'লহেঁতেন মোৰ আগত এনে নিৰ্লজ্জভাৱে নকলিহেঁতেন। প্ৰেম এটা কথা, আৰু বিয়া বেলেগ কথা। প্ৰেমৰ পথ ছুৰী কটাৰীৰ ধাৰৰ নিচিনা। তই নিজকে বঞ্চনা নকৰিবি। ভৱিষ্যতে এনে কথা কেতিয়াও উচ্চাৰণ নকৰিবি বুইছ।"

"বুজিছো"—মৰ্মাহত কুন্দনে মনতে ক'লে। 'মইতো আগৰ পৰাই জানিছিলোঁ। এনেকুৱা ভণ্ড মানুহৰ লগত মোৰ কোনো সম্বন্ধ থাকিব নোৱাৰে। মই এই সমাজ আৰু ইয়াৰ দুৰ্গন্ধময় মূল্যৰ ওপৰত থু পেলাওঁ। এতিয়া মই নিজৰ পথ নিজে বিচাৰি উলিয়াব লাগিব আৰু সেইটোৱেই হ'ব সত্য পথ। কাহিনী ইয়াতে শেষ।'

বন্ধু লাভ আৰু নিষিদ্ধ ফল

এই কলেজখনত শিক্ষকতা কৰা এবছৰ হওঁতেই কুন্দনলৈ জাৰ্মানীৰপৰা নিমন্ত্ৰণ আহিল। তাত ডক্টৰেট কৰোঁতে তাৰ অন্ততঃ চাৰি বছৰ লাগিব। সি ইচ্ছা কৰাহেঁতেন আগতেই

যাব পাৰিলেহেঁতেন। তাক এজন প্ৰফেচাৰে আমেৰিকালৈকো মাতিছিল। কিন্তু কিছুমান কাৰণত সি যাব নোৱাৰিলে। এটা কাৰণ আছিল যথাসময়ত সি টকা-পইচাৰ ব্যৱস্থা কৰিব নোৱাৰিলে। দ্বিতীয় কাৰণটো আছিল বিদেশলৈ গৈয়েই দিবলগীয়া পৰীক্ষা এটাৰ কাৰণে সি ভালকৈ প্ৰস্তুত হোৱা নাছিল। তৃতীয় কাৰণটো আছিল তাৰ সম্বন্ধে দেউতাকৰ মনোভাৱ পৰিৱৰ্তন কৰিবলৈ আৰু কিছু সময় দিয়া আৰু শেষ কাৰণটো আছিল ভাগীৰথীৰ প্ৰতি তাৰ মনত সদায় বিৰাজ কৰা দুৰাশাত আশাৰ জিলিঙনি দেখাৰ বাসনা।

ঘটনাক্ৰমে, ৰামখুৰাৰ ঘৰৰপৰা অহাৰ তিনি-চাৰি দিনৰ পিছতে কুন্দনে কলেজত অধ্যাপক হোৱাৰ নিযুক্তিপত্ৰ পালে আৰু সি তৎক্ষণাৎ লক্ষ্ণৌলৈ গৈ কলেজৰ চাকৰিত যোগদান কৰিলে। সেই ঘটনাটোৰ পিছত সি ৰামখুৰা আৰু ভাগীৰথীক এবাৰ দেখা কৰিবলৈ ইচ্ছা কৰিছিল যদিও তাৰ সময় নাছিল।

নতুন ঠাইত কুন্দন এটা ভাল পৰিয়ালৰ সংস্পৰ্শত আহিল। তেওঁলোক হ'ল আৰ্থাৰ আৰু গ্ৰীটা। দুয়ো সবল আৰু মানুহৰ লগত মিলিব পৰা। কুন্দন যিটো ঘৰত ভাড়া দি থাকে সেইটো ঘৰৰ ব্যৱস্থা আৰ্থাৰে কৰি দিছিল। ঘৰ মানে এটা কোঠা; কুন্দন এটা পৰিয়ালৰ লগত পইচা দি অতিথি হিচাপে থাকিব লাগে। খোৱা-বোৱাৰ দিহা তেওঁলোকেই কৰে। ঘৰৰ গিৰিহঁতজন প্ৰায় বাহিৰতেই থাকে। তেওঁৰ পত্নীৰ লগত কুন্দনৰ ঘনিষ্ঠতা হ'ল। দীপাৱলীৰ ছুটীত কুন্দন নিজৰ ঘৰলৈ গৈছিল। মাক-দেউতাক, ভায়েক-ভনীয়েক, ৰামখুৰা আৰু ভাগীৰথীৰ কাৰণে সি তাৰ দৰ্মহাৰ টকাৰে নতুন কাপোৰ-কানি কিনি লৈ গৈছিল। ঘৰত তাক সকলোৱে বৰ মৰম আৰু আদৰ কৰিলে। দুৰ্ভাগ্যবশতঃ ভাগীৰথীৰ লগত তাৰ দেখা-সাক্ষাৎ নহ'ল। সি জানিব পাৰিলে ভাগীৰথীৰ বিয়া স্থিৰ হৈছে।

অনন্তপুৰৰপৰা ঘূৰি অহাৰ পিচত ঘৰৰ গিৰিহঁতৰ পত্নীৰ লগত কুন্দনৰ ঘনিষ্ঠতা ইমান বেচি হ'ল যে কুন্দনে আগতে কেতিয়াও কল্পনা কৰা নাছিল। কিন্তু তাৰ বাবে দায়ী কোন আছিল? নিশ্চয় কুন্দন নিজে আছিল। কাৰণ তাৰ দুৰ্বলতা নাথাকিলে সিমানখিনি আগবাঢ়িব নোৱাৰিলেহেঁতেন। আমি যদি এঢলীয়া ঠাই এডোখৰক সমান ঠাই বুলি ধৰি লওঁ খোজ-কাঢ়োঁতে উজুটি খাই পৰিমেই। কুন্দনৰো সেই একে অৱস্থা হ'ল। মানুহৰ নিজৰ ওপৰত যিমানেই ভাৰসা আৰু বিশ্বাস থাকক, পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিয়ে সকলো প্ৰাণী আৰু জড় পদাৰ্থক আকৰ্ষণ কৰাৰ দৰে মানুহকো তেনে ধৰণৰ এটা শক্তিয়ে আকৰ্ষণ কৰে। কুন্দনকো তেনে এটা শক্তিয়ে আকৰ্যণ কৰিছিল। অৱশ্যে তাৰ আগতে ভূমিকাৰ প্ৰয়োজন।

ছুটীত ঘৰলৈ গৈ কুন্দন যেতিয়া ঘূৰি আহিল লগত সি এটা ধুমুহা লৈ আহিল। সেই ধুমুহাত আছিল এটা দুৰ্দমনীয় বিদ্ৰোহ— যি সকলো ভাঙি ছিঙি চূৰমাৰ কৰিব পাৰে আৰু তথাকথিত আদৰ্শ আৰু মৰ্যাদাৰ প্ৰতি এটা দাৰুণ ঘৃণা যি তাৰ অন্তৰৰপৰা কেতিয়াও আঁতৰ হোৱা নাছিল।

তেতিয়ালৈকে কুন্দন সম্পূৰ্ণ নিৰ্দোষ আছিল। তাৰ বিশ্বাস হ'ল যে সি তল

জাতৰ ল'ৰা হোৱাৰ কাৰণেই ভাগীৰথীয়ে তাক ওফোৰাই দিলে। সেইদিনা ভাগীৰথীয়ে তাৰ আগত যি দুৰ্বলতা প্ৰকাশ কৰিছিল, সেই দুৰ্বলতা সময় আৰু পৰিৱেশৰ প্ৰভাৱত আছিল, সেই দুৰ্বলতা স্থায়ী নাছিল। ৰামখুৰাৰ মনতো নিশ্চয় সেই ভাৱ সদায় জাগ্ৰত আছিল। তাৰ বিশ্বাস বদ্ধমূল হৈছিল যে তাৰ দেউতাক শূদ্ৰ হোৱাৰ কাৰণে সহায়হীন আছিল আৰু লগতে তেওঁৰ অত্যন্ত হীনমন্যতা আছিল— যি হীনমন্যতাক নিৰ্মূল কৰিবৰ কাৰণে তেওঁ কোনো চেষ্টা কৰা নাছিল আৰু হাজাৰবাৰ চেষ্টা কৰিলেও তেওঁ সফল নহ'ব বুলি তেওঁৰ মনত এটা ডাঙৰ ভুল ধাৰণা আৰু হীনভাৱ আছিল।

সেই হীনভাৱ আৰু হীনমন্যতাক সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবৰ কাৰণে কুন্দন ছট্‌ফটাবলৈ ধৰিলে। তাৰ সেই তথাকথিত অনুভৱহীনতা আৰু নিৰ্দোষিতা ডিঙিত লাগি থকা এডাল ৰচীৰ নিচিনা লাগিল আৰু সেই ৰচীডাল ছিঙি টুকুৰা টুকুৰ কৰিবলৈ সি উত্‌ৰাৱল হ'ল। এতিয়া নালাগে তাক সেই সঁচা কথা কোৱাৰ নৈতিকতা— যি মিছাৰে ভৰপূৰ আৰু যাক সি ভাঙি চূৰমাৰ কৰিব খোজে। সি ভাগীৰথীৰ ওপৰত প্ৰতিশোধ ল'ব, তাৰ দেউতাক আৰু ৰামখুৰাৰ ওপৰত প্ৰতিশোধ ল'ব— গোটেই মূল্য ব্যৱস্থাৰ ওপৰত—যি তাৰ জীৱনটো ধ্বংস কৰিলে আৰু যি অৱশিষ্ট আছে তাক গ্লানিপূৰ্ণ কৰি তুলিলে।

আৰ্থাৰ এজন সৰল মনৰ, খোলা অন্তৰৰ বন্ধু যিজনৰ প্ৰীতিপূৰ্ণ সান্নিধ্য নোপোৱাহেঁতেন তাৰ অকলশৰীয়া জীৱনটো অসহ্য হ'লহেঁতেন। এনেকুৱা প্ৰকৃত বন্ধু পোৱা সঁচাকৈয়ে ভাগ্যৰ কথা। কিন্তু দুয়োৰে মাজত বিপৰীত ধ্ৰুৱৰ পাৰস্পৰিক আকৰ্ষণ আছে। কুন্দনে আৰ্থাৰৰ ওপৰত যিমান নিৰ্ভৰ কৰে বোধকৰো সিমান নিৰ্ভৰ আৰ্থাৰে তাৰ ওপৰত নকৰে কাৰণ তেওঁৰ লগত পত্নী গ্ৰীটা আছে। তথাপিও, কুন্দনতকৈ বয়সত ছয়-সাত বছৰ ডাঙৰ আৰু চাকৰিৰ ক্ষেত্ৰতো ছৱছৰমান জ্যেষ্ঠ হোৱা সত্ত্বেও গোটেই কলেজখনত আন কাৰো লগত আৰ্থাৰৰ তেনে বন্ধুত্ব নাছিল যি বন্ধুত্ব কুন্দনৰ লগত আছিল।

আৰ্থাৰৰ লগত কুন্দনৰ এনেকুৱা গাঢ় বন্ধুত্ব আছিল যে সি তাৰ আগত কোনো কথা লুকুৱাব নোৱাৰিছিল আৰু লুকুৱাবলৈ ইচ্ছাও কৰা নাছিল। চাকৰি আৰু বয়সত আৰ্থাৰ কুন্দনতকৈ ছয়-সাত বছৰৰ জ্যেষ্ঠ আছিল। কিন্তু আৰ্থাৰৰ উদাৰতাৰ কাৰণে তেওঁ সকলো ক্ষেত্ৰতে কুন্দনক সমবয়সী আৰু সমমৰ্যাদাৰ সহকৰ্মী হিচাপে গণ্য কৰিছিল। তেনে ধৰণৰ এজন বন্ধু পালে কুন্দনৰ যে কোনো অভাৱ নাথাকিব সি সকলো সময়তে অনুভৱ কৰিছিল। আৰ্থাৰৰ বাহিৰেও তেওঁৰ পত্নী গ্ৰীটাই কুন্দনক নিজৰ ভায়েকৰ নিচিনা মৰম কৰিছিল। গতিকে দুয়োকে কুন্দনে শ্ৰদ্ধা কৰাৰ উপৰিও নিজৰ অভিভাৱক হিচাপে গ্ৰহণ কৰিছিল। বিদেশলৈ যোৱাৰ আগতে এনে হিতৈষী লোকৰ সংস্পৰ্শত অহাটো সঁচাকৈয়ে তাৰ ভাগ্য আছিল। কুন্দন সদায় আৰ্থাৰৰ ঘৰলৈ গৈছিল আৰু কেতিয়াবা এদিন নগ'লে পিচদিনা গ্ৰীটাই তাক নোযোৱাৰ কাৰণে বায়েকৰ নিচিনাকৈ ধমকী দিছিল। যেন সি নোযোৱাৰ কাৰণে সিহঁতৰ সেই সন্ধিয়াটো একেবাৰে

মাটি হৈ গ'ল। তাৰ কাৰণে যে কোনোবাই নিস্বাৰ্থভাৱে অভাৱবোধ কৰে, সেই চিন্তাই কুন্দনক নিৰ্মল আনন্দ দিছিল।

কুন্দনক দেখিলেই আৰ্থাৰে 'ভাই জিনিয়াচ' বুলি মতাৰ লগে লগে গ্ৰীটাই 'ভাই ডাৰ্লিং' সম্বোধন কৰিলে কুন্দনে মিচিকিয়া হাঁহি মাৰি তলমূৰ কৰে। গ্ৰীটাই আৰ্থাৰৰ আগতে কুন্দনৰ হাতত ধৰে, গালত পিটিকে আৰু মৰমেৰে কাণতো ধৰে। আৰ্থাৰ তাত অলপো ক্ষুণ্ণ নহয় বৰঞ্চ নিজৰ ভায়েকৰ নিচিনা ব্যৱহাৰ কৰা দেখি তেওঁ আনন্দহে পায়। গতিকে এনে ধৰণৰ মানুহৰ আগত কুন্দনে নিজৰ কথা কি লুকুৱাব? এইখন সেইখন জগত নহয় য'ত কুন্দনৰ উশাহ প্ৰায় বন্ধ হোৱাৰ উপক্ৰম হৈছিল, এইখন সেইখন জগত নহয়— য'ত তাৰ প্ৰত্যেকটো কামতে বাধা পাইছিল আৰু প্ৰত্যেকটো কথাৰ বিৰোধিতা কৰিছিল। এইখন এখন নতুন জগত— য'ত তাৰ যুৱক মনৰ সকলো চিন্তা আৰু অনুভূতি স্বচ্ছন্দে প্ৰকাশ কৰিব পাৰে, য'ত কোনো বাধা-বিঘিনি আৰু বন্ধন নাই।

এবাৰ ভৰি পিছলি গ'লে তাক চম্ভালি ল'লে দ্বিতীয়বাৰ পিছলাৰ সম্ভাৱনা কম থাকে। আমি যাক অন্তৰাত্মা বা অন্তৰাত্মাৰ ধ্বনি বুলি কওঁ সেই ধ্বনি কেতিয়াবা নুশুনা হয় বা অনেক হাইউৰুমি আৰু গণ্ডগোলত সেই ধ্বনি তল পৰে। নাইবা আমি কওঁ যে এই তথাকথিত অন্তৰাত্মাৰদ্বাৰা আমি সুৰক্ষিত আৰু মুক্ত হওঁ। এই মনোভাৱ আৰু ধাৰণা আমাৰ বুদ্ধিৰপৰা জন্ম হয়। আমি যি ভাল কাম কৰিবলৈ বিচাৰোঁ, তাৰ নিৰ্বাচন আমাৰ কাৰণে বুদ্ধিয়ে কৰি দিয়ে। স্বচ্ছন্দ বুদ্ধিৰ ৰাগী এটা অদ্ভুত ৰাগী যাৰ কোনেও পাৰ নাপায়। অৱশ্যে, কুন্দন সেই ৰাগীত দীক্ষিত হোৱাৰ কাৰণে তাক শংকা কৰিবৰ শক্তি তাৰ নাছিল। স্বচ্ছন্দ বুদ্ধিৰ ৰাগীয়ে আমাক অনৈতিক কৰি তুলিছে। মাত্ৰ গড় পৰিমাণৰ মানুহক এটা গড় পৰিমাণৰ নৈতিকতাৰপৰা ওপৰলৈ তুলি অনৈতিক কৰি তোলে।

আৰ্থাৰে প্ৰায়েই কৈ থাকে যে এটা গড় পৰিমাণ নৈতিকতা পালন নকৰিলে আমি নৈতিক হ'ব নোৱাৰোঁ। কথাষাৰ কিমান সত্য কথা! সেই আত্মবিশ্বাস কুন্দনৰ মনত আজিও আছে কিয়? এই আত্মবিশ্বাসৰ সোঁত কি? ... অতিনৈতিকতা নহয়তো? শেহত এই আত্মাই পাপ কৰি, পাপত পৰিয়েইতো নিজকে চিনি পায়। পাপেইতো তাক তাৰ সামৰ্থ্যৰ কথা জনাই দিয়ে। গতিকে আমি সকলো যি মূল পাপৰ সন্তান, সেই মূল পাপেই আমাৰ আৰু ঈশ্বৰৰ মাজত থকা সাঁকো বুলি আৰ্থাৰে কোৱা কথাষাৰত নো কি ভুল আছে?

আৰু এই পাপ নামৰ বস্তুটোৱেই বা কি? কুন্দনে যি বুজিলে আৰু অনুভৱ কৰিলে— তাৰ মতে পাপ একোৱেই নহয়। ই কিছুমান মানুহৰ বিৰুদ্ধে কিছুমান মানুহৰ ষড়যন্ত্ৰহে। আচলতে পাপ ভয়ৰপৰা উৎপন্ন হোৱা বস্তু যাক সংস্কাৰ আৰু অভ্যাসৰ ভয় বুলি ক'ব পাৰি। যি সংস্কাৰ আমি তৈয়াৰ কৰা নাই আৰু যি সংস্কাৰে আত্মাক স্পৰ্শ কৰা নাই, সেই সংস্কাৰ কেতিয়াও আত্মাৰ এটা অঙ্গ হ'ব নোৱাৰে।

এতিয়া সঁচাকৈয়ে কুন্দনে জানিলে যে চাকৰৰ কোনো নৈতিকতা নাথাকে।

আমি জানি শুনিয়েই কাৰো লগত সম্বন্ধ স্থাপন কৰিব পাৰোঁ— যি হ'ব স্বাধীন সম্বন্ধ। নহ'লে তাতো দাসত্ব আমাৰ গাত লিপিট খাই থাকিব। আনন্দৰ লগত কোনো ৰীতি-নীতি আৰু নিয়মৰ স্পৰ্শ নাথাকে। মূল আনন্দ আপোনা আপুনি মানুহৰ মনলৈ আহে। অৱশ্যে আনন্দৰ লগত পাপৰ অলপ সম্বন্ধ আছে। চাওক না কুন্দনলৈ। অনেক দিনৰপৰা কুন্দনৰ মনত নাৰীৰ প্ৰতি এটা বেমাৰৰ নিচিনা কৌতূহল আছিল। কিন্তু পিচত সেই কৌতূহল একেবাৰে শেষ হৈছিল। কাৰণ সি নাৰীক ভালকৈ জানিছিল, সি জানিছিল এটা নিষিদ্ধ ফলৰ দৰে, সঁচাসচি এটা মূল পাপৰ দৰে।

তেন্তে তেওঁ কোন যি নিজৰ বয়সক এই এঢলীয়া ঠাইৰ ওপৰত থিয় হৈ পিছলৈ চাই আছে? এই অসাধাৰণ বিশেষত্ব কেনে ধৰণৰ যি নিজৰ ঘৰতে কাৰাবাস কৰাইছে? এইটো কেনে ধৰণৰ জীৱন আৰু তাৰ লেখ্যই কাক সম্বোধন কৰিছে? কোনে তেওঁৰ অজ্ঞান অৱস্থা দূৰ কৰিলে আৰু দূৰ কৰাৰ আগতে শপত খুৱাইছিল? আৰু যেতিয়া তেওঁ হঠাৎ ৰংমঞ্চৰ পৰা অদৃশ্য হ'ল সেই আত্মনিবেদন কাৰ কাৰণে আছিল?

তৃতীয় পৰ্ব

সন্ধিয়াৰ সূৰ্য

জামু গছ

কিন্‌কিনীয়া বৰষুণ দিয়াৰ কাৰণে বাৰাণ্ডাৰ নিচেই ওচৰতে থকা জামু গছ জোপাৰ পাতবোৰ তিতিছিল। এই কিন্‌কিনীয়া বৰষুণ যে কেতিয়া আৰম্ভ হৈছিল কোনেও সঠিককৈ ক'ব নোৱাৰে। মই মাত্ৰ এতিয়াহে লক্ষ্য কৰিছোঁ। কালিও এনেকৈ বৰষুণ দিছিল। জেঠ গ'ল, আহাৰ গ'ল আৰু শাওনৰো যাবৰ সময় হ'ল। বৰষুণে একো নিয়ম পালন নকৰে— যেতিয়াই ইচ্ছা তেতিয়াই আহি ধৰণীখন তিয়াই থৈ যায়। এই বছৰ কি হ'ব কোনেও নাজানে। ঋতু-চক্ৰটো এই বছৰ ওলট-পালট হ'ল আৰু সেইটোৱেই এটা ডাঙৰ ভয়ৰ কথা হৈ পৰিছে। মানুহৰ জগতত অসম্ভৱৰ অভাৱ নাই। পৰিৱৰ্তনৰ অভাৱ নাই কিন্তু প্ৰকৃতি নিজৰ ঠাইত স্থিৰ আৰু অটল আছে। তেন্তে ডাঙৰীয়া, মানুহ প্ৰকৃতিৰপৰা একেবাৰে সুকীয়া আৰু পৃথক নে? কিন্তু মানুহ প্ৰকৃতিৰ এটা অংশ নহয় জানো? ... পুৰণি কালত যেতিয়া বৰষুণ নহৈছিল তেতিয়া মানুহে ঈশ্বৰৰ ওচৰত কিবা দোষ কৰিছিল বুলি ধৰি লৈছিল আৰু সেই দোষক মানুহে ৰজা আৰু প্ৰজাৰ পাপ বুলি ভাবিছিল আৰু তাক মোচন কৰিবৰ কাৰণে যজ্ঞ আৰু পূজা আদি কৰিছিল। সেইবোৰ অৱশ্যে অন্ধ বিশ্বাস আছিল আৰু কোনো অসৎ উদ্দেশ্যৰ কাৰণে কৰা নাছিল।

পুৰণি কালত মানুহৰ চকুৰ লাজ বেলেগ ধৰণৰ আছিল আৰু আজি-কালি ইয়াক বেলেগ ধৰণে প্ৰকাশ কৰে, সিমানেইতো? তেতিয়া ধাৰ্মিকতাৰ লাজ আছিল আৰু এতিয়া বৈজ্ঞানিকতাৰ লাজ। ইমানেইতো পাৰ্থক্য। আমি পাহৰি যাওঁ যে এতিয়াও আমাৰ দেশত শতচণ্ডী যজ্ঞ পাতে আৰু তাৰ কাৰণে এমাহৰ আগৰপৰা বৰঙণি সংগ্ৰহ কৰে। মাত্ৰ কালি মোৰ ওচৰলৈ কেইজনমান মানুহ চান্দা বিচাৰি আহিছিল। তেওঁলোকক দেখি মোৰ এনেকুৱা লাগিছিল যেন মই কোঠাৰপৰা গতিয়াই বাহিৰ কৰি দিওঁ; কিন্তু তাৰ সলনি মই তেওঁলোকৰ ওচৰত হাত যোৰ কৰি ক্ষমা বিচাৰিবলগীয়া হ'ল আৰু ক'লো, 'এইবোৰত মোৰ বিশ্বাস নাই। নাস্তিকৰপৰা চান্দা ল'লে যজ্ঞৰ কাৰণে অমঙ্গলজনক হ'ব।' কিন্তু মানুহ কেইজন মোৰ ওচৰৰপৰা আঁতৰি নগ'ল আৰু চান্দাৰ কাৰণে মোক জোৰ কৰিলে। শেহত উপায় নাপাই মই তেওঁলোকক ঠেলি য়াই দুৱাৰখন বন্ধ কৰিছিলোঁ। মানুহ কেইজনে নিশ্চয় মোক গালি পাৰিছিল আৰু সেই গালি দুৱাৰখন

বন্ধ কৰাৰ কাৰণে মই শুনা নাছিলোঁ। মোৰ ভয় হৈছিল জানোচা বাহিৰলৈ ওলাই আহি এলিচে সেই অপ্ৰীতিকৰ দৃশ্য দেখে। কিন্তু পিচত ভাবিছিলোঁ কেইটকামান চান্দা দিয়াহেঁতেন কিনো ক্ষতি আছিল? কিনো কষ্ট হ'লহেঁতেন? তদুপৰি ইয়াত ধৰ্মৰো কোনো সম্বন্ধ নাই আৰু বিজ্ঞানৰো। আছে মাথোন সামাজিকতা। আনকি জোচেফেও চান্দা দিছিল আৰু মাৰ্গাৰেটেও কোনো আপত্তি কৰা নাছিল। আচৰিত কথা— যজ্ঞৰ কাৰণে চান্দা তোলা এই মানুহবোৰে খ্ৰীষ্টানকো বাদ নিদিয়ে। জোচেফক মোৰ কথাটো কোৱাত তেওঁ হাঁহি কৈছিল, 'তোক গালি পাৰোঁতে সিহঁতে নিশ্চয় 'কৃপণ' শব্দটোও উচ্চাৰণ কৰিছিল।'

কিন্‌কিনিয়া বৰষুণ বন্ধ হ'ল। মই ভাবিছিলোঁ আজি ধাৰাসাৰে বৰষুণ দিব আৰু মই ঘৰৰ ভিতৰতে বহি চাহ খাই বাহিৰলৈ চাই চাই বৰষুণৰ সৌন্দৰ্য্য উপভোগ কৰিম।

বৰষুণ বন্ধ হোৱাৰ লগে লগে গছ জোপাৰ পাতত পৰা বৰষুণৰ শব্দও বন্ধ হ'ল। সেই শব্দটো শুনিবলৈ মোৰ বৰ ভাল লাগে। কি ধৰণৰ গছ যে ইয়াত বতাহ লাগিলেও কোনো শব্দ নহয়? সৰু সুৰাকৈ হ'লেও এটা হো-হোৱনি শব্দ হোৱা উচিত নহয় জানো? এই জামু গছজোপাত কোনো চৰাই আহিও নপৰে। কেতিয়াবা দুই-এটা চৰাই ভুলতে আহি পৰিলেও পিচ মুহূৰ্ততে উৰি যায়। হয়তো ভাবো এই জোপা গছ নহয়— গছৰ আকৃতিত আন কিবাহে। গছ জোপায়ো ভালদৰে জানে যে তাক আত্মীয়স্বজনে সিহঁতৰ মাজৰপৰা বহিষ্কাৰ কৰি দিছে আৰু চৰাইবোৰেও সেই কথাটো জানে। যাৰ বাৰীত এই জামু গছ জোপা আছে তেৰোঁ গছ জোপাৰ ওপৰত অতিষ্ঠ হৈছে আৰু মনত অশান্তি পাইছে। তেওঁ সদায় মনে মনে ভাবি ভয় খাইছিল যে যেতিয়া কিছুদিনৰ পিছত গছ জোপাত জামু লাগিব, ওচৰ-চুবুৰীয়াৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰে জামু খাবলৈ আহি হুলস্থূল আৰম্ভ কৰি দিব। তেওঁ বাৰীখন ইমান মেহনত কৰি পাতিছে আৰু ল'ৰা-ছোৱালীবোৰে জামু খাবলৈ আহি নষ্ট কৰিবহি। ওচৰৰ ধোবাৰ ছাগলী কেইটা সোমাই বাৰীখনৰ যি দুৰ্গতি কৰে, জামু খাবলৈ অহা ল'ৰা-ছোৱালীবোৰে তেনে কৰিব বুলি বাৰীৰ গিৰিহঁত শঙ্কিত হৈছিল।

কিন্তু তেওঁৰ ভয় অমূলক আছিল কাৰণ এই জামু গছজোপা দেখি এনে লাগে যে ইয়াত কেতিয়াও জামু লাগিব নোৱাৰে। কোনে কেতিয়া জামু খাই ইয়াত গুটি পেলাইছিল যে সেই গুটিটোৰ পৰাই এই জামু গছ জোপা আপোনা আপুনি গজিছিল। এলিচে কোৱা মতে, বাৰীখনৰ গিৰিহঁত আহুজা ডাঙৰীয়াই সঁচা কথা কোৱা নাই গছজোপাৰ বিষয়ে। আহুজাই কৈছিল গছজোপা পুলি হৈ থকা অৱস্থাত দেখাহেঁতেন তেওঁ পুলিটো উঘালি পেলালেহেঁতেন। কিন্তু এলিচৰ মতে তেওঁ জামু পুলিটো দেখি আহুজাক কৈছিল আৰু তেওঁ ইচ্ছা কৰিয়েই পুলিটো উঘলাৰ কথা মনৰপৰা বাদ দিছিল কাৰণ তেওঁ হিন্দুৱে কোনো ফল দিয়া গছ কাটিলে বা উঘালিলে পাপ হয় বুলি ভাবে। কেৱল আহুজাই নহয় তেওঁৰ ঘৈণীয়েকেও তাকে ভাবি স্বামীক মানা কৰিছিল।

গছজোপা দেখিলেই এলিচৰ খং উঠিছিল। অৱশ্যে মোৰো খং উঠিছিল। কিন্তু মোৰ খঙৰ বিশেষ কাৰণ নাছিল। গছ জোপাৰ প্ৰতি এলিচৰ খং আৰু বিতৃষ্ণাৰ কাৰণে

বছৰত দুবাৰকৈ গছ জোপাৰ ডালবোৰ কাটি দিয়া হৈছিল। কাৰণ আমি আহুজাৰ ঘৰৰ ওপৰত দুমহলাত আছিলোঁ আৰু জাৰকালি আমাৰ ঘৰৰ বাৰান্দাত ৰ'দ পৰিবলৈ ডালবোৰ কটা হৈছিল। অৰ্থাৎ গছ জোপাক বাঢ়িবলৈ দিয়া নহৈছিল। কিন্তু এলিচ তাত সন্তুষ্ট হোৱা নাছিল। তেওঁ বিচাৰিছিল যেন গছ জোপা একেবাৰে উঘালি পেলোৱা বা গুৰিতে কাটি দিয়া হয়। কিন্তু তেওঁ জনা নাছিল যে গছ জোপাক গুৰিতে কটা বা উঘালি পেলোৱা সাধাৰণ কাম নহয়। এই কথাতেই আহুজাৰ পত্নীৰ লগত এলিচৰ প্ৰায়েই কথাৰ কটাকটি হৈছিল। সেইবোৰ কাজিয়া-পেচাল বন্ধ কৰিবৰ কাৰণে যোৱা বছৰ এদিন আহুজাৰ পত্নীয়ে ক'লে, "আপোনালোকে গছ জোপাক লৈ যি ইচ্ছা হয় তাকে কৰক। গুৰিতে কাটিও পেলাব পাৰে বা উঘালিও পেলাব পাৰে।" তাকে শুনি এলিচে ক'ৰবাৰপৰা এটা কাঠকটীয়াক মাতি আনিলে আৰু তাৰ পৰিশ্ৰমৰ বাবে কুৰি টকা দিম বুলি ক'লে। টকাৰ লোভত কাঠকটীয়াটোৱে কুঠাৰখন লৈ গছ জোপাৰ তললৈ গ'ল। কেইমিনিটমান গছ জোপাৰ ওপৰলৈ চালে আৰু তাৰ পিছত গছ জোপাৰ চাৰিওপিনে চাৰিবাৰমান ঘূৰি শেহত কুঠাৰখন কান্ধত লৈ তাৰদ্বাৰা সেই কামটো নহ'ব বুলি কৈ তাৰপৰা অদৃশ্য হ'ল। কাঠকটীয়াটো তেনেভাৱে যোৱা দেখি এলিচে মুখখন এনেকুৱা কৰিলে যেন ওচৰতে কুঁৱা এটা থকাহেঁতেন তাতেই তাই জাপ মাৰি পৰিলহেঁতেন। এলিচৰ তেনে অৱস্থা দেখি মোৰ সহানুভূতি হ'ল আৰু মই কুঠাৰখন লৈ বীৰৰ দৰে গছ জোপাৰ ওচৰলৈ গ'লোঁ কিন্তু তাত ঘাপ দিবলৈ সাহস নহ'ল আৰু উলটি আহিলোঁ। তাকে দেখি আহুজা দম্পতিয়ে হাঁহিবলৈ ধৰিলে। তেওঁলোকৰ হাঁহি ইমান কোমল যে দেখিলে কাৰো খং নুঠে। বিশ্ববিদ্যালয়ত কুন্দন অজাতশত্ৰু বুলি বিখ্যাত। আহুজা দম্পতিয়ে তেনে ভাবে হঁহা দেখি এলিচৰ বৰ খং উঠিল আৰু তাই মুখতে ভোৰভোৰালে, "কাপুৰুষ, ভণ্ড!" শব্দ দুটা আহুজা আৰু তেওঁৰ পত্নীৰ কাণত পৰিল। আহুজা অকলে হোৱা হ'ল মিচিকিয়া হাঁহি এটা মাৰি সেই শব্দকেইটা গ্ৰহণ কৰিলেহেঁতেন। কিন্তু তেওঁৰ পত্নীয়ে নোৱাৰিলে। খঙত তেওঁ তাৰপৰা উচাট মাৰি গুচি গ'ল আৰু সেই দিনাৰপৰা এলিচৰ লগত তেওঁৰ কথা-বতৰা বন্ধ হ'ল। কথা বন্ধ হোৱাত বেচি ক্ষতি হ'ল এলিচৰ কাৰণ তেওঁৰ লগত কথা-বতৰা পাতিবলৈ আন কোনো নোহোৱা হ'ল আৰু সেই কাৰণে ঘৰত মোৰ অনুপস্থিতিত অকলে চুপচাপ থাকিব লগা হ'ল। মোৰ পিনৰপৰা তেওঁক অনেক বুজালোঁ যে সৰুসুৰা কথাত পৰি কাৰো লগত বিশেষকৈ ওচৰ-চুবুৰীয়াৰ লগত সম্বন্ধ ছেদ কৰা উচিত নহয়। কিন্তু এলিচৰ ওপৰত মোৰ কথাৰ প্ৰতিক্ৰিয়া একো নহ'ল আৰু ক'লে আহুজাহঁতত‌কৈ মই হেনো বেছি ভণ্ড আৰু কাপুৰুষ।

এলিচ ভাৰতীয় নহয়, ইউৰোপীয়। তেওঁৰ বাক্-সংযমত বিশ্বাস আছে। তেওঁ অতি কম কথাৰে বেছি মনৰ ভাৱ প্ৰকাশ কৰিব পাৰে। কিন্তু মই কথা কওঁতে সদায় বেচি কথা নাই কোৱা যেন লাগে। কিন্তু এটা কথা মই লক্ষ্য কৰিলো যে এলিচ দিনে দিনে খঙাল হৈ পৰিছে আৰু এটা সৰু কথাতে তেওঁ মোৰ লগত তৰ্ক কৰে। সেই খঙৰ কাৰণ মই বুজিব পাৰিলোঁ— মোৰ প্ৰতি তেওঁৰ হিংসা। সেই হিংসাৰ

কাৰণ কি যে থাকিব পাৰে মই অনেক ভাবি গুণিও বাহিৰ কৰিব নোৱাৰিলো। লগতে এইটোও মই লক্ষ্য কৰিলোঁ মোৰ প্ৰতি তেওঁৰ ভালপোৱা দিনে দিনে হ্ৰাস হৈছে আৰু সেই ভালপোৱা তেতিয়াই জাগি উঠে যেতিয়াই তেওঁ মোৰ মনত দুঃখ দিয়াত কৃতকাৰ্য হয়। তাৰ পিচত প্ৰায় এসপ্তাহমান আমাৰ মাজত কথা-বতৰা বন্ধ হ'ল। মোৰ আগৰ কথাবোৰ মনত পৰে যেতিয়া এদিন মই বাইবেলখন উলিয়াই লৈ তেওঁক পঢ়ি শুনাইছিলোঁ আৰু প্ৰথমতে তেওঁ শুনিবলৈ মন নকৰি পিছত মনোযোগেৰে শুনিছিল। তেওঁৰ কাৰণে নহয় মোৰ নিজৰ কাৰণে এবাৰ মই খ্ৰীষ্টান হ'বলৈ স্থিৰ কৰিছিলোঁ। কিন্তু এলিচে মোক বাধা দিছিল আৰু নিন্দা আৰু তিৰস্কাৰ কৰিছিল। ... এতিয়া এলিচ হয়তো পাদুৰীটোৰ লগত গীৰ্জাত বহি আছে। ... মই তেওঁক ক'ব খোঁজো "মৰমৰ এলিচ, এতিয়াও পৰিস্থিতি বেয়ালৈ যোৱা নাই। আমি এতিয়াও পানীত ডুবি মৰাৰ পৰা বাচি যাব পাৰোঁ। মনত পেলোৱাচোন আমি কি প্ৰতিজ্ঞা কৰি আমাৰ দাম্পত্য জীৱন আৰম্ভ কৰিছিলোঁ। মই তোমাৰ দেউতাৰাক মোৰ দেউতাতকৈও বেছি শ্ৰদ্ধা কৰোঁ— তেওঁক মই এতিয়া কেনেকৈ মুখ দেখুৱাম? তোমাৰ কি কম আছিল যে সকলোকে এৰি তুমি মোক স্বামীৰূপে গ্ৰহণ কৰিছিলা? মই অকলে আছিলোঁ, ভালেই আছিলোঁ। তোমাক লগ পোৱাৰ আগতে মই অ'ত ত'ত যিমান খুন্দা-খুন্দলি খাইছিলোঁ সেইবোৰ তুমি কল্পনাও কৰিব নোৱাৰা। তথাপিও সকলো দুঃখ-কষ্ট মই নিজেই সহ্য কৰিছিলো আৰু কাৰো সাহায্য লোৱা নাছিলোঁ। এতিয়া তোমাৰপৰা বিচ্ছেদ হোৱাৰ ভয় মনলৈ আহিলেই মোৰ গাটো শিয়ৰি উঠে, ভৰিৰপৰা পৃথিৱীখন আঁতৰি যোৱা যেন লাগে। কোৱা, তুমি মোৰ এই দশাৰ কাৰণে জগৰীয়া নহয়নে? তুমি মোক একেবাৰে পঙ্গু কৰি তোলা নাইনে? মনত পৰেনে তোমাৰ এদিন তুমি মোক ঘেৰি লৈছিলা আৰু মই তোমাৰ ওচৰত বোবা হৈ গৈছিলোঁ। তুমি মোক সেই দিনা লালসা আৰু দুঃসাহসৰ শেষ বিন্দুত থিয় কৰাইছিলা। কোৱাচোন তোমাক পাবৰ কাৰণে মোৰ মনত সেই অদমনীয় তৃষ্ণা তুমিয়েই জগাই তোলা নাছিলানে? ... মোক বুজিবলৈ তোমাৰ কিবা ভুল হৈছিল নেকি এলিচ? ... তুমি ইচ্ছা কৰিলে তোমাৰ দেশলৈ উলটি যাব পাৰা আৰু মই জানো গ'লে তাৰ প্ৰতিক্ৰিয়া তোমাৰ মনৰ ওপৰত একোৱেই নহ'ব। কিন্তু মোৰ মনত নিশ্চয় হ'ব। তুমি জানি লোৱা এলিচ যিদিনা তুমি তোমাৰ সকলো আত্মীয়স্বজনক এৰি মোৰ লগত গুচি আহিছিলা, সেই দিনা মই যি আছিলোঁ আজিও একে আছোঁ। তেন্তে সেইদিনা তুমি উন্মাদ হোৱা নাছিলাতো? তুমি মোৰ কথা ভাবি চোৱা— তোমাৰ অবিহনে এতিয়া মোৰ স্থান ক'ত?

মই এলিচক এইবোৰ কথাৰ বাহিৰেও অন্যান্য কথা ক'বৰ কাৰণে দিনে-ৰাতিয়ে ছটফটাই থাকো। কিন্তু যেতিয়া আমি দুয়ো ওচৰা-উচৰিকৈ বহি থাকো, মোৰ মনলৈ স্নায়ৱিক দুৰ্বলতা আহি যায় আৰু মোৰ ক'বলগীয়া সকলো কথা পাহৰি যাওঁ, তেওঁক কোনো কথাই কোৱা নহয়। অৱশ্যে মই কথা কওঁ কিন্তু সেইবোৰ সদায় কৈ থকা সাধাৰণ কথা, আচল কথাবোৰ ক'ব নোৱাৰো বা মুখৰপৰা নোলায়। ... আচলতে মই তেওঁক ভয় কৰোঁ আৰু তেওঁ গম্ভীৰ হৈ বহি থাকিলে মই লৰালৰিকৈ আঁতৰি

গৈ নিজৰ কামত ব্যস্ত হৈ পৰোঁ। ... তাঁৰ পিছত তেওঁক সহজ হোৱা যেন দেখিলে তেওঁৰ লগত কথা পাতিবলৈ চেলু বিচাৰোঁ। তেওঁক তেওঁ ভাল পোৱা কথা কৈ তেওঁৰ মনটো আকৰ্ষণ কৰিবলৈ চেষ্টা কৰোঁ। এবাৰ তেওঁৰ মনটো আকৰ্ষণ কৰাৰ পিচত মোৰ ব্যক্তিগত সমস্যাবোৰৰ সমাধানৰ কাৰণে তেওঁৰ পৰামৰ্শ বিচাৰোঁ। কিন্তু হঠাতে তেওঁ বোমাৰ দৰে বিস্ফোৰণ হয় বুলি মোৰ মনত সদায় এটা ভয় থাকে আৰু তেওঁৰ মুখত হাঁহি দেখিলে মোৰ আনন্দৰ সীমা নাথাকে। অৱশ্যে কেতিয়া, কেনেকৈ আৰু কি কথাই তেওঁৰ ওপৰত প্ৰতিক্ৰিয়া কৰে মই নাজানো। ... যদি তেওঁ মোৰ লগত থাকিবলৈ মন নাই সেই কথা তেওঁ মোক ক'লেই হ'ল। তেতিয়া মই তেওঁৰ মনলৈ অহা তেনে ধৰণৰ চিন্তাবোৰ দূৰ কৰাবলৈ চেষ্টা কৰিম, তেওঁ যি ভাল পায় তাকে কৰিম। আগতে তেওঁ সকলো কামতে উৎসাহ দেখুৱাইছিল, সকলো কাম উৎসাহ আৰু আনন্দেৰে কৰিছিল। কিন্তু আজিকালি তেওঁ পঢ়া-শুনা কৰিবলৈকো এৰি দিলে। ... মোৰ সন্দেহ হয় মোৰ পৰিৱেশটো দেখি তেওঁৰ ঈৰ্ষা হয়। মোৰ পৰিৱেশ মানে মই কলেজৰ বন্ধু-বান্ধৱ আৰু ছাত্ৰৰ সংস্পৰ্শত থাকি সময়বোৰ আনন্দেৰে কটাওঁ আৰু তেওঁ ঘৰত অকলে অকলে বহি থাকে। তেওঁ মনত ভাবিছে নেকি যে তেওঁ জাৰ্মানীলৈ ঘূৰি যাব আৰু ময়ো তেওঁৰ লগতে গৈ ভাৰতলৈ কেতিয়াও আৰু ঘূৰি নাহিম? অৱশ্যে এইটো মোৰ কল্পনাহে, হয়তো তেওঁ সেই কথা ভবাই নাই।

মই কেতিয়াবা কিবা এটা চেলু লৈ তেওঁৰ কোঠালৈ যাওঁ। সেই সময়ত তেওঁ বহি বা শুই থাকে আৰু মোক দেখিও নেদেখা ভাও ধৰে। মই মিচিকিয়া হাঁহি এটা মাৰি কিবা এটা সুধিলে তেওঁ খং মুৱাকৈ মোলৈ চাই এনে ভাবে উত্তৰ দিয়ে যে মই হতাশ হৈ, মনত দুঃখ লৈ কোঠাটোৰপৰা ওলাই আহো আৰু নিজৰ লিখা-পঢ়াৰ কামত বাধ্য হৈ ব্যস্ত হৈ পৰোঁ। কিন্তু তেওঁৰ মোৰ প্ৰতি এনে খং আৰু ঘৃণাৰ কাৰণ কি? মই কি দোষ বা ভুল কৰিলোঁ যে তেওঁ মোক ক্ষমা কৰিব নোৱাৰে আৰু তাৰ বাবে চিৰদিন মোৰ লগত এনে ব্যৱহাৰ কৰি যাব?

ক'ব নোৱাৰো সেই পাদুৰীটোৰ লগত এলিচৰ কেনেকৈ পৰিচয় হ'ল। মোৰ আগত কথা লুকুৱাৰ অভ্যাসতো তেওঁৰ আগতে কেতিয়াও নাছিল। এটা জাৰ্মান দলৰ লগত তেওঁ বস্তৰলৈ গৈছিল— আৰু তাৰপৰা ঘূৰি অহাৰ পিচৰ পৰাই তেওঁৰ পৰিৱৰ্তন মই লক্ষ্য কৰিছিলোঁ। প্ৰথমতে মই সিমান লক্ষ্য কৰা নাছিলোঁ ... তেওঁ প্ৰথমবাৰ গীৰ্জালৈ গৈছিল আৰু সেই কথাটোও মোক জনোৱা নাছিল। তেওঁ যে প্ৰায়েই গীৰ্জালৈ যায় সেইটোও মই জনা নাছিলোঁ আৰু যেতিয়া জানিলো তেতিয়া পাদুৰীটোৰ লগত তেওঁৰ ঘনিষ্ঠতা অনেক বেচি হৈ গৈছিল। তেওঁ গীৰ্জালৈ যাবলৈ আৰম্ভ কৰা মই মনে মনে ভালেই পাইছিলোঁ যে তাৰ ধৰ্মীয় পৰিবেশত এলিচ শান্ত, নম্ৰ আৰু উদাৰ হ'ব। মই তেওঁৰ লগত গীৰ্জালৈ যাবলৈ কেবাদিনো ইচ্ছা প্ৰকাশ কৰিছিলোঁ। কিন্তু তেওঁ সকলো সময়তে বাধা দিছিল আৰু কৈছিল, "তুমি মোৰ লগত গৈ কি কৰিবা? এনেয়ে তোমাৰ মূল্যৱান সময়বোৰ নষ্ট হ'ব। গীৰ্জালৈ গ'লে মই

মনত অলপ শান্তি পাওঁ। আজিকালি মোৰ মনত শান্তিৰ অভাৱ হৈছে যেন অনুভৱ কৰিছোঁ তালৈ গৈ যদি অলপ শান্তি পাওঁ তুমি ভাল নাপাবা জানো?" তেওঁৰ কথাবোৰত যে গোপন কৰিবলগীয়া একো নাই তাকেই মই ভাবিছিলো আৰু অনুচিত একো কোৱা নাই বুলি ধৰি লৈছিলোঁ। কিন্তু তেওঁ মনে মনে যেতিয়াৰপৰা পাদুৰীটোৰ লগত ঘূৰিবলৈ ধৰিলে তেতিয়াৰপৰা সম্পূৰ্ণ বেলেগ হ'ল আৰু মই শংকিত হৈ পৰিলোঁ।

ৰাতি দহটা বাজিল আৰু এলিচ তেতিয়াও ঘৰলৈ ঘূৰি নাহিল। কিন্তু কাৰণ কি? তেওঁ ইমান ৰাতিতো কেতিয়াও নকৰে। কিবা দুৰ্ঘটনা হোৱা নাইতো? আগতে তেওঁ লগত মোক লৈ নোযোৱাকৈ কেতিয়াওতো অকলে বাহিৰলৈ নগৈছিল। আজিকালি তেওঁ কিয় অকলে বাহিৰলৈ যায়? তেন্তে আজিকালি মোৰ আৱশ্যাক তেওঁৰ নাই নেকি? ... কিন্তু মইতো তেওঁৰ অনুপস্থিতি অনুভৱ কৰোঁ। এনেকুৱা কিয় হ'ল? এলিচৰ এনেকুৱা পৰিৱৰ্তন আৰু এনেকুৱা মনোভাৱৰ কাৰণ কি? ... মই জানো তেওঁ বাহিৰলৈ গ'লে আগতে সিমান সুখ নাপাইছিল। ... আগতে আমাৰ দুয়োৰে মাজত মিল আছিল, আমাৰ সুখ-দুখৰ দুয়ো অংশীদাৰ আছিলোঁ। কিন্তু সেই ভাবটো, সেই পৰিৱেশটো লাহে লাহে নোহোৱা হৈছে। এতিয়া তেওঁ 'আমাৰ সংসাৰ'ৰ সলনি 'তোমাৰ সংসাৰ' বুলি কয়। তেন্তে তেওঁ মোৰপৰা আঁতৰি যোৱাৰ প্ৰণালী এতিয়াৰ পৰা আৰম্ভ কৰিছে নেকি? আগতে তেওঁ কিমান উৎসাহী আছিল। মোৰ বিষয়ে, ইয়াৰ বিষয়ে জানিবলৈ তেওঁৰ কিমান কৌতূহল হৈছিল কিন্তু আজিকালি তেওঁৰ মনত কোনো উৎসাহ নাই, কোনো কৌতূহলো নাই। জাৰ্মানীত থাকোতে তেওঁ মোক প্ৰায়েই কৈছিল, "মোক ভয় নুখুৱাবা, ভাৰতলৈ গ'লে তুমি নিজকে খাপ খুৱাব নোৱাৰিবা বুলি মোক নক'বা। তোমাৰ দেশখন মোৰ এখন স্বপ্নৰ দেশ। সেইখন এখন মহান দেশ। মই তোমাৰ মহান দেশখনৰ বিষয়ে দেউতাৰ মুখত সৰু কালৰেপৰা শুনি আহিছোঁ। তোমাৰ লগত মোৰ মিলন আগতেই কপালত লিখা আছিল। কিন্তু তোমাৰ লগত মই তোমাৰ দেশলৈ নগ'লে আমাৰ মিলন অসম্পূৰ্ণ হৈ থাকিব। ভাৰতলৈ যোৱাৰ পিছত সি সম্পূৰ্ণ হ'ব। তুমি মোক ভয় নুখুৱাবা, মই তাত একো অসুবিধা নাপাম। তুমি যিকাম ইয়াত কৰি আছা সেই কাম তোমাৰ দেশত আৰু ভালকৈ কৰিব পাৰিবা। কাৰণ সেইখন তোমাৰ নিজৰ দেশ, তাৰ পৰিৱেশটোৰ লগত আগৰ চিনাকি আছে। সেই পৰিৱেশটো তোমাৰ বেচি ভাল লাগিব।" তেওঁ এনে ধৰণৰ কথাবোৰ কৈছিল আৰু একে ধৰণৰ কথা শুনি শুনি কেতিয়াবা মই বিৰক্ত হৈছিলোঁ। কিন্তু এতিয়া মোৰ মনলৈ সন্দেহ আহিছে— এলিচৰ সেই স্বপ্নৰ দেশৰ প্ৰতি এতিয়া আগৰ ভাৱ নাই। সেই কৌতূহল, সেই স্বপ্নৰ মাধুৰ্য্য এতিয়া নাই। এতিয়া দিঠকত সকলো নাইকিয়া হৈছে। এদিন তেওঁ মোক ভাল পাইছিল কিন্তু সেই ভালপোৱা এতিয়া তেওঁৰ মনত নাই আৰু তাৰ ঠাইত তেওঁৰ মন এতিয়া মোৰ প্ৰতি ঘৃণাৰে ভৰপূৰ। অৱশ্যে সেই ঘৃণাক মই সহ্য কৰিব লাগিব, তেওঁৰ প্ৰতি সহনশীল হ'ব লাগিব— অন্ততঃ কিছুদিনৰ কাৰণে।

পাদুৰীজনৰ লগত ময়েইতো এলিচক চিনাকি কৰি দিছিলোঁ। গতিকে তেওঁৰ লগত এলিচ ঘূৰিলে বা তেওঁ কথা পাতিলে মোৰ সন্দেহ কৰাৰ কি আছে? নাইবা তাৰদ্বাৰা বিপদ হ'ব পাৰে বুলি মই চিন্তা কৰিম কিয়?

বোধকৰো এলিচ আজি সেই জাৰ্মান বন্ধুজনৰ লগতে ক'ৰবালৈ গৈছে। হ'বও পাৰে এলিচে মোক অলপ পিচতে ফোন কৰি ক'ব মই যেন তেওঁৰ কাৰণে অপেক্ষা নকৰো কিয়নো তেওঁ আজি ৰাতি তাতে থাকিব। মই আচৰিত নহওঁ কাৰণ আগতেও এদিন তেওঁ এনেকুৱা কৰিছিল। মই খং কৰিম বুলি আজিকালি এলিচে ভয় নকৰে। কিন্তু ময়েইতো তেওঁক পাদুৰীজনৰ লগত পৰিচয় কৰাই দিছিলোঁ আৰু ভাবিছিলো নিজৰ দেশৰ মানুহ পালে তেওঁ ভাল পাব আৰু মই কলেজত থকা সময়ত অকলে থাকি যি দুঃখ অনুভৱ কৰে সেই দুখৰ অলপ লাঘৱ হ'ব। এলিচৰ যে স্নায়বিক দুৰ্বলতা থাকিব পাৰে মই কেতিয়াও ভবা নাছিলোঁ। কিছুদিনৰপৰা তেওঁৰ মনমাৰি থকা মুখখন দেখি ময়ো মনত শান্তি পোৱা নাছিলোঁ। মই বিচাৰিছিলোঁ এলিচ আগৰ নিচিনা প্ৰফুল্ল আৰু মুকলিমূৰীয়া হওক, তেওঁৰ ওঁঠত সদায় মিচিকিয়া হাঁহি বিৰিঙি উঠক। ইয়ালৈ অহাৰ পিচেতেই এলিচ এজনী পখিলাৰ নিচিনা আছিল। তেওঁ যেন বতাহত সাঁতুৰি ফুৰা বহু ৰঙৰ দেখিবলৈ ধুনীয়া এজনী পখিলা। ... এলিচে আজিকালি বিচাৰে মই জাৰ্মানীলৈ গুচি যাওঁ আৰু তাতে নিগাজীকৈ থাকোঁ। কিন্তু সেইটো কেনেকৈ সম্ভৱ হ'ব পাৰে? মই তেওঁক ক'ব খোজো যে জাৰ্মানীলৈ উলটি যোৱাৰ পথ তেওঁৰ কাৰণে খোলা আছে কিন্তু মোৰ কাৰণে বন্ধ হৈ গৈছে। যদি এলিচে ইচ্ছা কৰে তেওঁৰ খোলা পথটোও বন্ধ কৰিব পাৰে। মই ভালদৰে জানো যদি এলিচে মোক এৰি থৈ যায়, মই কিছুদিনৰ কাৰণে অসহায় অনুভৱ কৰিম। ... কিন্তু তেওঁ এতিয়া মোৰ লগত আছে যেতিয়া তেওঁৰ উপস্থিতিত মই সহজ হ'ব নোৱাৰোঁ কিয়? এলিচক দেখিলেই মোৰ মনলৈ বিৰক্তি ভাব আহে নেকি? যদি আহে কিয়? তেওঁৰ মনতো মোক দেখিলে তেনে ভাব আহে নেকি? তেওঁ আগৰেপৰাই ভাবিছিলনে কি যে মই ইয়াত নিগাজীকৈ নাথাকিম? তেওঁ আগৰপৰা জানিছিলনে যে জানি বা নাজানি তেওঁ মোৰ লগত অভিনয় কৰি আছে? তেওঁৰ উলটি যোৱাৰ পথ যে সদায় খোলা তেওঁৰ মনত সেই ভাৱটো আগৰ পৰা জাগি উঠিছিল নে? তেওঁ যে মোৰ লগত এটা দীঘলীয়া ছুটী কটাবলৈ ইয়ালৈ আহিছিল অহাৰ আগতে সেই চিন্তাটো তেওঁৰ মনত খেলিছিলনে?

মোৰ এটা ডাঙৰ সমস্যা যে মই এলিচৰ লগত থাকিব নোৱাৰোঁ কিন্তু তেওঁৰ অবিহনেও থাকিব নোৱাৰোঁ। মই দেশত থাকিব নোৱাৰোঁ আৰু বিদেশতো থাকি মনত শান্তি নাপাম। মই নিজৰ দেশত, নিজৰ মানুহৰ মাজত অবাঞ্ছিত হিচাপে থাকি তেওঁলোকৰ লগত কাজিয়া কৰিছিলোঁ, সংঘৰ্ষ কৰিছিলোঁ আৰু ভাবিছিলোঁ এলিচে মোৰ জীৱনলৈ আহি মোক শান্তি দিব। ... মই বিদেশলৈ গৈছিলো উচ্চ শিক্ষাৰ কাৰণে। মোৰ জীৱনলৈ যদি এলিচ নাহিলহেঁতেন আন এজনী এলিচৰ কাৰণে মই লালায়িত হোৱা নাছিলোঁ। এলিচৰ লগত মোৰ বিয়া হোৱাটো এটা অস্বাভাৱিক ঘটনা আছিল—

কাৰণ তেনে বিয়াৰ কথা মই কেতিয়াও চিন্তা কৰা নাছিলোঁ। মোৰ কপালত এলিচৰ বাহিৰে ভাগীৰথীৰ নিচিনা আন এজনী ছোৱালী নাপালোঁহেতেন জানো? এই বিশাল পৃথিৱীখনত? ... কিন্তু মই এতিয়াও ভাগীৰথীৰ কথা চিন্তা কৰোঁ কিয়? তাইৰ স্মৃতি, তাইৰ মুখখন মোৰ মানস পটত সদায় জাগি থাকিবনে? এদিন এলিচে তাইক মোৰ মনৰপৰা একেবাৰে মচি দি আজি আকৌ সজীৱ কৰিলে কিয়? এনেকুৱা হোৱা নাইতো যে মই নাজানি-নুশুনি এলিচৰ ভিতৰত ভাগীৰথীক বিচাৰি ফুৰিছোঁ? এইটো সঁচানে মই ভাগীৰথীক বিচাৰি ফুৰাৰ লগে লগে তাইতকৈও ভাল আন কিবা এটা বস্তু বিচাৰিছিলোঁ— যাক পাই উচ্চ জাতৰ সকলো মানুহৰ মুখ একেবাৰে বন্ধ কৰি দিওঁ। ... এলিচ, এই কথাবোৰ মনলৈ যে আহিছিল এইবোৰ মোক কোনে শিকাইছিল জানানে? শিকাইছিল মোৰ দেশৰ মানুহে আৰু সমাজে। সেই বাবে তুমি মোক দোষ দিব নোৱাৰা। কিন্তু তুমি মোক কি কৰিলা? তুমি মোক এনে এটা নৰ্দমাত পেলাই দিলা যে মই আজি প্ৰেমৰ অঙ্ক কৰাত লাগি আছোঁ। তুমি আজি মোক ছুৰী কটাৰীৰ ধাৰৰ ওপৰত খোজ কাঢ়িবলৈ দি যি আনন্দ পাইছা, তাতকৈ বেচি তোমাৰ জয় আৰু কি হ'ব পাৰে কোৱাচোন?

এই কিন্‌কিনীয়া বৰষুণ শেষ হোৱাৰ লক্ষণ নাই। আকাশখন ক'লা ডাৱৰে ঢাকি থৈছে। এলিচ, মোৰ মৰমৰ এলিচ সেই জাৰ্মান বন্ধুজনৰ লগত আছে হয়তো। এতিয়া হয়তো শুই পৰিছে। আৰু মই এই জামু গছ জোপাৰ লগত সাৰ পাই আছোঁ— যি জোপা গছত কেতিয়াও গুটি লগাৰ সম্ভাৱনা নাই আৰু যাক উঘালি পেলোৱা মহাপাপ যাৰ ডাল বা ঠাল ঠেঙ্গুলীবোৰ কটা পাপ নহয় যদিও তাৰ লগত ওচৰ-চুবুৰীয়াৰ ধৰ্ম, দয়া আৰু কৰুণা জড়িত আছে। আহুজা ডাঙৰীয়া, আপুনি একো ভয় নকৰিব। এলিচে আপোনালোকৰ লগত আৰু কেতিয়াও কাজিয়া নকৰে আৰু ময়ো গছ জোপা কাটিবলৈ কেতিয়াও নকওঁ। আপোনাৰ বাৰীখন নষ্ট হোৱাৰ কোনো আশঙ্কা নাই, অন্ততঃ আমাৰদ্বাৰা একো ক্ষতি নহ'ব। যি গছৰ গুটি নাই তালৈ কোনোবাই ফৰ্মুটি মৰাৰো ভয় নাই।

এজন মানুহৰ ৰাজ্য

গোৱাৰপৰা জোচেফৰ চিঠি এখন আজিও আহিল। ঘটনাৰ কি সংযোগ চাওক কালিৰ নিচিনাকৈ আজিও মই ৰাতিপুৱাই মোৰ ডায়েৰীৰ পাতবোৰ লুটিয়াইছিলোঁ। ডায়েৰীখনৰ

গোটেই বছৰৰ পাতবোৰত চিয়াঁহীৰ দাগ এটা পৰা নাছিল যেন গোটেই বছৰটোত মোৰ জীৱনত একোৱেই ঘটা নাছিল। দাগ পৰিছিল মাত্ৰ কেইটামান পাতত য'ত জোচেফৰ লগত হঠাৎ দেখা-সাক্ষাত হৈ ষ্টেচনৰ প্লেটফৰ্মত দুঘণ্টামান ধৰি পতা কথা-বতৰাবোৰ মই সংক্ষেপে লিখি থৈছিলোঁ। কিয় লিখি থৈছিলোঁ তাৰ কাৰণটো মোৰ এতিয়া মনত নাই। জোচেফৰ হয়তো সেই কথাবোৰ এতিয়া একো মনত নাই। তেওঁৰ বৰ দ্ৰুত জীৱন। গোৱাত আৰু বেচি দ্ৰুত। তেওঁৰ চিঠিখনেই সেই কথা কয়। জোচেফ মোৰ ইমান ঘনিষ্ঠ কেতিয়াৰপৰা হ'ল? আমাৰ লগত চিঠি-পত্ৰৰ আদান-প্ৰদানৰ কোনো প্ৰশ্নই নুঠে। তথাপিও তেওঁ ভৰসা কৰে যে মই তেওঁৰ বিষয়ে জানিবলৈ উৎসুক আৰু তেৱোঁ মোৰ বিষয়ে জানিবলৈ সিমান উৎসুক। প্ৰথমতে মইতো উচপ খাই উঠিছিলোঁ। তেওঁ কেনেকৈ জানিলে মোৰ কথাবোৰ? হঠাৎ মনত পৰিল সেই দিনা তেওঁৰ লগত কথা পাতোতে মদৰ ৰাগীত মোৰ নিজৰ সম্বন্ধে যিবোৰ কথা কৈ পেলাইছিলোঁ সেইবোৰ কথা তেওঁৰ নিশ্চয় মনত আছে। চিঠিত তেওঁ লিখিছে, তেওঁ আশা কৰিছে মোৰ আত্মকথাখন সম্পূৰ্ণ হৈছে আৰু সেই আত্মকথাখন সকলোতকৈ আগতে পঢ়িবৰ তেওঁৰ অধিকাৰ আছে। কি আচৰিত! মোৰ আত্মকথাৰ লগত জোচেফৰ কি সম্বন্ধ থাকিব পাৰে? জোচেফতো জোচেফ আৰু তেওঁৰ ঠাইত আৰ্থাৰে যদি সেই কথাষাৰ ক'লেহেঁতেন অস্বাভাৱিক লাগিলহেঁতেন। যোৱা দুদিন ধৰি মই যোৱা দুবছৰৰ মোৰ পুৰণি ডায়েৰীখন পঢ়ি আছোঁ। তাৰ আগতে মোৰ ডায়েৰী লিখাৰ অভ্যাস নাছিল। তেন্তে এই ৰোগটো মোৰ কেনেকৈ আৰু কেতিয়াৰপৰা হ'ল বাৰু? মইতো ডায়েৰী লিখা মানুহবিলাকক ঠাট্টা কৰিছিলোঁ আৰু ডায়েৰী শব্দটোক 'ডায়েৰীয়া' বুলি কৈছিলোঁ।

আচলতে যেতিয়া মানুহৰ ভিতৰত কিবা আঁটখাই থাকে তেতিয়া মানুহৰ ডায়েৰী লিখাৰ অৱস্থা হয় অৰ্থাৎ ডায়েৰী নিলিখিলে তেওঁ মনত শান্তি নাপায়। অৱশ্যে এইটো সঁচা যে যেতিয়ালৈকে মানুহ সম্পূৰ্ণৰূপে জীয়াই থাকে আৰু আনৰ লগত তেওঁৰ সম্বন্ধ স্বাভাৱিক থাকে, তেতিয়ালৈকে তেওঁৰ ডায়েৰী লিখাৰ কোনো আৱশ্যক নহয়। কিন্তু যেতিয়া সেই সম্বন্ধত ফাঁট মেলে তেতিয়া ডায়েৰী লিখাৰ আৱশ্যকতা মানুহে অনুভৱ কৰে। যেতিয়ালৈকে মই এলিচক ভাল পাইছিলোঁ আৰু এলিচেও মোক ভাল পাইছিল, তেতিয়ালৈকৈ ডায়েৰী লিখাৰ কোনো প্ৰয়োজন নাছিল। তাৰ পিছত যেতিয়া তেওঁ মোক এৰি থৈ গ'ল তেতিয়াও ডায়েৰীৰ আৱশ্যক নাছিল। কাৰণ ইমান ডাঙৰ এটা শূন্যতাত ডায়েৰীৰ প্ৰয়োজনীয়তা কোনেও বোধ নকৰে আৰু ভাবিবও নোৱাৰে। শূন্যৰ লগত যুঁজিবলৈ হ'লে এখন পূৰা গাৰ্ৰঁক হাজিৰ কৰাব লাগিব। মাত্ৰ ডায়েৰী লিখিলে একো লাভ নহ'ব। মোৰ দেউতায়ো ডায়েৰী লিখিছিল আৰু সেই ডায়েৰীবোৰ মোৰ কোঠাত থৈছিল। আচলতে তেওঁৰ লগত মোৰ মনোমালিন্য হৈছিল আৰু যেনেকৈ মই এলিচৰ লগত মোৰ মনোমালিন্য হোৱাত মিটমাট কৰিবলৈ বিচাৰিছিলোঁ তেনেকৈ তেৱোঁ মিটমাট কৰিবলৈ বিচাৰিছিল। কিন্তু মোৰ ডায়েৰীত মোৰ আৰু এলিচৰ নামৰ বাহিৰে আন কাৰো নাম উল্লেখ কৰা নাছিল। দেউতাৰ ডায়েৰীত মোৰ নাম-গোন্ধ

নাছিল। এতিয়া মই স্বীকাৰ কৰোঁ যে বিশেষ এটা কাৰণত মই তেওঁৰ ডায়েৰীবোৰ এদিন মনে মনে পঢ়িছিলো। সেই পাঁচখন বহী তেওঁৰ লগত পাঁচ বছৰ আছিল আৰু পাঁচ বছৰ তেওঁৰ লগত বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল। দেউতাৰ লগত গীতা, ৰামচৰিত মানস আৰু অন্যান্য কিছুমান কিতাপো আছিল। আৰু আছিল তেওঁৰ ফিল্ড ৱৰ্ক। মোৰ লগত দেউতাৰ যে কিবা মনোমালিন্য হ'ব তাৰ কোনো আভাস নাছিল। অজ্ঞাতবাসত তেওঁ যি নাটক ৰচনা কৰিছিল সেই নাটকত মোক এটা সৰুসুৰা ভাও পৰ্যন্ত দিয়া নাছিল আৰু নিজে এজন বহুৰূপী ভাৱৰীয়া হৈ চহৰে চহৰে পাঁচ বছৰ ঘূৰি ফুৰিছিল।

হাজাৰখন মুখ আৰু অনেক ধৰণৰ মাতৰ মাজত তেওঁক চিনি পোৱা বৰ টান আছিল। তেওঁৰ পাঁচ বছৰৰ ডায়েৰীবোৰৰ ভিতৰত যিমানেই ভাল কথা আছিল মোৰ দৃষ্টিত সেইবোৰ একেবাৰে মূল্যহীন আছিল। তাৰ প্ৰধান কাৰণ— তেওঁ ঘৰ এৰি যোৱাটো অনুচিত আছিল আৰু ঘৰ এৰি যোৱাৰ পিছত আমাক নিঠৰুৱা কৰি অঘৰীৰ দৰে ঘূৰি ফুৰাৰ কাৰণে তেওঁৰ প্ৰতি মোৰ ঘোৰ বিতৃষ্ণা জন্মিছিল। ডাঙৰীয়া, আপুনি নিশ্চয় হৃদয়ঙ্গম কৰিব পাৰিছে মোৰ মনৰ কথা। কিন্তু দেউতাৰ অন্তৰঙ্গ বন্ধু ৰামদত্ত মাষ্টৰে সেই ডায়েৰী কেইখনক 'এজন মানুহৰ ৰাজ্য' বুলি অভিহিত কৰিছিল আৰু আপোনাক হয়তো কৈছিলো দেউতাৰ প্ৰতি ৰামখুৰাৰ ধাৰণা অতি উচ্চ আছিল। জোচেফে কিন্তু সেই কথাটো বুজি পোৱা নাছিল। তেওঁৰ বিচাৰ মতে দুয়োজনৰ মাজত প্ৰাকৃতিক নহ'লেও অন্ততঃ ঐতিহাসিক শত্ৰুতা থকা উচিত। সেই কথাটো তেওঁ জাতি ভেদৰ ভিত্তিত কৈছিল। ... গোৱাৰপৰা লিখা তেওঁৰ চিঠিখন পোৱাৰ দিনাই ৰামখুৰাৰ চিঠি এখন পালোঁ। তেওঁ লিখিছে, "তোমাৰ জমা পইচাখিনি নিবলৈ কেতিয়া আহিবা কুন্দন? সেইখিনি মই কিমান দিনলৈ চম্ভালিম? তোমাৰ মনত নিশ্চয় আছে তুমি মোৰপৰা এটা কপি খুজি নিছিলা— অৰ্থাৎ সেই 'কোটেশ্বন' থকা কপিটো। আচল ৰেজিষ্টাৰীখন মোৰ লগতে আছে। সেইখনৰ কি হ'ব? বোপাই, আমাৰতো জীৱনৰ আধাতকৈও বেচি সময় গ'ল, কেতিয়া তাৰপৰা মাতি পঠায় কোনেও নাজানে। মইতো তোমাৰ দেউতাৰাক কৈছিলোঁ— এইটো বন্ধুত্ব শেষ কৰিবৰ প্ৰণালীনে? সি মোৰ সকলো কথা উৰুৱাই দিছিল আৰু সদায় মোৰ আগে আগে যাবলৈ বিচাৰিছিল। হেৰ' তই মোক এবাৰ আগলৈ যাবলৈ দেচোন। কিন্তু সি আঁকোৰগোজ,মোৰ কথা ক'ত শুনে? তাৰতো পাখি গজিছিল আৰু এদিন মোৰ মূৰৰ ওপৰত বোজাটো থৈ উৰি গ'ল। সি তেনেকৈ যাবলৈ ধৰোতেই মই কাওঁবাওঁকৈ ধৰিছিলোঁ—চা, তোৰ যদি বৰ লৰালৰি হৈছে মোৰো কৰ্মভোগ তোতকৈ দীঘল নহয়। তই গৈ দেৱদূত হৈ দিন কটালেও মোৰ অবিহনে তই মনত শান্তি নেপাবি। এইটো নাভাবিবি যে মই ইয়াত তোৰ নামটো মাতি মাতি ইনাই-বিনাই থাকিম। তই যদি যাৱ গৈয়েই যিমান সোনকালে পাৰ মোলৈ অনুমতি পত্ৰখন পঠাই দিবি। কিন্তু এনেকুৱা লাগিছে তই ৰমদাক পাহৰি গ'লি। কিন্তু মই পাহৰা নাই আৰু নাপাহৰোও। বামুণৰ স্বভাৱটো লেকেটিয়া কুন্দন—সি কেতিয়াও নাপাহৰে আৰু

একো নাপাহৰে। সেইটো তাৰ বৰদান, সেইটো তাৰ অভিশাপ। ... ৰোপাই, তুমিও মোৰ নিচিনাকৈ পিচ নপৰিবা। সোনকালে আহা আৰু এই জঞ্জালৰপৰা মোক মুক্ত কৰাহি। তোমাৰ পাবলগীয়া টকা তুমি চম্ভালাহি .... ইত্যাদি ইত্যাদি।"

ৰামখুৰাৰ চিঠিখনৰ উত্তৰ মই অতি সোনকালে দিয়া উচিত। যদি উত্তৰ নিদিওঁ তাৰ সলনি মই অনন্তপুৰলৈ এতিয়াই যাব লাগিব। কাৰণ শেহত নাৰায়ণ টাম্‌টা যুগৰ সেইটোৱেইতো এটা স্মৰণ চিহ্ন বাকী আছে। ... মই সোনকালেই যাম ৰামখুৰা, এইবাৰ গাাফলতি নকৰোঁ, তুমি নিশ্চিত থাকা।

কিন্তু প্ৰথমতে এই জোচেফ-পুৰাণখন শেষ কৰোঁ। তেওঁৰ লগত হোৱা আলোচনাৰ এই স্মৰণচিহ্ন মই এই বছৰৰ খালি ডায়েৰীখনৰ মাজে মাজে ৰাখি থৈছোঁ— তাকে আপোনাক দেখুৱাম। পুৰণি ডায়েৰীখনৰ এটা নমুনাতো আপোনাক আগতে দেখুৱাইছিলোঁ। এতিয়া এইখনকো সহ্য কৰক যদিহে আপুনি সহ্য কৰিব পাৰে।

মোৰ মনে কয় এলিচেও আপোনাৰ নিচিনাকৈ মোৰ ডায়েৰীখন হয়তো পঢ়িছে। হয়তো নহয়, মোৰ পূৰা বিশ্বাস নিশ্চয় পঢ়িছে আৰু সেইটো মই বিচাৰিছিলোঁও। মই যেনেকৈ দেউতাৰ ডায়েৰী কেইখন একে থৰে চাই আছিলোঁ এলিচেও হয়তো মোৰ ডায়েৰীখনলৈ তেনেকৈ একে থৰে চাই আছিল। তাৰপৰানো কি লাভ হ'ল? মোৰ আৰু এলিচৰ মাজত যি মনোমালিন্য ঘটিছিল সেই মনোমালিন্য শেষ হ'ল জানো? মোৰ আৰু দেউতাৰ মাজত থকা মনোমালিন্যও শেষ হ'ল জানো? কি আমোদৰ কথা যে ডায়েৰী লিখিবলৈ মোক প্ৰথমতে দেউতাই শিকাইছিল। সেইটো ল'ৰাকালৰ কথা। তেওঁৰ বিশ্বাস আছিল ডায়েৰী লিখিলে মানুহৰ সঁচা কথা কোৱাৰ অভ্যাস হয়। তেওঁ নিয়ম মতে তাক নিৰীক্ষণো কৰিছিল। কিন্তু ল'ৰাকালত তিনি-চাৰি বছৰমান ডায়েৰী লিখাৰ পিচত মই ডায়েৰী লিখিবলৈ এৰি দিছিলোঁ। কাৰণ ডায়েৰী লিখাৰ ওপৰত মোৰ বিৰক্তি জন্মিছিল আৰু দেউতায়ো মোক জোৰ কৰা নাছিল। তেওঁকো মই তেনেদৰে ডায়েৰী লিখা কেতিয়াও দেখা নাছিলোঁ। তেন্তে মোক লিখিবলৈ বাধ্য কৰোৱাটোৱেই তেওঁৰ উদ্দেশ্য আছিলনে আৰু বাধ্য কৰাই তেওঁ আনন্দ পাইছিল নেকি? হয়তো হ'ব পাৰে যে নিজে সেই জঞ্জালৰপৰা মুক্ত হৈ মোৰেই ভালৰ কাৰণে সেই কামটো মোৰ মূৰৰ ওপৰত জাপি দিছিল। তেতিয়ালৈকে সঁচা কথা কোৱাটো তেওঁৰ কাৰণে উশাহ-নিশাহ লোৱাৰ নিচিনা সহজ হৈ পৰিছিল। ... কিন্তু যদি সেইটোৱেই হয় তেন্তে তেওঁৰ অজ্ঞাতবাসৰ সময়ত তেওঁ হঠাৎ আকৌ ডায়েৰী লিখিবলৈ কিয় আৰম্ভ কৰিছিল? তাতোকৈ ডাঙৰ সত্য কথা অভ্যাস কৰিবলৈ তেওঁ আকৌ ডায়েৰী লিখিবলৈ আৰম্ভ কৰিছিল নেকি? ময়ো নিজে বাৰু হঠাৎ ডায়েৰী লিখিবলৈ আৰম্ভ কৰিছিলোঁ কিয়? মইতো দেউতাৰ নিচিনা অজ্ঞাতবাস কৰা নাছিলোঁ। মইতো সদায় এলিচৰ লগতেই আছিলোঁ।

ডাঙৰীয়া, সঁচাকৈয়ে, যেতিয়া মোৰ অজ্ঞাতবাসৰ অৱস্থা আহি গ'ল তেতিয়া

মই কি কৰি আছোঁ আপুনি দেখিছেই। মই ইমান দিনে আপোনাৰ লগত বা মোৰ লগত যি কৰিছোঁ তাক আপুনি ডায়েৰী লিখা বুলি ক'বনে? নিশ্চয় নক'ব নহয় জানো? মই যদি ডায়েৰী লিখিব লগা হ'লহেঁতেন আপোনাৰ ওচৰলৈ দৌৰি কিয় আহোঁ? আচলতে মোৰ নিজৰ ডায়েৰীৰ ওপৰত কোনো ভাৰসা নাই। কিন্তু, এলিচৰ বিষয়ে, তেওঁৰ লগত মোৰ সম্বন্ধৰ বিষয়ে জানিবলৈ আপোনাৰ আগত দুবছৰৰ কাহিনী ডায়েৰী হিচাপে দাঙি ধৰিছোঁ। আপুনি পঢ়ি হয়তো সুধিব পাৰে আপুনি মোৰ আৰু এলিচৰ জগতখনৰপৰা এখন বেলেগ জগতত থাকেনে? তাৰ উত্তৰ আপুনি নিজকেই সুধি পাব ভাঙৰীয়া। কওকচোন আপুনি সকলো ভুল বুজাবুজিৰ সম্ভাৱনাৰপৰা বাহিৰত বিৰুদ্ধ অন্তৰ্যামীনে? মই কওঁ আপুনি যিয়েই নহওক, কুন্দন-জোচেফৰ সংবাদ সকলো জানিব আৰু ঈশ্বৰে কৰক বাকী কাহিনীও পাৰ হৈ যাব।

কুন্দন-জোচেফ সংবাদ

জোচেফ—ধৰ্মবুদ্ধি আৰু ... ইতিহাস বুদ্ধি ...! তুমি কি ক'ব খুজিছা মই বুজিব পৰা পৰা নাই কুন্দন। তুমি ইয়াৰ ওপৰত 'কাকত' লিখিছা নেকি?

কুন্দন—শুনা ... যি ধৰণে এই আকাশ, পৃথিৱী আৰু মহাকাশ ভয়হীন, সেই ধৰণে মোৰ প্ৰাণো ভয়হীন। ... এইটো হৈছে ভাৰতবৰ্ষত ধৰ্ম-বুদ্ধিৰ আৰম্ভণি। বুজি পাইছানে জোচেফ? এই ধৰ্ম-বুদ্ধি ইতিহাস বুদ্ধি নহয়। আৰু ...

জোচেফ—মোৰ মতে এয়া হ'ল প্ৰকৃতি পূজা। ইয়াত ধৰ্ম ক'ৰ পৰা আহিল?

কুন্দন—কিয়? তোমাৰ মতে ধৰ্মত কি কি থকা উচিত?

জোচেফ—তাত থাকিব লাগে সৃষ্টি কেতিয়া হ'ল, ইয়াৰ ইতিহাস কি আৰু সৃষ্টিকৰ্তা ঈশ্বৰৰ ঠিকনা কি ইত্যাদি। তুমি প্ৰাৰ্থনা কৰা কিন্তু সেই প্ৰাৰ্থনা কি ধৰণৰ প্ৰাৰ্থনা? কাক সম্বোধন কৰা? ঈশ্বৰ-তত্ত্বৰ বাহিৰে বাৰু ...

কুন্দন—ঈশ্বৰ-তত্ত্ব আৰু নৃতত্ত্ব ইয়াত নিশ্চয় আছে। নিৰ্ভয়-সাধনাও আছে। যাৰ আৰম্ভ ভয়ৰপৰা হয় সেইটো কেনেকুৱা ধৰ্ম বুদ্ধি? আদিৰপৰা অন্তলৈকে ভয়েই ভয়। ভয়দাতা পৰমেশ্বৰ আৰু ভয়াক্ৰান্ত বুদ্ধি। সেইটোক ধৰ্মবুদ্ধি ক'বানে ইতিহাস বুদ্ধি ক'বা?

জোচেফ—ধৰ্ম-বুদ্ধি আৰু ইতিহাস-বুদ্ধিক পৃথক কৰিছা কিয়? বাৰু সেইটো বাদ দিয়া; কিন্তু ইয়ালৈ নৰদেহ বিজ্ঞান আহিল ক'ৰপৰা?

কুন্দন—কিয়? এই নৰদেহ বিজ্ঞানৰ আৰম্ভণি মিছনাৰীসকলৰ সাহসিকতাপূর্ণ কামৰপৰা হোৱা নাছিল জানো? তাত নিজৰ ধৰণৰ ধর্মবুদ্ধিও আছিল আৰু ইতিহাস-বুদ্ধিও আছিল। বাৰু বাদ দিয়া সেইবোৰ। মাত্র মোক এটা কথা কোৱাচোন— ভয় আৰু বুদ্ধি দুয়ো একেলগে থাকিব পাৰেনে? ভয়তো ভয়েই— তাৰ ব্যাখ্যাৰ প্রয়োজন নাই। কিন্তু পৰমেশ্বৰক ভয় কৰিলে সেইটো অভয় হৈ পৰেনে? এপিনেতো তোমাৰ ধর্মমুক্ত চৰম দুঃসাহসী বুদ্ধিৰ আৱশ্যক আৰু আনপিনে ভয়গ্রস্ত শৰণাগত বুদ্ধিৰ। সেইটো কেনেকৈ হ'ব পাৰে?

জোচেফ— কেনেকৈ নহ'ব, হৈতো আছে সদায়। তুমি ইয়াৰ খেলি-মেলিবোৰ চোৱা। সেইবোৰ অতিৰঞ্জিত নহয়। সদায় ঘটি থকা ঘটনা। জাতিভেদ আৰু অস্পৃশ্যতা ভয়ৰপৰা উৎপন্ন হোৱা নাইতো আৰু কিহৰপৰা হৈছে। পৃথিৱীত হিন্দুৰ নিচিনা ভয়াতুৰ জাতি আন কোনো আছেনে?

কুন্দন—হিন্দু কৈছা কিয়? ভাৰতবাসী কোঁৱা। যদি তুমি ক'ব খোজা ভাৰতীয় সভ্যতাৰ মূল ভয়ত স্থাপিত মই সেইটো স্বীকাৰ নকৰোঁ। অৱশ্যে, ভাৰতীয় সমাজত যি জাতি-ভেদ আছে সেইটো আততায়ীৰ আগত আত্মৰক্ষাৰ তর্কৰপৰা যে জন্মিছে তাক মানি ল'বলৈ মোবো তোমাৰ নিচিনা ইতিহাস-বুদ্ধি আছে। ভয়াতুৰ জাতিৰ কথা যি কৈছা, আচলতে সেইটো ইউৰোপীয় ৰাষ্ট্রবাদৰদ্বাৰা প্রভাৱিত। আমাৰ এনেকুৱা ৰাষ্ট্রবাদী বীৰত্বৰ কোনো আৱশ্যকতা নাছিল আৰু এতিয়াও নাই। মই এইটোও স্বীকাৰ নকৰোঁ যে আমি পৰাধীনতাৰ বিৰুদ্ধে কেতিয়াও কোনো সংগ্রাম কৰা নাই। আমি তাৰ বিৰুদ্ধে সর্বদায় সংগ্রাম কৰি আহিছোঁ আৰু সেই সংগ্রামত ভাৰতবাসীয়ে যি বীৰত্ব প্রদর্শন কৰি আহিছে সেই বীৰত্ব অন্যান্য জাতিৰ তুলনাত কোনো মতেই হীন নহয়। মাত্র আধুনিক অর্থত বা ৰাজনৈতিক অর্থত একতাৰ অভাৱ আছিল আৰু এতিয়াও আছে। কিন্তু তাক বুজি উঠিবলৈ যে ভাৰতবাসীৰ বেচি সময় নালাগিব সেইটোও তুমি দেখিবা। মাত্র অলপ ভয় আছে যে ঐতিহাসিক দুর্বলতাৰ ক্ষতিপূৰণ কৰা আৰু এখন শক্তিশালী দেশ গঢ়ি তোলাৰ পাক ঘূৰণিত পৰি নিজৰ পৰিচয় আৰু সাংস্কৃতিক গৌৰৱ যেন নষ্ট নকৰে।

জোচেফ—সেই সাংস্কৃতিক গৌৰৱ কি? সেই গৌৰৱতো আদিবাসীসকলৰো আছে। মোৰ দেউতা, ককাদেউতা সম্পূর্ণ আদিবাসী আছিল। কিন্তু ক'লৈ গ'ল মোৰ সেই সাংস্কৃতিক গৌৰৱ। তুমি কেতিয়ালৈকে নিজৰ তথাকথিত আদিবাসী পৱিত্রতা বচাই ৰাখিব পাৰিবা? ইয়াক ইতিহাস আৰু প্রগতিৰপৰা পলায়ন বুলি ক'ব নোৱাৰিনে?

কুন্দন—ভাৰতবর্ষ এনেকুৱা এখন দেশ—য'ত জীৱন নিজৰ আদিবাসী অনুভূতিক সভ্যতা আৰু সাংস্কৃতিৰ উন্নতি-অৱনতিৰ লগত সামঞ্জস্য ৰাখি আগবাঢ়ি গৈ থাকে। ইউৰোপৰ কথা বাদ দিয়া জোচেফ। এইখন ভাৰতবর্ষ। আমি সৃষ্টিৰ নিয়ম পালন কৰোঁ। কিন্তু ইতিহাসৰ নকৰোঁ।

জোচেফ—অতি প্রশংসনীয় কথা! তাৰ মানে কুন্দন তামতা সৃষ্টিৰ নিয়মৰদ্বাৰা

তৈয়াৰী আৰু জোচেফ ইতিহাসৰ 'নিয়মৰদ্বাৰাই। নহয়নে?

কুন্দন—নাজানো।

জোচেফ—'নাজানো'ৰ অৰ্থ কি? এজন নৰদেহ বিজ্ঞানবিদ হৈ এজন সাম্প্ৰদায়িক হিন্দুৰ নিচিনা কথা কৈছা। নৰদেহ বিজ্ঞানবিদৰ দৰে কথা কোঁৱাচোন।

কুন্দন—কৈছোঁ বাৰু এজন নৰদেহ বিজ্ঞান অধ্যাপকৰ দৰে—প্ৰফেচাৰ জোচেফ। এই আদিবাসী অৰ্থাৎ আদিম জনজাতিৰ মানুহবোৰ সমাজৰ আটাইতকৈ নিম্ন শ্ৰেণীৰ অনুন্নত মানুহ, এওঁলোকক অনেক সা-সুবিধাৰপৰা বঞ্চিত কৰি ৰখা হৈছে। আমি সভ্যসকলে এওঁলোকক সেই শোচনীয় দুখ লগা অৱস্থাৰপৰা উদ্ধাৰ কৰা উচিত। সভ্য মানুহৰ অৰ্থ হ'ল ঈশ্বৰৰ একমাত্ৰ প্ৰতিনিধি—যি মানৱ জাতিৰ সেৱাৰ কাৰণে নিজকে উচৰ্গা কৰে। হয়নে নহয় কোৱাচোন।

জোচেফ—তুমি পূৰ্ব গ্ৰহৰদ্বাৰা গ্ৰস্ত হৈ এনে কথা কৈছা আৰু তোমাৰ কথাত নিজৰ বিদ্যাৰ ভাল কথাবোৰ প্ৰকাশ হোৱা নাই। নৰদেহ বিজ্ঞানে কয় ...

কুন্দন—আদাম ইডেন গাৰ্ডেনত এজন নিৰ্দোষ আৰু পৱিত্ৰ পুৰুষ আছিল। তেওঁৰ জীৱনৰ দোষগুণ জানিবলৈ যদি আমি চোৰাংচোৱাৰ দৰে অনুসন্ধান কৰোঁ বা তদন্ত কৰোঁ— আমি সেই অনুচিত কৰ্মৰ কাৰণে পতিত মানৱ হ'ম। পতিত মানৱক ঈশ্বৰে স্বৰ্গৰপৰা বহিষ্কাৰ কৰা নাই, অসৎ কৰ্মৰ কাৰণে নিজে নিজে তললৈ নামি আহিছে। সেই স্বৰ্গলৈ আকৌ ঘূৰি যোৱাৰ পথটোৰ সন্ধান মাত্ৰ নৰদেহবিজ্ঞানেহে দিব।

জোচেফ—মই সেই কথা বিশ্বাস নকৰোঁ। তুমি অনৰ্থক বকি গৈছা। ... আদিম মানৱ বা আদিম জনজাতি অচ্যুত মানৱ নহয়।

কুন্দন—শুনা—অচ্যুততো হিন্দুসকলৰ ভগৱানৰ নাম অৰ্থাৎ বিষ্ণুৰ নাম।

জোচেফ—হ'ব পাৰে। কিন্তু আমি এনেকুৱা বেমেজালি কেতিয়াও নকৰোঁ। মানুহ-মানুহ আৰু ভগৱান ভগৱান। দুয়ো বেলেগে থাকে আৰু বেলেগে থকাৰ কাৰণে দুয়োৰে মাজত ওচৰ সম্বন্ধ নাথাকে। মই এইটোকে কৈছিলোঁ যে আদিবাসী মানুহ ইডেন গাৰ্ডেনৰ অচ্যুত আদাম নহয়। তেওঁলোকো সিমান চ্যুত আৰু ভ্ৰষ্ট যিমান আমি তথাকথিত সভ্য লোক। এনেকুৱা নহয় যে সভ্য মানুহৰ নকল কৰিলে তেওঁলোক উদ্ধাৰ হ'ব। এইটোও নহয় যে আদিবাসীসকলক নকল কৰি অৰ্থাৎ সভ্যতাৰ প্ৰগতিৰ ৰথখনৰ গতি ওলোটা কৰিলেই আমি স্বৰ্গত গৈ উপস্থিত হ'ম। জ্ঞানৰ ফলৰ সোৱাদ নোলোৱাটো জানো সৰু সৰু ল'ৰা-ছোৱালীৰ কাম? আমাৰ আৰু আদিবাসীসকলৰ মাজত ইমানেই ব্যৱধান যে তেওঁলোকে প্ৰগতিৰ পথত আগবাঢ়িব পৰা নাই। কিন্তু আমি পাৰিছোঁ। উল্লেখযোগ্য যে তেওঁলোক আগবাঢ়ি যাব নোৱাৰাৰ বাবে তেওঁলোকৰ মনলৈ একো অসন্তুষ্টি অহা নাই। জনসংখ্যা বৃদ্ধি বা জীৱন সংগ্ৰামৰ অভাৱত সমস্যাৰ সমাধান হোৱা নাই আৰু সমস্যাৰ সমাধান নোহাৰাৰ কাৰণে আমাৰ বুদ্ধিৰ বিকাশ হোৱা নাই। যেতিয়া আমি সভ্য জাতিবোৰৰ আগত ভৌগোলিক, ঐতিহাসিক, আৰ্থিক আৰু সাংস্কৃতিক প্ৰত্যেকটো স্তৰৰ ওপৰত

সমস্যাবোৰ দাঙি ধৰোঁ, সেইবোৰৰ সমাধানৰ কাৰণে আমাৰ বুদ্ধিৰো বিকাশ হয়। নৰদেহ-বিজ্ঞানে আমাৰ ভুলটো দূৰ কৰে যে তেওঁলোক অৰ্থাৎ আদিবাসীবোৰ একেবাৰে অসভ্য আৰু আমি সভ্য। সেই নৰদেহ বিজ্ঞানে তেওঁলোকৰ জীৱনৰ গাঁথনিক উদঘাটন কৰে আৰু প্ৰমাণ কৰে যে তেওঁলোকেও মানৱ-সভ্যতাৰ চক্ৰটো পূৰা কৰিছিল। কিন্তু আমাৰ তুলনাত তেওঁলোক অনুন্নত আৰু পিচ পৰি আছে আৰু যেনেকৈ আছিল এতিয়াও তেনেকৈয়ে আছে। আমি তেওঁলোককো আমাৰ লগত ল'ব লাগে। নহ'লে আমি প্ৰগতিৰ লগত বঞ্চনা কৰিম আৰু মানৱতাক ইচ্ছা কৰিয়েই ঠগিম। কোঁৱা জানি শুনি আমি কেনেকৈ তেওঁলোকক তলত পেলাই থ'ম। তেনে কৰিলে আমাৰ যে পাপ হ'ব!

কুন্দন—তুমি সঁচা কথাই কৈছা জোচেফ। যিখন তথাকথিত সভ্য সমাজে আদিবাসীসকলৰ সমাজখন নষ্ট কৰি বলপূৰ্বক নিজৰ অধিকাৰ স্থাপন কৰিলে সেইখন সমাজে পাপ কৰা নাই জানো?

জোচেফ—পাপ কৰিছিল আৰু নাই কৰাও। নাই কৰা এই কাৰণেই যে ঐতিহাসিক আৱশ্যকতাৰ খাতিৰত তেনে কৰিছিল। ইতিহাসচক্ৰ চলিছিল প্ৰগতিশীল জাতিবোৰৰ উন্নতিৰ লগত। সেই চক্ৰৰ ওপত আদিবাসীৰ একো প্ৰভাৱ পৰা নাছিল। ইতিহাসে কেৱল উদ্যমশীল সভ্য মানুহৰ মহৎ আকাংখ্যাক অনুসৰণ কৰে। তুমি নিজে দেখিবলৈ পাবা যে আমাৰ দেশত যি উন্নতি হৈছে সভ্য লোকৰহে হৈছে, আদিবাসী জনজাতিৰ কোনো উন্নতি হোৱা নাই। এশ বছৰৰ ভিতৰত যদি এই আদিবাসী অৰ্থাৎ জনজাতিৰ মানুহে নিজৰ ৰীতি-নীতি, ধৰণকৰণ একেবাৰে পাহৰি গৈ নিচ্ছিন্ন হৈ নাযায় মোৰ নামটো সলনি কৰি দিবা। কুন্দন, যদি পাশ্চাত্য সভ্যতা তোমাৰ দেশৰ সভ্যতাতকৈ কোনো গুণেই বেচি নহয় তেন্তে তোমাৰ দেশে পাশ্চাত্য গণতন্ত্ৰ গ্ৰহণ কৰাৰ কি আৱশ্যক আছিল? যদি পাশ্চাত্য গণতন্ত্ৰ গ্ৰহণ কৰিলে তেন্তে সেইবোৰ দেশৰ কল্যাণকাৰী ৰাজতন্ত্ৰ, সৈন্যতন্ত্ৰ, শিক্ষাতন্ত্ৰ আৰু অন্যান্য ভাল বস্তুবোৰ আমাৰ দেশে গ্ৰহণ নকৰিলে কিয়? তুমি ভাবা তোমাৰ সংস্কৃতি অতি উচ্চ স্তৰৰ, তোমাৰ ইতিহাস অতি গৌৰৱময়, আৰু নিষ্কলঙ্ক, কিন্তু সেইটো তোমাৰ ভুল ধাৰণা। আচলতে, এইটো প্ৰাচ্য-পাশ্চাত্যৰ প্ৰশ্ন নহয়। পৃথিৱীৰ সকলো সমাজৰ নিয়তি এক ঃ প্ৰগতি, নিৰন্তৰ প্ৰগতি-- তাতেই থাকে য'ত এটা সভ্যতাই থাকে— একে ধৰণৰ শিক্ষা আৰু একে ধৰণৰ লক্ষ্য থাকে। যদি ধৰ্মৰ অবিহনে কোনো কাম নচলে তেন্তে এক ৰাজনীতি আৰু এক ধৰ্ম হ'বই লাগিব।

কুন্দন—তেন্তে একমাত্ৰ সভ্যতা পাশ্চাত্য সভ্যতাই হ'ব আৰু একমাত্ৰ ধৰ্ম খ্ৰীষ্ট্ৰীয় ধৰ্মই হ'ব, নহয়নে?

জোচেফ—যিয়েই নহওক, তাৰপৰা একো ব্যৱধান থাকিব নোৱাৰে। যিটো ধৰ্ম আটাইতকৈ বেছি প্ৰগতিশীল ধৰ্ম হ'ব তাকেইতো সৰ্বাধিক মানুহে গ্ৰহণ কৰিব। তুমি কোৱাচোন আটাইতকৈ প্ৰগতিশীল ধৰ্ম কোনটো?

কুন্দন—ধৰ্ম আৰু সিও প্ৰগতিশীল। এই দুটা কথা একেলগে কেনেকৈ সম্ভৱ হ'ব? ধৰ্মতো সনাতন মূল্যৰ সনাতন দৰ্শন— হাস্কলেৰ পেৰেলিয়ন ফিলচফি অৰ্থাৎ 'যুগমীয়া দৰ্শন।' নহয় জানো?

জোচেফ—হাস্কলেৰ উদাহৰণ কিয় দিছা? যি সনাতন হিন্দু ধৰ্মই নিজৰ মানুহকে অস্পৃশ্য বুলি ভাবে, মন্দিৰত সোমাবলৈ নিদিয়ে আৰু একেটা নাদৰ পানী খাবলৈ নিদিয়ে তাৰ কথা কোৱা। প্ৰতিক্ৰিয়াবাদৰ সেইটো হ'ল সনাতন গড়— যাক ভঙাৰ ফলত মধ্যযুগৰ সকলো ভক্তি আন্দোলন, আধুনিক যুগৰ সকলো সংস্কাৰমূলক আন্দোলন, ব্ৰাহ্মসমাজ, আৰ্যসমাজ আদি বিফল হ'ল। তাৰপৰা মানৱ জাতিৰ কাৰণে কি ধৰ্ম প্ৰৱৰ্তন হ'ব ক'ব পাৰানে? তুমি নিজকে সনাতন ধৰ্মী আৰু লগতে প্ৰগতিশীল বুলি ভাবানে?

কুন্দন—নিশ্চয়।

জোচেফ—তোমাৰ এই হঠাৎ ধৰ্ম পৰিবৰ্তনৰ কাৰণ কি? কুন্দন তুমিতো কৈছিলা তোমাৰ কোনো ধৰ্ম নাই আৰু তুমি কোনো দেৱী আৰু দেৱতা নামানা।

কুন্দন—সেইটো এতিয়াও নামানো। ধৰ্ম পৰিৱৰ্তনৰ কথা তুমি ক'ব পাৰা, মই নোৱাৰোঁ।

জোচেফ—কিয় নোৱাৰিবা? তুমি হাস্কলেৰ কথা ক'ব পাৰা আৰু নিজৰ সনাতনীৰ পিঠিত জোৰেৰে ঢকা মাৰিব পাৰা গতিকে নোৱাৰিবা কিয়? চোৱা বিংশ শতাব্দীত আমি আটাইতকৈ জ্ঞানী আৰু বুদ্ধিমান মানুহক বেদান্তবিদ বুলি কওঁ। কিন্তু তোমাৰ ৰামকৃষ্ণ মিছন কি কোৱাচোন? এপিনে মিছনেৰীক গালি পাৰিবা আৰু আনপিনে নিজৰ সংস্থাবোৰ গঠন কৰিবলৈ মিছনেৰীক নকল কৰিবা। তুমিতো শূদ্ৰ কুন্দন কিন্তু সনাতন ধৰ্মটো উচ্চজাতৰ মানুহৰহে বুলি জানো। তাৰ প্ৰতি তোমাৰ ইমান পক্ষপাত কিয়? তুমিতো আগতে এনেকুৱা কথা নকৈছিলা। ইয়াৰ ভিতৰত কোনোবা এজন গুৰু পালা নেকি?

কুন্দন—তেনেকুৱাই ধৰি লোৱা। তুমি ঠিকেই কৈছা মই শূদ্ৰ আৰু এইটোও ঠিককৈ কৈছা যে সনাতন ধৰ্ম কেৱলমাত্ৰ হাস্কলেৰ পেৰিনিয়ল ফিলচফিয়েই নহয় বৰ্ণাশ্ৰম ধৰ্মও। এপিনে এইটো এটা ধৰ্ম আৰু আনপিনে খৃষ্টান মিছনেৰীৰ নিচিনা মিছনেৰীও। এইটোও মই মানি লওঁ যে মিছনেৰীয়ে তোমাক মুক্ত নকৰাহেঁতেন তুমি যি আছিলা তেনেকৈয়ে থাকিলাহেঁতেন— প্ৰফেচাৰ জোচেফ কেতিয়াও নহ'লাহেঁতেন। কেবাহাজাৰ বছৰৰপৰা আদিবাসী জনজাতিসকলে এই হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ সীমাৰ ভিতৰত জীৱন যাপন কৰি আহিছে কিন্তু কোনেও আজিলৈকে কোৱা নাই তোমালোক আমাৰ কাষ চাপি আহা আৰু আমাৰ লগত একগোট হৈ এই বিৰাট সংগঠনৰ এটা অংশ হৈ পৰা। তেওঁলোকৰ এতিয়ালৈকে যি উন্নতি হৈছে খৃষ্টীয় ধৰ্ম-দৃষ্টিৰ প্ৰতাপত হৈছে— যি উন্নতি হিন্দু ধৰ্মই এহেজাৰ বছৰৰ ভিতৰতো কৰিব পৰা নাই বা কৰিবলৈ ইচ্ছা কৰা নাই। গতিকে তেনে ধৰণে, খ্ৰীষ্টীয় ধৰ্ম ভাৰতৰ অন্যান্য ··তিকৈ যে বেছি প্ৰগতিশীল সেইটো প্ৰমাণিত হৈছে।

এই কথাটো তুমি ইচ্ছা কৰিয়েই হয়তো কোৱা নাছিলা। কিন্তু মই আৰু ক'বলৈ বিচাৰিছিলোঁ যে মানুহৰ ধৰ্মভাৱনা আৰু বুদ্ধি দুটা বেলেগ বস্তু। তোমাৰ মনতো কেতিয়াও উদয় নহয়নে যে যিটো ব্যৱস্থা অনেক চালি-জাৰি চাই নিজে স্থিৰ কৰে সেইটো আটাইতকৈ ভাল ব্যৱস্থা? সেই ব্যৱস্থাটো হ'ল ধৰ্মসন্মত বুদ্ধি আৰু বুদ্ধিসন্মত ধাৰ্মিকতা। সেই মূল্যব্যৱস্থা এনে ধৰণৰ—য'ত ধাৰ্মিক হ'বৰ কাৰণে নিজৰ মুক্তিক অপমান কৰিবলগীয়া হয় আৰু বুদ্ধিৰ বিকাশে ধাৰ্মিকতাৰ কাৰণে নম্ৰতা বাদ দিবলগীয়া হয়। মই কোৱা নাই এইটো সহজ কাম। তুমি মান্তি হোৱানে নোহোৱা ক'ব নোৱাৰোঁ— ভাৰতবৰ্ষ এই প্ৰয়োগৰ কাৰণে এখন প্ৰয়োগশালা। মানুহৰ ভিতৰত যি প্ৰকৃতি-পূজাৰী আদিবাসী আৰু সৰ্বদায় কৌতূহল আৰু প্ৰশ্নাকুলতা আছে, দুয়োটোকে একেলগ কৰিলে দেশৰ আৰু সমাজৰ অনেক লাভ হ'ব। ইউৰোপত জ্ঞান-পৰম্পৰা আৰু সংগঠন-কৌশল উচ্চস্তৰৰ থকা সত্বেও তাত মাত্ৰ সমতা, বন্ধুত্ব আৰু ন্যায়পূৰ্ণ এটা ধাৰণা উপলব্ধি কৰিবলৈ এহেজাৰ বছৰ লাগিছিল। তেন্তে তুমি ভাবি চোৱা যি সংস্কৃতি 'নৰ আৰু নাৰায়ণ দুজন নহয় এজনহে' বিশ্বাসৰ ভিত্তিত আৰম্ভ হৈছিল, তাত সমাজবাদী সমতা লাভ কৰি চৰিতাৰ্থ কৰিবলৈ কিমান দিন লাগিব। মাত্ৰ কিছুদিনৰ আগতে আমি দুশ বছৰীয়া দাসত্বৰপৰা মুক্ত হৈছো— যি দাসত্বৰ প্ৰধান কাৰণ আছিল আমাৰ সমাজৰ দুৰ্বলতাতকৈ ৰাজ্যতন্ত্ৰৰ দুৰ্বলতা। তুমি ক'বা বৃটিছৰ দিনত এটা শক্তিশালী ৰাজ্যতন্ত্ৰ আছিল আৰু গোটেই ভাৰতক একতাবদ্ধ কৰি ৰাখিছিল। কিন্তু মৰমৰ জোচেফ, সেই একতাৰপৰা আমাৰ কি লাভ হৈছিল ক'বানে? সেই ৰাজ্যতন্ত্ৰই আমাৰ সমাজ নষ্ট কৰিছিল, কৃষ্টি আৰু ঐতিহ্য নষ্ট হৈছিল আৰু আমি সমাজ সংগঠনৰ প্ৰণালীত বিদেশৰপৰা ধাৰ কৰিবলগীয়া হৈছিল। জোচেফ, মানুহে যিকোনো কাম য'ৰেইপৰা আৰম্ভ কৰক তেওঁৰ কাৰণে ঈশ্বৰৰ ভয়েই বুদ্ধিৰ আৰম্ভণিৰ কাৰণ আৰু শেহত তেৰেঁই ভাগ্যৱান হয়। য'ত একতাৰ প্ৰতি আগ্ৰহ থাকে আৰু অনৈক্য আৰু বিবিধতাকো পালন পোষণ কৰিবলৈ বাধ্য-বাধকতা নাথাকে, সেই সমাজখন গঢ়িবলৈ কিমান সহজ তুমি চিন্তা কৰি চোৱা। আনপিনে তুমি ইখন সমাজলৈ চোৱা য'ত এটাৰ পিছত এটাকৈ নতুন নিয়ম চলি আহিছে— য'ত ধৰ্মবিশ্বাসকে লৈ ধৰ্মৰ সমানতা পূৰ্ব স্বীকৃত— সেইখন সমাজ সংগঠন কৰা কিমান কঠিন। তুমি হিন্দু ধৰ্মৰ এটা কথা লক্ষ্য কৰিবা— যে ধৰ্ম প্ৰচাৰৰ প্ৰতি ই সদায় উদাসীন আৰু আগ্ৰহহীন— অৰ্থাৎ যাৰ ইচ্ছা থাকে কোনো অহিন্দুৱে তাক গ্ৰহণ কৰিব পাৰে আৰু নকৰিলেও ধৰ্মৰ একো ক্ষতি নহয়। তাৰ বিপৰীতে খ্ৰীষ্টীয় ধৰ্মৰ নীতি একেবাৰে পৃথক আৰু তাৰ প্ৰচাৰ-অভিযান তীব্ৰ আৰু প্ৰখৰ। এই দুটা ধৰ্মৰ ক্ষেত্ৰত কোনটো দৃষ্টি মূল্যৱান—সনাতন ধৰ্ম দৃষ্টিনে ঐতিহাসিক ধৰ্মদৃষ্টি মোক ক'বানে?

জোচেফ—এই প্ৰশ্নটো সুধিবলৈ তোমাৰ যে ইমান ডাঙৰ ভূমিকা থাকিব পাৰে মই কেতিয়াও ভবা নাছিলোঁ। এইটো তোমাৰ পুৰণি ৰোগ।

কুন্দন—কিন্তু পুৰণি ৰোগটো কিয় আৰু কেনেকৈ হ'ল তুমি জানিবলৈ ইচ্ছা

নকৰা জানো? তুমিতো খ্ৰীষ্টীয়ান হ'লা কিন্তু খ্ৰীষ্ট্ৰীয় ধৰ্ম কি তুমি একো নাজানা। মইতো নিজৰ আৱশ্যকতাৰ কাৰণে খ্ৰীষ্ট্ৰীয় ধৰ্মৰ প্ৰতি আকৰ্ষিত হৈছিলোঁ— নিজৰ প্ৰবীন বুদ্ধিৰদ্বাৰা। ডেকা কালত মই পাশ্চাত্য সংস্কৃতি আৰু পাশ্চাত্য ধৰ্মবুদ্ধিৰদ্বাৰা প্ৰভাৱিত হৈছিলোঁ কিন্তু আতঙ্কিতও হৈছিলোঁ। এতিয়া মই নিজকে সোধো মই খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিবলৈ যাওঁতে মোক কোনে বাধা দিছিল কিন্তু সেই প্ৰশ্নৰ স্পষ্ট উত্তৰ পোৱা নাছিলোঁ। মই খ্ৰীষ্টান গাওঁ হীৰাডুঙ্গৰি দেখিছিলোঁ। গাওঁখন চহৰৰপৰা অলপ দূৰত এটা ওখ পাহাৰৰ ওপৰত আৰু আমাৰ ডোম গাঁওখন এডোখৰ দ ঠাইত। মই আমাৰ গাওঁখনক খ্ৰীষ্টান গাওঁখনৰ নিচিনা উন্নত কৰি তুলিবলৈ বিচাৰিছিলোঁ। কিন্তু সেইটো কোনো মতেই সম্ভৱ নাছিল। কাৰণ ধৰ্মৰ সলনি সামাজিক প্ৰতিষ্ঠা কিনা কোনেও ভাবিব নোৱাৰা কথা আছিল।

জোচেফ, যেতিয়া মই বিদেশৰ মাটিত ভৰি দিলোঁ তেতিয়া মোৰ এনেকুৱা লাগিছিল মই যেন মুকলি বতাহত উশাহ লৈছোঁ। পিচত মোৰ কামৰ সম্বন্ধত মই আদিবাসী ভাৰতক ওচৰৰপৰা চাবলৈ সুযোগ পালোঁ। আদিবাসীসকলৰ সেই সম্পৰ্কই মোৰ ভিতৰত উখল-মাখল কৰি উঠিল। মই মিছনেৰীৰ সংস্পৰ্শতো আহিলো। এজন বেলজিয়াম পাদুৰীৰ লগত মোৰ চিনাকি হ'ল। তেওঁৰ কামৰ প্ৰতি গভীৰ নিষ্ঠাই মোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিলে আৰু তেওঁৰ ধৰ্মৰ প্ৰতি মোৰ মনত বৰ কৌতূহল জন্মিল। বিশেষকৈ তেওঁলোকৰ অনুন্নত মানুহবিলাকৰ প্ৰতি কৰা মানৱহিতৈষী কামবোৰে মোক আকৃষ্ট কৰিলে আৰু লগে লগে এই সিদ্ধান্তত উপনীত হ'লোঁ যদি আদিবাসীবিলাকৰ কিবা উন্নতি হয় তেন্তে মাত্ৰ মিছনেৰীসকলেই সেই উন্নতি আনিব পাৰিব। নৰদেহ-বিজ্ঞানৰ ভিত্তিতো তেওঁলোকেই স্থাপন কৰিছিল। মোৰ মনত ধৰিছে আদিবাসীৰ সংস্কৃতি লাহে লাহে নষ্ট হ'বলৈ ধৰিছে। চৰকাৰ আৰু সুতখোৱা বেপাৰীবিলাকৰ লগত যে তেওঁলোকৰ সম্বন্ধ লেতেৰা সেইটো মই আগতেই দেখিছিলোঁ। মই ভাবিছিলোঁ তেওঁলোক দেশৰ ঘাই সুঁতিৰ লগত এদিন মিহলি হ'ব; কিন্তু লগতে এইটোও মোৰ মনত খেলি গৈছিল— মিহলি হ'লে উচ্চ জাতৰ হিন্দুৱে এওঁলোকক ডোম বুলি হীন চকুৰে চাব আৰু শোষণ কৰিব। গতিকে মই এই সিদ্ধান্তত উপনীত হৈছিলোঁ—তাৰ সলনি এওঁলোক যদি খ্ৰীষ্টান ধৰ্মত দীক্ষিত হয়, তেওঁলোকৰ কল্যাণ হ'ব। তেতিয়াহে এওঁলোক আমাৰ ধৰ্মনিৰপেক্ষ ভাৰতত সন্মানিত নাগৰিক হ'ব পাৰিব। নহ'লে হিন্দু ধৰ্ম আৰু হিন্দু সমাজৰ কাৰণে এওঁলোক সদায় অস্পৃশ্য হৈ দূৰত থাকিব।

মৰমৰ জোচেফ, তুমি বিশ্বাস কৰিবলৈ টান পাবা যে মই সেই পিছপৰা আৰু তথাকথিত অস্পৃশ্য মানুহবিলাকক খ্ৰীষ্টান ধৰ্মত দীক্ষিত কৰাবলৈ এজন মিছনেৰী হ'বলৈকে প্ৰস্তুত আছিলোঁ। কিন্তু ক'ব নোৱাৰোঁ, লাহে লাহে সেই দুৰ্দমনীয় আকাংখ্যা লাহে লাহে হ্ৰাস হৈছিল। তাৰ প্ৰধান কাৰণ আছিল মোৰ গুৰু শহুৰদেউ আৰু পত্নী এলিচে মোক বাধা দিছিল। তেওঁলোকে মোৰ তেনে আকাংখ্যাৰ কাৰণে মোক মৃদু তিৰস্কাৰো কৰিছিল। তাৰ পিছত মই ভাৰতলৈ ঘূৰি আহিলোঁ আৰু লাহে লাহে মোৰ

পৰিৱৰ্তন হ'ল। মই লাহে লাহে এই সিদ্ধান্তত উপনীত হ'লোঁ যে এই ধৰ্ম-পৰিৱৰ্তনবাদী মিছনেৰী-উৎসাহ ভুল। ই মানুহৰ মূল ধৰ্ম চিন্তাৰ অনুকূল নহয়। সেই প্ৰসঙ্গত মোৰ দেউতা আৰু তেওঁৰ অন্তৰঙ্গ বন্ধু ৰামদত্ত মাষ্টৰৰ কথা মনত পৰিল। মই বুজি উঠিলোঁ— তেওঁলোক শুদ্ধ আছিল আৰু মই ভুল আছিলোঁ। কিন্তু আচৰিত কথা যে মানুহে নিজৰ ভুলৰ কথা জনাৰ পিছতো তাৰ প্ৰভাৱ তেওঁৰ আচৰণ আৰু স্বভাৱৰপৰা দূৰ কৰোঁতে অনেক দিন লয় আৰু আমাৰ দৰে বুদ্ধিজীৱীসকলেও তাকেই কৰে। গতিকে সেই দোষটো মিছনেৰীয়ে কৰিলে আচৰিত হ'বলগা একো নাই।

জোচেফ— এইটো কু তৰ্ক কুন্দন। ধৰ্ম-পৰিৱৰ্তন কৰোৱাটো শোষণ নহয়। তোমাৰ ধৰ্মতন্ত্ৰ যদি দুৰ্বল আৰু অন্তঃসাৰশূন্য হয়, তাৰ বাবে দায়ী কোন? যদি তোমাৰ ধৰ্ম ব্যক্তিত্ববাদী হয় আৰু তাত সমাজ সংগঠন কৰাৰ ক্ষমতা বা ইচ্ছাৰ অভাৱ থাকে তেন্তে সেই অভাৱৰ দাম শোধ কৰিবই লাগিব।

কুন্দন—তোমাৰ কথা আংশিকভাৱে সত্য। কিন্তু মই নামানো যে হিন্দু ধৰ্ম আৰু ধৰ্মতন্ত্ৰ ব্যক্তিত্ববাদী আৰু তাৰ বিপৰীতটো সত্য। মই বিচাৰোঁ ঈশ্বৰে যেন সেইটো অলপ সামাজিক কৰি তোলে। আচলতে বৃটিছৰ শাসন কালত ইয়াৰ ভূমিকা দুৰ্বল হৈ গ'ল। দুৰ্বল মানে তাক কাঢ়ি লৈ গ'ল বৃটিছে। তাৰ পিছত চাওঁতে চাওঁতে ইংৰাজী লিখিব আৰু পঢ়িবজনা শ্ৰেণীয়ে সমাজৰ নেতৃত্ব গ্ৰহণ কৰিলে আৰু বিদেশী শিক্ষাৰ প্ৰভাৱত নিজৰ পৰম্পৰাগত স্বদেশী শিক্ষা আৰু চিন্তাধাৰা তল পৰি গ'ল। মোৰ ল'ৰাকালৰ কথা মনত পৰিছে— আমাৰ গাৱঁৰ ওচৰত থকা মন্দিৰটো এটা সামাজিক কেন্দ্ৰও আছিল— য'ত মাজে মাজে বাহিৰৰপৰা নেতাসকলো আহি বক্তৃতা দিছিল। মোৰ দেউতাই মোকো তালৈ নিছিল। সেই কালত জাতিভেদ বৰ বেছি আছিল আৰু ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰই ভিন্ন ভিন্ন বাৰ্তৰি কাকত প্ৰকাশ কৰিছিল। মোৰ দেউতাই তাৰ বিৰোধিতা কৰিছিল। স্বাধীন ভাৰতৰ ৰাজনীতিয়ে আমাৰ সমাজক ভাঙি টুকুৰা টুকুৰ কৰিছিল। মন্দিৰত কোনো বিশেষ কাৰ্যক্ৰম হ'লে তাত প্ৰকাশ কৰিবৰ কাৰণে নিম্ন জাতিৰ মানুহৰ কাৰণে বেলেগ ঠাই আছিল। তেনে ধৰণৰ কাৰ্যক্ৰমলৈ দেউতাই মোক কিয় নিছিল আৰু সেই কাৰ্যক্ৰমত তেওঁ কিয় অংশগ্ৰহণ কৰিছিল তেতিয়া বুজা নাছিলোঁ। বুজাহেঁতেন মই নিশ্চয় নগ'লোঁহেতেন আৰু দেউতাকো যাবলৈ নিদিলোঁহেতেন কাৰণ য'ত সন্মান পোৱা নাযায় তালৈ কোনো আত্মসন্মানী মানুহ নাযায় আৰু যোৱাটো উচিত নহয়। মোৰ মতে, য'ত তেওঁক মানুহে হীন চকুৰে চাইছিল সেই মন্দিৰক তেওঁ ঘৃণাৰ চকুৰে চোৱা উচিত আছিল। অজ্ঞাতবাসৰ সময়ত দেউতা দেশৰ বিভিন্ন ঠাইত থকা ধৰ্মীয় সংস্থা আৰু সাধু-সন্ন্যাসীৰ ওচৰলৈ গৈছিল। তেওঁৰ যোৱাৰ উদ্দেশ্য নিজৰ মনৰ শান্তিৰ কাৰণে নাছিল সমাজৰ অন্যায় আৰু অবিচাৰবোৰ নিৰ্মূল কৰিবলৈ উপায় উলিওৱা। কিন্তু তেওঁ নিৰাশ হৈছিল কাৰণ তেওঁৰ সেই আশা ব্যৰ্থ হৈছিল।

জোচেফ—কিন্তু তেওঁ কিয় নিৰাশ হৈছিল? ভৱিষ্যৎ প্ৰজন্ম আমাৰ ওপৰত তেওঁ আশা কৰিব নোৱাৰিছিলনে?

কুন্দন—আশা আৰু নিৰাশাৰ মাজতো ব্যৱধান আছে জোচেফ। মোৰ এনে লাগিছে আশাতকৈ মোৰ দেউতাৰ নিৰাশা বেচি মূল্যবান আছিল কিয়নো তাৰ উপৰিও তেওঁ নিজৰ অন্যান্য কৰ্তব্যবোৰ নিয়মমতে কৰি গৈছিল। অৱশ্যে মই যদি তেওঁক সেই কামত সহায় কৰিলোহেঁতেন তেওঁ তাতকৈ কম নিৰাশ হ'লহেঁতেন। মোৰো সেইটো এটা দায়িত্ব আছিল দেউতাৰ সেই হাহাঁকাৰৰ কাৰণে।

জোচেফ—তুমি তাৰ এতিয়া প্ৰায়শ্চিত্ত কৰিছা। কিন্তু সেইটো প্ৰতিক্ৰিয়া নহয় জানো? তোমাৰ ওপৰত তাৰ বৰ বেচি প্ৰতিক্ৰিয়া ভৱিষ্যতে হ'ব পাৰে।

কুন্দন—প্ৰায়শ্চিত্ত আৰু প্ৰতিক্ৰিয়া? কেনেকুৱা খ্ৰীষ্টান তুমি? মোৰ ধাৰণা আছিল এনেকুৱা বিষয়ত খ্ৰীষ্টান ধৰ্ম হিন্দু ধৰ্মতকৈ বেচি প্ৰগতিশীল। নিজৰ পাপৰ কাৰণে নহয় আনে কৰা পাপৰ কাৰণেও নিজকে কষ্ট দিয়া তেওঁৰ এটা নতুন আধ্যাত্মিক আৱিষ্কাৰ আছিল। এতিয়া জনা গৈছে সেইটোও প্ৰতিক্ৰিয়া আছিল। অৱশ্যে মোৰ মতে যদি আমি পাপ কৰোঁ তাৰ প্ৰায়শ্চিত্তও কৰিব লাগিব। আমি আমাৰ ভুলভ্ৰান্তি নিজে সংশোধন কৰিব লাগিব। আনে সেই সংশোধন কিয় কৰিব আৰু আমাৰ কামত কিয় হস্তক্ষেপ কৰিব? মোৰ মনত আছে সাধাৰণ নিৰ্বাচনৰ সময়ত প্ৰাৰ্থীৰ এজেণ্টে ভোট দিওঁতাসকলক নিজৰ গাড়ীত তুলি নিয়া মই দেখিছিলোঁ। তেনেকৈ আদিবাসী ছাত্ৰ-ছাত্ৰীক স্কুল-কলেজত ভৰ্তি কৰিবলৈ বিভিন্ন সংস্থাই লৈ গৈছিল। আনকি মিছনেৰীসকলেও সেই কাম বিনা দ্বিধাৰে কৰিছিল। দেউতাৰ মতে, মিছনেৰীয়েও নিজৰ উদ্দেশ্যসিদ্ধিৰ কাৰণে আদিবাসীক ওপৰঞ্চি সুবিধা দিবলৈ আগবাঢ়ি অহা উচিত নহয়। তেন্তে জোচেফ, যদি হিন্দুৰ উদাসীনতা পাপ হয়, তেনে ধৱণে মিছনেৰীসকলে খ্ৰীষ্টান ধৰ্মৰ নামত আনক সাহায্য কৰাও আধ্যাত্মিক পাপ নহয় জানো? সেই আধ্যাত্মিক পাপ আমাৰ সামাজিক অক্ষমতাৰ সুবিধা লৈ কৰা পাপ। যদি এতিয়া বিদেশৰ পৰা পানীৰ নিচিনাকৈ বৈ অহা এই সোঁত বন্ধ হৈ যায় তেন্তে সেই অন্যায় খেলাও বন্ধ হৈ যাব। মই কওঁ, এই সময়ত আমাৰ মানুহবোৰ উচ্চ জাতৰ কাৰণ তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক মিছনেৰীৰ যোগেদি তলখাপৰ ইংৰাজী স্কুলত ভৰ্তি কৰায়। মই জানো মোৰ জাতি ভাই এজনে খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষিত হৈ 'ফাদাৰ'হৈ আমাৰ গাৱঁত 'চেণ্ট জোচেফ চিল্ড্ৰেন একাডেমী' নামৰ এখন স্কুল খুলিছে। তাত মাহিলি পঞ্চাশ টকা বেতনত উচ্চ জাতৰ মহিলা শিক্ষয়িত্ৰীয়ে শিক্ষকতা কৰে। এনেকৈ গোটেই দেশখনত হাজাৰ হাজাৰ তলখাপৰ ইংৰাজী স্কুল আছে। স্কুল খোলা যে বেয়া কাম নহয় সকলোৱে ক'ব কিন্তু তথাকথিত যিসকল সৱৰ্ণই তল জাতিৰ হিন্দুক হীন চকুৰে চায় তেওঁলোকে খ্ৰীষ্টান মিছনেৰীয়ে খোলা ইংৰাজী স্কুলত ল'ৰা-ছোৱালীক ভৰ্তি কৰাই অবাধে তেওঁলোকৰ লগত ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰে। কিন্তু তল জাতৰ হিন্দুসকলৰপৰা সদায় আঁতৰি থাকে। চোৱা জোচেফ, মিছনেৰীৰ নিচিনা বিদেশী সংগঠনবোৰে নিম্নশ্ৰেণীৰ মানুহৰ উন্নতি কৰাটো বৰ ভাল কথা কিন্তু তেওঁলোকৰ সাহায্য আৰু মানৱসেৱা উদ্দেশ্যহীন হোৱা উচিত আৰু উদ্দেশ্যহীন নোহোৱাৰ কাৰণেই মিছনেৰীৰ প্ৰতি মোৰ উচ্চ ধাৰণা নাই। মই বিচৰো

আমাৰ উন্নতি আমি নিজে কৰা উচিত। বিদেশীৰ ওপৰত নিৰ্ভৰ কৰাটো নিতান্ত অনুচিত আৰু বেয়া কাম।

জোচেফ, মই পাশ্চাত্য সভ্যতা আৰু তাৰ ধৰ্মক গভীৰভাৱে অধ্যয়ন কৰিছোঁ— কেৱল অধ্যয়ন কৰিবৰ কাৰণেই নহয়, নিজৰ বাস্তৱিক পৰিস্থিতিক পঙ্কিলতা আৰু বিপদৰপৰা উদ্ধাৰ কৰিবলৈ। তুমি জানা যে মূল খ্ৰীষ্টিয়ান ধৰ্মৰ প্ৰতি মোৰ গভীৰ শ্ৰদ্ধা আছে তেওঁৰ ধৰ্মৰ প্ৰতি প্ৰত্যেকজন সৎ খ্ৰীষ্টিয়ানৰ থাকে। কিন্তু মই আকৌ কওঁ যে যেতিয়া ধৰ্ম প্ৰচাৰৰ প্ৰশ্ন উঠে, মূলতঃ তাৰ লগত ৰাজনৈতিক আৰু স্বাৰ্থপৰ উদ্দেশ্য জড়িত থকাৰ কাৰণে মোৰ সেই শ্ৰদ্ধা হ্ৰাস হ'বলৈ ধৰে। তুমি মানানে নামানা ক'ব নোৱাৰোঁ, মিছনেৰীৰ ধৰ্মতন্ত্ৰ আৰু সাম্ৰাজ্যবাদীৰ মনোভাৱৰ লগত বিশেষ পাৰ্থক্য নাই অৰ্থাৎ দুয়োটাকে এখন চাদৰৰ দহি থকা আচল বুলি ক'ব পাৰি। দুয়োটা হ'ল পৰাধীনতাৰ ফান্দ। আমি সেই ফান্দত পৰিব নালাগে। তাক কাটি পেলাব লাগে।

এলিচৰ বিষয়ে

ডাঙৰীয়া, আজি মোক আপোনাৰ কেনেকুৱা লাগিছে? অলপ পোন হৈ মোৰ চকু দুটালৈ চাওক আৰু মুখখনলৈ চাই মোৰ মনটো অধ্যয়ন কৰক। কওকচোন এনেকুৱা হ'ব নোৱাৰেনে—এতিয়া মই মনে মনে থাকিম আৰু মাত্ৰ আপুনি কথা ক'ব? কথা কৈ কৈ মানুহ ভাগৰি পৰাৰ দৰে চলি চলি এটা যন্ত্ৰৰো ভাগৰ লাগে। মইতো হাড়-মঙহৰ মানুহ যি বৰ বেয়া ধৰণে জীয়াই আছোঁ। মোৰ কথা ক'বলৈ একেবাৰে মন নাই। কিন্তু বাধ্য হৈ ক'বলগীয়া হৈছো। মই কি কৰিম কওক? কথা ক'লে মাত্ৰ মুখখন বিষায় কিন্তু নক'লে কি কি বিষায় সঠিককৈ ক'ব নোৱাৰো যদিও সেই বিষ সহ্য কৰা যে টান সেইটো মই ক'ব পাৰোঁ।

আপোনাৰ অনুমান সঁচা ডাঙৰীয়া— মোৰ হাতত মাত্ৰ তিনি দিনহে আছে। তাৰ পিছত আপুনি ৰেহাই পাব কিন্তু মোৰ কি হ'ব ভাবি চাওকচোন। ... সঁচাকৈয়ে আপোনাৰ ওচৰত মই মাত্ৰ আৰু তিনি দিনহে থাকিম, তাৰ পিচত ক'লৈ যাওঁ একো ক'ব নোৱাৰোঁ। ... মৰণ ঘূৰি ফুৰিছে মোৰ পিচে পিচে। তাক আপুনি দেখা নাপাব— পাব কেনেকৈ কাৰণ সি মোৰ হে মৰণ, আপোনাৰ নিশ্চয় নহয়। প্ৰতিজন মানুহৰ মৰণ জীৱনৰ নিচিনা ভিন্ন ভিন্ন হয়। কিন্তু জীৱন ভিন্ন

ভিন্ন হ'লেও মানুহৰ লগতে থাকে, কথা কোৱায় আৰু সকলো কাম কৰায়। নহ'লেনো আপুনি ইমানদিনে মোৰ বেলবেলনি শুনিবলৈ থাকিলেহেঁতেননে? মোৰ সৎ চিন্তা আৰু উচ্চ শিক্ষা থকা সত্ত্বেও আপুনি প্ৰথম দিনাই মোক খেদি দিলেহেঁতেন। মুঠৰ ওপৰত মৰণ মোৰ পিচে পিচে ঘূৰি ফুৰিছে আৰু সেই কাৰণে মই তিনি দিনৰ ভিতৰতে মোৰ সকলো হিচাপ ঠিক কৰিব লাগিব নহ'লে মোৰ সকলো যাব অৰ্থাৎ মানুহ কিয় এটা পোকৰ ৰূপতো মই এই পৃথিৱীত কাকো মোৰ মুখখন দেখুৱাব নোৱাৰিম।

ক'ব নোৱাৰোঁ এই সময়ত এলিচ ক'ত আছে আৰু তেওঁ কি কৰিছে। তেৱোঁ মোৰ নিচিনাকৈ জীৱন আৰু মৰণৰ মাজত হেঁচা-ঠেলা খাই আছেনে? তেৱোঁ মোৰ নিচিনাকৈ জীৱনৰ সকলো হিচাপ দিবলগীয়া হৈছেনে?

এলিচ নিজৰ জন্মভূমিলৈ ঘূৰি গ'ল। তেওঁৰ ভাগ্যত মোৰ লগত নৰক-ভোগ ইমান দিনলৈকে আছিল। নাৰীয়ে এটা সীমা পৰ্যন্ত আপোনাৰ সঙ্গিনী হৈ থাকিব পাৰে, আপোনাৰ চিন্তা আৰু মনোবেগকো অতিক্ৰম কৰিব পাৰে। তাৰ পিছত, সেই সীমাৰ পিছত, তেওঁ আপোনাৰ ওচৰত এগৰাকী বিদেশী হৈ পৰিব। এলিচক মই যিমান জানিছিলোঁ। তেওঁৰ ভিতৰত যে ইমান ধৰ্ম প্ৰৱণতা আৰু দেশ-প্ৰেম থাকিব পাৰে, কেতিয়াও কল্পনা কৰা নাছিলোঁ। চাওঁতে চাওঁত তেওঁ মোৰ ওচৰত এগৰাকী অজ্ঞাত, অচিনাকী নাৰী হৈ পৰিছিল। মই ভাবিছিলোঁ এলিচে এই দেশখনক নিজৰ দেশ হিচাপে গ্ৰহণ কৰিছে আৰু তাৰ বিৰুদ্ধে মোৰ ওচৰত তেওঁৰ কোনো অভিযোগ নাই। ময়ো তেওঁক সেই চৰ্ততে স্বীকাৰ কৰিছিলোঁ। তেওঁ এটা সম্পূৰ্ণ আৰু স্বচ্ছন্দ জীৱন যাপন কৰিবলৈ বিচাৰিছিল আৰু লগতে মাতৃত্ব বন্ধনৰপৰাও মুক্ত হ'বলৈ বিচাৰিছিল। প্ৰথমে মই তেওঁৰ বুদ্ধি সম্বন্ধীয় তেজস্বিতাৰদ্বাৰা প্ৰভাৱিত হৈছিলোঁ আৰু আমি দুয়ো দুয়োকে গৱেষণা-পণ্ডিতৰ নিচিনাকৈ ব্যৱহাৰ কৰিছিলোঁ। আচলতে তেওঁ মোৰ অধ্যাপকৰ ছোৱালী আছিল। তেওঁ যদি বুদ্ধিমতী নহ'লহেঁতেন আৰু মোৰ ভাৱ-চিন্তাৰ লগত তেওঁৰ ভাৱ-চিন্তাবোৰ নিমিলিলহেঁতেন, আমি ইমান ওচৰ-সম্বন্ধ স্থাপন কৰিব নোৱাৰিলোহেঁতেন। তেওঁৰ ব্যক্তিত্বত নিশ্চয় অন্তৰ্বিৰোধ আছিল। কিন্তু মই নিজেইনো কিমান সৰল আছিলো আৰু মোৰ ব্যক্তিত্বত কোনো অন্তৰ্বিৰোধ নাছিল জানো?

বিদেশত থকা ভাৰতীয়সকলে ভাৰতীয় পত্নী বিচাৰে আৰু প্ৰায় সকলোৰে ভাৰতীয় পত্নী থাকে। তেওঁলোকে বিদেশী ছোৱালীৰ লগত সাময়িক বন্ধুত্ব স্থাপন কৰি তেওঁলোকক আনন্দপূৰ্ণ মুহূৰ্তবোৰৰ সঙ্গিনী কৰি ল'লেও বিয়া নকৰে। কিন্তু মোৰ মনত সেই ভণ্ডামি নাছিল আৰু কোনো দিনে মই ভবা নাছিলো যে জীয়াই থাকিবলৈ হ'লে অলপ ভণ্ডামিৰো প্ৰয়োজন হয়। মই বিদেশত সাত বছৰ কটোৱাৰ পিছত এজনী জীৱন সঙ্গিনী বাছি লৈ বিয়া কৰিবলৈ স্থিৰ কৰিছিলোঁ। এলিচক মোৰ জীৱন সঙ্গিনী হিচাপে নিৰ্বাচন কৰাত মোৰ কোনো ভুল নাছিল কাৰণ কেবা বছৰো ধৰি দুয়ো দুয়োকে জনাৰ পিছত দুয়ো এটা সিদ্ধান্তত উপনীত হৈছিলোঁ যে এজনক এৰি আনজন

থাকিব নোৱাৰোঁ, এজন আনজনৰ কাৰণে জন্ম হৈছে আৰু সেই কাৰণে দুয়ো এক হোৱা নিতান্ত আৱশ্যক। ক'ব নোৱাৰোঁ সেই এক হোৱাৰ অৰ্থ দুয়োৰে ওচৰত বেলেগ বেলেগ আছিল নেকি।

মই মোৰ অতীতক একেবাৰে পাহৰি গৈ এটা নতুন জীৱন আৰম্ভ কৰিবলৈ বিচাৰিছিলোঁ। মই মোৰ তথাকথিত নীচ জাতৰ লগত অঙ্গাঙ্গিভাৱে যুক্ত থকা ঘৃণাৰ-ছাঁৰ পৰা নিজকে মুক্ত কৰিবলৈ বিচাৰিছিলোঁ আৰু সেই কাৰণে গৱেষণাৰ কামত নিজকে সম্পূৰ্ণৰূপে ব্যস্ত ৰাখিছিলোঁ। স্বদেশলৈ ঘূৰি যাবলৈ মোৰ কোনো ইচ্ছা নাছিল যদিও মাজে সময়ে নিজৰ অধ্যয়নৰ কামত বিদেশী দলৰ লগত ভাৰতলৈ অহা-যোৱা কৰিবলগীয়া হৈছিল। এনেকৈ নিজৰ দেশত এজন বিদেশী হিচাপে থাকি মই মনত এটা ভিন্ন ধৰণৰ শান্তি পাইছিলোঁ। য'ত মোক দয়াৰ পাত্ৰ হিচাপে ধৰি লৈছিল, সেই পৰিৱেশক মই অন্তৰেৰে ঘৃণা কৰিছিলোঁ। মই অনুভৱ কৰিছিলোঁ— মোৰ জীৱন আৰু ব্যক্তিত্বক বিদেশত আনৰ ওচৰত বন্ধক দিলেও মই সদায় স্বাধীন আছিলোঁ যি ইচ্ছা তাকে ভাবিছিলো আৰু কৰিছিলো আৰু মোৰ কামত বাধা দিওঁতা কোনো নাছিল।

ল'ৰাকালত স্কুলত আৰু আনকি কলেজত শিক্ষকতা কৰাৰ সময়ত মই যি অভিজ্ঞতা সঞ্চয় কৰিছিলোঁ সেই অভিজ্ঞতা তিক্ততাপূৰ্ণ আছিল। মই জানিছিলোঁ যে জাতি-ভেদৰ লগত যুক্ত থকা ঘৃণনীয় পৰিৱেশতে মই মোৰ জন্ম ঠাইত বাস কৰিব লাগিব। মই মোৰ সহকৰ্মীসকলৰ লগতো সহজ হ'ব পৰা নাছিলোঁ। মই যে তেওঁলোকতকৈ পৃথক তেওঁলোকৰ কথা-বতৰা আৰু চাৱনিয়ে মোক পদে পদে সোঁৱৰাই দিছিল। মোৰ আৰ্থাৰ নামৰ এজন বন্ধু আছিল— যাৰ ওচৰত মই সহজ হ'ব পাৰিছিলো আৰু মোৰ মনৰ কথাবোৰ খুলি ক'ব পাৰিছিলোঁ। বাকী সকলো সহকৰ্মী-অধ্যাপক সবৰ্ণ অৰ্থাৎ উচ্চ জাতৰ আছিল। গতিকে কলেজত মোৰ মাত্ৰ এজনহে বন্ধু আছিল।

বিদেশলৈ যোৱাৰ পিছত এবাৰ যে মই খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষিত হ'বলৈ ওলাইছিলোঁ তাৰ কাৰণ আছিল নিজৰ দেশত পাই যোৱা তিক্ততাপূৰ্ণ অভিজ্ঞতা। কিন্তু পিচত দেখিলোঁ তাৰ কোনো প্ৰয়োজন নাই। কাৰণ বিদেশত জাতি-ভেদ কোনেও নামানে আৰু জাতৰ কাৰণে কোনো মানুহ অপমানিত নহয়। এলিচেও ধৰ্মৰ বাধ্যবাধকতা ভাল নাপাইছিল আৰু ধৰ্মৰ আলোচনা হ'লেই তেওঁ খ্ৰীষ্টিয়ান ধৰ্মক ঠাট্টা কৰা দেখি মই আচৰিত হৈছিলোঁ। যেতিয়া মই খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষিত হোৱাৰ কথা তেওঁক ক'লোঁ, তেওঁ হাঁহি উৰুৱাই দি মোক ঠাট্টাহে কৰিছিল। মই খ্ৰীষ্টিয়ান ধৰ্ম গ্ৰহণ নকৰা সেইটোও এটা কাৰণ আছিল।

মই নিশ্চয় উল্লেখ কৰিব লাগিব যে বিদেশত থাকি নৰদেহ বিজ্ঞানৰ ওপৰত গৱেষণা কৰাৰ প্ৰেৰণা মোক এলিচেই দিছিল। তেৰোঁ গৱেষণাৰ কামত মোৰ লগত ভাৰতলৈ গৈছিল আৰু বস্তুৰত এমাহ মোৰ লগতেই আছিল। কিমান মধুৰ আছিল সেই দিনবোৰ! পিছত তেওঁক লৈ মই আমাৰ ঘৰলৈ গৈছিলোঁ। তেওঁ মা আৰু দেউতাৰ

ওপৰত বৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। এলিচে ভঙাভঙা ইংৰাজীত দেউতাৰ লগত কথা পাতিছিল।

মই আগতেই কৈছোঁ খ্ৰীষ্টিয়ান হ'লেও এলিচ নাস্তিক আছিল আৰু তেওঁৰ কোনো ধৰ্মৰ ওপৰত বিশ্বাস নাছিল। তেওঁৰ দৃষ্টিকোণ সম্পূৰ্ণ বৈজ্ঞানিক আছিল। গাম্ভীৰ্য্য, তীক্ষ্ণ বুদ্ধি, ঘোৰ স্নায়ৱিকতা, ঘোৰ অনুশাসন, গভীৰ আত্মবিশ্বাস আৰু মনৰ দৃঢ়তা তেওঁৰ দোষ আৰু গুণ আছিল। তেওঁৰ পছন্দ আৰু অপছন্দ অতি স্পষ্ট আৰু তীক্ষ্ণ আছিল। তেওঁ আঁকোজৰগোজ আৰু আত্মঅভিমানী আছিল। কেতিয়াবা তেওঁ একেৰাহে ঘণ্টাৰ পিছত ঘণ্টা ধৰি কথা কৈছিল আৰু কেতিয়াবা ঘণ্টাৰ পিছত ঘণ্টা ধৰি চুপচাপ থাকিব পাৰিছিল। তেওঁৰ সেই অৰ্ন্তবিৰোধে তেওঁৰ প্ৰতি মোৰ আকৰ্ষণ বঢ়াইছিল।

এবাৰ আমি কেবাজনো একেলগে বহি খাইছিলোঁ। হঠাৎ মোৰ মুখৰপৰা ওলাই আহিল "কাঁটা-চামুচ লৈ খোৱাৰ নিয়মটো কেনেকৈ আৰম্ভ হ'ল মই নাজানো। আমাৰ দেশত মানুহে সকলো খাদ্যবস্তু হাতেৰে খায় কাৰণ ঈশ্বৰে দিয়া হাত আৰু আঙুলিৰ লগত খোৱা বস্তুৰ প্ৰত্যক্ষ সংস্পৰ্শ থকা উচিত। কাঁটা-চামুচে সেই সংস্পৰ্শ বন্ধ কৰে। গতিকে কাঁটা-চামুচৰ কোনো প্ৰয়োজন নাই।" মোৰ কথা শুনি মিচিকিয়া হাঁহি এটা মাৰি এলিচে লগে লগে মন্তব্য কৰিলে, "প্ৰয়োজন আছে কাৰণ হাতেৰে খোৱাটো বেছি জটিল।" কথাষাৰ শুনাত সাধাৰণ আছিল কিন্তু তাৰ অন্তৰ্নিহিত অৰ্থটোৱে ইয়াকে ক'লে যে পাশ্চাত্য সভ্যতা অনেক আগবাঢ়িছে আৰু সেই সভ্যতাই যি কোনো কামৰ কাৰণে কৃত্ৰিম আৰু সহজ উপায় আৱিষ্কাৰ কৰিছে। তাৰ অৰ্থ প্ৰাচ্য সভ্যতাতকৈ প্ৰাশ্চাত্য সভ্যতাৰ গতি বেচি তীব্ৰ আৰু বেগী। গতিকে এলিচৰ সেই মন্তব্যৰ পিচত মোৰ ক'বলগীয়া একো নাছিল।

সঁচাকৈয়ে মোৰ কাৰণে সেইটো এটা সাক্ষাৎকাৰৰ মুহূৰ্ত আছিল, য'ত জটিলতা আৰু সৰলতাৰ মাজত থকা পাৰ্থক্যখিনি বুজি উঠিব লাগিব। মানুহৰ সকলো সভ্যতা, সকলো গৰিমা আৰু শোকজনক ঘটনাক যথাৰ্থভাৱে ব্যাখ্যা কৰিব লগা সেইটোৱেই বস্তু-যাৰদ্বাৰা আমি সহজ আৰু সৰলতাৰ নামত, প্ৰকৃতি আৰু পৰমাৰ্থৰ নামত মিছা বুলি প্ৰমাণ কৰিবলৈ দুৰ্দমনীয় চেষ্টা কৰোঁ। সেইটোৱেইতো মোৰ মুক্তি মাৰ্গ। ... মই এতিয়াও মোৰ শূদ্ৰ অনুভৱৰ বোজা বহন কৰি আছোঁ। ডাঙৰীয়া, কটু কথা শুনি কেতিয়াবা এই সংসাৰত জীয়াই নথকাৰ কথা মোৰ মনলৈ আহিছিল। দেউতাৰ মুখত "হায় ৰামী, এইটো তোমাৰ ল'ৰা নে মানুহ কটা চাওদাং ... ইয়াক তুমি কিয় জন্ম দিছিলা? ইয়াৰ আৰু কৰিবলৈ কি বাকী থাকিল? ই আমাক শেষ কৰিহে যাব," ইত্যাদি কঠোৰ কথাবোৰ শুনি মই মনে মনে তাৰপৰা আঁতৰি গৈছিলোঁ যেন মই একো শুনাই নাই। মই বুজিব পাৰিছিলোঁ মোৰ ওপৰত থকা তেওঁৰ খঙৰ জুইকুৰা নুমাবলৈ মোক পোনেপোনে নকৈ মাৰ যোগেদি কটু কথাবোৰ পৰোক্ষভাৱে মোক শুনাইছিল। দেউতাৰ সেই মনোভাৱ মোৰ অসহ্য হৈছিল আৰু মোৰ জীৱনৰ ওপৰত ঘৃণা আহিছিল। এই জীৱন্ত মৃত্যু, অন্তহীন গ্লানি আৰু তিক্ত জীৱনৰপৰা মই কেনেকৈ ৰক্ষা পাওঁ

দিনে ৰাতিয়ে কৰা সেই চিন্তাই মোক জুৰুলা কৰিছিল। মোৰ এনেকুৱা লাগিছিল— গোটেই জগতখন এপিনে আৰু মই অকলে আনপিনে থিয় হৈ আছোঁ। যেন জগতখনে মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছে। ... স্কুলত উচ্চ জাতৰ ল'ৰাবোৰে মোক ঠাট্টা আৰু নিন্দা কৰিছিল, উচ্চ জাতৰ ছোৱালীয়ে মোৰ পৱিত্ৰ ভালপোৱাক প্ৰত্যাখ্যান কৰিছিল। মোৰ এনেকুৱা লাগিছিল— ভাগ্যই মোক প্ৰতাৰণা কৰিছে, ভাগ্যই মোৰ লগত শত্ৰুতা কৰিছে। মোৰ এই শত্ৰু-ভাগ্যক বদলি কৰা নিতান্ত আৱশ্যক, মই মোৰ এই ঘৃণা আৰু লেতেৰা শৰীৰটোক নষ্ট কৰি আন ক'ৰবাত জন্ম ল'ম— এই নৰকৰপৰা অনেক দূৰত— য'ত ইয়াৰ ছাঁ পৰ্য্যন্ত নপৰিব। তাৰ পিছত মোৰ নতুন শৰীৰত নতুন আত্মা ধাৰণ কৰিব লাগিব। সেই কাৰণে মোৰ কাৰণে নিতান্ত আৱশ্যক আছিল যে সেই সকলো প্ৰবৃত্তি আৰু অভ্যাসক মই একেবাৰে ওলোটা আচৰণ কৰিবলৈ আৰম্ভ কৰি দিওঁ কাৰণ সেইবোৰ মোৰ ওচৰত কদৰ্য্য লাগিছিল। সেই সকলো সংস্কাৰক মই জ্বলাই দিবলৈ বিচাৰিছিলোঁ।

ডাঙৰীয়া, আপোনাক কি ক'ম যে মই লাহে লাহে মোৰ ইচ্ছাক কাৰ্যকৰী কৰিছিলোঁ আৰু কেনেকৈ সেইটো কৰিছিলোঁ শুনিলে আপুনি হাঁহি উৰুৱাই দিব বা অতিৰঞ্জিত বুলি ভাবিব যে মোৰ আত্মাক মই আকৌ নতুনকৈ তৰুণ অৱস্থালৈ আনিছিলোঁ। তাৰ গাৰপৰা ভাৰতীয় সাজ খুলি ইউৰোপীয় সাজ পিন্ধালোঁ। কিন্তু যদিও মোৰ আত্মাক ইউৰোপীয় কৰি তোলাত মোৰ বিশেষ অসুবিধা বা কষ্ট হোৱা নাছিল, মোক মাজে মাজে ভাৰতীয়ত্বই ভুমুকি মাৰি চাইছিল। ডাঙৰীয়া সঁচা কথা হ'ল— মোৰ মনৰ সমাজখন সেইখন সমাজ নাছিল য'ত মই ডাঙৰ-দীঘল হৈছিলোঁ। মই সদায় অনুভৱ কৰিছিলোঁ— মই এনেকুৱা কাম কৰিম— যিবোৰ কাম মোৰ নিজৰ ভাল লাগিব— আৰু আনৰ ভাল লাগেনে নেলাগে তাৰ প্ৰতি মোৰ অলপো আগ্ৰহ নাথাকিব। সেইটো আপুনি মোৰ স্বাৰ্থপৰ মনোভাৱ বুলি ক'ব পাৰে।

এলিচৰ লগত যে মোৰ এদিন তেনেকৈ দেখা হ'ব মই কেতিয়াও ভবা নাছিলো। এলিচ মোৰ পত্নী নাছিল, প্ৰেয়সীহে আছিল। তেওঁ মোৰ গুৰু-দুহিতা আছিল। প্ৰথমতে মই তেওঁৰদ্বাৰা আকৰ্ষিত হৈছিলোঁ নে তেওঁক দেখি আতঙ্কিত হৈছিলো এতিয়া কোৱা কঠিন। এই এলিচেই মোক এদিন খোৱাৰ টেবুলত বহি কৈছিল, 'হাতেৰে খোৱাটো চামুচেৰে খোৱাতকৈ বেচি জটিল।' সভ্যতাতো জটিল হ'বই, সৰল হ'ব নোৱাৰে। আমাৰ ভাৰতীয় 'মুদ্ৰাটোৰ ওপৰৰ ফালটোও মোৰ আৰু তলৰ ফালটোও মোৰ' বুলি কোৱা মানুহ। আমাক প্ৰকৃতিও লাগে আৰু সংস্কৃতিও লাগে। বিজ্ঞানো লাগে আৰু দৰ্শনও লাগে; জ্ঞানো লাগে আৰু ভক্তিও লাগে। .. মোৰ এনেকুৱা লাগিছিল যে মোৰ গুৰু-দুহিতাই মোৰ কাণত আধুনিক সভ্যতাৰ আচল মূল মন্ত্ৰযাৰ কৈ গৈছিল যিযাৰ এতিয়াও মোৰ কাণত বাজি আছে। মই সেই কথাষাৰক তীখা হিচাপে গ্ৰহণ কৰিছিলোঁ আৰু মোৰ মৰমৰ এলিচক মই আধুনিক সভ্যতাৰ অৱতাৰ হিচাপে গণ্য কৰিছিলোঁ। কেৱল আধুনিক সভ্যতাৰে নহয়, আদিম কালৰপৰা আধুনিক

কাললৈকে মানুহৰ সকলো জীৱন-যাত্ৰাৰ সকলো ৰহস্য তেওঁ মোৰ আগত মুকলি কৰিছিল। মোৰ কি সৌভাগ্যৰ কথা আছিল যে তেওঁ মোৰ কাৰণে নৰদেহ বিজ্ঞানবিদ হ'বলৈ নিজকে প্ৰস্তুত কৰিছিল। তেওঁৰ আৰু মোৰ কাম কৰাৰ স্থান একে আছিল আৰু নিয়তিৰ অদৃশ্য সূত্ৰই মিলাই দিয়া আমি দুয়ো অতি আধুনিক বিষয় নৰদেহ বিজ্ঞানৰ ওপৰত গৱেষণা কৰিছিলোঁ। মোৰ শিক্ষক আৰু গৱেষণাৰ মাৰ্গ প্ৰদৰ্শক তেওঁৰ দেউতাক হোৱাৰ কাৰণে এলিচৰ লগতো মোৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছিল।

মোৰ প্ৰতি এলিচৰ বিশেষ পক্ষপাতৰ এটা পৰিণাম স্বৰূপে মই তেওঁৰ সাহায্যত অতি সোনকালেই জাৰ্মান ভাষা শিকি পেলাইছিলোঁ আৰু তাৰ ফলত এটা সংস্থাৰ সদস্য হৈ পৰিছিলোঁ। মোৰ প্ৰতি অন্যান্য সদস্যৰ ঈৰ্ষা আৰু দ্বেষ ভাব আছিল যদিও এলিচ আৰু তেওঁৰ দেউতাকৰ লগত মোৰ ঘনিষ্ঠ সম্পৰ্ক থকাৰ কাৰণে কোনেও তাক প্ৰকাশ্য দেখুৱাব নোৱাৰিছিল। এলিচে মোৰ ব্যক্তিগত আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগে লগে সামাজিকভাৱেও সহজ আৰু স্বাভাৱিক হ'বলৈ মোক শিকাইছিল। অতি সন্তৰ্পণে তেওঁ মই গম নোপোৱাকৈ মোক নিজৰ পৰিৱেশৰ জটিলতাত দীক্ষিত কৰিছিল। আচলতে মই সেই সময়ত সেই জটিলতাৰ অনুসন্ধানত আছিলো।

ডাঙৰীয়া, মই আপোনাক আগতেই কৈছিলো ভাগীৰথীৰ প্ৰসঙ্গত মোৰ দুৰ্দশা হৈছিল আৰু তাই মোৰ অন্তৰত ইমান ডাঙৰ এটা আঘাত দিলে তাৰ দাগ বিদেশত মুকলিভাৱে থকা সত্ত্বেও মোচ খোৱা নাই। অৱশ্যে, এলিচ মোৰ জীৱনলৈ অহাৰ পিচত ভাগীৰথীৰ অনেকখিনি অভাৱ যে পূৰা হ'ল তাত অলপো সন্দেহ নাই। তথাপি ভাগীৰথী মোৰ জীৱনত সৰল আৰু আদিম মানুহৰ প্ৰতীক হৈ আছে আৰু এলিচ জটিল আৰু আধুনিকৰ। এইটো সঁচা যে মোৰ ভাগ্যত মই জটিলতাকেই বৰণ কৰিব লগা আছিল।

ডাঙৰীয়া, আপুনি হয়তো ভাবিছে এই সাধাৰণ কথাটোৰ ওপৰত মই কিয় ইমান গুৰুত্ব দিছোঁ। গুৰুত্ব দিছোঁ এই কাৰণেই যে সেই কথাটো সদায় মোৰ মগজত খেলি আছে। দেউতাই মোক সঁচা কথা ক'বলৈ শিকাইছিল। তেওঁ এজন সৰল মানুহ আছিল। কিন্তু মোৰ অভিজ্ঞতাই কয় সদায় সঁচা কথা কোৱা নিৰাপদ নহয়। মোৰ মতে, সকলো সঁচা কথা সহজ নহয়, জটিলহে। যদি সঁচা জটিল হয় তাক কোৱাৰ ধৰণটো কেনেকৈ সৰল হ'ব বাৰু? জটিল বস্তুক জটিল তুলাচনীত জুখিলেহে জটিলতা ধৰা পৰে।

ডাঙৰীয়া, মই যে আপোনাৰ ওচৰলৈ আহিছোঁ কিয় আহিছোঁ জানেনে? অহাৰ কাৰণ হ'ল মোৰ পেটত উগুলথুগুল কৰি থকাবোৰ বাহিৰ হ'লেহে মই মনত শান্তি পাম। এলিচে কাটা চামুচেৰে খোৱাৰ প্ৰণালীটোক সহজ আৰু হাতেৰে খোৱা প্ৰণালীটোক 'বেচি জটিল' বুলি কৈছিল। তেওঁ সেই কথাষাৰ মাত্ৰ খোৱা-বোৱাৰ প্ৰসঙ্গতহে কৈছিল কিন্তু তাৰ প্ৰতিক্ৰিয়া মোৰ ওপৰত বহলভাৱে হৈছিল। মই জানো

মাইকী মানুহে সূক্ষ্ম আৰু ডাঙৰ কথাবোৰ খোৱা-বোৱা কৰা সাধাৰণ কথাৰ নিচিনাকৈ কৈ থাকে। মই কওঁ কেৱল খোৱাই নহয়, জীয়াই থকা, প্ৰেম কৰা বা সঁচা কথা কোৱাৰ প্ৰণালী সদায় বেকা আৰু জটিল হয় আৰু হোৱাও উচিত। এনেবোৰ কথাত মোৰ শিক্ষক অৰ্থাৎ এলিচৰ দেউতাকতকৈ এলিচ বেচি চোকা আছিল আৰু মই তেওঁৰ শিষ্য হৈ পৰিছিলোঁ। ... কিন্তু সেই এলিচেই এদিন মোক এৰি থৈ গ'ল। তেওঁৰ সেই এৰি যোৱাটোক মই বিধাতাৰ বিধান আৰু মোৰ জটিল ভাগ্য বুলি ধৰি লৈছোঁ। দেউতাই মোক প্ৰতাৰণা কৰিলে, ভাগীৰথীয়ে প্ৰতাৰণা কৰিলে আৰু শেহত এলিচে। ... যিদিনা এলিচে মোক 'কিন্তু এইটো বেচি জটিল' বুলি খোৱাৰ টেবুলত কোৱা কথাযাৰৰ প্ৰতিক্ৰিয়া অতি বেছি হৈছিল, সেইদিনাই মোৰ অন্তৰত ভাগীৰথীৰ স্থান এলিচে গ্ৰহণ কৰিছিল। এলিচে এনেকুৱা এজন পুৰুষ বিচাৰিছিল যাৰ ওপৰত তেওঁ একচ্ছত্ৰী অধিকাৰ স্থাপন কৰিব পাৰে। কোৱা বাহুল্য যে যেতিয়ালৈকে মই বেলেগে আছিলোঁ, সম্পূৰ্ণৰূপে বেলেগ আছিলোঁ আৰু যেতিয়া একেলগে থাকিবলৈ ল'লোঁ, আমাৰ ভিতৰত একো পাৰ্থক্য নাছিল। এতিয়া মই অনুভৱ কৰিছোঁ সেইটো মোৰ ভুল হৈ গৈছিল।

পিতা আৰু পুত্ৰ

মই আপোনাক আগতেই কৈছিলোঁ যেতিয়া অধ্যয়ন আৰু গৱেষণাৰ কামত জাৰ্মান দল এটাৰ লগত ভাৰতলৈ আহিছিলোঁ, এলিচো আমাৰ লগত আহিছিল আৰু তেওঁক মই আমাৰ ঘৰলৈ লৈ গৈছিলোঁ। এইটোও মই আপোনাক কৈছিলোঁ যে সেইটোৱেই দেউতাৰ লগত মোৰ শেষ দেখা আছিল। দেউতা আৰু মোৰ লগত চিঠি-পত্ৰৰ আদান-প্ৰদান একেবাৰেই নাছিল। তাৰ কাৰণ তেওঁৰ লগত মোৰ কাজিয়া বা আন কিবা হ'ব পাৰে। কেতিয়াবা কাজিয়া আৰু গালি শপনিৰদ্বাৰাও মানুহক ওচৰ চপা দেখা গৈছে। এচিলক দেউতাৰ লগত পৰিচয় কৰি দিয়াৰ সেইটোও এটা মোৰ উদ্দেশ্য আছিল। কিন্তু মোৰ উদ্দেশ্য সফল নহ'ল। অৰ্থাৎ যি ধৰণে মই বিচাৰিছিলোঁ সেই ধৰণে সফল হোৱা নাছিল। দেউতাৰ লগত মুখামুখিকৈ মোৰ কোনো কাজিয়া লগা নাছিল। কিন্তু দুয়ো ওচৰা-উচৰিকৈ বহি প্ৰীতিপূৰ্ণভাৱে কথা-বতৰা পাতিবলৈকো আমি প্ৰস্তুত নাছিলোঁ। সি যি কি নহওক, যেতিয়া মই জাৰ্মানীলৈ ঘূৰি গ'লোঁ, দেউতাৰ এখন দীঘল চিঠিয়ে মোৰ কাৰণে অপেক্ষা কৰি আছিল। যেতিয়া

তেওঁৰ লগত এলিচক পৰিচয় কৰাই দিওঁতে মই মোৰ ভাৱী পত্নীৰ নিচিনাকৈ পৰিচয় কৰাই দিছিলোঁ— তেওঁ মোক পোনে পোনে সুধিছিল আৰু এলিচক মই বিয়া কৰিবলৈ ধৰিছো নেকি স্পষ্টকৈ জানিবলৈ বিচাৰিছিল। মই তেওঁক দিবলগীয়া পোন উত্তৰৰ কাৰণে সাজু নাছিলোঁ। গতিকে মই মিছা কথা কৈছিলোঁ। আচলতে মোক তেনে প্ৰশ্ন কৰাত মই থতমত খালোঁ আৰু মোৰ মুখৰপৰা হয়তো ভয়তে মিছা উত্তৰটো ওলাই পৰিল। কিন্তু তেওঁ মোৰ উত্তৰটো সন্দেহ কৰিলে। ৰাতি খোৱাবোৱাৰ পিছত দেউতাই মাৰ সন্মুখত পৰোক্ষভাৱে মোক সাৱধান কৰি দিলে মই যেন বিদেশী ছোৱালীক বিয়া কৰাৰ কথা মনৰপৰা বাদ দিওঁ। মই এষাৰো কথা নকৈ তেওঁৰ ওচৰৰপৰা আঁতৰি গ'লোঁ। কাৰণ দেউতাৰ লগত কাজিয়া কৰাৰ মোৰ সমূলি ইচ্ছা নাছিল।

যথাসময়ত মই জাৰ্মানীলৈ উলটি গ'লোঁ। জাৰ্মানীত উপস্থিত হোৱাৰ আগতেই দেউতাৰ দীঘল চিঠি এখনে মোৰ কাৰণে অপেক্ষা কৰি আছিল। তেওঁ লিখিছিল, “মৰমৰ কুন্দন, মই জানো—মোৰ কথাবোৰ তোমাৰ ভাল নালাগিব। কিন্তু যিহেতু তুমি আমাক লগ পাবলৈ ঘৰলৈ আহিছিলা, তোমাৰ ভালৰ কাৰণে মোৰ ক'বলগীয়া কথাবোৰ তোমাক ক'বই লাগিব। ঘৰসংসাৰ কৰা এটা কথা আৰু বন্ধুত্ব কৰা আন এটা কথা। মানুহে সহজেই এটা ডাঙৰ ভুল কৰে যে তেওঁৰ যি ভাল লাগে তাৰ ভৱিষ্যৎ পৰিণাম একো চিন্তা নকৰি তাকে কৰি পেলায়। তাইৰ কি নামটো আছিল পাহৰিলো— ছোৱালীজীনক মোৰ বৰ ভাল লাগিছিল। মাৰাইও তাইক প্ৰশংসা কৰিছিল। কিন্তু মই জগতখনক ভালদৰে দেখিছোঁ আৰু তোমাক ক'বলৈ বিচাৰিছিলোঁ যে প্ৰথমতে সকলো ভাল লাগিব—কিন্তু পিছত যেতিয়া গৃহস্থীৰ বোজা মূৰত ল'বলগীয়া হ'ব তেতিয়া সকলো জানিব পাৰিবা। বিয়া কেৱল দুজন মানুহৰ মাজৰ পাৰস্পৰিক বিষয়েই নহয় কুন্দন। আমি গমেই নাপাওঁ আমাৰ ভিতৰত কি কি ধৰণৰ সংস্কাৰ গঢ়ি উঠে— যি সময় আৰু সুযোগ পাই নিজৰ শক্তি দেখুৱাবলৈ ধৰে। এতিয়া তোমাৰ লাগিব পায় তোমালোকৰ মাজত মিলা-প্ৰীতিৰ কোনো অভাৱ নাই। কিন্তু একেলগে কিছুদিন থকাৰ পিছত তুমি দেখিবা কিছুমান সৰু সৰু কথাই তোমালোকক লাহে লাহে পৃথক কৰিছে যিটো পৰিস্থিতি তোমালোকৰ কাৰণে বৰ ক্ষতিজনক হ'ব। সেইটোকে মই তোমাক ক'বলৈ বিচাৰিছিলোঁ। কিন্তু তুমিতো মোৰ ওপৰত খঙত অগ্নিশৰ্মা হ'লা। ... হয়তো তুমি এই চিঠিখন পঢ়িয়েই ফালি পেলাবা। সেইটো তোমাৰ ইচ্ছাৰ কথা। কিন্তু তাকে কৰাৰ আগতে সেইটো কৰা তোমাৰ উচিতনে অনুচিত অলপ শান্ত মগজেৰে ভাবি চাবা।

বোপাই, কোনো মানুহে জীৱনৰ নিয়ম উলঙঘন কৰিব নোৱাৰে। তুমিও নোৱাৰা। এই বিদেশী ছোৱালীজনীৰ জগতখন বেলেগ, ৰীতি-নীতি সংস্কাৰ একেবাৰে পৃথক। তোমালোক দুয়ো গোটেই জীৱন অন্তৰঙ্গ বন্ধু হৈ থাকিবা, নিজৰ মনৰ ভাৱবোৰ আদান-প্ৰদান কৰিবা সেইটো বৰ ভাল কথা কিন্তু তাৰ কাৰণে বিয়া কৰাৰ কোনো আৱশ্যক নাই। তুমিতো এজন সমাজ বিজ্ঞানবিদ—তোমাক মই কি বুজাম? তুমি

মোৰ ৰক্ষণশীলতাৰ কাৰণে মোক হাঁহিব পাৰা কিন্তু মোৰ বিবেচনা মতে, বিয়া এক সামাজিক বন্ধন আৰু সেই সামাজিক বন্ধন সদায় তেনেকৈয়ে থাকিব। যদি সেয়ে হয়, মানুহে সমাজৰ মাজতেই জীৱন কটাব লাগিব। তুমি জানো গোটেই জীৱন বিদেশতেই থাকিবা? কেতিয়াও স্বদেশলৈ ঘূৰি নাহিবানে? বোপাই, এনে অভিমান মনৰপৰা বাদ দিবা, মানুহৰ মন কেতিয়া আৰু কি পৰিস্থিতিত বদলি হৈ যায় কোনেও ক'ব নোৱাৰে। মই তোমাক কওঁ কুন্দন, কোনো মানুহ নিজৰ সমাজখনতকৈ ডাঙৰ হ'ব নোৱাৰে। মহাপুৰুষসকলেও নিজৰ সমাজত বাস কৰিয়েই গোটেই জগতত যশ আৰু সুনাম অৰ্জন কৰে। যিজন মানুহৰ নিজৰ দেশত সন্মান নাথাকে দেশৰ বাহিৰত তেওঁ সন্মান পাব কেনেকৈ? এটা কথা সদায় মনত ৰাখিবা যেতিয়া তুমি নিজৰ সমাজ আৰু সংস্কৃতিৰ প্ৰকৃত প্ৰতিনিধি হ'ব পাৰিবা তেতিয়াহে তোমাক জগতে সন্মান কৰিব। আৰু যদি তুমি বিদেশীৰ ঠাচত নিজকে গঢ়ি তোলা, বিদেশৰ মানুহে 'আমাক কেনেকৈ নকল কৰিছে চোৱা' বুলি তোমাক ঠাট্টা কৰিব। বেয়া নাপাবা কুন্দন, মই জানো তোমাৰ মনত নিজৰ দেশ, সমাজ আৰু মানুহৰ প্ৰতি অলপো ভাল ভাৱ নাই। কিন্তু এনে এটা দিন আহিব এতিয়া তোমাৰ মনত দেশৰ প্ৰতি থকা ঘৃণা আৰু বেয়া ভাব বিদেশীসকলৰ প্ৰতিহে হ'ব। এতিয়া তুমি তোমাৰ নিজৰ পৰিয়াল আৰু দেশৰ মানুহৰ প্ৰতি যি অন্যায় কৰিছা সেইদিনা তুমি সেই অন্যায় বিদেশী সকলৰ প্ৰতি কৰিবা। ভাবি চোৱা কুন্দন, সেইদিনা তোমৰ অৱস্থা কি হ'ব? সেইদিনা তুমি ইয়াতো থাকিব নোৱাৰিবা আৰু বিদেশতো নোৱাৰিবা, সেইদিনা তোমাৰ থাকিবলৈ কোনো ঠায়েই নাথাকিব।

তুমি মোক কিমান ঘৃণা কৰা মই জানো। তুমি মোৰপৰা যি আশা কৰিছিলা সেই আশা মই পূৰ্ণ কৰিব নোৱাৰিলোঁ। যেতিয়া এটা মূৰামূৰি সময়ত তোমাৰ কাৰণে মোৰ প্ৰয়োজন আছিল, সেই সময়ত তোমাক আনৰ ভাৰসাত এৰি থৈ গৈছিলোঁ। সেইটো মোৰ ডাঙৰ ভুল আছিল। ইমান ডাঙৰ ভুলটো মই কিয় আৰু কেনেকৈ কৰিলোঁ—তাৰ উত্তৰ বিচাৰি নাপাই মই এতিয়া স্তম্ভিত হওঁ। ... কুন্দন, তুমি যি উচ্চ শিক্ষা লাভ কৰি, যি ভাল আৰু উন্নত পৰিৱেশত এতিয়া জীৱন যাপন কৰিছা, মই কোনো দিনে কল্পনাও কৰা নাছিলোঁ। তুমি এতিয়া যি সংকটপূৰ্ণ পৰিস্থিতিত বেজিৰ মূৰত থিয় হৈ থকাৰ দৰে আছা, তাতকৈ দহগুণে বেয়া পৰিস্থিতিত মই মোৰ ল'ৰা কালটো কটাইছিলোঁ। তুমি নাজানা কুন্দন এতিয়াও মই কি জীৱন কটাই আছোঁ। মোৰ এইটোৱেই ভুল আছিল যে মই তোমাৰ সহানুভূতি আশা কৰি আছিলোঁ। কিয় ক'ব নোৱাৰোঁ, যেতিয়া তুমি একেবাৰে সৰু আছিলা, তেতিয়াৰপৰা তোমাৰ ওপৰত মোৰ বিশ্বাস আছিল। মোৰ এটা ভুলৰ কাৰণে যে তুমি মোক ইমান কঠোৰ শাস্তি দিবা মই কেতিয়াও ভবা নাছিলোঁ। আমাৰ পৰিয়ালত ঘৰৰ ডাঙৰ ল'ৰাটোৰ ওপৰত সদায় বিশেষ গুৰুত্ব দিয়া হয়। তোমাৰ ওপৰত মই মোৰ প্ৰয়োজনতকৈ বেছি আশা কৰিছিলোঁ। কুন্দন, মোক তুমি যিমান বেয়া মানুহ বুলি ভাবা, মই সিমান বেয়া মানুহ নহওঁ। মই যে অসমৰ্থ আৰু অপদাৰ্থ স্বীকাৰ কৰোঁ। কিন্তু স্বাৰ্থপৰ নহওঁ। অতি দুৰ্দিনৰ সময়তো মই ঘৰখনৰ

দায়িত্ব বহন কৰি ঘৰৰ কাকো কষ্ট নিদিয়াকৈ ঘৰখন চলাইছিলোঁ। অলপ ভাবি চোৱা কুন্দন, মোৰ কাৰণে তোমাৰ যিমান কষ্ট হৈছিল, তাতকৈ তোমাৰ মাৰাৰ আৰু বেছি কষ্ট হৈছিল। মোৰ আৰু মাৰাৰ মাজত কেতিয়াবা কাজিয়া লাগিলে বা মনোমালিন্য হ'লেও আমি দুয়ো দুয়োৰে প্ৰতি যে একান্ত সহানুভূতিশীল আছিলোঁ তুমি জানো তাৰ সাক্ষী নাছিলা? তুমিয়েই কোৱাচোন—তোমাৰ মাৰাই মোৰ কাৰণে যিমান কষ্ট ভুগিছিল, যিমান ত্যাগ কৰিছিল জগতৰ আন কোনো নাৰীয়ে সিমান কৰিব পাৰিলেহেঁতেন জানো? কুন্দন, তোমাৰ দৃষ্টিত মই যিমানেই অসমৰ্থ আৰু দায়িত্বহীন, মাৰাৰ দৃষ্টিত মই নিজৰ সামৰ্থ্যতকৈ সদায় দেড়ফুট ওপৰত থাকো আৰু ভৱিষ্যতেও থাকিম। কিন্তু মই তেওঁৰ ওপৰত অন্যায় কৰিছিলোঁ যিহেতু মোৰ বাতুলতাৰ কাৰণে মই ঘৰ এৰি গুচি গৈছিলো। কিন্তু তাৰ বাবে তেওঁ মোৰ বিৰুদ্ধে অভিযোগ কৰা নাছিল, মোৰ দোষ গুৰুতৰ হ'লেও ক্ষমা কৰিছিল। ... বোপাই, এইটো মিছা যে মোৰ কোনো লালসা নাছিল; মোৰ লালসা ইমান বেছি আছিল শুনিলে তুমি বিশ্বাস কৰিবলৈ টান পাবা। যিস্থলত তোমাৰ মাৰাইও মোৰ লালসাৰ কথা জনা নাছিল তুমি জানিবা কেনেকৈ? সেই লালসাক তুমি মোৰ মহৎ আকাংখ্যা ক'ব পাৰা। মোৰ সেই মহৎ আকাংখ্যা আছিল মই যি কোনো প্ৰকাৰেই হওক জগতৰ সকলো দুখীয়া আৰু সহায়হীন মানুহৰ দুঃখ দূৰ কৰি তেওঁলোকক সকলোপিনে সহায় কৰা। কিন্তু মোৰ নিজৰ ক্ষমতা আৰু সামৰ্থ্যৰ ওপৰত বিশ্বাস নাছিল। যদি নিৰ্বাচনত জিকি মই আনুষ্ঠানিকভাৱে ৰাজনৈতিক ক্ষমতা পাওঁ, মোৰপৰা সকলোৱে অনেক আশা কৰিব, তেওঁলোকৰ অভাৱ-অনাটন আৰু দুঃখ-দাৰিদ্ৰ্য মই মোচন কৰিম। কিন্তু মোৰ মনত সেই সাহস নাছিল। তুমি জানা মোৰ ওচৰত কোনো বিদ্যা নাই, বক্তৃতা দিয়াৰ ক্ষমতা নাই, আৰু কি ক'ব লাগে তাৰ বাবে ভাষাৰ কোনো জ্ঞান নাই। মই নেতা হ'ব নোৱাৰো, কাকো মই নেতৃত্ব দিব নোৱাৰোঁ কাৰণ তাৰ বাবে মোৰ মনত মহৎ আকাংখ্যা থাকিলেও তাক বাস্তৱত ৰূপ দিবলৈ মোৰ ক্ষমতা নাই। নিজৰ ওপৰত বিশ্বাস নাই। তেন্তে কিয় লওঁ সেই দায়িত্ব? কিন্তু নিৰ্বাচনত জিকি কিয় মই নিজকে বহুৱা বনাও? ঠিক সেই সময়তে অৰ্থাৎ নিৰ্বাচনত উঠোনে নুঠো চিন্তা কৰি থাকোতেই মোৰ অন্তৰাত্মাৰ ভিতৰৰপৰা এটা মাত আহিল, "নাৰায়ণ, আগনাবাঢ়িবি, কাৰণ সেইটো তোৰ মৃত্যু, ফাঁচীৰ কাৰণে এডাল জৰী। পলাই যা ইয়াৰপৰা। সময় থাকোতেই নিজকে ৰক্ষা কৰ এই আসন্ন বিপদৰপৰা। ... এই পৃথিৱীখন বৰ ডাঙৰ নাৰায়ণ। তোৰ ভাৰতমাতৃৰ কোলাখন ইমান সৰু নহয় নাৰায়ণ, নিজৰ মাতৃৰ দুঃখলৈ চা আৰু তেওঁৰ ওচৰলৈ গৈ তেওঁৰ বাণী শুন। তেওঁৰ সেই দুঃখৰ মহাসাগৰত এবাৰ বুৰ মাৰি চাচোন। বুৰ মাৰিলে এসোপা বোকাৰ বাহিৰে তই হাতত একো নাপাবি। তই যদি মৰিবলৈ বিচাৰিছ তাতেই ডুব দি নমৰ কিয়?"

মহাসাগৰত ডুব দি মৰাৰ মোৰ প্ৰয়োজন নাছিল কুন্দন। মই মৃত্যু বিচাৰিছিলোঁ কিন্তু শাৰীৰিক মৃত্যুতকৈ মানসিক মৃত্যুত তিল তিলকৈ ভুগিছিলো। মই দাৰিদ্ৰ্যৰ চৰম ৰূপ দেখিছিলোঁ। শ্ৰমিকৰ দৰে কাম কৰি, চাকৰৰ দৰে মানুহৰ ঘৰত কাঁহী বাতি

মাজি দিন অতিবাহিত কৰিছিলোঁ আৰু কেতিয়াবা সাত দিন ধৰি অনাহাৰে আছিলোঁ। কিন্তু মই সকলো দুঃখ সহ্য কৰিছিলোঁ আৰু মোৰ শৰীৰৰ ওপৰত তাৰ একো প্ৰতিক্ৰিয়া হোৱা নাছিল। মই ধনী আৰু দুখীয়াৰ সুখ-সম্ভোগ আৰু দুখীয়াৰ দাৰিদ্ৰ্য দেখিছোঁ, অপমান আৰু নিৰ্যাতনৰ শীৰ্ষবিন্দু দেখিছোঁ। ... মোৰ এবাৰ সংবাদদাতা হ'বৰ ইচ্ছা হৈছিল। ভাবিছিলোঁ আলোচনীৰ যোগেদি সমাজৰ, দেশৰ জনসাধাৰণৰ সকলো সমস্যা আলোচনা কৰি সেইবোৰৰ সমাধানৰ কাৰণে সকলোকে জগাই তুলিম। কিন্তু মোৰ সেই আশা পূৰ্ণ নহ'ল। যিখন সংবাদ পত্ৰ আৰম্ভ কৰিছিলোঁ—সেইখন বেছি দিন নচলিল। মই এইটোও দেখিলোঁ—আমাৰ দেশৰ ৰাজনীতি দুখীয়া মানুহৰ কাৰণে নহয়, আমাৰ ৰাজনৈতিক প্ৰতিনিধিসকলে জনসাধাৰণৰ কাৰণে একো নকৰে, আমাৰ দেশৰ সাধাৰণ নিৰ্বাচন এটা ভুৱা মাত্ৰ। মই এইটোও দেখি আহিছোঁ নিৰ্বাচনৰ পিছত যিমানেই নিৰ্বাচন হৈছে দিনে দিনে স্বাৰ্থপৰ আৰু নিকৃষ্ট প্ৰতিনিধিবোৰ নিৰ্বাচিত হৈ আহিছে। ... মই অনেক শিক্ষা সংস্থান দেখাৰ সুযোগ পাইছিলোঁ। সেই সুযোগ কেনেকৈ পাইছিলোঁ কোৱাৰ প্ৰয়োজন নাই। মোক সহায় কৰা কিমান মানুহ মই পাইছিলোঁ আৰু মোক কষ্ট দিয়া আৰু প্ৰতাৰণা কৰা কিমান অসৎ মানুহ মোৰ সংস্পৰ্শত আহিছিল এতিয়া নহয়, ভৱিষ্যতে আন সময়ত তোমাক ক'ম। ... তোমাক মই এটা কথা কওঁ—যিটো কথা তুমি হয়তো বিশ্বাস কৰিবলৈ টান পাবা যে আমাৰ দেশত যি পাশ্চাত্য শিক্ষাই যিভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে সেই শিক্ষাৰ এটা অন্তৰ্নিহিত উদ্দেশ্য হ'ল— আমাৰ মানসিক দাসত্বৰ বন্ধনক আৰু বেছি কটকটীয়া কৰা। স্বাধীন ভাৰতৰ স্বাধীন জীৱন বা স্বাধীন আকাংখ্যাৰ ক'তো কোনো গন্ধ মই সেই শিক্ষাত পোৱা নাই। মই অনেক সাধু আৰু সিদ্ধ পুৰুষক লগ পাইছিলো আৰু মই পূৰা এটা বছৰ তেওঁলোকৰ লগত আছিলোঁ। তেওঁলোকক দেখি মই আচৰিত হৈছিলোঁ যে তেনে শ্ৰেণীৰ মহাপুৰুষ আমাৰ দেশত অনেক আছে। ভাৰতীয় স্বাধীনতাৰ লগত তেওঁলোকৰ প্ৰত্যক্ষ সম্বন্ধ নাই যদিও তেওঁলোকৰ আধ্যাত্মিক অনুপ্ৰেৰণা অতি মূল্যবান আৰু গুৰুত্বপূৰ্ণ।

কুন্দন, তোমাৰ অন্তৰত মোৰ মূল্য এটা কড়িৰ সমান নাই বুলি জানিও মই তোমালৈ এই কথাবোৰ কিয় লিখিছো নিজেই নাজানো। মই স্বীকাৰ কৰিছোঁ তোমাৰ কাৰণে মই মৃত। তুমি যদি তোমাৰ বিদেশী বান্ধৱীজনীক লৈ হঠাৎ ইয়ালৈ নাহিলাহেঁতেন মোৰ এই চিঠিখন লিখাৰ কোনো সঙ্গত কাৰণ নাথাকিলহেঁতেন আৰু লিখাৰো কোনো প্ৰয়োজন নহ'লহেঁতেন। বিদেশত তোমাৰ থকা পাঁচ বচৰ হ'ল। পাঁচ বছৰৰ ভিতৰত আমাৰ মাজত চিঠি-পত্ৰৰ কোনো আদান-প্ৰদান হোৱা নাছিল। অৱশ্যে, মাবালৈ মাজে সময়ে তোমাৰ কুশল জনাই চিঠি লিখিছিলা। আমাৰ দুয়োৰে কাৰণে সিমানেই যথেষ্ট আছিল। তুমি মা-দেউতাৰাৰ ঋণ নিশ্চয় পৰিশোধ কৰিছা, আমাৰ লগত তোমাৰ সম্বন্ধ একেবাৰে বিচ্ছিন্ন কৰা নাই। ঈশ্বৰৰ কৃপাত তুমি আজি সাফল্যৰ উচ্চ শিখৰত উপনীত হৈছা। নিজৰ পুৰুষাৰ্থেৰেই যে তুমি সেই সাফল্য লাভ কৰিছা তাত অলপো সন্দেহ নাই। এই জটিল পৃথিৱীত নিজকে প্ৰতিষ্ঠা

কৰিবলৈ কিমান কষ্ট কৰিব লাগে মই জানো আৰু তুমিও জানা। তোমাৰ বিৰুদ্ধে অভিযোগ কৰাৰ যে মোৰ কোনো অধিকাৰ নাই মই জানো। যিস্থলত মই তোমাৰ কাৰণে একোৱেই কৰিব নোৱাৰিলোঁ—মোৰ সেই অধিকাৰ থাকিবই বা কেনেকৈ? মই এতিয়া বুঢ়া হ'লোঁ কুন্দন। জীৱনত যি কৰিবলগীয়া আছিল ভালে-বেয়াই সকলো কৰিলোঁ আৰু যি ভুগিবলগীয়া আছিল ভুগিলো। এতিয়া মোৰ কোনো আকাংখ্যা নাই। কিন্তু প্ৰত্যেক বাপেকে পুতেকৰপৰা আশা কৰাৰ নিচিনাকৈ ময়ো আশা কৰোঁ যে তুমি মোক বুজিবা আৰু মোৰ অসফলতাকে সাফল্যলৈ বদলি কৰিবা। মোৰ কৰ্মৰ যদি কিবা অৰ্থ আৰু উদ্দেশ্য আছিল, সেই অসমাপ্ত কামবোৰ তুমি সমাপ্ত কৰিবা।

অলপ মনত পেলোৱা—তুমি কেবা বছৰৰ পিচত মোক এজন অচিনাকি মানুহৰ নিচিনাকৈ লগ পাইছিলা। তুমি মোক কৈছিলা, "তোমাৰ ৰাস্তা বেলেগ আৰু মোৰ ৰাস্তা বেলেগ।" কথাষাৰ শুনি মই মনত কিমান আঘাত পাইছিলোঁ তুমি চিন্তাও কৰিব নোৱাৰা। তোমাৰ সেই ৰাতিটোৰ কথা নিশ্চয় মনত আছে যেতিয়া আমি দুয়ো ৰামদত্ত মাষ্টৰৰ ঘৰৰপৰা ঘৰলৈ উভতি আহোঁতে বাটত তুমি মোক 'প্ৰবঞ্চক, মিছলীয়া' আৰু আন অনেক কিবাকিবি কৈছিলা। সেইদিনা প্ৰথমবাৰ মোৰ মনত হ'ল তুমি মোৰ হাতৰপৰা গুচি গ'লা আৰু নিজৰ মতে চলিবলৈ ধৰিলা। মোৰ প্ৰতি তোমাৰ মনত যে বিতৃষ্ণা আছিল মই অলপমান অনুমান কৰিছিলোঁ কিন্তু সেই বিতৃষ্ণা কিমান বেছি আছিল সেই দিনাহে জানিব পাৰিলোঁ। তেতিয়াৰপৰা তোমাৰ প্ৰতিও মোৰ মনৰ ভাৱ বেলেগ হ'ল। মই আজি তোমাৰ ওচৰত স্বীকাৰ কৰো যে সেইদিনা তোমাৰ ওপৰত কেৱল খঙেই উঠা নাছিল তোমাৰ প্ৰতি মনত ঘৃণাও উপজিছিল। মই তোমাক মোৰ মনৰ ভাৱটো স্পষ্টকৈ প্ৰকাশ কৰা উচিত আছিল। এজন বুদ্ধিমান পুতেকৰ প্ৰতি বাপেকৰ এইকণ অধিকাৰ নাথাকিব কিয়? তাৰ কাৰণ হয়তো তুমি মোক তেনে বেয়া কথা কোৱা সত্ত্বেও মোৰপৰা তোমাক পৃথক কৰাৰ কথা মই কেতিয়াও ভাবিব নোৱাৰোঁ। কিন্তু কুন্দন, পৰম্পৰাগত ৰীতি, পিতা-পুত্ৰৰ তেজৰ সম্বন্ধৰ কিবা এটা শক্তি নাই জানো? তুমি কি উদণ্ড আৰু নিৰ্লজ্জভাৱে মোক সেই কথা কেইটা কৈছিলা তোমাৰ মনত আছেনে? সেই কথা কেইটাই মোৰ মনত কিমান আঘাত দিছিল ভাবিব পাৰিছিলানে? ৰমদাক মই পূজনীয় ককাইদেউৰ দৰে সন্মান কৰোঁ। মোৰ বিপদৰ সময়ত তেওঁ মোক কিমান সহায় কৰে তুমি দেখিছা। এইটোও সঁচা যে অনেক বিষয়ত মোৰ মতৰ লগত তেওঁৰ মত নিমিলিছিল। কিন্তু সম্বন্ধৰ মৰ্যাদা বোলা বস্তু এটা আছে। তুমিতো মনৰ উদ্বেগত তুমি ৰমদাৰ ঘৰলৈ গৈছিলা। ভাগীৰথীৰ প্ৰতি তোমাৰ সেই প্ৰেম মোৰ দৃষ্টিত সত্য প্ৰেম নাছিল। ভাগীৰথীক মই সদায় এজনী মোৰ নিজৰ ছোৱালীৰ দৰে দেখিছিলো আৰু তুমিও তাইক নিজৰ ভনীৰ নিচিনাকৈ দেখিছিলা বুলি মই জানিছিলোঁ। তোমাৰ মনত অহংকাৰ নিশ্চয় আছিল নহ'লে জাতৰ কাৰণে সম্বন্ধ ভাগি নাযায়। ... আমি আমাৰ ইংৰাজ শাসকৰ নিচিনাকৈ চিন্তা কৰা উচিত নহয়। নিজৰ স্বাৰ্থৰ কাৰণে তেওঁলোকে আমাৰ সমাজৰ বেয়া ছবিবোৰ যেনেকৈ আমাৰ আগত দাঙি ধৰে তাক চকুমুদি গ্ৰহণ কৰা উচিত নহয়, আমি নিজৰ

বিবেকেৰে সকলো কাম কৰা উচিত। আমাৰ পাপৰ প্ৰায়শ্চিত্ত আমিয়েই কৰিব লাগিব। আমাৰ বেয়া বস্তুবোৰ আমিয়েই উৎপন্ন কৰোঁ আৰু সেই কাৰণে তাৰপৰা হোৱা ৰোগৰ চিকিৎসা আমিয়েই কৰিব লাগিব। আমি বিদেশীক আমাৰ জীৱনত ভৰি পেলাবলৈ দিম কিয়? তল জাতৰ মানুহ হৈ উচ্চ জাতৰ মানুহৰদ্বাৰা মই যেনেভাৱে অপমানিত হৈছোঁ, তাক তুমি কল্পনাও কৰিব নোৱাৰো। কিন্তু তথাপিও উচ্চজাতৰ প্ৰতি মোৰ মনত ঘৃণা উৎপন্ন হোৱা নাই। তুমি হয়তো ক'বা মই এটা আত্মসন্মানহীন চাকৰ, এটা পতঙ্গ, এটা সকলো অপমান সহ্য কৰা অদ্ভুত মানুহ। কিন্তু নিজৰ মাজৰ ৰোগবোৰ মোতকৈ তুমি বেচিকৈ চিনি পোৱা বুলি ভাবানে? তুমি নিশ্চয় ভাবা ঘৃণাৰ চিকিৎসা ঘৃণাৰেই কৰিব লাগিব। কিন্তু মই সেইটো নাভাবো। মই তোমাৰ নিচিনা বিদ্বান নহওঁ কিন্তু মই অনেক জ্ঞানী আৰু সিদ্ধ পুৰুষৰ সংস্পৰ্শত আহিছোঁ। তেওঁলোকে তোমাৰ দৰে প্ৰতিশোধৰ কথা নাভাবে। তেওঁলোকৰ মতে এদিন সমাজ বদলি হ'ব, সমাজৰ বেয়া ৰীতি-নীতি কুসংস্কাৰবোৰ আঁতৰি যাব আৰু তেতিয়া জাতি সম্বন্ধীয় ঘৃণাৰ কোনো স্থান নাথাকিব।

কুন্দন, তুমি ভাগীৰথীক বিয়া কৰিবলৈ বিচাৰিছিলা নহয়নে? তুমি মোক কৈছিলা তুমি তাইক ভাল পোৱা। কিন্তু তাই তোমাক ভাল পায় নে নাপায় তুমি কেনেকৈ জানিছিলা? তুমি বিদেশলৈ যোৱাৰ আগতেই তাই বিয়া হৈ গৈছিল। পিছত এদিন ধেমালিতে মই ৰমদাক তোমাৰ কথা ক'লো, 'জানানে ৰমদা, ভাগীৰথীৰ বিষয়ে কুন্দনে মোক এনে কথা কৈছিল।' মোৰ কথা শুনি ৰমদা অলপপৰ টলকা মাৰি থাকিল আৰু তাৰ পিছত তেওঁ ক'লে, "তই এই কথাটো মোক আগতে নক'লি কিয়? ... জানো, তই তাক বাধা দিয়াৰ কাৰণেই সি আমাৰ ঘৰলৈ আহিবলৈ এৰি দিছিল। ... তই মোক সেই কথাটো কোৱাহেঁতেন মই তাক চণ্ডালি ল'লোহেঁতেন। আচলতে সেই বয়সত তেনে ধৰণৰ কথা মনলৈ আহেই। যিমান দূৰ মই জানো, ভাগীৰথীৰ মনত কুন্দনৰ প্ৰতি তেনে মনোভাৱ নাছিল। তাইৰ কোনো ভায়েক নাই আৰু সেই কাৰণে তাই তাক নিজৰ এটা ভায়েক হিচাপেই ধৰি লৈছিল। অৱশ্যে, এটা কথা নৰেন, কাৰো অন্তৰৰ কথা বুজা টান—সি নিজৰ সন্তানেই হওক বা আন কোনো হওক। মই তাইকো সুধি ল'লোঁহেঁতেন। মোৰ মতে দুয়োকে ওচৰাউচৰিকৈ বহুৱাই কথাটো সোধাহেঁতেন ভাল আছিল। তুমিতো কথাটো মোক কোৱা উচিত আছিল। হয়তো সকলো ভুল বুজাবুজি শেষ হ'লহেঁতেন আৰু তোমাৰ ল'ৰাই টোপোলা টাপলি বান্ধি গুচি নগ'লেহেঁতেন।"

কুন্দন, ৰমদাই তেওঁক সেই কথাটো মই কিয় কোৱা নাছিলো মোক বাৰে বাৰে সুধিছিল আৰু কৈছিল কথাটো তেওঁক নকৈ মই ভাল নকৰিলো। কিন্তু মই আজিও কওঁ—যি হ'ল ভালেই হ'ল কাৰণ ভাগীৰথীয়ে তোমাক ভাল নাপাইছিল, নিজৰ ভায়েক হিচাপেহে তোমাক মৰম কৰিছিল। মই তোমাক তাই 'ভাইটি ভাইটি', বুলি সম্বোধন কৰা এশবাৰ মান শুনিছিলোঁ। কিন্তু ভাগীৰথীৰ তোমাক বিয়া কৰিবলৈ অলপো ইচ্ছা নাছিল। তাইৰ লগত তোমাৰ 'বায়েক-ভায়েক' সম্বন্ধই স্বাভাৱিক আছিল। কিন্তু এইবোৰ কথা

আজি মই তোমাক বাৰু কিয় কৈছোঁ? এই কাৰণেই ক'ব লগা হৈছে যে তুমি এতিয়া ভুল হ'লেও স্বাভাৱিক জীৱন যাপন কৰিছা। তোমাৰ বয়স এতিয়া ত্ৰিশৰ ওচৰা-উচৰি; এই বয়সত মই দুটা সন্তানৰ দেউতাক হৈছিলোঁ। তোমাৰ আঁকোৰগোজ মনোভাৱৰ কাৰণে তুমি এতিয়া দেউতাৰাৰ ওপৰত প্ৰতিশোধ লৈছা। তুমি মোৰ আগত সঁচা কথা কোৱা নাছিলা যদি মোৰ চকুক বঞ্চনা কৰিব নোৱাৰিছিলা। তুমি সেই ছোৱালীক বিয়া কৰিলানে বা সোনকালেই কৰিবা? যদি কৰিলা ঈশ্বৰে তোমাক ৰক্ষা কৰক, মই একো নকওঁ। যদি এতিয়াও কৰা নাই, যি সিদ্ধান্ত গ্ৰহণ কৰিবা তাক আকৌ এবাৰ দকৈ ভাবি চাবা। অন্ধৰ নিচিনাকৈ জাপ নামাৰিবা। তোমাৰ কাৰণে ইয়াত ছোৱালীৰ অভাৱ নাই। তুমি ইয়াত যিকোনো জাতৰ ছোৱালী বিয়া কৰিব পাৰা—তাত মোৰ আৰু মাৰাৰ কোনো আপত্তি নাই। কিন্তু যি তোমাৰ দেশৰ নহয়, সমাজৰ নহয় আৰু যাৰ আঁতিগুৰি নাজানা, তেনে এজনী ছোৱালীক তোমাৰ গোটেই জীৱনটোৰ সঙ্গিনী কৰিলে শেহত যে অনুতাপ কৰিব লাগিব—মোৰ এই কথাটো এবাৰ ভাবি চাবা। যেতিয়া তোমাৰ চকু খুলিব তেতিয়া অনেক পলম হৈ যাব। এতিয়াও একো বেয়া হোৱা নাই যদিহে তুমি ইতিপূৰ্বেই বিয়া কৰোৱা নাই। ঈশ্বৰৰ কাৰণে আমাৰ কথা মানি লোৱা আৰু ইয়ালৈ আহি নিজৰ দেশৰ ভাল ছোৱালী এজনীক বিয়া কৰোৱাহি। তাৰ পিছত তুমি য'তেই থাকিবলৈ ইচ্ছা কৰা তাতেই থাকিবা। আমি তোমাক বাধা নিদিওঁ। ছোৱালীজনীৰ বিষয়ে মই তোমাক কি ক'ম। মই তাইক ইয়াত দেখিছিলোঁ আৰু তাইৰ লগত কথাও পাতিছিলোঁ। আমি তোমাৰ ওপৰত আমাৰ মতামত জোৰ কৰি জাপি দিয়া নাই। মাত্ৰ নিজৰ দেশৰ আৰু নিজৰ সমাজৰ ছোৱালী এজনীক বিয়া কৰি সুখী জীৱন যাপন কৰিবলৈ তোমাক উপদেশ দিছোঁ। এই চিঠিখন তোমাৰ মাৰাকো পঢ়ি শুনাইছো। তোমাৰ বিয়াৰ সম্বন্ধে মোৰ যি মত তেওঁৰো সেই একে মত। ইতি।

তোমাৰ—

নাৰায়ণ ৰাম

দেউতাৰ এই চিঠিখন মোৰ লগত কেনেকৈ ইমানদিন আছে ভাবিলে মই নিজেই আচৰিত হওঁ। সঁচা কথা ক'বলৈ গ'লে মই কওঁ যে চিঠিখন পঢ়ি সেই সময়ত মোৰ এনেকুৱা লাগিছিল যেন ফালি টুকুৰা টুকুৰ কৰি পুৰি পেলাম। কিন্তু তাকে নকৰি চিঠিখন মোৰ লগত সাৱধানে ৰখাৰ উপৰিও এক মিনিটো পলম নকৰি দেউতালৈ চিঠিখনৰ উত্তৰ লিখিলোঁ।

পূজনীয় দেউতা,

ভালেই হ'ল, যে আপুনি মোলৈ ইমান দীঘল চিঠিখন লিখিলে। আপোনাৰ বিষয়ে মোৰ কেতিয়াও ভুল ধাৰণা নাছিল। ক'ব নোৱাৰো কি চিন্তাৰ বশীভূত হৈ ইমান বছৰৰ পিছত আপোনাক লগ পাবলৈ গৈছিলোঁ। আপোনাক এইবোৰ কথা লিখিবলৈ সুযোগ দিয়াৰ বাবে মই দুঃখিত।

আপুনি মোক স্বেচ্ছাচাৰী বুলি কৈছে। যদি সেয়ে হয় মই আপোনাক ক'বলৈ বাধ্য যে তাৰ বাবে আপুনিয়েই দায়ী। আপুনি আমাক ঈশ্বৰৰ হাতত এৰি ছবছৰ

কোনো দায়িত্ব নোহোৱা মানুহৰ দৰে ঘূৰি ফুৰিছিল। তাৰ পিছতো যেতিয়া ঘূৰি আহিল তেতিয়াও আপুনি তাৰ বাবে অলপো অনুতাপ কৰা নাছিল। তাৰ বদলি আপুনি মোৰপৰা আশা কৰিছিল—মাই আপোনাৰ কৰিবলগীয়া কামবোৰ সমাধা কৰোঁ আৰু মোৰ গোটেই জীৱনটো আপোনাৰ চৰণত অৰ্পণ কৰোঁ। আপুনি মোৰ মাক উল্লেখ কৰি, তেওঁক মোৰ লগত তুলনা কৰি মোক নিন্দা কৰিছিল। মই তেতিয়াই মনত আনন্দ পাইছিলোঁ যেতিয়া মাই আপোনাক ঘৰত সোমাবলৈ নিদিছিল। আপুনি যাক মাৰ পতি-ভক্তি আৰু উদাৰতা বুলি ভাবে মোৰ দৃষ্টিত সেই পতিভক্তি আৰু উদাৰতা তেওঁৰ হীনমন্যতা আৰু ব্যক্তিত্বহীনতা আছিল। দেউতা, আপোনাক মই এইটোও ক'ব লাগিব নেকি যে আপোনাৰ কাৰণেই মোৰ মনত শেহত মাৰ প্ৰতিও ঘৃণা-ভাৱ উদ্ৰেক হৈছিল? যিটো বয়সত পিতৃ হিচাপে আপোনাৰ সান্নিধ্য মোৰ কাৰণে অতি প্ৰয়োজনীয় আছিল, সেই সময়তে আপুনি মোক অনাথ আৰু অসহায় কৰি ঘৰ এৰি গুচি গৈছিল। তেনে ঘোৰ অনুচিত আৰু হৃদয়হীন কাম কৰাৰ পিছতো আপুনি মোৰপৰা পিতৃ-ভক্তি আশা কৰিছিল। ত্ৰিশ বছৰ বয়সতো মই অধ্যয়ন কৰা দেখি আপুনি মোক বিদ্ৰূপ কৰিছিল আৰু মোৰ সকলো আকাংখ্যাৰ ওপৰত থুই পেলাইছিল। ইয়াতকৈ ডাঙৰ হৃদয়হীনতা আৰু কি হ'ব পাৰে কওক?

আৰু ইমান বছৰৰ পিছত আজি আপুনি কৈছে ৰমদাই তেতিয়া জনাহেঁতেন তোমালৈ ভাগীৰথীক বিয়া দিবলৈ অমান্তি নহ'লহেঁতেন। ইমান বছৰৰ পিছত মোৰ গোটেই জীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা ইমান ডাঙৰ কথাটো লিখোঁতে আপোনাৰ হৃদয়খন এটা ক্ষণৰ কাৰণেও কঁপি নুঠিলনে? আপুনি কি ধাতুৰে গঢ়া মানুহ দেউতা? আপুনি নাজানেনে যে ভাগীৰথীৰ লগত মোৰ বিয়া কোনো মতেই হ'ব নোৱাৰে বুলি আপুনি কোৱাৰ পিছতেই মোৰ জীৱনত কি বিভ্ৰাট ঘটিল? তদুপৰি আপুনি সেই কথাষাৰ নোকোৱাহেঁতেন আপোনাৰ আৰু মোৰ মাজত এই সুউচ্চ বিৰাট প্ৰাচীৰখন থিয় নহ'লহেঁতেন।

দেউতা, আপুনিয়েই মোক ভাগীৰথীৰপৰা বঞ্চিত কৰালে আৰু এতিয়া এলিচৰপৰাও বঞ্চিত কৰাবলৈ চেষ্টা কৰিছে। তেন্তে শুনক—মোৰ কামত হস্তক্ষেপ কৰাৰ আপোনাৰ কোনো অধিকাৰ নাই। সেই অধিকাৰ এসময়ত আছিল যদিও তাক আপুনিয়েই হেৰুৱালে। যদি সঁচা কথা কওঁ—আপুনি সেই অধিকাৰ কেতিয়াও অৰ্জন কৰা নাছিল। আপুনি সদায় নিজৰ মইমতালি আৰু আঁকোৰগোজ মনোভাৱেৰে সকলো কাম কৰিছিল আৰু কেতিয়াও কাৰো হিতচিন্তা নকৰিছিল। আপুনি মোক অহংকাৰী বুলি কয়। অহংকাৰ কাক কয় আপুনি নিজেই নাজানে কাৰণ সেই দোষটো আপোনাৰ নিজৰ গাতেই আছিল কিন্তু আপুনি দেখা নাপাইছিল। যি সত্যনিষ্ঠাৰ অহংকাৰ আপোনাৰ গাত সদায় বিদ্যমান, সেই অহংকাৰ আমাৰ পৰিয়ালটোৰ কাৰণে যে অমানুষিক বুলি প্ৰমাণিত হৈছিল সেইটো আপোনাৰ মস্তিষ্কত কেতিয়াও উদ্ভৱ হোৱা নাছিল। এটা কথা সোধো নে? যিটো অতি গুৰুত্বপূৰ্ণ কথা এতিয়ালৈকে আপুনি লুকুৱাই ৰাখিছিল তাক এতিয়া প্ৰকাশ কৰাৰ কি প্ৰয়োজন আছিল? আপুনি জগতৰ কাৰণে ভাল মানুহ

হ'ব পাৰে কিন্তু আমাৰ পৰিয়ালৰ কাৰণে এটা আততায়ীৰ বাহিৰে আন একো নহয় বুলি প্ৰমাণিত হৈছে। মই আপোনাৰ ছাঁৰ পৰাও বহুত দূৰ বিদেশত কোনো ৰকমে এটা ভগ্নপ্ৰায় জীৱন-যাপন কৰি আছোঁ; আপুনি কিয় মোক এনেভাৱে বিৰক্ত কৰি মোৰ শান্তি ভঙ্গ কৰিছে? আপোনাৰ দীঘল চিঠিখনত যিবোৰ কথা লিখিছে সেইবোৰ লিখিবৰ কি প্ৰয়োজন আছিল? আপুনি নিজকে অহিংসাৰ প্ৰতিমূৰ্তি বুলি কয় কিন্তু মোৰ বিবেচনাত আপুনি দায়ামায়াহীন এজন ক্ৰূৰ মানুহ। আপুনি মোক নৰকলৈ ঠেলি দিলে। কিন্তু তথাপিও আপুনি তাৰ বাবে অনুতপ্ত নহ'ল আৰু আপুনি মোক এই সুদূৰ বিদেশতো অনুসৰণ কৰিবলৈ এৰা নাই। আপোনাৰ এই চিঠিখনে মোৰ হৃদয়ত যি ধুমুহাৰ সৃষ্টি কৰিলে, আপোনাৰ দৰে এজন কাঠচিতীয়া মানুহে তাক কল্পনাও কৰিব নোৱাৰে। মই জানো যে মোৰ ওপৰত প্ৰতিশোধ ল'বলৈকে আপুনি এই বিষসনা চিঠিখন পঠাইছে যাতে মোৰ শুকুৱা ঘা ডোখৰ আকৌ কেঁচা হয় আৰু তাৰ যন্ত্ৰণাত মই ছটফট কৰোঁ। মই এই জীৱনত আকৌ কেতিয়াও আপোনাক চাবলৈ ইচ্ছা নকৰোঁ। আপোনাৰ প্ৰথম অপৰাধটো যথেষ্ট আছিল যদিও মই ক্ষমা কৰিছোঁ। কিন্তু দ্বিতীয় অপৰাধটো মই কেতিয়াও ক্ষমা নকৰিম। সেই অপৰাধটোৱে মোক একেবাৰে মোহাৰি পেলালে; মোৰ জীৱনটো ধ্বংস কৰিলে।

আপুনিয়েই মোক সঁচা কথা ক'বলৈ শপত খুৱাইছিল আৰু আপুনিয়েই পিছত মোক মিছাৰ নৰ্দমাত গতা মাৰি পেলাই দিছিল। হয়, মই আপোনাক মিছা কথা কৈছিলোঁ। মই তেতিয়া এলিচক বিয়া কৰোৱা নাছিলো যদিও বিয়া কৰিবলৈ স্থিৰ কৰিছিলোঁ আৰু তেওঁ প্ৰায় মোৰ লগতেই আছিল। আপুনি নিশ্চিত হওক দেউতা, এই সপ্তাহৰ ভিতৰতে মই এলিচক আনুষ্ঠানিক ভাবে বিয়া কৰিম। আপুনি পঠোৱা এই ভৱিষ্যৎবাণীৰ মূল্য মোৰ ওচৰত একো নাই। তাক মই আপোনালৈ ঘূৰাই পঠাইছো এই চিঠিৰ লগতে। এনেয়ে, আপুনি এতিয়ালৈকে মোৰ যিমান অহিত কৰিলে, তাতকৈ বেছি অহিত অৱশ্যে এই চিঠিখনে কৰিব নোৱাৰে। কাৰণ আগতেই কৈছোঁ আপোনাৰ এই চিঠিখনৰ মূল্য মোৰ ওচৰত একো নাই। এতিয়া মোৰ দাম্পত্য জীৱনৰ কথা চিন্তা কৰিবলৈ আপোনাৰ কোনো অধিকাৰ নাই। মোৰ ভাগ্যত যি আছে মই ভুগিছোঁ আৰু ভৱিষ্যতেও ভুগিম। আপুনি ধৰি ল'ব যে এতিয়ালৈকে মোৰ আৰু আপোনাৰ লগত যিকণ সম্বন্ধ আছিল আপোনাৰ এই চিঠিখনৰ পিছত সিও শেষ হৈ গ'ল। মই এতিয়া আপোনাৰ ওচৰত মৃত, দেউতা। আশা কৰোঁ আপুনি এইটো ধ্ৰুৱ সত্য বুলি ধৰি ল'ব যে আপোনাৰ ল'ৰা আজিয়েই মৰিল।

শেহত আৰু এটা কথা আপোনাক ক'ব লগা আছে। আপোনাৰ চিঠি লিখা মতে, আপুনি যদি তলজাতৰ মানুহ বুলি অন্তৰত দুঃখ পায় সেইটো গৌৰৱৰ কথা নহয়। এই চিঠিখন আপোনালৈ ঘূৰাই পঠাইছো যে ইয়াৰ কথাবোৰ মই স্বীকাৰ নকৰোঁ আৰু সেই কাৰণে ইয়াৰ কোনো প্ৰয়োজন নাই। আপোনাৰ তথাকথিত সহিষ্ণুতা আৰু প্ৰেম মোৰ ওচৰত অৰ্থহীন। আপোনাৰ প্ৰেম কি মই ভালদৰে জানি গৈছোঁ। মই এনেকুৱা কোনো কামত নহা, পঙ্গু প্ৰেমতকৈ মোৰ সঁচা ঘৃণা দহ লাখ গুণ মূল্যৱান

বুলি গণ্য কৰোঁ। মই ইয়াতে শেষ কৰিছোঁ— আপোনাৰ নিচিনা দীঘলীয়াকৈ কান্দিবৰ মোৰ ইচ্ছা নাই আৰু সময়ো নাই। ইতি।

শেষবাৰ আপোনাৰ— কুন্দন

সপোন

অগণন দুৱাৰ আৰু অগণন খিড়িকী! সেইটো গাধোৱা ঘৰ—য'ত মই উলঙ্গ হৈ থিয় হৈ আছোঁ। সেই দুৱাৰ আৰু খিড়িকীবোৰ এখন এখনকৈ বন্ধ কৰি মই নিজকে চালো এনেতে হঠাৎ এখন খিড়িকীৰ ফাঁকেদি এগৰাকী মহিলাক মোৰ ঘৰটোৰ কাষতে থকা এটা পাকঘৰত ৰান্ধি থকা দেখা পালোঁ। মই মোৰ গাধোৱাৰ ঘৰৰপৰা ওলাই তেওঁৰ পাকঘৰটোৰ দুৱাৰখন জোৰেৰে বন্ধ কৰিবলৈ গ'লো কিন্তু তাত দুৱাৰেই নাছিল, বন্ধ কৰিম কি? মই ঘূৰি আহিলোঁ মোৰ গাধোৱা ঘৰলৈ আৰু পানীকলৰ নিজৰাটো খুলি দি তাৰ তলত বহি পৰিলোঁ। লগে লগে মোৰ কাণত সেই মহিলাগৰাকীয়ে ফুচ্‌ফুচাই ক'লে, "নিজৰাটো বন্ধ কৰি দিয়াচোন।" পিচ মুহূৰ্ততে সেই মহিলাগৰাকী মোৰ গাধোৱা ঘৰটোৰ মাটিত বহি পৰিল আৰু মই তেওঁক সাবটি ধৰি মোৰ ওঁঠখন তেওঁৰ ওঠত লগাই দিলোঁ। কিন্তু একো অনুভৱ নকৰিলোঁ যেন মই তেওঁক স্পৰ্শই কৰা নাই। তেওঁ মোক একেৰাহে উচটাই দিবলৈ আৰু উত্তেজিত কৰিবলৈ ধৰিলে। মোক তেওঁৰ গাৰ ওচৰলৈ টানি আনিলে কিন্তু তেওঁ জোৰেৰে মোক সাবটি ধৰা সত্ত্বেও মোৰ শৰীৰে তেওঁৰ শৰীৰৰ স্পৰ্শ তিলমানো অনুভৱ নকৰিলে। মই মিচিকিয়াই হাঁহিলো—তাৰ পিছত তেওঁ পানীকলৰ নিজৰাটোৰ তললৈ আহিল আৰু আমি দুয়ো নিজৰাৰ তলত মনৰ হেপাহেৰে গা ধুলোঁ। তেওঁ মনৰ আনন্দত খিলখিলকৈ হাঁহিবলৈ ধৰিলে। মই তেওঁক চিনি পাওঁ যেন লাগিল—তেওঁ মোৰ বন্ধু এজনৰ পত্নী কিন্তু তেওঁৰ মনত কোনো বেয়া মনোভাৱ নাই, অপৰাধসূচক বাসনা নাই। আৰু মোৰ মনতো তেনে ধৰণৰ কোনো উদ্দেশ্য নাই। আমি দুয়ো নিৰ্দোষ। সঁচাকৈয়ে সেই সকলো কথা ইমান আশ্চৰ্যজনক, ইমান যাদুৰ নিচিনা। ... তেওঁক মোৰ সেই পানীকলৰ নিজৰাটোৰেই এটা অংশ যেন লাগিল। কিন্তু তেওঁৰ শৰীৰ শূন্যতাই মোৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰা যেন লাগিল। যেতিয়া তেওঁ মোৰ ওঁঠত তেওঁৰ ওঁঠখন লগাই দি চুমা খালে। সঁচাকৈয়ে সেই ওঁঠখন মোৰ মানুহৰ ওঁঠ যেন নালাগিল। ... মোৰ নিজৰ অতি অ৷৮ৰিত লগাৰ কাৰণে মই তেওঁক বাৰে বাৰে চুমা খাবলৈ ধৰিলোঁ ... সেই মহিলাগৰাকীৰ মুখত এটা মিচিকিয়া হাঁহি বিৰিঙি উঠিল। হাঁহিটো মোৰ মুখৰপৰা এটা চিঞৰ ওলাই আহিল আৰু মই চকু মুদি দিলো। অলপ

পিচত যেতিয়া মই চকু মেলিলোঁ, দেখিলোঁ মই মোৰ কোঠাৰ তক্তা এখনৰ ওপৰত শুই আছোঁ। দেখিলোঁ মোৰ শিতানত যিখন বহী মই থৈছিলোঁ সেইখন তাতে পৰি আছে। মই চকু দুটা মোহাৰিবলৈ ধৰিলোঁ। মই এতিয়াও সেই সপোনটোৰপৰা মুক্ত হোৱা নাই। মহিলাগৰাকীৰ মুখখন এতিয়াও মোৰ চকুৰ আগত ভাহি আছে। সপোনটো ভাগিল কিন্তু তাৰ প্ৰভাৱ এতিয়াও মোৰ মনৰ পৰা যোৱা নাই। হঠাৎ মোৰ মনত খেলি গ'ল—মোৰ ছুটীৰ এইটোৱেই শেষ দিন আৰু কাইলৈ মোৰ ঘৰ ওচৰ-চুবুৰীয়া মানুহেৰে ভৰপূৰ হ'ব।

সপোনটো ভাগিল যদিও কি দেখিছিলোঁ তাক স্মৰণ কৰিবলৈ চেষ্টা কৰিছোঁ। মই বৰ খৰকৈ লিখিছোঁ যাতে যিমানবোৰ কথা মোৰ মনত পৰিছে সকলো লিপিবদ্ধ কৰিব পাৰোঁ। সপোনটো ময়েই দেখিছিলোঁ আৰু সেই কাৰণে তাৰ কথা ময়েই ক'ব পাৰিম। কি অস্বাভাৱিক সেই সপোনটো, যাৰ কথা মোৰ মনত আছে। তাকেই মই আপোনাৰ আগত বৰ্ণনা কৰিম। গোটেই ৰাতিটো টোপনিত লালকাল হৈ আছিলোঁ যদিও মই এতিয়া ক্লান্ত বোধ কৰিছোঁ। কিন্তু মোৰ হাতত সময় বৰ কম আৰু সেই কাৰণে সেই সীমিত সময়ৰ ভিতৰতে মই মোৰ কাম শেষ কৰিব লাগিব। জোচেফ আহি ঘূৰি গ'ল। তেওঁৰ ইমান নিৰ্জনতা আৰু নীৰৱতা ভাল নালাগিল। বোধকৰো আকৌ কাইলৈ আহিব।

অৱশ্যে মোৰ হাতত এটা পূৰা দিন অৰ্থাৎ এটা পূৰা ৰাতিপুৱা, এটা পূৰা দুপৰীয়া আৰু পূৰা সন্ধিয়া আছে। তাৰ পিছত কোনোবা এঠাইলৈ গৈ বিদায় ল'ম। মোকতো এতিয়াও সেই সপোনটোৱে ঘেৰি থৈছে। ... কি আচৰিত কি চমৎকাৰ কিন্তু মাজে মাজে ভয়লগা আৰু ভূতৰ গল্পৰ নিচিনা সেই সপোনটো! সপোনটো ভগাৰ পিছত মোৰ গোটেই গাটো ঘামত তিতি গৈছিল আৰু বুকুখন টিপটিপাই আছিল। তাৰ পৰাই আপুনি অনুমান কৰিব পাৰিব মই কিমান ভয় খাইছিলোঁ। কিন্তু পিছত তাক লিখিবলৈ ধৰোঁতে মোৰ হাঁহিহে উঠিছিল। আচৰিত কথা—মোৰ এই সপোনটোত মহিলাৰ উপস্থিতিৰ কি প্ৰয়োজন আছিল? সিও এনেকুৱা এগৰাকী মহিলা—যাক মই চিনি নাপাওঁ আৰু কেতিয়াও আগতে দেখা নাই। ভাবিছোঁ ইমানবিলাক মহিলা থাকোঁতে মাত্ৰ সেইগৰাকী মহিলা মোৰ সপোনত আবিৰ্ভাৱ হ'ল কিয় আৰু মোৰ গাধোৱা ঘৰলৈ আহিল কিয়? অসংখ্য দুৱাৰ আৰু অসংখ্য খিড়িকীৰ মোৰ গাধোৱা ঘৰটো! একেবাৰে ভাবিব নোৱাৰা আচৰিত কথা নহয়নে?

সেই সপোনটোৰ সংযোগতে মোৰ জীৱনত ঘটা অনেক ঘটনাৰ কথা মোৰ আকৌ মনত পৰিছে। মই সংযোগ ভাল পাওঁ কিন্তু কোনো নিয়ম আৰু প্ৰণালী নোহোৱা সংযোগ ভাল নাপাওঁ। ... কিন্তু কাইলৈ এই গগনচুম্বী জাবৰ-জোথৰৰ দ'মটো মই কি কৰিম? আপোনাৰ ইমান সহিষ্ণুতা আৰু সহযোগিতাৰ পিছত আপোনাৰ ধৈৰ্য্য আৰু সহিষ্ণুতাৰ মাত্ৰা বঢ়াবলৈ ক'বলৈ মোৰ অলপো ইচ্ছা নাই। মই ইয়াতে শেষ কৰিবলৈ বিচাৰিছোঁ। এলিচ নিজৰ দেশলৈ গ'ল আৰু এতিয়া তেওঁৰ লগত কটোৱা দিনবোৰ মোৰ ওচৰত মৃত অতীত—ধৰি লওক আগৰ জন্মৰ

ঘটনা। আপুনি হয়তো নাজানে পুনৰ্জন্মত মোৰ অলপো বিশ্বাস নাই।

এনেয়ে এলিচে মোক এৰি থৈ যোৱাৰ অনেক কাৰণ আছিল। ভাৰতত পদাৰ্পণ কৰিয়েই তেওঁ কৈছিল ভাৰতবৰ্ষহে যেন তেওঁৰ জন্মভূমি, জাৰ্মানী নহয়। সেই সময়ত ভাৰতৰ সকলো বস্তুৰ প্ৰতি তেওঁৰ কৌতূহল জন্মিছিল। এলিচ বৰ ৰোমাণ্টিক আৰু ভাৱপ্ৰৱণ আছিল। তেওঁৰ কল্পনা আৰু ভাৱপ্ৰৱণতা দেখি মই আচৰিত হৈছিলোঁ। কোনো তথ্য বাহিৰ কৰিবলৈ আৰম্ভ কৰিবলৈ বহিলে তেওঁ তাক বাহিৰ নকৰা পৰ্য্যন্ত মনত শান্তি নাপাইছিল আৰু আনকি ভাত-পানীও এৰি তাৰ পিছত লাগিছিল। তেওঁৰ উৎসাহৰ স্পৰ্শ মোৰ গাতো লাগিছিল। মোৰতো নিজৰ দেশখনক এখন আচৰিত দেশ যেন লাগিছিল। মই কেনেকৈ জানো যে এলিচ ইমান সোনকালে বদলি যাব? যদি মই তেওঁৰ নিচিনাকৈ বদলি হোৱা নাই, তাত মোৰ দোষ কি? মইতো একেবাৰে বেলেগ ৰাস্তাটোৰ শেষ প্ৰান্তত থিয় হৈছিলোঁ আৰু ঘৃণা আৰু দ্ৰোহৰ শেষ সীমা ছুইছিলোঁ। অতি কমেও মই ক'ব পাৰো যে এলিচ মোৰ ঘৰখন ভগাৰ এটা নিমিত্ত আছিল। অৱশ্যে তাইৰ মনত হয়তো এতিয়া খেলিব পাৰে—আমি আকৌ আমাৰ আগৰ অৱস্থালৈ উলটি যাওঁ, আমাৰ দিনবোৰ আকৌ আগৰ নিচিনা হয়।

আজিকালি মোৰ মগজটোৱে বেলেগ ধৰণে কাম কৰিবলৈ ধৰিছে। এতিয়া মোৰ আকৌ ভাৰতীয় হোৱাৰ ইচ্ছা মনত জাগি উঠিছে। এই সুপ্ত মনোভাৱটো যদি আগতেই জাগি উঠিলহেঁতেন, কিমান ভাল হ'লহেঁতেন! মই আপোনাক কৈছিলোঁ এলিচৰ দেউতাক মোৰ শ্ৰদ্ধেয় প্ৰফেচাৰ আছিল। তেওঁৰ অধীনত মই গৱেষণা কৰি ডক্টৰেট ডিগ্ৰীলাভ কৰিছিলোঁ। মই তেওঁৰ প্ৰিয়তম ছাত্ৰ আছিলোঁ। ডাঙৰীয়া, অন্ততঃ এই ক্ষেত্ৰত আপুনি ইউৰোপক লোহা হিচাপে গণ্য কৰিব লাগিব। নিজে বিদ্যা অৰ্জন কৰোঁতে তেওঁ অসাধাৰণ দক্ষতাৰ পৰিচয় দিয়াৰ উপৰিও আনক সেই বিদ্যা দান কৰোতেও অসাধাৰণ দক্ষতাৰ পৰিচয় দিছিল। তেওঁ প্ৰকৃত শিক্ষক আছিল আৰু তেওঁৰ মনত তিলমানো ভেদভাৱ নাছিল। ভাৰতীয় শিক্ষকক তেওঁৰ লগত কোনো মতেই তুলনা কৰিব নোৱাৰি। তেওঁ সেই তুলনাৰ উৰ্দ্ধত আছিল। সমাজত বিদ্যাৰ কি মূল্য বিদেশলৈ গ'লে জানিব পাৰি। আমাৰ পঢ়া-শুনা কৰা সমাজ এখন নকল সমাজ। তাৰ লগত আমাৰ পুৰুষাৰ্থ আমাৰ জীৱন-বোধ নাইবা আমাৰ পৰম্পৰাৰ লগত সম্বন্ধ সন্দেহজনক।

এলিচে মোৰ সহকৰ্মী অধ্যাপকসকলক ঘৃণা কৰিছিল। সেইটো যে তেওঁৰ অন্যায় হৈছে মই সেই কথাটো তেওঁক বুজাবলৈ প্ৰাণপণে চেষ্টা কৰিছিলোঁ। মই এলিচক কৈছিলোঁ—আমি সকলো অধ্যাপক জাৰ্মান অধ্যাপকসকলৰ দৰে বিদ্বান আৰু বুদ্ধিমান। তুমি তেওঁলোকক অপৈণত, অকৰ্মণ্য আৰু পৰনিন্দুক হিচাপে মিছাতে ধৰি লৈছা। তেওঁলোকৰ লগত আন্তৰিকভাৱে কথা পাতিলে তুমি জানিব পাৰিবা তেওঁলোক তোমালোকৰ জাৰ্মান অধ্যাপকসকলৰ দৰে বুদ্ধিমান আৰু গুণী। পৰাধীনতাৰ কাৰণে আমাৰ দেশৰ পৰিৱেশত তুমি যি এটা জড়তা দেখিবলৈ পাইছা দেশত বিদ্বান আৰু

বুদ্ধিজীৱীসকলৰ সংখ্যা দিনে দিনে বৃদ্ধি হোৱাৰ কাৰণে সেই জড়তা সময় ল'লেও লাহে লাহে দূৰ হ'ব। ... তুমি যেতিয়া ইয়ালৈ প্ৰথম আহিছিলা, তেতিয়া সেই একে বিশ্ববিদ্যালয়, একে কলেজ আৰু একে অধ্যাপক আছিল আৰু তুমি সকলোকে প্ৰশংসা কৰিছিলা। কিন্তু এতিয়া সকলোৰে প্ৰতি এনে হীন মনোভাৱ কিয়? গভীৰভাৱে চোৱা এলিচ, দেখা পাবা আমি জানি-শুনি বা নজনাকৈ বিশ্ববিদ্যালয়তেই হওক বা সংসদ ভৱনতেই হওক বা আলোচনাচক্ৰতেই হওক বা বজাৰ বা আন সকলো ঠাইতে হওক উভয় সংকটত পৰিছোঁ। কিন্তু এলিচৰ তৰ্ক কৰাৰ যি ক্ষমতা আছিল সেই ক্ষমতা মোৰ নাছিল। এটা কথাত মোৰ ওপৰত তেওঁৰ খং উঠিছিল যে তেওঁ যিবোৰ কথা ভাল পাইছিল সেইবোৰক মই বেয়াকৈ সমালোচনা কৰিছিলোঁ। গতিকে তেওঁৰ লগত মোৰ সম্বন্ধ দিনে দিনে বেয়া হৈছিল। এলিচে দেউতাকলৈ মোৰ বিৰুদ্ধে কিছুমান ভুল কথা লিখিছিল। আনৰ চিঠি মনে মনে পঢ়াৰ মই সদায়েই ঘোৰ বিৰোধী। কিন্তু এনে কিছুমান পৰিস্থিতি আহে আৰু যেতিয়া মনলৈ সন্দেহ আহে, তেতিয়া আনৰ চিঠি পঢ়িবলৈ মানুহ ব্যগ্ৰ হয় আৰু পঢ়ি নিজকে সৰু কৰি পেলায়। মোৰ সন্দেহ হৈছিল এলিচে দেউতাকলৈ লিখা দুয়োখন চিঠিতে মোৰ বিৰুদ্ধে লিখিছে আৰু সেই কাৰণে দুয়োখন চিঠি ডাকত দিয়াৰ আগতে সুযোগ পাই মই পঢ়ি লৈছিলোঁ। সেই দুখন চিঠি পঢ়াৰ পিচত এলিচৰ প্ৰতি মোৰ মনত ঘৃণা উপজিছিল। কিন্তু মই এতিয়া উপলব্ধি কৰিছোঁ যে মই যে তেওঁৰ দুখন চিঠি পঢ়িছিলো সেইটো তেওঁক কোৱা উচিত আছিল আৰু কোৱাহেঁতেন সকলো পঙ্কিলতা ওলাই পৰিলহেঁতেন। কিন্তু এলিচৰ ভুল আঙুলিয়াই দিবলৈ মোৰ সাহস নহৈছিল আৰু সেইটো মোৰ জীৱনৰ এটা ডাঙৰ ভুল আছিল। যুঁজ কৰি হ'লেও আচল কথাবোৰ বাহিৰ কৰাহেঁতেন মই মনত শান্তি পালোঁহেঁতেন। মই দেখিছোঁ সত্য কথা লুকুওৱাৰ কাৰণে স্বামী-স্ত্ৰীৰ মাজত কাজিয়া লাগে আৰু মাৰ-পিটো হয়। সি যি কি নহওক আমি শিক্ষিত আৰু বুদ্ধিজীৱীসকলে সিমান দূৰ যাবলৈ নিদি পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পাৰিলেও সহজ আৰু শান্তভাৱে লুকাই থকা পঙ্কিলতা বাহিৰ কৰা উচিত। কাৰণ মানুহক সত্যতাই সদায় ৰক্ষা কৰে। তাৰ কাৰণে আত্মসংযম আৰু ধৈৰ্য্যৰ একান্ত প্ৰয়োজন। তদুপৰি সততা আৰু নিৰ্দোষ মনোভাৱৰ সদায় অন্তৰ্নিহিত এটা শক্তি আছে।

এলিচে এতিয়াও মোলৈ চিঠি লিখে আৰু আমি যাক সম্বন্ধ বিচ্ছেদ বুলি কওঁ সেইটো এতিয়ালৈকে আমাৰ মাজত হোৱা নাই। মোৰ শিক্ষক অৰ্থাৎ তেওঁৰ দেউতাকে এতিয়াও মোক চিঠিৰে জনায় যে এলিচে এতিয়াও মোক আগৰ দৰেই বিচাৰে আৰু মই তেওঁৰ স্বভাৱৰ বৈচিত্ৰ্য ভালকৈ বুজি লৈ অলপ ধৈৰ্য্যেৰে কাম কৰিব লাগে। মই এতিয়ালৈকে তেওঁৰ চিঠিৰ উত্তৰ দিয়া নাই। কি উত্তৰ দিম মই? দেউতাক আৰু ছোৱালীৰ মাজত এটা গভীৰ সম্বন্ধ থাকে যাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এচিলৰ দেউতাকৰ লগত মোৰো গভীৰ সম্বন্ধ আছিল আৰু এতিয়াও আছে। কিন্তু এলিচৰ লগত মোৰ সম্বন্ধ বেয়া হোৱাৰ পিছত তেওঁৰ মনৰ ওপৰত মোৰ প্ৰতি কি প্ৰতিক্ৰিয়া হৈছে তাক অনুমান কৰা মোৰ পক্ষে কঠিন। এপিনে তেওঁৰ মই

মাটাইতকৈ প্ৰিয় ছাত্ৰ আৰু তেওঁৰ মৰমৰ ছোৱালীৰ প্ৰেমিক আছিলোঁ আৰু এলিচৰ লগত মোৰ ঘনিষ্ঠ সম্বন্ধ গঢ়ি উঠোতে তেওঁ আপত্তি কৰা নাছিল। কিন্তু যেতিয়া মই তেওঁৰ আগত বিয়াৰ প্ৰস্তাৱ কৰিছিলোঁ তেতিয়া তেওঁ উৎসুক হৈ পৰিছিল। তেওঁ ভাৰতীয়সকলে পৰম্পৰাগত ৰীতি মানি চলে আৰু তেওঁলোক সাধাৰণতে আন্তঃৰাষ্ট্ৰীয় বিবাহৰ পক্ষপাতী নহয় বুলি মন্তব্য কৰিছিল। তেওঁ এইটোও জানিছিল যে হিন্দু পৰিয়াল সাধাৰণতে যুটীয়া পৰিয়াল হয় অৰ্থাৎ পৰিয়ালত সকলোৱে একেলগে থাকিবলৈ বেচি ভাল পায়। গতিকে এলিচে তেনেকুৱা যুটীয়া পৰিয়ালত বাস কৰিব নোৱাৰিব বুলি তেওঁক স্পষ্টকৈ কৈছিল। তাৰ উত্তৰত মই আৰু এলিচ মা-দেউতাহঁতৰ লগত নাথাকি বেলেগে থাকিম বুলি তেওঁক সম্পূৰ্ণ আশ্বাস দিছিলোঁ। তথাপিও তেওঁ সেই বিয়াৰ কাৰণে মা-দেউতাকৰ অনুমতি লোৱা উচিত বুলি মোক কৈছিল। মই তেওঁক কৈছিলোঁ— যেতিয়া মই এলিচক লৈ এটা জাৰ্মান দলৰ লগত ভাৰতৰ বস্তৰলৈ গৈছিলো সেই সময়ত কেইদিনমানৰ কাৰণে আমাৰ ঘৰলৈ এলিচক লৈ যাওঁতে ঘৰত মোৰ মা-দেউতাৰ ওপৰত এলিচে বৰ সুন্দৰ প্ৰভাৱ কৰিছিল। লগতে ভৱিষ্যতে আমাৰ দুয়োৰে বিয়া হ'লে সেই বিয়াত তেওঁলোকৰ বিশেষ কোনো আপত্তি নাথাকিব বুলি কৈছিলোঁ। এই শেহৰ কথাষাৰ একেবাৰে যে মিছা কথা আছিল সেইটো এলিচ আৰু মোৰ বাহিৰে আনে কোনেও জনা নাছিল।

তাৰ পিছতো এলিচৰ দেউতাক দোধোৰমোধোৰত পৰিছিল আৰু এদিন তেওঁ মোৰ ওচৰলৈ আহি মোক বুজাবলৈ চেষ্টা কৰিছিল। তেওঁ কৈছিল, "এলিচক মই যিমান জানো তুমি নাজানা। মোৰ বিশ্বাস তাই তোমাৰ এজনী ভাল পত্নী হ'ব। দুয়ো মিলি একেলগে কাম কৰি শিক্ষাৰ ক্ষেত্ৰত যে অনেক দূৰ আগবাঢ়ি যাবা তাত মোৰ কোনো সন্দেহ নাই। কিন্তু এদিন নহয় এদিনতো তুমি স্বদেশলৈ ঘূৰি যাবাই। ক'ব নোৱাৰোঁ তোমাৰ দেশলৈ গৈ এলিচে নিজকে খাপ খুৱাব পাৰিবনে নোৱাৰে। মোৰ মতে, তুমি ইমান সোনকালে বিয়াৰ সিদ্ধান্তটো গ্ৰহণ নকৰিবা। বৰ ভালকৈ আৰু গভীৰভাৱে কথাটো চিন্তা কৰা। শুনি হয়তো তোমাৰ বেয়া লাগিব যে আন্তঃৰাষ্ট্ৰীয় বিবাহ সাধাৰণতে সফল নহয় বুলি মোৰ মনত এটা শংকা আছে। মই তোমাক ভালপাওঁ আৰু জোঁৱাই হিচাপে বিচাৰোঁ আৰু সেই কাৰণে তোমাক হতাশ কৰাৰ মোৰ অলপো ইচ্ছা নাই। মোৰ সম্পূৰ্ণ বিশ্বাস আছে এলিচে তোমাক বিচাৰে আৰু তুমিও এলিচক বিচৰা। কিন্তু তুমি যে নিজৰ দেশত নিগাজীকৈ থাকিবলৈ বিচাৰিবা সেইটো স্বাভাৱিক কথা। গতিকে তেতিয়াই তোমাৰ আৰু এলিচৰ সমস্যা আহিব। সেই সমস্যা তোমালোকে কেনেকৈ সমাধান কৰিবা সেইটো এতিয়া একো ক'ব নোৱাৰি। মই ভালদৰে জানো তোমাৰ দেশৰ জলবায়ুয়েই নহয়, তোমাৰ সকলো সংস্কৃতিও আমাৰ সংস্কৃতিতকৈ একেবাৰে পৃথক যাক এজন ইউৰোপীয়ই গ্ৰহণ কৰিবলৈ টান পাব। মই বিচাৰোঁ এলিচে তোমাৰ সহযোগিতা আৰু সহানুভূতিত তাৰ সংস্কৃতিক লাহে লাহে গ্ৰহণ কৰিব পাৰে। এলিচৰ এটা স্বভাৱ যে তাই মনলৈ যিটো চিন্তা এবাৰ আহে তাক বাস্তৱত পৰিণত নকৰা পৰ্যন্ত তাই আন কথা চিন্তা নকৰে। মই

তোমাক আগতে কৈছিলোঁ এলিচ এজনী আঁকোৰগোজ ছোৱালী। অৰ্থাৎ তাই যিটো কাম কৰিব বুলি এবাৰ স্থিৰ কৰে, তাক কৰিবই। মই জানো তুমি এজন শান্ত আৰু স্থিৰ মনোভাৱৰ ল'ৰা আৰু সেই কাৰণে তাইৰ মনস্তত্ব বুজিবলৈ চেষ্টা কৰিবা আৰু তোমাৰ বিবেকৰ বিৰুদ্ধে নগ'লে তাই ভালপোৱা কামবোৰ কৰিবা। মই ভাৱুক মাত্ৰ কিতাপৰ যোগেদিহে জানো আৰু যিমানখিনি জানো তাৰ সমাজৰ নীতি-নিয়ম যে সম্পূৰ্ণ বিপৰীত তাত মোৰ অলপো সন্দেহ নাই। এলিচে তাক কিমান দূৰ গ্ৰহণ কৰিব পাৰিব সেইটো মই সঠিককৈ ক'ব নোৱাৰোঁ। গতিকে তোমাক এতিয়াৰপৰা মই সতৰ্ক কৰি দিছোঁ। কিন্তু মোক তুমি ভুল নুবুজিবা।

ডাঙৰীয়া, তেওঁৰ সেই কথা মনত পৰাৰ পিছৰ পৰা মোৰ কাণত বাজি আছে। তেওঁৰ মুখখনো এতিয়া মোৰ চকুৰ আগত ভাহি আছে। তেওঁৰ ওচৰত মোক এতিয়া নিজকে অপৰাধী যেন লাগিছে। সঁচাকৈয়ে তেওঁৰ দূৰ দৃষ্টি কিমান গভীৰ আৰু তেওঁ কোৱা কথাবোৰ কিমান সঁচা আছিল!

এলিচে মাক হ'বলৈ নিবিচাৰিছিল। অৱশ্যে, মই মনে মনে ভালেই পাইছিলোঁ। সেইবোৰ জটিলতাৰ মাজত সোমাবলৈ তেতিয়া মোৰ সময়েই বা ক'ত আছিল? তেতিয়া মোৰ উচ্চ শিক্ষাৰ উচ্চাকাংখ্যাই পাখি মেলি আকাশত উৰি ফুৰিছিল। তাৰ পিছত ভাৰতলৈ উলটি আহি তাত তিনি বছৰমান কটোৱাৰ পিছতহে উপলব্ধি কৰিছিলোঁ যে মোৰ উচ্চ শিক্ষাই মোৰ জীৱনৰ সকলো নহয়—তাৰ বাহিৰেও আন অনেক আছে। সেই 'আন অনেক'ৰ কথা চিন্তা কৰি মোৰ বুদ্ধিয়ে নিস্তাৰ নাপাইছিল আৰু এলিচক মই সহধৰ্মিনী হিচাপে ধৰি লৈ তেৰোঁ সেই 'আন অনেক'ৰ সন্ধানত যোগদান কৰি মোক সহায় কৰিব বুলি ভাবিছিলোঁ।

কিন্তু মোৰ সেই ধাৰণা ভুল আছিল। এই 'আন অনেক'ৰ প্ৰতিক্ৰিয়াতেই এলিচৰ ভিতৰত আৰু এজনী এলিচৰ আবিৰ্ভাৱ হৈছিল—যি মোৰ একেবাৰে অচিনাকি আছিল। মই আপোনাক কৈছিলোঁ যে আমাৰ মাজত এজন পাদুৰী আহি থিয় হৈছিল। সেই পাদুৰীজনৰ হঠাৎ উপস্থিতি মোৰ ওচৰত এটা ডাঙৰ আশ্চৰ্য্য আছিল। এলিচৰ চিন্তাধাৰা নাস্তিক আছিল। ধৰ্মৰ অনুশাসন মনা, গীৰ্জালৈ যোৱা তেওঁৰ অভ্যাস নাছিল আৰু তেওঁ আনকো বাধা দিছিল। খ্ৰীষ্টান ধৰ্মক লৈ আমাৰ মাজত কেতিয়াবা কেইবা ঘণ্টাও ধৰি আলোচনা হৈছিল। এনেয়ে তেওঁৰ দেউতাকৰো ধৰ্মৰ প্ৰতি সিমান আকৰ্ষণ নাছিল। কিন্তু আলোচনাত তেওঁ মোৰ পক্ষ লৈছিল আৰু এলিচ অকলে আছিল। সেই এলিচ এতিয়া অষ্ট্ৰীয় ধৰ্মযাজক পাদুৰীৰ প্ৰতি কিয় আকৰ্ষিত হ'ল—মই কোনো মতেই তাৰ কাৰণ ভাবি নাপালোঁ। যতদূৰ সম্ভৱ হিন্দু ধৰ্মৰ প্ৰতি তেওঁৰ মনলৈ বিতৃষ্ণা অহাৰ কাৰণে পাদুৰীৰ সংস্পৰ্শত আহি খ্ৰীষ্টান ধৰ্মৰ পিনে তেওঁৰ মনটো ঢাল খালে। এইখিনিতে উল্লেখযোগ্য যে এলিচৰ মাক এগৰাকী ধৰ্মপৰায়ণা নাৰী আছিল। হয়তো শেহত তেওঁৰ প্ৰভাৱ এলিচৰ ওপৰতো পৰিছিল।

আমাৰ নিষ্ফল দাম্পত্য জীৱনলৈ বিৰক্তি আহিছিল। সেই বিৰক্তি এলিচৰ মনলৈকো আহিছিল আৰু মাতৃত্বৰ কাৰণে তেওঁ লালায়িত হৈছিল। কথাটো ময়েই

তেওঁক কৈছিলোঁ আৰু তেওঁ অনেক ভাবি-চিন্তি আধা-মনেৰে মাতৃত্ব গ্ৰহণ কৰিবলৈ মান্তি হৈছিল। মই [illegible]লো আৰু এলিচকো মই বুজাবলৈ চেষ্টা কৰিছিলো যে সন্তানে মাক-বাপেকৰ মনত কেৱল আনন্দই নিদিয়ে—দুয়োৰে মাজত মনোমালিন্য হ'লে এটা মধুৰ হাঁহিৰে দূৰ কৰায়। ... কিন্তু মান্তি হোৱাৰ পিছতো এলিচে মাজে সময়ে অসন্তুষ্টি প্ৰকাশ কৰিছিল আৰু গৰ্ভধাৰণৰ পিছতো মোক মৃদু তিৰস্কাৰ কৰিছিল তেওঁক তেনে অপৰিহাৰ্য্য কষ্ট আৰু জটিলতাৰ মাজলৈ ঠেলি দিয়াৰ কাৰণে। মই মোৰ মাক তেওঁৰ ওচৰলৈ মাতি অনাৰ কথা কোৱাত তেওঁ বাধা দিলে। গতিকে জোচেফৰ ঘৈণীয়েকে আমাক সহায় কৰিলে আৰু এলিচৰ প্ৰসৱ যথাসময়ত নিৰাপদে হৈ গৈছিল।

পুত্ৰ সন্তান জন্ম হোৱাৰ খবৰ পায়েই মা ঘৰৰপৰা দৌৰি আহি নাতিয়েকক কোলাত ললেহি। ভাৰতলৈ অহা মোৰ প্ৰায় তিনি বছৰ হৈছিল। এই তিনি বছৰৰ ভিতৰত আমি অনন্তপুৰলৈ যোৱা নাছিলোঁ আৰু মাও আমাৰ ওচৰলৈ অহা নাছিল। মই মাক মতাও নাছিলোঁ—মাত্ৰ খবৰটোহে দিছিলোঁ। মা আমাৰ ঘৰলৈ অহাত তেওঁৰ সাহায্য পাই মই মনে মনে বৰ সন্তুষ্ট হ'লোঁ। কিন্তু এলিচে ভাল নাপালে। নাতিয়েকক লৈ মাই অধিকাংশ সময় কটাই দিয়াৰ কাৰণে এলিচ মনে মনে ক্ষুণ্ণ হৈছিল আৰু নিজৰ অসন্তুষ্টি প্ৰকাশ কৰিছিল যদিও মাই অলপো বেয়া নাপাইছিল। মাই সৰহখিনি সময় নাতিয়েকক কোলাত লৈয়েই কটাইছিল আৰু তাকে দেখি এলিচে প্ৰত্যক্ষভাৱে মনৰ অসন্তুষ্টি প্ৰকাশ নকৰিলেও তেওঁৰ ভাৱ-ভঙ্গী আৰু কথা-বতৰাত পৰোক্ষভাৱে সেইটো প্ৰকাশ পাইছিল। মাই কিন্তু তালৈ কটাক্ষপাত কৰা নাছিল। মোৰ ওপৰত মাৰ এটা মাত্ৰ অভিযোগ আছিল যে মই দেউতাৰ লগত সম্বন্ধ ছেদ কৰিছিলোঁ। যিহেতু মই এটা ল'ৰাৰ দেউতাক হ'লোঁ, মাই আশা কৰিছিল মোৰ মনৰ ভাৱ সলনি হ'ব আৰু দেউতাৰ লগত মোৰ স্বাভাৱিক সম্বন্ধ স্থাপন হ'ব। মোৰ ওচৰলৈ মা অহাৰ সেইটোও এটা কাৰণ আছিল বুলি মই অনুমান কৰিছিলোঁ। অৱশ্যে মোৰ অনুমান ভুল নাছিল। মাই মোক বাৰে বাৰে এটা কথাই কৈ আছিল—মই যেন ঘৰলৈ গৈ দেউতাৰ ওচৰত ক্ষমা বিচাৰোঁ কাৰণ দেউতাই মোৰ ব্যৱহাৰত বৰ আঘাত পাই আছে। তেওঁক সহজে সন্তুষ্ট কৰিব পাৰি তেওঁ নিশ্চয় মোক লগে লগে ক্ষমা কৰিব আৰু দেউতাৰ লগত মোৰ আগৰ প্ৰীতিপূৰ্ণ সম্বন্ধ স্থাপন হ'ব।

মা আমাৰ ঘৰত থকা দুমাহ হোৱাৰ পিছত এদিন মোৰ ভাইটো মাক নিবলৈ আহিল। দেউতাই তাক পঠাই দিছিল। ভাইটোৱে দেউতাই লিখা চিঠি এখনো মোক দিছিল। চিঠিত লিখা আছিল ঃ

কুন্দন,

বোপাই, মোৰ গাটো ভাল নহয়, তুমি তোমাৰ মাৰাক সোনকালেই পঠাই দিবা। মোৰ এটা বেয়া অভ্যাস মাৰাই কৰাইছিল যে অলপ অসুস্থ হ'লেই মই তেওঁৰ ওপৰত নিৰ্ভৰ কৰোঁ আৰু তেওঁ লগত নাথাকিলে এটা দিনো কটাব নোৱাৰোঁ। তুমি ধৰি লোৱা মই এতিয়া সন্ধিয়াৰ সূৰ্য যি অলপতে মাৰ যাব। মাত্ৰ তোমাক, বোৱাৰীক আৰু নাতিটোক এবাৰ চাবৰ কাৰণে বৰ হেঁপাহ আছে। মই হঠাৎ অসুস্থ

হৈ নপৰাহেঁতেন তুমি নামাতিলেও, মাৰাৰ লগতে তোমালোকৰ ওচৰলৈ গ'লোহেঁতেন। কিন্তু কি কৰিম? তুমি বোৱাৰী আৰু নাতিটোক লৈ এবাৰ ইয়ালৈ আহিবা। যদি কিবা অসুবিধা থাকে, এতিয়াই আহিব নালাগে। নাতিটো অলপ ডাঙৰ হৈ লওক, তোমালোকৰ সুবিধা মতে আহিবা। মই তোমালোকৰ কাৰণে অপেক্ষা কৰি থাকিম। চিন্তাৰ কাৰণ নাই, তোমালোকে নিজৰ কাম কৰি থাকিবা। তোমাক যদি কেতিয়াবা কিবা কটু কথা কৈ থাকো ক্ষমা কৰিবা। আৰুনো কি লিখিম? তুমি নিজেই সকলো জানা। ইতি।

তোমাৰ

নাৰায়ণ ৰাম

মা গ'ল। ময়ো তেওঁৰ লগতে যোৱাহেঁতেন ভাল আছিল। কিন্তু কথাতে কয়, 'যাক প্ৰভূৱে দাৰুণ দুঃখ দিয়ে তাৰ বুদ্ধি প্ৰথমেই হৰণ কৰি লয়।' মই এলিচক কি দোষ দিম? তেওঁ যাবলৈ নিবিচাৰিছিল। মই অকলেই দুই-তিনি দিনমানৰ কাৰণে যাব পাৰিলোহেঁতেন। যাবলৈ কোনো অসুবিধাও নাছিল। কিন্তু মোৰ স্বভাৱত এনে এটা আত্মঘাতী জটিলতা আছে আপোনাক কি ক'ম? ... মই যি কোনো সমস্যাৰ সমাধান তৎক্ষণাৎ কৰিব নোৱাৰিছিলোঁ। সেইটো মোৰ অক্ষমতা আছিল। মই এটা ডাঙৰ ভুল কৰিছিলো যে দেউতাৰ চিঠি পোৱাৰ পিছতে অকলে হ'লেও মাৰ লগত দেউতাৰ ওচৰলৈ যোৱা নাছিলোঁ। ... কিন্তু এতিয়া সেই কথাটো স্মৰণ কৰি লাভ কি? এতিয়া কোনে বিশ্বাস কৰিব যে মই দেউতাৰ চিঠিখন পঢ়ি নিজৰ কোঠালৈ গৈ দুৱাৰখন বন্ধ কৰি হুক হুক কৈ কান্দিছিলোঁ আৰু কান্দি কান্দি মোৰ মনৰ গভীৰ দুঃখ পাতল কৰিছিলোঁ।

মা যোৱাৰ পিছতেই মই উড়িষ্যালৈ গৈ তাত এমাহ আছিলোঁ। যেতিয়া ঘূৰি আহিলোঁ, তাৰ দুসপ্তাহমানৰ আগতে মোৰ নামত অহা দুখন টেলিগ্ৰাম পালোঁ। এখনত দেউতাৰ গুৰুতৰ অসুখৰ কথা আৰু তাৰ তিনি দিনৰ পিছত পঠোৱা দ্বিতীয়খনত তেওঁৰ মৃত্যুৰ সংবাদ।

জীৱনত প্ৰথমবাৰ মই মাৰ ৰুদ্ৰৰূপ দেখিবলৈ পাইছিলোঁ। মই নোযোৱাৰ কাৰণে মোৰ ওপৰত দাৰুণ খঙত তেওঁ ৰণচণ্ডী ৰূপ ধাৰণ কৰিছিল। তেওঁ ধৰি লৈছিল মই জানি শুনিয়েই দেউতাৰ শেষ নিশ্বাস থকালৈকে তেওঁৰ মনত কষ্ট দিবলৈ সেই নিষ্ঠুৰতা কৰিছিলোঁ। আৰু দেউতাই মৃত্যুৰ আগমুহূৰ্তলৈকে 'কুন্দন, কুন্দন' বুলি মাতিছিল।

মোৰ ভাই আৰু ভনীয়ে মোৰ লগত মাত-বোল কৰিবলৈ এৰি দিছিল। তেওঁৰ সেই দাৰুণ দুঃসময়ৰ মাজতে মাই 'সেই ডাইনীজনীয়ে মোৰ ল'ৰাক কি মন্ত্ৰ কৰিলে সি ঘৰৰ কথা পাহৰি গ'ল। ডাইনী, তোৰ কল্যাণ নহ'ব' বুলি এলিচক অন্তৰৰ সকলো আন্তৰিকতাৰে শাও দিছিল। মাই নাতিয়েকক বৰ মৰম কৰিছিল কিন্তু এলিচক অভিশাপ দিওঁতে তেওঁৰ লগতে চিৰজীৱন থাকিব লগা মৰমৰ নাতিয়েকৰ যে কেনেকৈ কল্যাণ হ'ব সেই কথাটো তেওঁ নিশ্চয় পাহৰি গৈছিল।

অন্যমনস্ক ধূলি

ডাঁঙৰীয়া, শেহত মোৰ এই অন্তহীন আত্মকথা যে অন্তত আহি উপনীত হ'লহি আপুনি নিশ্চয় দেখিবলৈ পাইছে। এতিয়া আপুনি সুধিব আৰু সোধাৰো আৱশ্যক যে মোৰ এই অসংলগ্ন আৰু অসঙ্গত আত্মকথা আপোনাক শুনোৱাৰ কি প্ৰয়োজন আছিল? সঁচা কথা ক'বলৈ গ'লে প্ৰয়োজন আৰু লগতে উদ্দেশ্য আছিল মোৰ মনৰ বেদনা লাঘৱ কৰা আৰু দ্বিতীয়তে, আপোনাক সাক্ষী কৰি মোৰ হিচাপ নিষ্পত্তি কৰা। মই চাবলৈ বিচাৰিছোঁ উশাহ ল'বলৈ মোৰ কাৰণে এতিয়াও ক'ৰবাত অকণমানো ঠাই আছেনে?

এতিয়া যিহেতু কাহিনী শেষ হ'ল—আপোনাৰ লগত মোৰ যি চুক্তি আছিল সিও পূৰা হ'ল। লগতে আপোনাক কওঁ যে যি দুৰাৰোগ্য ৰোগত মই ভুগিছিলোঁ, তাৰো আৰোগ্যৰ লক্ষণ মই দেখা পাইছোঁ। মই বৰ আন্তৰিকভাৱে আপোনাক কওঁ যে যোৱা দুমাহ ধৰি এই কোঠাটোত যেনেকৈ বন্ধ হৈ আছিলোঁ মোৰ সেই কাৰাবাস অথলে যোৱা নাই। তাৰ প্ৰমাণ—যোৱা দুমাহৰপৰা এই পৰিত্যক্ত গাওঁখনত মানুহৰ সমাগম হোৱা আপুনি দেখিবলৈ পাইছে আৰু লগতে মানুহৰ কোলাহলো নিশ্চয় আপোনাৰ কাণত পৰিছে। ... আপুনি দেখিবলৈ পাব মোৰ ঘৰৰ দুৱাৰত যিটো তলা দুমাহৰপৰা লগোৱা আছে, তাক খোলাৰ শব্দ নিশ্চয় আপুনি শুনিছে ... তলাটো মই নিজৰ হাতেৰে খুলিছোঁ আৰু এটা দীঘল ছুটীৰ দিনবোৰ কটাই উলটি আহিছোঁ য'ত মোক সম্বৰ্দ্ধনা জনাবলৈ মোৰ বন্ধু-বান্ধৱবিলাক সাজু হৈছে।

... কওকচোন কোনো শব্দ আপোনাৰ কাণত পৰা নাইনে? ... বন্ধ দুৱাৰত লাগি থকা তলা খোলাৰ শব্দ, ৰাস্তায়েদি যোৱা মটৰ গাড়ী, ৰিক্সাৰ শব্দ, ল'ৰা-ছোৱালীৰ চিঞৰ-বাখৰ ... বাটৰুৱাৰ হাঁহি-খিকিন্দালি—এইবোৰ একোৱেই আপোনৰ কাণত পৰা নাইনে? ... সেয়া কোনোবাই মোক নাম ধৰি মাতিছে, হয়, হয় তেওঁ মোৰ বিষয়ে আন এজন মানুহক সুধিছে আৰু মানুহজনে মই ইয়াত নাথাকোঁ বুলি জোৰেৰে উত্তৰ দিছে। মোৰ হাঁহিহে উঠিছে কাৰণ মানুহজনে নিশ্চয় নাজানে যে মই ইয়াতেই আছিলোঁ আৰু এতিয়াও আছোঁ। লাহে লাহে মানুহ গোট খাইছে আৰু অলপ পিছতে দুই-চাৰিজন মানুহ আহি মোৰ কোঠাটোত সোমাবহি। তেওঁলোকে মোক ঘেৰি ধৰি লৈ প্ৰশ্নৰ পিছত প্ৰশ্ন সুধিব। আনৰ কথা জানিবলৈ মানুহ যে ইমান কৌতূহল হয় দেখিলে আচৰিত লাগে। অহেতুক হস্তক্ষেপ আৰুনো কি? ... কিন্তু তেওঁলোকৰ কিছুমানে সহানুভূতি দেখুৱায়। তেওঁলোক মোৰ বিষয়ে বেয়া কথা শুনিবলৈ ভাল পোৱা মানুহবিলাকৰ দলৰ নহয়। মোক বেয়া আৰু ভাল পোৱা মানুহবিলাক য'তে ত'তে থাকে আৰু মই সিহঁতৰপৰা আঁতৰি থাকিবলৈ বিচাৰোঁ। কিন্তু সিহঁতৰপৰা দূৰত থাকি কাৰ আশ্ৰয় ল'ম? আচল কথা, মই কাৰোৰপৰা আঁতৰি থকা বা বিচ্ছেদ হোৱা পছন্দ

নকৰোঁ। মই তেওঁলোকক আচৰিত হ'বলৈ সুযোগ দিম। ডাঙৰীয়া, আপুনি হয়তো অনুমান কৰিছে যে ময়ো বৰ উদ্বিগ্ন হৈছোঁ, আৰু লগতে মোৰ ভয়ো লাগিছে। ... অৱশ্যে মই যে তেওঁলোকক লগ পাবলৈ উৎসুক সেইটো সঁচা নহয়। মোৰ ভয় হৈছে তেওঁলোকে কথাৰে মোৰ মুখ বন্ধ কৰি দিব আৰু তেওঁলোকৰ আগত মই এটা কথাও ক'ব নোৱাৰিম। যদি আপুনি সোধে মই ক'বলৈ বাধ্য যে এতিয়া মোৰ অৱস্থা এটা হৰিণৰ নিচিনা—যাক শত্ৰুৱে পিছফালৰপৰা খেদি আহিছে। কিন্তু .. আপোনাক কেনেকৈ কওঁ যে এতিয়া মোৰ মৃত্যুৰ খামোচটো আগতকৈ অনেক ঢিলা হৈছে। এনে নহয় যে হঠাৎ এটা অতি উজ্জ্বল বস্তু মোৰ হাতলৈ আহি গ'ল। কিন্তু যিটো আহিছে সেইটোও কম চমৎকাৰ নহয় যেন লাগিছে আৰু এই আচৰিত আৰু অসংগত জগতত যি কোনো বস্তু আন এটা বস্তুতকৈ হীন নহয় বুলি মোৰ ধাৰণা হৈছে।

ডাঙৰীয়া, এই মানুহবোৰৰ লগতে মই জীয়াই থাকিম বুলি মোৰ যি বাসনা মনত জাগি উঠিছে, তাৰ যে যথেষ্ট কাৰণ আছে সেইটো আপুনি বিশ্বাস নকৰে জানো? সকলো এৰি থৈ যোৱাৰ যি ইচ্ছা মোৰ আগত আছিল তাক আপুনি এৰি দিবলৈ কয়নে? কিন্তু আপুনি মোৰ ওপৰত ভাৰসা ৰাখিব যে মোৰ নিজৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ আছে আৰু মোৰ মস্তিষ্কই ঠিক মতে কাম কৰি আছে।

ডাঙৰীয়া, আপোনাৰ হয়তো মনত আছে যে "মই কোন?" এই প্ৰশ্নটোৰেই আপোনাৰ লগত মোৰ সাক্ষাৎকাৰ আৰম্ভ কৰিছিলোঁ। মই দাবী নকৰোঁ যে সেই প্ৰশ্নটোৰ উত্তৰ আপোনাক দিছোঁ বা আপুনি নিজেই পাইছে। কিন্তু অন্ততঃ মই ইয়াকে ক'ব পাৰোঁ যে সেই প্ৰশ্নটো এতিয়া মোৰ আগৰ নিচিনা মাৰাত্মক নহয় যেন লাগিছে— আৰু তাৰপৰা দূৰত থকা মোৰ কাৰণে নিতান্ত আৱশ্যক হৈ পৰিছে। মই এতিয়া এই প্ৰশ্নটোৰ লগত সহজ হৈ জীয়াই থাকিব পাৰোঁ আৰু তাক নিজৰ ধৰণে সুধিব পাৰোঁ। সি যি কি নহওঁক, মোৰ আৰু আপোনাৰ মাজত এমাহৰ চুক্তি আছিল আৰু সেই চুক্তি ইতিপূৰ্বেই পূৰা হৈ গৈছে। তেন্তে এই অতিৰিক্ত আৰু অনৰ্গল উপসংহাৰে কাক সম্বোধন কৰিছে মোক ক'বনে? ... কোনো কথা নাই ডাঙৰীয়া, এতিয়া মই আপোনাৰপৰা ইমান দূৰত থকা নাই যে চিঞৰিলে আপুনি মোৰ মাতটো নুশুনিব। ... তেন্তে বিদায় ডাঙৰীয়া ... অন্ততঃ এতিয়াৰ কাৰণে বিদায় আৰু বিদায় দিছোঁ সেই সকলো দিন আৰু ৰাতিবোৰ যি আমাৰ দুয়োৰে সঙ্গ আৰু সান্নিধ্যক সাৰ্থক কৰি তুলিছিল। ...

Lasertypeset at Purbadesh Mudian, Guwahati-781008
and printed at Shivam Offset Press, New Delhi-110028